# উত্তৰণৰ সাধনা

হীৰেন গোঁহাই

লয়াৰ্ছ বুক ষ্টল
পানবজাৰ : গুৱাহাটী

**UTTARANAR SADHANA**
a collection of few articles in Assamese on different subjects written by Dr. Hiren Gohain and published by shri K N Dutta Baruah, Lawyer's Book Stall, Panbazar, Guwahati 781001

প্ৰকাশক
শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল
পানবজাৰ : গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৯৩

মূল্য : ৪৫.০০ টকা মাত্ৰ

DTP composed by
**swastika printers**
Ulubari, Guwahati 781007

মুদ্ৰক :
শৰাইঘাট অফছেট প্ৰেছ
বামণীমৈদাম, গুৱাহাটী -- ৭৮১ ০২১ ।

# পাতনি

এইখন নতুন কিতাপো মোৰ আগৰ বেছিভাগ কিতাপৰ দৰে ইতিপূৰ্বে প্ৰকাশিত প্ৰবন্ধৰ সংকলন। কিন্তু ইয়াৰ কেতবোৰ প্ৰবন্ধত সচৰাচৰ কৰি থকাতকৈ বিস্তাৰিত বিশ্লেষণ আৰু সমীক্ষাৰে বিষয়ৰ গভীৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰা হৈছে।

সাহিত্য সমালোচনা আৰু সমাজচিন্তাৰ যিবোৰ বিভিন্ন দিশত মোৰ মনোযোগ নিবদ্ধ হৈছে সেইবোৰৰ বিষয়েই প্ৰবন্ধবোৰত কিছু মননশীল অনুসন্ধানৰ চেষ্টা কৰা হৈছে। মাৰ্ক্সবাদী বিশ্লেষণ আৰু উদাৰ জাতীয়তাবাদী লক্ষ্য প্ৰতিষ্ঠা এইবোৰ প্ৰবন্ধতো পৰিস্ফুট। অসমীয়া জাতিৰ জাতীয় সংকট আৰু আকাংক্ষা সম্পৰ্কে ইয়াত মই নিৰ্বিকাৰ হৈ থাকিব পৰা নাই, যদিও মোৰ মতামতে মধ্যবিত্ত জাতীয়তাবাদৰ গণ্ডী চেৰাই গৈছে। আগতে স্পৰ্শ নকৰা কেতবোৰ নতুন বিষয়েও ইয়াত ঠাই পাইছে, যেনে চিনেমা বা অনুবাদ আদি। আশা কৰোঁ পাঠকসকলৰ কৌতূহল উদ্ৰেক কৰিব।

প্ৰবন্ধবোৰৰ উৎস যদিও এক সামগ্ৰিক জীৱনবোধ, সেইবোৰ এক সম্পূৰ্ণ চিন্তা সংহতিৰ (System of thought) গঢ়ত পেলাবলৈ মোৰ সময় নহ'ল। নানাধৰণৰ ৰাজহুৱা কামত আমি ব্যস্ত হৈ থকা বাবেই এই অসম্পূৰ্ণতা থাকি গ'ল। আনকি কেইটামান প্ৰবন্ধৰ ইচ্ছানুযায়ী প্ৰসাৰণ ঘটাব নোৱাৰিলোঁ। "বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা"ৰ আগৰ ডোখৰ বিচাৰিয়েই নাপালোঁ। এইবোৰ ত্ৰুটিৰ বাবে মই দুখীত।

কিছুমান বিষয়ে মোৰ মতামতৰ সালসলনি হৈছে। সেইবোৰ খুটিনাটিৰ কথা। কিন্তু দৃষ্টিকোণৰ পৰিৱৰ্ত্তন হোৱা নাই।

সম্প্ৰতি আমাৰ চিন্তাত এক নতুন মতান্ধতাই (dogmatism) আত্মপ্ৰকাশ-কৰিছে। বিৰক্তিকৰ পুনৰাবৃত্তিৰে সি কেতবোৰ উৰ্বলি যোৱা ধ্যান-ধাৰণা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে। আপ্তবাক্য আৰু ঋষিৰ কৰ্ত্তৃত্ব তাৰ বাঞ্ছিত ভিত্তি। তাৰ বিপৰীতে পাঠকে আমাৰ ৰচনাত পাব এক পৰীক্ষামূলক (critical)) চিন্তাৰ আভাস। তাৰ অবিহনে আমি এক কল্পস্বৰ্গৰ বন্দী হ'ব লাগিব বুলি আশংকা হয়। গুৰু-গোসাঁইৰ দিন গ'ল। কাৰো শাওপাতৰ ভয়ত নতুন চিন্তাৰ হাবিয়াস হেঁচা মাৰি ৰাখিব নোৱাৰি।

খৰখেদাকৈ কিতাপখন উলিয়াই দিয়া বাবে আৰু মোৰ বহু অত্যাচাৰ হাঁহিমুখে সহ্য কৰা বাবে লয়াৰ্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীযুত খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাদেৱক ধন্যবাদ জনালোঁ।

ইতি

হীৰেন গোঁহাই

গুৱাহাটী বিশ্ববিদ্যালয়

২৭/১২/৯২

# সূচীপত্ৰ

পাতনি
১। ভূতগ্ৰস্ত ঐতিহ্য: ৰবীন্দ্ৰনাথ আৰু গান্ধী: ১
২। জ্যোতিপ্ৰসাদৰ উত্তৰাধিকাৰ আৰু আমি: ৪৮
৩। বিষ্ণুৰাভাৰ চিন্তাধাৰাৰ স্বৰূপ: ৫৩
৪। আকৌ এবাৰ ভবেন শইকীয়াৰ অগ্নিস্নান: ৫৯
৫। গল্প, ভ্ৰম আৰু সত্য ইত্যাদি: ৬৫
৬। নতুন সমালোচনাৰ যৱনিকা: ৭৪
৭। হেমাংগ বিশ্বাসৰ স্মৃতি: ৮০
৮। সমালোচনাৰ কেন্দ্ৰ আৰু কক্ষপথ: ৮৩
৯। ইংৰাজী উপন্যাসৰ সমালোচনা: ষ্টীফেন্ হেইজল্: ৯৪
১০। বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা (অংশ): ৯৭
১১। জনগণৰ চলচ্চিত্ৰ: বাস্তৱ সম্ভাৱনা নে?: ১২৭
১২। জীৱনাদৰ্শ আৰু সাহিত্য: ১৩৮
১৩। উচ্চশিক্ষা সম্পৰ্কে নতুন দৃষ্টিকোণ: ১৪৩
১৪। শিক্ষা সংকট আৰু ৰাজনীতি: ১৫১
১৫। অনুবাদৰ দৰ্শন: ১৫৯
১৬। কবিতা আৰু সংগীত: ১৭০
১৭। অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ সমস্যা: ১৭৩
১৮। অসম আন্দোলনৰ সময়ৰ বক্তব্য: ১৭৯
১৯। অসমবাসী ৰাইজৰ ওচৰত এটি শেষ আবেদন (দলিল): ১৮৫
২০। দেশ গঠনত সাংবাদিকৰ ভূমিকা: ১৮৯
২১। অসমীয়া জাতি আৰু শিক্ষা: ২০৪
২২। অসমৰ নিবনুৱা সমস্যা: ২১১
২৩। মানুহৰ ভবিষ্যত আৰু এক লুপ্তপ্ৰায় জীৱ: ২১৮
২৪। বঙালী আমোলাৰ ষড়যন্ত্ৰ: ২২৪
২৫। জ্যোতিপ্ৰসাদৰ জাতীয়তাবাদী চিন্তাৰ প্ৰাসংগিকতা: ২৩০
২৬। শংকৰদেৱ আৰু শংকৰাচাৰ্য্য: ২৩৮

# ভূতগ্ৰস্ত ঐতিহ্য : ৰবীন্দ্ৰনাথ আৰু গান্ধী

[১]

মকৰা এটাই তাৰ জালখন গুঠোঁতে যি নৈপুন্য আৰু ৰূপবোধ প্ৰদৰ্শন কৰে, সি সঁচাকৈ বিস্ময়কৰ। কিন্তু মানুহে সজা ঘৰ এটাই, সজাৰ আগতে, মানুহৰ মগজুত বা মনত ৰূপ লয়। মানবীয় সৃষ্টিৰ এয়ে বৈশিষ্ট্য। কথাষাৰ কাৰ্ল মাৰ্ক্সৰ। আজি ভাৰতবাসীয়ে অনুভৱ কৰিছে যে আমি আজৌ ভৱিষ্যৎ অভিমুখে অভিযানৰ দুৱাৰদলিত থিয় হৈছোঁ। এনে এটা উপলব্ধি বহুদিন আমাৰ মাজত নাছিল। সম্প্ৰতি আকৌ সি জাগৰূপ হৈছে। চৰকাৰী মহলতো নিশ্চিন্ত যে কম্পিউটাৰৰ কল্যাণত দেশৰ কাৰ্য্যক্ষমতা বৃদ্ধি কৰি আমি একৈশ শতিকাত সগৌৰৱে প্ৰবেশ কৰিম।

কিন্তু একৈশ শতিকাৰ ভাৰতৰ চেহেৰা, গঢ়-গতি কেনেকুৱা হব? কেনে এখন সমাজ অভিমুখে আমি এই যাত্ৰা কৰিম? দূৰদৰ্শন চাই সক ল'ৰাই তেল-চাবোন-চকলেট কিনিবলৈ বিচৰাৰ দৰে চৰকাৰী প্ৰচাৰৰ মায়াত ভোল গৈ চৰকাৰী ধ্যান-ধাৰণাৰ ভাৰতৰ পিনে গতি কৰিম, নে ঘটনাচক্ৰৰ স্বয়ংক্ৰিয় গতিৰ ওপৰত নিৰ্ভৰ কৰি চকু মুদি আগবাঢ়িম? নে বিবিধ শিবিৰৰ পৰামৰ্শ বিচাৰিম? আন যি নহওক; ভৱিষ্যত সমাজ আৰু সংস্কৃতিৰ এটা আৰ্হি আমাৰ মনত থাকিব লাগে। যদি কোনো আৰ্হি নোহোৱাকৈ আগবাঢ়োঁ, তেতিয়াও দেখিম যে আমাৰ অজ্ঞাতে চৰকাৰী মহলৰ আৰ্হিটোৱেই আমাৰ গন্তব্য নিৰ্ধাৰিত কৰিলে। আমি মানুহ হে— মকৰা নহওঁ। (এই সম্পৰ্কে চৰকাৰী বৰমুৰীয়াসকলৰ সংশয় ধৰ্তব্য নহয়।)

এই আৰ্হি কি সূত্ৰেৰে, কি উপায়ে কিহৰ ভিত্তিত আমি নিৰ্ধাৰণ কৰিম! ভৱিষ্যতৰ ভাৰতখন আমূল পৰিৱৰ্তিত ভাৰত হব নে বৰ্তমানৰে উন্নত সংস্কৰণ হব? নে কিছুমান প্ৰখৰ বুদ্ধিমান বুদ্ধিজীৱীৰ দৰে বৰ্তমানৰ কলকব্জা, কাৰিকৰি কৌশল নেওচা দি সুদূৰ অতীতৰ শান্তিময় নিবিড় জীৱনলৈ হামৰাও কাঢ়িম? আধুনিক যুগৰ যিবোৰ লক্ষণ আমাৰ চকুত পৰিছে সেই সকলোবোৰ আমাৰ বাবে আৰামদায়ক হোৱা নাই। যন্ত্ৰৰ প্ৰসাৰৰ লগতে

যেন যান্ত্ৰিকতাও বিয়পি গৈছে— ব্যক্তিস্বাতন্ত্ৰ্যৰ ক্ৰমবিকাশৰ ফল হৈছে যেন নীৰস্ত্ৰ স্বাৰ্থপৰতা— আৰু আনকি সমাজবাদৰ পৰিণতিও যেন হৈছে আমোলাতান্ত্ৰিক শৃঙ্খলা। সেয়ে ভৱিষ্যতৰ আহিঁ এটা জৰুৰী প্ৰশ্ন হৈ উঠিছে। চৰকাৰী মহলে তাৰ এটা উত্তৰ ইতিমধ্যে বাহিৰ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰীসকলৰ বিভিন্ন ভাষণ আৰু বাণীত পৰিষ্কাৰ হৈ পৰিছে যে তেওঁলোকে সমাজ আৰু ৰাষ্ট্ৰৰ গাঁঠনিত বেছি সাল-সলনিৰ কথা ভবা নাই। তেওঁলোকে কেৱল উৎপাদনৰ চমকপ্ৰদ বৃদ্ধিৰ কথাকে ভাবিছে আৰু তাৰ স্বাৰ্থতে দেশৰ বিভিন্ন ক্ষেত্ৰত অনগ্ৰসৰতা আৰু অকৰ্মণ্যতা দূৰ কৰাৰ আঁচনি তৰিছে। অথচ এইটোও আজি লুকাই থকা নাই যে কেন্দ্ৰৰ অত্যধিক ক্ষমতাৰ বিৰুদ্ধে বিভিন্ন আঞ্চলিক শক্তিবোৰ বিক্ষুব্ধ। তেওঁলোকে বিচাৰে কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাস। দাৰিদ্ৰ্যৰ হাহাকাৰ কিছু তল পৰিলেও (সাময়িকভাবে) দাৰিদ্ৰ্যৰ সমস্যা লাঘৱ হোৱা নাই। বিভিন্ন অৱনত আৰু দলিত গোষ্ঠীৰ লগত সমাজৰ অগ্ৰসৰ গোষ্ঠীবোৰৰ সংঘৰ্ষ যেন ঘনীভূত হৈছে। “কেন্দ্ৰৰ হাত শক্তিশালী কৰি” এই বিভিন্ন দিশৰ সংকট সমাধান কৰিবলৈ আমাৰ নতুন নেতৃত্ব বদ্ধপৰিকৰ। বৌদ্ধিক দিশৰপৰা এই নতুন নেতৃত্বই বিচাৰিছে যে স্বাধীনতাৰ পিছৰপৰা যেনে ধৰণে দেশখন চলিছে, যি চিন্তাধাৰাৰে দেশ পৰিচালিত হৈছে তাকেই গৌৰৱময় নতুন আৱৰণ এটা দিয়া হওক?

বিশেষকৈ ইন্দিৰা গান্ধীৰ দিনত যিবোৰ ধাৰা সচল হ'ও তাৰেই ধাৰাবাহিক পৰিণতিৰ বাবে চেষ্টা কৰিব বুলি ৰাজীৱ গান্ধীয়ে ঘোষণা কৰিছে। কিন্তু এই ধাৰাবোৰ কি আছিল? প্ৰথমতে দেশৰ আৰ্থিক সংকটৰ ফলত হোৱা বিক্ষোভ আৰু প্ৰতিবাদ শাসন বা দমন কৰিবলৈ ৰাষ্ট্ৰৰ দ্বাৰা অপৰিমিত ক্ষমতা গ্ৰহণ। দ্বিতীয়তে শ্ৰমজীৱী মানুহৰপৰা কম মজুৰিতে অতিৰিক্ত শ্ৰম আদায়ৰ চেষ্টা ৰাষ্ট্ৰৰ উদ্যোগতে কৰা হয়। তৃতীয়তে যন্ত্ৰ আৰু বিজ্ঞানৰ সহায়েৰে উৎপাদন ক্ষমতা বৃদ্ধিৰ চেষ্টা। ফলস্বৰূপে কেৱল সেউজ বিপ্লৱেই নহয়, আণৱিক বিস্ফোৰণ, মহাকাশত উপগ্ৰহ স্থাপন, ইত্যাদি ঘটনাও ভাৰতীয় বিজ্ঞানৰ মাইলৰ খুটি হিচাপে প্ৰকাশ পালে। অৱশ্যে এই সকলোবোৰ কৃতিত্বৰ পিছতে বিদেশী সহযোগিতাও উল্লেখযোগ্য। চতুৰ্থথে সামাজিক বিপ্লৱৰ বিকল্প হিচাপে নানা তৰহৰ সামন্তযুগীয়া মতামত, ধ্যান-ধাৰণাৰ প্ৰচাৰ বৃদ্ধি। ইন্দিৰা গান্ধীয়ে নিজেই মন্দিৰে-মন্দিৰে সাড়ম্বৰে পূজাপাতল দিবলৈ ধৰিলে। তাৰে অন্যতম পৰিণাম স্বৰূপে সাম্প্ৰদায়িকতাৰ চোক লক্ষণীয়ভাৱে বাঢ়িল।

এইবোৰ ধাৰাৰ ক্ৰমবিকাশ বিশেষ স্বস্তিকৰ ঘটনা হ'ব জানো? এই কথা ঠিক যে জনতা চৰকাৰৰ দুৰ্বলতা আৰু বিশৃংখলা সাব্যস্ত হোৱাৰ পিছত উক্ত ধাৰাবোৰৰ বিকল্প সংসদী ৰাজনীতিত বিচাৰিবলৈ ভাৰতীয় ৰাইজে ভয়

খাইছে। সেয়ে বিশেষ জবৰদস্তি নকৰাকৈয়ে কেন্দ্ৰীয় চৰকাৰ তথা ৰাষ্ট্ৰৰ ক্ষমতাবৃদ্ধি হৈ আছে। নেতা পূজাৰ মাত্ৰাধিক্যই কিছুকাল পিছত পুনৰ একনায়কত্ববাদী প্ৰৱণতাৰ জন্ম দিবও পাৰে। যন্ত্ৰ আৰু বিজ্ঞানৰ প্ৰতি— বিদেশী সহযোগিতাৰ চৰ্তত— এই চৰকাৰৰো অনুকূল মনোভাৱ। অথচ অন্যতম গুৰুত্বপূৰ্ণ ধাৰা সামন্তযুগীয় পৰম্পৰাৰ পৃষ্ঠপোষকতাও চৰকাৰৰ বাবে সমানেই গুৰুত্বপূৰ্ণ।

দেশৰ ৰাজনীতিৰ এই মূল দিশ যিসকলে ধৰিব পাৰিছে তেওঁলোকে তাৰ বৌদ্ধিক ভিত্তি নিৰ্মাণ কৰিবলৈকো আগুৱাই আহিছে। বিশেষ সামাজিক উপপ্লৱ বা অথন্তৰ নঘটাকৈ উৎপাদন বৃদ্ধিৰ লক্ষ্য পূৰণ কৰিবলৈ হলে এহাতে বিদেশী সহযোগিতাত যন্ত্ৰৰ অবাধ প্ৰচলন হবলৈ দিব লাগিব, আনহাতে বিজ্ঞান বিৰোধী আধ্যাত্মিকতা আৰু যুক্তিবাদ বিৰোধী আৱেগো শক্তিশালী কৰিব লাগিব। আমাৰ প্ৰতিষ্ঠিত বুদ্ধিজীৱীসকলে নিষ্ঠাৰে এই দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে। তেওঁলোকে ইতিহাস আৰু সমাজতত্ত্বৰ এনে এক দৰ্শন প্ৰতিষ্ঠা•কৰিবলৈ বিচাৰিছে যি সামাজিক বিপ্লৱ স্তব্ধ কৰাৰ নামত পৰম্পৰাক ব্যৱহাৰ কৰিব আৰু মালিকশ্ৰেণীৰ মুনাফাৰ স্বাৰ্থত যন্ত্ৰ আৰু বিজ্ঞানৰ অভূতপূৰ্ব প্ৰসাৰ ঘটাব। প্ৰাক্‌স্বাধীনতা যুগত ভাৰতৰ চিন্তানায়ক সকলে বিজ্ঞান আৰু আধ্যাত্মিকতা, পৰম্পৰা আৰু পৰিৱৰ্তনৰ যি সমন্বয় সাধন কৰিছিল দাবে ঐতিহ্য আধুনিক ভাৰতত প্ৰবাহিত কৰি ৰাখিবলৈ এই নতুন 'দৰ্শনে' চেষ্টা কৰিছে। মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ চিন্তাধাৰাক এজন গৱেষকে জৱাহৰলাল নেহৰুৰ ব্যক্তিত্বৰ দুটা দিশ বুলি কৈছে। এই তিনিও মহান ব্যক্তিয়ে আধুনিক ভাৰতৰ ভিত্তি ৰচনাত যথেষ্ট অৱদান দি গৈছে। অথচ তিনিওৰ চিন্তাত এনে কেতবোৰ মৌলিক বিসংগতি আৰু অন্তৰ্বিৰোধ আছিল যি সেই চিন্তাধাৰাৰ স্বাভাৱিক কঅমবিকাশ ব্যাহত কৰিছে। তেওঁলোকৰ জীৱন-কালত এইবোৰ বিৰোধৰ পৰিণতি বিচাৰ কৰাৰ সময় হোৱা নাছিল। এতিয়া আৰু সেই ওজৰ নাখাটিব। তেনেস্থলত কোনো পৰীক্ষা, পৰিৱৰ্তন আৰু সংস্কাৰ অবিহনে ৰবীন্দ্ৰনাথ বা গান্ধীৰ চিন্তাধাৰাক পাথেয় কৰি আগবাঢ়িবলৈ যোৱাটো আত্মঘাতী কথা হ'ব। অতীতৰ বস্তুনিষ্ঠ অধ্যয়ন আৰু মূল্যায়ন অবিহনে আমাৰ ভবিষ্যৎযাত্ৰা নিঃসন্দেহে বিপদ-সংকুল হৈ পৰিব।

অন্যান্য বিষয়ত মতপাৰ্থক্য থাকিলেও এটা বিষয়ত গান্ধীজীৰ লগত ৰবীন্দ্ৰনাথৰ মতভেদ নাছিল। দুয়ো হিংসাক বা সশস্ত্ৰ বিৰোধক ৰাজনীতিৰ অস্ত্ৰ বা পদ্ধতি হিচাপে ব্যৱহাৰ কৰিবলৈ মুঠেই আগ্ৰহান্বিত নাছিল। গান্ধীজীৰ ক্ষেত্ৰত এই বিষয়ে সাক্ষ্য-প্ৰমাণৰ অভাৱ নাই। তেওঁ কেৱল 'অহিংসা'ৰ

আধুনিক প্ৰবক্তা হিচাপেই জনাজাত নহয়, হিংসাৰ আশ্ৰয় লোৱা মহান দেশপ্ৰেমিকসকলকো তেওঁ অকাতৰে নেওচা দিছিল। অহিংসাৰপৰা সামান্য বিচ্যুত হোৱা বুলিয়েই চৌৰি চৌৰাৰ ঘটনাৰ পিছত তেওঁ কাকো নোসোধা নেমেলাকৈ প্ৰত্যাহাৰ কৰিলে ভাৰতব্যাপি উত্তাল হৈ পৰা অসহযোগ আন্দোলন, ব্ৰিটিছ ৰাজপুৰুষ সকলৰ নিজা স্বীকাৰোক্তিতেই যি ভাৰতত ব্ৰিটিছ শাসনৰ ভেটি কঁপাই তুলিছিল। কংগ্ৰেছৰ বহু শীৰ্ষস্থানীয় নেতা গান্ধীজীৰ এই সিদ্ধান্তত হতাশাত ভাঙি পৰিছিল। ১৯২৮ চনত তেওঁ পুনৰ কংগ্ৰেছৰ অবিসম্বাদী নেতা হৈ পৰে। সেই সময়ত তেওঁ ভাৰতৰ ইংৰাজ বৰলাটলৈ এখন তাৎপৰ্যপূৰ্ণ চিঠি লেখিছিল :

"হিংসাবাদী শক্তিয়ে সম্প্ৰতি প্ৰসাৰ লাভ কৰিছে। ... মোৰ উদ্দেশ্য হ'ল ব্ৰিটিছ চৰকাৰৰ সংগঠিত হিংসাৰ লগে লগে হিংসাবাদী দলৰ অসংগঠিত হিংসাৰ বিৰুদ্ধে অহিংসাক নিয়োগ কৰা।..." (২ মাৰ্চ, ১৯৩০)

[সূত্ৰ : R.P.Dutt, India Today 1979, p.365]

শ্বহিদ ভগৎ সিঙৰ মৃত্যুদণ্ডৰ হুকুম উঠাই দিবলৈ যেতিয়া ইংৰাজ চৰকাৰৰ ওচৰত দেশব্যাপি দাবী উত্থাপিত হয়, সেই মুহূৰ্তত গান্ধীজীয়ে নিজকে স্পষ্টভাৱে সেই দাবীৰ লগত জড়িত কৰা নাছিল। দোষীৰ বিৰুদ্ধে হিংসাৰ প্ৰয়োগ যে নৈতিক দৃষ্টিকোণৰপৰাও বিশেষ সমৰ্থনীয় নহয়, সিও তেওঁৰ চকুত পৰা নাছিল। তেওঁৰ সত্যাগ্ৰহ আৰু অহিংসাৰ সমগ্ৰ কাৰ্যসূচীয়েই আছিল স্বদেশী যুগৰ সন্ত্ৰাসবাদ আৰু হিংসাবাদৰ বিৰুদ্ধে অভিযান। তেওঁৰ হিন্দস্বৰাজ গ্ৰন্থৰ ১৯৩৮ চনৰ সংস্কৰণৰ পাতনিত তেওঁ লেখিছিল যে সেই কিতাপখনত প্ৰতিফলিত তেওঁৰ মূল দৃষ্টিকোণৰ সলনি হোৱা নাই। তাৰে আগৰ সংস্কৰণ এটাত তেওঁ কৈছে যে ভাৰত আৰু দঃ আফ্ৰিকাত ভাৰতীয়সকলৰ মাজত বিয়পি পৰা সন্ত্ৰাসবাদ আৰু উপপন্থাৰ পচন (rot) দূৰ কৰিবলৈ তেওঁ সেই কিতাপখন লেখিছিল।

হিন্দস্বৰাজৰ পাশ্চাত্যবিৰোধী মন্তব্য যিমানেই তীব্ৰ নহওক, তাৰ স্বকীয় বৈশিষ্ট্য হ'ল ৰাজনৈতিক ক্ষমতাৰ ৰণৰ প্ৰতি নিস্পৃহতা। তেওঁৰ মতে ইংৰাজ শাসনৰ আটাইতকৈ ডাঙৰ অমংগল হ'ল 'অভিশপ্ত' পাশ্চাত্য সভ্যতা। ভাৰতৰ যিবোৰ অঞ্চলত এই সভ্যতা প্ৰবেশ কৰা নাই, সেইবোৰ তেওঁৰ মতে 'মুক্ত'। অৰ্থাৎ ইংৰাজ শাসনৰ অন্তৰ্ভুক্ত অথচ আধুনিক যন্ত্ৰ বা যন্ত্ৰনিৰ্মিত পণ্যৰ প্ৰভাৱত যিবোৰ অঞ্চল পৰা নাই, সেইবোৰ কাৰ্য্যতঃ স্বাধীন। এই কথা ঠিক যে ৰাজনৈতিক ক্ষমতা যথেষ্ট নহয়। ভাৰতৰ জনগণৰ মুক্তি ভাৰতীয় সমাজৰ গঢ়গতিৰ ওপৰত, তাৰ অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰিব। সেই কথা মানি লৈও আমি দুটা প্ৰশ্ন তুলিব পাৰোঁ :

(১) ৰাজনীতি তথা ৰাষ্ট্ৰই অৰ্থনীতিৰ ওপৰত যি প্ৰভাৱ পেলায়,

তাক অস্বীকাৰ কৰাটো মাৰাত্মক পলায়নবাদ নহয়নে?

(২) তেওঁৰ ধাৰণাত যিবোৰ অকল 'মুক্ত' তাতো জানো সামন্তবাদী শোষণ পূৰামাত্ৰাই নাছিল?

বেলেগ বিন্দুৰপৰা ৰবীন্দ্ৰনাথো একে সিদ্ধান্তত উপনীত হৈছিল। ৰবীন্দ্ৰনাথৰ ৰাজনৈতিক দৰ্শনৰ গভীৰ বস্তুনিষ্ঠ আলোচনা কৰি ড° অৰবিন্দ পোদ্দাৰে কৈছে:

"অৰ্থাৎ যে বিদেশী শাসনেৰ বিৰুদ্ধে তাঁদেৰ আনুভূতিক বিদ্ৰোহ, তাৰ সঙ্গে বৈষয়িক সম্পৰ্ক ছিন্ন কৰাৰ কাৰ্যক্ৰম গৃহীত হয়নি, সম্ভৱত তা তাঁদেৰ চিন্তায়ও স্থান লাভ কৰেনি। সুতৰাং এই জাতীয়তাবাদ বোধে প্ৰকৃতিতে, উপলব্ধিতে গোড়া থেকেই হ্ৰস্ব।"

* * *

"ৰবীন্দ্ৰনাথ স্বয়ং বাৰংবাৰ এই মনোভঙ্গিৰ শিকাৰ হয়েছেন। ৰাজনৈতিক-অৰ্থনৈতিক আনুগত্যেৰ সম্মুখে অন্য কোন পথ খোলাছিলনা।" (অৰবিন্দ পোদ্দাৰ, ৰবীন্দ্ৰনাথ/ৰাজনৈতিক ব্যক্তিত্ব, ১৯৮২, পৃঃ ২০-২১)

স্বদেশী যুগৰ অগ্নিক্ষৰা গানবোৰ যদিও তেওঁৰ সৃষ্টি আছিল, যিবোৰ গান কণ্ঠত আৰু হৃদয়ত লৈ দলে দলে দেশপ্ৰেমিক যুৱকে ফাঁচিকাঠক ইতিকিং কৰিছিল, তথাপি ব্ৰিটিছ উগ্ৰ দমননীতিৰ বিৰুদ্ধে উগ্ৰ প্ৰতিহিংসাক তেওঁ কোনো মতেই সমৰ্থন কৰিব নোৱাৰিলে। তেওঁৰ ধাৰণা হ'ল সেইবোৰ মাত্ৰ ক্ষমতা বা শক্তিৰ কামনাৰপৰা উদ্ভূত চিকাৰ। তাৰ কোনো যত্তিগত ভিত্তি নাই, মানবীয় বা নৈতিক মূল্য নাই। 'ঘৰে বাইৰে' উপন্যাসত নিম্নমধ্যবিত্ত ক্ষমতালোভী নেতা সন্দীপক উগ্ৰপন্থী হিচাপে ৰূপায়িত কৰি (যাৰ প্ৰতিদ্বন্দ্বী হ'ল স্থিতপ্ৰজ্ঞ জমিদাৰ নিখিলেশ) তেওঁ তেওঁৰ এই ধাৰণাক আৰু ব্যাপক প্ৰতীকী পৰিসৰ দিবলৈ চেষ্টা কৰিলে। ১৯১৬ চনত প্ৰকাশিত এই উপন্যাসত চৰমপন্থী নেতা সন্দীপে কৈছে:

"আমি তাই অন্যায়েৰ তপস্যাকেই প্ৰচাৰ কৰি। আমি সকলকে বলি, অন্যায়ই মোক্ষ, অন্যায়ই বহ্নিশিখা; সে যখনেই দগ্ধ না কৰে তখনই ছাই হয়ে যায়। যখনই কোনো জাত বা মানুষ অন্যায় কৰতে অক্ষম হয় তখনই পৃথিবীৰ ভাঙা কুলোয় তাৰ গতি।"

সন্দীপৰ ৰাজনীতিৰ মূল উন্মোচন কৰিবলৈ গৈ তাৰ মুখেৰে ৰবীন্দ্ৰনাথে কোৱাইছে:

"প্ৰবৃত্তিৰ যে জয়পতাকা আমাদেৰ হাতে দিয়ে মা প্ৰকৃতি, মা শক্তি, মা মহামায়া ৰণক্ষেত্ৰে আমাদেৰ পাঠিয়েছেন তাকে আমৰা লজ্জা দেবনা।

প্ৰবৃত্তিই সুন্দৰ, প্ৰবৃত্তিই নিৰ্মল।”

চৰমপন্থা আৰু সন্ত্ৰাসবাদৰ ওপৰত এই কলংক দিয়াৰ পিছত অতি স্বাভাৱিক ভাবেই ৰবীন্দ্ৰনাথৰ মুখৰপৰা ওলাইছে:

“ইংৰেজেৰ আহ্বান যে পৰ্যন্ত আমৰা গ্ৰহণ না কৰিব, তাহাদেৰ সঙ্গে মিলন যে পৰ্যন্ত না সাৰ্থক হইবে, সে পৰ্যন্ত তাহাদিগকে বলপূৰ্বক বিদায় কৰিব, এমন শক্তি আমাদেৰ নাই। যে ভাৰতবৰ্ষ অতীতে অঙ্কুৰিত হইয়া ভবিষ্যতেৰ অভিমুখে উদ্ভিন্ন হইয়া উঠিতেছে, ইংৰেজ সেই ভাৰতেৰ জন্য প্ৰেৰিত হইয়া আসিয়াছে।” (সূত্ৰ, পোদ্দাৰ, পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৫৭)

ভাৰতৰ আধুনিকীকৰণৰ বাবে পাশ্চাত্য প্ৰভাৱৰ প্ৰয়োজন, কোনেও অস্বীকাৰ নকৰিব। কিন্তু সেই প্ৰভাৱৰ বাবে ইংৰাজৰ ৰাজনৈতিক দাসত্ব অনিবাৰ্য চত হোৱাৰ যথাৰ্থতা ক'ত? ড° পোদ্দাৰৰ তথ্যসমৃদ্ধ গ্ৰন্থতো ৰবীন্দ্ৰনাথৰ যুক্তিৰ এই মাৰাত্মক দুৰ্বলতা উদ্‌ঘাটিত হোৱা নাই। স্বদেশী চৰমপন্থীসকলৰ পদ্ধতি আৰু কাৰ্যপন্থা যিমানেই অবৈজ্ঞানিক আৰু অপৈণত নহওক; ৰবীন্দ্ৰনাথৰ তুলনাত দাসত্বৰ লক্ষণ বুজাত অধিক সফল আছিল। ব্ৰহ্মবান্ধৱ উপাধ্যায়ে ‘সন্ধ্যা’ কাকতত লেখিছিল:

“আমৰা পূৰ্ণ স্বাধীনতা চাই। যতদিন পৰ্যন্ত দেশে ফিৰিঙ্গিদেৰ সমান্যতম অধিপত্যও বজায় থাকবে ততদিন দেশেৰ কোন উন্নতি হতে পাৰেনা।” (পোদ্দাৰ, পৃঃ ১৬৩)

ৰবীন্দ্ৰনাথে ‘শক্তিপূজা’ আৰু বামাচাৰৰ কদৰ্য ইংগিতৰ ৰহণেৰে স্বাধীনতা যুদধৰ মূল কথাটোকে ধূৰঁলি-কূৰঁলি কৰি পেলাইছে। সি হ'ল ব্ৰিটিছ ক্ষমতাক পৰাস্ত কৰি ভাৰতীয়ই নিজ ভাগ্য নিৰ্ধাৰণৰ ৰাজনৈতিক শক্তি দখল কৰিব খোজে।

“আজ সমস্ত দেশেৰ ভৈৰবীচক্ৰে মদেৰ পাত্ৰ নিয়ে আমি যে বসে যাইনি, এতে সকলেৰই অপ্ৰিয় হয়েছি। দেশেৰ লোক ভাবছে, আমি যে তাৰ চাই কিম্বা পুলিসকে ভয় কৰি... চীৎকাৰ কৰে মা বলে, দেবী বলে মন্ত্ৰ পড়ে যাদেৰ কেবলই মম্মোহনেৰ দৰকাৰ হয়— তাদেৰ সেই ভালেবাসা দেশেৰ প্ৰতি তেমন নয় যেমন নেশাৰ প্ৰতি।” (পোদ্দাৰ, পৃঃ ১৪৯)

কিন্তু স্বদেশী যুগৰ বিপ্লৱীসকলৰ কালিপূজা আৰু মন্ত্ৰপাঠত আমি আজি যিমানেই বিৰক্ত আৰু বিব্ৰত নহওঁ, এটা কথা স্বীকাৰ নকৰিলে ঘোৰ অন্যায় হ'ব। সি হ'ল, শক্তিৰ উপাসনা আছিল ধৰ্মীয় প্ৰতীকৰ সহায়েৰে ৰাজনৈতিক ক্ষমতা তথা স্বাধীনতাৰ সন্ধান। স্বামী বিবেকানন্দই কৈছিল:

“তুমি কি তোমাৰ লজ্জাকৰ কাপুৰুষতা দিয়ে সেই স্বাধীনতাৰ আস্বাদন পেতে যা কেবল বীৰ ও দুঃসাহসীৰ ভোগ্য? ...হে শক্তিৰ জননী, আমাৰ দুৰ্বলতা ফিৰিয়ে নাও, ফিৰিয়ে নাও আমাৰ অপৌৰুষ, আমাকে মানুষে

পৰিণত কৰ।” (পোদ্দাৰ, পৃঃ ৮৮; কোৱা বাহুল্য শক্তিপূজাৰ এই ব্যাখ্যা ড° পোদ্দাৰৰ নহয়।)

ৰবীন্দ্ৰনাথে ঘৃণাৰে উল্লেখ কৰা বামাচাৰী ভৈৰবীচক্ৰৰ উপচাৰ 'মদ আৰু মাইকী'ৰ লগত 'অনুশীলন সমিতি' আৰু যুগান্তৰ সমিতিৰ বিপ্লৱী যুৱছাত্ৰৰ কোনো সম্পৰ্ক নাছিল। ব্যক্তিগত চৰিত্ৰবল, সাধুতা আৰু নৈতিক প্ৰেৰণা এইসকল শিক্ষিত যুৱকৰ অধিকাংশৰে আছিল প্ৰধান সম্বল। আনকি ৰাজনৈতিক উদ্দেশ্যত অৰ্থসংগ্ৰহৰ বাবে এইবোৰ গুপ্তদলে যেতিয়া ডকাইতি কৰিছিল, তাতো কঠোৰ নৈতিক শৃংখলা ৰক্ষা কৰিছিল। উদাহৰণ স্বৰূপে তেওঁলোকে দীক্ষাগ্ৰহণৰ সময়ত আন আন শপতৰ লগতে এই অংগীকাৰ কৰিছিল :

(১) স্বাধীনতা লাভৰ বাবে প্ৰচুৰ অৰ্থৰ সেয়ে অসৎ কাম বুলি জানিও অৰ্থসংগ্ৰহৰ উপায় হিচাপে আমি ডকাইতিকে গ্ৰহণ কৰিবলৈ বাধ্য হৈছোঁ। ডকাইতিৰপৰা পোৱা টকাৰ তিলমানো আমি আমাৰ ব্যক্তিগত প্ৰয়োজনত খৰচ নকৰোঁ....

(২) যিবিলাক দেশদ্ৰোহী, স্বাধীনতা সংগ্ৰামৰ বিৰোধী, চৰকাৰ৭ গুপ্তচৰ, প্ৰতাৰক, মদ্যপায়ী, বেশ্যাসক্ত, অসৎ, দৰিদ্ৰ আৰু দুৰ্বলৰ ওপৰত অত্যাচাৰী, জ্ঞাতি বা দেশক প্ৰতাৰণা কৰি অৰ্থ আত্মসাৎ কৰোঁতা, অতিৰিক্ত সুদখোৰ, কৃপণ-ধনী— কেৱল সিহঁতৰ ঘৰতহে আমি ডকাইতি কৰিম।

(৩) প্ৰতিজ্ঞা কৰিছোঁ যে ডকাইতি কৰিবলৈ গৈ আমি কোনো নাৰী, শিশু, ৰুগ্ন, দুৰ্বল লোক, নিসহায় প্ৰভৃতিৰ ওপৰত কোনো অত্যাচাৰ নকৰোঁ।” (সুপ্ৰকাশ ৰায়, ভাৰতেৰ বৈপ্লবিক সংগ্ৰামেৰ ইতিহাস, ১৯৭০, পৃঃ ১৬৪)

বাস্তৱিকতে দেশপ্ৰেম, আত্মত্যাগ, চৰিত্ৰবলৰ পিনৰপৰা অধিকাংশ সন্ত্ৰাসবাদী আছিল অতুল ব্যক্তিত্বৰ অধিকাৰী। ৰবীন্দ্ৰনাথে নিজেই “অৰবিন্দ ৰবীন্দ্ৰেৰ লহো নমস্কাৰ” বুলি স্বাগতম জনোৱা অৰবিন্দ ঘোষ (পিছলৈ শ্ৰীঅৰবিন্দ) আছিল চৰমপন্থী আন্দোলনৰ নেতা। পিছলৈ ৰবীন্দ্ৰনাথে নিজেই স্বীকাৰ কৰিছিল :

“দেশে তাৰা দীপ জ্বালাবাৰ জন্য আলো নিয়েই জন্মেছিল— ভুল কৰে আগুন লাগালো। ...কিন্তু সেই দাৰুণ ভুলেৰ সাংঘাতিক ব্যৰ্থতাৰ মধ্যে বীৰ হৃদয়েৰ যে মহিমা ব্যক্ত হয়েছিল, সেদিন ভাৰতবৰ্ষেৰ আৰ কোথাও তা দেখিনি।” (১৯৩১ চন)

ইয়েই অকাট্যভাবে প্ৰমাণ কৰে যে 'শক্তিপূজাৰ' নানা অনুষংগ (association) তেওঁৰ যুক্তিলৈ আমদানী কৰি ৰবীন্দ্ৰনাথে বিপ্লৱী গুপ্ত দলবোৰৰ ভূমিকা আৰু চৰিত্ৰ অযথা কলংকিত কৰিছিল। অৱশ্যে সন্ত্ৰাসবাদ যে দেশৰ স্বাধীনতা অৰ্জনৰ বাবে কাৰ্যকৰী পন্থা নহয়, ৰবীন্দ্ৰনাথৰ সেই ধাৰণা ভ্ৰান্ত

নাছিল। কিন্তু কি পৰিস্থিতিত সন্ত্ৰাসবাদৰ উদ্ভৱ তাক পাহৰি গৈ বিমূৰ্তভাবে তাৰ আলোচনা কৰা উচিত হ'ব জানো?

বংগদেশৰ জনগণৰ জাতীয় ভাবাবেগ ভৰিৰে গছকি ব্ৰিটিছ চৰকাৰে বংগবিচ্ছেদ ঘটাইছিল। তাৰ বিৰুদ্ধে ৰবীন্দ্ৰনাথ প্ৰমুখ্যে সমগ্ৰ বংগ যেতিয়া বিক্ষুব্ধ হৈ উঠিছিল তেতিয়া চৰকাৰে নমাই দিছিল হিংস্ৰ দমন নীতি। ৩৫০ টা প্ৰেছ, ৩০০ খন কাকত বাজেয়াপ্ত কৰিছিল, কোনো সভা-সমিতি হ'বলৈ দিয়া নাছিল, পুলিচৰ হতুৱাই নৃশংশ অত্যাচাৰ চলাইছিল নিৰ্বিচাৰে। অথচ তেতিয়া কংগ্ৰেছৰ প্ৰতিষ্ঠিত নেতৃত্বই কেৱল চৰকাৰ বাহাদুৰৰ ওচৰত আবেদন-নিবেদনৰ বাহিৰে আন ৰাজনীতি গ্ৰহণ কৰিবপৰা নাছিল। এনে পৰিস্থিতিতে অৰবিন্দ ঘোষে গৰজি উঠিছিল:

"যেতিয়ালৈকে দেশত এনে শক্তি বিকশিত নহয় যে আবেদন দাবীৰেই ভদ্ৰ ৰূপ হৈ পৰিব, তেতিয়ালৈ আবেদনৰ নীতি আমি বন্ধ কৰি ৰখা ভাল হ'ব। এক বিদেশী আৰু বৈৰী স্বাৰ্থই নিজৰ ক্ষতি সাধন কৰি আমাৰ উন্নতি সাধিব, আমি সেই ক্ষতিকৰ ভ্ৰান্তি ধ্বংস কৰিব বিচাৰোঁ... আমাৰ নীতি হৈছে আত্মবিকাশ আৰু আত্মৰক্ষামূলক প্ৰতিৰোধ।"

শক্তিপূজা, বোমা-পিস্তল, সন্ত্ৰাস্যবাদৰ প্ৰকৃত ৰাজনৈতিক তাৎপৰ্য আছিল এয়ে। দেশৰ মাজত প্ৰচণ্ড বিশৃংখলা সৃষ্টি কৰি বিপ্লবী গুপ্ত দলবোৰে চৰকাৰক বিপৰ্যস্ত কৰিব নোৱাৰিলেও জনগণৰ বিক্ষোভ প্ৰকাশ কৰাত, দমন-নীতিৰ প্ৰতিবাদ কৰাত কৃতকাৰ্য হৈছিল।

ৰবীন্দ্ৰনাথে পিছলৈ স্বদেশী যুগৰ এইটো দিশ প্ৰকাৰান্তৰে মানি ললেও হিংসা তথা ব্ৰিটিছ ক্ষমতাৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণক কেতিয়াও সহজে গ্ৰহণ কৰিব পৰা নাছিল। যে দেখা গ'ল যে ত্ৰিশৰ দশকত যেতিয়া হিংসানীতিৰ প্ৰতি এচাম বিপ্লবী পুনৰ আকৃষ্ট হ'ল, আকৌ ৰবীন্দ্ৰনাথে নতুন উদ্যমেৰে তেওঁলোকৰ বিৰুদ্ধে কুৎসা ৰটনাত নগ্ন হ'ল। এই সময়তো ব্ৰিটিছৰ অত্যাচাৰে চৰম সীমা পাইছিল। বাট্ৰাণ্ড্ ৰাছে'লে ভাৰতত ব্ৰিটিছৰ দমন-উৎপীড়ন নাৎছি অত্যাচাৰৰ দৰেই জঘন্য আৰু নৃশংশ বুলি অভিহিত কৰিছিল এই সময়ত। অথচ সেই কথাত বিশেষ গুৰুত্ব নিদি বিপ্লবী কাৰ্যসূচী আৰু চৰিত্ৰক জনসমাজত অৱনমিত কৰিবলৈ তেওঁ ৰচনা কৰে 'চাৰ অধ্যায়'। কেৱল এয়ে নহয়, ব্ৰিটিছ চৰকাৰৰ পৰামৰ্শমতে এই প্ৰতিক্ৰিয়াশীল উপ্যাসক তেওঁ নাট্যৰূপ দিয়ে!! (পোদ্দাৰ, পৃঃ ৩১৬-৩২১)।

অথচ গান্ধী আৰু ৰবীন্দ্ৰনাথে যিবোৰ কথাত গুৰুত্ব দিছিল ধৰ্মীয় দেশাত্মবোধত উদ্বুদ্ধ সকলে দেশ সেৱাৰ সেইবোৰ দিশ অৱহেলা কৰা নাছিল। ধৰ্মীয় জাগৰণৰ নেতা বিবেকানন্দই ভাৰতৰ 'দৰিদ্ৰ নাৰায়ণ'ৰ সেৱাত তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত ৰামকৃষ্ণ মিছনক উৎসৰ্গিত কৰিবলৈ বিচাৰিছিল। তেওঁৰ

এই আদৰ্শই মহাত্মা গান্ধী আৰু অৰবিন্দক অনুপ্ৰাণিত কৰা বুলি দুয়ো স্বীকাৰ কৰিছে। (Romain Rolland, **The life of Vivekananda, trans.** E. E. Malcolm-Smith, 1984, p 288) অনুশীলন সমিতিয়ে শৰীৰ চৰ্চাৰ উপৰিও বানপানী, মহামাৰীৰ সময়ত জনসেৱা কৰিছিল (সুপ্ৰকাশ ৰায়, উল্লিখিত গ্ৰন্থ পৃঃ ১৫৯)। গান্ধীৰ বহুত আগতেই বিদেশী পণ্য বৰ্জনৰ আন্দোলন স্বদেশী যুগত আৰম্ভ হৈছিল (ঐ, পৃঃ ২১০) ১৯০৭ চনতে অৰবিন্দই সেইবোৰ দিশত কাৰ্যসূচীৰ প্ৰস্তুতিত গুৰুত্ব দিছিল যিবোৰ পিছলৈ গান্ধীজীৰ গঠনমূলক কাৰ্যসূচীৰ কেন্দ্ৰ হৈ পৰিছিল।

"not only Swadeshi and National Education, but national defence, national arbitration courts, sanitation, insurance against famine— whatever our hands find to do or urgently need doing (**Sources of Indian Tradition, 1727.**)

আনহাতে জনগণৰ ভিতৰত শ্ৰমিকসকলকো চৰমপন্থীসকলে কিছু পৰিমাণে সংগঠিত কৰিব পাৰিছিল।* ১৯০৮ চনত লোকমান্য তিলকক গ্ৰেপ্তাৰ কৰা সময়ত বোম্বে'ৰ শ্ৰমিকসকলে বিপুল সাফল্যৰে ধৰ্মঘট কৰিছিল। 'চৰমপন্থী' তিলকৰ প্ৰতি শ্ৰমিকসকলৰ এই শ্ৰদ্ধাপ্ৰীতিৰ কাৰণ কেৱল ধৰ্মান্ধতা নহয়। আনকি সাম্ৰাজ্যবাদী লেখক Valentine Chirol এও স্বীকাৰ কৰিছিল:

"The condition of labour in India were by no means wholly satisfactory and it would be unfair to deny to many of Tilak's followers a genuine desire to mitigate the evils and hardships to which their humbler fellow creature were exposed."

(**Indian Unrest**, 1910 p. 53)

তিলকৰ প্ৰভাৱ যে এনে মধ্যশ্ৰেণীক অতিক্ৰম কৰি 'কুলিমজুৰ' আৰু সাধাৰণ খেতিয়কৰ মাজতো প্ৰবেশ কৰিছিল, তেতিয়াৰ বোম্বেৰ গবৰ্ণৰ লৰ্ড ছীডেনহামেও পিছত স্বীকাৰ কৰিছিল।

অৰ্থাৎ ধৰ্মীয় উন্মাদনা বা শক্তিপূজাত গুৰুত্ব দিয়া বাবেই চৰমপন্থীসকলে জনগণৰ লগত যোগাযোগ কৰিব পৰা নাছিল, সি এক মাৰাত্মক ভ্ৰান্তি। বৰং ঐতিহাসিক সত্য এয়ে যে ধৰ্মীয় প্ৰেৰণাতে উদ্বুদ্ধ হৈ মধ্যবিত্ত চৰমপন্থীসকলে 'স্বদেশী' যুগত স্বাধীনতা আন্দোলনক জনগণৰ মাজলৈ লৈ যাবলৈ সক্ষম হৈছিল। অৱশ্যে এই কথা ঠিক যে নগৰীয়া শ্ৰমজীৱী মানুহৰ পৰিসীমাৰ বাহিৰলৈ আন্দোলন বেছিদূৰ যোৱা নাছিল। কিন্তু এই পৰ্যায় আছিল গণসংগ্ৰামলৈ উত্তৰণৰ পথত এক অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ পৰ্যায়। চৰমপন্থী আৰু সন্ত্ৰাসবাদী ৰাজনীতিয়ে গণভিত্তি গঠনৰ ওপৰত গুৰুত্ব দিয়া নাছিল। জনগণৰ প্ৰতি

দায়িত্ব অনুভৱ কৰিলেও কৃষকসমাজক সংগঠিত কৰাৰ প্ৰয়োজন তেওঁলোকে বোধ কৰা নাছিল।

ভাৰতৰ স্বাধীনতা তথা ভাৰতীয় জনগণৰ মুক্তিৰ বাবে দুটা প্ৰধান পূৰ্বচৰ্ত আছিল ; এক হ'ল ঔপনিবেশক শক্তিৰ পৰাভৱ, আনটো হ'ল গ্ৰামাঞ্চলত প্ৰয়োজনীয় বৈপ্লবিক পদক্ষেপ লব নোৱাৰিলে। তাৰ ফলত বংগৰ বিভাজন মৰ্মান্তিকভাৱেই স্থায়ী হৈ গ'ল। (এই দুৰ্বলতাৰ ওপৰত কশাঘাত কৰা ৰবীন্দ্ৰনাথেও আকৌ কৃষিবিপ্লৱ তথা কৃষক-সংগ্ৰামৰ কথা কল্পনা কৰা নাছিল। গান্ধীৰ দৰে তেওঁৰো বিকল্প কাৰ্যসূচী আছিল সংগ্ৰামবিমুখ গঠনমূলক কাৰ্যসূচী। (এই লেখকৰ সাহিত্য আৰু চেতনা, পৃঃ ১৮৯) চৰমপন্থী ৰাজনীতিৰ বিকল্প হিচাবেই গান্ধী আৰু ৰবীন্দ্ৰনাথৰ নৈতিক-আধ্যাত্মিক জনমুখী মানবতাবাদৰ শ্ৰেণীগত সংকীৰ্ণতা আৰু সামন্তবাদৰ প্ৰতি তাৰ প্ৰশ্ৰয় তেওঁলেক দুয়ো ভালদৰে বুজিছিল। কিন্তু ঔপনিবেশিক ৰাষ্ট্ৰৰ প্ৰভাব আৰু বিষাক্ত ক্ষমতা সম্পৰ্কে কমবেছি পৰিমাৰ্ণে দুয়ো অন্ধ আছিল। গান্ধীজী আৰু ৰবীন্দ্ৰনাথ দুয়ো আনকি সামন্তবাদৰ বিৰুদ্ধে যুদ্ধতো কঠোৰ আৰু আপোচহীন হব পৰা নাছিল। তৎকালীন ভাৰতৰ অৰ্দ্ধ-ঔপনিবেশিক সমাজৰ নানা বিভ্ৰান্তিকৰ চিন্তাধাৰাৰ মাজত তেওঁলোকে মাজে মাজে পোহৰ দেখিলেও সমগ্ৰিকভাৱে সত্য স্বৰূপে অৱলোকন কৰিব পৰা নাছিল। এই কথা নুবুজি গান্ধী-ৰবীন্দ্ৰনাথৰ পথেই আমাৰ পথ বুলি আৱাজ দিয়াটো চৰকাৰী প্ৰগতিশীলতাৰ লক্ষণ নহব জানো?

গান্ধী আৰু ৰবীন্দ্ৰনাথৰ অন্যতম কৃতিত্ব বুলি ইয়াকে ভবা হয় যে ভাৰতৰ ৰাজনীতিত তেওঁলোকে ঐতিহ্যলব্ধ আধ্যাত্মিকতাৰ উপাদান সন্নিবিষ্ট কৰিলে। আজিও ভাৰতৰ অ-বামপন্থী যিকোনো আগশাৰীৰ নেতাই এই আধ্যাত্মিক দৃষ্টিকোণৰ উল্লেখ নকৰিলে ৰাইজে তেওঁক গ্ৰহণ নকৰিব বুলিয়েই ভাবে। অথচ কাৰ্যক্ষেত্ৰত ৰাজনীতিৰ অধঃপতনে যোৱা দশকটোৰ ভিতৰত যেনে ৰূপ আৰু মাত্ৰা পাইছে, তাত আত্মাৰ সৰ্বগাত্ৰকে নৰকৰ ছবিহে বেছিকৈ ফুটি ওলাইছে। গান্ধী আৰু ৰবীন্দ্ৰভক্তসকলে কব যে উক্ত দুজন মহানায়কৰ পথৰপৰা বিচ্যুত হোৱা বাবেই এনেবোৰ অঘটন ঘটিবলৈ পাইছে। আমাৰ কথা হ'ল, বিচ্যুতি নহৈ উপায় নাছিল। পৰিস্কাৰ চিন্তাৰ অভাৱে কাৰ্যক্ষেত্ৰত খেলিমেলি লগাবই।

ৰাজনীতিৰ এখ নিজস্ব ক্ষেত্ৰ আছে। তাৰ কিছু নিজস্ব নিয়ম আৰু পদ্ধতিও যুগযুগ ধৰি গঢ়লৈ উঠিছে বিভিন্ন ৰাষ্ট্ৰব্যৱস্থাৰ মাজেদি। সেইবোৰৰ ফলাফল নৈতিক বা আধ্যাত্মিক দৃষ্টিকোণৰ বিচাৰ কৰি চোৱাও প্ৰয়োজন বুলি মানুহে ভাবে। কোনো ৰাষ্ট্ৰব্যৱস্থাই নাগৰিকসকলৰ জীৱনত মংগলসাধন কৰিছে নে নাই; কোনো ভয়ানক যুদ্ধই কি কি ক্ষতিসাধন কৰিলে, তেনেবোৰ প্ৰশ্ন ৰাজনীতিৰ ক্ষেত্ৰত নিশ্চয় অবাস্তৰ নহয়। কিন্তু সেইবোৰ প্ৰশ্নৰ অৱতাৰণা হব পাৰে এই বাবেই যে ৰাজনীতিত বিমূৰ্তভাৱে মানৱকল্যাণ বা জনসেৱাৰ বাবে কোনেও কাম নকৰে। গোষ্ঠীগত বা শ্ৰেণীগত স্বাৰ্থ, আৰু সেই স্বাৰ্থসিদ্ধিৰ বাবে গোষ্ঠীগত বা শ্ৰেণীগত ক্ষমতা: ৰাজনীতিত প্ৰধান বিবেচ্য এয়ে। আনকি আদৰ্শৰ তুমুল বানত উটি যোৱা বিপ্লৱৰ পিছতো একে স্বাৰ্থই কাম কৰে। এনে স্বাৰ্থ আৰু ক্ষমতাৰ বাবেই সৃষ্টি হৈছে ৰাষ্ট্ৰৰ (State)। আদৰ্শনিষ্ঠ সমালোচনা কোনো কামতে নাহিব যদিহে ৰাজনীতিৰ এই চৰিত্ৰটো আমি বুজি নাপাওঁ।

প্ৰাচীন ভাৰতত এই সত্যটো অজ্ঞাত নাছিল। বৰং ধৰ্ম আৰু নীতিৰ বিবেচনাত তন্ময় শাস্ত্ৰকাৰসকলে যিদৰে অম্লানবদনে ভয়াবহ ৰাজনৈতিক কৌশলক প্ৰশ্ৰয় দিছে দেখিলে হতবাক হব লাগে। নানা ধৰণৰ ফশকি আৰু প্ৰবঞ্চনা, শঠতা আৰু চক্ৰান্ত, অমানুষিক কাণ্ড পুৰাণ-মহাভাৰতত সিচৰতি হৈ আছে। কৌটিল্যয়ো তেওঁৰ অৰ্থশাস্ত্ৰত ধৰি লৈছে যে ৰাজনৈতিক যন্ত্ৰৰ কাৰ্যকলাপ সাধাৰণ মনুষ্যত্বৰপৰা শতযোজন দূৰত। ভাৰতীয় জনগণৰ শিক্ষাৰ প্ৰধান মাধ্যম, 'পঞ্চম বেদ' মহাভাৰতত স্বয়ং ভগবান আবিৰ্ভূত হৈছে কূটনীতিবিশাৰদ, ধৰন্ধৰ ৰাজনীতিজ্ঞৰূপে। অৰ্থাৎ ৰাজনীতিৰ মাজলৈ ধৰ্মমূলক নৈতিকতা টানি অনাটো ভাৰতীয় ঐতিহ্যসম্মত বোলাও টান।

কিন্তু গান্ধীজীয়ে এই কামতে সৰ্বাধিক গুৰুত্ব দিছিল। প্ৰচলিত ৰাজনীতিৰ অমানুষিকতা দূৰ কৰিবলৈ তেওঁ ধৰ্মীয় পৰিশোধক ব্যৱহাৰ কৰিলে। কিন্তু ৰাজনৈতিক লক্ষ্য ধৰ্মীয় পদ্ধতিৰে সিদ্ধি কৰা টান। ৰাজনীতিৰ বিশেষ চৰিত্ৰ আৰু বাধ্য-বাধকতা (Constraints) আওকাণ কৰি ব্যক্তিগত নৈতিকতা প্ৰয়োগ কৰিবলৈ গ'লে খেলিমেলি লগাৰে সম্ভাৱনা। অৱশ্যে ৰাজনীতিক এচাম ধূৰ্ত আৰু শঠ লোকৰ এদনীয়া সম্পত্তি হবলৈ এৰি দিব নোৱাৰি। উদ্দেশ্যৰ সাধুতা আৰু যুক্তিযুক্ততা ৰাজনীতিৰ নিৰ্ধাৰিত পৰিসীমাৰ মাজতো ৰাজনীতিবিদৰপৰা বিচাৰিব লাগিব। কিন্তু ৰাজনীতিক সুনীতিৰ মঞ্চ কৰিবলৈ যোৱাটো উন্মাদৰ যুদ্ধযাত্ৰাৰ লেখীয়া। হয়তো দূৰ ভৱিষ্যতে সেই অঘটন সংঘটন কৰিব। কিন্তু আমাৰ জীৱনকালত সি এক মৰীচিকা।

কিন্তু গান্ধী আৰু ৰবীন্দ্ৰনাথ দুয়ো ৰাষ্ট্ৰ আৰু ৰাজনীতিৰ এই বিশেষ চৰিত্ৰৰ প্ৰতি অসহিষ্ণু আছিল। হয়তো উনবিংশ শতাব্দীৰ নীতিবাগীশ ইংৰাজ ৰাজনীতিবিদসকলৰ বক্তৃতাত দুয়ো মোহগ্ৰস্ত হৈ পৰিছিল। হয়তো ধৰ্ম-সংস্কাৰৰ দৰে প্ৰচলিত বিধি-ব্যৱস্থাৰ প্ৰতি দুয়ো আছিল উদাসীন। (প্ৰচলিত ধৰ্মৰ নিয়ামকসকলহে শাসক-শ্ৰেণীৰ মিত্ৰ, ধৰ্ম-সংস্কাৰকসকল নহয়।) আৰু ধৰ্ম-সংস্কাৰকসকলৰ দৰেই ৰাজনীতি বা ৰাষ্ট্ৰ গাঁঠনিত শাসক-শ্ৰেণীক প্ৰত্যক্ষ প্ৰত্যাহ্বান দিয়াৰপৰা দুয়ো বিৰত আছিল। দুয়োৰে বাবে ভাৰতীয় ৰাজনীতি ভাৰতীয় জনগণৰ স্বাৰ্থৰ কথাই নাছিল— তাৰ উপৰিও সি আছিল ভাৰতীয় জনগণৰ নৈতিক আৰু আত্মিক উন্নতিৰ প্ৰত্যক্ষ সঁজুলি।

প্ৰচলিত ৰাজনীতিৰ সমালোচনা সূত্ৰে দুয়ো কৰা আদৰ্শনিষ্ঠ মন্তব্য গভীৰ আৰু ভাবোদ্দীপক। কিন্তু প্ৰচলিত ৰাজনীতিৰ গণ্ডী অতিক্ৰম কৰিবলৈ দুয়োৰে চেষ্টা ব্যৰ্থ হোৱাটো আছিল অৱধাৰিত। আধ্যাত্মিক উপাদানে তেওঁলোকৰ ৰাজনীতি অধিক কাৰ্যক্ষম কৰি নুতুলি বিপজ্জনক আৰু বিভ্ৰান্তিকৰ কৰিহে তুলিব।

এটা সৰু উদাহৰণেৰে কথাটো বুজাব পৰা যাব। ৰাজনীতিত গান্ধীৰ শ্ৰেষ্ঠ অৱদান হিচাপে ভক্তসকলে আঙুলিয়াই দিয়ে 'সত্যাগ্ৰহ'লৈ। (তাৰ নামটোৱেই সূচায় যে ৰাজনীতিত বহু প্ৰচলিত ছলনা, প্ৰবঞ্চনা আৰু চাতুৰিৰ লগত তেওঁ চিৰচ্ছেদ বিচাৰিছিল।) ৰবীন্দ্ৰনাথেও বিচাৰিছিল ব্ৰিটিছৰ লগত ভাৰতবাসীৰ সম্পৰ্কত এক তেজস্বী মনুষ্যত্ব— যি মনুষ্যত্বই নীচাত্মিকা প্ৰকাশ নকৰিব আৰু উৎপীড়নো নকৰিব। সম্পূৰ্ণ ভদ্ৰলোকৰ ৰাজনীতি। সমস্যাটো হ'ল এয়ে যে দুয়োপক্ষৰ মাজত এক সাৰ্বজনীন বিধি (code) থকা বুলি ধৰি ল'লেহে এই পদ্ধতি বাস্তবানুগ বা কাৰ্যকৰী বুলি বিশ্বাস কৰিব পাৰি। সত্যাগ্ৰহ হ'ল সম্পূৰ্ণ নিৰস্ত্ৰ আৰু অহিংস পদ্ধতি। ক্ষমতাশালী প্ৰতিপক্ষৰ মনত মানবীয় শুভবুদ্ধি জাগ্ৰত কৰিহে সত্যাগ্ৰহে তাৰ উদ্দেশ্য সিদ্ধি কৰিব

পাৰে। এই কথাটোকে ভাৰতৰ সুপ্ৰাচীন ঐতিহ্যৰ ভাণ্ডাৰৰপৰা বিশ্ববাসীলৈ মহাত্মা গান্ধীৰ অমূল্য অৱদান বুলি ভক্তসকলে প্ৰচাৰ কৰে। সন্দেহ নাই যে অনুপ্ৰাণিত লক্ষ লক্ষ ভাৰত সন্তানে এই সত্যাগ্ৰহৰ পদ্ধতি প্ৰয়োগ কৰিছিল। এনে এক নৈতিক শৃংখলা আৰু আত্মসংযমৰ পৰীক্ষা (experiment) পৃথিৱীৰ ইতিহাসত বেছি বিচাৰি পোৱা নাযাব। কিন্তু ঈপ্সিত ফল লাভত ভাৰতবাসীক সি কিমান সহায় কৰিলে সন্দেহৰ কথা। ঠিকেই, সন্ত্ৰাসবাদী পথেও ভাৰতবাসীক স্বাধীনতাৰ পথত বেছিদূৰ আগুৱাই নিব পৰা নাছিল। কিন্তু সন্ত্ৰাসবাদ আছিল দেশৰ জনসংখ্যাৰ এক নগণ্য অংশৰ অনুসৃত পথ। বৃহৎসংখ্যক জনগণ আছিল সত্যাগ্ৰহী।

ৰাজনৈতিক লাভালাভৰ বিস্তাৰিত আলোচনা আমি পিছলৈ থলোঁ। কিন্তু জমা-খৰচত জমাৰ পৰিমাণ এনে নগণ্য হোৱাৰ কাৰণ ৰাজনীতি সম্পৰ্কে ভ্ৰমাত্মক চিন্তা নহয়নে? আধ্যাত্মিকতাৰ ৰাজনৈতিক পৰিণামো এয়ে— সি হ'ল বাস্তৱতা সম্পৰ্কে মোহজাল সৃষ্টি (mystification of reality)।

গান্ধী-ৰবীন্দ্ৰনাথৰ আধ্যাত্মিকতা সম্পৰ্কে সেয়ে মোহমুক্ত অনুসন্ধানৰ প্ৰয়োজন। সন্দেহ নাই, এই ক্ষেত্ৰত দুয়োৰে আন্তৰিকতা আৰু নিষ্ঠা আছিল সংশয়াতীত। সন্দেহ নাই যে 'আধ্যাত্মিকতাই' বাস্তৱ জীৱনৰ বহু বিপদ-বিঘিনি হতাশা-পৰাজয় হেলাৰঙে উপেক্ষা কৰিবলৈ দুয়োকে সাহস আৰু শক্তি যোগাইছিল। (অৱশ্যে নিষ্ঠাবান বিপ্লৱীৰ আদৰ্শ নিষ্ঠায়ো একে ধৰণৰ সাহস আৰু শক্তি যোগাব পাৰে।) কিন্তু প্ৰকৃত লক্ষ্য, তাক অৰ্জন কৰা পথ, সেই পথৰ অন্তৰায় প্ৰভৃতি বিষয়ত নিবিড় মায়া ৰচনা কৰি এটা জাতিৰ সাধনা বিভ্ৰান্ত আৰু বিফল হোৱাত অৰিহনা যোগাইছিল।

১৯২১ চনত চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাত বিচলিত হৈ মহাত্মা গান্ধীয়ে Himalayan Blunder (হিমালয়-সদৃশ ভ্ৰান্তি) বুলি উত্তুংগৰূপ লোৱা অসহযোগ আন্দোলনৰ ঢল হোহোকাই পঠিয়ালে। সেই সময়তে অসমৰ এজন শ্ৰেষ্ঠ নেতা, অসহযোগৰ অক্লান্ত কৰ্মী চন্দ্ৰনাথ শৰ্মাই মৃত্যুশয্যাৰপৰা লেখি পঠিয়াইছিল।

"যোৱা নৱেম্বৰৰপৰা মহাত্মা গান্ধীৰ 'ধৰ্মৰোগ' (religious mania) হৈছে। তেতিয়াৰ পৰা মই কংগ্ৰেছৰ বৰ্তমান কাৰ্য সন্দেহ আৰু ভয়ৰ চকুৰে চাই আহিছো। (অসহযোগ আন্দোলন প্ৰত্যাহাৰৰ) প্ৰস্তাববোৰ ৰাজনীতি হিচাপে অজ্ঞতা আৰু যুক্তিহীনতাৰ পৰিচায়ক, কিন্তু ধৰ্মৰ বিবেচনাত যুক্তিযুক্ত...যদি এই অসহযোগ আন্দোলন সম্পূৰ্ণ আধ্যাত্মিক আৰু ধৰ্মবিহিত আন্দোলনেই হয় তেনেহলে তেওঁ সেই কথশ গুৰিতে প্ৰকাশ কৰা নাছিল কিয়? ...ভাৰতবাসীক পবিত্ৰ কৰিবলৈ আৰু অহিংসা ধৰ্মত দীক্ষিত কৰিবলৈ ইংৰাজ গৱৰ্ণমেণ্টৰ লগত অসহযোগ কৰাৰ কোনো আৱশ্যক নাছিল আৰু তেওঁ এতিয়া ভাৰতবাসীক

যি স্বাধীনতা দিব খুজিছে সেই স্বাধীনতা পাবলৈ গৱৰ্ণমেণ্টৰ লগত যুঁজিবৰ একো আৱশ্যক নাছিল।"

(২২।২।২২ তাৰিখে দুৰ্গানাথ বৰুৱালৈ দিয়া চিঠি। 'কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা', অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃঃ ১৪৯-১৫০)

সূত্ৰবদ্ধ তাত্ত্বিক ৰূপত নহলেও এই চিঠিখনে পৰিষ্কাৰকৈ বুজাই দিয়ে যে আমাৰ সিদ্ধান্ত বহুকাল আগতে অসহযোগৰ মহাযোদ্ধা চন্দ্ৰনাথ শৰ্মাই কৰিবলৈ বাধ্য হৈছিল। কেৱল নেতাৰ মহলতে নহয় গান্ধীজীৰ এই সিদ্ধান্তই লাখ লাখ সাধাৰণ কৰ্মীৰ মাজত বিয়পাই দিছিল হতাশা, বিভ্ৰান্তি আৰু অসহায় ক্ষোভ। এজন ব্যক্তিৰ ধৰ্মৰোগৰ বলি হৈছিল এটা জাতি। এনে হতাশা আৰু বিভ্ৰান্তিৰ প্ৰত্যক্ষ পৰিণাম স্বৰূপে আন্দোলনে ঐক্যবদ্ধ কৰা জাতিৰ মাজত অনৈক্য আৰু গভীৰ হ'বলৈ সুযোগ পালে। নিসন্দেহে ব্ৰিটিছ কূটনীতিয়ে তাত অৰিহণা দিছিল, কিন্তু সুযোগ মিলাই দিলে গান্ধীজীৰ আধ্যাত্মিক নেতৃত্বই।

তাৰ পিছতো এনে 'ধৰ্মৰোগে' তেওঁক আৰু তেওঁৰ ভক্ত সকলক এৰা নাছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত যেতিয়া দেশৰ পূব সীমান্তত জাপানী সেনাবাহিনী আক্ৰমণোদ্যত অৱস্থাত সজ্জিত, তেতিয়া গান্ধীজীয়ে নিৰস্ত্ৰ কংগ্ৰেছ স্বেচ্ছাসেৱক সকলক পৰামৰ্শ দিছিল ব্ৰিটিছ যুদ্ধ প্ৰচেষ্টাত বাধা দিবলৈ। জাপানীবিলাকে ভাৰত দখল কৰিলে কি হব বুলি সোধাত তেওঁ নিশ্চিন্তমনে উত্তৰ দিছিল যে অহিংস অসহযোগৰেই জাপানী বিলাকৰ হৃদয় পৰিৱৰ্ত্তন কৰিব পৰা যাব।

(TRANSFER OF POWER IN INDIA ed. N. Mansergh, vol II pp 129-131)

অৱশেষত যেতিয়া স্বাধীনতা প্ৰাপ্তিৰ সময় সমাগত হ'ল, তেতিয়া গান্ধীজীৰ অনুসৰণকাৰীসকলে চিৰাচৰিত ৰাজনৈতিক পদ্ধতিৰেই ব্ৰিটিছ চৰকাৰৰ লগত দৰ কছাকছি আৰম্ভ কৰি দিলে। দেশবিভাজন, কংগ্ৰেছক ৰাজনৈতিক অনুষ্ঠান হিচাপে ভংগ কৰি দিয়া, যান্ত্ৰিক শিল্পৰ লগত বিচ্ছেদ, গ্ৰামীণ আত্মশাসন— কোনো ক্ষেত্ৰতে তেওঁৰ পৰামৰ্শলৈ প্ৰধান সহকৰ্মীসকলে কৰ্ণপাত নকৰিলে। তেওঁলোকৰে যেতিয়া হৃদয় পৰিবৰ্তন নহ'ল, শত্ৰুৰ হৃদয় পৰিবৰ্তন কিমান দুঃসাধ্য নকলেও চলে (অৱশ্যে পিছত অন্ধ গান্ধীবাদীসকলৰ ক্ষোভ প্ৰশমিত কৰিবলৈ খদী, বুনিয়াদী শিক্ষা প্ৰভৃতিৰ শিতানত অলপ অলপ ধন বাজেটত ধাৰ্য কৰা হ'ল।)

সন্দেহ নাই যে গান্ধীজী ৰাজনীতিৰ বিবিধ পাকচক্ৰৰ এক সুনিপুণ আৰু পৈণত খেলোৱাৰ হলেও তাতে তেওঁৰ মন সন্তুষ্ট নাছিল। ৰাজনীতিৰ মাজেৰে তেওঁ বিচাৰিছিল সেই ধৰণৰ ফলাফল যিবোৰ অতীতত ভাৰতীয়

মানুহে সন্ধান কৰিছিল ধৰ্মৰ মাজেদি। তেওঁৰ এই ব্যক্তিগত আকাংক্ষা কোটি কোটি মুক্তিলোভী ভাৰতীয় জনগণৰ মানসিকতাৰ লগত নিবিড়ভাবে মিলি গৈছিল বাবেই তেওঁ আমাৰ দেশৰ জনসাধাৰণৰ মাজত এনে অভূতপূৰ্ব, উত্তাল জাগৰণ আনিব পাৰিছিল। স্বাধীনতা যুদ্ধৰ কোনো কৃষ্ণৰ দৰে— সমূহ নৰনাৰী যাৰ এটা ইংগিতত ঘৰবাৰী এৰি দৌৰি আহিছিল।

কিন্তু ধৰ্মৰ লগত ৰাজনীতিৰ এই সংমিশ্ৰণৰ অশুভ আৰু ভয়ানক পৰিণামো আমি পাহৰি যাব নোৱাৰোঁ। স্বয়ং ৰবীন্দ্ৰনাথেই আপত্তি কৰিছিল যে কাৰ্য আৰু পৰিণামৰ যুক্তিনিষ্ঠ বিচাৰ গান্ধীজীৰ ভাবধাৰাত প্ৰায়েই অদৃশ্য। তেওঁৰ অন্তৰাত্মাৰ যুক্তিহীন বাণীয়ে ভাৰতবাসীক চৰম ব্যৰ্থতা, পৰাজয়, হতাশাৰ মুখলৈ ঠেলি দিছিল। সৰ্বোপৰি ৰাজনীতিৰ স্বাৰ্থান্বেষণৰ ওপৰত ধৰ্মৰ ৰহণ সানি কপটাচৰণ বা ভণ্ডামিত প্ৰবৃত্ত হ'বলৈ তেওঁ নিজৰ অজ্ঞাতসাৰে আৰু অনিচ্ছাকৃতভাৱে বহুতক শিক্ষা দিছিল। ৰাজনৈতিক লক্ষ্য আৰু তাক অৰ্জন কৰা পদ্ধতি সম্পৰ্কেও তেওঁ জনসাধাৰণৰ চেতনাক শিক্ষিত কৰিব পৰা নাছিল। তেওঁলোক জাগ্ৰত হৈছিল, অভূতপূৰ্ব মাত্ৰাত অনুপ্ৰাণিত হৈছিল। কিন্তু সমুখৰ পথ স্পষ্টকৈ দেখা নাছিল। 'বাপু' চকুৰ আগত নাথাকিলে তেওঁলোক অনাথ শিশুৰ দৰে অসহায় হৈ পৰিছিল। হয়তো এয়েই আছিল ৰাজনীতিত ধৰ্মৰ ভূমিকা।

গান্ধীজীৰ আত্মজীৱনী (তাহানিতে অমিয় কুমাৰ দাসে 'মোৰ সত্য অন্বেষণৰ কাহিনী' নামদি সুন্দৰ অসমীয়ালৈ তাক ভাঙনি কৰিছিল) পঢ়িলে তেওঁৰ মানসিকতা কেনে পৰিবেশত আৰু কি ৰূপত গঢ় লৈছিল বুজিবলৈ পলম নহয়। তেওঁৰ বাল্যকাল আৰু কৈশোৰ পাৰ হৈছিল এক শান্ত, আচঞ্চল নৈষ্ঠিক হিন্দু পৰিবাৰৰ পৰিবেশত। পিতৃ-মাতৃ-শিক্ষকৰ প্ৰতি ভক্তি, শাস্ত্ৰ আৰু বাধ্য ল'ৰাৰ নম্ৰতা আৰু শৃংখলাবোধ, আৰু সততাৰ প্ৰতি এক প্ৰবল আকৰ্ষণ— এয়ে আছিল তেওঁৰ সেই উঠি উঠা চৰিত্ৰৰ গঠন। কিন্তু বিদ্ৰোহৰ সেই চৰিত্ৰৰপৰা আছিল শতযোজন আঁতৰত। পৰম্পৰাগত সংস্কাৰ আৰু বিশ্বাস, নীতি-নিয়ম বা প্ৰথাৰ বিৰুদ্ধে তেওঁৰ মনত তীব্ৰ সংশয় বা প্ৰশ্ন কেতিয়াও জাগি উঠা নাছিল। লুকাই-চুৰকৈ নিষিদ্ধ খাদ্য খাই অনুতাপ কৰিলেও তেওঁ প্ৰকাশ্যে প্ৰচলিত সমাজৰ কোনো নীতি-নিয়ম বা বিশ্বাসক প্ৰত্যাহ্বান জনোৱা নাছিল। তুলসীদাসৰ ৰামায়ণৰ সুললিত কথকতা, চ্যবনৰ পিতৃভক্তিৰ লোকনাট্য প্ৰভৃতিয়ে পৰম্পৰাগত ভক্তিবাদৰ সাঁচ গভীৰভাৱে তেওঁৰ মনত বহুৱাইছিল। পিছৰ জীৱনত তেওঁ কোনো কোনো ক্ষেত্ৰত ইয়াৰপৰা আঁতৰি আহিলেও বহু বিষয়ত তাৰ লগত জড়িতও আছিল।

বৃদ্ধকাললৈকে যৌন আকাংক্ষাক তেওঁ ভয় আৰু বিতৃষ্ণাৰ চকুৰে চাইছিল। যৌন প্ৰবৃত্তি ৰোধ কৰিবলৈ তেওঁ বিচিত্ৰ পৰীক্ষা-নিৰীক্ষা চলাইছিল।

অনশনৰ দ্বাৰা দেহ-মন শুদ্ধ কৰাৰ প্ৰতি তেওঁৰ আকৰ্ষণ আছিল সাংঘাতিক। তেওঁৰ জীৱন ৰক্ষাৰ বাবে উৎকণ্ঠাত সমগ্ৰ ভাৰতবাসীয়ে বিনিদ্ৰ ৰজনী কটাবলগা হৈছিল বহুবাৰ। কিন্তু তাৰ কাৰণ আছিল তেওঁৰ অনশন ব্ৰত। ইয়াৰ দ্বাৰা তেওঁ তাহানিৰ তপস্বী ঋষি-মুনিৰ দৰে কৃচ্ছ্ৰসাধনৰ জৰীয়তে অসাধ্য সাধনৰ প্ৰয়াস কৰা নাছিল জানো? কেৱল পৰিস্থিতিৰ বাবেই নহয়, তেওঁ প্ৰায়ে পৰস্পৰবিৰোধী নীতি বা কৌশলৰ পৰিপোষণ কৰিছিল। এই সকলোবোৰ কথাৰে উৎস গান্ধীজীৰ ৰাজনীতিত ধৰ্মৰ ভেঁজাল।

এই ধৰ্মৰ স্বৰূপ সম্পৰ্কে বিভিন্ন বিষয়ৰ গৱেষকসকলৰ সহায় লৈ আভি দুআষাৰ কথা ক'ব খোজোঁ। সেইবোৰ বিষয়ে আমি ব্যক্তিগতভাৱে প্ৰণালীবদ্ধ গৱেষণা চলোৱা নাই। সেয়ে তেওঁলোকৰ আবিষ্কৃত তথ্য আৰু তেওঁলোকৰ মতৰ ওপৰত আমি নিৰ্ভৰ কৰিম। অৱশ্যে তেওঁলোকে তাৰ তাৎপৰ্য সম্পৰ্কে আমাৰ লগত একমত নহবও পাৰে।

এই ক্ষেত্ৰত অশোক ৰুদ্ৰৰ ব্ৰাহ্মণ্য ভাবধাৰা ও আধুনিক হিন্দু মন (কলিকতা, ১৯৮৩) এখন অবহেলিত অথচ গুৰুত্বপূৰ্ণ কিতাপ। কিতাপখনত কিছু কিছু দোষ-দুৰ্বলতা নোহোৱা নহয়। কিছুমান মতামতৰ ভিত্তি দুৰ্বল। কিছুমান যুক্তি ঠুনুকা। তৎসত্ত্বেও আধুনিক ভাৰতীয় মনৰ অনুসন্ধানত কিতাপখনক পথিকৃৎ বুলিলে ভুল নহ'ব কোনো কোনো দিশৰপৰা।

অশোক ৰুদ্ৰই দেখুৱাইছে যে শাক্ত-বৈষ্ণৱ নিৰ্বিশেষে ভাৰতীয় মনৰ ভিত্তি ৰচনা কৰিছে ব্ৰাহ্মণ্য ভাবধাৰাই— সি উচ্চমাৰ্গৰ দৰ্শন, মধ্যস্তৰৰ শাস্ত্ৰ আৰু সাধাৰণ মানুহৰ উপযোগী ৰামায়ণ, মহাভাৰত, পুৰাণসমূহৰ যোগেদি (পৃঃ ৯)। এই ভাবধাৰাৰ এক ফল হৈছে চিন্তা বা চেতনাৰ ক্ষেত্ৰত নীতিজ্ঞানক এক অভাৱনীয় গুৰুত্ব দিয়া আৰু আচৰণৰ ক্ষেত্ৰত চূড়ান্ত নৈতিক শিথিলতা। (পৃঃ ১১)। আকৌ জ্ঞানৰ ক্ষেত্ৰতো দেখা যায় বিজ্ঞান আৰু কুসংস্কাৰৰ এক অদ্ভুত সহাৱস্থান। (পৃঃ ১১-১৩)। যিকোনো মানবীয় মহত্ত্বৰ চৰ্ত হিচাপে ব্ৰাহ্মণ্য ভাৱধাৰাই কৃচ্ছ্ৰসাধন বা আত্মনিগ্ৰহত জোৰ দিয়ে। (পৃঃ ১৩)। অতি উচ্চস্তৰৰ আধ্যাত্মিক বা নৈতিক উপলব্ধিত উপনীত হোৱা শাস্ত্ৰকাৰসকলেও কাৰ্যক্ষেত্ৰত নৈতিকতাৰ প্ৰধান সূত্ৰ হিচাপে দাঙি ধৰিছিল বিভিন্ন জাতিৰ বাবে বিভিন্ন ধৰ্মৰ আপেক্ষিকতাবাদ relativism)। (পৃঃ ১৫)। অৱশ্যে ব্ৰাহ্মণ্য ভাবধাৰায়ো এক বিশ্বজনীন আৰু গোষ্ঠীস্বাৰ্থনিৰপেক্ষ ধৰ্মৰ উন্মেষ ঘটাইছিল। কিন্তু এই ধৰ্মতো জনকল্যাণ বা সমাজকল্যাণৰ কোনো ধাৰণা নাছিল। মোক্ষ লাভ হৈ পৰিছিল এক আত্মকেন্দ্ৰিক লক্ষ্য। (পৃঃ ১৬)।

ব্ৰাহ্মণ্য ভাবধাৰাৰ বাবে গুৰুত্বপূৰ্ণ শাস্ত্ৰ পুৰাণ, মহাভাৰত প্ৰভৃতি তন্নতন্নকৈ অধ্যয়ন কৰি অশোক ৰুদ্ৰই এইবোৰ সিদ্ধান্তত উপনীত হৈছে। তেওঁৰ

সাক্ষ্যপ্ৰমাণত দুই-এটা ভুল-ভ্ৰান্তি ওলালেও সিদ্ধান্তবোৰ উলাই কৰা টান। প্ৰসংগটো সামৰাৰ আগতে অশোক ৰুদ্ৰৰপৰা দুটামান উদ্ধৃতি দিয়া হ'ল:

"তপস্যাৰ দ্বাৰা জবৰদস্তি কৰি বৰ আদায় কৰা যায় এই ধাৰণাটোও আধুনিক ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰত বেছ প্ৰকট। উদাহৰণ স্বৰূপে ধৰা যাওক গান্ধীৰ প্ৰবৰ্তিত অনশন ধৰ্মঘটৰ পদ্ধতি। দাবীটো কি, তাৰ যৌক্তিকতা বা নৈতিকতা কিমান, দাবীৰ সমৰ্থনত জনমত কিমান, দাবী পূৰণ কৰিলে সমাজৰ উপকাৰ বা অপকাৰ কি হ'ব পাৰে— এইবোৰৰ একোৱেই ধৰ্তব্য নহয়। উপবাস কৰি মহাত্মাজীৰ শৰীৰ ক্ষীণ হৈ আহিছে— তেওঁৰ ওজন কমিছে— নাড়ীৰ গতি কমি আহিছে— অতএব আগতে হওক বা পিছতেই হওক ব্ৰহ্মা-বিষ্ণু বা অন্যান্য দেব-দেবীৰ আসনৰ দৰে ব্ৰিটিছ চৰকাৰৰ আসনে টলিবই লাগিব।" (পৃঃ ১৩)

* * *

"সাধন-ভজন কৰিব লাগে ওৰে জীৱন ধৰি, একাধিক জন্মৰ মাজেৰে। তপস্যাতো কৰা হৈছিল হেজাৰ-হেজাৰ বছৰ ধৰি। কিন্তু এই অতি দীঘলীয়া পন্থাৰ নিৰ্দেশ দিয়া ব্ৰাহ্মণ্য ঐতিহ্যই তাৰ সম্পূৰ্ণ বিপৰীত বিকল্প অতি চুটি পন্থাও দেখুৱাই দিছে। তান্ত্ৰিক, কৌল, কাপালিক, সিদ্ধ প্ৰভৃতি তথাকথিত বামমাৰ্গৰ সাধকবিলাকৰ কথা কৈছোঁ। পঞ্চ-মকাৰৰ সেৱা যিমানেই উদ্ভট আৰু বীভৎস হ'ব সিদ্ধিলাভো সিমানেই চমু হ'ব— এই ধাৰণা আছিল বিকল্প মাৰ্গৰ কেন্দ্ৰস্থানীয়। লগতে ধাৰণা কৰা হৈছিল যে তেজৰ আহুতি দিলে এই 'ছৰ্টকাট্' আৰু 'ছট্' কৰিব পৰা হয়। পশুবলিতো উপচাৰ হিচাপে খুব সাধাৰণ আছিল। কিন্তু বলিৰ শ্ৰেষ্ঠ ফল পোৱা গৈছিল নৰবলিৰপৰা। এই আদিম চিন্তাধাৰাৰ লগত আধুনিক ভাৰতীয় মনৰ যোগাযোগ বিচাৰি পোৱা যায় বৈপ্লৱিক ৰাজনীতিৰ ক্ষেত্ৰত। এই দেশত জাতীয়তাবাদৰ জন্মই দিয়া হৈছিল ব্ৰাহ্মণ্য ঐতিহ্যৰ ভক্তি আৰু তাৰ লগত জড়িত বলিদানৰ ধাৰা সুচকুৰভাবে ব্যৱহাৰ কৰি। বিংশ শতাব্দীৰ প্ৰথমাংশৰ সন্ত্ৰাসবাদী বিপ্লৱীসকলে বঙ্কিমচন্দ্ৰৰ 'বন্দেমাতৰম্' মন্ত্ৰ অনুসৰণ কৰি দেশক কল্পনা কৰিছিল বঙালীৰ জনপ্ৰিয় দেবী মাতৃৰূপিনী দুৰ্গা আৰু একেসময়তে হিংস্ৰতাৰ প্ৰতিমূৰ্তি কালী বা চণ্ডীৰ আকাৰত। ... এই ধাৰা সন্ত্ৰাসবাদীবিলাকৰ মাজত সীমিত নাছিল। সুভাষ বসুৱে হেনো উদাত্তকণ্ঠে জনগণক সম্বোধন কৰি কৈছিল, "Give me blood, I will give you freedom." সুভাষ বসুও আছিল কালীভক্ত। কিন্তু মাৰ্ক্সবাদী চাৰু মজুমদাৰেও কৈছিল, "শ্ৰেণীশত্ৰুৰ তেজত যি হাত ৰঙা কৰা নাই, সি প্ৰকৃত কমিউনিষ্ট হ'ব নোৱাৰে। ... এই কথা ঠিক যে

ৰক্তপাত বিনে সম্পূৰ্ণ অহিংস উপায়ে কোনো প্ৰকাৰ সমাজ বিপ্লব সম্ভৱ নহয়। কিন্তু তেজৰ বাবেই তেজ, হিংসাৰ বাবেই হিংসাৰ এই গাঢ় প্ৰবণতা মাৰ্ক্সবাদত পোৱা নাযাব....” (পৃঃ ১৪)

গান্ধীজীৰ নিৰামিষ বিপ্লৱ আৰু সন্ত্ৰাসবাদীৰ পাশবিকতাৰ জয়গান— দুয়োটাৰে প্ৰেৰণা আহিছে ভাৰতৰ পৰিস্থিতি আৰু ভাৰতৰ ঐতিহ্যৰপৰা। দুয়োটা ধাৰাৰ যিখিনি মহত্ত্ব, আজিও দেশবাসীয়ে তাক স্বীকৃতি নিদি নোৱাৰে, সিও আমাৰ ঐতিহ্যৰ অৱদান। আনহাতে দুয়োটা ধাৰাৰ নানা অন্তৰ্নিহিত দুৰ্বলতা, বিভ্ৰান্তি আৰু কাৰ্য্যকৰী ব্যৰ্থতাও ঐতিহ্যৰ পৰাই উদ্ভূত। অশোক ৰুদ্ৰই কথাষাৰ কোৱা নাই— কিন্তু ধাৰণা কৰিলে ভুল নহব যে ভাৰতীয় ঐতিহ্যই খণ্ডিত আৰু বিকৃত কৰা মনুষ্যত্বতই এই দুই ধাৰাৰ মাজেদি বেলেগ বেলেগ আত্মপ্ৰকাশ কৰিছিল।

শংকৰাচাৰ্যৰপৰা শংকৰদেৱলৈ, তিলকৰপৰা গান্ধীলৈ, ভাৰতৰ ধৰ্মীয় আৰু সামাজিক নেতাসকল ভগৱদগীতাৰ প্ৰেৰণাত উদ্বুদ্ধ। গীতাৰ প্ৰতি এই অচলা ভক্তি ভাৰতীয় ঐতিহ্যৰ এক প্ৰধান সূঁতী। বৈষ্ণৱসকলৰ মানত গীতা সকলো শাস্ত্ৰ মথি উলিওৱা অমৃতৰ তুল্য। কিন্তু এই গীতাৰ যুক্তিৰ গাঁথনি অত্যন্ত সোলোক ঢোলোক। মাৰ্ক্সবাদী সুধীশ্ৰেষ্ঠ ডি ডি কোশাম্বীৰ (যি নিজে গোত্ৰমতে ব্ৰহ্মৰ্ষি যাজ্ঞবল্ক্যৰ বংশধৰ।) মতে গীতাৰ বাহাদুৰি হ'ল প্ৰতি পৃষ্ঠাত চাৰিবাৰকৈ স্ববিৰোধত জাপ দিয়া!

কোশাম্বীক বাৰু বিধৰ্মী বুলি একাষৰীয়া কৰি থোৱা হ'ল। পিছে ভাৰতীয় দৰ্শন সমুদ্ৰৰ অদ্বিতীয় কাণ্ডাৰী সুৰেন্দ্ৰনাথ দাশগুপ্তযো স্পষ্ট ভাষাত লেখি থৈ গৈছে:

গীতাই ভগবানক বিশ্বপ্ৰকৃতিৰ লগত একাত্ম কৰিও দেখুৱাইছে, বিশ্বপ্ৰকৃতিতকৈ ওপৰত বুলিও দেখুৱাইছে, আৰু একধাৰে বিশ্বপ্ৰকৃতিত নিহিত আৰু বিশ্বপ্ৰকৃতিত নিয়ন্ত্ৰক হিচাপেও দেখুৱাইছে। কেতিয়াবা এটা শ্লোকতে, কেতিয়াবা বেলেগ বেলেগ শ্লোকত ভগবানৰ এনে বেলেগ বেলেগ সংজ্ঞা দিছে। একে ঈশ্বৰৰ এনে বেলেগ বেলেগ ভূমিকা বা দিশ থকা বুলি কৈ উঠিও স্ববিৰোধৰ অভিযোগ এটাই যাবলৈহে চেষ্টা কৰিছে। এইবোৰ স্ববিৰোধৰ সমাধানৰ কোনো চেষ্টা গীতাত নাই। বৰং দাৰ্শনিক সমস্যাবোৰৰ সম্মুখীন নহৈ ধৰ্মীয় আবেগৰ মাজত ডুবি গৈছে।...

(ভাবানুবাদ, Indian Idealism, Cambridge University Press, 1933 pp 59-61).

সচৰাচৰ ভবা হয় যে বৈষ্ণৱ ধৰ্ম আৰু ব্ৰাহ্মধৰ্ম ব্ৰাহ্মণ্য ভাবধাৰাৰ এই সুদূৰ প্ৰসাৰী আৰু গভীৰ প্ৰভাৱৰপৰা যুক্ত। এই মুক্তি আপেক্ষিক মাত্ৰ। ব্ৰাহ্মণ্য ভাবধাৰাৰ প্ৰধান অস্ত্ৰ বেদ, গীতা, মহাভাৰত প্ৰভৃতি শাস্ত্ৰ

বৈষ্ণৱসকলেও সভক্তিৰে মানে। (ৰামমোহনৰ জীৱনীৰপৰা জনা যায় তেওঁ সবান্ধৱে যি কোঠাত বেদপাঠ শুনিছিল তাত শূদ্ৰৰ প্ৰবেশ নিষিদ্ধ আছিল।) তাৰ উপৰি তেওঁলোক সকলোৱেই কম-বেছি পৰিমাণে শংকৰাচাৰ্য্যৰ ওচৰত ঋণী। নিৰীশ্বৰবাদী বৌদ্ধমত খণ্ডন কৰি ভাৰতত হিন্দুমত পুনৰ প্ৰতিষ্ঠা কৰাই শংকৰাচাৰ্যৰ মহিমা— সৰ্বসাধাৰণৰ মাজত প্ৰচলিত ধাৰণা এয়ে। কিন্তু শংকৰাচাৰ্যৰ মেধা, সাংগঠনিক ক্ষমতা আৰু ভাষাৰ ওপৰত অসামান্য দখল স্বীকাৰ কৰি লৈও দুটামান আহ্বকলীয়া বস্তুলৈ আঙুলি টোঁৱাব পাৰি। ৰামানুজ প্ৰমুখ্যে ভক্তিবাদীসকলৰ সামাজিক উদাৰতা সত্বেও শংকৰাচাৰ্যই খান্দি থৈ যোৱা গাঁতত তেওঁলোকো পৰিছে। পিছত তাৰ আলচ কৰা হব।

(১) ব্ৰহ্মসূত্ৰৰ ভাষ্যতে শংকৰাচাৰ্যই বেদান্ত দৰ্শনৰ সৌধ প্ৰতিষ্ঠা কৰে। কিন্তু এই ভাষ্যত তেওঁ প্ৰথমেই জ্ঞানৰ সকলো লৌকিক উৎস (প্ৰমাণ) ব্ৰহ্মজ্ঞানৰ বাবে অপ্ৰয়োজনীয় বুলি উৰাই দিছে।

Debiprasad Chattopadhyaya, **What is living and What is Dead in Indian Philosophy**, New Delhi, 1976, P 43.

(২) শংকৰাচাৰ্যৰ বাবে মনুৰ স্থান প্ৰায় বেদৰ লগতে। মনু তেওঁৰ বাবে এক নিৰ্ভৰযোগ্য অবিসম্বাদী সূত্ৰ। অথচ মনুক কোনোমতেই দাৰ্শনিক বুলি ভাবিব নোৱাৰি। তাৰ কাৰণ বিচাৰি দূৰলৈ যাব নালাগে। বেদ অধ্যয়ন কৰিব খোজা শূদ্ৰৰ কাণত গৰম সীহ ঢালি দিব লাগে আৰু জিভা ফালি দিব লাগে— মনুৰ এই অমানুষিক পৰামৰ্শ সোৎসাহে সমৰ্থন কৰিছে ব্ৰহ্মজ্ঞ দাৰ্শনিকে। (পৃঃ ১৯৬-১৯৮)

(৩) যেহেতু ব্যক্তিগত যুক্তি সদায় সীমাবদ্ধ, যেহেতু যি কোনো তীক্ষ্ণ বুদ্ধিৰ মানুহৰ যুক্তি অধিক বুদ্ধিমান মানুহৰ যুক্তিয়ে খণ্ডন কৰে, সেয়ে যুক্তিৰ ওপৰত নিৰ্ভৰ কৰা অসম্ভৱ। বৰং অনাদি-অনন্ত বেদশাস্ত্ৰহে অপৰিবৰ্তনীয় আৰু অক্ষয় বিশ্বাসৰ ভেটি হ'ব পাৰে। (পৃঃ ২০৩-২০৫)

ব্ৰহ্মবাদী দাৰ্শনিকৰ দৃষ্টিকোণ ব্যক্তিগত সংকীৰ্ণ স্বাৰ্থৰপৰা মুক্ত আছিল। কিন্তু অন্ধ সংস্কাৰপ্ৰিয়তা, ৰক্ষণশীলতা, যুক্তিবিদ্বেষৰ পৰিচিত মিত্ৰতা (alliance) তেওঁৰ ক্ষেত্ৰতো দেখা গৈছিল শ্ৰেণীগত মানসিকতা হিচাপে। কি গান্ধী, কি ৰাম মোহন, সেই উত্তৰাধিকাৰৰ পৰা মুক্ত নাছিল। (ৰাম মোহন ৰায়ৰ ব্যক্তিত্ব আৰু ভূমিকাৰ নানা মাৰাত্মক স্ববিৰোধ বংগৰ সুধী সমাজত আৰু অজ্ঞাত হৈ থকা নাই।)

সত্যাগ্ৰহ— সূতাকটাৰ ফলত স্বৰাজ লাভৰ ভৰসা— খাদীৰ যাদুকৰী শক্তি— অনশনৰ অনিৰ্বচনীয় প্ৰভাৱ— হিন্দু-মছুলমানৰ সমবেত প্ৰাৰ্থনাৰ দ্বাৰা সাম্প্ৰদায়িক সমস্যা সমাধান: এনেবোৰ গান্ধীবাদী ধাৰণাই ভাৰতৰ স্বাধীনতা-সংগ্ৰাম কেনেদৰে ক্ষতিগ্ৰস্ত কৰিছিল, তাৰ গৱেষণা আমাৰ

বিশ্ববিদ্যালয়ত হোৱাৰ আশা নাই। কিন্তু স্বাধীনতা সংগ্ৰাম অগ্ৰসৰ কৰাত যে এইবোৰ বিশেষ কাৰ্যকৰী নাছিল, আন উপায়েও যে তদনুৰূপ বা তাতকৈ ভাল ফল পোৱা গ'লহেতেন, সন্দহ নাই। সুৰেন্দ্ৰনাথ দাশগুপ্তই দেখুৱাই গৈছে যে বৈদিক সাহিত্যতে আত্মনিগ্ৰহশীল তপস্যা আৰু যজ্ঞৰ দ্বাৰা অসাধ্য সাধন কৰাৰ বীজ নিহিত আছে। লক্ষ্যৰ নৈতিকতা বা শুভাশুভ বিচাৰ্য নহয়— যজ্ঞ বা তপস্যাৰ দ্বাৰা নীতিহীন লক্ষ্যও লাভ কৰিব পাৰি।

(Indian Idealism, PP 8-9)।

এই আত্মনিগ্ৰহৰ ধাৰণাৰপৰা ৰবীন্দ্ৰনাথ মুক্ত। পৰম্পৰাগত হিন্দু ধৰ্মৰ যান্ত্ৰিকতা আৰু জড়তাৰ নিৰ্মম ব্যংগ চিত্ৰ তেওঁ আঁকিছে 'অচলায়তন' আৰু 'গোৰা'ত। পৰিবৰ্তনৰ প্ৰতি তেওঁৰ মনত কোনো ভীতি নাছিল। পাশ্চাত্যৰ মানবতাবদী চিন্তা ধাৰা 'ঠাকুৰবাড়ীৰ' পৰিবেশত অধিক সক্ৰিয় আছিল গান্ধীজীৰ শৈশৱৰ পোৰবন্দৰৰ তুলনাত। নৈষ্ঠিক ব্ৰাহ্মণ সমাজত ঠাকুৰ পৰিবাৰ বিশেষ সমাদৃত নাছিল। আনহাতে ব্ৰিটিছ শাসক মহল, উচ্চ শ্ৰেণীৰ নতুন ব্যৱসায়ী আৰু জমিদাৰ গোষ্ঠীৰ লগত এই পৰিবাৰৰ সামাজিক সম্পৰ্ক আছিল ঘনিষ্ঠ। (ব্ৰিটিছ শাসকসকলে তেওঁলোকৰ আতিথ্য গ্ৰহণ কৰিছিল।) সেয়ে পৰম্পৰাৰ লগত এই পৰিবাৰৰ সম্পৰ্ক আছিল তুলনামূলক ভাবে দুৰ্বল। হিন্দু ঐতিহ্যৰ প্ৰতি সেয়ে ৰবীন্দ্ৰনাথৰ অন্ধ আনুগত্য নাছিল।

ভাৰতবৰ্ষত তেতিয়া নতুন মুখৰ সূচনা হৈছিল। ঔপনিবেশিক শিল্প-বাণিজ্যই সঞ্চাৰ কৰিছিল স্তব্ধ প্ৰায় সমাজত মৃদু গতিবেগ। শিক্ষা-দীক্ষাৰ যোগেদি কাষ চাপি আহিছিল ইউৰোপৰ সংস্কৃতি। তাৰ মূলমন্ত্ৰ আছিল মানবতাবাদ। ৰবীন্দ্ৰনাথে স্বীকাৰ কৰিছিল :

"কোন যুগ থেকে সহসা কোন যুগান্তৰে এসেছি। মানুষেৰ শ্ৰদ্ধেয়তা হঠাৎ এত আশ্চৰ্য বড়ো হয়ে দেখা দিল কোন শিক্ষায়।" (ৰবীন্দ্ৰ ৰচনাবলী, ২৪ তম খণ্ড, পৃঃ ২৪৮)

কিন্তু জীৱনকালতেই ৰবীন্দ্ৰনাথে উপলব্ধি কৰিলে এই মানবতাবাদৰ সীমাবদ্ধতা। আনকি তথাকথিত ভাৰতীয় ৰিনেছাঁচৰ বিদ্ৰোহকো "কেৱল এটা মানসিক বিদ্ৰোহৰ উত্তেজনা" আৰু "জবৰদস্তিভৰা অতিশয়োক্তি" বুলি তেওঁ কাহানিবাই বুজি পাইছিল। (জীবন স্মৃতি)

অৰ্থাৎ ব্যক্তিগত নৈতিক মানদণ্ডৰেই ৰাজনীতি মূল্যায়ন কৰা নিঃসংগতালৈ তেওঁ যাত্ৰা কৰিবলগীয়া হৈছিল। ঔপনিবেশিক পদলেহী দলৰ সভ্য হোৱা নাইবা অধীৰ হঠকাৰী বিপ্লৱী দলৰ সগোত্ৰ হোৱা তেওঁৰ পক্ষে অসম্ভৱ আছিল। মহাত্মাজীৰ ৰাজনৈতিক মন্ত্ৰতো তেওঁৰ মন নবহিল। আনপিনে মানবতাবাদ পিছলি গৈ ইউৰোপত আবিৰ্ভাৱ হ'ল ফেছিবাদৰ। এই নকল হীৰাৰ জৌলুচত ৰবীন্দ্ৰনাথো মোহ গৈছিল। ৰবীন্দ্ৰকাথক পথৰ কাণ্ডাৰী হিচাপে

পাবলৈ আমাৰ সমসাময়িক যি সকলে টনা আঁজোৰা লগাইছে, তেওঁলোকে হিচাব ৰখা ভাল হ'ব যে ৰবীন্দ্রনাথৰ ৰাজনীতি নানাধৰণৰ আদর্শবাদী ভাবালুতা আৰু মোহৰপৰা মুক্ত নাছিল। মুছোলিনিৰ প্রচাৰ-কৌশলত ভোল গৈ তেওঁ ইটালিৰ ওপৰতো পুষ্পবৃষ্টি কৰিছিল। ফেছিবাদী ৰোমাঁ ৰোলাঁৰ সহৃদয় সতর্কবাণীয়ে তেওঁক ৰক্ষা কৰিলে।

যিসকলে মহাত্মা গান্ধী আৰু ৰবীন্দ্রনাথক একে পথৰ পথিক বুলি ভাবেও তেওঁলোকৰ বাবেও ৰবীন্দ্রনাথৰপৰা বিপদ বহুত। যদি ভবা হয় যে সুভাষ বসুৰ 'শক্তি সাধনা'ৰ লগত মহাত্মা গান্ধীৰ মতভেদত ৰবীন্দ্রনাথৰ সমর্থন আছিল, তেওঁলোকে বহুত কথাৰ ব্যাখ্যা দিব নোৱাৰিব। গান্ধীজীৰ সমর্থন আৰু পৰামর্শত তেওঁৰ অনুচৰ সকলে ১৯৩৯ চনত যেতিয়া সুভাষ বসুক কংগ্রেছৰ নেতৃত্বৰ পৰা অপসাৰিত কৰিলে, তেতিয়া ৰবীন্দ্রনাথে অপ্রত্যাশিত উগ্রতাৰে সেই চক্রান্ত গৰিহনা দিছিল:

"অৱশেষত আজি আনকি কংগ্রেছৰ মঞ্চৰপৰাও হিট্লাৰী নীতিৰ নিঃসকোচ জয় ঘোষণা শুনা গ'ল৷ বেমাৰ সোঁচৰিছে। স্বাধীনতাৰ মন্ত্র উচ্চাৰণ কৰাৰ বাবে যি বেদী উৎসর্গিত, সেই বেদীতেই আজি ফেচিষ্ট সাপে ফোঁচ্-ফোঁচাই উঠিছে।" (অৰবিন্দ পোদ্দাৰ, পৃঃ ৩৩২) (ৰবীন্দ্রনাথে হয়তো নাজানিছিল, বা জানিও নজনাৰ ভাও জুৰিছিল কৌশলগত কাৰণত, যে সুভাষ বসুৰ অপসাৰণ গান্ধীৰ ইচ্ছা আৰু নির্দেশমতেই হৈছিল)।

সুভাষ বসুৰ প্রতি তেওঁৰ অকৃত্রিম আৰু প্রবল শুভেচ্ছা ভদ্রলোক বুদ্ধিজীৱিৰ বাবে আহুকলীয়া। কাৰণ সুভাষ বসু আছিল হিংসাত বিশ্বাসী উগ্রপন্থী। অনুৰূপভাবে ফেচিষ্ট জার্মানি আৰু টালিৰ মোহ কটাই উঠি ৰবীন্দ্রনাথে চোভিয়েট ৰুছিয়াৰ বিৰুদ্ধে জেহাদত যাগ নিদিলে কোনোদিনেই। অথচ আঁদ্রে জিড্, ইগ্নাছিও ছিলোনে, ডব্লু এইচ্ অডে'ন আৰু বহু বিখ্যাত লেখকে ৰুছবিৰোধী কোৰাচ তেতিয়াই আৰম্ভ কৰিছিল। 'ৰাশিয়াৰ চিঠি'ত ৰুছ সমাজতন্ত্রত ব্যক্তিক দমন কৰা সম্পর্কে আপত্তি আছে। কিন্তু এই আপত্তি তাৰ প্রধান সুৰ নহয়। অন্ধ অতীত আৰু ক্রুৰ বর্তমানৰ ভগ্নাৱশেষত ৰুছিয়াতেই নৱজন্মৰ পথাৰ কৰ্ষিত হোৱা বুলি অন্তৰে অন্তৰে অনুভৱ কৰিছিল তেওঁ। সেয়ে তেওঁ লেখিব পাৰিছিল:

"তা হোক, আপাতত ৰাশিয়ায় এসেছি— না এলে এজন্মেৰ তীর্থদর্শন অত্যন্ত অসমাপ্ত থাকত।"

ৰবীন্দ্রনাথক আমাৰ যুগৰ পথ প্রদর্শক হিচাপে লোৱা আৰু বিশ্বভাৰতীক উচ্চ শিক্ষাৰ সার্থক আৰ্হি হিচাপে লোৱা একেই কথা। কিন্তু ব্যর্থতা বিসংগতিৰ মাজতো চকুত নপৰাকৈ নাথাকে, তেওঁ আমাৰ ওচৰৰ মানুহ। আনন্দৰ নিছাত হতভাগ্য মানুহলৈ পিঠি দিয়া তেওঁৰ প্রবৃত্তি নাছিল।

আলোচ্য বিষয়ৰ ওপৰত আৰু আলোচনা কৰাৰ আগতে আমাৰ মূল ধ্যান-ধাৰণা সম্পৰ্কে কিছু স্পষ্ট বক্তব্য ৰখা উচিত হব। নহলে আমাৰ যুক্তি অনুসৰণ কৰাত অসুবিধা হ'ব পাৰে।

আমাৰ বিশ্লেষণ প্ৰধানত: মাৰ্ক্সীয় বস্তুবাদী দৃষ্টিকোণৰ পৰা কৰা হৈছে। অৰ্থাৎ কেৱল ৰবীন্দ্ৰনাথ বা গান্ধীৰ চিন্তাধাৰাৰ আভ্যন্তৰীণ বিসংগতিবোৰ নাইবা সেই চিন্তাধাৰাৰ প্ৰয়োগত হ'ব পৰা আহুকালবোৰ আঙুলিয়াই দিয়াই আমাৰ একমাত্ৰ লক্ষ্য নহয়। তেওঁলোকৰ বিশেষ পৰিবেশত তেনে ধৰণৰ দুৰ্বলতা যে প্ৰায় অৱধাৰিত আছিল, সিও আমাৰ বক্তব্যৰ ভিতৰত পৰে।

ঔপনিবেশিক পৰিবেশত ভাৰতত শিল্প-বাণিজ্যৰ প্ৰসাৰ আছিল অত্যন্ত শ্লথ আৰু বিকৃত। বিলাতৰ অৰ্থনীতিৰ সুবিধাৰ বাবেই ভাৰতৰ অৰ্থনীতিক বহু দিনৰপৰা পংগু কৰি ৰখা হৈছিল। বাণিজ্যৰ বিকাশৰ লগত দেশীয় কৃষি-শিল্পৰ বিকাশৰ সম্পৰ্ক আছিল নগণ্য। নতুন শিক্ষানীতি তথা সংস্কৃতিৰ লগতো কৃষি-শিল্পৰ উন্নতিৰ সম্পৰ্ক আছিল ক্ষীণ। ইয়াৰ ফলতে ১৯৪৭ চনলৈকে সমগ্ৰ দেশতে কাৰিকৰী শিক্ষাৰ বিশেষ উন্নতি দেখা যোৱা নাছিল। ব্ৰিটিছ চৰকাৰে নতুন ভূমিনীতি প্ৰবৰ্তন কৰিলেও প্ৰধানকৈ ৰাজস্বৰ লোভতে কৰিছিল। চিৰস্থায়ী বন্দবস্তয়ো বংগ-বিহাৰ আৰু উত্তৰ প্ৰদেশত বহুসংখ্যক অলস ভূমিস্বত্ব ভোগীৰ জন্ম দিলে মাত্ৰ— সাধাৰণ কৃষকৰ ওপৰত জমিদাৰ মহাজনৰ হেঁচা মাৰাত্মকভাৱে বৃদ্ধি কৰিলে আৰু কৃষিৰ কোনো উন্নতি নঘটালে।

এনে পৰিবেশত স্বাভাৱিকতে ভাৰতৰ চিন্তাজগতত অতীতৰ সামন্তযুগীয় ব্যৱস্থাৰ প্ৰতি মোহাবেশৰ উদ্ভৱ হ'ল। আমি আমাৰ সমাজ আৰু সমালোচনা (গুৱাহাটী বুকষ্টল, ১৯৭১) গ্ৰন্থৰ "গান্ধীজীৰ সমাজবাদৰ ব্যুৎপত্তি" প্ৰবন্ধত দেখুৱাইছিলোঁ যে তাহানিৰ ভাৰতৰ গ্ৰাম সমাজৰ (Village Community) যি অৱশেষ উনবিংশ শতাব্দীৰ ভাৰতত দেখা গৈছিল তাৰেই আলমত মহাত্মা গান্ধীয়ে তেওঁৰ পঞ্চায়তী-ৰাজৰ সপোন দেখিছিল। অলপতে কলিকতাৰপৰা প্ৰকাশিত Point Counter Point আলোচনীত বিশিষ্ট বুদ্ধিজীৱী অম্লান দত্তই কৈছে যে এই Village Community ৰ আহিঁয়েই গান্ধীজীৰ আদৰ্শ সমাজ ব্যৱস্থা আছিল। তেওঁৰ মতে এনে গ্ৰাম সমাজত কোনো ধৰণৰ শ্ৰেণী সংগ্ৰামৰ থল নাছিল। বৰং বিভিন্ন জাতিৰ সহযোগিতাৰ ওপৰতে সেই ব্যৱস্থা বৰ্তি আছিল। শ্ৰীযুত দত্তই উল্লেখ কৰা নাই যে সেই ব্যৱস্থাত অন্ততঃ কিছুমান জাতিৰ মানৱীয় মৰ্যাদা খৰ্ব হৈছিল। বহু ঠাইত কেৱল উচ্চ বৰ্ণৰ লোকৰ হাতত্তে মাটিৰ মালিকানা কেন্দ্ৰীভূত হৈছিল। অন্যান্য জাতি প্ৰায় তেওঁলোকৰ সেৱকত পৰিণত হৈছিল। আৰু যদি তেনে ব্যৱস্থাক

"আদর্শ" বুলিও ধৰি লোৱা যায়, তথাপি ক'ব লাগিব যে ব্ৰিটিছ ঔপনিবেশিক আমোলত তাৰ দ্ৰুত অৱনতি ঘটিছিল আৰু অনিবাৰ্যভাৱে ভাৰতীয় সমাজত শ্ৰেণীগঠন আৰু শ্ৰেণী-সংঘাতৰ ক্ষেত্ৰ প্ৰস্তুত হ'ব ধৰিছিল। এনে পৰিবেশত "সহযোগিতাৰ" মন্ত্ৰ আছিল শোষণৰে অনুকূল। শেষ জীৱনলৈকে গান্ধীজীয়ে জমিদাৰ বিলাকৰ অস্তিত্ব আৰু ভূমিকাক যথোচিত প্ৰাধান্য দিয়া নাছিল। তেওঁ কৃষক বিলাকক মাটি দখল আদি সংগ্ৰামী কাৰ্যসূচী পৰিহাৰ কৰি জমিদাৰৰ শুভেচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ কৈছিল।

Communist Manifesto নামৰ প্ৰচাৰমূলক পুস্তিকাতে মাৰ্ক্স আৰু এংগেলছে এনে ধৰণৰ অতীত-বিলাসী অথচ অতিশয় প্ৰভাৱশালী কল্পনাশ্ৰয়ী সমাজবাদৰ (যেনে "True Socialism" বা "Feudal Socialism" জাতীয় দুৰ্বলতা উনুকিয়াবলৈ বাধ্য হৈছিল। গান্ধী-ৰবীন্দ্ৰনাথৰ কল্পিত গ্ৰাম্য সমাজবাদো এনে এবিধ ভ্ৰান্ত আৰু বিভ্ৰান্তিকৰ আহিঁ আছিল। ঔপনিবেশিক অনগ্ৰসৰ আমোলত শিল্প আৰু শ্ৰমিক-শ্ৰেণীৰ সংখ্যাগত আৰু গুণগত দুৰ্বলতাৰ বাবেই এনে ধৰণৰ চিন্তাধাৰাৰ উদ্ভৱ আৰু প্ৰবল সম্ভৱ হৈছিল। শ্ৰেণী হিচাপে কৃষক শ্ৰেণীয়ে যে সহজে ধৰ্মীয় আৰু কল্পনাশ্ৰয়ী সামাজিক চিন্তাধাৰাৰ প্ৰতি আকৃষ্ট হয়, লেনিনে তেওঁৰ টলষ্টয়ৰ ওপৰৰ ৰচনাত তাহানিয়েই উল্লেখ কৰি থৈ গৈছে। ৰবীন্দ্ৰনাথেও সেয়ে সমাজৰ ৰূপান্তৰত শিক্ষাৰ ভূমিকাকে কেন্দ্ৰীয় গুৰুত্ব দিছিল। তেওঁ পাহৰি গৈছিল— "Educators have to be educated।" অহিংসা আৰু সম্প্ৰীতি নিঃসন্দেহে আদৰণীয়। ব্যক্তিগত সন্ত্ৰাসবাদো সমাজ পৰিৱৰ্তনৰ অস্ত্ৰ হিচাপে বন্ধ্যা। কিন্তু সমাজৰ ৰূপান্তৰত তীব্ৰ শ্ৰেণীসংগ্ৰামৰ প্ৰয়োজন অৱহেলা কৰাটোও কল্পনাশ্ৰয়ী (utopian) নীতি পৰায়ণতাৰে লক্ষণ মাত্ৰ।

ইয়াৰে লগৰীয়া হিচাপে দেখা যায় দুয়োৰে চিন্তাধাৰাত ব্যক্তি আৰু ব্যক্তিত্ব সম্পৰ্কে অপৰিসীম মমতা। বহু পৰিমাণে ভাৰতীয় মধ্যযুগীয় ভক্তি আন্দোলনৰ ব্যক্তিমুখী ভাবধাৰাই দুয়োকে প্ৰভাবিত কৰিছিল। সেই সময়ত ভাৰতৰ সামন্তবাদী ব্যৱস্থাৰ মাজতো অৰ্থ আৰু বাণিজ্যৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া বাঢ়ি অহাৰ বাবেই নিশ্চয় ভক্তি আন্দোলনৰ মাজত ব্যক্তিমানৱৰ মূল্য এনেদৰে স্বীকৃত হৈছিল। জাতি, গোষ্ঠী আদি ঐতিহ্যগত বন্ধনৰ হেঁচাও ভক্তি আন্দোলনে বহু পৰিমাণে শিথিল কৰি আনিছিল। উল্লেখযোগ্য এয়ে যে মোক্ষলাভৰ জ্ঞানমাৰ্গী পথ সচৰাচৰ জাতিভেদ আৰু বিভিন্ন পৰম্পৰাগত দেশাচাৰৰ অনুকূল আছিল। কিন্তু ভক্তি আন্দোলনত সমগ্ৰ ভাৰত জুৰি জাতিভেদৰ বিৰুদ্ধে প্ৰতিবাদ পৰিলক্ষিত হৈছিল। জ্ঞানমাৰ্গ ঐতিহ্যগত বুদ্ধিজীৱী ব্ৰাহ্মণৰ প্ৰভাৱত পুষ্ট হৈছিল। আৰু ভক্তিমাৰ্গত ব্ৰাহ্মণৰ উপৰিও অন্যান্য— কেতিয়াবা তথাকথিত "ইতৰ" জাতিৰো— অৰিহনা আছিল। কিন্তু শেষ পৰ্যন্ত ভক্তি আন্দোলন

সামাজিক বিদ্রোহত পৰিণত নহ'ল। আনকি ভক্তি আন্দোলন সম্পৰ্কে বিষদ গৱেষণা কৰা আচাৰ্য ক্ষিতিমোহন সেনেও ক'বলৈ বাধ্য হৈছিল:

"It may be mentioned, however, that in spite of the movement it could not always break through all casteba-rriers.... there can be no doubt that considerable elements of caste-distinction remained within the movement. Ramanuja accepted caste-divisions in some limited form and even Caitanya failed to do away with them completely. Thus in spite of a tendency towards liberalization, the movement did not achieve as much equality as much equality of status as is sometimes claimed" (K.M.Sen, Hinduism, Penguin Book, 1982, P, 94)

(উল্লেখ কৰা ভাল হ'ব যে তাৰ উদাৰ চৰিত্ৰ সত্ত্বেও ভক্তি আন্দোলনে জাতিভেদৰ সকলো বৈষম্য দূৰ কৰিব নোৱাৰিলে।.... আন্দোলনৰ ভিতৰতে জাতিগত ভেদাভেদ বহুত বৈ গ'ল। ৰামানুজে সীমিত মাত্ৰাত হলেও জাতিভেদ মানি লৈছিল, চৈতন্যদেৱেও জাতিভেদ দূৰ কৰিব পৰা নাছিল। সেয়ে উদাৰ মনোভাবৰ প্ৰতি প্ৰৱণতা থাকিলেও আন্দোলনে কেতিয়াবা দাবী কৰা দৰে মানবীয় সাম্য প্ৰতিষ্ঠা কৰিব পৰা নাছিল।)

ইয়াৰে ফলশ্ৰুতি স্বৰূপে গান্ধীজীৰ মনত উনবিংশ শতাব্দীৰ য়ুৰোপীয় উদাৰনীতিবাদৰ লগত প্ৰাচীন সংস্কাৰৰ প্ৰতি আস্থাৰ দ্বন্দ্ব চলিছিল। হীনবৰ্ণ বিলাকৰ উন্নতি আৰু মানবীয় মৰ্য্যাদাৰ বাবে তেওঁ প্ৰাণপাত কৰিছিল, আকৌ জাতিভেদো থাকিব লাগে বুলি প্ৰকাশ কৰিছিল।

ৰবীন্দ্ৰনাথৰ মন এনে দ্বিধাৰপৰা মুক্ত আছিল। কিন্তু তাৰ কাৰণ ব্ৰাহ্ম সমাজৰ প্ৰভাৱ নহয়। জ্ঞানমাৰ্গৰ বৈষম্যবাদৰপৰা ৰামমোহন দেবেন্দ্ৰনাথো মুক্ত নাছিল। Sophia Dobson Colet ৰ জীৱনীৰপৰা জনা যায় যে বেদপাঠৰ সময়ত ৰাজা ৰামমোহনে ব্ৰাহ্মণৰ বাহিৰে আন জাতিৰ লোকক কোঠাৰ বাহিৰত ৰাখিছিল। ৰবীন্দ্ৰনাথে নিজেই কৈছে যে আদি ব্ৰাহ্ম সমাজত অব্ৰাহ্মণ কেতিয়াও আচাৰ্য্য পদত দীক্ষিত হোৱা নাছিল। এনেবোৰ কাৰণতে নিশ্চয় সাধাৰণ ব্ৰাহ্ম সমাজ আদি-ব্ৰাহ্ম সমাজৰপৰা ফালৰি কাটি গৈছিল। কিন্তু উল্লেখ কৰা প্ৰয়োজন যে সাধাৰণ ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা কেশৱ সেনো সামাজিক সংস্কাৰতকৈ ভক্তিৰ গদগদ্ উচ্ছাসতে বেছি মতলীয়া হৈ পৰিছিল। জ্ঞান মাৰ্গৰ বিশুদ্ধ বৌদ্ধিকতাই ব্যক্তিৰ আত্ম প্ৰকাশত বিশেষ সহায় কৰা নাছিল বাবেই নিশ্চয় এনে হৈছিল। এটা বিশেষ তাৎপৰ্য্যপূৰ্ণ কথা এয়ে যে স্বয়ং ৰবীন্দ্ৰনাথে এসময়ত ব্ৰাহ্ম সমাজৰ লগত বিচ্ছেদ অনুভৱ

কৰিছিল। Religion of Man গ্ৰন্থত ৰবীন্দ্ৰনাথে নিজেই উল্লেখ কৰিছে (সপ্তম অধ্যায়) যে তেওঁ ব্ৰাহ্ম সমাজৰপৰা আধ্যাত্মিক আকাংক্ষা চৰিতাৰ্থ কৰিব পৰা নাছিল। বৰং অন্তৰৰ অনুভূতিৰ লগত ব্ৰাহ্ম সমাজৰ উপদেশৰ মাৰাত্মক সংঘাতহে অনুভৱ কৰিছিল। সত্যৰ জীৱন্ত মুখচ্ছবি মুখাৰে ঢাকিবলৈ আৰু প্ৰবৃত্তি নোহোৱাত" (using a mask to hide the living face of truth) অৱশেষত তেওঁ ব্ৰাহ্ম সমাজৰ লগত সম্পৰ্ক ছেদ কৰিলে॥

সন্দেহ নাই যে এচাম অৱস্থাপন্ন অভিজাত লোকৰ মাজত আবদ্ধ মাৰ্গই কেতিয়াও মানুহৰ হৃদয়াবেগ পৰিপূৰ্ণ কৰিব নোৱাৰে। ফলত ব্যক্তিৰ যুক্তি তথা বিকাশো সেই পৰিবেশত সম্ভৱ হৈ নুঠে।

পিছে আজিও জানো পৰিস্থিতিৰ কিবা পৰিৱৰ্তন ঘটিছে। আমাৰ প্ৰতিষ্ঠিত বুদ্ধিজীৱীসকলে মাৰ্ক্সবাদক ব্যক্তিবিৰোধী বুলি প্ৰায়ে গৰিহণা দিয়ে। পিছে তেওঁলোকে লক্ষ্যই নকৰে যে সাম্প্ৰতিক ভাৰততো প্ৰকৃত ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ হোৱা নাই। আমাৰ বিশ্বাস বহুদূৰ সংস্কাৰৰ দ্বাৰা প্ৰভাৱিত, বিবেকৰ দ্বাৰা নহয়। আমাৰ আচৰণ বহু পৰিমানে পৰিবাৰ আদি গোষ্ঠীৰ দ্বাৰা নিয়ন্ত্ৰিত। জীৱনৰ বেছিভাগ কেন্দ্ৰীয় সিদ্ধান্ত আমি নিজে, স্বাধীন ব্যক্তি হিচাবে নলওঁ।

ইও অৱধাৰিত। কাৰণ ঔপনিবেশিক ব্যৱস্থাৰ কৰাল প্ৰভাৱৰ পৰা, অৰ্ধসামন্তবাদী অৱশেষৰপৰা, আমি আজিও মুক্ত হ'ব নোৱাৰিলোঁ। ইতিমধ্যে নতুন মতাদৰ্শৰ আহ্বান আহি পৰিছে। গান্ধী-ৰবীন্দ্ৰনাথ এনে পৰিস্থিতিত অতীতৰ শ্ৰদ্ধেয় পূৰ্বসূৰী হলেও কদাপিও নতুন দিনৰ কাণ্ডাৰী হ'ব নোৱাৰিব।

দ্বন্দ্বাত্মক দৃষ্টিভংগীৰ পৰা (dialectics) আমি এই সম্পৰ্কে আৰু এটা সিদ্ধান্তলৈ আহিব পাৰোঁ। এসময়ত গান্ধীবাদৰো নিশ্চয় এক ইতিবাচক ঐতিহাসিক ভূমিকা আছিল। আন নহলেও ভাৰতৰ সাধাৰণ জনতাৰ অন্তৰেন্দ্ৰিয়ত স্পন্দন তুলি তেওঁ তেওঁলোকক জীৱনৰ পুনৰ্নিৰ্মাণত উদ্দীপ্ত কৰিব পাৰিছিল। পৰিণামত বিশেষ সফল নহলেও, বা প্ৰতিক্ৰিয়াশীল হলেও, গান্ধীবাদ আছিল ভাৰতীয় জনগণৰ মুক্তিযজ্ঞৰ প্ৰথম মন্ত্ৰ। একেই ধৰণে ক'ব লাগিব যে বাল গংগাধৰ তিলক আৰু শ্ৰীঅৰবিন্দ প্ৰভৃতিৰ চিন্তাধাৰাত যিমানেই ক্ষতিকৰ উপাদান নাথাকক, এসময়ত ব্ৰিটিছৰ সৰুসুৰা ছলনাত ভোল নগৈ আপোচহীন সংগ্ৰামী মনোভাৱ জগাই তোলাত তাৰ অৱদান আছিল অসামান্য। ঐতিহ্যৰ বিচাৰত এই দিশটো পাহৰিলে নচলিব। এই কথাও ঠিক যে সেইবোৰ চিন্তাধাৰাৰ যিখিনি অসম্পূৰ্ণতা বা বিকৃতি, তাৰো সামাজিক, বস্তুগত ভিত্তি আছিল। বহুসময়ত তেওঁলোকক কেৱল হিন্দু সাম্প্ৰদায়িকতাৰ জনক হিচাবেই চাই ইতিহাসত অন্যায় আৰু বিকৃতি সাধন কৰা হয়।

বস্তুবাদৰ অৰ্থ এয়ে নহয় যে আমি চিন্তাক বস্তুৰ জড় প্ৰতিফলন বা প্ৰতিক্ৰিয়া বুলি ভাবিম। ভাববাদৰ অৰ্থও কেৱল এয়ে নহয় যে সি ইতিহাসৰ সৃষ্টিত মানব

মনক স্বয়ম্ভু আৰু স্বয়ংক্ৰিয় বুলি ভাবে। ইতিহাসত বস্তুবাদৰ অৰ্থ এয়ে যে মানুহৰ জীৱনৰ বস্তুগত পৰিবেশে মানুহৰ চিন্তাৰ সীমা আৰু দিক নিৰ্ণয় কৰে। কিন্তু এই বস্তুগত পৰিবেশ স্থূল দৃষ্টিৰে বিচাৰ কৰিলেও বুজা নাযাব। তন্ন তন্নকৈ তাৰ বিভিন্ন উপাদান বিচাৰি-খোঁচাৰি (বহুসময়ত অন্ধকাৰৰ পৰা উলিয়াই) সিহঁতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া বুজিব পাৰিলেহে বস্তুগত পৰিবেশৰ স্বৰূপ বুজা সম্ভৱ হ'ব। আকৌ বাস্তৱ জীৱনত এইবোৰ উপাদানৰ লগত মানুহৰ চিন্তাগত উপাদানো মিহলি হৈ থাকে। ভাৰতৰ "মাৰ্ক্সবাদী" ইতিহাসত বহুসময়ত এই কথা অস্পষ্ট হৈ থাকে। ৰবীন্দ্ৰনাথে বামপন্থী আৰু "চৰমপন্থী" সুভাষ বসুৰ প্ৰতি প্ৰবল সদিচ্ছা আৰু আস্থা পোষণ কৰিলেও নিজে ব্ৰিটিছ আনুগত্যৰ শিকলিৰ শেষ আঙঠিটো ছিঙিব পৰা নাছিল— কাৰণ তেওঁৰ জমিদাৰী জীৱন। এইবাবেই তেওঁ সমাজ-সমস্যাৰ বিশ্লেষণ আৰু সমাধানত কেতিয়াবা ভাববাদী তথা মনোগত বাদী (subjective) ভ্ৰান্তিৰ কবলত পৰিছিল। এই কথা তেওঁৰ পৰম ভক্তয়ো মিছা বুলি প্ৰমাণ কৰা টান।

এইবাবেই বস্তুবাদী ব্যাখ্যাৰ গুৰুত্ব অপৰিসীম। কাৰোবাক সহজে নাকচ কৰিবৰ বাবে নহয়।

যিকোনো মানুহ বা অনুষ্ঠানৰ শক্তি আৰু দুৰ্বলতা বুজিবৰ বাবে এনেধৰণৰ সামগ্ৰিক বস্তুবাদী ব্যাখ্যাৰ প্ৰয়োজন। সেয়ে তাৰ ধৰণ হ'ব লাগিব দ্বন্দ্বাত্মক। (dialectical)।

ভাৰতীয় ঐতিহ্য এক মহাসমুদ্ৰ। তাত ইমানবোৰ ধাৰা, ইমানবোৰ ঢৌ, ইমানবোৰ চাকনৈয়া আৰু প্ৰতিস্ৰোত, অন্তঃস্ৰোত, যে সেই বিষয়ে চুম্বক আলোচনা কৰাই বিপদ। কিন্তু এটা কথা নকৈ নোৱাৰি। ভাৰতীয় ঐতিহ্যৰ বিভিন্ন ধাৰাবোৰৰ কোনো এটাক খামোচ মাৰি ধৰি বাকীবোৰ মূল্যহীন বুলি উৰাই দিয়াটোও বিপদজনক। জ্ঞানমাৰ্গৰ শুষ্কতা আৰু ঔদ্ধত্যৰ ঠাইত ভক্তিবাদৰ স্বতঃস্ফূৰ্ত হৃদয়াবেগক প্ৰশ্ৰয় দিবলৈ গ'লেই অতীৱ প্ৰয়োজনীয় ন্যায়সম্মত (logical) বিশ্লেষণ আৰু বিচাৰ নেওচা দি ভাবালুতাত উটি যোৱাৰ বিপদ আছে। গান্ধী-ৰবীন্দ্ৰনাথৰ ক্ষেত্ৰতো সেই সতৰ্কবাণী শুনোৱাৰ প্ৰয়োজন আছে।

মহাত্মা গান্ধীৰ ওপৰত বৈষ্ণৱ সন্তসকলৰ প্ৰভাৱ কাৰো অবিদিত নহয়। অৱশ্যে বৈষ্ণৱ সন্তসকলৰ জীৱন-দৰ্শন তথা দৃষ্টিকোণৰ লগে লগে তেওঁ পুনৰুজ্জীৱিত কৰিবলৈ বিচাৰিলে তেওঁলোকৰ সময়ৰ সমাজ ব্যৱস্থা। কাৰণ তাৰ অবিহনে সেইসকল সন্তৰ জীৱন-দৰ্শন প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। সেয়ে স্বাধীনতা সংগ্ৰামৰ লক্ষ্য তেওঁৰ বাবে এখন স্বাধীন আধুনিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা নহয়, বৰং প্ৰাচিন ভাৰতীয় সমাজৰ পুনঃপ্ৰবৰ্তন। যিখিনি সংস্কাৰ নকৰিলে অগত্যা নচলে, সেইখিনি কৰিবলৈ অৱশ্যে তেওঁ উৎসুক আছিল।

ৰবীন্দ্ৰনাথৰ প্ৰথম জীৱনৰ দৃষ্টিকোণ— যি দৃষ্টিকোণ নানা পৰিবৰ্তনৰ মাজেদি আজীৱন তেওঁৰ সংগী হৈ ৰ'ল— প্ৰতিফলিত হৈছে SADHANA ( Macmillan, 1913, reprinted 1972) নামৰ চিন্তামূলক গ্ৰন্থত। পাতনিত তেওঁ উনুকিয়াইছে, তেওঁ যি পৰিয়ালত ডাঙৰ হৈছে তাত দৈনিক প্ৰাৰ্থনাৰ সময়ত উপনিষদ পাঠ কৰা হৈছিল, য'ত দৈনন্দিন জীৱনত ভগবানৰ সান্নিধ্য বৈষয়িক ব্যস্ততাৰ মাজতো অনুভূত হৈছিল। উপনিষদ আৰু বুদ্ধদেৱৰ শিক্ষা তেওঁ ব্যক্তিগতভাৱে তেওঁৰ ৰচনা আৰু জীৱনত প্ৰয়োগ কৰা বুলি তেওঁ দাবীও কৰিছে।

পশ্চিমৰ সম্পদ-কামনাৰ লগত তেওঁ ইয়াত তুলনা কৰিছে উপনিষদৰ ভূমাস্পৃহাৰ। মৈত্ৰেয়ীয়ে উপনিষদত যে সম্পত্তিৰ আসক্তি নেওচা দিছিল, তেওঁ তাৰ এক নতুন ব্যাখ্যা দিছে। মানুহে সম্পত্তিৰ মাজতে বুজি পায় সম্পত্তি কেনে তুচ্ছ, মানুহৰ অসীম আত্মাৰ বাবে সি কেনে ঠেক সজা। মানুহে সেয়ে নিজতকৈ বিৰাট আৰু মহৎ কোনো সত্তা বা আদৰ্শত লীন হ'বলৈ বিচাৰে। (পৃঃ ১৫১-১৫২)। এয়ে মানুহৰ প্ৰকৃত পৰিচয়। ব্ৰহ্মতেই মানুহৰ সত্য অস্তিত্ব। সেয়ে ভগবানক লাভ কৰিবলৈ নহয়, ক্ৰমে ভগবানৰ লগত মিলি যাবলৈ প্ৰাচ্যই সাধনা কৰে। এই অসীমৰ প্ৰতি, ব্ৰহ্মৰ প্ৰতি হাবিয়াসেই মানুহৰ মূল স্বভাৱ। বৌদ্ধিক জ্ঞানেৰে ব্ৰহ্মলাভ অসম্ভৱ। ব্ৰহ্মক পাব পাৰি প্ৰেমেৰে, আনন্দেৰে। জ্ঞানে আমাক জ্ঞাতব্যৰ পৰা নিলগত থয়, প্ৰেমে আমাক জ্ঞাতব্যৰ লগত মিলাই দিয়ে। (পৃঃ ১৫৮-১৫৯)।

ৰবীন্দ্ৰনাথৰ এই ধাৰণাত প্ৰকৃততে মধ্যযুগৰ ভাৰতৰ প্ৰবল ভক্তি আন্দোলনৰ শেষ ঝংকাৰ ধ্বনিত হৈছে। আচৰিত নহয় যে দৰ্শন বা শাস্ত্ৰৰ বাণী নেওচা দি তেওঁ কাণপাতি শুনিছে অশিক্ষিত আপামৰ ভাৰতীয় জনসাধাৰণৰ জীৱনধাৰাত নিফুটে ভক্তি আন্দোলনৰ বিননি:

দিন যে প্ৰত্যুষত ওৱে কোনো উৎসৱৰ বাবে সেৱা জনসমাগমৰ হুলস্থুলৰ গানৰ টুকুৰা এটা শুনি মই কাহানিও পাহৰিব পাৰিম: "ঘাটে ভাই, মোক পাৰ কৰি নিয়া।"

"আমাৰ সকলো কৰ্মমুখৰতাৰ মাজত সেই সুৰেই বাজিছে, "মোক পাৰ

কৰি নিয়া।" ভাৰতৰ গাৱেঁ-ভূঞে গাৰোৱানে গাড়ী চলাওঁতে গায়, "মোক পাৰ কৰি নিয়া।" কান্ধত ভাৰ লৈ বস্তু বেছি ফুৰা ফেৰিৱালাই গ্ৰাহকক বস্তু দিবৰ সময়ত গায়, "মোক পাৰ কৰি নিয়া।"

এই খিংটোৰ মানে কি? আমি অনুভৱ কৰোঁ আমি কোনেও আমাৰ লক্ষ্যত পৌছাঁগৈ নাই। ... কিন্তু সেই সিপাৰটো ক'ত? (পৃঃ ১৬২)

গাড়োৱাৰ, ফেৰিৱালাৰ নাম তেওঁ এনেই লোৱা নাই। ব্ৰাহ্ম ধৰ্মৰ সাধনাত প্ৰেম-ভক্তিৰ ঠাই আছিল। কিন্তু তাৰ বেছিভাগ ঠাই আগুৰি আছিল নৈতিক দায়িত্ববোধ আৰু সমাহিত ব্ৰাহ্মাপলব্ধিয়ে। সেয়ে যোৱা সংখ্যাত উল্লেখ কৰা দৰে ৰবীন্দ্ৰনাথৰ মনে বিচাৰি ল'লে ভাৰতীয় সাধাৰণ জনতাৰ মনৰ চুকেকোণে বৈ যোৱা ভক্তি ধৰ্মৰ ৰস ঘন উপলব্ধি। (কবিৰ, টুকাৰাম প্ৰভৃতি ভাৰতৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলৰ প্ৰভাৱ ৰবীন্দ্ৰনাথৰ ওপৰত গভীৰ।)

কিন্তু SADHANA ৰ প্ৰবন্ধ ৰাজিৰ মতে অসীমৰ সন্ধানত বিশ্বচৰাচৰৰ লগত প্ৰেমত একাত্ম নহৈ পশ্চিমে কেৱল বিশ্বচৰাচৰৰ ওপৰত জয়ৰ পতাকা উৰুৱাব খোজে। তাৰ উৎসাহ জয়, অভিযান আৰু দখলৰ অভিযান। (পৃঃ ৫)। সেয়ে ৰবীন্দ্ৰনাথে এই স্তৰত পশ্চিমৰপৰা প্ৰাচ্যৰ সাধনা পৃথক কৰিছে। কিন্তু বিশ্বচৰাচৰ আৰু সমাজক নতুনকৈ, মনোমত ভাবে, সজোৱাৰ যি হাবিয়াস, তাকেই বা আমি অধৰ্ম বুলি উৰুৱাই দিওঁ কেনেকৈ? প্ৰেম-ভক্তিৰ ৰসত নিমগ্ন হৈ আমি সমাজ আৰু বিশ্বৰ অমানুষিক দিশবোৰ পাহৰি যোৱাটো উচিত হব'নে?

ভক্তি আন্দোলনে এসময়ত "ব্ৰহ্মাণ্ডক ভেদি" সমগ্ৰ ভাৰত বিয়পি গৈছিল। এই আন্দোলনৰ মাজত বৈদিক যুগৰ সময়ৰপৰা উদ্ভৱ হোৱা বিভিন্ন যুগৰ বিভিন্ন উপাদান মিহলি হৈ গৈছিল। ভাৰতীয় সংস্কৃতিৰ এক বৃহৎ অংশ ভক্তি আন্দোলনে আজিও অধিকাৰ কৰি আছে। ভাৰতীয় মানুহৰ সচেতন আৰু অচেতন মনত তাৰ শলস গভীৰ। সেয়ে গান্ধী-ৰবীন্দ্ৰনাথৰ জীৱন আৰু চিন্তাত তাৰ অৱদানো বিপুল। কিন্তু এই অৱদান সম্ভৱ হৈছিল মানবতাবাদী পশ্চিমীয়া সভ্যতাৰ অভিঘাতত, নতুন জীৱনযাত্ৰাৰ পৰিবেশত। সেয়ে ৰবীন্দ্ৰনাথ, আনকি গান্ধীৰ পক্ষেও, আমাৰ ঐতিহ্যৰ অশুভ বা ক্ষতিকৰ উপাদানবোৰ বৰ্জন কৰি স্বাস্থ্যকৰ আৰু মংগলময় উপাদানবোৰ আহৰণ কৰা সম্ভৱ হৈছিল। কিন্তু তেনেধৰণৰ অভিজ্ঞতা, সংযোগ আৰু সান্নিধ্য যি সকলৰ বাবে সম্ভৱ নহয়— যি সকল প্ৰকৃততে ভাৰতৰ গৰিষ্ঠসংখ্যক লোক— তেওঁলোকে জানো সিমান সহজে সেই কাম কৰিব পাৰিব? সচেতন বা অচেতনভাবে গান্ধী-ৰবীন্দ্ৰনাথে প্ৰচাৰ কৰা ভাৰতীয় আত্মশ্লাঘাই (Indian Chauvinism) তেওঁলোকক অন্ধ কৰি বিপদ মাতি নানিব জানো? সেইবাবেই আমি বিচাৰিছোঁ এটা বৈপ্লৱিক আন্দোলন— যাতে দুখকাৰী জনগণৰ জীৱনযাত্ৰাৰ ভেটি আৰু হৃদয়-মনৰ দেউলত ভুঁইকপ তুলি নতুন ব্যঞ্জনা ৰচনা কৰিব পৰা হয়, যাতে এই প্ৰক্ৰিয়াৰ মাজেৰে ঐতিহ্যৰ অশুভ উপাদানসমূহ চিহ্নিত কৰি

বহিষ্কাৰ কৰিব পৰা হয়। তাৰ অবিহনে ঐতিহ্যই মাৰমুখী চাকনৈয়াৰ ৰূপ লোৱাই সম্ভৱ।

জীৱন সংগ্ৰাম তথা বাস্তৱৰ কঠিন শিক্ষালয়ত ভাৰতৰ জনগণে ঐতিহ্যৰ অশুভ উপাদানবোৰৰ মুখামুখী হ'ব ধৰিছে। কিন্তু সচেতন আৰু সবল সংগ্ৰাম অবিহনে বহুদিনীয়া সংস্কাৰ আৰু অভ্যাসৰ হাত সৰা টান। বিশেষকৈ ন্যস্ত স্বাৰ্থৰ চক্ৰান্তই ঐতিহ্যৰ নামত ভুৱা ভক্তি প্ৰচাৰ কৰি সেইবোৰ অশুভ উপাদানেই বচাই ৰাখিবলৈ বিচাৰে। সেয়ে আমাৰ এই সংগ্ৰাম কিছু নিৰ্মম যেনেই লাগিব পাৰে বহুতৰ মানত।

আমাৰ পণ্ডিত সমাজত ঐতিহ্যৰ ভাববাদী ব্যাখ্যাই সুলভ। ঐতিহ্য পুষ্ট আৰু সংৰক্ষিত হয় বিশেষ সামাজিক পৰিবেশত, বিশেষ শ্ৰেণীৰ সাংস্কৃতিক তথা আৰ্থিক স্বাৰ্থত। কিন্তু এনে ব্যাখ্যা সঘনে শুনা যায় যে ঐতিহ্যই স্বয়ংক্ৰিয়ভাবে কিতাপৰ পৰা কিতাপলৈ, মগজৰ পৰা মগজলৈ বগাই বাচি আছে বহু যুগ যুগান্তৰ পাৰ হৈ। এনে সৰলীকৰণ অতি বিপজ্জনক। ৰবীন্দ্ৰনাথক উপনিষদৰ ঋষিৰ নতুন অৱতাৰ বুলি ভবা হয়। বেদান্তৰ পৰা ৰবীন্দ্ৰনাথলৈ ওপৰে-ওপৰে সূতা টানিবলৈ সহজ। কিন্তু বেদান্তৰ পৰাই পৰস্পৰৰ লগত যুক্ত অথচ পৰস্পৰৰ ঘোৰ বিৰোধী ধাৰা কেবাটাও ওলাইছে। বেদান্তৰ অৱলম্বনত শংকৰাচাৰ্যই জাতিভেদ সমৰ্থন কৰিছে, ৰামানুজে জাতিভেদ অৱহেলা কৰিছে। ভবা হয় যে বেদান্তৰ পৰাই ভক্তিধৰ্ম বা ভক্তি আন্দোলন স্বতঃস্ফূৰ্ত্তভাবে বিকশিত হৈছে। কিন্তু ভক্তি আন্দোলন গুৰিতে অনাৰ্যমূলীয় আন্দোলন— দ্ৰাবিড় অঞ্চলত তাৰ জন্ম। ৰামানুজৰ দৰে লোকেহে তাৰ লগত প্ৰথমে বেদান্তৰ যোগাযোগ ঘটালে। (K.M. Sen, Hinduism Nicol Macnicol; Indian Theism, Oxford University Press, 1915, A.L. Basham, Encyclopaedia Britannica, Vol 8; প্ৰভৃতি।)

বেদান্ত দৰ্শন যাইকৈ উপনিষদৰ অৱদান বুলি ভবা হয়। ভবা হয় যে উপনিষদতে সংসাৰমুখী ইহলৌকিক চিন্তাৰ পৰা মুক্ত ধ্যান ধাৰণাৰ ভিত্তি প্ৰথমে ৰচিত হয়। কিন্তু সমগ্ৰ জীৱন উপনিষদ অধ্যয়নত কটোৱা পণ্ডিতেও নৃতত্ত্ব প্ৰভৃতি বিদ্যাৰ সহায়ত এনে কেতবোৰ সিদ্ধান্তত উপনীত হৈছে যে আমি সচকিত নহৈ নোৱাৰোঁ। Frank Edgerton এ তেওঁৰ UPANISHADS: WHAT DO THEY SEEK AND WHY? নামৰ প্ৰায় যুগান্তকাৰী প্ৰবন্ধত দেখুৱাইছে যে উপনিষদ সমূহ ৰচিত হবৰ সময়ত ৰচয়িতা সকলৰ ধ্যান ধাৰণা আছিল যেলেগ। ছান্দোগ্য উপনিষদত গাড়োৱান ৰৈক্কই যেতিয়া আনবোৰ উপহাৰ নেওচা দি জনশ্ৰুতিৰ দীপলিপ্ গাভৰু জীয়ৰীৰ ৰূপত মোহ গৈ জনশ্ৰুতিক ব্ৰহ্মবিদ্যাত দীক্ষা দিবলৈ ৰাজী হৈছে, আমাৰ মনত স্বাভাৱিকতে সংশয় উপস্থিত হয়: এই ব্ৰহ্মজ্ঞানৰ প্ৰকৃত স্বৰূপ কি? সেই সংশয় আৰু গাঢ় হয় যেতিয়া আমি দেখোঁ যে 'ব্ৰাহ্মণ'ৰ ভাবধাৰাৰ লগত উপনিষদৰ ভাবধাৰাৰ মৌলিক প্ৰভেদ নাই॥

"চমুকৈ ক'বলৈ হলে, সচৰাচৰ বৈদিক যাগযজ্ঞ আৰু যাদুবিদ্যাৰ লগত বৈদিক অৰ্থাৎ (উপনিষদীয়) দৰ্শনৰ বিৰাট ব্যৱধান আছে বুলি ভবা হয়। ... বহু বছৰ ধৰি মোৰ মনত প্ৰাচীন ভাৰতৰ দাৰ্শনিক শাস্ত্ৰসমূহৰ সঘন অধ্যয়ণৰ পৰা দৃঢ় বিশ্বাস জন্মিছে যে এই ব্যাখ্যাই উক্ত শাস্ত্ৰসমূহৰ তথা প্ৰাচীন ভাৰতীয় দৰ্শনৰ দৃষ্টিকোণৰ মাৰাত্মক ভ্ৰান্ত ধাৰণা দাঙি ধৰিছে।"

ফ্ৰেংক এ'জৰ্টনৰ (Frank Edgerton ) মতে ব্ৰাহ্মণ আৰু উপনিষদৰ ভাবধাৰাৰ মাজত মূলগত প্ৰভেদ নাই। দুয়োবিধ শাস্ত্ৰৰে মূল উদ্দেশ্য মোক্ষ লাভ নহয়, পাৰ্থিৱ লক্ষ্যসাধন হে! অৱশ্যে যাদুবিদ্যাৰ প্ৰভাৱ দুয়োৰে মাজত আছে। যেনেকৈ যাদুবিদ্যাৰ গূঢ় অথচ উচ্চতৰ জ্ঞানৰ সহায়েৰে সকলো ব্যৱহাৰিক আৰু বৈষয়িক লক্ষ্য সিদ্ধি হব পাৰে বুলি ভবা হয়, তেনেকৈ ব্ৰাহ্মণৰ যাগ-যজ্ঞৰ জ্ঞান আৰু উপনিষদৰ ব্ৰহ্মবিদ্যাৰেও বিভিন্ন স্তৰৰ স্বৰ্গলাভৰ উপৰিও ইহজগতত ধনলাভ, অন্যান্য সাফল্য অৰ্জন, শত্ৰুৰ পৰাজয়, প্ৰণয়ত সিদ্ধিলাভ আদি লক্ষ্যসাধনৰ কথা ভবা হৈছিল। বৃহদাৰণ্যক, ছান্দোগ্য প্ৰভৃতি প্ৰাচীন উপনিষদবোৰত অসংখ্যবোৰ এনে উক্তি কৰা হৈছে। সত্যৰ খাতিৰতে সত্য দৰ্শন কৰা উপনিষদৰ লক্ষ্য নাছিল। বৰং বহুতৰ বাবে ৰোমহৰ্ষক আৰু অৰুচিকৰ হলেও ক'ব লাগিব যে "they conceive such knowledge as a short cut to the control of every cosmic power. The possessor of such knowledge will be in a position to satisfy his any desire." (উপনিষদসমূহে এনে জ্ঞানক বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো শক্তি বশীভূত কৰাৰ চমু উপায় বুলি ধাৰণা কৰিছিল। এনে জ্ঞানৰ অধিকাৰীয়ে তেওঁৰ যি কোনো কামনা পূৰণ কৰিব পাৰিব।)

অৱশ্যে ভগৱৎগীতা বা বেদান্ত দৰ্শনত এনে যাদুবিদ্যা বিৰল। কিন্তু ঐতিহ্য বা আধ্যাত্মিক ভাবধাৰা সম্পৰ্কে অতিসৰলীকৃত ধাৰণা কৰা সকলে আমি দিয়া উদাহৰণ আৰু উদ্ধৃতিৰপৰা বুজিব' যে ঐতিহ্য বস্তুটো বহু ৰূপান্তৰৰ মাজেদিহে আহিছে। এনে ৰূপান্তৰৰ মূলতে কেৱল চিন্তাৰ বা মনৰ কেৰামতী নাই— সমাজ জীৱন তথা বস্তু জগতৰ পৰিবৰ্তনহে আছে।

আনকি উপনিষদৰ ভাবধাৰা সম্পূৰ্ণ ভাববাদী বুলি চলি অহা শক্তিশালী লোকপ্ৰবাদো প্ৰকৃত সত্যৰ বিপৰীত। তাহানিখনতে প্ৰসিদ্ধ ভাৰততত্ত্ববিদ হেৰ্মান য়াকোবি (Hermann Jacobi) যে উপনিষদৰ ঋষি উদ্দালক আৰুণিৰ "সৎ" বস্তুৰ ধাৰণাত বস্তুবাদৰ বীজ পাইছিল। তাৰ ভিত্তিতে হৱাল্টেৰ ৰুবে'নে (Walter Ruben) যাজ্ঞবল্ক্যৰ অধ্যাত্মবাদৰ বিপৰীতে উদ্দালকক বস্তুবাদৰ প্ৰবক্তা হিচাবে সুধী-সমাজত পৰিচয় কৰি দিলে। Devirasad Chattopadhyaya. What is living and what is dead in Indian Philosophy (New Delhi, 1976, pp, 488-89).

বাদৰায়ণৰ ব্ৰহ্মসূত্ৰৰ ওপৰত ভাষ্যৰে শংকৰাচাৰ্যই বেদান্ত দৰ্শনৰ ভিত্তি

স্থাপন কৰা বুলি ধৰিব পাৰি। কিন্তু শংকৰাচাৰ্যই ব্ৰহ্মসূত্ৰৰপৰা সম্পূৰ্ণ বক্ষণশীল দৰ্শন আহৰণ কৰিলে। আগতে আমি উল্লেখ কৰা দৰে সামাজিক নীতি-নিয়মৰ ক্ষেত্ৰত মনুসংহিতাৰ লগত তেওঁ সম্পূৰ্ণ একমত। মায়াবাদৰ প্ৰচাৰেৰে তেওঁ পাৰ্থিব জীৱনৰ সকলো অন্যায় বৈষম্য আৰু অমংগল টিলিকতে নোহোৱা কৰি তাক "মায়া"ত পৰিণত কৰিলে। ব্ৰহ্মৰ স্বৰূপৰ লগত মায়াৰ সম্পৰ্ক নাই। ব্ৰহ্মজ্ঞান লাভৰ পিছত জীৱই নিজৰ স্বতন্ত্ৰ অস্তিত্ব আৰু অনুভৱ নকৰে। কিন্তু জীৱ আৰু জগৎ যদি প্ৰকৃততে মায়াৰে প্ৰকাশ, তেন্তে এই কথা কেনেকৈ ন-দি ক'ব পাৰি যে ব্ৰহ্মজ্ঞান কেৱল উচ্চবৰ্ণৰ লোকৰ বাবেই সম্ভৱ? শূদ্ৰ আৰু অন্ত্যজ জীৱয়ো কিজানি ব্ৰহ্মৰ স্বৰূপ উপলব্ধি কৰিব পাৰে? এনেবোৰ সংশয় শংকৰাচাৰ্যৰ মনলৈ নাহিলেও তেওঁৰ উত্তৰসাধক সকললৈ তেওঁ সেইবোৰ এৰি থৈ গ'ল।

শংকৰাচাৰ্যৰ মতে জীৱনৰ শ্ৰেষ্ঠ সিদ্ধি হ'ল ব্ৰহ্মজ্ঞান লাভ। কিন্তু জাতিভেদ বা আন সংস্কাৰ-আচাৰক তেওঁ নেওচা দিয়া নাই। তেওঁ তাৰ ব্যৱহাৰিক প্ৰয়োজন আৰু ব্যৱহাৰিক সত্যতা স্বীকাৰ কৰি লৈছে— যদিও চূড়ান্ত বিচাৰত এই সকলো মায়া। এই ব্যৱহাৰিক জীৱনত আধ্যাত্মিক সাধনাৰ সোপান হিচাবে তেওঁ স্বীকাৰ কৰিছে ঈশ্বৰ আৰু ভক্তিক। নিৰ্গুণ ব্ৰহ্মক ব্যক্তিগত চৰিত্ৰৰ ঈশ্বৰৰ ৰূপত কল্পনা কৰাটো ভ্ৰম। তাৰ লগত ব্যক্তিগত প্ৰেম-ভক্তিৰ সম্পৰ্ক স্থাপন কৰিবলৈ যোৱাটোও ভ্ৰম। কিন্তু সাধকৰ মন ব্ৰহ্মচিন্তাৰ প্ৰতি উন্মুখ কৰাত এনে ভ্ৰমৰো প্ৰয়োজন আছে।

শংকৰাচাৰ্যৰ ব্ৰহ্মৰ ধাৰণাত কেৱল নৈয়ায়িক (logicalকঠোৰতাই নাই, এক ধৰণৰ বীৰোচিত নৈৰ্ব্যক্তিকতা আছে। ভাবালুতাৰ স্পৰ্শই তাক সেমেকা কৰা নাই। কিন্তু ব্ৰহ্মৰ উপলব্ধি বৌদ্ধিক অনুশীলনৰ ফলো নহয়। সি অন্য এক ধৰণৰ জ্ঞান। আৰু এই জ্ঞান লাভৰ বাবে "মায়াৰ সংসাৰ"ত ভক্তিৰ সাধনা সম্পূৰ্ণ স্বাভাৱিক আৰু সংগত। এনেকৈয়ে শংকৰাচাৰ্যই তেওঁৰ সাধনমাৰ্গৰ কঠোৰতা কিছু কোমল কৰি অন্তৰৰ ভাবাবেগৰ বাবে তাতো কিছু ঠাই উলিয়াইছে। সেয়ে এজন আধুনিক ভক্তই লেখিছে:

"শংকৰাচাৰ্যৰ কথা মনলৈ আহিলে আমি কিহৰ লগত সচৰাচৰ তেওঁক জড়িত কৰোঁ? ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু ভগৱদগীতা আৰু অন্যান্য কিতাপৰ ওপৰত তেওঁ ৰচনা কৰা টীকা আৰু ভাষ্যৰ লগত। বস্তু আৰু আত্মা, সৎ আৰু অসৎ, অদ্বৈত আৰু দ্বৈত ৰূপ সম্পৰ্কে অতি সূক্ষ্ম, বিমূৰ্ত্ত বিশ্লেষণ, নিৰাসক্ত আৰু শুকান চিন্তাৰ প্ৰবল ক্ষমতাৰ লগত। আকৌ একেজন লোকেই দক্ষিণমূৰ্ত্তি স্তোত্ৰ, সৌন্দৰ্যলহৰী, আনন্দ-লহৰী আৰু অন্যান্য আবেগময়, আকুতিভৰা, মৰ্মস্পৰ্শী স্তোত্ৰসমূহ ৰচনা কৰিছিল— যিবোৰ স্তোত্ৰত খ্ৰীষ্টিয়, মুছলমান সাধকসকলৰ দৰেই, নাইবা আমাৰ দেশৰ টুকাৰাম কবিৰৰ দৰেই, ব্যক্তিগত উচ্ছ্বাস আৰু ভক্তিৰে, আবেগ-স্পন্দিত ভাষাত, ভগবানক অকুণ্ঠ ভাষাত বন্দনা কৰা হৈছে।"

'Shahkaracharya in Indian Inheritance' (C.P. Ramaswami Aiyar, Bharatiya Vidya Bhavan, 1955, pp. 220-221)

ৱি ৰাঘৱনেও কৈছে যে শংকৰাচাৰ্যৰ দৰ্শনতো ভক্তিৰ স্থান আছে:

"শংকৰাচাৰ্য আৰু তেওঁৰ অনুসৰণকাৰীসকলৰ অদ্বৈত দৰ্শনতো ব্যক্তিস্বৰূপ ঈশ্বৰৰ প্ৰতি ভক্তিৰ বাবে ঠাই আছে। কাৰণ মোক্ষলাভৰ বাবে আত্মাৰ যি জাগৰণ তথা প্ৰজ্ঞা প্ৰয়োজনীয় বুলি ভবা হৈছিল, সেই জাগৰণৰ বাবে ঈশ্বৰৰ কৃপাৰ প্ৰয়োজন। শংকৰাচাৰ্য আৰু তেওঁৰ অনুগামীসকলেই কিছুমান সৰ্বাধিক মৰ্মস্পৰ্শী ভক্তিসংগীত ৰচনা কৰিছিল বুলি ভবা হয়।" "Sources of Indian Tradition p. 331"

এই শংকৰাচাৰ্যৰ বিষয়েই কেইটামান শতাব্দীৰ পিছত ভক্তিমাৰ্গৰ অন্যতম শ্ৰেষ্ঠ প্ৰবক্তা মধ্বাচাৰ্যই লেখিছিলে যে "পূৰ্বজন্মৰ কিবা পাপৰ ফলতহে" শংকৰাচাৰ্যই তেওঁৰ মায়াবাদৰ ধাৰণা প্ৰচাৰ কৰিছিল! প্ৰখ্যাত ভাৰত তত্ত্ববিদ আৰ, জি, ভাণ্ডাৰকাৰৰ মতে ভক্তি আন্দোলনৰ প্ৰধান দাৰ্শনিক লক্ষ্য আছিল মায়াবাদ খণ্ডন, অদ্বৈতৰ ধাৰণা অপসাৰণ আৰু জীৱৰ লগত ঈশ্বৰৰ ব্যক্তিগত সম্পৰ্কৰ সম্ভাৱনা প্ৰতিষ্ঠা কৰা।

"মায়াবাদে প্ৰকৃত বাস্তৱত প্ৰেম আৰু ভক্তিৰ বাবে কোনো ঠাই নাৰাখিলে, যদিও এই মাৰ্গৰ অনুগামীসকলে জীৱৰ সাধাৰণ মোহমগ্ন অৱস্থাত তাৰ অনুশীলন অনুমোদন কৰে। সেয়ে ই বৈষ্ণৱধৰ্মৰ মূলতে কুঠাৰাঘাত কৰে। সেয়ে দক্ষিণৰ বৈষ্ণৱ নেতাসকলৰ প্ৰবল হাবিয়াস আছিল যি উপনিষদ অৱলম্বন কৰি মায়াবাদ প্ৰতিষ্ঠা কৰা হৈছিল সেই উপনিষদৰ ভিত্তিতে তাক খণ্ডন কৰা। তেওঁৰ পূৰ্বগামীসকলৰ এই হাবিয়াস পূৰণ কৰিলে ৰামানুজে।"

(R.G. Bhandarkar, Vaisnavism Saivism and Minor Religious Systems. 1965 Reprint, p. 51)

শংকৰাচাৰ্যৰ কাল অষ্টম শতিকা বুলি ভবা হয়। ৰামানুজৰ জন্ম ভাণ্ডাৰকাৰৰ মতে ১০১৭ কি ১০১৬ চনত। মাজৰ এই দুটা শতাব্দীৰ ব্যৱধান তাৎপৰ্যপূৰ্ণ। শংকৰাচাৰ্যৰ প্ৰধান শত্ৰু আছিল মহাযান বৌদ্ধপন্থা আৰু সেই পন্থাৰে বিৰোধিতা কৰা বেদবাদী পূৰ্বমীমাংসাৰ প্ৰবক্তাসকল। এহাতে যাগ-যজ্ঞৰ ঐকান্তিক সাৰ্থকতা আৰু আনহাতে বৌদ্ধ নৈৰাত্ম্যবাদ— এই দুটা মত খণ্ডন কৰি উপনিষদৰ আলমত আত্মা আৰু ব্ৰহ্মৰ অদ্বৈত প্ৰতিপন্ন কৰাই আছিল তেওঁৰ প্ৰধান ব্ৰত। ভক্তিমাৰ্গৰ লগত সংঘৰ্ষ ঐতিহাসিকভাৱেই তেওঁৰ পক্ষে অভাৱনীয়। কিন্তু পূৰ্বমীমাংসাৰ বিপৰীতে হিন্দুৰ বাবে অৱশ্যমান্য বেদৰ অৰ্থ তেওঁ কৰিলে ব্ৰহ্মবিদ্যা— ব্ৰহ্মসূত্ৰৰ ভিত্তিত। "প্ৰচ্ছন্ন বৌদ্ধ"— এনে দুৰ্নাম তেওঁৰ ভাগ্যত আছিল। কাৰণ মহাযান পন্থাই আত্মাৰ অস্তিত্ব নামানিলেও বিশ্বব্ৰহ্মাণ্ডৰ চৰম সত্তা এক নিৰ্গুণ, নিৰৱয়ৱ সংজ্ঞা (Consciousness) বুলি মানিছিল। অদ্বৈত মাৰ্গৰ লগত এই মতৰ মূলগত

প্ৰভেদ কমেই।

দক্ষিণতে বৌদ্ধধৰ্মৰ ক্ষয়িষ্ণুতাৰ সুযোগ লৈ হিন্দু ধৰ্মই পুনৰ মূৰ দাঙি উঠিছিল। শংকৰাচাৰ্যৰ জীৱনকালতে এই প্ৰত্যাভিযান প্ৰবল হৈ উঠে। পৰস্পৰবিৰোধী নানা হিন্দু মত একেলগ কৰি অদ্বৈতৰ ছত্ৰছাঁয়াত সমাবেশ কৰাই বৌদ্ধধৰ্মৰ ওপৰত শেষ আঘাত হানিবলৈ তেওঁ উদ্যোগ লৈছিল। (ভক্তসকলে তেওঁৰ এই উদ্যোগক 'শংকৰ-দিগ্বিজয়' প্ৰভৃতি গ্ৰন্থত যুদ্ধযাত্ৰাৰ লগত তুলনা কৰিছিল।) তেওঁৰ এই উদ্যোগ কেৱল শাস্ত্ৰীয় বিতণ্ডাত আবদ্ধ নাছিল। তেওঁ নানা সাংগঠনিক কামো কৰিছিল— বিশেষকৈ বৌদ্ধ ধৰ্মৰ অনুকৰণত অথচ বৌদ্ধবিৰোধী মঠ আৰু সন্যাসী সংঘ প্ৰতিষ্ঠা কৰি।

শংকৰাচাৰ্যৰ আবিৰ্ভাৱ আৰু ধৰ্মপ্ৰচাৰ সেয়ে কোনো দৈবক্ৰমে হোৱা ঘটনা নাছিল। ভাৰতীয় সমাজব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ পৰ্বান্তৰৰ সি আছিল লক্ষণ— বৌদ্ধধৰ্মৰ বিলুপ্তি যাৰ অন্যতম প্ৰধান লক্ষণ। বৌদ্ধ সংঘাৰাম আৰু মঠবোৰৰ নেতৃত্বত ভাৰতত যি ধৰণৰ সামন্তবাদ স্থাপিত হৈছিল, তাৰ পতন ঘটি নতুন ধৰণৰ সমাজব্যৱস্থা গঢ় লৈ উঠিব ধৰা সময়তে শংকৰাচাৰ্যৰ আবিৰ্ভাৱ। সমাজ তথা বিশ্বৰ ঐক্য নতুনকৈ প্ৰতিষ্ঠা আৰু প্ৰমাণ কৰাটো এই নতুন সমাজব্যৱস্থা আৰু ভাবধাৰাৰ বাবে আছিল অপৰিহাৰ্য কৰ্তব্য। সেই কামটোকে কৰিছিল শংকৰাচাৰ্যই। সেয়ে বৌদ্ধ ধৰ্ম আৰু ক্ৰিয়াকাণ্ড বাদীসকলৰ বিৰোধিতা কৰিলেও ভক্তিৰ বাবে তেওঁ এচুকত অলপ ঠাই ৰাখিছিল।

দ্বন্দ্বাত্মক পৰিবৰ্তনৰ মজাই হৈছে এনে যে কেইশতিকামানৰ পিছত ভক্তিয়েই হৈ পৰিল শংকৰাচাৰ্য প্ৰবৰ্তিত মতৰ প্ৰধান বিৰোধী শক্তি। বেদান্তৰ মাজত ভক্তিৰ এই উদ্গীৰণো কোনো স্বয়ংক্ৰিয় ঘটনা নহয়— উপনিষদৰ শিক্ষাৰ স্বাভাৱিক পৰিণতিও নহয়। ৰামানুজে ভক্তিৰ আবেগ আহৰণ কৰিলে সম্পূৰ্ণ অবৈদান্তিক, অনাৰ্য উৎসৰ পৰা। আচাৰ্য ক্ষিতিমোহন সেনে লেখিছে:

দক্ষিণ ভাৰতত তামিলসকলৰ মাজত আলৱাৰ সন্তসকলৰ ভক্তিৰ এক সুদীৰ্ঘ পৰম্পৰা আছে। ... তেওঁলোকৰ শেষৰ কেইগৰাকী অষ্টম বা নৱম শতিকাৰ আছিল। এই আলৱাৰ সন্তসকলৰ অধিকাংশই আছিল নীচ জাতিৰ আৰু সম্ভৱতঃ কিছুকাল এই আন্দোলন গোড়া হিন্দুধৰ্মৰ প্ৰসাদ বঞ্চিত সমাজৰ তলখাপৰ মানুহৰ মাজতে সীমাবদ্ধ আছিল। পিছত উচ্চ জাতিৰ বৈষ্ণৱসকলেও এওঁলোকৰ ৰচনাসমূহ গ্ৰহণ কৰিবলৈ বাধ্য হয়... আৰু ৰামানুজে তেওঁলোকৰ ৰচনাসমূহক বৈষ্ণৱৰ বেদ বুলি স্বীকৃতি দিলে।" আৰ. জি. ভাণ্ডাৰকাৰেও লেখিছে:

"বৈষ্ণৱধৰ্মৰ প্ৰতি আকৃষ্ট ৰামানুজ তেওঁৰ গুৰুৰ শিক্ষাত তৃপ্ত হ'ব নোৱাৰিলে। অৱশেষত গুৰুৰ লগত তেওঁৰ বিচ্ছেদ ঘটিল। তেওঁ আলৱাৰ সকলৰ প্ৰবন্ধ অথবা ভজনবোৰ মনপুতি অধ্যয়ন কৰিলে আৰু আকণ্ঠ তাৰ ৰস পান কৰিলে।"

আলবাৰ সকলৰ এই আন্দোলন কেৱল আবেগ উচ্ছ্বাসৰ ফেনীল জোৱাঁৰ হ'ব নোৱাৰে। নিশ্চয় তাৰ মূলত গভীৰ সামাজিক কাৰণ আছিল। সমাজৰ দলিত লোকসকলৰ অন্তৰ মথি ওলোৱা এই ভাবাবেগে হিন্দুধৰ্মক এটা ধৰ্মীয় পূৰ্ণতা দান কৰিলে। বেদান্তবাদী ব্ৰাহ্মণ আচাৰ্য ৰামানুজৰ যোগেদি সি এক প্ৰধান ধাৰাত পৰিণত হ'ল। কিন্তু এই প্ৰসংগতে দুটামান কথা আমি ক'ব লাগিব। আলৱাৰ সন্তসকলৰ এই অতি গুৰুত্বপূৰ্ণ অৱদান সত্বেও ভক্তি আন্দোলনৰ প্ৰধান আঞ্চলিক শাস্ত্ৰবোৰত আমি গীতা-ভাগৱতৰ নাম বাৰে বাৰে পাওঁ, কিন্তু আলৱাৰ সকলৰ নাম নাপাওঁ, দ্বিতীয়তে, ৰামানুজেও স্পষ্ট ভাষাত লেখি থৈ গৈছে, উচ্চ বৰ্ণ তিনিটাইহে (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য) ভক্তিৰ অধিকাৰ লাভ কৰিছে। শূদ্ৰৰ বাবে আছে কেৱল "প্ৰপত্তি" — একান্তমনে, সৰ্বান্তঃকৰণে ভগবানৰ শৰণ লোৱাৰ বাহিৰে তেওঁলোকৰ বাবে আন পথ আৰু খোলা নাই। (Bhandarkar Op cit. p. 54)। অৱশ্যে "প্ৰপত্তি"ৰ পথ আন তিনি বৰ্ণৰ বাবেও খোলা। ধাৰণা হয় যে সংস্কৃত শাস্ত্ৰত প্ৰৱেশাধিকাৰ নথকা বাবেই ভক্তিৰ উচ্চতৰ সাধনাত শূদ্ৰক কিছু বঞ্চিত কৰা হ'ল। অৰ্থাৎ ভক্তি আন্দোলনৰ মাজতো বেছ গভীৰভাৱেই জাতিভেদৰ মূল ধাৰণাৰ বীজ ৰৈ গৈছে। ভিন্ন পৰিবেশত আৰু ইচ্লাম ধৰ্মৰ প্ৰত্যাহ্বানত ৰামানন্দ, কবীৰ প্ৰমুখ্যে সাধকসকলে জাতিভেদৰ প্ৰতি অধিক উদাৰ মনোভাৱ লব পাৰিছে। কিন্তু তাৰ অন্যতম ফল হৈছে ভাবপ্ৰৱণতা। স্বামী বিবেকানন্দই কৈছে যে সংসাৰত সান্ত্বনা, কৰুণা বা সহায় প্ৰাৰ্থনা কৰি আতুৰজনে যি ভক্তি দেখুৱায় তাৰ মাজত স্বাৰ্থচিন্তা আৰু দুৰ্বলতাৰ পৰশ আছে। '(The Master as I saw,' Sister Nivedita, eleventh edition, 1972). অদ্বৈতৰ মাজত কিছু নিৰ্মমতাৰ আভাস আমি পাইছোঁ। কিন্তু তাৰ উত্তৰ নিশ্চয় দুৰ্বলৰ আত্মসমৰ্পণ নহয়। ভক্তিধৰ্মৰ আত্মসমৰ্পণে সমাজব্যৱস্থা নতুনকৈ গঢ়াৰ প্ৰয়োজন দূৰ কৰিলে। ভক্তৰ চকুত সকলো সমান। কুকুৰ-চণ্ডাল-গৰ্দভৰো আত্মাৰাম। আহ্‌কাল এইখিনিতে যে কুকুৰ বা গৰ্দভ সমাজব্যৱস্থাৰ সদস্য নহয়, চণ্ডাল হয়। ভাৰতীয় চিন্তাই যদি এনেকৈ ৰবীন্দ্ৰনাথৰ ভাষাত ঐক্য আৰু সংযোগৰ সাধনা কৰিছে, তাৰ মাজত থকা নিষ্ক্ৰিয়তাই যুগ যুগ ধৰি কোটি কোটি মানুহৰ জীৱন নৰক হোৱাত প্ৰকাৰান্তৰে সহায়ো কৰিছে।

পাশ্চাত্যৰ পণ্ডিতসকলৰ বহু মন্তব্য আৰু সিদ্ধান্ত টুলুঙা হ'ব পাৰে। কিন্তু তেওঁলোকৰ মনোভাব আৰু দৃষ্টিভংগী বেলেগ বাবেই আমাৰ আত্মসমালোচনাত তেওঁলোকৰ বিশ্লেষণ ডাঙৰ সহায়। সুধী শ্ৰেষ্ঠ মনিয়াৰ উইলিয়ামছৰো অভিপ্ৰায় আছিল কৃষ্ণৰপৰা আঁতৰাই ভাৰতীয় জনতাক খ্ৰীষ্টৰ ভৰিত পেলাই দিয়া। কিন্তু তেওঁৰ বিৱৰণ আৰু বিশ্লেষণ তথ্যানুগ আৰু বস্তুনিষ্ঠ। তেওঁ যেতিয়া মন্তব্য কৰে, "Just as Budhism ultimately fell back into Brahmanism, so has every movement in the direction of equality and fraternity

ended by a return to the original condition of subjection of Brahmanical authority and obedience to the law of caste distinctions" (Hinduism, New Delhi, 1971 edition, p, 137)

(বৌদ্ধধৰ্ম যেনেকৈ শেষত পুনৰ ব্ৰাহ্মণ্যবাদলৈ অৱনত হ'ল, ঠিক তেনেকৈ সাম্য আৰু মৈত্ৰীৰ বাবে প্ৰতিটো আন্দোলনেই শেষত পুনৰ ব্ৰাহ্মণৰ প্ৰতিপত্তি আৰু জাতিভেদৰ প্ৰতি সমৰ্থনতে শেষ হ'ল।)

কিয়? কেনেকৈ? অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন। ব্ৰাহ্মণৰ চতুৰালি বুলিলে ৰহস্যৰ ওৰ নপৰে। জাতিভেদৰ যি সামাজিক ভিত্তি আৰু ভাৰতীয় মানসত তাৰ যি গভীৰ প্ৰতিক্ৰিয়া, তাৰ মাজতে ইয়াৰ চাবিকাঠি বিচাৰিব লাগিব। যাৰ ফলত বিদ্ৰোহো অৱশেষত আত্মসমৰ্পণত পৰিণত হয়। (একালৰ মাৰ্ক্সবাদী পিছত গান্ধী ভক্তিত মত্ত হোৱাৰ দৰেই!!) শংকৰাচৰ্যৰ বিৰোধীসকলে যে তেওঁৰ চিন্তাৰপৰা প্ৰকৃতপক্ষে বেছি দূৰলৈ যাব নোৱাৰিলে, তাৰ প্ৰধান কাৰণেই হ'ল জাতিভেদ। অথচ আজিলৈকে জাতিভেদৰ বিৰুদ্ধে প্ৰধান বিদ্ৰোহ ভক্তি আন্দোলনৰ মাজতেই হৈছে। কথাষাৰ আমাৰ শেষ প্ৰবন্ধত বিস্তাৰিতভাৱে আলচ কৰা হ'ব।

# [৫]

## (ক)

সম্প্রতি আকৌ শুনা গৈছে যে পচিমীয়া সামাজিক নীতি-নিয়ম আৰু ৰাজনৈতিক অনুষ্ঠান-প্ৰতিষ্ঠান আমাৰ দেশৰ বাবে সম্পূৰ্ণ অনুপযোগী। সেয়ে গান্ধীজী আৰু ৰবীন্দ্ৰনাথে হেনো আমাৰ ঐতিহ্যৰ পৰা এনে কেতবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান বাছি লৈ পুনৰুজ্জীৱিত কৰিলে, যিবোৰ আমাৰ দেশৰ জনগণৰ বাবে উপযোগী আৰু কল্যাণকৰ।

এই কথাও দোহাৰি থকা হয় যে পচিমীয়া সংসদী গণতন্ত্ৰত জনগণৰ প্ৰকৃত স্বায়ত্ত শাসন সম্ভৱ নহয়। বৰং জনগণৰ নামত এচাম মানুহে দেশ শাসন কৰে— তেওঁলোক প্ৰতিষ্ঠিত শক্তিশালী মহলৰ লগত জড়িত। তেওঁলোকে যি যি নীতি অনুসৰণ কৰে তাত জনসাধাৰণৰ মতামত সমুলি প্ৰতিফলিত নহয়। সেয়ে যদিও সংসদী গণতন্ত্ৰক "জনগণৰ চৰকাৰ" বুলি ভবা হয়, আচলতে সি জনগণক ছলনা কৰা চৰকাৰহে। এনে শাসনতন্ত্ৰত এমুঠি লোকৰ ন্যস্ত স্বাৰ্থৰ চকিদাৰ হিচাপেই চৰকাৰে কাম কৰে।

বৰ্ত্তমানৰ সাৰ্বজনীন ভোটাধিকাৰ আৰু সংসদী গণতন্ত্ৰই যে এনে ৰূপ লৈছে, আমি সকলোৱে হাড়ে-হাড়ে অনুভৱ কৰিছোঁ। কিন্তু এই সমালোচনা সমাজবাদী মহলতো সুলভ। কাৰ্ল মাৰ্ক্সে বুৰ্জোৱা গণতন্ত্ৰই তাৰ পৰিণত পৰ্য্যায় পাব ধৰা সময়তে এই সন্দেহ প্ৰকাশ কৰি গৈছিল। লেনিন এই বিষয়ত আৰু কঠোৰ। সংসদী গণতন্ত্ৰক তেওঁ যে "গাহৰিৰ গঁড়াল" বুলি কৈছিল, আমাৰ অতিবামপন্থী সকলে দেৱালত সঘনে মৰা পোষ্টাৰৰ পৰা কথাটো সকলোৱে জনা হৈছে। তেওঁ আৰু কেতবোৰ চোকা-চোকা কথা কৈছিল— যেনে সংসদ হ'ল "কথাৰ মহলা মৰা কাৰখানা" বুৰ্জোৱা চৰকাৰ হ'ল বুৰ্জোৱাৰ সমূহীয়া স্বাৰ্থ ৰক্ষা কৰা এখন কমিটি ইত্যাদি ইত্যাদি। সম্প্ৰতি ৰুছিয়াত যি শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হৈছে তাত খাটি খোৱা মানুহৰ স্বাৰ্থ কিমানদূৰ প্ৰতিষ্ঠিত হৈছে, খাটাংকৈ কোৱা টান। বুৰ্জোৱা গণতন্ত্ৰৰ প্ৰবঞ্চনা তাত দূৰ হৈছে, কিন্তু বস্তুনিষ্ঠ পৰ্যবেক্ষকে স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে শ্ৰমিক জনগণৰ লগত শ্ৰমিক ৰাষ্ট্ৰৰ ব্যৱধান ৰুছিয়াতো সুস্পষ্ট। অৱশ্যে লেনিনে সমাজবাদৰ অগ্ৰগতি যে এনে এটা পৰ্যায়তে আবদ্ধ হৈ থাকিব, তেনে কথা ভবা নাছিল। তেওঁৰ State and Revolution (ৰাষ্ট্ৰ আৰু বিপ্লৱ) গ্ৰন্থত ৰাষ্ট্ৰ যাতে শ্ৰমিক জনসাধাৰণৰ শাসনৰ বাহিৰলৈ গুচি নাযায়, তাৰ বাবে যথেষ্ট উদ্বেগ আৰু গভীৰ অভিনিবেশ পৰিস্ফুট হৈছে। লেনিনৰ সেই উদ্বেগ যে ৰুছিয়াৰ বৰ্ত্তমান শাসকমহল আৰু নেতৃবৃন্দই অনুভৱ নকৰে,

সি সকলো চিন্তাশীল আৰু নিষ্ঠাবান সমাজবাদীৰ বাবে দুর্ভাবনাৰ কাৰণ।

সি যি নহওক, গান্ধীজীয়ে পচিমীয়া (বুর্জোৱা) গণতন্ত্ৰৰ বিৰুদ্ধে কৰা এই সমালোচনা সেয়ে সংগত আৰু যুক্তিপূর্ণ। কিন্তু তেওঁ তাৰ বিনিময়ত যি "গ্রামস্বৰাজ" বা "পঞ্চায়তী ৰাজ" প্রতিষ্ঠা কৰিবলৈ বিচাৰিলে, সি কিমানদূৰ বাস্তৱবাদী বা কার্যকৰ, সেই বিষয়ে আমাৰ সন্দেহ আছে। এই ক্ষেত্রত মার্ক্সে উল্লেখ কৰা কল্পলোকী সমাজবাদী (Utopian Socialists) সকলৰ লগত গান্ধীজীৰ মিল আছে। তেওঁলোকেও পুঁজিবাদী অর্থনীতি আৰু সমাজৰ হৃদয়হীনতা, অর্থ-কেন্দ্রিকতা, উচ্ছৃঙ্খল ব্যক্তিবাদ তন্নতন্নকৈ উদঙাই দিছিল, কিন্তু তাৰ বিকল্পস্বৰূপে অতীতৰ কোনো সমাজব্যৱস্থাৰহে পুনৰুজ্জীৱন বিচাৰিছিল। সমাজৰ পৰিবর্তনৰ বস্তুনিষ্ঠ অধ্যয়ন নথকা বাবেই আলাসতে এনে মনোগতবাদী আঁচনি বাস্তৱ সমাজত প্রয়োগ কৰা সম্ভৱ বুলি ভাবিব পাৰিছিল। কিন্তু সমাজৰ বাস্তৱ পৰিবর্তন সমূহে এনে ধৰণৰ কল্পলোকী আঁচনি সম্পূর্ণ অকামিলা বুলি প্রমাণ কৰিলে।

গান্ধীজীৰ (আৰু পৰোক্ষভাবে ৰবীন্দ্রনাথৰ) ভক্তবৃন্দই এটা প্রশ্ন সদায় বাগী দি এৰাই যায়। যদিহে গান্ধীজীৰ নেতৃত্বত, গান্ধীজীৰ নীতি মতে, সংগ্রাম কৰিয়েই ভাৰতৰ জনসাধাৰণে স্বাধীনতা পালে, তেনেহলে স্বাধীন ভাৰতৰ অর্থনীতি আৰু সমাজ কিয় গান্ধীজীৰ আদর্শ অনুযায়ী পুনর্নির্মিত নহ'ল? বিশ্বাসঘাতকতা? গান্ধীজীৰ প্রধান প্রধান ভক্ত আৰু শিষ্যসকলেই (নেহৰু, পেটেলকে ধৰি) বিশ্বাসঘাতকতা কৰিলে, তেন্তে সেই বিশ্বাসটোৰ আচল মূল্য কিমান?

১৯৪০ চনৰ ২৩ মার্চত হৰিজন কাকতত গান্ধীজীয়ে লেখিছিল:

"…. Here is no swaraj for the masses except through khadi and village-handicraft, for there is no non-violent disobedience without a continuous constructive effort"

[খাদী আৰু গ্রামীণ হস্তশিল্প অবিহনে জনগণৰ স্বৰাজ নহয়, কাৰণ এক বিৰামহীন গঠনমূলক প্রচেষ্টা অবিহনে অহিংস প্রতিৰোধ আৰু প্রতিবাদ সম্ভৱ নহয়।]

গ্রাম্যস্বৰাজৰ দুটা দিশ। এটা হ'ল স্বচ্ছল জীৱিকা উপার্জন; আৰু দৈনন্দিন প্রয়োজন পূৰণৰ বাবে কৃষি আৰু কুটিৰ শিল্প, আৰু সমূহীয়া জীৱনৰ শৃংখলা আৰু কল্যাণৰ বাবে গ্রামভিত্তিক স্বায়ত্তশাসন। কিন্তু দুয়োটা ক্ষেত্রতে স্বাধীন ভাৰতৰ প্রকৃত বিকাশ বেলেগ ধৰণৰ হ'ল। আজি বৃহৎ, যন্ত্রচালিত শিল্প আৰু বিজ্ঞান-ভিত্তিক কৃষিয়েই ভাৰতৰ কৃষি আৰু শিল্পত নেতৃত্ব দিছে। আনহাতে গাৱেঁ-ভূঞে নামমাত্র স্বায়ত্ত শাসন প্রবর্ত্তিত হ'লেও দেশৰ শাসনতন্ত্ৰৰ সবাতোকৈ উপাদান হৈছে কেন্দ্রীয় মন্ত্রীসভা আৰু

আমোলাতন্ত্র— গাৱেঁ-ভূঞে পতা পঞ্চায়তবোৰো ৰাষজৰী ইহঁতৰ হাতত।

এনে পৰিবৰ্তনৰ কাৰণ কি? কাৰণ আন একো নহয়, ভাৰতীয় জাতীয় কংগ্ৰেছে জ্ঞাতসাৰে বা অজ্ঞাতসাৰে এই ধৰণৰ বিকাশৰে ভিত্তি ৰচনা কৰিছিল। কাৰণ ভাৰতীয় জাতীয় কংগ্ৰেছে শ্ৰমজীৱী জনসাধাৰণৰ শক্তি, উদ্যম, সামৰ্থ্য আৰু মৰ্যাদাৰ বিশেষ উন্নতি নঘটাই তেওঁলোকক কেৱল সাধাৰণ কৰ্মী বা সেৱকৰ স্তৰতে ৰাখিলে। ভাৰতৰ জাতীয় কংগ্ৰেছৰ সুদীৰ্ঘ ইতিহাসত জনসাধাৰণৰ স্তৰৰ পৰা সম্পূৰ্ণ ওপৰৰ স্তৰৰ নেতৃত্বলৈ যোৱা মানুহ এজনো নোলাল। বৰং এচাম মধ্যবিত্ত নেতাই শেষ পৰ্যন্ত শক্তি আৰু সন্মান সঞ্চয় কৰি স্বাধীন দেশৰ ৰাষ্ট্ৰৰো নেতৃত্বত অধিষ্ঠিত হ'ল।

ইয়াৰ প্ৰক্ৰিয়া কংগ্ৰেছ আন্দোলনৰ মাজতে বিকশিত হৈছিল। যদিহে সত্যাগ্ৰহৰ ওলোটা পিঠি গ্ৰামস্বৰাজ, গান্ধীজীয়ে গাৱেঁ গাৱেঁ তেনে ধৰণৰ সংগঠন অন্ততঃ কংগ্ৰেছৰ মাজতে গঢ়ি তুলিব লাগিছিল। কিন্তু কংগ্ৰেছৰ সংগঠন আছিল বুৰ্জোৱা সংসদী গণতন্ত্ৰৰ আৰ্হিৰ দ্বাৰা অনুপ্ৰাণিত। গান্ধীজীয়ে ১৯৩৭ চনৰ ২৯ নবেম্বৰৰ দিনা হৰিজনত লেখিলে:

"I have always conceived the Congress to be the greatest school of political education for the whole nation."

[মই সদায় কংগ্ৰেছক সমগ্ৰ জাতিৰ বাবে ৰাজনৈতিক শিক্ষাৰ শ্ৰেষ্ঠ বিদ্যালয় বুলি ভাবি আহিছোঁ।]

১৯৩৮ চনৰ ৩ ছেপ্তেম্বৰত তেওঁ উল্লেখ কৰিলে:

"... in 1920 the Congress definitely became a democratic, duly elected body having a large number of Voters on its rolls...."

[১৯২০ চনত কংগ্ৰেছ এক গণতান্ত্ৰিক, নিয়মিতভাবে নিৰ্বাচিত সংগঠন হৈ পৰিল, যি সংগঠনৰ বহুসংখ্যক সদস্যৰ সকলোৱে এই নিৰ্বাচনত অংশ গ্ৰহণ কৰিছিল।]

একেবাৰে ওপৰৰ মহলাত গণতন্ত্ৰৰ কিছু সংকোচনো ঘটিছিল। কংগ্ৰেছৰ নিৰ্বাচিত সভাপতিয়েই কাৰ্যবাহী সমিতি (Congress Working Committee) মনোনীত কৰিছিল। (সেই ভয়তে নিৰ্বাচিত হোৱাৰ পিছতো সুভাষ বসুক সভাপতিৰ পদৰ পৰা অপসাৰণ কৰা হৈছিল।)

অৰ্থাৎ জাতীয় কংগ্ৰেছৰ সংগঠনৰ মাজত বুৰ্জোৱা গণতন্ত্ৰৰ সীমাবদ্ধতা পৰিলক্ষিত হৈছিল। আৰু তাৰ মাজেৰে এক বিশেষ চিন্তাধাৰাৰ মানুহৰে প্ৰতিপত্তি বহুদশক ধৰি প্ৰতিষ্ঠিত হৈছিল। এই চিন্তাধাৰাৰ ৰক্ষণশীল নেতাসকল আছিল সমাজবাদী, সাম্যবাদী আৰু সুভাষ বসুৰ অনুগামী সকলৰ বিৰোধী। এওঁলোক গান্ধীবাদৰ সমৰ্থক আৰু "দক্ষিণপন্থী" ৰাজনীতিৰ প্ৰবক্তা আছিল।

অৰ্থাৎ ভাৰতত বুৰ্জোৱা গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পূৰ্বেই কংগ্ৰেছৰ মাজত তাৰ ভিত্তিয়ে গঢ় লৈ উঠিছিল।

অৰ্থাৎ গান্ধীজীৰ গ্ৰামস্বৰাজৰ আদৰ্শ তেওঁৰ জীৱনকালতে তেওঁৰ অনুগামী সকলৰ সংগঠনে পৰোক্ষভাবে নস্যাৎ কৰিছিল। সেয়ে তেওঁৰ গ্ৰামস্বৰাজৰ ধাৰণাক কল্পলোকী নুবুলি উপায় কি? অৱশ্যে এনে কেন্দ্ৰভূত শৃংখলা অবিহনে কেন্দ্ৰীভূত ব্ৰিটিছ সাম্ৰাজ্যবাদী চৰকাৰৰ লগত সংগ্ৰাম চলোৱাও সম্ভৱ নাছিল। কিন্তু সেই কথাই পুনৰ প্ৰমাণ কৰে যে সন্মুখত থকা কঠোৰ বাস্তৱক অতিক্ৰম কৰিবলৈ হলে সেই বাস্তৱৰ লগত তাৰ অন্তৰ্নিহিত ধাৰা মতে যুদ্ধ দিব লাগিব। তাৰ উৰ্দ্ধত কোনো কল্পলোক ৰচনা কৰিলে নহব। গান্ধীজীৰ জীৱন কালত শিল্পত দেশীয় পুঁজিৰ প্ৰভাৱ প্ৰতিপত্তি বাঢ়ি আহিছিল। গাৱঁৰ জমিদাৰ সকলৰ লগত পুঁজিপতি মহলৰ ৰাজনৈতিক বুজাবুজি হৈছিল। সেই ৰূঢ় বাস্তৱ আওকাণ কৰি হৃদয় পৰিবৰ্ত্তনৰ ৰামধুন গাই জনগণক তেওঁ গ্ৰাম স্বৰাজৰ কল্পনাৰে আচ্ছন্ন কৰিছিল।

অৱশ্যে কল্পলোকী সমাজবাদী সকলৰ চিন্তা সম্পূৰ্ণ আমাৰ নহয়। বুৰ্জোৱা গণতন্ত্ৰৰ অসাৰতা আৰু সেই গণতন্ত্ৰত জনগণৰ সহায়হীনতা এই ধাৰাই আমাৰ চকুত প্ৰতিভাত কৰে। আৰু তাৰ বিকল্প প্ৰতিষ্ঠাৰ কথা ভাবিবলৈ আমাক উদ্‌গনি দিয়ে। কিন্তু সেই বিকল্প তেওঁলোকে ভবা ধৰণৰ হব নোৱাৰে। ধৰ্মীয় নীতিৰ বিকল্প ৰাজনৈতিক নীতিহীনতা (cynicism) নহয়। কিন্তু ৰাজনীতি সমাজৰ প্ৰকৃত বিকাশৰ ওপৰত নিৰ্ভৰশীল হব লাগিব।

(খ)

বহুতে কয় যে ব্যক্তিৰ বাস্তৱতাই গান্ধীজী আৰু ৰবীন্দ্ৰনাথৰ মানৱতাৰ সাৰমৰ্ম। ৰুছিয়াৰ পৰা উভতি আহি ৰবীন্দ্ৰনাথেও ৰুছিয়াৰ সমাজবাদৰ ভূয়সী প্ৰশংসা কৰি উঠা এটা কথাত স্পষ্ট সংশয় প্ৰকাশ কৰিছিল— সেইটো আছিল সমষ্টিৰ মাজত ব্যক্তিসত্তাৰ বিলুপ্তি।

গান্ধীজীৰ চিন্তাতো ব্যক্তিসত্তাৰ গুৰুত্ব আছিল। সমষ্টিৰ সমূহীয়া সিদ্ধান্ত বা উদ্যমত যাতে ব্যক্তিগত সিদ্ধান্ত বা উদ্যম বিলুপ্ত হৈ নাযায়, তেওঁ তাৰ বাবে বিশেষ উদ্বেগ প্ৰকাশ কৰিছিল। কংগ্ৰেছৰ মাজত এই বৈশিষ্ট্য নথকা বুলি তেওঁ ব্যথিত হৈছিল:

"Congressmen in general certainly do not know the kind of independence they want... They have left further thinking to the Working Committee— a most undemocratic way. In true democracy every man and woman is taught to

think for himself or herself". (Harijan, 14/7/46)

[সাধাৰণ কংগ্ৰেছীয়ে নাজানে কি ধৰণৰ স্বাধীনতা তেওঁলোকে বিচাৰিছে। ... তেওঁলোকে অত্যন্ত অগণতান্ত্ৰিক ধৰণে কংগ্ৰেছৰ কাৰ্যবাহী কমিটিৰ ওপৰত তাতকৈ অধিক চিন্তাৰ দায়িত্ব এৰি দিছে। প্ৰকৃত গণতন্ত্ৰত প্ৰতিজন পুৰুষ বা নাৰীয়ে স্বাধীনভাবে চিন্তা কৰিবলৈ শিক্ষা পায়।]

১৯৪৬ চনতে গান্ধীজীৰ তিনি দশকৰ নেতৃত্বৰ পিছতো এনে লক্ষণ কিয় প্ৰকট হ'ল, সেই আহ্বকলীয়া প্ৰশ্নটো আমি আপাততঃ একাষৰীয়াকৈ থৈছো। নিঃসন্দেহে আমি আগতে উল্লেখ কৰা কংগ্ৰেছৰ বুৰ্জোৱা গণতান্ত্ৰিক সংগঠনৰ লগত তাৰ সম্পৰ্ক আছে। কিন্তু তাতকৈ গুৰুতৰ প্ৰশ্ন হ'ল ব্যক্তি আৰু ব্যক্তিত্বৰ এই ধাৰণাটো সামাজিক পটভূমিৰ পৰা বিচ্ছিন্ন কৰি বিচাৰ কৰিব পৰা যায় নে নাযায়।

সাম্প্ৰতিক অগ্ৰণী ৰাজনৈতিক সংগঠন বা অনুষ্ঠানৰ সকলো সদস্যই সেই সংগঠন বা অনুষ্ঠানৰ যিকোনো সিদ্ধান্ত গ্ৰহণ আৰু ৰূপায়ণৰ ক্ষেত্ৰত সক্ৰিয় অংশ (participation) লব পাৰে নে নাই, সেই কথাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই অংশগ্ৰহণ এনে ধৰণৰ হ'ব নালাগিব যে ব্যক্তিয়ে যান্ত্ৰিকভাবে আৰু ব্যক্তিগত স্বতঃস্ফূৰ্ত প্ৰেৰণা অবিহনে আনৰ কথাত হুৰিভৰ দিব। সমূহীয়া সিদ্ধান্তত একমত হলেও সেই সমৰ্থন তেওঁৰ নিজস্ব বিবেক-বিবেচনাৰ পৰিণাম হ'ব লাগিব। এই দৃষ্টিকোণৰ পৰা গান্ধীজীৰ কল্পিত সমাজত বৃহৎ পুঁজিৰ দ্বাৰা কবলিত যন্ত্ৰবৎ সমাজৰ বিৰাট, বিকট নামহীনতাৰ (anonymity) বিৰুদ্ধে প্ৰতিকাৰ আছে। W.H. Audenৰ The Unknown Citizen নামৰ কবিতাত ৰাজহুৱা মাপকাঠিৰে কোনো ৰাষ্ট্ৰৰ নাগৰিকৰ কল্যাণ আৰু স্বাধীনতাৰ সকলো দিশ জুখিমাখি শেষত ৰাজহুৱা পৰিদৰ্শক বা সমীক্ষক দুটা আহ্বকলীয়া প্ৰশ্নৰ সন্মুখীণ হৈছে:

Was he happy?

Was he free?

আৰু দুইটা প্ৰশ্নকে অপ্ৰাসংগিক বুলি উৰাই দিয়া হৈছে। আচলতে আধুনিক দানবীয় ৰাষ্ট্ৰৰ বিৰাট নামহীন সংগঠনত ব্যক্তি সম্পূৰ্ণ নিশ্চিহ্নপ্ৰায়। গান্ধীজীয়ে এনে এখন "সুখী সমাজ" বিচৰা নাছিল। কিন্তু ব্যক্তিসত্তাৰ স্বতন্ত্ৰ অস্তিত্ব বাস্তৱ সত্য কৰি ৰাখিবলৈ তেওঁ ক্ষুদ্ৰ আৰু স্বনিৰ্ভৰ সমাজ বিচাৰিছিল। কাৰণ তেওঁৰ মতে তেনে এখন সমাজতহে ব্যক্তি সংগঠন নামৰ যন্ত্ৰৰ ক্ষুদ্ৰ অংশ (cog) নহৈ এক প্ৰকৃত আৰু সজীৱ শক্তি হৈ বাচি থাকিব পাৰে।

কিন্তু ব্যক্তিগত সত্তা আৰু তাৰ স্বাধীনতা সম্পৰ্কে এই ধাৰণাটো ইতিহাসৰ উৰ্দ্ধৰ কোনো চিৰন্তন সত্য নহয়। আদিম মানব সমাজত তাৰ

অস্তিত্ব নাছিল। জনজাতীয় সমাজত সকলোৱে অংশগ্ৰহণ (participation) এটা দৈনন্দিন ঘটনা— কিন্তু তাত ব্যক্তিগত বিবেকৰ বিকাশ সম্ভৱ নহয়। "যদি তোৰ ডাক শুনে কেউ না আসে, তবে একলা চলো ৰে"— ৰবীন্দ্ৰনাথৰ এই গীতটি গান্ধীজীৰ অতি প্ৰিয় আছিল। তাত নিহিত অদমনীয় ব্যক্তিগত বিবেকৰ ধাৰণাটো জনজাতীয় সমাজত পুষ্ট হ'ব নোৱাৰে। আনহাতে বিবেকৰ ধাৰণাটোৰ গুৰুত্ব অসীম কৰিলে তাৰ অনিবাৰ্য ফল হ'ব নৈৰাজ্য আৰু বিশৃংখলা। ব্যক্তিগত বিবেকৰ এই সীমাবদ্ধতাও উদাৰনৈতিক ৰাজনীতিৰ এটা স্থায়ী সমস্যা।

সমাজত ব্যক্তিগত সম্পত্তিৰ উদ্ভৱৰ লগত ব্যক্তিগত বিচাৰ-বিবেচনা আৰু বিবেকৰ বিকাশ জড়িত। ব্যক্তিগত সম্পত্তিৰ বিকাশৰ লগত সমাজত বৈষম্য, অৰ্থনৈতিক তাৰতম্য, প্ৰতিযোগিতা, বঞ্চনা প্ৰভৃতি বৈশিষ্ট্যও সম্পৰ্কিত। অৱশ্যে প্ৰথম অৱস্থাত ব্যক্তিগত সম্পত্তিয়ে সৌভাগ্যবান ব্যক্তিৰ মনত দমনমূলক মনোভাৱ আৰু অহমিকাৰে জন্ম দিয় সম্ভৱ— সামন্ততন্ত্ৰত যিটো লক্ষণ অতিশয় প্ৰকট! কিন্তু বাণিজ্য আৰু বিনিময় (exchange) ব্যাপক আৰু সুদূৰপ্ৰসাৰী হৈ পৰিলে ব্যক্তিগত স্বাধীনতাৰ ভিত্তিত প্ৰশস্ত হয়। বিশেষকৈ অৰ্থৰ (money) বহুল ব্যৱহাৰে ব্যক্তিক সমাজৰ অন্য ব্যক্তিৰ ওপৰত প্ৰত্যক্ষভাবে আৰু নিবিড়ভাবে নিৰ্ভৰশীল হৈ থকাৰ পৰা সকাহ দিয়ে। (জনজাতীয় আৰু আদিম সামন্ত সমাজত, প্ৰতি ব্যক্তি, সমাজৰ অন্যান্য ব্যক্তিৰ ওপৰত বহু বিষয়ত প্ৰত্যক্ষভাবে নিৰ্ভৰশীল হৈ থাকে।) এই ধাৰাৰ শীৰ্ষবিন্দুত ব্যক্তিগত পুঁজিয়ে উৎপাদন আৰু বিতৰণৰ সকলো দিশত প্ৰাধান্য বিস্তাৰ কৰিবলৈ ধৰে। সেই মুহূৰ্ত্তত সামন্তযুগীয় হেজাৰটা বিধি-নিষেধ আৰু গোষ্ঠীগত স্বাধীনতা আৰু ব্যক্তিগত অধিকাৰৰ পতাকা উত্তোলিত হয়। ব্যক্তিগত বিবেকৰ অধিকাৰ হ'ল মূলতঃ আদিম পুঁজিবাদৰ তথা উদীয়মান বুৰ্জোৱা শ্ৰেণীৰ দাবী।

ইউৰোপত ব্যক্তিগত বিবেকৰ পতাকা প্ৰথমে উত্তোলিত হয় ধৰ্মৰ ক্ষেত্ৰত— ধৰ্মসংস্কাৰ (Reformation)ৰ যুগত। মাৰ্টিন লুথাৰ ইয়াৰ প্ৰথম প্ৰবক্তা। লুথাৰেই প্ৰথমে ধৰ্মমণ্ডলী বা সংঘৰ (Church) প্ৰাধান্যৰ পৰা ব্যক্তিগত বিবেকক শৃংখলমুক্ত কৰিলে। কেথলিক মাৰ্গমতে ব্যক্তি সংঘৰ (Church) অনুশাসন তথা নিৰ্দেশ মতে চলিলে পৰিত্ৰাণৰ (salvation) উপযুক্ত হৈ উঠে। লুথাৰৰ মতে ব্যক্তিৰ পৰিত্ৰাণ ব্যক্তিৰ সম্পূৰ্ণ নিজস্ব কাৰবাৰ। এই বিবেকক কোনো বাহিৰা শক্তি বা অনুষ্ঠানে জোৰ-জবৰদস্তি কৰা অনুচিত, কাৰণ মানুহৰ বিবেকেই মানুহৰ আত্মাৰ প্ৰকাশ। লুথাৰে ব্যক্তিগত বিবেকৰ সপক্ষে ওকালতি কৰা সময়তে ইউৰোপৰ বিভিন্ন অঞ্চলত ব্যক্তিগত পুঁজি শক্তিশালী হৈ উঠিছিল।

[Preserved Smith, *Age of the Reformation.* Ernst

Troeltsch, *Social Teachings of the Christian Churches* প্ৰভৃতি]

পৰৱৰ্তী যুগসমূহত এই ধৰ্মীয় ব্যক্তি স্বাধীনতা ৰাজনীতিৰ ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হয়। ইংলেণ্ডত ক্ৰমৱে'লৰ শাসনকালত ধৰ্মৰ ক্ষেত্ৰত বিবেকৰ স্বাধীনতা (liberty of Conscience) স্বীকৃত হয়। সামন্তযুগীয় চিন্তাত ৰাষ্ট্ৰ আৰু সংঘৰ মাজত পাৰ্থক্য নাছিল, সেয়ে বিবেকৰ স্বাধীনতাই যেতিয়া সংঘৰ শক্তি হ্ৰাস কৰিলে, তেতিয়া ৰাষ্ট্ৰৰ শক্তিৰ ওপৰতো আঘাত পৰিল। প্ৰাকৃতিক বা স্বাভাৱিক অধিকাৰৰ (natural rights) ধাৰণাটো দাৰ্শনিক গ্ৰচিয়াছ আৰু জনলোকৰ ৰচনাত সূত্ৰায়িত হ'ল। তাৰ ভিত্তিতে প্ৰতি জন ব্যক্তিৰে মৌলিক অধিকাৰ কেতবোৰ ঘোষিত তথা স্বীকৃত হ'ল। আধুনিক বুৰ্জোৱা গণতন্ত্ৰৰ অন্যতম স্তম্ভ হ'ল ব্যক্তিৰ এই মৌলিক অধিকাৰৰ ধাৰণা। এই অধিকাৰবৰ্গৰ ভিতৰত চিন্তাৰ আৰু মতপ্ৰকাশৰ স্বাধীনতা গুৰুত্বপূৰ্ণ। তাৰ লগত বিবেকৰ স্বাধীনতাৰ সাদৃশ্য সুস্পষ্ট। এই ধাৰণাৰ লগত ব্যক্তিগত সম্পত্তিৰ (Property) সম্পৰ্ক এনে নিকপকপীয়া যে C.B. Macpherson এ তেওঁৰ প্ৰভাৱশালী গ্ৰন্থ Possessive Individualism ত ব্যক্তিগত সম্পত্তিৰ স্বত্বক মতপ্ৰকাশৰ স্বাধীনতাৰ দৰেই বুৰ্জোৱা গণতন্ত্ৰৰ লাইখুটা বুলি ধৰিছে।

কিন্তু পুঁজিবাদৰ বিকাশে ব্যক্তিগত সম্পত্তি, ব্যক্তিগত মতামত আৰু ব্যক্তিগত ভোটাধিকাৰৰ নিৰাপত্তা তথা ভৰসা সুনিশ্চিত কৰিলেও পুঁজিৰ একচেটিয়া পৰ্যায়ত ঘটনাই বেলেগ ৰূপ লয়। বৃহৎ পুঁজিয়ে তেতিয়া ক্ষুদ্ৰ পুঁজিৰ বিকাশত বাধাৰ সৃষ্টি কৰে, প্ৰতিযোগিতা সীমিত কৰে। একচেটিয়া মুনাফাৰ আকাংক্ষাই ৰাজনীতিৰ ক্ষেত্ৰতো বাধা-নিষেধৰ দেৱাল গঢ়ি তোলে। একচেটিয়া পুঁজিৰ প্ৰভাৱাধীন দানবীয় ৰাষ্ট্ৰই নাগৰিকৰ ব্যক্তিগত অধিকাৰ বহুপৰিমাণে খৰ্ব কৰে। শ্ৰমিক শ্ৰেণী সংগঠিত হৈ একচেটিয়া পুঁজিৰ বিৰুদ্ধে প্ৰবল সংগ্ৰাম আৰম্ভ কৰিলে একচেটিয়া পুঁজিয়ে উৎকট স্বৈৰতন্ত্ৰৰ ৰূপ লৈ বুৰ্জোৱা গণতন্ত্ৰৰ যৎসামান্য অৱশেষকো গচকি গুড়ি কৰিব খোজে। ব্যক্তিৰ মূল্য আৰু বুৰ্জোৱা গণতন্ত্ৰৰ দৰে এক প্ৰাথমিক, সংশয়াতীত ধাৰণা হৈ নাথাকে। আনহাতে একচেটিয়া পুঁজিক ৰাষ্ট্ৰৰ পৰাস্ত কৰি শ্ৰমিকশ্ৰেণীয়ে সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিলে ব্যক্তি সম্পৰ্কে বুৰ্জোৱা ধ্যান-ধাৰণাৰ পৰিৱৰ্তন ঘটিবলৈ বাধ্য।

প্ৰতিযোগিতামূলক আৰু শোষণধৰ্মী সমাজত ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ হয় শোষণ আৰু বঞ্চনাৰ মাজেৰে। শোষিত আৰু বঞ্চিত জনসাধাৰণে ব্যক্তিত্ব বিকাশৰ সুযোগ নাপায়। কাগজত তেওঁলোকৰ অধিকাৰ যিয়েই নাথাকক, কাৰ্যক্ষেত্ৰত সেই অধিকাৰ নাই বুলিলেও হয়। উদাহৰণ স্বৰূপে শিক্ষাৰ অভাৱত তেওঁলোকৰ চিন্তাৰ স্বাধীনতা নাইবা মত প্ৰকাশত স্বাধীনতা অৰ্থহীন হৈ থাকে। ৰুচি আৰু কৃষ্টিৰ সৃষ্টিশীল বিকাশৰ বাবেও তেওঁলোকৰ অৱসৰ নাথাকে। আনহাতে উচ্চবিত্ত মহলৰ শিক্ষা আৰু মানসিক বিকাশৰ সুযোগ

তথা অৱকাশ যথেষ্ট হলেও তেওঁলোকৰ ব্যক্তিত্বত সামাজিক পৰিবেশে কেতবোৰ বিকাৰ সৃষ্টি কৰে। তেওঁলোক অনিবাৰ্যভাবে আক্ৰোহী (acquisitive), আত্মকেন্দ্ৰিক আৰু পৰশ্ৰীকাতৰ হয়। যেহেতু পৰিণত বুৰ্জোৱা সমাজত সামাজিক বন্ধনবোৰ নৈবক্তিক আৰু আনুষ্ঠানিক হৈ পৰে, সেয়ে সমাজত মানুহৰ পাৰস্পৰ নিৰ্ভৰশীলতা উপলব্ধি কৰা টান হয়। সকলো যেন কেৱল আইন-কানুন আৰু টকাৰ বান্ধোন। সেয়ে বুৰ্জোৱা সমাজৰ উচ্চবিত্ত মানুহচামো মানুহৰ স্বাভাৱিক সামাজিকতাৰ তথা সহৃদয়তাৰ প্ৰকাশৰ পৰা বঞ্চিত। এনে পৰিবেশত স্বাভাৱিক সামাজিক লেন-দেন কেৱল পণ্যৰ (commodity) লেন-দেনলৈ অধঃপতিত হয়। দয়া-মৰমৰ স্থান কেৱল সাহিত্যতহে থাকোগৈ। স্বাভাৱিক মানবীয় সম্পৰ্কৰ বাবে বুৰ্জোৱা সাহিত্য এক সুদীৰ্ঘ, হুমুনিয়াহ।

বহু মনীষীৰ মতে এইটোৱেই সভ্যতাৰ চূড়ান্ত পৰ্যায়। উদাহৰণ স্বৰূপে ছাৰ আইছয়া বেৰ্লিনৰ (Sir Isaiah Berlin) ধাৰণাত এনে ধৰণৰ স্বাধীন ব্যক্তিত্বই সভ্যতাৰ শ্ৰেষ্ঠ অৱদান। তাৰ বাবে প্ৰয়োজনীয় অৰ্থ (money) আৰু আইন (law)ৰ শাসন মানি লোৱাৰ বাহিৰে গত্যন্তৰ নাই। তাকে নকৰি বিভিন্ন ব্যক্তিৰ মাজত নিবিড়তৰ সামাজিক সম্পৰ্ক ঘূৰাই আনিবলৈ গ'লেই ব্যক্তিৰ সাৰ্বভৌম স্বাধীনতা খৰ্ব হব। ছাৰ আইছয়া বে'ৰ্লিনৰ সিদ্ধান্ত আমি মানি লোৱাৰ প্ৰয়োজন নাই। কিন্তু তেওঁ অন্ততঃ এটা বিষয়ে সচেতন যে ব্যক্তিগত অধিকাৰ আৰু ব্যক্তিত্বৰ বৰ্তমান অধিকাৰ আৰু ব্যক্তিত্বৰ বৰ্তমান ধাৰণা এটা বিশেষ ধৰণৰ সমাজব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল।

গান্ধীজীয়ে অতীত ভাৰতৰ যি সমাজব্যৱস্থাৰ কথা আৰ্হি হিচাপে দাঙি ধৰিছে, তাত ব্যক্তিগত অধিকাৰ বা ব্যক্তিত্বৰ বিকাশ আছিল সীমাবদ্ধ। ব্যক্তিগত সম্পত্তি আৰু পণ্যবিনিময় যেহেতু সেই সমাজত অজ্ঞাত নাছিল, সেয়ে কিছু পৰিমাণে ব্যক্তিত্ব বা ব্যক্তিগত অধিকাৰৰ বিকাশ তাত হৈছিল নিশ্চয়। কিন্তু বুৰ্জোৱা গণতন্ত্ৰৰ ব্যক্তিগত অধিকাৰৰ ধাৰণাৰ পৰা সি আছিল বহুত নিলগত। যৌথ পৰিবাৰ, জাতি, গোষ্ঠী, সম্প্ৰদায় আদি সমষ্টিৰ দাবীয়ে তাত ব্যক্তিত্বৰ পৰিধি অতিশয় সংকুচিত কৰি ৰাখিছিল। পৰম্পৰা, দেশাচাৰ, সংস্কাৰৰ গণ্ডীৰ মাজত ব্যক্তিগত চিন্তা আৰু বিবেক সীমাবদ্ধ হৈ আছিল।

ৰবীন্দ্ৰনাথ গান্ধীজীৰ দৰে অতীত ভাৰতৰ একদেশদৰ্শী গুণগানত নিমগ্ন নাছিল। তেওঁ প্ৰথম জীৱনত কিছু কিছু অতীত বিলাসী ভাবপ্ৰৱণতা প্ৰকাশ কৰিলেও পিছলৈ তেওঁৰ অতীত ভক্তিৰ মাত্ৰা বাস্তৱ ইতিহাসবোধে যথেষ্ট হ্ৰাস কৰিছিল। ১৯০৮ চন মানত ব্ৰিটিছ প্ৰভাৱ সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী আছিল প্ৰশংসাসূচক:

"In recent times the British have come to occupy an inportant place in India's history. That is not an accident. Without this contact with the West, India would have remained incomplete. Europe has lighted her lamp; we have to light ours from that flame and set out once more on our jorney. (Towards Universal Man Rabindranath Tagore, Santiniketan, 1967,p, 132)

[সম্প্ৰতি ভাৰতৰ ইতিহাসত ব্ৰিটিছসকলে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। এইটো আকস্মিক ঘটনা নহয়। পচিমৰ লগত এই সম্পৰ্ক অবিহনে ভাৰত অসম্পূৰ্ণ হৈ ৰ'লহেতেন। ইউৰোপে বন্তীগছি জ্বলালে, আমি তাৰ শিখাৰ পৰা আমাৰ বন্তী জ্বলাই লৈ আকৌ আমাৰ যাত্ৰা আৰম্ভ কৰিব লাগিব।]

উগ্ৰ হিন্দু সকলৰ প্ৰিয় ধাৰণা যে পচিমৰ মানুহ বস্তুবাদী, আধ্যাত্মিকতাহীন। এই ধাৰণাক পৰিহৃণা দি ৰবীন্দ্ৰনাথে লেখিলে:

"ইউৰোপত প্ৰতি দিনেই আমি জাতিৰ বাবে, মানবতাৰ বাবে, ত্যাগস্বীকাৰৰ নিদৰ্শন দেখিছো; প্ৰেম আৰু জ্ঞানান্বেষণৰ বাবে ত্যাগস্বীকাৰৰ নিদৰ্শন দেখিছো। হৃদয়ৰ গভীৰ তাড়নাতেই এনে ত্যাগস্বীকাৰ সম্ভৱ হৈছে।" (Op. cit. p 165)

* * *

"ইউৰোপৰ ধৰ্ম হৈছে প্ৰেমৰ ধৰ্ম— সেৱাৰ যোগেদি আত্মপ্ৰকাশ কৰা ত্যাগৰ ধৰ্ম। ই মানুহক মানহৰ কাষলৈ টানি আনে। ত্যাগৰ এই অনিৰ্বাণ শিখাই তাৰ হোমানল।" (Op. cit. p. 169)

সেয়ে ইউৰোপৰ আদৰ্শই ভাৰতবাসীক পুনৰ জাগ্ৰত আৰু সৃষ্টিক্ষম কৰিব বুলি তেওঁ বিশ্বাস কৰিব পাৰিছিল।

"There are reasons of hope and they lie both in

Britain and in ourselves." (Op. cit. p. 199)

কিন্তু ইউৰোপীয় সভ্যতাৰ এই সঞ্জীবনী মন্ত্ৰত কিছুমান অমংগলীয়া প্ৰভাৱ পৰা বুলি শেষ জীৱনত তেওঁৰ সন্দেহ হ'ল। "কালান্তৰ" নামৰ ১৯৩৩ চনৰ ৰচনাত তেওঁ ইউৰোপীয় সভ্যতাৰ দুটা অম্লানক মহত্বৰ মুকুট পিন্ধালে। এটা হ'ল সকলো মায়ামোহ বিসৰ্জন দি সত্যৰ একান্ত সাধনাত ব্ৰতী হোৱা। আনটো হ'ল বংশ, ধন ক্ষমতা নিৰ্বিশেষে সকলোকে আইনৰ চকুত সমান বুলি ঘোষণা কৰা কথাটো। ব্ৰিটিছ সাম্ৰাজ্যত ন্যায়-অন্যায়ৰ এক সাধাৰণ আৰু সাৰ্বভৌম সংজ্ঞা প্ৰতিষ্ঠিত হৈছিল। (Op. cit. p. 345)

কিন্তু উনবিংশ শতাব্দীৰ পিছৰ কালছোৱাত দেখা গ'ল যে কেৱল আধুনিক সভ্যতাৰ নিঃস্বাৰ্থ অগ্ৰদূত হিচাপেই ব্ৰিটিছ ভাৰতত অৱতীৰ্ণ হোৱা নাই, দেখা গ'ল যে ব্ৰিটিছৰ "আইন শৃংখলাৰ" শাসনতে ভাৰতৰ অগ্ৰগতি স্তব্ধ হৈ পৰিছে। ইউৰোপৰ জোঁৰ কেৱল পোহৰ দিবৰ বাবেই নহয়, ইউৰোপৰ বাহিৰত জুই জ্বলাবৰ বাবেহে। মহাযুদ্ধই ইউৰোপৰ হৃদয়-কন্দৰৰ পৰা উলিয়াই আনিলে পৈশাচিক বৰ্বৰতা। মানুহৰ বিশ্বজনীন কল্যাণৰ আদৰ্শক ইউৰোপে এতিয়া নিজেই উপলুপ্ত কৰে। (Op. cit. p. 350)

মৃত্যুৰ আগে আগে ১৯৪১ চনত তেওঁ গভীৰ খেদ আৰু বিষাদেৰে স্বীকাৰ কৰিলে:

"এসময়ত মই বিশ্বাস কৰিছিলোঁ যে এক সঁচা মানবীয় সভ্যতাৰ উৎস ইউৰোপৰ বুকুত আবিষ্কৃত হ'ব। আজি, এই পৃথিৱীৰ পৰা মেলানি মাগিবৰ সময়ত, সেই বিশ্বাস দেউলীয়া হৈ গৈছে।" (Op. cit. p. 359)

আমি আগতে ইউৰোপীয় (পুঁজিবাদী) সমাজ-ব্যৱস্থাৰ বিবৰ্তন আৰু ব্যক্তিসত্তাৰ চৰিত্ৰত সেই বিবৰ্তনৰ মেখাপাত সম্পৰ্কে উনুকিয়াইছোঁ। তাৰ পোহৰতে আচলতে ৰবীন্দ্ৰনাথে উল্লেখ কৰা অধঃপতন বা বৰ্বৰীভৱনৰ প্ৰক্ৰিয়াটো বুজিব পৰা যায়। ভাববাদী মনীষী হিচাপে ৰবীন্দ্ৰনাথৰ ঐতিহাসিক অন্তৰ্দৃষ্টি আছিল অসামান্য। কিন্তু ইতিহাসৰ গতিতত্ত্ব বুজাত বস্তুবাদেই তেওঁক সহায় কৰিলেহেঁতেন। পুঁজিবাদৰ বিকাশেই মানৱ মনৰ ওপৰত বেলেগ বেলেগ সময়ত বেলেগ বেলেগ প্ৰতিক্ৰিয়া কৰিছে— সভ্যতাৰ ৰূপো সি বহুপৰিমাণে নিৰ্ণয় কৰিছে। সেই ধাৰণা ৰবীন্দ্ৰনাথৰ চিন্তাজগতত আছিল অজ্ঞাত। সেয়ে সভ্যতাৰ দিক্ পুনৰ বৰ্বৰতা আৰু পৈশাচিকতাৰ পৰা মানৱতালৈ ঘুৰাবলৈ হলে যে তাৰ ক্ষয়িষ্ণু পুঁজিবাদী ভিত্তিবো ৰূপান্তৰ ঘটাব লাগিব, সেই সম্পৰ্কে তেওঁৰ মনত দৃঢ় বিশ্বাস নাছিল। চোভিয়েট ৰুছিয়াৰ অগ্ৰগতি আৰু সৃষ্টিকামী প্ৰেৰণাক তেওঁ অন্তিম ৰচনাতো উচ্ছ্বসিত ভাষাত স্বাগতম জনাইছে। (কথাটো বহু বক্ষণশীল লোকে ইচ্ছা কৰিয়েই আওকাণ কৰে।)

: "I have witnessed, again, in Moscow the tireless energy with which the Russians have tried to wipe out from their country disease and illiteracy, ignorance penury and every outward mark of shame. Free from racial prejudice, the Soviets have projected all over their of domain the power of human fellowship. The swift and surprising progress they have attained makes me at once happy and jealous!" (Op. cit. p. 355)

"মস্কোত মই লক্ষ্য কৰিছিলোঁ কি অক্লান্ত উদ্যমেৰে ৰুছ সকলে তেওঁলোকৰ দেশৰ পৰা ৰোগ, নিৰক্ষৰতা, অজ্ঞতা, দাৰিদ্ৰ্য আৰু অৱমাননাৰ সকলো বাহ্যিক কাৰণ দূৰ কৰিবলৈ অধ্যৱসায় কৰিছে। জাতিগত সংস্কাৰৰ পৰা মুক্ত হৈ চোভিয়েট সকলে তেওঁলোকৰ প্ৰভাৱত থকা অঞ্চলৰ মাজত মানবীয় মৈত্ৰীৰ বাণী কেউপিনে বিয়পাই দিছে। তেওঁলোকে অৰ্জন কৰা দ্ৰুত আৰু বিস্ময়কৰ প্ৰগতিত একেবাৰে মই আনন্দিত আৰু (হতভাগ্য ভাৰতীয় হিচাপে) ঈৰ্ষান্বিত।" (১৯৪১ চন। Op. cit. p. 355)

প্ৰশ্নটো হ'ল, এই ঈৰ্ষণীয় আৰু চমকপ্ৰদ উন্নতি উদাৰনৈতিক ব্যৱস্থাত সম্ভৱ হ'লহেঁতেন নে নাই। ব্যক্তিৰ স্বাধীনতা সমূলি খৰ্ব নকৰাকৈ প্ৰগতিৰ এই গতিবেগ আয়ত্ব কৰা সম্ভৱ নাছিল। বহুসংখ্যক লোকে যে স্বেচ্ছাই ব্যক্তিগত আকাংক্ষা আৰু অধিকাৰৰ এই সংকোচন মানি লৈছিল সেই বিষয়েও সন্দেহ নাই। কিন্তু ষ্টালিন আমোলৰ নানা ইতিবাচক দিশ সত্বেও যে তাত শ্ৰমিক শ্ৰেণী তথা বিপ্লৱৰ সমৰ্থক সকলৰ মাজত ব্যক্তিগত অধিকাৰ তথা ব্যক্তিত্বৰ অৱকাশ অপ্ৰয়োজনীয় আৰু ক্ষতিকৰভাবে সংকোচন কৰা হৈছিল, সেই সম্পৰ্কেও প্ৰমাণৰ অভাৱ নাই। তাৰে উত্তৰাধিকাৰ হিচাপে আজিৰ তথাকথিত সাম্যবাদী দলবোৰৰ মাজত মতভেদ মানেই অপৰাধ আৰু প্ৰতিবাদ মানেই বিশ্বাসঘাতকতা হৈ আছে।

কবিৰ দৃষ্টিৰে ব্যক্তিত্বৰ পৰিপূৰ্ণ বিকাশ আৰু সমৃদ্ধ প্ৰকাশক ৰবীন্দ্ৰনাথে সভ্যতাৰ প্ৰধান লক্ষণ বুলি বুজিছিল। কিন্তু ব্যক্তিগত সম্পত্তিৰ অবিহনে ব্যক্তিত্বৰ সুস্থ প্ৰকাশ কেনেকৈ সম্ভৱ হ'ব, তেওঁ ধৰিব পৰা নাছিল। এই সম্পৰ্কে তেওঁৰ চিন্তা বহলাই আলচ কৰাৰ প্ৰয়োজন আছে:

"কোনো কোনো লোকে ভাৱে সম্পত্তিৰ বিলোপতে সমস্যাৰ সমাধান আছে। কিন্তু ব্যক্তিগত সম্পত্তিৰ জন্ম হৈছে মানৱ প্ৰকৃতিৰ অন্তৰ্নিহিত প্ৰবৃত্তিৰ পৰা। ক্ষমতা থাকিলে তুমি ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধন কৰিব পাৰা। কিন্তু মানৱচৰিত্ৰৰ পৰিবৰ্তন সাধিব নোৱাৰা।

"সম্পত্তি হ'ল আমাৰ ব্যক্তিত্ব প্ৰকাশৰ এটা মাধ্যম। ....বেছিভাগ মানুহৰ বাবে সম্পত্তি এখন ব্যক্তিগত জগৎ ৰচনাৰ উপায়মাত্ৰ। ই কেৱল

ধন বা বস্তু নহয়। ... যেনেকৈ ব্যক্তি মিলি সমাজ হয়, ব্যক্তিগত সম্পত্তি মিলি সামাজিক সম্পদ গঠিত হয়।

"জীৱন ধাৰা যেতিয়া সহজ হৈ থাকে তেতিয়া সম্পত্তি আত্মীয়া হৈ নপৰে। ব্যক্তিগত সম্পত্তিয়ে তেতিয়া জনতাৰ প্ৰতি তাৰ কৰ্তব্য সহজে মানি লয়। ... কিন্তু বস্তুগত প্ৰগতিৰ ফলত সম্পত্তি তীব্ৰভাবে ব্যক্তিকেন্দ্ৰিক হৈ পৰে। কঠোৰ শ্ৰেণীবৈষম্যৰ জন্ম হয়— সম্পত্তি সমাজবিৰোধী হৈ পৰে।" (১৯২৮ চনৰ ৰচনা, on. cit. pp. 308-309)

এই মন্তব্যত এহাতে ৰবীন্দ্ৰনাথৰ চিন্তাৰ সাধুতা আৰু গভীৰতা আৰু আনহাতে তেওঁৰ শোকাবহ ভাববাদী বিভ্ৰান্তি প্ৰকাশ পাইছে। সম্পত্তিৰ লগত মানব প্ৰকৃতিৰ নিবিড় সম্পৰ্ক নাই। সমাজব্যৱস্থাৰ সম্পৰ্কহে আছে। আৰু নৈতিক শিক্ষা নহয়, নৈতিক সমাজব্যৱস্থাইহে সম্পত্তিৰ সমাজবিৰোধী চৰিত্ৰক শাসন কৰিব পাৰে।

(নবদূত, জুলাই-নবেম্বৰ ১৯৮৫)

# জ্যোতিপ্ৰসাদৰ উত্তৰাধিকাৰ আৰু আমি

জ্যোতিপ্ৰসাদৰ ৰচনা আৰু চিন্তাধাৰা পুনৰ অসমৰ জনগণৰ ওচৰ চপাই অনাত বামপন্থী মহলৰ অৱদান উল্লেখযোগ্য। আজি শিল্পী দিৱসৰ আড়ম্বৰৰ মাজত আমি প্ৰায় পাহৰি গৈছোঁ যে জ্যোতিপ্ৰসাদৰ খ্যাতি আৰু মহত্বৰ লগৰত যাঠিৰ দশকত ধূলিৰ তৰপ পৰিছিল। ৰক্ষণশীল আৰু প্ৰথাগত চিন্তাত অভ্যস্ত অসমৰ বুদ্ধিজীৱীমহলে যেতিয়া কেৱল কলিকতাৰ যোগেদি পোৱা পচিমীয়া কৃষ্টিকে আধুনিকতাৰ পাৰপত্ৰ বুলি সন্তুষ্টিলাভ কৰিছিল, তেতিয়া অসমত বামপন্থী বুদ্ধিজীৱী সকলেই অৱহেলাৰ ধূলিমাকটি গুচাই তেওঁৰ বৈপ্লবিক চিন্তাধাৰা আৰু ৰচনাৰ সম্পদ জনসাধাৰণৰ আগত জিলিকাই তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। জ্যোতিপ্ৰসাদ এহাতে নিজৰ মাতৃভূমিৰ ভাষা আৰু কৃষ্টিৰ প্ৰতি গভীৰভাবে আনুগত— আনহাতে সকলো গতিশীল, ক্ৰান্তিকাৰী আধুনিক চিন্তাত আৰু প্ৰমূল্যৰ প্ৰতি সজাগ আৰু সহানুভূতিশীল। তেওঁৰ কিছুমান স্ববিৰোধ আৰু ভ্ৰান্তি সত্বেও তেওঁ সেয়ে আজিৰ যুৱমানসৰ বাবে আধুনিকতাৰ যথাৰ্থ নিদৰ্শন।

আজি আমি অসমৰ কেউপিনে লক্ষ্য কৰিছোঁ— ভাৰততে লক্ষ্য কৰিছোঁ— এক নবা ৰক্ষণশীলতাৰ জয়জয়কাৰ। বাহিৰত পচিমীয়া ঢঙৰ সাজপাৰ, নাচ-গানৰ বহুল আৰু ভিতৰি সংস্কাৰ আৰু আচাৰত আচ্ছন্ন বুদ্ধি। এই সংস্কৃতিয়ে ৰব বেছি ফেছিৰাদী সামাজিকতাৰ প্ৰতি যুৱশক্তিক ঠেলি দিব পাৰে। কিন্তু প্ৰকৃত নতুনত্বৰ প্ৰতি নবীনৰ যি হাবিয়াস, ফেছিবাদৰ মৰীচিকাই তাক জানো পূৰণ কৰিব পাৰিব? সেয়ে জ্যোতিপ্ৰসাদৰ ৰচনাতে আজিৰ তৰুণে আবিষ্কাৰ কৰিব পাৰে এনে এক মহিমা, যি অতীতৰ লগত সম্পৰ্ক ৰাখিও নতুন পুৰুষৰ বিদ্ৰোহ আৰু নতুন সৃষ্টিৰ প্ৰতি হাবিয়াস চৰিতাৰ্থ কৰিব পাৰে।

জ্যোতিপ্ৰসাদৰ বিলীয়মান গৰিমা পুনৰ অসমীয়া সমাজত প্ৰতিষ্ঠা কৰা উদ্যমত অগ্ৰণী ভূমিকা লৈছিল হেমাংগ বিশ্বাসদেৱে। সমালোচক হিচাবে হয়তো তেখেত প্ৰখৰ অৰ্ন্তদৃষ্টি সম্পন্ন আছিল। কিন্তু শেষ জীৱনত যে জ্যোতিপ্ৰসাদ বামপন্থী চিন্তাধাৰাৰ প্ৰতি গভীৰভাবে আকৃষ্ট হৈছিল, তাৰ সাক্ষী হিচাবে তেখেতৰ বক্তব্য আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। আনহাতে জ্যোতিপ্ৰসাদৰ

শেষজীৱনৰ ৰচনাৰ পৰা তাৰ চিনমোকাম নিশ্চিহ্ন কৰিবলৈ অসমৰ এচাম ৰক্ষণশীল অসমৰ জনগণক সচেতন কৰিবলৈ তেওঁ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। বিশ্বাসৰ এই কামৰ গুৰুত্ব বুজি আমি কেইজনমান বুদ্ধিজীৱীয়ে তেওঁক সাধ্যানুসাৰে সমৰ্থন দিছিলো।

ৰক্ষণশীল মহলৰ আটাইতকৈ উদ্বেগজনক আৰু লজ্জাকৰ প্ৰয়াস আছিল জ্যোতিপ্ৰসাদৰ ৰচনাত কেঁচি চলাই তাৰ অংগহানি কৰা। জ্যোতিপ্ৰসাদৰ এই পৰ্যায়ৰ গুৰুত্বপূৰ্ণ ভাষণ "শিল্পীৰ পৃথিৱী"খন যেতিয়া জ্যোতি সোঁৱৰণী সন্থাৰ দ্বাৰা প্ৰকাশিত "জ্যোতিধাৰাত" পুনমুদ্ৰিত হ'ল তেতিয়া দেখা গ'ল যে মূল ভাষণত থকা বামপন্থী মতাদৰ্শৰ প্ৰতি সমৰ্থন আৰু সহানুভূতি প্ৰকাশ কৰা কেতবোৰ পেৰেগ্ৰাফ আৰু বাক্য হয় বাদ পৰিছে নহয় বিকৃত হৈছে। এনেকি লে'নিনৰ "সহিংস বিপ্লৱ" শব্দ দুটা বং সলাই "অহিংস বিপ্লৱত" পৰিণত হৈছে। সন্দেহ নাই যে এই বিকৃতিসাধন আছিল ইচ্ছাকৃত আৰু উদ্দেশ্য প্ৰণোদিন।

হেমাংগ বিশ্বাসৰ উদ্যোগত আৰু এচাম বামপন্থী বুদ্ধিজীৱীৰ সমৰ্থনত এই বিকৃতিসাধনৰ বিৰুদ্ধে উনৈশশ সত্তৰ (১৯৭০) চন মানৰ পৰা যথাসাধ্য প্ৰচাৰ আৰু প্ৰতিবাদ চলোৱা হ'ল। সেইবোৰ মিছা বুলি কবলৈকো ৰক্ষণশীল মহলৰ সাধ্য নহল। মন কৰিব লগীয়া যে প্ৰতিষ্ঠিত বামপন্থী ৰাজনৈতিক দলবোৰে কথাটোত বিশেষ কোনো গুৰুত্ব দিয়া নাছিল। হেমাংগ বিশ্বাস তেতিয়া নক্সালপন্থী আন্দোলনৰ লগত জড়িত, চিপি আই বা চিপি এমৰ লগত তেওঁৰ সংশ্ৰয় নাছিল। তেওঁক সমৰ্থন দিয়া অসমীয়া বুদ্ধিজীৱী সকলো তেতিয়া নৈষ্ঠিক চিপি এম বা চি পি আই পন্থী নাছিল। অৰ্থাৎ কোনো বিশেষ দলৰ নিৰ্দেশ বা অনুমোদন অবিহনেই জ্যোতিপ্ৰসাদৰ উত্তৰাধিকাৰ পুনৰুদ্ধাৰৰ চেষ্টা চলিছিল।

পিছলৈ জ্যোতিপ্ৰসাদৰ চিন্তা ধাৰাৰ বৈপ্লৱিক স্বৰূপ উপলব্ধি কৰি বামপন্থী সকলে ব্যাপকভাৱে তেওঁৰ চিন্তাধাৰাৰ পুনৰুজ্জীৱন ঘটাবলৈ বিচাৰিলে। কিতাপ কাগজ, আলোচনী, বাতৰি কাকত সকলোতে জ্যোতিপ্ৰসাদৰ বিষয়ে বামপন্থী দৃষ্টিকোণৰ পৰা আলোচনা হবলৈ ধৰিলে। ৰক্ষণশীল মহল সন্ত্ৰস্ত হৈ উঠিল। তেওঁলোকে জ্যোতিপ্ৰসাদক ৰাজনীতি গন্ধহীন "সুন্দৰৰ পূজাৰী" হিচাবে আৰু অসমীয়া জাতীয়তাবাদৰ উগ্ৰ প্ৰবক্তা হিচাবে জনসাধাৰণৰ আগত পৰিচয় কৰি দিবলৈ উঠিপৰি লাগিল। বামপন্থী মহলেও এই নতুন বিকৃতি সাধনৰ বিৰুদ্ধে যথাসাধ্য অস্ত্ৰ ধৰিলে। উদাহৰণস্বৰূপে এই লেখকে ১৯৭২ চনত 'নহকন্দিন হাজৰিকা' এইছদ্ম নামত অপপ্ৰচাৰৰ বিৰুদ্ধে জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাত বৈপ্লৱিক আৰু আন্তৰ্জাতিক উপাদান উন্মোচন কৰিছিল। "নতুন পৃথিৱী" আলোচনীৰ পাতত। ৰক্ষণশীল মহলৰ প্ৰচেষ্টা আছিল লজ্জাকৰ।

জৰুৰী অৱস্থাৰ সুযোগ লৈ তেওঁলোকৰ পুনৰ কৰবলৈ আৰম্ভ কৰিলে যে জ্যোতিপ্ৰসাদ প্ৰকৃততে সুন্দৰৰ পূজাৰীহে আছিল। তেওঁৰ ৰচনাত বামপন্থী মতৰ ছাঁ দেখাটোহেনো চক্ৰান্ত আছিল! জৰুৰী অৱস্থাৰ সময়ত তাৰ বিৰুদ্ধে কিবা লেখিলেও প্ৰকাশ কৰা আছিল দুঃসাধ্য। ঠিক একে ধৰণে আমি লক্ষ্য কৰিছোঁ, অসম আন্দোলনৰ নেতৃত্বত যেতিয়াই ফেছবাদী উপাদান সবল হৈছিল, তেতিয়াই জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ পৰা বামপন্থী চিনমোকাম বহিস্কাৰ কৰাৰ চক্ৰান্তও প্ৰবল হৈছিল। (এই খিনিতে নকৈ নোৱাৰিলোঁ যে জৰুৰী অৱস্থাৰ জৰুৰী তাগিদতে বোধহয় ভূপেন হাজৰিকাৰ "জ্যোতিপ্ৰসাদ আৰু জয়মতী" তথ্যচিত্ৰৰ পৰা এটা তথ্যবাদ পৰিছিল— সি হল, অসমত জ্যোতিপ্ৰসাদ আছিল গণনাট্য সংঘৰ প্ৰথম সভাপতি।)

বামপন্থী লেখক শিল্পীসকলৰ এই অভিযানত প্ৰতিস্থিত বামপন্থী দলৰ "কৰ্ত্তাব্যক্তি" সকলে বাধা নিদিলেও বিশেষ উৎসাহ দিয়াও আমাৰ চকুত পৰা নাই। শিল্প-সাহিত্যৰ দৰে মামুলি বস্তুৰ প্ৰতি তেওঁলোক সচৰাচৰ উদাসীন। কোনোবাই যদি দৰবাৰত খবৰ দিয়ে যে অমুক সদস্যই "পাৰ্টি লাইন"ৰ পৰা ফালৰি কাটি কবিতা বা গল্পত কিবা লেখিছে তেতিয়াহে তেৰাসৱৰ গা উঠে। দুদিনমান তাকে লৈ হৈ— চৈ, ধৰ-মাৰ লাগে। তাৰ পিছত পুনৰ অখণ্ড নীৰৱতা— All quiet on the cultural front!

সেয়ে আচৰিত নহয় যে বৰ্ত্তমান প্ৰতিষ্ঠিত বাম পন্থী দলবোৰ অসম চৰকাৰৰ লগত বন্ধুত্ব পাশত আবদ্ধ হৈ পৰা সত্বেও তেওঁলোকে কিছুমান প্ৰয়োজনীয় দায়িত্ব পালন কৰা নাই। যি সময়ত অসম চৰকাৰে অন্যান্য সকলো দলৰ মেল-মিটিং নিষিদ্ধ কৰিছিল, সেই সময়ত এইবোৰ দলে সহজে আৰু সুকলমে পুলিচৰ ৰক্ষণাবেক্ষণত মেল-মিটিং কৰিব পাৰিছিল। তেওঁলোকে দিছপুৰলৈ লৈ যোৱা কৃষক স-দল এটাক মুখ্যমন্ত্ৰীয়ে "কমৰেড সকল" বুলি সম্বোধন কৰি ভাষণ দিছিল। অথচ শিৱসাগৰ জিলাত "মেদাম মেফি" অনুষ্ঠানত মহৰলিৰ দৰে আদিম সংস্কাৰ পুনৰুজ্জীৱিত কৰি বিচ্ছেদকামী মনোভাৱত ইন্ধন যোগোৱা দেখিও শাসনাধীষ্ঠিত দলৰ সমালোচনা তেওঁলোকে কৰা নাই। পুলিচে কৰা সকলো উপদ্ৰৱেই আইন শৃংখলাৰ বাবে প্ৰয়োজন বুলি চাৰ্টিফিকেট দি অসমত গণতন্ত্ৰৰ সমাধি ৰচনাত তেওঁলোকে সহায় কৰিছে। সেয়ে আমি আচৰিত হোৱা নাই যে জ্যোতিপ্ৰসাদ ৰচনাৱলী বিকৃত বুলি সাব্যস্ত হোৱা সত্বেও শুদ্ধ সংস্কৰণ বিচাৰি চৰকাৰৰ ওপৰত তেওঁলোকে হেঁচা দিয়া নাই।

জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ বৈপ্লৱিক দিশটো স্পষ্ট হৈ ওলাই যোৱা সত্বেও অসম প্ৰকাশন পৰিষদ আৰু জ্যোতিপ্ৰসাদ ৰচনাৱলীৰ সম্পাদনা সমিতিয়ে আগৰ চক্ৰান্তমূলক বিকৃতিকে বাহাল ৰাখিলে। আন কোনো দেশত এনে

এটা ঘটনা হলে প্ৰকাশন পৰিষদৰ সচিব মহাশয় বিপদত পৰিলহেঁতেন। কাৰণ নিজৰ দৃষ্টিভংগীয়ে ব্যাখ্যা কৰাৰ অধিকাৰ সকালোৰে আছে, কিন্তু কোনো লেখকৰ মতামত বিকৃত কৰাৰ অধিকাৰ কাৰো নাই এই অধিকাৰ উক্ত ভদ্ৰলোক সকলে ললে কেনেকৈ? সন্দেহ নাই যে জ্যোতিপ্ৰসাদৰ দৰে বৰেণ্য প্ৰতিভাৰ মাজত বামপন্থী বৈপ্লবিক চিন্তাৰ উপাদান থকা বুলি প্ৰমাণ পালে অসমৰ যুৱক সমাজৰ চিন্তাধাৰাই দিক্ পৰিবৰ্ত্তন কৰিব পাৰে। সেয়ে সত্যৰ ওপৰত আবুৰ দিয়াৰ নিলাজ আয়োজন! আৰু এই জালিয়াতীৰ সমুখত নীৰৱ হৈ থাকি বামপন্থী দলৰ নেতৃত্বই প্ৰমাণ দিছে যে সংকীৰ্ণ দলীয় ৰাজনীতিত তেওঁলোকৰ যেনে আগ্ৰহ, প্ৰকৃতপক্ষে সামাজিক বিপ্লৱত তেনে ধাউতি নাই।

প্ৰতিষ্ঠিত বামপন্থী দলবোৰে পাহৰি গৈছে যে তেওঁলোকৰ কাৰ্য্যলয় চলোৱা ক্ষুদ্ৰ গোষ্ঠীটোৰ বাহিৰে অন্যান্য শক্তিয়েও সমাজৰ ৰূপান্তৰত কমবেছি পৰিমাণে বৰঙণি দিব পাৰে। এই সাধাৰণ সত্যটো বুজিবলৈ যি গণতান্ত্ৰিক মনোভাৱ, বস্তুনিষ্ঠতা আৰু আত্মপৰীক্ষাৰ প্ৰয়োজন, তেওঁলোকৰ ক্ষেত্ৰত তাৰ অভাব স্পষ্ট। বৰং সকলোৰে ওপৰত তেওঁলোকৰ শাসন আৰু অনুশাসন জাপি দিয়াৰ এক অবাস্তৱ আমোলাতান্ত্ৰিক আৰু স্বৈৰাচাৰী মনোবৃত্তি তেওঁলোকৰ নেতৃত্বৰ মাজত প্ৰকট হৈ উঠিছে। Monolithic Discipline ৰ নামত এক অভিনৱ ফেছিবাদী বাতাৱৰণ প্ৰস্তুত কৰাত এইবোৰ দলে এনেকৈয়ে সহায় কৰিছে। অসমত উগ্ৰজাতীয়তাবাদী বিলাকে যেনেকৈ অসত্য, অপপ্ৰচাৰ, প্ৰৱঞ্চনা, জালিয়াতী আৰু বলপ্ৰয়োগৰ সহায়েৰে জনগণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰে, ঠিক তেনেকৈয়ে এই তথাকথিত বামপন্থী নেতৃত্বয়ো তেওঁলোকৰ লেমটো হবলৈ নিবিচৰা লোকক একেধৰণৰ নীচ কৌশলেৰে সৈমান কৰিবলৈ চেষ্টা কৰে।

ভাৰতৰ সমাজ, ঐতিহ্য আৰু ৰাজনীতি বহু বিচিত্ৰ দ্বন্দ্বৰে জটিল হৈ আছে। তাৰ ভিতৰত প্ৰধান আৰু অপ্ৰধান দ্বন্দ্বৰ পাৰ্থক্য নিশ্চয় আছে। কিন্তু কোনো কোনো পৰিস্থিতিত অপ্ৰধান দ্বন্দ্বও সাময়িকভাৱে প্ৰবল হৈ উঠে। সমাজ বাস্তৱৰ অহৰহ বস্তুনিষ্ঠ পৰীক্ষাৰ পৰাহে দ্বন্দ্বসমূহৰ চৰিত্ৰ আৰু প্ৰভাৱ নিৰ্ণয় কৰিব পাৰিব। এই দায়িত্ব পালন নকৰি মতান্ধ হৈ সংগী সাৰথী, বন্ধু-বান্ধৱ সকলোৰে প্ৰতি দমন-পীড়নৰ মনোভাব অৱলম্বন কৰাটো বিফলতাৰ আগজাননী মাত্ৰ।

সম্প্ৰতি এই প্ৰতিষ্ঠিত ধৰ্মাধিকাৰ সকলে আমাক "সুবিধাবাদী" আৰু ডলাৰ বগৰী বুলি প্ৰমাণ কৰিবলৈ বিচিত্ৰ কৌশলৰ আশ্ৰয় লৈছে। অলপতে এখন চৰকাৰী কলেজৰ আলোচনী সম্পাদকজন এজনে বহুত খাটি লুটি আমাৰ পৰা এক সাক্ষাৎকাৰ যোগৰ কৰিলে। সম্পাদকজন S. F. I.ৰ

সদস্য বুলি জানিবলৈ পাই আমি সংকোচ প্ৰকাশ কৰিলোঁ। কাৰণ নিমন্ত্ৰণ কৰি নি অপমান কৰা তেওঁলোকৰ অভ্যস্ত কৌশল। পিছে উক্ত ছাত্ৰজনে প্ৰায় কাণত ধৰি শপত খালে যে আমাক অপমান কৰাৰ উদ্দেশ্যে তেওঁলোকে সাক্ষাৎকাৰটো লোৱা নাই। তেতিয়া মই মান্তি হলো। পিছত ঠিকেই দেখিলোঁ উক্ত ছাত্ৰজনেই আমাক সুবিধাবাদী, "ডলাৰ বগৰী" বুলি গুৱাল-গালি পাৰি আড়ম্বৰে এটা প্ৰবন্ধ প্ৰকাশ কৰিছে। এই সংকৰ্মৰ বাবেই তেওঁ গুৱাহাটীলৈ আহি এসপ্তাহ থাকি আমাৰ সাক্ষাৎকাৰৰ বাবে নেৰা নেপেৰা খাটনি খুৰিছিল। সন্দেহ নাই, এই পুণ্যৰ ফল স্বৰূপে তেওঁ ক'ৰবাত S. F. I.ৰ কোনো শাখাৰ সম্পাদক বা তেনে বিষয়ববীয়া হব। এনে প্ৰশিক্ষণ কি ধৰণৰ নেতৃত্বই দিব পাৰে সহজেই অনুমেয়।

কিছুমান মূৰ্খই ভাবিব যে কেবল ব্যক্তিগত দাহ শাঁত কৰিবৰ বাবেই আমি এই বকলা মেলিছোঁ। কথাটো তেনে নহয়। প্ৰতিষ্ঠিত বামপন্থী নেতৃত্বৰ স্বৈৰতন্ত্ৰী আৰু আগনতান্ত্ৰিক মনোবৃত্তি তথা ফেছিবাদী পৰিবেশ ৰচনাত তেওঁলোকৰ উৎসাহৰ প্ৰমাণ হিচাবেহে ঘটনাটো বিবৰি লেখিছোঁ। আমাৰ ভুল হব পাৰে। তৰ্ক-বিতৰ্কৰ মাজেৰে আমাৰ ভুলভ্ৰান্তিৰ শুধৰণি হলে আমি ভালেই পাম। কিন্তু ভুল-ভ্ৰান্তি যেহেতু তেওঁলোকেও বিস্তৰ কৰিছে, সেয়ে বিৰ্তকৰ নৈতিকতাও তেওঁলোকে মানি চলাই বিধেয়। আন যি নহওক, লেমটোৰ হতুৱাই পিছপিনৰ পৰা চুৰি মৰাটো সং বিতৰ্কৰ বিধি নহয়।
(দোক মোকালি আগষ্ট-চেপ্তেম্বৰ ১৯৮৫)

# বিষ্ণুৰাভাৰ চিন্তাধাৰাৰ স্বৰূপ

আমি পঢ়াশালীত থাকোঁতে পঢ়া কবি যতীন দুৱৰাৰ শংকৰদেৱৰ সম্পৰ্কে কবিতা এটাৰ দুশাৰী মোৰ এতিয়াও মনত আছে:

তোমাৰ জীৱনী দেৱ! লিখে এনে সাধ্য কাৰ?
গোটেই অসম জুৰি বিস্তৃত জীৱন যাৰ।

বিষ্ণু ৰাভাৰো সমৃদ্ধ আৰু বিচিত্ৰ জীৱনৰ কথা মনত পৰিলে আমি তেনেধৰণৰ সংকোচ অনুভৱ নকৰাকৈ থাকিব নোৱাৰোঁ।

তদুপৰি ভয় হয় যে খোল-মৃদঙৰ আৱাজৰ মাজত ধূপ-ধুনাৰ ধোঁৱাৰ জাল যিমানিহঁ বিস্তাৰিত হৈছে, সিমানেই আচল ৰাভাজনৰ চিনাকি আমাৰ মাজৰ পৰা হেৰাই গৈছে। নকৈ নোৱাৰোঁ যে আজি যিবিলাক মানুহে ৰাভাৰ গুণগানত গগন ফটাইছে, তাৰ বহুতে ৰাভাৰ জীৱনকালত তেওঁক বাটত দেখিলে মাতিলেহেঁতেন নে নাই সন্দেহ। ৰাভা নিজে নিৰহংকাৰ ভোলানাথ পুৰুষ। অসমীয়া কলাকৃষ্টিত তেওঁৰ ৰাপ বা তাত তেওঁৰ অৱদান কোনে অস্বীকাৰ কৰিব? পিছে ৰঙিয়া সাহিত্যসভাত ৰাজ্যপাল বি.কে. নেহৰুৰ উপস্থিতি লৈ অসমীয়া ৰাইজ যেতিয়া মহগুল, তেতিয়া ৰাভা কিবা সকামত ৰঙিয়ালৈ গৈ তেওঁৰ পুৰণা হৰিজন বন্ধু এজনৰ ঘৰত খবৰ কৰিবলৈ গৈছে। আন এজন অসমীয়া বন্ধুৱে সুধিলে, তেওঁ সাহিত্যসভালৈ নিমন্ত্ৰণ পাইছেনে নাই। ৰাভাই ক'লে, নাই পোৱা। তেওঁৰ মুখত বেজাৰৰ চিন। তেজপুৰত যেতিয়া সাহিত্যসভাৰ খদমদম্, তেতিয়া তাৰ সাংস্কৃতিক কাৰ্যসূচীৰ পৰিচালক এজনে গুৱাহাটীৰ শিল্পী এজনক খাটনি ধৰিলে, ইটো সিটো দেখুৱাই স্থানীয় শিল্পীসকলক শিকনি দিবলৈ। গুৱাহাটীৰ শিল্পীজনে আচৰিত হৈ ক'লে, কেলেই, বিষ্ণুৰাভাক নধৰে কেলেই? তেওঁ পিছত নিজে ৰাভাক লগ ধৰাত ৰাভাই ক'লে, হেৰা, ইহঁতে মোক এইবোৰ ক'লৈকো নামাতে হে।

সেই শ্ৰেণীৰ মানুহবোৰেই এতিয়া ৰাভা-ৰাভা বুলি টোৰটোৰাই থকা বাবে আমাৰ সন্দেহ হয়, ৰাভাৰ নামকে মূলধন কৰি লৈ সিহঁতে বেলেগ কিবা স্বাৰ্থসিদ্ধি কৰিব খুজিছে। কিধৰণৰ স্বাৰ্থ? আন যি নহওক, সি নিশ্চয় ৰাইজৰ স্বাৰ্থ নহয়। সেয়ে ৰাভাৰ স্মৃতি দিৱসত আমাৰ প্ৰথম কৰ্তব্য

হ'ব এনেবোৰ ভণ্ডৰ পৰা সতৰ্ক হ'বলৈ শপত গ্ৰহণ কৰা। ৰাভাৰ দৰে তেজস্বিতা, ৰাভাৰ দৰে ক্ষমতা আমাৰ নাই। কিন্তু ৰাভাৰ প্ৰকৃত চিনাকিৰ উমে হয়তো আমাৰ দৰে দুৰ্বল মানুহৰ মনতো তেওঁৰ জীৱনব্ৰতৰ প্ৰতি, তেওঁৰ উদ্দেশ্যৰ প্ৰতি উৎসাহ সঞ্চাৰ কৰিব। সেই উদ্দেশ্য আন একো নহয়— সি অসমীয়া সাধাৰণ মানুহৰ, হালোৱা-হজুৱা মানুহৰ জীৱন উন্নত আৰু সুন্দৰ কৰাৰ উদ্দেশ্য।

আমি হাইস্কুলৰ ওপৰৰ শ্ৰেণীত পঢ়া সময়ত ৰাভা তেতিয়াও কাৰাবাসত। তেওঁ গ্ৰেপ্তাৰ হোৱাৰ আগতে অসম চৰকাৰৰ অনুৰোধত শ্ৰীযুত প্ৰদীপ চলিহা গৈ তেওঁক অজ্ঞাতবাসৰ মাজতে লগ ধৰেগৈ আৰু ব্যৰ্থ ৰাজনৈতিক জীৱন এৰি কলাকৃষ্টিৰ জীৱনলৈ ঘূৰি আহিবলৈ আহ্বান জনায়। ৰাভাই উত্তৰত জনায় যে তেওঁ যি উদ্দেশ্যত কলম বা তুলিকা হাতত লৈছিল, সেই উদ্দেশ্যতে হাতত বন্দুক লৈছে। উদ্দেশ্য সিদ্ধি নোহোৱালৈকে তেওঁ ৰণক্ষেত্ৰ ত্যাগ নকৰে। তাৰ দুদিনমান পিছত তেওঁ ধৰা পৰে। যিখন ৰেলত তেওঁক ধৰি লৈ আনিছিল সেইখন ৰেল বাটত ষ্টেছনত ৰ'লেই দশোদিশৰ পৰা ৰাইজ ভাগি আহে তেওঁক চাবলৈ। ডেকা বিলাকে ছাতিকুটি কৰে। বোৱাৰী-জীয়ৰীয়ে চকুলো টোকে।

সেই সময়টোৰ কথা আমি পাহৰি গৈছোঁ। সেই সময়ত অসমৰ গাৱেঁ-ভূঞে RCPI ৰ আৰু CPIৰ নেতৃত্বত চলা বিদ্ৰোহ দমন কৰিবলৈ ৰাং কুকুৰৰ জাকৰ দৰে পুলিচ উন্মত্ত হৈছিল। শিৱসাগৰ জিলাৰ কিছুমান গাৱঁত পুলিচ বুলিলে আজিও মানুহৰ চকুমুখ শিলৰ দৰে কঠিন হৈ উঠে। কামৰূপত ৰজনীবালা বড়ো বুলি এগৰাকী সগৰ্ভা নাৰীক পুলিচে পিটি-পিটি হত্যা কৰে। বেলতলাৰ পৰা অহা আধিয়াৰ খেতিয়কৰ দল এটাৰ বহু ছোৱালীক মোৰ আগতে পুলিচে তেজৰে ৰাঙলীকৈ মৰিয়াই বহুদিনলৈ বিভৎস আৰু কৰুণ স্মৃতি মনত ৰাখি গৈছিল। তাৰ পিছত অসম চৰকাৰে পৰিস্থিতি এনেকৈ চম্ভালি ল'লে। পাৰ্টি দুটা প্ৰায় ছেনেলি-ভেদেলি হ'ল। সাৰ পাই উঠা অসমীয়া খেতিয়ক পুনৰ বুৰ গ'ল দাৰিদ্ৰ্য, অশিক্ষা আৰু হীনতাবোধৰ মাজত। কেইবছৰমানৰ স্তব্ধতা। কিন্তু ৰাভাক মানুহে পাহৰিব পৰা নাছিল। তেওঁৰ মুক্তিৰ বাবে বহু চেষ্টা চলি আছিল। ১৯৫৩ কি ৫৪ চনত তেতিয়াৰ অসমীয়া মধ্যবিত্ত সংস্কৃতিৰ প্ৰধান মুখপত্ৰ "ৰামধেনু" কাকতত সম্পাদক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যদেৱে এটা কবিতা লেখিলে: "বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?"

কবিতাটোৰ ছন্দ আৰু শব্দচয়ন আবেগ স্পন্দিত। কিন্তু সেইবাবেই কবিতাটো তৎক্ষণাৎ জনপ্ৰিয় হৈ পৰা নাছিল। কবিতাটোৰ জনপ্ৰিয়তাৰ কাৰণ আছিল এয়ে যে অসমীয়া উঠি অহা শিক্ষিত চামৰ মাজত ৰাভাৰ প্ৰতি

থকা সহানুভূতি আৰু শ্ৰদ্ধা সি সজীৱ ভাষাত প্ৰকাশ কৰিছিল। অৱশ্যে এই কথাটোও মন কৰিব লাগিব যে ৰাভাৰ বৈপ্লৱিক ৰাজনীতিৰ প্ৰতি তাত কোনো সমৰ্থন নাই। জনজীৱনৰ পথাৰত চিফুং বাঁহীৰ সুৰে সুৰে ডেকা-গাভৰুৰ মাজত ৰাভাই নাচিব— জনগণ তেওঁক লৈ আনন্দোৎসৱত মতলীয়া হ'ব, ইমানেই।

দুদিনমান পিছত ৰাভাক এৰি দিলে। কাৰ্জন হল বা নবীন বৰদলৈ হলত তেওঁক সম্বৰ্দ্ধনা দিয়া হ'ল। সেই সভাত চেমনীয়া বিলাকৰ মাজত ময়ো আছিলোঁ। ভূপেন হাজৰিকাই বিষ্টুদা-বিষ্টুদা বুলি দুআষাৰ ক'লে। বক্তৃতা হ'ল। ৰাভায়ো দীঘলীয়াকৈ স্মৃতিৰোমন্থন কৰিলে। কি কাৰণে তেওঁ জেললৈ যাব লগা হৈছিল কোনেও উল্লেখ নকৰিলে। যেন বহুদিন বেমাৰত পৰি থকা মানুহ এজন আৰোগ্য হোৱাত বন্ধু-বান্ধৱে মিলি কুশল-বতৰাহে লৈছে!

পিছে তাৰ পিছত ৰাভাই মধ্যবিত্ত সমাজ আৰু চেতনাৰ পৰা পুনৰ ডুব মাৰিলে। তেওঁৰ নাম বহুবছৰ আমি নুশুনাকৈ থাকিলোঁ। মধ্যবিত্ত শিল্পীসকলে ৰাভাৰ লগত জনগণৰ সৈতে মিলি পথাৰত নাচ-গান কৰাৰ যি সপোন দেখিছিল, সেই সপোন মলণ্ডি গ'ল। গণনাট্যসংঘৰ বামপন্থী শিল্পীসকলৰ মাজত ৰাভা আছিল ধৰণীস্বৰূপ। কিন্তু নতুন সাংস্কৃতিক আন্দোলন অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বোৱাই দিয়াত তেওঁৰ নেতৃত্ব দিছিল বুলি ক'ব নোৱাৰি। খ্যাতি আৰু প্ৰতিপত্তিৰ প্ৰতি তেওঁৰ বিশেষ মোহ নাছিল কাহানিও। কিন্তু গণনাট্য আন্দোলনৰ মাজত ক্ৰমে ক্ৰমে এই মনোভাবেই প্ৰাধান্য লাভ কৰিলে। গঞা জীৱনৰ পৰা আঁতৰি চহৰীয়া মধ্যবিত্ত জীৱনৰ লগত গণনাট্যসংঘ যিমানেই সাঙোৰ খাই পৰিল, সিমানেই তাৰ বিশেষত্বও ছুটি আহিবলৈ ধৰিলে। গণনাট্যৰ তাহানিৰ কৰ্মীসকলৰ বহুতেই পিছত ডাঙৰ ডাঙৰ চৰকাৰী-অৰ্দ্ধচৰকাৰী চাকৰি ল'লে। কাগজত তেওঁলোকৰ নাম যিমান ডাঙৰকৈ ওলাল, সিমানেই তেওঁলোকৰ প্ৰকৃত সৃষ্টিক্ষমতা হ্ৰাস পালে। আনহাতে তেওঁলোকৰ বিপৰীতে ৰাভায়ো অসমীয়া কলাকৃষ্টিৰ সোঁত সলনি কৰিব নোৱাৰিলে। তেওঁ কেৱল ওৰে জীৱন ৰক্ষা কৰি গ'ল এটা আদৰ্শ, এটা দৃষ্টিভংগী, গণসংস্কৃতিৰ এটা আৰ্হি। ভৱিষ্যতৰ পথত ইয়েই আমাৰ অমূল্য দিগ্‌দৰ্শী প্ৰেৰণা।

কি আছিল তেওঁৰ আদৰ্শ, কি আছিল তেওঁৰ দৃষ্টিভংগী? এই কথাটো লৈয়েই আজিকালি খেলিমেলিৰ সীমা নাই। শ্ৰীযুত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে "প্ৰকাশৰ" এটা সম্পাদকীয়ত লেখিছে যে ৰাভা কদাপিও মাৰ্ক্সবাদী হ'ব নোৱাৰে— কাৰণ মাৰ্ক্সৰ Das Kapital অতি দুৰ্বোধ্য গ্ৰন্থ বুলি তেখেতে গম পাইছে। বিষ্ণুৰাভাই নিশ্চয় সেই কিতাপখন বুজি পোৱা নাছিল। অতএব ৰাভা নিশ্চয় মাৰ্ক্সবাদী নাছিল। ভয়ংকৰ যুক্তি! তাৰ পিছত আবাৰ সহকৰ্মী

আৰু বিস্তৃত অধ্যয়নযোগে প্ৰতিষ্ঠিত লেখক ভবেন বৰুৱাদেৱে অলপতে "প্ৰান্তীক"ত লেখিছে যে বিষ্ণু ৰাভাৰ বৈপ্লবিকতা একধৰণৰ ৰোমাণ্টিকতাহে আছিল। বৰুৱাদেৱৰ পাণ্ডিত্য যেনে শ্ৰদ্ধেয়, তেখেতৰ মতামত তেনে আদৰণীয় বুলিব নোৱাৰিলোঁ।

মন্তব্যটো কৰা হৈছে "বান-ক'বাং" 'নামৰ জনজাতীয় মহাসমাবোহ এটাৰ বিষয়ে ৰাভাই লেখা সুদীৰ্ঘ প্ৰবন্ধ এটাৰ সন্দৰ্ভত। উক্ত প্ৰবন্ধত সমাবোহ উপলক্ষে সমাগত বিভিন্ন জনজাতীয় সমাজৰ জীৱনধাৰা আৰু সংস্কৃতি সম্পৰ্কে ৰাভাই থুলমূল পৰিচয় দিছে। তেওঁৰ সেই পৰিচিতি উচ্ছ্বাসপূৰ্ণ। কিন্তু সেই উচ্ছ্বাস সম্পূৰ্ণ আন্তৰিক আৰু স্বাভাৱিক— কোনো ধৰণৰ মনে সজা বা ভাওজোৰা ঢং তাত নাই। অৱশ্যে ঠেক গণ্ডীৰ মাজত জীয়াই থকা মানুহৰ মনত সেই আবেগ কৃত্ৰিম যেন লাগিব পাৰে।

প্ৰসঙ্গক্ৰমে ক'ব পাৰি যে ৰোমাণ্টিকতা বস্তুটোৰ প্ৰতি অপৰিমিত সন্দেহো বৰ সমৰ্থন কৰিবপৰা বস্তু নহয়। টেটেৰাপৰা বুঢ়া-বুঢ়ী কিছুমানে নিজৰ যৌৱনৰ সপোন পাহৰি প্ৰেম বুলিলেই সাতজাপ মাৰে।* সেইবাবেই প্ৰেম বস্তুটো চুৱা পাতনিত পেলাবলগীয়া হ'বনে? তেনেকৈ সমাজৰ বিবৰ্ত্তন আৰু উত্তৰণত হতাশ হৈ পৰা মানুহে যি কোনো ক্ৰান্তিকাৰী সপোন বা বৈপ্লবিক উচ্ছ্বাসকে অতিৰঞ্জিত, কৃত্ৰিম বা অবাস্তৱ বুলি ভুল কৰে। তেনে অবাস্তৱতা আৰু কৃত্ৰিমাণি জগতত আছে। আনহাতে নিভাঁজ বৈপ্লবিক আবেগ, আশা আৰু সপোনো মানুহৰ মনৰ আপুৰুগীয়া সম্পদ। ৰাভাৰ ৰোমাণ্টিকতা সেয়ে তেওঁৰ বেমাৰ নহয়। বৰং তাত খুত ধৰা সকলহে মনৰ বিকাৰ থাকিব পাৰে।

একেবাৰে ঠেক আৰু আন্তৰিক অৰ্থত ৰাভাৰ যিখিনি ৰোমাণ্টিক সৃষ্টি, সি আজি আমাৰ কিছু আমুৱালেও স্বীকাৰ নকৰি উপায় নাই যে সেইবোৰৰ আবেগ অনুভূতি সাবলীল আৰু ভাব-ভাষা গতানুগতিক অৰ্দ্ধসামন্তবাদী পৰম্পৰাৰ মাজত তেওঁৰ এইবোৰ গান আছিল সজীৱতাৰ প্ৰকাশ। ব্যক্তিগত প্ৰেম আৰু স্বদেশ প্ৰেমৰ জৰীয়তেই তেতিয়াৰ শিক্ষিত মনে মুক্তিৰ সপোন দেখিছিল, বিদ্ৰোহৰ পতাকা উৰাইছিল। কিন্তু ৰাভাৰ ৰোমাণ্টিকতাৰ কিছু বৈশিষ্ট্যই সমসাময়িক অন্যান্য মধ্যবিত্ত কবি-গীতিকাৰতকৈ তেওঁক কিছু পৃথক কৰিছে। প্ৰথমতেই লক্ষ্য কৰিব লাগিব তেওঁৰ আকাংক্ষাৰ বিশালতা, তেওঁৰ ব্যক্তিগত হাবিয়াসৰ বিস্তাৰিত দিগন্ত

"মোৰ জীৱনৰ আকাশতে
ইন্দ্ৰধনু ৰচিম।"

অৰ্থাৎ ব্যক্তিগত জীৱন নকৈ গঢ়াৰ সপোনত তেওঁ আনি দিছে এক অনিবৰ্চনীয় মহিমা। ধাৰণা হয় তেতিয়াৰ লাখ লাখ হেঁচা খাই থকা অসমীয়াৰ মনৰ সপোনে যেন ৰাভাৰ এইবোৰ ৰাজ্যৰ পিছত ভুমুকি মাৰিছে। তেনেকৈ

সাতসাগৰ সিঁচি প্ৰেয়সীৰ বাবে মাণিক-মুকুতা লৈ অনাৰ মাজত বিদ্ৰোহী যৌৱনৰ যি প্ৰত্যয় আৰু কল্পনাৰ যি বিশালতা আছে, তাত অলপবয়সীয়া বিলাকে "এঃ এঃ! ইচ্ ইচ্!" কৰিবই।

দ্বিতীয় উল্লেখযোগ্য বৈশিষ্ট্য হ'ল তাৰ নিভাঁজ অসমীয়া বেহ্-ৰূপ। ৰোমাণ্টিক প্ৰেমৰ ধাৰণাটোক প্ৰকাশ কৰোঁতে তেওঁ অসমীয়া গঞা গীত-মাতৰ ঠাঁচ ব্যৱহাৰ কৰিছে। তেওঁ এনেদৰে লেখা নাই: "তোমাৰ সৌন্দৰ্য্য কি ফুলে শুৱাব, মই নাজানো। হয়তো নাহৰ, হয়তো তগৰ, হয়তো কপৌ।" বৰং তেওঁ অসমীয়া বনগীত আৰু জালিতাৰ দৰে এশাৰী যোঁজোনা দি গৈছে। শেষত গোটেইবোৰ ফুলৰ জকমকনিৰ মাজত ফুটি উঠিছে তেওঁৰ প্ৰেয়সীৰ কল্পিত মুখশ্ৰী। অৰ্থাৎ তেওঁ নতুন শিক্ষিত মধ্যবিত্তৰ পচিমীয়া ঢঙৰ ৰোমাণ্টিকতাৰ মাজত বোৱাই দিব পাৰিছিল নিভাঁজ থলুৱা তেজৰ সোঁত।

কথাটোৰ আৰু এক প্ৰমাণ দিব পাৰি "পুং" নামৰ চুটি গল্পত থকা বড়ো গাভৰু "ছেৱৰী"ৰ ৰূপবৰ্ণনাত। (পৃঃ ২৮৮)। ইয়াত প্ৰতিটো উপমাই চহা আৰু গঞা জীৱনৰ অভিজ্ঞতাৰ পৰা অনা। কিন্তু এনে আচৰিত ধৰণে খাপ খাই পৰা যে ক'তো অস্বাভাৱিক বা অসংগত যেন নালাগে।

অসমীয়া কৌটিকলীয়া জনসংস্কৃতিৰ বিবিধ সমলৰ প্ৰতি বিষ্ণুৰাভাৰ নিবিড় ভাল পোৱাৰ প্ৰমাণ "জয়মতী" সম্পৰ্কে তেওঁৰ উক্তিত। (পৃঃ ১১, পৃঃ ১৪)।

কিন্তু সেইবুলিয়েই তেওঁক আজিৰ জাতীয়বাদী বিলাকৰ গুৰু বুলিব নোৱাৰি। সঁচা কথা, ৰাভাৰ মনত অসমীয় জাতিৰ প্ৰতি, অসমীয়া সংস্কৃতিৰ প্ৰতি গভীৰ উপমনা ভাল পোৱা আছিল। কিন্তু এই দুটা তেওঁৰ বাবে বিমূৰ্ত্ত বস্তু নহয়। অসমীয়া মানে অসমৰ অসমীয়া ভাষী আৰু আন আন থলুৱা মানুহ। আৰু অসমীয়া কৃষ্টি মানে তেওঁলোকে চৰ্চা কৰা গীত-মাত-নাট আদি। বিপ্লৱী জীৱনত দীক্ষা লোৱাৰ সময়তে তেওঁৰ মনত ধাৰণা জন্মিল যে পুঁজিপতি-জমিদাৰ খিনি প্ৰকৃত অসমীয়াৰ শাৰীত নপৰে। (পৃঃ ৮১ পৃঃ ৩০২)। আচল অসমীয়া হ'ল শ্ৰমজীৱী অসমীয়া। অসমীয়া কৃষ্টি তেওঁলোকৰ কৃষ্টি।

কিন্তু সেই আচল অসমীয়াখিনিৰ মুক্তি আহিব সমাজতন্ত্ৰৰ জৰিয়তে। বিপ্লৱৰ পথত ননমালৈকে তেওঁলোকৰ দেহাও মলিন, কৃষ্টিও নিষ্প্ৰভ। অথচ সমাজতান্ত্ৰিক বিপ্লৱে সকলো দেশৰ খাটি খোৱা মানুহৰ লগত তেওঁলোকৰ ঐক্য স্থাপন কৰিব। সেয়ে জাতিয়ে জাতিয়ে লগা সংঘৰ্ষৰ পথ প্ৰকৃত দেশ প্ৰেমৰ পথ নহয়।

অসমীয়া ৰাজ্যভাষা কৰা লৈ যি তুমুল উত্তেজনা আৰু সংঘৰ্ষ হৈছিল

সেই বিষয়ে তেওঁ সুস্পষ্ট মত প্ৰকাশ কৰি গৈছে। (পৃঃ ৩৯)। আনহাতে তেওঁৱেই প্ৰথমে জনজাতীয় সকলৰ ঐতিহাসিক অৱদানে কেনেকৈ অসমীয়া সমাজ সংস্কৃতিৰ ভেটি ৰচনা কৰিলে সেই কথা বিস্তাৰিতভাবে লেখি আমাৰ মনোজগতত এটা পৰিবৰ্ত্তনৰ সম্ভাৱনা জগাই তুলিলে। অসমৰ মাটি যেনেকৈ স্তৰে স্তৰে শিলমাটি আদি পৰি হৈছে, তেনেকৈ অসমৰ কৃষ্টিতো কেইবাটাও স্তৰ বা থলপ আছে— তাৰে এটাও আমি বাদ দিব নোৱাৰোঁ।

.আনকি স্বদেশৰ স্বাধীনতাযুঁজৰ বীৰ সকলৰ প্ৰতিও তেওঁৰ মনোভাব আগতকৈ সমালোচনামূলক হ'ল। (গোমধৰ-মণিৰাম ১১০-১১১)

এই সমাজ বিপ্লৱৰ অন্যতম চৰ্ত আছিল অসমৰ জনজাতীয় ৰাইজৰ মুক্তি। পৰম্পৰাগত হিন্দু সমাজৰ অৱহেলা-অৱমাননা আৰু সামন্ততান্ত্ৰিক ৰীতি-নীতিৰ মাজত মুখেৰে ভাই বোলায়ো যে জনজাতীয় ৰাইজক ৰাখিব নোৱাৰি তেওঁ বাৰে বাৰে সঁকিয়াই গৈছে। (পৃঃ ৭০, পৃঃ ৮২, পৃঃ ৮৩, পৃঃ ২৪৪)। "ন পৃথিৱীৰ নতুন যুগ"ৰ শেষত তাৎপৰ্যাপূৰ্ণ জনজাতীয় সকলৰ মুক্তি আৰু মুক্ত আনন্দ। (পৃঃ ১৩৫)।

ৰাভাই কৃষ্টিৰ নতুন ব্যাখ্যা দাঙি ধৰিছিল। প্ৰগতিশীল পৰম্পৰাত অধিক বস্তুবাদী, অধিক সামাজিক সংজ্ঞা দাঙি ধৰি জ্যোতিপ্ৰসাদতকৈ তেওঁ আগুৱাই গৈছিল। (পৃঃ ৫৮, পৃঃ ৩২৬ ৰাভা ৰচনাৱলী)। জীৱনৰ লগত সম্পৰ্ক এই সংজ্ঞাৰ প্ৰধান বৈশিষ্ট্য। বিমূৰ্ত্ত সৌন্দৰ্য্যবোধৰ চৰ্চা তেওঁ কৰিব খোজা নাই।

এয়ে বিষ্ণু ৰাভাৰ উত্তৰাধিকাৰ আৰু তাৰ তাৎপৰ্য্য। ইয়াকে নুবুজি ৰাভা-ৰাভা বুলি হৈ-চৈ লগালে সি হয় মূৰ্খামি নহয় ভণ্ডামি। তাৰ পিছত প্ৰশ্ন আছে, তেওঁক যদি সঁচাকৈ সন্মান কৰোঁ, তেন্তে ধনিক শ্ৰেণীৰ বিৰুদ্ধে, সৰ্বহাৰাৰ উন্নতিকল্পে, জনজাতীয়ৰ মুক্তিৰ বাবে, আমি আগবাঢ়ি যাব নে, ত্যাগ স্বীকাৰ কৰিবনে? (১৯৮৪ চনত দিয়া এটা ভাষণ)

# সংকেত

## আকৌ এবাৰ ভবেন শইকীয়াৰ "অগ্নিস্নান"

তেওঁক নতুন কথাছবিখন লৈ বাতৰিকাকতৰ পাতত ভবেন শইকীয়াৰ অগ্নিস্নান (ordeal) এবাৰ ভালকৈয়ে হৈ গৈছে। পিছে তেখেতৰ কৃতিত্বত চমৎকৃত বন্ধু-বান্ধৱে আকৌ এবাৰ অগ্নিস্নান কৰি দেখুৱাবলৈ তেখেতক উৎসাহ দিছে। অৱশ্যে ফলাফল আমাৰ বাবে আগৰ দৰেই সংশয়জনক হৈ ৰ'ল। ২০ জুলাইৰ দিনা "দূৰদৰ্শন"ত প্ৰদৰ্শিত হোৱা উপলক্ষে সাংবাদিক ধীৰেন বেজবৰুৱাই তেখেতৰ ছবিখনৰ বিষয়ে এটা সাক্ষাৎকাৰ লয়। ভদ্ৰতাৰ খাটিৰতে হওক, নাইবা সমালোচক সকলৰ মুখত সোপা দিয়াৰ সুযোগ দিবলৈকে হওক, বেজবৰুৱাই সোধা প্ৰশ্নবোৰ "অসম বাণী"ৰ অজিত ভূঞাই সোধা প্ৰশ্নবোৰৰ দৰে ড° শইকীয়াৰ খ্যাতি পুনৰুদ্ধাৰ কৰাৰ সজুলিৰ দৰেহে হ'ল। অৰ্থাৎ "অগ্নিস্নান" সম্পৰ্কে হোৱা বিতৰ্কৰ মূল প্ৰশ্নবোৰ এৰাই গৈ দৰ্শক আৰু সমালোচকৰ মনত ভীতিসঞ্চাৰ কৰিব পৰা প্ৰচাৰৰ আয়োজনহে কৰা হ'ল। তেওঁ কি পুৰস্কাৰ পালে, বা পালেহেতেন, বা কোনোমতেহে নেপোৱাকৈ থাকিল, সেইবোৰ অবান্তৰ। ভবেন শইকীয়াৰ দক্ষতা বা "অগ্নিস্নান"ৰ কাৰিকৰি নৈপুণ্যৰ শলাগ লোৱা মানুহেও এনেবোৰ প্ৰশ্ন তুলিছে। নাম ওখকৈ সেইবোৰ এৰাই নোযোৱা হলেই ভাল আছিল।

কোৱা বাহুল্য যে কাৰিকৰি দিশৰ পৰা এইখন সুনিৰ্মিত, সৌন্দৰ্য্যজ্ঞানসম্পন্ন উচ্চমানৰ ছবি। কোনো কোনো ঠাইত ড° শইকীয়াই কথাছবিৰ সকলবোৰৰ উল্লেখযোগ্য আৰু স্মৰণীয় প্ৰয়োগ কৰিছে। যেনে আৰম্ভণি আৰু শেষত যোঁৰাবাগীৰ বেলেগ বেলেগ ধৰণৰ প্ৰয়োগ, শেষ দৃশ্যত মহীকান্তৰ মনৰ হাহাকাৰৰ সমান্তৰালকৈ মিলৰ যান্ত্ৰিক হুলস্থূলৰ প্ৰকাশ, মহীকান্তৰ দেউতাকে মহীকাণ্ডৰ কথা নুশুনি বোৱাৰীয়েকৰ লগতে ডাঙৰ পুতেকৰ ঘৰলৈ যাবলৈ ঠিৰাং কৰোঁতে চকীত দুখন ভৰি তুলি বহা, মেনকাই মহীকান্তৰ মুখৰ ওপৰতে দুৱাৰ বন্ধ কৰি যুগ্ম জীৱনৰ সামৰণি ঘোষণা কৰা প্ৰভৃতিয়ে দৰ্শকৰ মনত

দকৈ সাঁচ বহুবায়। তেনেকৈ বিজু ফুকন, মলয়া গোস্বামীকে ধৰি অভিনেতা-অভিনেত্ৰীৰ ভাবব্যঞ্জক অভিনয়ক সকলোৱে প্ৰশংসা কৰিব। কিন্তু এইবোৰ সাফল্যৰ বাবে কথাছবিখনৰ মনস্তত্ত্ব বা নৈতিকতাৰ গভীৰতৰ প্ৰশ্ন আওকাণ কৰা অনুচিত। আৰু এই ক্ষেত্ৰত ড° শইকীয়াই পৰিচয় দিছে এক দুৰ্ভাগ্যজনক স্থূলতাৰ।

সাক্ষাৎকাৰতে (দূৰদৰ্শনত) ড° শইকীয়াৰ এই বে-পৰোৱা স্থূলতা প্ৰকাশ পাইছে। হয়তো তেখেতে ভাবিছে যে ক্ষমতাশালী মহলৰ লগত তেখেতৰ অন্তৰংগতাৰ বাবে এই স্থূলতা তেখেতে অসমৰ দৰ্শকৰ ওপৰত জাপি দিব পাৰিব। কথাটো ৰৰ সহজ নহ'ব। সাক্ষাৎকাৰত তেওঁ কৈছে যে তেওঁৰ কাহিনীটো আন হেজাৰটা কাহিনীৰ দৰে এটা কাহিনী মাত্ৰ— তেওঁ তাৰ মাজেদি কোনো আদৰ্শ বা সামাধান দাঙি ধৰা নাই। উদাহৰণস্বৰূপে তেওঁ কৈছে যে "মহাভাৰত"ত দ্ৰৌপদীৰ পাচজন পতি থকা ঘটনাক কোনো ভাৰতীয় নাৰীয়ে আৰ্হি হিচাবে লোৱা নাই! অৱশ্যে দ্ৰৌপদীৰ পঞ্চপতিলাভ মহাভাৰততে এনে এক ব্যতিক্ৰম; যে তাক আন নাৰীয়ে আৰ্দৰ্শ হিচাবে লোৱাৰ প্ৰশ্ন নুঠে। বৰং পাঁচজন বীৰ স্বামীয়েও যে তেওঁক অপমানৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে, যুগ যুগ ধৰি পাঠকৰ বাবে সেই ঘটনাহে মৰ্মন্তুদ হৈ আছিছে। মেনকাৰ অপমানৰ জ্বালা আৰু আত্মপ্ৰতিষ্ঠাৰ আকাঙ্খাৰ প্ৰতি দৰ্শকৰ সহানুভূতি স্বাভাৱিক আৰু প্ৰবল। কিন্তু অৱশেষত যি উপায়েৰে ভবেন শইকীয়া আৰু তেখেতৰ অনুৰাগীসকলৰ শতচেষ্টা সত্ত্বেও দৰ্শকৰ বাবে উদ্ভট; নীতিহীন, নাৰীৰ মৰ্য্যদাহানিকৰ হৈ থাকিব। সেই উপায়টোৰ অশুভ আৰু ক্ষতিকৰ দিশবোৰ সম্পৰ্কে কেৱল মেনকাই নহয়, পৰিচালকো অচেতন। প্ৰতিহিংসা চৰিতাৰ্থ কৰাৰ তৃপ্তিয়েই দুয়োৰে বাবে প্ৰধান বাবেই তেনে হৈছে। পৰিচালকে নিশ্চয় সকলো অৱমানিত। পত্নীৰ মেনকাৰ বুধিটো লবলৈ আহ্বান দিয়া নাই— সেইখিনি কাণ্ডজ্ঞান যে ড° শইকীয়াৰ আছে আমিও বেছকৈ বুজোঁ। কিন্তু সমগ্ৰ কাহিনীৰ ওপৰত মেনকাৰ উপায়নিৰ্বাচনে যি প্ৰভাৱ পেলালে সেই স্থূলতা অস্বীকাৰ কৰা টান।

সাক্ষাৎকাৰত ড° শইকীয়াই আকৌ কৈছে যে ছবিৰ নায়িকা মেনকাই প্ৰতিশোধ (revenge) লবৰ বাবেই এনে উপায় লোৱা বুলি ক'ব নোৱাৰি। বহুবোৰ কাৰণ (factors) লগলাগিহে তেওঁক সেইপিনে ঢাল খুৱাইছে। কেনে কাৰণ? মদনৰ প্ৰতি মেনকাৰ গভীৰ আকৰ্ষণ আছেনে? গৰ্ভধাৰণ কৰি উঠি সেই বিষাক্ত তথ্যটি যেনেভাবে মহীকান্তৰ মুখলৈ দলিয়াই দিছে, নিজেও খন্তেকীয়া অনুশোচনাত "এয়া মই কি কৰিলোঁ!" বুলি যেনে স্বগতোক্তি কৰিছে, তাৰ পৰা প্ৰতিহিংসা বা হোৰ তোলাৰ উদ্দেশ্যই বলবান যেন লাগে। এটা কথা ঠিক যে খন্তেকীয়া খগুৰ ভমকত মেনকাই এই কাম

কৰা নাই। অৱহেলা, অপমান, অসহায় ক্ষোভত তিলতিলকৈ জ্বলি ঠিক তেনেধৰণৰ পোৰণি মহীকান্তৰ মনত জ্বলাবলৈ বহু বিনিদ্ৰ ৰজনীৰ মাজেৰে এই ভীষণ সংকল্প মেনকাই ধীৰে ধীৰে গ্ৰহণ কৰিছে। শান্তশিষ্ট মেনকা আচলতে একাচেকা ছোৱালী। এবাৰ সংকল্প লোৱাৰ পিছত আৰু ইতস্ততঃ নকৰে। কিছুমান আকস্মিক ঘটনাই ইয়াৰ সহায় কৰিব পাৰে। কিন্তু প্ৰতিহিংসাৰ জৰীয়তে আত্মসন্মান পুনৰুদ্ধাৰৰ চেষ্টা তেওঁ নাই কৰা বুলি কোন মূৰ্খই ক'ব? আত্মসন্মানৰ আকাংক্ষা মহান। কিন্তু প্ৰতিশোধ আত্মসন্মান ৰক্ষাৰ প্ৰকৃষ্ট পন্থা যে নহয় সেই সত্যৰ স্বীকৃতিও মানুহৰ ইতিহাসত প্ৰাচীন। সেই দিশটোৰ প্ৰতি পৰিচালক স্পষ্টকৈ উদাসীন। অবিবেকী, বিচাৰবোধহীন মহীকান্তই ছবিৰ শেষ পিনে "বিচাৰ লাগে!" বুলি যেনেদৰে দেদাউৰি পাৰিছে সি এক সূক্ষ্ম আৰু মনোজ্ঞ পৰিহাস। সেইবাবেই পৰিচালকৰ পৰা প্ৰতিষ্ঠা বহুসময়ত একে বস্তু নহয়।

মহীকান্তৰ আচৰণ আৰু মনোভাবে দৰ্শকৰ পৰা তিলমানো অনুকম্পা আশা কৰিব নোৱাৰে। মেনকাও যে সীতা-সাবিত্ৰী নহয়, সেইটো আমাৰ যুগৰ নীতিবোধৰ বাবে সিমান আপত্তি কৰিবলগীয়া ঘটনা নহয়। কিন্তু মেনকা আৰু জীৱনৰ মাজেদি জীৱন সম্পৰ্কে গভীৰ আৰু সমৃদ্ধ নৈতিক চেতনাৰ কিবা আভাস পৰিচালকে আমাক দিলেনে? নেতাৰ মাজেদি বজৰুৱা আৰু সস্তীয়া মানসিকতাৰহে ইংগিত দিলে?

আচলতে প্ৰতিশোধ আৰু প্ৰতিহিংসাৰ জৰীয়তে আত্ম-মৰ্য্যাদা প্ৰতিষ্ঠা কৰাৰ ধাৰণাটো পৰিচালকৰ বাবে এনে মোহময় ধাৰণা যে কাহিনীৰ অন্যান্য বহু দিশ আৰু সম্ভাৱনা তেওঁ হেলাৰঙে আওকাণ কৰিব পাৰিছে। কৃতী পৰিচালকে কথাছবিৰ ঠেক পৰিসৰৰ মাজতো তাৰ আভাস দি গ'লহেতেন। কিন্তু একধৰণৰ মধ্যবিত্ত আত্মকেন্দ্ৰীকতাৰ বাবেই ড° শইকীয়াই তেনেবোৰ "জঞ্জাল" কাষ চপাই লোৱা নাই। সফল মধ্যবিত্তয়ো এই মানসিকতা স্বচ্ছন্দে গ্ৰহণ কৰিছে।

কাহিনীৰ অন্যতম প্ৰধান দুৰ্বলতা হ'ল তাৰ সৰলতা। প্ৰথমৰে পৰা মহীকান্তই খলনায়ক ৰূপেই আত্মপ্ৰকাশ কৰিছে। পৰিয়ালৰ কোনেও তাক ভাল নাপায়, ল'ৰা-ছোৱালী তাৰ কাষ চাপিবলৈ সাহ নকৰে। আনকি মেনকাৰ লগতো তাৰ সম্পৰ্কত স্নেহ-প্ৰেমৰ লেশমানো নাই। টকাৰ গৰম আৰু টকাৰ পৰা জন্মা ক্ষমতাই তাৰ অহংকাৰৰ মূল। ধনৰ গৌৰৱত তাৰ মনুষ্যত্ব আৰু বিবেকবোধ লোপ পাইছে (যদিহে আছিল!)। নতুনকৈ বিয়া কৰাই সি মেনকাৰ আগত তাক ৰিজাইছে নতুন গাই এজনী কিনাৰ লগত। মেনকাক চৰ মাৰি উঠি পিছদিনা সি দুখ কৰিছে মেনকাই বেছি "দুখ" পাব পাৰে বুলি— শাৰীৰিক অৰ্থত। মেনকাৰ প্ৰকৃত দুখ, অপমানবোধ, বেদনা বুজাৰ কোনো

শক্তি তাৰ নাই। কিন্তু এই পশুতুল্য মানুহটোৰ দম্ভ আৰু অত্যাচাৰত দৰ্শক এনে বিৰূপহে থাকে যে তাৰ পৰাজয়ত দৰ্শকে তৃপ্তি পায়। কিন্তু এনে এটা পশু পৰম্পৰাগত সমাজৰ নাৰীৰ প্ৰতি অৱমাননাৰ যোগ্য প্ৰতিনিধি হ'ব পাৰেনে? পৰম্পৰাগত সমাজতে সি এক ব্যতিক্ৰম— যাক নিজৰ মাক-বাপেকেই গৰিহণা দিয়ে। কিন্তু সি যদি সমাজৰ শ্ৰদ্ধা-ভক্তিৰ পাত্ৰ হ'লহেতেন, সন্তানৰ দায়িত্বশীল স্নেহপৰায়ণ পিতৃ হ'লহেতেন, তেতিয়া হ'লে তাৰ নিজৰ পত্নী বা আন নাৰীৰ প্ৰতি অচেতন অমানুষিকতা দৰ্শকৰ বাবে বেলেগ ধৰণৰ প্ৰত্যাহ্বান হ'লহেতেন "অগ্নিস্নান"ৰ মহীকান্তই পুৰুষদৰ্শকক ভয় নুখুৱায়— প্ৰত্যেকেই নিজকে মহীকান্ততকৈ ওপৰত বুলি ভবাৰ সুযোগ আছে। তদুপৰি মহীকান্তৰ প্ৰকৃত ব্যক্তিত্ব নাই। সি যিমানেই তৰ্জন-গৰ্জন নকৰক চৰিত্ৰৰ দৃঢ়তাৰে সি কাকো বৰাব পৰা নাই। সৰু ভায়েক, মাক-দেউতাক, মেনকা, ভজহৰি— শেষত তালৈ কোনেও কেৰেপ কৰা নাই। সেয়ে মেনকাৰ হাতত তাৰ লাঞ্ছনাও দৰ্শকৰ বাবে কোনো দ্বন্দ্বমুখৰ পৰিস্থিতি নহয়। কাহিনীৰ এই দিশটো হিন্দী চিনেমাৰ ফৰ্মুলাতকৈ উচ্চস্তৰৰ নহয়। ভাৰতীয় পুৰুষতন্ত্ৰৰ চৰিত্ৰ যে ইমান ভিতৰি ফোঁপোলা নহয়, ভাৰতীয় মহিলাসকলে বুজে।

হয়তো নতুনধনীৰ বিৰুদ্ধে আমাৰ পৰম্পৰাগত সমাজৰ যি বিৰাগ আছে, কাহিনীত তাৰহে প্ৰকাশ ঘটিছে। আমাৰ মধ্যবিত্ত সমাজৰ শতকৰা নৱৈজন নতুনধনী হ'লেও পুঁজিবাদী মানসিকতাৰ সমৰ্থক নহয়। সেয়ে যেতিয়া এজন নতুন ধনী পুঁজিপতিক অত্যাচাৰী, অহংকাৰী আৰু অমানুহ হিচাবে দেখুৱা হয়, তেতিয়া আবাৰ মধ্যবিত্তই আপত্তি নকৰে। বৰং ঈশ্বৰ নমনা (অথচ পূজা-পাতলত বহুত খৰচ কৰা!) মহীকান্তই যেতিয়া পুৰস্কাৰৰ দোহাই দিয়ে, সাধাৰণ দৰ্শকে বুজে যে তাৰ কাল চমু চাপি আহিছে। মেনকাই লোৱা প্ৰতিশোধো পাপীৰ প্ৰতিফল দিয়া ভগৱানৰে ইচ্ছা বুলি দৰ্শকে বুজি পায়। এইপিনৰ পৰা ছবিখনত নতুন মূল্যবোধৰ লগতে সান মিহলি হৈ আছে প্ৰাচীন বিশ্বাস। এই আপোচটো মন কৰিবলগীয়া। সীতা-সাবিত্ৰীক নমনা ড° শইকীয়াৰ দেবদ্বিজৰ প্ৰতি ভক্তি জোখাৰে আছে। আৰু এটা কথা। মেনকাই তাক ভাল পোৱাৰ কোনো প্ৰমাণ নাই। সহ্য কৰে মাত্ৰ। তেন্তে মেনকাৰ ক্ষোভৰ কাৰণ কি? অৱহেলিত বা প্ৰতাৰিত প্ৰেম নহয়। হয়তো ঘৰৰ মালিকনী হিচাবে যি মানসন্মান কৰ্তৃত্ব মেনকাই উপভোগ কৰি আছিল তাত আঘাত পৰা বাবেহে মেনকাৰ যন্ত্ৰণা হৈছে। কোনোৱে ক'ব পাৰে আমাৰ ধাৰণা ভুল। কিন্তু ছবিখনৰ ৰূপায়িত কাহিনীৰ পৰা আন কিবা ধাৰণা কৰিব পাৰিনে? অৰ্থাৎ পুৰুষ আৰু নাৰীৰ মাজৰ সম্পৰ্কক ইয়াত একধৰণৰ চুক্তিলৈ অধঃপতিত কৰা হৈছে! ব্যৱসায়িক চুক্তিৰ দৰে দুয়ো পক্ষই বিশ্বাস ৰক্ষা কৰিব লাগে। কথা ইমানেই।

আনকি দ্বিতীয় যৈণীয়েকজনীকো পৰিচালকে মেনকাৰ চকুৰেই চাইছে। মহীকান্তৰ পাশৱিক লালসাৰ অত্যাচৰৰ বিৰুদ্ধে আন কোনো কথাতে তাইৰ কোনো প্ৰতিক্ৰিয়া নাই। মেনকাৰ প্ৰতি গভীৰ সমবেদনা হ'ব পৰা বয়স হয়তো তাইৰ হোৱা নাই। কিন্তু মেনকাৰ কঠুৱা, হুটা ব্যৱহাৰত তাই ক্ষুন্ন বা অপমানিত হোৱা নাই— পৰিচালকে মানিলেও আমি মানি ল'ব নোৱাৰোঁ।

আন এক কাঠৰ মূঢ়া— পৰিচালকৰ কল্পনা বা ধাৰণাৰ এক জড় (inert) ক্ৰীড়নক— হ'ল মদন। পৰিচালকে দেখুৱাইছে যে মদন চোৰ হ'লেও তাৰ এটা নিজস্ব ব্যক্তিত্ব আছে। অভাৱৰ তাড়নাত চোৰ হৈ পৰিলেও তাৰ কোনো কোনো বিষয়ত দৃঢ় নীতি আৰু সংসাহস আছে। মেনকাৰ প্ৰতি তাৰ শ্ৰদ্ধাসনা মৰম আছে। মেনকাৰ কষ্ট আৰু গ্লানিত সিও মৰ্মান্তিক কষ্ট পাইছে। তাৰ ব্যক্তিত্বক মেনকাই মূল্য দিছে। কিন্তু তাৰ প্ৰতি তেওঁৰ মনত গভীৰ অনুৰাগ সঞ্চাৰ হ'বলৈ দিয়া নাই। শিক্ষয়িত্ৰীৰ দৰে তাৰ লগত তেওঁৰ ব্যৱহাৰ। ডাঙৰ ঘৰৰ মান-মৰ্য্যদা অলীক বুলি উৰাই দি মদনৰ লগত তেওঁ প্ৰনয়াসক্ত হোৱাৰ প্ৰশ্ন নুঠে। বৰং প্ৰতিশোধৰ পৰিকল্পনামতে অবৈধ সংসৰ্গৰে তাৰ হতুৱাই নিজৰ গৰ্ভত সন্তান উৎপাদন কৰাই সমাজৰ তলৰ মহলালৈ হেন্দোৰঙে পুনৰ ঠেলি দিছে। ইমান দিনৰ দৈহিক অন্তৰংগতাৰ পিছত মদনেও যে মেনকাৰ এষাৰ কথাতে সুৰসুৰকৈ আঁতৰি যাব কথাষাৰ পৰিচালকৰ দৰে মাত্ৰ এটা কাহিনী (story) বুলি হজম কৰি লবলৈ আমি টান পাওঁ। আৰু কোনো অনুৰাগ অবিহনে সংগমৰ অস্ত্ৰ হিচাবে ব্যৱহৃত হ'বলৈ তাৰ আপত্তি নথকাটোও বিশ্বাসযোগ্য নহয়। মদনৰ ব্যৱহাৰৰ দৰে অবৈধ সন্তানটোৰ ভবিষ্যতো সম্পূৰ্ণ মেনকাৰ নিয়ন্ত্ৰণত নাই। এনে এখন সমাজত এনে এক সন্তানৰ জন্ম দিয়াটো তাৰ বাবে জীৱনজোৰা অভিশাপ আৰু শাস্তিৰ ব্যৱস্থা কৰা মাত্ৰ। মদনৰ দৰে সন্তানটিৰো মানবীয় মৰ্য্যদা অস্বীকাৰ কৰিছে মেনকাই। ড° শইকীয়াই বুজি পোৱা নাই যে এইক্ষেত্ৰত মেনকাৰ অপৰাধ মহীকান্তত‌কৈ অলপহে কম। এয়ে ড° শইকীয়াৰ নৈতিক স্থূলতা প্ৰকট কৰি দিছে— হিচাবী ভদ্ৰতাই যাৰ স্বৰূপ ঢাকি ৰাখিব পৰা নাই।

মনোগতবাদী (subjective) প্ৰেৰণাক আৰ্টৰ সত্যতাতকৈ বেছি গুৰুত্ব দিয়া বাবেই ড° শইকিয়াৰ ছবিত এই বিভ্ৰান্তি ঘটিছে। এনেবোৰ ক্ষেত্ৰত হিচাবী মনৰ বান্ধোন এৰি প্ৰকৃত মানবীয়তাক শ্ৰদ্ধা কৰিব শিকিলে তেওঁ নিশ্চয় এদিন অতি উচ্চস্তৰৰ কথাছবিৰ সৃষ্টি কৰিব পাৰিব।

# ৰাষ্ট্ৰযন্ত্ৰ আৰু কলা

কলাৰ যি বিশ্বজনীনতা আছে সি স্বাভাৱিকতেই শাসকশ্ৰেণী আৰু ৰাষ্ট্ৰযন্ত্ৰৰ ন্যস্তস্বাৰ্থৰ সীমা চেৰাই যায়, কেতিয়াবা প্ৰকাশ্যে তাৰ বিৰুদ্ধে দ্ৰোহ আচৰে। প্ৰাচীন মহাকাব্য মহাভাৰত পাণ্ডৱৰংশৰ জয়গান কৰাৰ উদ্দেশ্যে ৰচিত হৈছিল। শেষত দেখা গ'ল ৰাজ্যজয়, যুদ্ধজয়কে ধৰি পাণ্ডৱৰ সকলো জয়েই অলীক, অন্তঃসাৰশূন্য। যুধিষ্ঠিৰৰ দান আৰু বদান্যতাৰ সকলো গৰিমা চেৰাই যায় এক অখ্যাত দৰিদ্ৰ বামুনৰ ত্যাগৰ কাহিনীয়ে। যুধিষ্ঠিৰৰ যোগেদিয়েই সকলো বৈষয়িক গৌৰৱ আৰু সিদ্ধি অসাৰ আৰু ধৰ্মই শেষ কথা বুলি দেখুৱা হৈছে। এনেদৰে বিভিন্ন দেশত বিভিন্ন যুগত কলাই শাসকশ্ৰেণীৰ সংকীৰ্ণ ন্যস্ত স্বাৰ্থ অতিক্ৰম কৰি আহিছে— যদিও কোনো কোনো সময়ত কলাকাৰ নিজেই শাসকশ্ৰেণীৰ সদস্য।

সেয়ে শাসকশ্ৰেণীয়ে কবি সাহিত্যিকক ভয় মিশ্ৰিত শ্ৰদ্ধাৰ চকুৰে চাই আহিছে। সা-সন্মানেৰে কবিসাহিত্যিকৰ পাত্ৰ ওপচাই দিছে। আশা কৰিছে যে তাৰ বিনিময়ত শাসক শ্ৰেণীৰ স্বাৰ্থত কবিসাহিত্যিকে আঘাত নকৰিব। সমস্যা হ'ল— তেনে ধৰণে সাহিত্য ৰচনা কৰিবলৈ গ'লেই সাহিত্যৰ বাৰটা বাজে। অধিক কি চোভিয়েত ৰুছিয়াতো ৰাষ্ট্ৰীয় সন্মানেৰে বেছি ভূষিত হোৱাৰ লগে লগে সাহিত্যিকৰ সৃষ্টি প্ৰতিভা জঠৰ হৈ পৰিছে।

সম্প্ৰতি ভাৰতত ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰভাৱ জীৱনৰ সকলো দিশতে। আপুনি কি খাব-পিন্ধিব, কি কিতাপ পঢ়িব, কি খবৰ জানিব, সকলো বহুদূৰ নিৰ্ভৰ কৰিছে ৰাষ্ট্ৰৰ মৰ্জিৰ ওপৰত। ৰাষ্ট্ৰৰ মৰ্জি মানে শাসক শ্ৰেণীৰ মৰ্জি। কলাসাহিত্যৰ ওপৰতো ৰাষ্ট্ৰই এই নিয়ন্ত্ৰণ প্ৰসাৰিত কৰিবলৈ বিচাৰিছে। সাহিত্যিক সকলৰ বাবে আহিছে নানা ধৰণৰ বৈষয়িক-সুযোগ-সুবিধা। আগতে সাহিত্যিক কল্পনাৰ তাগিদত সৃষ্টি কৰিছিল— যি কল্পনা আছিল বাস্তৱৰে ৰূপভেদ। সাহিত্যিকৰ লগত চৰকাৰী মৰ্য্যদা ভূষিত V.I.P. status কাৰো ধাৰণাত নাছিল। এতিয়া কিন্তু বহু সাহিত্যিকৰ কল্পনাত শিকলি লাগিছে, কাৰণ বৈষয়িক সুযোগ-সুবিধা সম্পৰ্কে সাহিত্যিক সচেতন হৈ পৰিছে— কি কথা লেখিলে সেই সুযোগ-সুবিধা হাততে হেৰাব তাকো সাহিত্যিক বুজা হৈছে বেছকৈ। ৰাষ্ট্ৰ নাইবা কোনো প্ৰভাৱশালী শিবিৰৰ পহৰাদাৰী অগ্ৰাহ্য কৰি সাহিত্যচৰ্চা কৰিবলৈ বহুতে ভয় কৰা হৈছে। ৰেডিয়', দূৰদৰ্শন প্ৰভৃতি মাধ্যমৰ সুযোগৰ প্ৰতিও বহু সাহিত্যিক লালায়িত।

ই আমাৰ দেশ বা সমাজৰ ভবিষ্যতৰ বাবেই এক গুৰুতৰ বিপদ হৈ উঠিব পাৰে। কাৰণ সাহিত্যক দাপোনতহে সমাজে তাৰ আচল মুখখন চাব পাৰো।

# গল্প, ভ্ৰম আৰু সত্য ইত্যাদি

## সৌৰভ কুমাৰ চলিহাৰ "গল্প নহয়" সম্পৰ্কে এটি প্ৰাৱন্তিক প্ৰতিবেদন

পঞ্চাশৰ দশকত আত্মপ্ৰকাশ কৰা কৃতবিদ্য অসমীয়া গল্প লেখকসকলৰ ভিতৰত খাটি নাগৰিক মন এটাৰ অধিকাৰী আছিল সৌৰভ কুমাৰ চলিহা। অৰ্থাৎ বিশীয়মাৰ অসমীয়া গ্ৰাম্য জীৱনৰ তুলনাত নতুনকৈ গঢ় লোৱা অসমৰ সমাজ জীৱন তেওঁৰ সাহিত্যৰ বাবে উপযোগী উপজীৱ্য হোৱাৰ সম্ভাৱনা বেছি আছিল। সঁচা কথা, তেওঁ যিখন গুৱাহাটীত ডাঙৰ-দীঘল হৈছিল সেইখন পূৰ্ণ পৰ্যায়ৰ নগৰ নাছিল। গাঁৱৰ লগত তাৰ যোগাযোগ তেতিয়াও ঘনিষ্ঠ আছিল। স্থায়ীভাবে যিকেইটা অসমীয়া পৰিয়ালে নগৰত ঘৰ-মাটিলৈ বসবাস কৰিছিল, তেওঁলোকৰ বেছিভাগৰে জীৱিকা আছিল চাকৰি; বেহা-বেপাৰ বা শিল্প নাছিল। তথাপি অতি ক্ষুদ্ৰ আৰু সংকীৰ্ণ পৰিসৰতে এটা নাগৰিক জীৱনতে তেওঁলোকে পাইছিল স্বস্তি আৰু তৃপ্তি। নাগৰিক জীৱনৰ সুকীয়া ছন্দত তেওঁলোক অভ্যস্ত আছিল। বেলা ভাটি দিয়া বা চকা পাটত বহাতকৈ চহৰৰ আলিবাটত লাইট জ্বলি উঠা তেওঁলোকৰ বাবে অধিক তাৎপৰ্য্যপূৰ্ণ আৰু ইংগিতময় হৈ পৰিছিল। এই পৰিবেশত নিঃসংগতা তথা আত্মমগ্ন ভাবুকতাও ক্ৰমে কিছুমান মানুহৰ বাবে পৰিচিত আৰু প্ৰিয় অভিজ্ঞতা হৈ পৰিছিল।

চলিহাৰ গল্পত সেয়ে দুপৰীয়াৰ নিস্তব্ধ গৰমত পাণদোকানৰ তলত কুকুৰ এটা শুই পৰা, চিটিবাছৰ ফুটবোৰ্ডত ওলমি যোৱা ডেকা ল'ৰাই গধূলি অজান অভিযানৰ বেপৰোৱা পুলক অনুভৱ কৰা, হেজাৰ বিজাৰ কৰ্মব্যস্ত মানুহৰ "অবিৰক্ত অপ্ৰসন্ন মুখ," মাজনিশা দূৰৈৰ মাইকত বাজি থকা আধাশুনা গান, এনে ধৰণৰ দৃশ্য আৰু শব্দৰ টুকুৰাই পৰিবেশ ৰচনাত সহায় কৰে। লগে লগে নাগৰিক জীৱনৰ অস্থিৰতা, অশান্তি আৰু উদ্বেগ, আৰু সীমাহীন ধৈৰ্য্যেৰে প্ৰত্যেকেই সহি যোৱা অবুজ অতৃপ্তিয়ে কথকতাৰ ছন্দলৈ আনি দিছে দ্ৰুত আৰু অনিয়মিত লয়। চৰিত্ৰ সমূহৰ কথোপকথনৰ ভাষাও সচেতনভাবে চহৰীয়া, গঞ্জা বচনভংগী আৰু শব্দ যোজনাতকৈ স্বতন্ত্ৰীয়া।

প্ৰথমৰে পৰা গল্পৰ কাহিনী-বিন্যাস আৰু ঘটনাশৃংখলতো তেওঁ আধুনিক নাগৰিক ৰীতি অনুসৰণ কৰিছে বুলি কব পাৰি। তেওঁৰ কাহিনীৰ নায়কসকল

বীৰোচিত আকাংক্ষা, ঔৎসুক্য আৰু উদ্যোগৰ দ্বাৰা পৰিচিত নহয়— বহু সময়ত ক্লান্ত, হতাশ ক্ষুন্ন অথচ প্ৰচণ্ডভাবে অনুভূতিশীল প্ৰতিনায়ক (anti-hero) যাৰ লগত বড্‌লায়াৰৰ কবিতা বা Notes From the Underground (ডষ্টোয়ে'ভস্কিৰ)ৰ সম্পৰ্ক বেছি। পুৰণি কায়দা-কানুন ভাঙি অভিনৱ পৰীক্ষা-নিৰীক্ষা চলোৱাত তেওঁৰ উৎসাহ কেতিয়াও স্তিমিত নহয়। প্ৰথাগত সীমাৰ মাজতে চৰিত্ৰ আৰু ঘটনা বান্ধি ৰাখিবলৈ তেওঁ নাৰাজ। চেতনাস্ৰোত, আকস্মিক আৰম্ভণি আৰু সামৰণি, সময়ৰ বাহ্যিক ক্ৰম আওহেলা কৰি আগে-পিছে জপিয়াই যোৱাৰ প্ৰৱণতা, চিনেমাৰ দৰে বিভিন্ন সম্পৰ্কহীন বস্তুৰ মাজত সম্পৰ্ক সৃষ্টি কৰি বিজুলীচমকে উপলব্ধি সঞ্চাৰ কৰা— এনে কৌশল তেওঁৰ গল্পত প্ৰথমৰে পৰা বিশেষ ভাবে লক্ষণীয়। ধৰিব পাৰি যে তেনে ধৰণৰ বিদেশী ৰচনা পঢ়াৰ অভ্যাস তেওঁৰ আছিল বা তেনে ধৰণৰ ৰচনাৰ ৰস সমসাময়িক আন গল্প লেখকৰ তুলনাত আগতে গ্ৰহণ কৰিব পৰা ক্ষমতা তেওঁৰ আছিল।

আমি কিন্তু এনেবোৰ বাহ্যিক লক্ষণ তথা অবয়বতে ৰসস্থ হৈ থাকিব নোখোজোঁ। বৰং তাৰ আশ্ৰয়ত ব্যক্ত হোৱা মানসিকতা তথা জীৱনদৰ্শন বুজি লোৱাটোহে আমাৰ বাবে অধিক গুৰুত্বপূৰ্ণ প্ৰয়োজন। চিন্তাধাৰাৰ পিনৰ পৰা আমাৰ লগত তেখেতৰ বহু অমিল। সন্দেহ নাই যে আমি যেনেকৈ তেখেতৰ কেতবোৰ বৈশিষ্ট্য বা গুণক ভাবপ্ৰৱণ, ৰুগ্ন, আৰু আত্মদ্বন্দ্বজৰ্জৰ বুলি ভাবিছো, আমাৰ কিছুমান মতামতো তেখেতে তেনেকৈ জৰৰজং আৰু স্থূলবুদ্ধিৰ বুলি ভাবিব পাৰে। কিন্তু তেনে ধৰণৰ বিশেষণেৰে পৰস্পৰৰ আপ্যায়ন কৰাৰ বয়স গ'ল। এতিয়া আমাৰ বাবে জৰুৰী হৈছে অসমীয়া সমাজ তথা সংস্কৃতিৰ এক সংকটকালৰ মৰ্মস্পৰ্শী আৰু অবিস্মৰণীয় অভিব্যক্তি হিচাপে তেখেতৰ ৰচনা বুজাৰ দায়িত্ব। কাৰণ মই এতিয়াও বিশ্বাস কৰো যে সাৰ্থক সাহিত্য অকাৰণ ধেমালি নহয়, তাৰ পৰা জীৱন সম্পৰ্কে মূল্যবান উপলব্ধি আৰু অন্তৰ্দৃষ্টি আহৰণ কৰিব পাৰি।

কোনো কোনো মনীষীয়ে ক'ব খোজে যে ৰচনাৰীতিৰ পিনৰ পৰা যিমানেই উদ্ভাৱনশীল, গতিশীল আৰু অগ্ৰসৰ নহওক, দৰ্শনৰ পিনৰ পৰা আধুনিক সাহিত্য অতি ৰক্ষণশীল, এনেকি প্ৰতিক্ৰিয়াশীল বুলিলেও ভুল নহ'ব। সৌৰভ কুমাৰ চলিহাৰ ৰচনা এই বিশ্বজনীন ধাৰাৰ ব্যতিক্ৰম নহয়। ঊনবিংশ শতাব্দীত প্ৰবল হৈ উঠা উদাৰনৈতিক যুক্তিবাদৰ প্ৰতিপত্তিৰ বিৰুদ্ধে আধুনিক সাহিত্য এটা প্ৰতিবাদ। এই প্ৰতিবাদ সৌৰভ চলিহাৰ ৰচনাত কোনো উপকৰণ বা ধাৰকৰা বস্তু হিচাপে ওলোৱা নাই। মনৰ গভীৰতৰ স্তৰৰ লগত তাৰ সম্পৰ্ক। কি ধৰণৰ সামাজিক পৰিস্থিতিত ঘটনা ঘটিবলৈ পাইছে সিও কৌতূহল আৰু অনুসন্ধানৰ বিষয়।

"লয়াৰ্চ বুকষ্টলে" প্ৰকাশ কৰা "গল্প নহয়" নামৰ সংকলনখনে পুনৰ আধুনিক মানসিকতাৰ এক উজ্জ্বল অথচ তীৰ্যক দৰ্পনৰূপে পাঠকক বিস্ময়াভিভূত কৰিব। সংকলিত নোহোৱালেকে বিভিন্ন গল্পই পাঠকক চমক্ খুৱালেও হয়তো গভীৰভাবে আলোড়িত কৰিব পৰা নাছিল। কিন্তু ওচৰা-ওচৰিকৈ ছপা হোৱা গল্পবোৰৰ সমষ্টিয়ে এক সামগ্ৰিক সুৰ-সমলয় সৃষ্টি কৰে আৰু এক সমগ্ৰ মানসিকতাৰ নিৰ্ভুল প্ৰতিলিপি হিচাপে পাঠকক প্ৰভাবিত কৰে। কিতাপখনৰ নামটোৱেই কয় যে চিৰাচৰিত, গতানুগতিক কাহিনীৰ প্ৰতি তেখেতৰ আনুগত্য নাই। সাজি কোৱা গল্পৰ মাজত নিতান্ত ব্যক্তিগত অভিজ্ঞতা, স্মৃতিৰোমন্থন, স্বপ্ন আৰু পৰ্যবেক্ষণ সন্নিবিষ্ট কৰিবলৈ তেখেতে কোনো সংকোচ কৰা নাই। অৰ্থাৎ স্ৰষ্টা শিল্পীৰ ৰোমান্তিক মহিমা হেলাৰঙে বিসৰ্জন দি তাৰ (contingent) জাগতিক দিশটোৰ প্ৰতি তেখেত নিৰ্মোহভাবে সচেতন হৈছে। কাহিনী "ৰচনা" কৰাৰ যি বিৰাট আড়ম্বৰ তথা আয়োজন আন লেখকে প্ৰদৰ্শন কৰে, তাৰ ঠাইত চলিহাই যেন দেখুৱাব খোজে এক ধৰণৰ বিদ্যা বা কুশলতা (skill)। অৱশ্যে তেওঁৰ এই ছলনাময় স্পষ্টবাদিতাৰ ফলত সৃষ্টিৰ ৰহস্য পাঠকৰ বাবে অধিক ঘণীভূত হৈছে।

কাহিনীৰ সমাপ্তি আধুনিক গল্পত সুলভ নহয়। অনিশ্চয়তা আৰু অসম্পূৰ্ণতাৰ মাজতে তাৰ উদয় আৰু বিলয়। অতীতৰ লোকসকলৰ দৰে আমি আমাৰ জীৱনৰ সম্পূৰ্ণ অৰ্থ নাজানো, নুবুজোঁ। আমাৰ অনিশ্চয়তা, আমাৰ সংশয় আমি ফুটাই তোলো কাহিনীৰ অবয়ব আৰু গঠনতে।

সেইদৰে ক্লাছিকেল কাৰ্য্যকাৰণ সম্পৰ্কৰ (causality) প্ৰতিও আমাৰ পূৰ্বৰ আস্থা আৰু নাই। চলিহাৰ গল্পত এই মানসিক প্ৰৱণতাৰ উপস্থিতি চমকপ্ৰদ। তেওঁ কাৰ্য্যকাৰণ সম্পৰ্কৰ প্ৰথাগত ৰূপ প্ৰায় বাতিল কৰি দি বন্ধনমুক্ত মনৰ যথেচ্ছ বিচৰণৰ মাজতেই আবিষ্কাৰ কৰিছে বিভিন্ন বস্তু আৰু ঘটনাৰ সম্পৰ্ক। যেনে ধৰক "দুটা সাময়িক প্ৰসংগ"— যত আইনষ্টাইনৰ জন্ম শতবাৰ্ষিকী আৰু অসমৰ অভূতপূৰ্ব গণ আন্দোলন একে সময়তে পৰা বাবে লেখকে নিৰ্ভয়ে দুয়োটাৰ মাজত কিবা গভীৰ যোগাযোগ থকাৰ ইংগিত দিছে। এনে দৈৱ সংঘটিত যোগাযোগ স্পষ্টকৈ তেওঁ অৰ্থহীন বুলি নাভাবে। বৰং কাৰ্য্যকাৰণবাদৰ যান্ত্ৰিক সঁজাত বন্দী আমাৰ মনটোকহে অন্ধ বুলি ভাবে। সেয়ে আৰু কেইটামান গল্পত (যেনে "গল্প নহয়') এনে চক্ খুৱাৰ পৰা আকস্মিক যোগাযোগকে গল্পৰ বিষয় কৰি লৈছে। বেছিভাগ গল্পতে অভ্যস্ত জীৱনৰ শৃংখলাৰ পৰা মুকলি কৰি মনৰ ভাববোৰক যেনি তেনি বনাই ফুৰিবলৈ এৰি দিছে। এনে কল্প চিত্ৰ, স্মৃতি আৰু বৰ্ণনাৰ সানামিহলিৰ মাজেৰে পৰিস্ফুট হৈছে এক নিখুট নক্সা বা ৰূপৰেখা। অৰ্থাৎ ৰচনা..... কৌশলৰ খেলা নহয়। এটা বিশেষ জীবনবোধ থকা শিল্পীৰ আত্মপ্ৰত্যয়েৰে

প্ৰকাশ কৰাই তেখেতৰ উদ্দেশ্য।

এনে ধৰণৰ যুক্তিবাদ বিৰোধী চিন্তাধাৰাৰ প্ৰতি আমাৰ মনত কিছু আশংকা আছে। বস্তুটো আপেক্ষিক। পচিমত যুক্তিবাদৰ দিগ্বিজয়ে অৱশেষত যিবোৰ অশুভ পৰিণামৰ জন্ম দিলে, (যেনে পৰিবেশৰ ক্ষতিসাধন) সেইবোৰৰ বিষয়ে আমি অৱশ্যে সতৰ্ক হোৱা উচিত। কিন্তু ভাৰতৰ সাধু-বাবাজী তাবীজ মাদুলি প্ৰভাৱিত সমাজত যুক্তিবাদ আকোৱালি লবলৈ আমাৰ কোনো সংকোচ নাই।. সকলো মোহলগা ৰহস্যৰ মাজত যুক্তিবাদে তেওঁৰ গল্পৰ কঠুৱা মাদ্ৰাজী ইঞ্জিনিয়াৰজনৰ দৰে স্পষ্ট দিবালোক এচেৰেঙা নমাই দিয়ে। এনে এক দৃষ্টিকোণ তথা জীৱনদৰ্শনৰ স্পষ্টভাবে মুখামুখি হৈছে তেওঁ "গল্পৰ আঁৰৰ গল্প"ত।

গল্পটোৰ অন্যতম চৰিত্ৰ গোস্বামী এই দৃষ্টিকোণৰ প্ৰতিনিধি স্বৰূপ। তেওঁ অতি "প্ৰেক্টিকেল" মানুহ। সকলো জটিল পৰিস্থিতিৰে সৰল ব্যাখ্যা আছে বুলি তেওঁভাবে আৰু সেই পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ উপায়ো তেওঁ ক্ষীপ্ৰগত্তিত এই সূত্ৰমতেই উদ্ভাৱণ কৰে। এনেকৈও কোৱা যায় যে গোস্বামী প্ৰেক্টিকেল ধাতুৰ মানুহ বাবেই সকলো জটিল পৰিস্থিতিৰ সৰল সূত্ৰ উলিয়াব পাৰে। আকৌ চলিহাৰ ধাৰণা যে ঠিক এইবাবেই গোস্বামীয়ে কোনো ৰহস্যৰ অস্তিত্ব অনুভৱ কৰিব নোৱাৰে— তেওঁৰ বাবে জীৱনৰ সকলোবোৰ সমস্যাই প্ৰেক্টিকেল, তাৰ সমাধানো দুৰুহ নহয়। এনে "প্ৰেক্টিকেল" মনোভাবৰ প্ৰতি দিবলগীয়া স্বীকৃতিখিনিও চলিহাই নিদিয়াকৈ থকা নাই। কিন্তু শ্ৰদ্ধা আৰু সম্মানৰ আহেঁ আহেঁ মিহলি হৈ আছে কৰুণা আৰু পৰিহাস মিশ্ৰিত মৰম। গোস্বামীৰ দৃষ্টিকোণ আৰু বুদ্ধিৰ দুৰ্বলতা আৰু সীমাবদ্ধতাৰ ইংগিত দিছে মৃদু, অতিৰঞ্জন আৰু মিঠা পৰিহাসে।

গল্প লেখাৰ মূলতে থকা 'ৰহস্য' উন্মোচন কৰা উদ্দেশ্য গল্পটোত ঘোষণা কৰা হৈছে। কিন্তু গল্পটোৰ শেষত ইংগিতেৰে কোৱা হৈছে যে সেই ৰহস্য সদায় ৰহস্যাবৃত হৈ থাকিব, অথবা তাৰ ব্যাখ্যা এনে মামুলি হব যে তাৰ পৰা কোনো উপকাৰ নহ'ব। কিন্তু "প্ৰেক্টিকেল" মানুহবোৰে তেনে ব্যাখ্যাই বিচাৰে। শেহান্তৰত গল্পটোত পৰিস্ফুট হৈছে জীৱনৰ স্বৰূপ সম্পৰ্কে এক মৌলিক মত-বিৰোধ। এই মতবিৰোধৰ কোনো সমাধান নাই। কিন্তু ৰহস্য আৰু দুৰ্বোধ্যতা মানি লোৱা দৃষ্টিকোণৰ গভীৰতা আৰু সভ্যতা হাঁহি ধেমালিৰ মাজেৰেই লেখকে ফুটাই তুলিছে।

এই দুই মনোভাবৰ ভিতৰত গোস্বামীৰ প্ৰতি আমি অধিক সহানুভূতিশীল। তন্ত্ৰ-মন্ত্ৰ, গুৰু-গৰুৰ দেশ, কৰালমৰা ৰক্ষণশীলতাৰ দেশ ভাৰতত প্ৰেক্টিকেল মনোবৃত্তি মূল্যবান। সমস্যাৰ সমাধান বিচাৰি অধৈৰ্য হোৱা মানুহে জীৱনৰ অজ্ঞেয়তা আৰু ৰহস্য তন্ময় হৈ উপভোগ কৰিব নোৱাৰে। হয়তো জীৱনত

ৰহস্যৰ মাত্ৰাও নিৰ্ভৰ কৰে অনুশীলন বা কাৰ্যকৰী সমাধানৰ প্ৰতি মানুহৰ মনোভাবৰ ওপৰত। হয়তো দুয়োটা দৃষ্টিকোণ পৰস্পৰ বিৰোধী নহয়, হয়তো বেলেগ বেলেগ পৰিস্থিতি বা মুহূৰ্ত্তত কেতিয়াবা এটা কেতিয়াবা আনটো প্ৰযোজ্য। গোস্বামীৰ মনোভাব জটিলতা নুবুজা বিধৰ নহ'বও পাৰে। তেওঁ কেৱল অনৱৰত উটিলতা হ্ৰাস কৰিবলৈ বিচাৰে জীৱনৰ স্বাৰ্থতে। হোৱাইটহে'ডৰ কথা এষাৰ মনত পেলাব পাৰি— "Always seek simplicity and distrust it." (সদায় সৰলতা বিচাৰিবা, কিন্তু তাক অবিশ্বাস কৰিবা।)

এই দ্বন্দ্বৰে লগৰীয়া তেওঁৰ মনত অনৱৰতে চলি থকা আন এটি বিবাদ। এপিনে কল্পনা আৰু ভাবাবেগৰ দাবী, আনপিনে যুক্তি আৰু বাস্তৱবোধৰ দাবী। ভাবাবেগক অকুণ্ঠ স্বীকৃতি দি উটি যাবলৈ তেওঁৰ সংকোচ, আকৌ যুক্তিৰ ওচৰত আত্মসমৰ্পন কৰি দেউলীয়া হ'বলৈকো আপত্তি। "গোলাম" নামৰ বিখ্যাত গল্পত কাহিনীৰ নায়কে পশ্চিমৰ গতিশীল আৰু কৰ্মচঞ্চল পৰিবেশত গুৱাহাটীৰ ঘৰৰ পৰিবেশলৈ মনত পেলাইছে— ধাৰাসাৰ বৰষুণত বোকাপানীৰে গুৱাহাটীৰ বাট-ঘাট একাকাৰ হৈ গৈছে, ঘৰৰ ভিতৰলৈ নৰ্দমাৰ দুষিত পানী সোমাই আহিছে, বৰষুণত পাঞ্জাবী পায়জামা চেঙেল পিন্ধা সাহিত্যিক ভায়েকে খুপি খুপি খোজ দিছে আৰু ৰবীন্দ্ৰনাথৰ গীতি কবিতাত ভাব বিহ্বল হৈ পৰিছে:

এমন দিনে তাৰে বলা যায়
এমন ঘনঘোৰ বৰষায়....

অৰ্থাৎ গল্পটোত ৰাবীন্দ্ৰিক ভাবাবেগ আৰু কল্পনাবিলাস ঔপনিবেশিক পৰিবেশে জন্ম দিয়া বিপজ্জনক এলাহ, কৰ্ম বিমুখতা, পৰমুখাপেক্ষিতা আৰু পলায়ণবাদৰ লগত একাকাৰ হৈ গৈছে।

কিন্তু প্ৰেৰণাময় কৰ্মোদ্যমৰ লক্ষণ ক'ত আজিৰ অসমত? জনপ্ৰিয় গল্প "বীণাকুটিৰ"ত সাম্প্ৰতিক ঠিকাদাৰী উদ্যোগ, কৰ্মব্যস্ততা আৰু অৰ্থলোলুপতাৰ প্ৰতি লেখকৰ বিৰাগ অবিমিশ্ৰ। তাৰ বিপৰীতে নায়তে গভীৰ আক্ষেপ মিশ্ৰিত আকুতিৰে সপোন দেখিছে বিষয়, সম্পত্তি আৰু অৰ্থৰ প্ৰতি উদাসীন আদৰ্শনীয় পৰিমিতিবোধ আৰু একনিষ্ঠ কৰ্ত্তব্যবোধৰ— যি আহিঁ লেখকৰ মনত বিগত অতীতৰ সৈতে নিবিড়ভাবে জড়িত। এই সপোন যেন অতীতমুখী এক Utopia যিমানে অলীক, সিমানেই শক্তিশালী তাৰ আকৰ্ষণ। কাৰণ প্ৰকৃত বাস্তৱ ৰুগ্ন আৰু পংগু।

এই দুই বিবাদমান ধাৰা যেন অসমৰ মধ্যবিত্ত শ্ৰেণীৰ উত্তৰণৰ এক নাটকীয় প্ৰতিফলন। আন সকলো ঐতিহাসিক মধ্যবিত্ত শ্ৰেণীৰ দৰে এই শ্ৰেণীটোৱেও উদ্যোগ আৰু উন্নতি কামনা কৰে, অসমৰ সমাজ তথা পৰিবেশৰ বৈপ্লবিক পৰিবৰ্ত্তন বিচাৰে। কিন্তু ঔপনিবেশিক যুগৰ গধুৰ শিকলি ছিঙি

বাস্তৱত এনে সৃষ্টিশীল উদ্যম প্ৰদৰ্শন কৰিবও নোৱাৰে। এই টনা-আজোৰাত জৰ্জৰ মনেৰে এবাৰ যি উজ্জ্বল অনাগত সপোন দেখে, আন এবাৰ ৰূঢ় আৰু অনমনীয় বাস্তৱৰ আঘাতত হতাশাত বহি পৰে। সম্প্ৰতি অসমত যি ধৰণৰ উদ্যোগে খুন্দিয়া-খুন্দি লগাই নিমাখিত অফিচবাবুসকলক বিপৰ্য্যস্ত কৰিছে, তাৰ মাজত অসমীয়া মধ্যবিত্তক অনুপ্ৰাণিত বা আশান্বিত কৰিব পৰা একোৱেই নাই। সেয়ে হতাশা প্ৰেমৰ অক্ষম ক্ষোভ আৰু মধুৰ বিষাদেৰে সি বাৰে বাৰে অতীত ৰোমন্থন কৰে— যি অতীত আছিল সপোনেৰে ৰঙীন আশা আৰু প্ৰেৰণাৰে সজীৱ। কোৱা বাহুল্য যে এই মানসিকতা বিশেষ স্বাস্থ্যকৰ বস্তু নহয়।

"নিষ্প্ৰদীপ" "দুটা সাময়িক প্ৰসংগ" আৰু ৰাজধানী প্ৰসংগ আদি গল্পত গুৱাহাটী আৰু অসমৰ প্ৰতি, অসমীয়া মানুহৰ প্ৰতি, তেখেতৰ বিষাদ গধুৰ কিন্তু গভীৰ ভালপোৱা প্ৰকাশ পাইছে। কিন্তু এই ভালপোৱাৰ গভীৰতা সত্ত্বেও তাৰ মাজত প্ৰেমাস্পদৰ প্ৰতি আস্থাৰ নিতান্তই অভাৱ! ই যেন বিশ্বাসহীনা প্ৰেয়সীৰ প্ৰতি আস্থাহীন অথচ অন্তহীন আসক্তি— য'ত আত্মোৎসৰ্গৰ আঁহে আঁহে আছে 'অৱজ্ঞা আৰু বিৰাগ'। 'নিষ্প্ৰদীপ'ত নন্দ তালুকদাৰৰ বিৰল নিষ্ঠা আৰু অদম্য কৰ্মপ্ৰেৰণা দেশপ্ৰেমৰ উজ্জ্বল আৰ্হি হৈ প্ৰকাশ পাইছে— যাৰ বিপৰীতে অসম আন্দোলনৰ নেতাসকলে লোৱা তৎকালীন কৰ্মসূচী অৰ্থহীন আৰু কাপুৰুষসুলভ কুসংস্কাৰ হৈ পাঠকৰ দৃষ্টিত প্ৰতিভাত হৈছে। 'ৰাজধানী প্ৰসংগ'ৰ তিক্ত, উষ্ণ ধিক্কাৰো দেশপ্ৰেমৰ ইতিবাচক দিশৰ ওলোটা ফাল। অৰ্থাৎ এনে ধিক্কাৰ আৰু মৰ্মভেদী ভৰ্ৎসনাৰ জৰিয়তে যেন চলিহাই পাঠকক পাৰিলে এতিয়াও প্ৰকৃত দেশপ্ৰেমৰ পথলৈ লৈ আনিব, এনেহে তেওঁৰ মনৰ ভাব। জনান্তিকত সুধিব পাৰি, তেনেহলেনো সাহিত্যক সম্পূৰ্ণ নিঃস্বাৰ্থ, নিৰাসক্ত খেমালি বুলি কেনেকৈ ধৰা যায়? এই দেশপ্ৰেম গল্পকেইটাৰ আবেদনৰ সবল ভিত্তি।

লেখকৰ ব্যক্তিগত জীৱন লৈ কৌতূহল সৌৰভ কুমাৰ চলিহাৰ ধাৰণাত এক অপ্ৰাসংগিক আৰু ক্ষতিকৰ ব্যাপাৰ। লেখকৰ চেহেৰা তেওঁৰ ব্যক্তিগত জীৱনৰ খুটিনাটি, এইবোৰৰ লগত লেখকৰ ৰচনাৰ কোনো সম্পৰ্ক নাই বুলি তেওঁ বিৰক্ত দৃঢ়তাৰে বাৰে বাৰে ঘোষণা কৰিছে— যেনে 'এটি কথিকা' গল্পত। আমাৰ ধাৰণা যে সামাজিক আৰু সমূহীয়া মাধ্যম (যেনে ভাষা অথবা উমৈহতীয়া ৰচনা কৌশল কিছুমান অথবা কেতবোৰ ধাৰণা আৰু ভাব) ব্যৱহাৰ কৰি প্ৰতিজন লেখকেই জীৱনৰ পৰিসীমা অতিক্ৰম কৰে। তেওঁৰ কল্পনায়ো ব্যক্তিগত ক্ষেত্ৰৰ পৰা তেওঁক আঁতৰাই লৈ আহে। কিন্তু এলিয়টে যিহকে নকওক, লেখকৰ জীৱন কেৱল সাহিত্য নামৰ অনাত্মীয় বস্তু এটাৰ কেচাঁমাল নহয়। ব্যক্তিগত জীৱনৰ সাঁচ গভীৰভাৱে সাহিত্যত

পৰে— কাৰণ কাৰো ব্যক্তিগত জীৱন নিতান্ত ব্যক্তিগত নহয়। অৱশ্যে সেই প্ৰভাৱ প্ৰত্যক্ষ বা পোনপটীয়া নহয়। চলিহাৰ দেশ প্ৰেমৰ কথাটোকে ভাবক। এক বিশেষ ঐতিহাসিক কালৰ লগত তাৰ সম্পৰ্ক আছে।

সৌৰভ কুমাৰ চলিহাৰ বাল্যকাল, কৈশোৰ আৰু যৌৱন এনে সময়ত অতিবাহিত হৈছিল যি সময়ত অসমৰ আপামৰ জনসাধাৰণ স্বাধীনতা সংগ্ৰামৰ উত্তেজনা, প্ৰেৰণা সংগ্ৰামী সাহস আৰু আশাবাদত অনুপ্ৰাণিত হৈ আছিল। অহিংস কৰ্মীৰ পৰা সশস্ত্ৰ বিপ্লৱীলৈকে সকলোৱে ব্যক্তিগত আশা-আকাংক্ষাৰ অন্তৰালত দেশগঠনৰ তাগিদা অনুভৱ কৰিছিল। দেশপ্ৰেম তেতিয়া বজৰুকি আৰু ভণ্ডামি নাছিল। জাতীয়তাবাদ তেতিয়া আছিল জীৱনী শক্তিত স্পন্দিত হৈ থকা জাতীয় মনৰ অভিব্যক্তি। অথচ ইও গোপন হৈ থকা নাই যে পিছৰ দশক কেইটাত এই জাতীয়তাবাদ দ্ৰুতগতিত ৰোগাক্ৰান্ত আৰু ৰক্তহীন হৈ পৰিল। আজিতো সি প্ৰায় ধাপ্পাবাজীৰ নামান্তৰ।

এই পৰ্বান্তৰৰ কাৰণ এয়ে যে স্বাধীনতাৰ পূৰ্বে বৃটিছৰ হাতৰ পৰা অৰ্থনীতি আৰু প্ৰশাসনৰ দখল কাঢ়ি লবলৈ অসমীয়া মধ্যবিত্তই এহাতে ভাৰতৰ আন ঠাইৰ পুঁজিপতি আৰু মধ্যবিত্তৰ লগত যোগাযোগ কৰিছিল, আৰু আনহাতে অসমীয়া শ্ৰমজীৱী জনসাধাৰণৰ মাজলৈ সোমাই গৈ তেওঁলোকক উদ্দীপিত আৰু সংগঠিত কৰি আন্দোলনৰ পথলৈ আনিছিল। অসমৰ সমগ্ৰ জনসাধাৰণৰ মনতে জাতীয় ভিত্তিত দেশগঠনৰ প্ৰবল আকাংক্ষা আৰু দৃঢ় সংকল্পই ঠাই লৈছিল। কিন্তু সমগ্ৰ ভাৰত জুৰি উন্নয়ন প্ৰক্ৰিয়াই পুঁজিবাদী বিকাশৰ পথ লোৱাত প্ৰথমতে বিভিন্ন ৰাজ্যৰ উন্নয়নত ঘোৰতৰ বৈষম্যই দেখা দিলে, আৰু তাৰ লগে লগে প্ৰতিখন ৰাজ্যতে শ্ৰমজীৱী জনগনক আওহেলা কৰি স্থানীয় মধ্যবিত্তই ধন ঘটাত লাগি গ'ল। তেওঁলোকে এক স্বচ্ছল আৰু বিলাসী জীৱন যাত্ৰৰ পিনে ঢাল ললে। জাতীয়তাবাদ তেওঁলোকৰ ক্ষুদ্ৰ শ্ৰেণীগত স্বাৰ্থপূৰণৰ অস্ত্ৰত পৰিণত হ'ল। সাধাৰণ অসমীয়া মধ্যবিত্ত ইয়াতে সুখী। কিন্তু বিবেকবান আৰু অনুভূতিশীললোক এই পৰিস্থিতিত সুখী হ'ব নোৱাৰে। সৌৰভ চলিহাৰ অসুবিধা এইখিনিতে। শ্ৰেণীগতভাবে তেওঁ মধ্যবিত্ত, জীৱন দৰ্শনত তেওঁ মধ্যবিত্তৰ দৰেই ব্যক্তিগত উদ্যোগ নিষ্ঠা আৰু চৰিত্ৰত বিশ্বাসী। মাৰ্ক্সবাদ বা সমাজবাদ তেওঁৰ ধাৰণাত হয় এক উপদ্ৰৱ নহয়, এই লাঠুৱা কাৰবাৰ। যৌৱনৰ ৰাগী যোৱাৰ লগে লগে তেওঁৰ মতে সকলো ভদ্ৰলোকে মাৰ্ক্সবাদ এটা "টোট্‌কা" ঔষধ বুলি বুজি পায়। কিন্তু জাতীয়তাবাদী পথেৰে দেশ গঠনত ব্ৰতী হবলৈ খুজিও তেওঁ গপোনে গুণ্ডাৰ হাতত মাৰ খাইছে ভণ্ডৰ হাতত ঠগ খাইছে, স্বাৰ্থপৰতা, অৰ্থলোভ আৰু অতি ক্ষুদ্ৰ মনৰ ভোগবিলাসেই তাৰ লক্ষ্যস্থল হৈ পৰিছে। কোনো বুদ্ধিমান লোকে তাত মহত্ত্বৰ ৰেণুনি দেখা নাপাব।

মাজে সময়ে মধ্যবিত্ত নেতৃত্বত (যেনে ১৯৬০ৰ ভাষা আন্দোলনত, ১৯৮০ৰ বিদেশী খেদা আন্দোলনত) বিপুল জনজাগৰণ হৈছে, ত্যাগ আৰু নিষ্ঠা পুনৰ ৰাজহুৱা জীৱনত দেখা গৈছে। সৌৰভ কুমাৰ চলিহাই নহয় আমাৰ দৰে মানুহেও মোহগ্ৰস্ত হৈ ভাবিছে “শিলে সাৰ পালে নেকি?” কিন্তু নাই! সৌৰভ কুমাৰ চলিহাই নিজে নিৰ্মম ব্যংগৰ ভাষাৰে লিখিছিল: শিলে সাৰ পালে। সাৰ পাই উঠি এক কাপ চাহ খালে। তাৰ পিছত টোপনি ভালকৈ নোযোৱাত আকৌ এবাগৰ দিলে... (ভালকৈ মনত নাই।) এনে নিদাৰুণ পৰিস্থিতিত এক ষ্টয়িক দৃঢ়তা আৰু এক গভীৰ বিষাদবোধেই জীৱনৰ সুদীৰ্ঘ যাত্ৰা পাথেয় হ'বলৈ বাধ্য। সৌৰভ চলিহাৰ এটা আচৰিত ধৰণে শক্তিশালী গল্প আজিলৈকে ক'তো সংকলিত হোৱা নেদেখিলোঁ। কামৰূপীয়া উপভাষাত লিখা গল্পটোৰ নাম “হাঁহিচম্পা”। তাৰ ভাষা আৰু গ্ৰাম্য পৰিবেশ চলিহাৰ গল্পৰ অভ্যস্ত পৰিবেশতকৈ বহুত বেলেগ। আৰু এই গল্পটোত মই ভাবোঁ জীৱন সম্পৰ্কে তেখেতৰ এক আদিম আৰু মৌলিক উপলব্ধি তথা প্ৰাৰণা বিদ্যমান। সচৰাচৰ জীৱনৰ মৌকোঁহৰ ৰস বুলি ভবা শিশুৰ হাঁহি ইয়াত অপ্ৰত্যাশিতভাৱে জীৱনৰ ভয়ংকৰ আৰু নিষ্ঠুৰ সম্ভাৱনাৰ নিগূঢ় প্ৰতীক হৈ পৰিছে। সেই নিষ্ঠুৰতাৰ অনুভূতি গভীৰ বঞ্চনাৰ ব্যথা, খেদ আৰু বিষাদেৰে সিক্ত। মানুহৰ সকলো আকুল আকাংক্ষা আৰু আশা জীৱনে কি দৰে হৃদয়হীন ব্যংগৰে চুৰমাৰ কৰে তাৰ এক প্ৰায় অসহনীয় আৰু হৃদয়বিদাৰী ব্যঞ্জনা গল্পটোৰ প্ৰধান ভাবাবেগ। যেন এক অতি নিৰ্মম, প্ৰাকৃতিক নিয়মৰ দৰে অমোঘ, মানুহৰ আশা আৰু সপোনৰ প্ৰতি অন্ধ নিয়তি বিশ্বসংসাৰৰ চালিকাশক্তি। সকলো উদ্যম, সকলো প্ৰচেষ্টাৰ অন্তৰালত এই উপলব্ধিৰ কুটিল হাঁহি লেখকে যেন অনুভৱ কৰিছে। এয়েই ইতিহাস আৰু এয়েই দৈৱ।

অৱশ্যে এই ট্ৰেজিক বিষাদবোধেই তেওঁৰ সাহিত্যৰ একমাত্ৰ একঘেঁয়ে সুৰ নহয়। নেপথ্যত তাৰ সঁকীয়নি যিমানেই ভয়ংকৰ নহওক, জীৱন মঞ্চৰ আলোকিত অংশত আশা, উৎসাহ, আকাংক্ষা আৰু প্ৰচেষ্টা মানুহৰ বাবে নিতান্ত স্বাভাৱিক নিতান্ত পৰিচিত। দৈৱৰ ভ্ৰুকুটিৰ সমুখত এই মনুষ্যত্ব সৌৰভ কুমাৰ চলিহাই বিসৰ্জন দিব খোজা নাই। ‘কুৰিত ভৰি দিওঁতে’ গল্পটোত যৌৱনৰ অদম্য উৎসাহ, বিশ্বাস, নিৰ্মল প্ৰেৰণা আৰু সপোন জীৱনৰ এক পুনৰাবৃত্ত আৰু চিৰন্তন অৱদান হিচাবে দেখুৱা হৈছে— যদিও বয়স, সংসাৰৰ ঘাত-প্ৰতিঘাত, বিশ্ব চৰাচৰৰ আমোঘ নিয়ম। সকলো মিলি যৌৱনৰ সেই চপচপীয়া পুখুৰী শুকাই পেলায় এদিন নহয় এদিন। গল্পটোৰ জছেফ কনৰাডৰ Youth গল্পটোলৈ মনত পেলায়। ৰক্ষণশীল, বিষাদপ্ৰৱণ, সংশয়মথিত মানবতাবাদী কনৰাডেও তেওঁৰ এই গল্পটোত যৌৱনৰ উপহাৰৰ প্ৰতি কৃতজ্ঞতা নিবেদন

কৰিছে। লণ্ডন— আধুনিক বিশ্বৰ এক উন্নত, বিশাল, কৰ্মচঞ্চল মহানগৰ— কিছুমান প্ৰবাসী ভাৰতীয় যুৱকে জীৱনৰ পৰা আশা কৰা ঐশ্বৰ্য্যৰ তথা তেওঁলোকৰ অভিযাত্ৰী মনৰ অপাৰ দিগন্তৰ মোহময় প্ৰতীক। সেই লণ্ডন এতিয়া অৱশ্যে স্মৃতিৰ ধূলিৰে ধূসৰ। এক সংকীৰ্ণ, নিস্তৰংগ, নিৰুদ্যম পৰিবেশত প্ৰাত্যহিক কৰ্মকাণ্ডত তেওঁ এতিয়া বন্দী। কিন্তু লণ্ডনৰ সেই হাত বাউলি মিছা নাছিল।

অসম বাণী ১৯৮৮ অক্টোবৰ

# নতুন সমালোচনাৰ যৱনিকা

নতুন সমালোচনাৰ অৱদান বিচাৰ কৰিবলৈ গ'লে তাৰ এটা বৈশিষ্ট্যত গুৰুত্ব নিদিয়াকৈ থাকিব নোৱাৰি সেইটো হৈছে কাব্যৰ ভাষাৰ ওপৰত দিয়া নিবিড় মনোনিবেশ।

নতুন সমালোচনাৰ এজন পথপ্ৰদৰ্শক আই, এ ৰিচাৰ্ড্ছে কাব্যৰ স্বকীয়তা সূত্ৰবদ্ধ কৰিব খুজিছে বিজ্ঞানৰ ভাষাৰ লগত কাব্যৰ ভাষাৰ পাৰ্থক্যৰ সহায়ত। বিজ্ঞানৰ ভাষা হ'ল Referential (জ্ঞানধৰ্মী), কিন্তু কাব্যৰ ভাষা হ'ল Emotive (ভাবধৰ্মী)। কাব্য অৱশ্যে কেৱল কেতবোৰ উচ্ছ্বাস বা আবেগৰ উদগীৰণ নহয়, তাত নানাধৰণৰ উক্তি বা (Statement) থাকে। কিন্তু শেষ বিচাৰত এইবোৰ উক্তি উক্তিপ্ৰপঞ্চ (Pseudo-statement) মাত্ৰ। কাব্যৰ ভাষাৰ উৎকৰ্ষ আছে বিভিন্ন মানসিক সঁহাৰিৰ (Impulse) জটিল বিন্যাসৰ পৰা। এই জটিল বিন্যাস পাঠকে উপলব্ধি আৰু উপভোগ কৰে অৰ্থৰ জটিল সংগঠন হিচাপে।

আচৰিত নহয় চিত্ৰকল্পই (Image) কবিতাৰ বিশেষ লক্ষণ বুলি থকা ধাৰণাটো ৰিচাৰ্ড্ছে প্ৰত্যাখ্যান কৰিছিল। কাব্যৰ চিত্ৰকল্পই আমাৰ ইন্দ্ৰিয়সমূহক সঞ্জীৱিত নকৰে। বৰং সি কাব্যিক অৰ্থ প্ৰকাশৰ এবিধ সৰঞ্জাম মাত্ৰ। কিন্তু এনেদৰে কাব্যত প্ৰকাশ পোৱা অৰ্থই বাস্তৱ বা বিশ্বচৰাচৰৰ বিষয়ে জ্ঞান নিদিয়ে, বৰং সি মনৰ আবেগ-অনুভূতিৰ কিছুমান গঢ়হে মূৰ্ত্ত কৰি তোলে। সেয়ে সি ভাবধৰ্মী (Emotive) অৰ্থাৎ ৰোমান্তিক সাহিত্যতত্ত্বই আবেগ-অনুভূতিৰ ওপৰত দিয়া প্ৰাধান্য কিছুপৰিমাণে ৰিচাৰ্ড্ছৰ তত্ত্বত বাচি ৰ'ল। কিন্তু ৰোমান্তিকসকলে তেনে আবেগ-অনুভূতি বাস্তৱ সত্যৰ প্ৰধান অংগ বুলি কৰা ঘোষণা তেওঁ মানি লোৱা নাছিল। আবেগ-অনুভূতিত গা উটাই দি তেওঁৰ মতে কবিতা পাঠ কৰিব নোৱাৰি। বৰং কবিতাৰ ভাষা তথা অৰ্থৰ প্ৰতি নিবিড় মনোযোগ দিলেহে সি আমাৰ ভাবজগৎ বা অনুভূতিলোকক যথাৰ্থভাবে প্ৰভাবিত কৰিব পাৰে। এনেকৈয়ে ৰোমান্তিক ভাবাশ্ৰয়িতাৰ পৰা কাব্যৰ তাত্ত্বিক আলোচনা মুক্ত হ'ব পাৰিলে।

ৰিচাৰ্ড্ছৰ শিষ্য উইলিয়াম এম্পছনে ৰিচাৰ্ড্ছৰ তত্ত্বৰ ভাবাশ্ৰয়ী দিশটো

সম্পূৰ্ণ আওকাণ কৰি কেৱল তাৰ অৰ্থবৈচিত্ৰ্য আৰু দ্ব্যৰ্থবাচকতাৰ ওপৰতে জোৰ দিলে। ৰিচাৰ্ড্‌ছে উল্লেখ কৰা ভাববিন্যাসৰ জটিলতাৰ ব্যৱহাৰ তেওঁ এনে ধৰণেই কৰিলে। এনেকৈয়ে কাব্যৰ ভাষা অন্যান্য ধৰণৰ ভাষা ব্যৱহাৰতকৈ বেলেগ বুলি প্ৰমাণিত হ'বলৈ ধৰিলে।

আমেৰিকাত নব্যসমালোচনাৰ অন্যতম মুখ্য প্ৰবক্তা ক্লে'য়াছ্ ব্ৰুক্‌ছে দুটা নতুন সংজ্ঞাৰে কাব্যৰ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰিলে এই ধাৰাৰে আন এক পৰ্যায়ত। তেওঁ ক'লে যে কাব্যৰ ভাষাৰ গদ্যানুলেখন (Paraghrase) সম্ভৱ নহয়, কাৰণ কাব্যৰ ভাষা বহুতাৰ্থবিশিষ্ট, আত্মসমীক্ষামূলক (Ironic) আৰু প্ৰায় স্ববিৰোধী (Paradoxical)। সি আমাৰ অভিজ্ঞতাৰ জটিল আৰু ঘনীভূত স্বৰূপ প্ৰকাশ কৰে। আনহাতে বিজ্ঞানে অভিজ্ঞতাৰ সৰলীকৰণ কৰি বিমূৰ্ত্ত সূত্ৰৰ সহায়েৰে তাক বুজিবলৈ যত্ন কৰে।

এইটো এক উল্লেখযোগ্য ঘটনা যে এই ধাৰাৰ উদ্ভৱ হোৱাৰ কিছুকাল আগৰে পৰা ৰুছ দেশত কাব্যৰ ভাষাৰ বিজ্ঞানসম্মত অধ্যয়ন কৰিবলৈ আৰু এক বিদ্বৎমণ্ডলীয়ে চেষ্টা* কৰিছিল। তেওঁলোকৰ কিছুমান সিদ্ধান্ত ৰিচাৰ্ড্‌ছ আদিৰ লগত মিলে, কিছুমান সম্পূৰ্ণ বেলেগ। আনকি কাব্যৰ ভাষা অধ্যয়ন কৰি তাক বিজ্ঞানসম্মত সূত্ৰত পৰিণত কৰিবলৈ এটা অধ্যয়নচক্ৰও (OPOYAZ) গঠিত হৈছিল। তেওঁলোকেও কাব্যৰ বিষয়বস্তু আৰু চিত্ৰকল্প আদি ইতিপূৰ্বে কাব্যৰ সংজ্ঞায়নত (Definiton) ব্যৱহাৰ হোৱা উপাদানবোৰ গৌণ বুলি নাকচ কৰিছিল। Formalist (ৰূপকল্পবাদী) বুলি জনাজাত এই পণ্ডিতমণ্ডলীৰ অন্যতম নেতা ষ্ক্লফস্কিৰ মতে সাহিত্যৰ বিশেষ ধৰ্ম (Literariness = LITERATURNOST) অধ্যয়ন কৰিলেই সাহিত্যৰ স্বৰূপ বুজা যাব। এই বিশেষ ধৰ্ম হ'ল ভাষাৰ এক সুকীয়া ব্যৱহাৰ। এই ব্যৱহাৰ দৈনন্দিন ব্যৱহাৰৰ ওলোটা মেৰুত। আমাৰ প্ৰাত্যহিক জীৱনৰ সঘন ব্যৱহাৰত ভাষা ভোঁটা হৈ পৰে। আমি আমাৰ চৌপাশৰ বিশ্বজগৎ সম্পৰ্কে ক্ৰমে অচেতন হৈ পৰোঁ আৰু ব্যৱহাৰিক ভাষাৰ পৰিসীমাৰ মাজত অৰ্দ্ধচেতনভাবে কাল কটাওঁ। কাব্যত ভাষাৰ সুকীয়া ধৰণৰ ব্যৱহাৰে এই পৰিচিত আৰু ধূসৰ হৈ পৰা জগৎখনক হঠাতে অপৰিচিত আৰু আচৰিত কৰি তোলে— ৰুছভাষাত এই পৰিণামটোৰ নাম হৈছে (OSTRANENIYE = ESTRANGEMENT) বা DEFAMILIARIZATION. কাব্যত এই অপৰিচায়ন বা অনাত্মীয়কৰণ প্ৰক্ৰিয়া অধিক ঘনীভূত হয়। ফলত যান্ত্ৰিক সঁহাৰিৰ পৰা মুকলি হৈ জীৱন্তভাবে আমাৰ মনে বিশ্বজগতক প্ৰত্যক্ষ কৰে, উপলব্ধি কৰে। উনুকিয়াব পাৰি যে ৰিচাৰ্ড্‌ছৰ Stock Responseৰ ধাৰণাৰ লগত ইয়াৰ সাদৃশ্য আছে।

আন এজন নেতা ৰোমান য়াকব্‌ছনে (Roman Jakabson) ক'লে যে কাব্যৰ ভাষাৰ প্ৰধান গুণ হৈছে স্বয়ংসম্পূৰ্ণতা বা স্বনিৰ্ভৰতা। সচৰাচৰ

ব্যৱহাৰিক ভাষাত শব্দক কোনো Referent বা বাচ্যৰ লগত একাত্ম বুলি ধৰা হৈ থাকে— যেন "কিতাপ" শব্দটো তাৰ বাচ্য, কাগজত ছপা কৰা কিতাপখনৰ লগত অভিন্ন। এই অচেতন বিশ্বাসটোত জোঁকাৰ খুৱায় কাব্যত ভাষাৰ বিশেষত্বই। কবিতাত ভাষা এনেধৰণে ব্যৱহাৰ কৰা হয় যে পৰিচিত জগৎখনৰ লগত পোনপটীয়া সম্পৰ্ক নৰখাকৈ সি এক অৰ্থপূৰ্ণ জগৎ, এক কল্পলোক সৃষ্টি কৰিব পাৰে। ফলত শব্দক তাৰ সাংকেতিক স্বৰূপত পাঠকে উপলব্ধি কৰিব পৰা হয়। এই পৰিণাম সৃষ্টিৰ বাবে অৱশ্যে ভাষাৰ কেতবোৰ বিশেষ কৌশলৰ প্ৰয়োজন হয়। তেওঁৰ মতে কাব্যৰ ৰীতি হৈছে দৈনন্দিন সাধাৰণ ভাষাৰ ওপৰত প্ৰণালিবদ্ধ বলপ্ৰয়োগ। ব্যাকৰণৰ সঁজুলিৰে কবিতাৰ বিশ্লেষণ কৰি এটা কবিতাৰ স্বকীয় বৈশিষ্ট্য প্ৰতিপন্ন কৰাই তেওঁৰ প্ৰধান কৃতিত্ব।

Formalist সকলে কাব্যৰ বিষয়বস্তুৰ ওপৰত বা জীৱনবোধৰ ওপৰত গুৰুত্ব নিদি তাৰ গঠনপ্ৰণালী আৰু সুকীয়া ভাষাৰীতিৰ ওপৰত গুৰুত্ব দিছিল। সেইবাবে দাৰ্শনিক ব্যাখ্যা অথবা নান্দনিক ভাবোচ্ছ্বাসৰ পৰা মুক্ত বিশ্লেষণাত্মক পৰিভাষা এটা উদ্ভাৱন কৰিবলৈ তেওঁলোক উদ্যোগী হৈছিল। "Device" বা নিৰ্মাণকৌশলৰ বিশ্লেষণতে তেওঁলোকে বেছি গুৰুত্ব দিছিল।

এইখিনিতে প্ৰাচীন ভাৰতীয় অলংকাৰশাস্ত্ৰৰ উল্লেখ অপ্ৰাসংগিক নহ'ব। ইউৰোপীয় আধুনিক সুধীসকলৰ বহুশতাব্দী আগতে ভাৰততো কাব্যিক ভাষাৰ বিশেষত্ব নিৰ্ণয় কৰাৰ চেষ্টা চলিছিল। নৱম শতিকাত ৰচিত আনন্দ বৰ্দ্ধনৰ ধ্বন্যালোকত কাব্যৰ বৈশিষ্ট্য "ধ্বনি" বুলি সূত্ৰায়ন কৰা হৈছে। ধ্বনি হৈছে সেইধৰণৰ কাব্যিক অৰ্থ বা ব্যঞ্জনা যি শব্দৰ প্ৰত্যক্ষ অৰ্থৰ ওপৰতো অতিৰিক্ত মহিমা হিচাবে বিৰাজ কৰে। কেৱল অভিধান আৰু ব্যাকৰণৰ জ্ঞানেৰে কাব্যৰ অৰ্থ বুজা নাযায়—

শব্দাৰ্থশাসনজ্ঞানমাত্ৰেনৈৱ ন ৱেদ্যতে। অৱশ্যে ধ্বন্যালোকৰ প্ৰথম শ্লোকতে আনন্দবৰ্দ্ধনে কৈছে যে বাচ্যাৰ্থৰ জৰীয়তেহে ৰসিক পাঠকে কাব্যৰ ধ্বনিময় অৰ্থত উপনীত হ'ব পাৰে— যেনেকৈ এন্ধাৰত দেখিবলৈ মানুহে চাকিৰ পোহৰৰ সহায় লয়, তেনেকৈ বাচ্যাৰ্থৰ জৰীয়তে তাৰ উৰ্দ্ধত থকা ব্যঞ্জনাৰ লগ পাব পাৰি।

আলোকাৰ্থী যথা দীপশিখায়াং যত্নৱাঞ্জনঃ।
তদুপায়তয়া তদ্বদৰ্থে বাচ্যে তদাদৃতঃ।
যথা পদাৰ্থদ্বাৰেণ বাক্যাৰ্থঃ সংপ্ৰতীয়তে।
বাচ্যাৰ্থপূৰ্বিকা তদ্বৎপ্ৰতিপত্তস্য বস্তুনঃ॥

... ... ...

তত্ত্বং সচেতসাং সোহৰ্থো বাচ্যাৰ্থ বিমুখাত্মনাম্।

... ... ...

যত্ৰাৰ্থঃ শব্দো বা তমুপসৰ্জনীকৃতস্বাৰ্থৌ।
ব্যঙ্ক্তঃ কাব্যবিশেষঃ স ধ্বনিৰিতি সূৰিভিঃ কথিতঃ॥

কিন্তু ধ্বনিৰ যিবোৰ উদাহৰণ অভিনৱগুপ্ত আদি পণ্ডিতসকলে দিছে সেইবোৰ বৰ চিত্তাকৰ্ষক নহয়:

সুবৰ্ণপুষ্পং পৃথিবীং চিন্বন্তি পুৰুষাস্ত্ৰয়ঃ।
শূৰশ্চ, কৃতবিদ্যশ্চ, যশ্চ জানাতি সেৱিতুম্॥

* * *

এৱং ৱাদিনি দেৱৰ্ষৌ পাৰ্শ্বে পিতুৰধোমুখী।
লীলাকমলপত্ৰাণি গণয়ামাস পাৰ্বতী॥

["সোণৰ ফুল সদৃশ পৃথিৱীক তিনিবিধ পুৰুষে ছিঙি লব পাৰে— বীৰপুৰুষ, কৃতবিদ্যলোক, আৰু সেৱা কৰিব জনা লোকে।" ইয়াত পৃথিৱী অৰ্থাৎ পাৰ্থিব সুখ-সমৃদ্ধিক সোণৰ ফুলৰ দৰে মূল্যবান আৰু লোভনীয় বুলি বুজোৱা হৈছে।

* * *

দেৱৰ্ষি নাৰদে এনেদৰে কোৱাত তলমূৰকৈ থকা পাৰ্বতীয়ে লীলাকমলৰ পাপৰিবোৰ লিৰিকি-বিদাৰি চাবলৈ ধৰিলে।

পাৰ্বতীয়ে শিৱক লাভ কৰিবলৈ তপস্যাত বহিছিল। কিন্তু দেৱৰ্ষি নাৰদে সেই শিৱৰ পৰাই বিয়াৰ প্ৰস্তাৱ লৈ অহাত লাজতে তলমূৰকৈ তেওঁ লীলাপদ্মৰ পাপৰিবোৰ হাতেৰে লিৰিকি-বিদাৰি মনৰ উত্তেজনা গোপন কৰিছিল]

আচৰিত নহয় যে ধ্বনিবাদৰ চোকা সমালোচক মহিমভট্টই কৈছে যে ধ্বনি বুলি বেলেগ একপ্ৰকাৰৰ বৃত্তিৰ কল্পনা কৰা দৰকাৰ নাই। অনুমাণৰ সহায়েৰেই এনে অভিপ্ৰেত অৰ্থ বুজিব পাৰি।

Formalist সকলৰ তত্ত্বৰ ওচৰ-চুবুৰীয়া হ'ল বক্ৰোক্তিবাদ। ভামহ, দণ্ডী, কুন্তক, আদি তাৰ প্ৰধান প্ৰবক্তা (ভামহঃ কাব্যালংকাৰ; কুন্তকঃ বক্ৰোক্তিজীৱিত)। এওঁলোকৰ মতে কাব্যৰ ভাষাৰ সাধাৰণ লক্ষণ হৈছে বক্ৰোক্তি, সি এবিধ অলংকাৰমাত্ৰ নহয়। বক্ৰোক্তিহীন ভাষা নীৰস বৰ্ণনা বা বাৰ্ত্তাঃ

গতোহস্তমৰ্কো ভাতীন্দু যান্তি বাসায় পক্ষিণঃ।

ইত্যেবমাদি কিং কাব্যম্? বার্ত্তামেনাং প্রচক্ষতে॥

এই জৈৱিক ঐক্যটো ধৰিব পাৰিবলৈ পাঠক হ'ব লাগিব অধ্যয়নপুষ্ট মনৰ অধিকাৰী, ৰুচিবান, বিচাৰক্ষম। শব্দ আৰু পংক্তিৰ বিশেষ যোগাযোগ আৰু সজ্জাৰ পৰাই পাঠকে তাৰ জৈৱিক ঐক্য উপলব্ধি কৰিব পাৰিব লাগিব। সেয়ে কবিতাৰ পাঠটোৰ ওপৰত— Words on the page ৰ ওপৰত— একাগ্ৰ মনোনিবেশৰ গুৰুত্ব ইমান বেছি। যাতে কবিতাটোৰ শব্দগত ৰূপটোক আন খেলিমেলি লগাব পৰা উপাদানৰ পৰা পৰিশোধিত কৰিব পাৰি। বিচাৰ্ড্‌ছে কৈছে Stock Resonse (বাজহুৱা গতানুগতিক প্ৰতিক্ৰিয়া) আৰু Sentimentality (ব্যক্তিগত ভাবালুতা)— এই দুই উপাদানে কবিতাৰ আচল ৰূপ অৱধান কৰাত বিঘিনি জন্মায়। সেয়ে সুশৃংখল আৰু কঠোৰ অনুশীলনেৰে কবিতাৰ পাঠ (text)টোৰ প্ৰতি মনোযোগ দিয়াৰ অভ্যাস কৰা উচিত।

অসুবিধা এইখিনিতে যে বহু ৰসিক পাঠকে একেটা পাঠৰ পৰা বেলেগ বেলেগ ৰূপৰ ধাৰণা কৰা দেখা যায়। তেনেকৈ বিভিন্ন যুগত একেটা পাঠৰ অৰ্থ বেলেগ বেলেগ হোৱা লক্ষ্য কৰিব পাৰি। অৰ্থাৎ কাব্যৰ ৰূপ কোনো স্বয়ংনিৰ্ভৰ বস্তু নহয়, বিষয়গত (objective) সত্য নহয়। প্ৰত্যেক পাঠকৰে বা পাঠকসমাজৰে মানসিক গঠন তথা পূৰ্বাৰোপিত ধ্যান-ধাৰণাই কবিতাটোৰ অৰ্থ তথা ৰূপনিৰ্দ্ধাৰণত সহায় কৰে। প্ৰত্যেকেই একোটা কবিতাৰ বেলেগ বেলেগ অংগত অধিক গুৰুত্ব দিয়া দেখা যায়। অৰ্থাৎ কবিতাৰ জৈৱিক ৰূপ তাৰ অৰ্থৰ মনোযোগী বিশ্লেষণেৰে উন্মোচন কৰাটো বোধহয় এক অলীক; অবাস্তৱ লক্ষ্য।

তদুপৰি জৈৱিক ঐক্যৰ ধাৰণাই কবিতা বা সাহিত্যকৰ্মৰ আন কিছুমান দিশ আওকাণ কৰে। যেনে ধৰক Convention বা প্ৰথাগত ৰীতি আৰু Gense বা প্ৰকাৰভেদৰ ধাৰণা। এটা ছনে'ট আৰু এখন মহাকাব্যৰ ভাষাগত সংগঠন একে বুলিলে নিশ্চয় ভুল হ'ব। তেনেকৈ বিভিন্ন যুগৰ নাটক আদিত কিছুমান Convention বা দস্তুৰ থাকে। শ্বেক্সপীয়াৰৰ কমে'ডি বা "মধুৰেণ সমাপয়েৎ" হ'বই লাগিব। ফলত Measure for Measure আৰু As You Like Itত শেষত হোৱা বিয়া দুখনমানে পাঠকক বিব্ৰত কৰে। অষ্টাদশ আৰু উনবিংশ শতাব্দীৰ কবিসকলে বহুসময়ত নিৰ্বিবাদে সেইবোৰ অনুসৰণ কৰিছিল।

যদিও ধৰি লোৱা হয় যে এটা কবিতাৰ এক অবিনশ্বৰ, অপৰিৱৰ্ত্তনীয় ৰূপ আছে, ৰসিক পাঠকে যাক যিকোনো মুহূৰ্ত্তত প্ৰত্যক্ষ কৰিব পাৰে— তথাপি ক'ব লাগিব যে কবিতাক ইতিহাসৰ প্ৰক্ৰিয়াৰ পৰা ইমান সহজে মুকলি কৰিব নোৱাৰি। পাঠকৰ মানসিক গঠনৰ সাঁচ তৈয়াৰ হয় ইতিহাসৰ গতিত। ইতিহাসে একোটা পাঠৰ ৰূপনিৰ্দ্ধাৰণত প্ৰভাৱ পেলায়। একোটা

কবিতাৰ অৰ্থ সৃষ্টি হ্বৰ সময়তো ইতিহাসৰ প্ৰভাৱ থাকে। সেইবোৰ সমূলি বাদ দিও কবিতাটো পঢ়িব পাৰি হয়তো। কিন্তু তেতিয়া কবিতাটো এক বিমূৰ্ত্ত শব্দঝংকাৰ বা শব্দৰ এক বিচিত্ৰ লীলাতে আবদ্ধ হৈ যায়। পাঠকে কবিতাত তাতে সন্তুষ্ট নহয়, তেওঁ বিচাৰে জীৱনবোধৰ প্ৰকাশ। আৰু জীৱনবোধ— লেখকৰ হওক, পাঠকৰ হওক— ইতিহাসৰ উৰ্দ্ধত নহয়।

সমালোচক সকলে ইতিহাসৰ প্ৰভাৱ দুইধৰণে দেখিছে। ৰক্ষণশীল সমালোচকসকলে কবিতাত এক সনাতন জীৱনবোধ তথা মূল্যবোধৰ প্ৰকাশ অনুভৱ কৰে। এফ্ আৰ্ লীভিছে পৰম্পৰাগত জীৱনবোধ ইংৰাজী কাব্যত বিচাৰি পাইছে। তাৰ লক্ষ্য হৈছে জীৱনৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু অনুৰাগ, অভিজ্ঞতাৰ প্ৰতি উন্মুক্ত মনোভাৱ, নৈতিকবোধৰ প্ৰতি হ্বাবিশ্বাস। কবিতা স্বয়ংসম্পূৰ্ণ নহয়। তাৰ নিজস্ব ৰূপৰ আধাৰ হৈছে এক আধ্যাত্মিক, নৈতিক পৰম্পৰা বা সংস্কৃতি।

আন এচামৰ মতে প্ৰতি ঐতিহাসিক মুহূৰ্ত্ত ৰূপান্তৰৰ মুহূৰ্ত্ত। নতুন ৰূপত সি অতীতক সজায়-পৰায়। শাশ্বত কোনো মূল্যবোধ নাই; পৰিবৰ্ত্তনহে চূড়ান্ত সত্য। পৰিবৰ্ত্তনশীল ঐতিহ্যই কবিতাৰ মাধ্যমেৰে আত্মপ্ৰকাশ কৰে।

তেন্তে কাব্যৰ উপজীব্য কি? কড্ৱে'লৰ মতে সি মানুহৰ আবেগিক জীৱনৰ, হৃদয়বৃত্তিৰ বিকাশৰ প্ৰকাশ। লুকাচ্চৰ মতে সি সমাজ-সত্যৰ সাৰ্বিক প্ৰতিফলন— যি প্ৰতিফলন বিশেষ আৰু সাধাৰণৰ অসামান্য সমন্বয়।

অৱশ্যে "নতুন সমালোচনা"ৰ এই সকলো ধ্যান-ধাৰণা প্ৰত্যাহ্বান জনাই সমালোচনাৰ এক পৃথক পৰিভাষা আৰু দৰ্শন প্ৰতিষ্ঠা কৰিছে গঠনতন্ত্ৰবাদে (Structuralism)। সেই বিষয়ে আকৌ কেতিয়াবা আলোচনা কৰিম। (১৯৮৮ চনৰ Academic Staff Collegeৰ আগত দিয়া বক্তৃতা)

# হেমাংগ বিশ্বাসৰ স্মৃতি

১৯৬৯ চন। ডিব্ৰুগড়ৰ ওচৰত টিংখং নামৰ সৰু চহৰত এখনত সাম্যবাদ সম্পৰ্কে এখন ৰাজহুৱা সভা হৈছে। বিশ্ববিদ্যালয়ৰ পৰা আমি দুজনমান অধ্যাপকো বক্তা হিচাবে নিমন্ত্ৰিত হৈছোঁ। আমি বাহিৰৰ বক্তা কিজনে সবিস্ময়ে লক্ষ্য কৰিছোঁ যে স্থানীয় বক্তাসকলে সাম্যবাদ সম্পৰ্কে আমাতকৈ পৰিষ্কাৰ আৰু বলিষ্ঠ বক্তব্য ৰাখিব পাৰিছে। তাৰে এজন আদহীয়া মুছলমান ভদ্ৰলোক, সমাজবাদী দলৰ কৰ্মী। তেখেতে গভীৰ শ্ৰদ্ধাৰে হেমাংগ বিশ্বাসৰ-নাম উল্লেখ কৰিলে আৰু বিশ্বাসৰ উক্তি এটা উদ্ধৃত কৰি শ্ৰোতা সমাজক মুগ্ধ কৰিলে। সভাৰ শেষত এগৰাকী ভদ্ৰমহিলা চিনাকি হ'বলৈ আগবাঢ়ি আহিল। নিজকে সত্য দাসৰ পৰিবাৰ বুলি চিনাকি দিলে আৰু সগৌৰৱে হেমাংগ বিশ্বাসৰ একালৰ সহকৰ্মী বুলি ঘোষণা কৰিলে।।

হেমাংগ বিশ্বাসক সৰুতে গুৱাহাটীত দেখিছিলোঁ। গণ নাট্যসংঘৰ সংগঠক আৰু নেতা বুলি জানিছিলোঁ। তাৰ প্ৰায় ষোল্ল বছৰ পিছত টিংখঙৰ সেই সৰু সভাত তেখেতৰ নাম শুনিছিলোঁ। ইমান দিনে অসমৰ মানুহে যে তেওঁৰ সজীৱ স্মৃতি হৃদয়ত ধাৰণ কৰি আছে, ভবাই নাছিলোঁ। তেওঁৰ বিয়োগৰ পিছত কৰ্তৃত্বশীল মহল আৰু ন্যস্ত স্বাৰ্থৰ নানা বাধা আৰু বিৰোধিতা সত্ত্বেও অসমৰ ৰাইজে তেওঁৰ স্মৃতিত হুমুনিয়হ কাঢ়ি আৰু অন্তৰ ভৰা শ্ৰদ্ধা নিবেদন কৰি জাননী দিছে যে হেমাংগ বিশ্বাসৰ অৱদান অসমে অন্ততঃ পাহৰিব নোৱাৰে। কলিকতাত ঘৰ বান্ধিলেও তেওঁৰ মন পৰি আছিল অসমত। তেওঁৰ পৰিবাৰ শ্ৰদ্ধেয়া ৰাণুবৌদিয়েও অলপতে এখন চিঠি লেখি সেই কথাই আমাক জনাইছে।

কলিকতাত "কল্লোল," "তীৰ" প্ৰভৃতি বিপ্লৱী নাটকৰ সংগীত পৰিচালক হিচাবে পৰিচিত আৰু "নক্সালপন্থী" (বা "চীনপন্থী") বুদ্ধিজীৱী হিচাবে স্বীকৃত হ'লেও অসমৰ দৰে তেওঁ সাংস্কৃতিক জননায়ক তথা গণশিল্পী হিচাবে সিমান বিখ্যাত নাছিল। কলিকতাৰ সামাজিক তথা ৰাজনৈতিক পৰিবেশত তেখেতে প্ৰাণ ঢালি কাম কৰাৰ অৱকাশ পোৱা নাছিল। তেখেতৰ স্বাস্থ্যও আছিল তাৰ বাবে কিছু দায়ী। কিন্তু সাম্যবাদী ৰাজনীতিৰ তথা বামপন্থী ৰাজনীতিৰ দলাদলিৰ মাজত তেখেতৰ দৰে সৎ বিবেকবান, সহৃদয় লোক কিছু অস্পৃশ্য

হৈ পৰাটোও আছিল অৱধাৰিত। ক্ষমতাৰ ৰাজনীতিৰ পৰা তেওঁ আছিল সাতহাত দূৰৈত।

'চোভিয়েট' ৰুছিয়াৰ নীতিৰ লগত মতবিৰোধ ঘটাত পৰিয়ালৰ আৰ্থিক বিপৰ্যয় নিশ্চিত জানিও "চোভিয়েট দেশ"ৰ উচ্চ বেতনৰ চাকৰি তেওঁ হেলাৰঙে এৰি দিছিল। তাৰ পিছত নক্সালপন্থীসকলৰ হঠকাৰিতাৰ বাবে চীনৰ বিপ্লৱীক্ষা আৰু বিপ্লৱী ৰাজনীতিৰ প্ৰতি শ্ৰদ্ধা সত্ত্বেও তেওঁ নক্সালপন্থী ৰাজনীতিত সক্ৰিয় হ'ব নোৱাৰিলে। তাৰ ঠাইত তেওঁ ড° কোটনিছ স্মাৰক কমিটি আৰু ভাৰত চীন মৈত্ৰী সংঘৰ যোগেদি বিপ্লৱী চীনৰ লগত ভাৰতৰ যোগাযোগ তথা সম্পৰ্ক স্বাভাৱিক কৰা কামত আত্মনিয়োগ কৰে। স্বাভাৱিকতে চীনবিৰোধী সকলৰ বিষদৃষ্টি তেওঁৰ ওপৰত পৰে। অসমত তেওঁক সকলোৱে ভালদৰে চিনি পায় আৰু ওচৰৰ পৰা চিনি পায় বাবে সেই অভিযান বিশেষ সফল নহ'ল। (তেখেতৰ অনুৰাগী হিচাবে আমি কেইজনমানেও সেই ক্ষেত্ৰত কিছুমান ব্যৱস্থা লৈছিলোঁ।) কিন্তু পশ্চিম বংগত এই বিষাক্ত অভিযান ভালদৰে চলিল। আনকি গণনাট্যসংঘত তেঁওৰ অৱদান লঘু কৰিবলৈ, তেওঁ লেখা বিখ্যাত গানবোৰ লোকৰ ৰচনা, নকল, আদি বুলি প্ৰচাৰ কৰিবলৈ প্ৰণালীবদ্ধ প্ৰচেষ্টা চলিল। মানসিকভাবে তেওঁ মৰ্মাহত হ'ল যেতিয়া তেওঁৰ স্নেহধন্য ভূতপূৰ্ব সহকৰ্মী কিছুমানে চীনবিৰোধী শক্তি সমূহৰ দালাল হিচাবে এই প্ৰচাৰত যোগ দিলে। হেমাংগ বিশ্বাস সাক্ষীবাদী সমুখত ৰাখি তথা প্ৰমাণৰ ফাইল ৰাখি, দেশসেৱা কৰা মানুহ নাছিল। বহুসময়ত নিজে লেখা বস্তুও ৰাজনৈতিক প্ৰয়োজনত আনৰ নামত চলাই দিছিল। পিছত যে তেনে ঘটনাই উভতি আহি "নকলবাজী"ৰ প্ৰমাণ হিচাবে তেওঁক বিব্ৰত কৰিব পাৰে, তেওঁ ভাবিবই পৰা নাছিল। কিন্তু "কুলখুৰাৰ চোতাল" যেয়ে পঢ়িছে সিয়েই তৎক্ষণাৎ উপলব্ধি কৰিব যে জনজণৰ প্ৰতি গভীৰ আস্থা, শ্ৰদ্ধা, মমতা থকা, সৃষ্টি শক্তিত বলীয়ান এই মানুহজনৰ বিৰুদ্ধে এনে ধৰণৰ অপবাদ কেনে জঘন্য অপৰাধ!

কিন্তু বিপ্লৱী চীনৰ আদৰ্শত মুগ্ধ বিশ্বাস কেতিয়াও চীনৰ দালাল হৈ পৰা নাছিল। আমাৰ কিছুমান মেৰুদণ্ডহীন, সুযোগসন্ধানী লেখক আমেৰিকা ঘূৰি আহি আমেৰিকাৰ দালাল আৰু ৰুছিয়া ঘূৰি আহি ৰুছিয়াৰ লেমটোত পৰিণত হয়। কিন্তু বিশ্বাসৰ চীন-প্ৰীতি আছিল আদৰ্শ নিষ্ঠাৰ প্ৰকাশ। আদৰ্শগত প্ৰশ্নত চীনৰ নেতৃত্বৰ লগত যেতিয়াই তেওঁৰ মতবিৰোধ হ'ল, তৎক্ষণাৎ ৰাজহুৱা ভাবে তাক প্ৰকাশ কৰিবলৈ তেওঁ ইতস্ততঃ নকৰিলে। ফলত চি,পি,আই,চি,পি এমৰ দ্বাৰা অৱহেলিত বিশ্বাস চীনৰ কপটদৰদী সকলৰ দ্বাৰাও পৰিত্যক্ত হ'ল। সাময়িকভাবে জ্বলি উঠা তেওঁৰ খ্যাতিৰ দীপ্তি পুনৰ নিৰ্বাপিত হ'ল। তাৰবাবে তেওঁৰ মনত কোনো খেদ, কোনো বেজাৰ নাছিল।

অদৃশ্য আঙুলীৰ সংকেতত তেওঁৰ জীৱিকা নিৰ্বাহৰ সকলো পথ এটা এটাকৈ বন্ধ হৈ আহিছিল। ওচৰৰে বামপন্থী সমাৰোহতো তেওঁ নিমন্ত্ৰণ পোৱা নাছিল। গণনাট্যসংঘৰ জাকজমকীয়া বাৰ্ষিকীত তেওঁ নিমন্ত্ৰণ পোৱা নাছিল— যদিও তেওঁ একালত তাৰ সাধাৰণ সম্পাদক আছিল। কিন্তু তেওঁ আপোচ কৰা নাছিল। আদৰ্শগত বিবেক কাক বোলে তেওঁ তাৰ জাজ্বল্যমান পটন্তৰ আছিল।

অথচ সংকীৰ্ণমনা মানুহৰ দৰে আদৰ্শৰ কন্দল তেওঁ মানুহৰ লগত শত্ৰুতাত পৰিণত কৰা নাছিল। সকলো ধৰণৰ মানুহৰ লগতে মুকলিমুৰীয়া আৰু অন্তৰংগ সম্পৰ্ক ৰক্ষা কৰিবলৈ তেওঁ যথাসাধ্য চেষ্টা কৰিছিল। হিংস্ৰ শত্ৰুৰো ভাল গুণবোৰ অকাতৰে স্বীকাৰ কৰিছিল। জনসাধাৰণক সৎপথে নিবৰ বাবে আদৰ্শৰ স্বাৰ্থত, তেওঁ যিকোনো মানুহৰ আতিথ্য লবলৈ, যিকোনো মানুহৰ লগত বন্ধুত্ব কৰিবলৈ ৰাজী আছিল। তেওঁ চীনৰ বিষয়ে ভাৰতীয় সংসদৰ দুই সদনৰ যৌথ অধিবেশনত ভাষণ দিছিল। জীয়াউৰ ৰহমানৰ নিমন্ত্ৰণ লৈ বাংলাদেশলৈ গৈছিল। অসম আন্দোলনৰ হিংস্ৰতাৰ পিছতো সেই আন্দোলনৰে একাংশ নেতৃত্বৰ নিমন্ত্ৰণত শান্তি-সম্প্ৰতি পুনৰুদ্ধাৰ কৰিবলৈ অসমলৈ দৌৰি আহিছিল।

স্বাধীনতা সংগ্ৰামে ভাৰতৰ জনগণক কেনে গভীৰভাবে আলোড়িত কৰিছিল, তেওঁলোকক কেনে মহিমাময় স্তৰলৈ লৈ গৈছিল, বিশ্বাসৰ জীৱন তাৰে অপূৰ্ব নিদৰ্শন। জমিদাৰৰ ল'ৰা হৈ "চাষাভুষো"ৰ লগত মিলিবলৈ তেওঁ চিৰকাললৈ ঘৰ এৰিছিল। বঙালী মধ্যবিত্তৰ অহমিকা এৰি অসমৰ মানুহৰ লগত নিবিড়ভাবে মিলি গৈছিল— অসমৰ লোক কৃষ্টি বিশ্বৰ বৰসবাহত প্ৰতিষ্ঠা কৰিবলৈ প্ৰাণপাত কৰিছিল।

জনসাধাৰণৰ প্ৰতি শ্ৰদ্ধা আৰু মমতা আৰু তেওঁলোকৰ উজ্বল ভৱিষ্যতৰ প্ৰতি নিভাঁজ আস্থা হেমাংগ বিশ্বাসৰ সৰ্বশ্ৰেষ্ঠ উত্তৰাধিকাৰ। তেখেতৰ "কুলখুৰাৰ চোতাল"ৰ কুলখুৰা আৰু ৰত্নেশ্বৰ ৰাভাক কোনে পাহৰিব পাৰে? বাস্তৱৰ শিলত খোদাই কৰা সেই দৃপ্ত, সংগ্ৰামী মনুষ্যত্ব! তেখেতৰ "লোকসংগীত সমীক্ষা" সেই অখ্যাত, অজ্ঞাত লোকশিল্পী সকলৰ প্ৰতি এক উষ্ণ প্ৰাণৱদ্ধ নৈবেদ্য। এই সহৃদয়তাখিনি বাদ দিলে সমাজবাদৰ সাধনা আমোলাতান্ত্ৰিক সংখ্যাতত্ব মাত্ৰ। সমাজবাদৰ সাধনা য'তেই, যেতিয়াই, অবিকৃতৰূপত জাতিস্কাৰ হৈ উঠে, তাতেই, তেতিয়াই, হেমাংগ বিশ্বাসৰ অশৰীৰি উপস্থিতি আৰু প্ৰভাৱ সদায় অনুভূত হৈ থাকিব।

(৩য় বছৰ প্ৰথম সংখ্যা— নিনাদ— ১৯৮৭)

# সমালোচনাৰ কেন্দ্ৰ আৰু কক্ষপথ

সমালোচনাৰ বিষয়ে বিশেষ সংখ্যা এটি যুগুত কৰি "বৰ্তমান"ৰ সম্পাদকসকলে সচেতন মন আৰু যুথোপযোগী চিন্তাৰ পৰিচয় দিছে। কাৰণ সমালোচনাই এহাতে যেনেকৈ সাহিত্যৰ অন্যান্য ক্ষেত্ৰবোৰৰ ফচলৰ ওপৰত নজৰ ৰাখে, তেনেকৈ যোৱা কেইটামান দশকৰ ভিতৰত সংখ্যা বা পৰিমানৰ পিনৰ পৰা তাৰ নিজৰ পৰিপুষ্টি বা বৃদ্ধিও চমকপ্ৰদ বুলি কবই লাগিব। স্নাতক বা স্নাতকোত্তৰ মহলাত সাহিত্যৰ ছাত্ৰই আজিকালি সমালোচনাৰ বিষয়ে এখন সম্পূৰ্ণ প্ৰশ্নকাকতো চম্ভালিবলগীয়া হয় কোনো কোনো বিশ্ববিদ্যালয়ত। বহু সাহিত্য পত্ৰিকাত আজিকালি সমালোচনাৰ শিতানটো জনপ্ৰিয়। অৰ্থাৎ কেৱল পণ্ডিত বা সাহিত্য চৰ্চাকে বৃত্তি হিচাবে লোৱা লোকৰ বাহিৰেও আন সাধাৰণ পাঠকে সমালোচনাত ৰস পোৱা হৈছে। অসমতো কোনো কোনো সমালোচনামূলক প্ৰবন্ধই পাঠক সমাজত যথেষ্ট আলোড়ন সৃষ্টি কৰে— যদিও তাৰ মাজত চাঞ্চল্য ধৰ্মিতাৰ উপাদান থকাটোও পাঠকৰ আগ্ৰহৰ অন্যতম কাৰণ।

সমালোচনাৰ এনে পয়োভাৰ-প্ৰতিপত্তিৰ দিনতে ১৯৮৩ চনত টেৰি ঈগল্‌টন (Terry Eagleton) নামৰ এজন ডেকা ইংৰাজ সমালোচকে অভিযোগ কৰিছে যে সমালোচনা বস্তুটোৱেই এক ভুৱা বিষয়। কাৰণ দিগ্‌গজ সমালোচক সকল সমালোচনাৰ বিষয় আৰু পদ্ধতি সম্পৰ্কে সমূলি একমত নহয়। সমালোচনাৰ বিষয় আৰু পদ্ধতি সম্পৰ্কেই যেতিয়া এনে বিচিত্ৰ মতানৈক্য, তাক এক বিশেষ বিদ্যা (discipline) বা জ্ঞান (branch of knowledge) বুলি ধৰা যায় কেনেকৈ?

অভিযোগটো নিশ্চয় গুৰুতৰ। ঈগল্‌টনে আৰু এখোজ আগবাঢ়ি কৈছে যে এটা বস্তুৰ অস্তিত্ব আমাৰ সকলোৰে অভিজ্ঞতা আৰু পৰীক্ষাই প্ৰতিপন্ন কৰে— সি হ'ল ৰচনা বা Writing। সি বাতৰি কাকতৰ খবৰেই হওক, ব্যক্তিগত চিঠিয়েই হওক, উপন্যাসেই হওক বা চিনেমাৰ চিত্ৰনাট্যই হওক। কিছুমান মতলবী পণ্ডিত বা প্ৰফে'ছৰ লগলাগি নিজৰ সুবিধামতে কেতবোৰ ৰচনা বাছি লৈ তাৰে সাহিত্যৰ পাঠ্যক্ৰম যুগতাইছে আৰু তেনেকৈয়ে 'উচ্চ মানৰ' সাহিত্য বুলি এটা পদাৰ্থ পাঠকৰ ওপৰত জাপি দিছে। বিশ্লেষণ

কৰি চালে হেনো দেখা যাব যে এই "সাহিত্য" বোলা তেওঁলোকৰ তৈয়াৰী বস্তুটো তেওঁলোকৰ গোষ্ঠীগত আৰু শ্ৰেণীগত স্বাৰ্থ আৰু ধাৰণাৰ দৰ্পণ।

ঈগল্‌টনৰ মন্তব্য যিমানেই কালাপাহাৰী নহওক, সহজে উৰুৱাই দিব নোৱাৰি। কাৰণ আমি সাহিত্যৰ গৱেষক আৰু শিক্ষকসকলে যিবোৰ ৰচনাৰ সাহিত্যগুণ থকা বুলি থাপনাত সজাওঁহক, সেইবোৰৰ আলোচনা আৰু বিশ্লেষণত আমাৰ নিজৰ মানসিক পক্ষপাত আৰু প্ৰৱণতা প্ৰকাশ পায়। যিবোৰ বস্তু আমাৰ চকুত বিশ্বজনীন প্ৰমূল্য, সাহিত্যৰে আন কোনো ছাত্ৰৰ বাবে সেইবোৰ অকিঞ্চিৎকৰ হ'ব পাৰে।

কিন্তু তীক্ষ্ণধী ডেকা সমালোচকজনে তেওঁৰ মতামতত সাহিত্য আৰু সমালোচনা সম্পৰ্কে যিবোৰ ভাবোদ্দীক মন্তব্য কৰিছে, তাৰ পৰা এনে নেতিবাচক সিদ্ধান্তলৈ অহাৰ সকাম নাই। সাহিত্যৰ লক্ষণ, সমালোচনাৰ বিষয় ইত্যাদি ক্ষেত্ৰত ব্যাপক মতভেদ আছে— মানিলোঁ। কিন্তু তাৰপৰা বেঙামেলি এই ধৰণা কৰিব নালাগে যে অতএব সাহিত্য আৰু সমালোচনা দুয়োটা বস্তুৱেই "জলবৎ তৰলম্"। শ্ৰেণীবিভক্ত সমাজত দৰ্শনৰপৰা সাহিত্যলৈ সকলো জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত বেলেগ বেলেগ শ্ৰেণীৰ দৃষ্টিভংগীয়ে প্ৰতিপত্তি বা প্ৰধান্যৰ বাবে সংগ্ৰাম কৰিব। সেই অনুযায়ী মতভেদো হ'ব। একেটা শ্ৰেণীৰ মাজতো গোষ্ঠীগত মতভেদ থাকিব। সেই অনুযায়ী সাহিত্য নালাগে দৰ্শন বা বুৰঞ্জীৰ সংজ্ঞাও শ্ৰেণীভেদে বেলেগ হ'ব পাৰে। সেই বুলি সাহিত্য বা দৰ্শন বা বুৰঞ্জী কোনো অলীক মৰীচিকা নহয়। ঈগল্‌টন হেনো মাৰ্ক্সবাদী। অথচ এই সহজ সত্যটো তেওঁ কিয় আওকাণ কৰিছে কোৱা টান।

এই বিভ্ৰান্তিয়ে এটা কথাৰ বিষয়ে আমাক সজাগ— সচকিত— কৰি তোলে। মানববিদ্যাত (humanities) কোনো সৰ্ববাদীসম্মত দৃষ্টিভংগী বা সিদ্ধান্ত বিচাৰি পোৱা টান। প্ৰত্যেক মাৰ্গ বা মতেই পক্ষপাতমূলক (partisan), আৰু প্ৰত্যেক মাৰ্গ বা মতেই বিৰ্তক তথা সংগ্ৰামৰ জৰীয়তে নিজক প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে। ইয়াত হতাশ হোৱাৰ কাৰণ নাই। মানববিদ্যাৰ ধৰ্মই এনেকুৱা। এই বিতৰ্ক বা সংগ্ৰামৰ ফলত এহাতে সমাজ ক্ৰমাগতভাৱে সত্যৰ ওচৰ চাপিব পাৰে, আৰু বিভিন্ন মাৰ্গও এনে সংগ্ৰামৰ ফলত পৰীক্ষিত, পৰিশোধিত আৰু পৰিপুষ্ট হয়। আনকি এই মাৰ্গবোৰ বিতৰ্কৰ ফলত পৰস্পৰৰ দ্বাৰা উপকৃতও হয়।

অৱশ্যে অসমীয়া সমালোচনা এতিয়াও তেনে সমৃদ্ধ আৰু স্বনিৰ্ভৰ হৈ উঠিব পৰা নাই। তাৰ আসন যেন এতিয়াও মাজৰ শাৰীত নহয়, দাঁতি কাষৰতহে! সমালোচনাৰ বেলেগ বেলেগ ধাৰা থাকিলেও কোনো এটা ধাৰাকে সতেজ, স্বাস্থ্যবান আৰু সৃষ্টিক্ষম বুলিব নোৱাৰি। একোটা স্বয়ংসম্পূৰ্ণ আৰু বয়ঃপ্ৰাপ্ত মাৰ্গ হিচাবে সিহঁতে বিকাশ লাভ কৰা নাই। সেইবাবেই "বৰ্তমান"ৰ

এই উদ্যোগ প্ৰশংসনীয় কাৰণ সমালোচনাৰ বিষয়ে প্ৰয়োজনীয় চেতনা সঞ্চাৰ কৰি আমাৰ পাঠকৰ মাজত তদনুৰূপ কৌতূহল জাগ্ৰত কৰিবলৈ আৰু সমালোচক সকলৰ মাজত সচেতন আৰু নিষ্ঠাবান ভাবনা-চিন্তাৰ প্ৰসাৰ ঘটাবলৈ এনে প্ৰচেষ্টাৰ প্ৰয়োজন আছে।

নকলেও চলে যে আমাৰ সকলো আগ শাৰীৰ গৱেষক বা সমালোচকে এই সংখ্যা "বৰ্তমান"ত অৰিহণা যোগোৱা নাই। মই জনাত কোনো কোনোৱে সঁহাৰি নিদিলে, কাৰো কাৰো ক্ষেত্ৰত হয়তো সময়ৰ অভাৱ আছিল। কিন্তু আমাৰ সমালোচনা তথা সাহিত্যজগতত গা কৰি উঠা কেতবোৰ অসুস্থ লক্ষণো এই ঘটনাই প্ৰকট কৰিছে। সংগ্ৰামৰ প্ৰয়োজন আমি নুই নকৰো, কিন্তু সি সংকীৰ্ণতাৰ ৰূপ ললে অসুবিধা। একাগ্ৰ নিষ্ঠা প্ৰশংসনীয় কিন্তু অসহিষ্ণুতা আৰু আনৰ প্ৰতি অৱজ্ঞা অনিষ্টকৰ। এনে অসুস্থ লক্ষণ কেৱল ব্যক্তিগত বিকাৰ নহয়, সি এক সামাজিক ব্যাধিও অসমীয়া সমাজত জ্ঞানবিজ্ঞান আজিও সমাজৰ মঙ্গল আৰু উন্নতিৰ আহিলাতকৈ ব্যক্তিগত প্ৰতিষ্ঠা আৰু প্ৰতিপত্তিৰ অস্ত্ৰ হৈ আছে। কাৰণ দৰিদ্ৰ আৰু অনগ্ৰসৰ সমাজত জ্ঞানবিজ্ঞান জনসাধাৰণৰ প্ৰয়োজনত ব্যৱহৃত নহয়— বৰং ধূৰ্ত্ত আৰু কুটিল শাসকশ্ৰেণীৰ সুবিধামতে জ্ঞানবিজ্ঞানৰ সাধকসকল পুৰস্কৃত আৰু প্ৰতিষ্ঠিত হৈ তেওঁলোকৰ সামাজিক ভূমিকা পাহৰি থাকে। তেওঁলোকৰ জ্ঞান-গৱেষণা কাৰো কামত নাহে। কাৰণ সেই জ্ঞান-গৱেষণা জনসাধাৰণৰ কল্যাণ আৰু উন্নতিৰ বাবে ব্যৱহাৰ হ'লে শাসক শ্ৰেণীয়ে জনসাধাৰণক শোষণ কৰি নিজৰ ধন-মান বঢ়াই যাব নোৱাৰিব। সেয়ে আমাৰ পণ্ডিতসকল এহাতে যশ-প্ৰতিষ্ঠাৰ প্ৰতি লোলুপ, সতীৰ্থ সকলৰ যশ-প্ৰতিষ্ঠাত ঈৰ্ষান্বিত— আনহাতে নিজৰ নিজৰ প্ৰকৃত জ্ঞান-গৰিমা সমাজৰ কোনো উন্নতি বা কল্যাণত নিয়োজিত নোহোৱা বাবে ভিতৰি ভিতৰি অত্যন্ত অসুখী আৰু বিষাদগ্ৰস্ত। কাৰণ, গুণী মানুহে নিজৰ গুণৰ সামাজিক সুফল আশা নকৰাকৈ থাকিব নোৱাৰে। কিন্তু বৰ্তমান সমাজত সি আকাশকুসুম।

এই কথাখিনি আমি কেৱল ওপৰে-ওপৰে কোৱা নাই। অসমৰ এক বয়োবৃদ্ধ পণ্ডিতে শাসক শ্ৰেণীৰ স্বাৰ্থত আমাৰ প্ৰতি কি অন্যায় কৰিছে, পাঠক সমাজক সেই বিষয়ে অৱগত কৰিলে তেওঁলোকে বুজিব যে সাহিত্য আৰু সমালোচনাও সূক্ষ্ম কূটনৈতিক চক্ৰান্তৰ ৰণভূমি হ'ব পাৰে। দেশে-বিদেশে অসমীয়া সাহিত্যৰ বিষয়ে তেওঁ যিবোৰ প্ৰবন্ধ লেখিছে তাত আমাক সমালোচনাৰ নামত মাৰ্ক্সবাদী ৰাজনীতি প্ৰচাৰ কৰা বুলি "তথ্য" দাঙি ধৰিছে। তাতেই ক্ষান্ত নহৈ Encyclopaedia of Indian Literature (Sahitya Akademi)ত আমাৰ বিষয়ে ভুল ধাৰণা অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস কৰিছে। কেৱল সাহিত্য অকাদেমিৰ প্ৰকাশন এখনতো অনুৰূপভাৱে আমাৰ ভূমিকাৰ অৱমূল্যায়ন কৰাইছে এজন "বাধ্য ছাত্ৰ"ৰ হতুৱাই। এই গোটেইবোৰ কথাৰে

সাক্ষ্য প্ৰমাণ আমাৰ হাতত আছে।

কোনোবাই আমাৰ ৰাজনীতি পছন্দ নকৰিব পাৰে। মাৰ্ক্সবাদী সাহিত্য বিচাৰৰ দৃষ্টিকোণ অসংগত বুলিও ভাবিব পাৰে। কিন্তু সাহিত্য সমালোচনাৰ নামত যোৱা ১৫/১৬ বছৰে আমি কেৱল স্থূল ৰাজনীতিহে কৰিলোঁ— এনে ধাৰণা অত্যন্ত বাধ্য পুলিচৰ দাৰোগা বা শাসক শ্ৰেণীৰ তেনে অনুগত বুদ্ধিজীৱীয়েহে কৰিব পাৰে। আন নহলেও আমাৰ প্ৰতিষ্ঠিত মহলে চিন্তাৰ নামত ·যি চিন্তাহীন কৰ্তৃত্ববাদ চলাই আছে তাৰ বিৰুদ্ধে আমি যে কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্ন তুলিছোঁ সেই কথাও স্বীকাৰ কৰি লবলৈ এওঁলোক ইমান নাৰাজ কিয়? কোৱা বাহুল্য এনে গোলামসুলভ চকিদাৰীৰ বাবেই অসমৰ বৌদ্ধিক মানস আৰু জগৎ গতিশীল হ'ব পৰা নাই।

সাহিত্য যেনেকৈ মানুহৰ জীৱন আৰু সমাজ সম্পৰ্কে বিভিন্ন বিবদমান চিন্তাধাৰাৰ প্ৰকাশৰ মঞ্চ, তেনেকৈ সমালোচনাও মানুহৰ জীৱন আৰু সমাজ সম্পৰ্কে বিভিন্ন দৰ্শনৰ ৰণথলী হলে আচৰিত হবলৈ একো নাই। “সাহিত্য” বিষয়টোও মাটি এচপৰাৰ দৰে জড় আৰু “নিৰপেক্ষ” নোহোৱা বাবেই সমালোচনাও সংগ্ৰামশীল আৰু বিতৰ্কমূলক হবলৈ বাধ্য হৈছে। এতিয়া প্ৰশ্ন হ'ল, সেই বিতৰ্কক আমি বৌদ্ধিক আৰু মানসিক পৰ্যায়ত ৰাখিম নে মতলবী গাৱঁলীয়া মেলুৱৈৰ দৰে তাক চৰিত্ৰহনন আৰু কুৎসা ৰটনালৈ অৱনমিত কৰিম? আমি যদি উভতি নিজেও সেই বিশেষ ধৰণৰ “সাংস্কৃতিক” পদ্ধতি অৱলম্বন কৰোঁহক, তেনেহলে অৱশ্যে শকুনিৰ দলবেই অভীষ্ট সিদ্ধি হ'ব। সেয়ে সমালোচনাৰ বৌদ্ধিক দিশ সম্পৰ্কে পাঠকক সচেতন কৰি “বৰ্তমানে” সাম্প্ৰতিক কালৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিছে।

আজি কেইদশকমান ধৰি অসমীয়া সমাজৰ প্ৰতিপত্তিশালী মহলে সমাজ আৰু জীৱন সম্পৰ্কে কেতবোৰ প্ৰশ্নৰ অৱতাৰণা হবলৈ নিদি হেঁচা মাৰি ৰখাৰ ব্যৱস্থা কৰিছে। হিন্দী আৰু বঙালী সাহিত্যত এই ধৰণৰ চক্ৰান্ত বৰ সহজ নহয়। তাত বামপন্থী আন্দোলন শক্তিশালী হোৱা বাবেই বামপন্থী, আৰু শাসকশ্ৰেণীৰ পৃষ্ঠপোষিত ভাবধাৰাৰ বিৰোধী, ধ্যান-ধাৰণাৰ প্ৰকাশ কঠিন নহয়। কিন্তু অসমত বামপন্থী আন্দোলন দুৰ্বল, অসমীয়া সমাজৰ মৰ্মস্থলত তাৰ প্ৰবেশ ঘটা নাই বুলিলেও হয়। তদুপৰি বামপন্থী মহলবোৰৰ মতান্ধ সাম্প্ৰদায়িকতাৰ (Sectarianism) বাবেও তেওঁলোকৰ চিন্তাধাৰাৰ প্ৰভাৱ সীমাবদ্ধ ফলত শাসকশ্ৰেণীৰ চক্ৰান্তৰ সাফল্যও ইয়াত উল্লেখযোগ্য। জ্যোতিপ্ৰসাদৰ ৰচনাৱলীৰ অংগক্ষত কৰি হলেও এটা মহলে প্ৰমাণ কৰিবলৈ বিচাৰিছে যে তেওঁ সাম্যবাদৰ ওচৰ ছপা নাছিল। শংকৰদেৱৰ ঐতিহাসিক মূল্যায়ন এইবোৰ মহলে ভাল চকুৰে চোৱা নাই। জনগণৰ সংস্কৃতি প্ৰচাৰত এসময়ত অগ্ৰণী ভূমিকা লোৱা শিল্পীয়ে আজি জনগণৰ নামতে বিড়ী-চুৰুটৰ প্ৰচাৰত

নামিছে। পুৰুষতন্ত্ৰৰ বিৰুদ্ধে বিদ্ৰোহৰ নামত প্ৰতিহিংসামূলক ব্যভিচাৰক প্ৰশ্ৰয় দিছে কোনো কোনোৱে। বেজবৰুৱা প্ৰভৃতি আধুনিক অসমীয়া সাংস্কৃতিৰ জনক সকলক কেৱল সামন্ততান্ত্ৰিক ভাবধাৰাৰে প্ৰবক্তা হিচাবে দেখুৱালৈ চেষ্টা কৰা হৈছে। এইবোৰ প্ৰচেষ্টাত প্ৰবলভাবে সহায় আৰু উৎসাহ যোগাইছে শক্তিশালী আলোচনী আৰু প্ৰকাশক আদিয়ে। এনে কিছুমান ধাৰণা সচেতন অপপ্ৰচাৰৰ ফল, কেতবোৰ বা অকপট বিভ্ৰান্তি। কিন্তু এই সকলো সম্ভৱ হৈছে ভাৰতীয় আৰু বিদেশী শাসক শ্ৰেণীৰ সহযোগত অসমীয়া শাসক শ্ৰেণীয়ে গঢ়ি তোলা এক বিশেষ পৰিবেশত।

অসমৰ সমালোচনা সাহিত্যত যিবোৰ ধাৰাৰ প্ৰভাৱ পৰিছে সেই সকলোবোৰৰ সমীক্ষা 'বৰ্তমান'ৰ সম্পাদকসকলে সংগ্ৰহ কৰিব পৰা নাই। কিন্তু কেইটামান ধাৰাৰ বিষয়ে পাঠকক অৱগত কৰিবলৈ চেষ্টা কৰিছে। যেনে— ড° মহেশ্বৰ নেওগৰ বৈষ্ণৱ সাহিত্যৰ সমালোচনা, ড° মুকুন্দ মাধৱ শৰ্মাৰ সংস্কৃত অলংকাৰ শাস্ত্ৰ সম্পৰ্কীয় আলোচনা, শ্ৰীমতী আৰাধনা গোস্বামীৰ আৰিস্ততল আৰু তেওঁৰ অৱদান সম্পৰ্কীয় আৰু শ্ৰীতিলক শইকীয়াৰ পাউণ্ড্ আৰু এলিয়ট প্ৰমুখ্যে নব্য সমালোচক সকলৰ বিষয়ে যুগুতোৱা পৰিচিতি। মাৰ্ক্সবাদী সমালোচনাৰ বিষয়েও তেনে এক সমীক্ষা প্ৰকাশ কৰিব পৰা হলে ভাল আছিল। সি যি নহওক, এই কথা ধ্ৰুৱপ যে অসমীয়া সমালোচনাৰ বোৱতী সূৰ্তীত বিভিন্ন উৎসৰ অবিহণা আহি পৰিছে। থলুৱা পৰম্পৰাৰ লগত দূৰ বিদেশৰ উপাদান আহি মিলিছে। এতিয়া আৰু সেইবোৰ উপাদানৰ মাজত বিচ্ছেদ ঘটোৱা সম্ভৱ নহয়। বৰং ইতিহাসেই এনেকৈ ইংগিত দিছে যে অসমীয়া সমালোচনাৰ ভৱিষ্যৎ বিকাশত দেশ-বিদেশৰ অৱদানে সহায় কৰি থাকিব। অধ্যাপক প্ৰদীপ আচাৰ্য্যৰ প্ৰবন্ধই এনে এক শেহতীয়া ভাবধাৰাৰ এটা দিশত পোহৰ পেলাইছে। আমাৰ কেৱল দুৰ্ভাবনা এই বাবেই যে দূৰ নক্ষত্ৰৰ পোহৰ পৃথিৱী আহি পাওঁতে স্তিমিত হৈ পৰাৰ দৰে নানা কাৰণত এইবোৰ প্ৰভাৱ অসমত প্ৰবেশ কৰোঁতে বহু পৰিমাণে পনীয়া আৰু নিশকতীয়া হৈ পৰে। ফলত অসমীয়া গৱেষকসকলে সেইবোৰ গভীৰ আৰু ব্যাপকভাবে আয়ত্ত কৰাৰ আগতেই বিদেশত নতুন ভাবধাৰাৰ অভ্যুদয় হয়। এনেকৈ কোনো প্ৰভাৱকেই গভীৰভাবে আত্মসাৎ কৰিব নোৱাৰা বাবে অসমীয়া সমালোচকেও সেই দৃষ্টিকোণৰ পৰা মৌলিক অৱদান দিব নোৱাৰে। অথচ সদায় আনৰ অনুকৰণ তথা অনুসৰণতে ব্যস্ত হৈ থাকিলে আমি কেতিয়া বিশ্বৰ জ্ঞানভাণ্ডাৰত নিজাববীয়া অৱদান দিম? আৰু সেইধৰণৰ অৱদান দিব নোৱাৰালৈকে আমাৰ সকলো অধ্যয়ন, সকলো চৰ্চা একপ্ৰকাৰ নিৰৰ্থক হৈ থাকিব। ভাটোৰ আত্মবিশ্বাসক জ্ঞানৰ লক্ষণ বুলিব নোৱাৰি।

মধ্যযুগত— অৰ্থাৎ ব্ৰিটিছ অহাৰ সময়লৈকে— আমাৰ সংস্কৃতি আছিল

প্ৰধানকৈ মৌখিক। সাহিত্যৰ গুণাগুণ সম্পৰ্কে কিবা চেতনা যদি আছিল তাৰ প্ৰকাশো নিশ্চয় ঘাইকৈ মৌখিক আছিল। সেই পৰম্পৰাৰ ওপৰত ড° নেওগৰ প্ৰবন্ধই কিঞ্চিৎ আলোকপাত পৰিছে। পাৰিলে এই দিশত আৰু কাম হ'ব লাগে। বিশেষকৈ ভাগৱত পাঠ আৰু ব্যাখ্যাৰ মাজেদি ৰসগ্ৰহণ তথা ৰসবিচাৰৰ ধাৰা এটি প্ৰবাহিত হৈ আছিল যেন লাগে। কথাগুৰু চৰিত্ৰত তেনে ধৰণৰ ইংগিত দুই-এটা আছে। সংস্কৃত অলংকাৰ শাস্ত্ৰৰ প্ৰভাৱ কাশ্মীৰ বা বংগদেশত যেনেদৰে পৰিছিল অসমৰ বিদ্বৎসমাজত তেনেদৰে পৰিছিল নে নাই নাজানো। কিন্তু শংকৰদেৱৰ ৰচনাৰ উচ্চমানলৈ চাই ধাৰণা হয় যে সাহিত্যৰ গুণ আৰু ধৰ্ম সম্পৰ্কে সুস্পষ্ট চেতনা তথা আলোচনা অবিহনে তেনে সিদ্ধি সম্ভৱ নহয়।

ব্ৰিটিছ যুগত অসমীয়া মধ্যশ্ৰেণীয়ে নিজৰ জাতীয় স্থিতি সাব্যস্ত কৰিবলৈ গৈ আধুনিক অসমীয়া সাহিত্যৰ ভিত্তি ৰচনা কৰিলে। এই সাহিত্য বহুদূৰ ৰোমাণ্টিক লক্ষণাক্ৰান্ত। ধৰ্মীয় ভাবমণ্ডল আৰু কঠোৰ ধ্ৰুপদী শৃংখলাৰ পৰা আঁতৰত তাৰ জন্ম। সাহিত্যক ঘাইকৈ মানবীয় অভিজ্ঞতাৰ দাপোন আৰু মানৱহৃদয়ৰ সংবাদ হিচাবে অসমৰ প্ৰথম আধুনিক সাহিত্যিক সকলে চাবলৈ শিকিলে। সেয়ে তেওঁলোকৰ সাহিত্যবিচাৰৰ মূলসূত্ৰও তেনেধৰণৰ হ'ল। এই বিষয়ে অধ্যাপক উপেন্দ্ৰনাথ শৰ্মাই বহলাই লেখিছে। ড° দিলীপ বৰুৱাই আঙুলিয়াই দিয়াৰ দৰে বাণীকান্ত কাকতিয়ে আনকি "নামঘোষা"ৰ দৰে ধৰ্মগ্ৰন্থও ব্যক্তিগত আবেগৰ অভিব্যক্তি হিচাবে পৰীক্ষা কৰি চাইছে। শ্ৰীযুত মুনীন বৰকটকীয়ে জোনাকী যুগৰ এজন সুযোগ্য উত্তৰাধিকাৰী বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচনাত প্ৰকৃত সমালোচনাৰ আভাস পাইছে। ৰোমাণ্টিক যুগৰ সমালোচনাত অৱশ্যে সাহিত্যক হৃদয়বৃত্তিৰ প্ৰকাশ বুলি ধৰাৰ উপৰিও কল্পনাৰ বাহন বুলি ধৰা হৈছিল। আৰু এইবাবেই কালিদাসৰ শকুন্তলাক শ্বেক্‌ছপীয়াৰৰ মিৰাণ্ডাতকৈ ওখ আসনত বহুৱা ৰবীন্দ্ৰনাথৰ অনুকৰণত ৰত্ন বৰকাকতিয়ে বেজবৰুৱাৰ ডালিমীক গোহাঁইবৰুৱাৰ জিনুতকৈ ওখ আসন দিছে। (দুয়োৰে যুক্তিয়ে ভাৰতীয় অধ্যাত্মবাদৰ শৰণ ল'লেও দৰাচলতে দুয়ো ৰোমাণ্টিক ভাববাদৰহে অনুসৰণ কৰিছে এই ক্ষেত্ৰত।) এনে সমালোচনাৰ এটি উৎকৃষ্ট উদাহৰণ বেজবৰুৱাৰ বিষয়ে জ্যোতিপ্ৰসাদৰ মন্তব্য। তাত 'কেচাঁসোণ' শব্দটোৰ ব্যঞ্জনা বিচাৰ কৰোঁতে জ্যোতিপ্ৰসাদে আধুনিক নব্য সমালোচনালৈ সঘনে মনত পেলায়।

কিন্তু এই কথাও কবলৈ বাধ্য যে এই সংকলনত প্ৰত্যক্ষ আৰু ব্যৱহাৰিক সমালোচনাৰ নিদৰ্শন স্বৰূপ যি কেইটা প্ৰবন্ধ ছপা হৈছে সেই কেইটাৰ নিজস্ব গুণাগুণ যিয়েই নহওক, নব্য সমালোচনাৰ ৰীতি আৰু পদ্ধতিৰ পৰা লেখকসকল উপকৃত হোৱাৰ কোনো লক্ষণ তাত ফুটি উঠা নাই। সাহিত্যৰ ভাষিক অৱয়বৰ প্ৰতি সূক্ষ্ম সঁহাৰি আৰু সেই সঁহাৰিৰ জৰিয়তে

এক সামগ্রিক জীৱন দৰ্শনৰ ইংগিত দাঙি ধৰা— নব্য সমালোচনৰ এই দুই লক্ষণ এই প্ৰবন্ধবোৰত অনুপস্থিত। সেইটো ত্ৰুটি বুলি নকওঁ— কিন্তু অভাৱ বুলিলে বোধহয় ভুল নহ'ব। নব্য সমালোচনাৰ বিপদ অৱশ্যে এইখিনিতে যে সেই সমালোচনাৰ অনুগামীসকল নিজে সূক্ষ্ম বুদ্ধি আৰু গভীৰ সন্ধানী মনৰ অধিকাৰী নহলে তেওঁলোকৰ পদ্ধতি নীৰস আঁহফলা বাগ্-বিস্তাৰত পৰিণত হ'ব পাৰে।

অসমত নব্য সমালোচনা প্ৰচলন কৰিছিল এই লেখকে। তাৰ পিছত ভবেন বৰুৱাই এই ক্ষেত্ৰত যথেষ্ট মনোযোগ দিছিল। অসমীয়া সাহিত্যৰ পুনৰ্মূল্যায়নত কিছুদূৰ হলেও সি সহায় কৰিলে। সাহিত্যিক সিদ্ধিৰ মানৰ প্ৰশ্নটো সমুখলৈ আনি এই ধাৰাই অন্ততঃ কিছুকালৰ বাবে হ'লেও অসমীয়া সাহিত্যৰ নৈৰাজ্যৰ মাজত দিক্ নিৰ্ণয়ৰ দায়িত্ব পালন কৰিছিল। কিন্তু শিক্ষিত সমাজে এই ধাৰাৰ সিদ্ধান্ত আৰু পদ্ধতি ভালদৰে গ্ৰহণ নকৰিলে। নব্য সমালোচনাৰ সমৰ্থকসকল কালক্ৰমত নিৰুৎসাহ হৈ পৰিল। "নব্য নিৰক্ষৰতা" (New Illiteracy) আদি ধাৰণা ব্লেকমুৰ প্ৰমুখ্যে নব্যসমালোচকসকলৰ পৰা ধাৰ কৰি আনি অসমীয়া শিক্ষিত সমাজৰ এই ব্যৰ্থতা বুজিবলৈ তেওঁলোকে প্ৰয়াস কৰিলে। শিক্ষাৰ প্ৰসাৰৰ লগে লগে তাৰ মান নিম্নগামী হোৱা অৱশ্যে এটা পৰিচিত ঘটনা। কিন্তু তাৰ কাৰণ কি? জনসাধাৰণৰ মাজলৈ শিক্ষাৰ সম্প্ৰসাৰণ হ'লেই তাত ভেঁজাল লাগিব নেকি? আচলতে পুঁজিবাদী মানসিকতাৰ বিস্তাৰ তাৰ ফলত শিক্ষাব্ৰতী শিক্ষকৰ অভাৱ, সামাজিক সম্বল সমূহ কেৱল আঢ্যৱন্ত শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত হোৱা— এনে আন কাৰণো শিক্ষাৰ মান অৱনত হোৱাৰ বাবে সমানেই জগৰীয়া। কিন্তু নব্যসমালোচনাৰ প্ৰবক্তাসকলৰ নিজৰো দোষ আছিল। পাশ্চাত্যত নব্য সমালোচনা ঘাইকৈ পুঁজিবাদৰ অগ্ৰগতিত ক্ষুব্ধ সামাজিক আৰু ৰাজনৈতিকভাবে ৰক্ষণশীল গোষ্ঠীৰ সৃষ্টি। সাহিত্যৰ জৰিয়তে কেতবোৰ অব্যয়, অবিনশ্বৰ, বিশ্বজনীন প্ৰমূল্যৰ উদ্‌ঘাটন কৰি তেওঁলোকে ভবিষ্যৎমুখী, মানৱতাবাদী আৰু বৈপ্লৱিক চিন্তাধাৰাক প্ৰতিৰোধ কৰিবলৈ বিচাৰিছিল। বৈপ্লৱিক চিন্তাধাৰাক তৰল ভিত্তিহীন আৰু মানুহৰ শাশ্বত স্বৰূপৰ প্ৰতি অন্ধ বুলি এওঁলোকে গৰিহণা দিছিল। এনেকৈ কেতবোৰ পছিমীয়া বিশ্ববিদ্যালয়ৰ সাহিত্য বিভাগবোৰ প্ৰতিক্ৰিয়াৰ দুৰ্গতে পৰিণত হৈছিল। অথচ অসম তথা ভাৰতত যেহেতু সমাজৰ সৰহ সংখ্যক মানুহ দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত বাস কৰে, সেয়ে জীৱনৰ মান উন্নত কৰা, বস্তুগত সুখ-স্বাচ্ছন্দ্য আকাংক্ষা কৰা, ভবিষ্যতৰ প্ৰতি আশাবাদী মনোভাৱ পোষণ কৰা তেওঁলোকৰ বাবে আজিৰ পৰিবৰ্তনৰ যুগত স্বভাৱসিদ্ধ। পাশ্চাত্যৰ নীতিবাগীশ পণ্ডিতৰ কথামতে এনে আশা-আকাংক্ষা দমন কৰি অসমৰ নতুন শিক্ষিত লোকসকলে জীৱনৰ পৰমাৰ্থৰ সন্ধান কৰিবলৈ নিবিচৰাই স্বাভাৱিক।

আনহাতে নব্য সমালোচনাৰ এই প্ৰতিক্ৰিয়াশীল বা ৰক্ষণশীল চৰিত্ৰ সম্পৰ্কে নব্য সমালোচনাৰ অসমীয়া অনুগামীসকল পোনতে অন্ধ আছিল। (কোনো কোনো অনুগামী বাধ্য ছাত্ৰৰ মানসিকতাৰে আজিও অন্ধ।) বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰা আহৰণ কৰা মূল্যবোধকে তেওঁলোকে চৰম সত্য বুলি ধৰি লৈছিল। আজি আৰু সেইদৰে চকু বান্ধি ফুৰিব নোৱাৰি। সেয়ে শ্ৰীযুত শশী শৰ্মাৰ দুই এটা স্থূল মন্তব্য আওকাণ কৰি তেওঁ জনোৱা মূল প্ৰত্যাহ্বানটো নব্য সমালোচক সকলে গ্ৰহণ কৰিব লাগিব। অৱশ্যে যদি তেওঁলোকে শিক্ষাৰ সুযোগ লৈ দখল কৰা সামাজিক স্বচ্ছলতা আৰু মান-মৰ্য্যদা একচেতিয়া কৰি ৰাখিবলৈ জনসাধাৰণক “পশুৰ জাক”ৰ স্তৰতে হেঁচা মাৰি ৰাখিব খোজে, কথা বেলেগ।

এনে এক ৰক্ষণশীল মনোবৃত্তিৰ পৰিচয়েই ফুটি ওলাইছে বীৰেশ্বৰ বৰুৱাৰ “বেণেছাঁচ” প্ৰবন্ধত। তেখেতৰ মতে য়ুৰোপীয় আৰু ভাৰতীয় টেঙেছাঁচ বিবেকহীন, ন্যায়-অন্যাহীন জীৱন চৰিত্ৰৰ পৰা তেখেতে তাৰ প্ৰমাণ আহৰণ কৰিছে। মহত্বৰ লগতে নীচতাৰ প্ৰকাশ বেণে’ছাঁছৰ ধৰ্ম হেনো। কিন্তু বেণে’ছাঁছে কেৱল ব্যক্তিগত সাফল্যৰ বাবেহে প্ৰেৰণা দিলেনে? কোনো আপোচ নকৰাকৈ সত্যৰ অন্বেষণ (যাৰ বিকাশ ঘটিল আধুনিক বিজ্ঞানৰ সূচনাত), মানুহক দুৰ্বলতা আৰু বাধাৰ পৰা মুক্ত কৰি নিজৰ ভৰিত থিয় কৰোৱাৰ চেষ্টা (যাৰ প্ৰকাশ ঘটিল টমাছ মুৰ প্ৰভৃতি মনীষীৰ মানৱতাবাদত)— এইবোৰ অন্তৰ্নিহিত প্ৰবনতাৰ গুৰুত্ব জানো কম? পৰম্পৰাগত মোহ আৰু সংস্কাৰৰ জাল ফালি বেণে’ছাঁছৰ অভিঘাতে মানুহক স্বনিৰ্ভৰ হবলৈ শিকালে। অৱশ্যে পুঁজিবাদী পৰিসীমাৰ মাজত এই মানৱতাবাদ বিকৃত আৰু ব্যাধিগ্ৰস্তও হৈছে। আনহাতে আমাৰ পৰম্পৰাগত ধৰ্মৰ নানা আসোঁৱাহ আৰু বেমেজালিও আজি লুকাই ৰখা টান হৈ পৰিছে। ৰামায়ণ-মহাভাৰততে আধ্যাত্মিক নৈতিকতাৰ দ্বাৰা অনুপ্ৰাণিত মহাপুৰুষসকলে নীচ স্বাৰ্থ সিদ্ধিৰ হকে প্ৰবঞ্চনা, ছলনা আৰু নীচতাৰ আশ্ৰয় লোৱা দেখা গৈছে বাৰে বাৰে। অৰ্থাৎ নৈতিকতাৰ নামত নীচতা বেণে’ছাঁছৰ আৱিষ্কাৰ নহয়। ভাৰতীয় কৌটিল্য মেকিয়াভে’লিৰ পূৰ্বপুৰুষ হব পাৰিলেহেঁতেন।

এইদৰে সাহিত্য সমালোচনাৰ জৰীয়তে মানুহৰ মুক্তিকামী, বন্ধনবিৰোধী শক্তিবোৰ নানা ধৰণৰ বাধা-বিঘিনিৰ সম্মুখীন হৈ আছে। কিন্তু এনে বাধা-বিঘিনিৰ সম্মুখীন হোৱাটো পৰিৱৰ্তনমুখী শক্তিৰ বাবে অভিশাপ নহয়, আশীৰ্বাদহে। কাৰণ বৈপ্লৱিকতাৰ নামত অধৈৰ্য্য আৰু তৰল চিন্তা, মানুহৰ সামাজিক তথা সাংস্কৃতিক পৰিচয়ৰ প্ৰতি অন্ধতা আশাবাদৰ নামত হঠকাৰিতা— বামপন্থী চিন্তাৰ পুৰণা বেমাৰ। সমাজবাদী দেশবোৰৰ বিকাশত ঘটি থকা নানা পয়মাল সত্বেও আমাৰ বামপন্থী সকলে তেওঁলোকৰ চিন্তাত ত্ৰুটি সম্পৰ্কে উপযুক্ত

শিক্ষা গ্ৰহণ কৰা নাই। নব্য সমালোচনাই ওকালতি কৰা জীৱনদৰ্শন নেওচা দিলেও সি পোহৰলৈ অনা সাহিত্যৰ লক্ষণবোৰত মনোনিবেশ কৰিলে বামপন্থী সকলৰ ধাৰণা অধিক জটিল আৰু প্ৰগাঢ় তথা বাস্তৱমুখীহে হ'ব।

বামপন্থী সমালোচক সকলৰ মাজত সাহিত্যগুণৰ প্ৰতি সংবেদনশীল লোকৰ অভাৱ নাই। কিন্তু তেনে সমালোচক অসমত আজিও বেছি জনজাত নহয়। লুকাচচ্, গ'ল্ডমান্, বেঞ্জমিন্ আদি সমালোচকৰ লগত আমাৰ পৰিচয় আজিও সেৰেঙা হৈয়েই আছে। আমি আশা কৰিছোঁ উদীয়মান বামপন্থী সমালোচক সকলে এইসকল কৃতবিদ্য লোকৰ অৰিহণাৰে নিজৰ মন পুষ্ট কৰি অসমীয়া সমালোচনা সতেজ কৰি তুলিব। তেওঁলোকে হঠাতে মাৰ্ক্সবাদী সূত্ৰৰ পৰা সাহিত্যলৈ জাপ মাৰি নিজে যিমান আচৰিত নহওক, পাঠকক পতিয়ন নিয়াব নোৱাৰে। দীৰ্ঘ আৰু ধৈৰ্য্যশীল অধ্যয়নেৰে মনৰ পটভূমি গঢ়ি লব লাগিব। সেই মৰ্মেই এই সংকলনত ভাৰতীয় অলংকাৰ শাস্ত্ৰ, আৰিস্ততল্ আৰু ড° নৰেশ চন্দ্ৰৰ কিতাপৰ ছাঁ লৈ তিলক শইকীয়াই নব্য সমালোচনাৰ আৰম্ভণি সম্পৰ্কে লেখা প্ৰবন্ধক বোধহয় স্থান দিয়া হৈছে। তদুপৰি নলিনীধৰ ভট্টাচাৰ্য, শশী শৰ্মা আৰু বীৰেশ্বৰ বৰুৱাৰ প্ৰবন্ধই অন্ততঃ সমালোচনাৰ নেপথ্যত থকা দৰ্শন সম্পৰ্কে তেওঁলোকক সজাগ কৰি তুলিব।

নব্য সমালোচক সকলে অন্ধবিশ্বাসৰ দৰে মানি লৈছিল যে প্ৰতি সাহিত্য কৰ্মৰ ভাষাই এক বিশেষ ৰূপ সৃষ্টি কৰে আৰু এই ৰূপটো এজন অনুভূতিশীল, বুদ্ধিমান পাঠকৰ চিত্তত ধৰা পৰে। যেতিয়া আপত্তি তোলা হয় যে দৃষ্টিভংগী আৰু জীৱনদৰ্শনৰ তাৰতম্য অনুযায়ী এই বিশেষ ৰূপটিও বেলেগ বেলেগ সমালোচকৰ মনত বেলেগ বেলেগ হ'ব পাৰে, তেতিয়া নব্য সমালোচকে গোৱাঁৰৰ দৰে আকাৰ কৰে যে তেওঁ ধৰা ৰূপ বা অৱয়বটোহে উক্ত কবিতা, নাটক বা উপন্যাসৰ "আচল" ৰূপ। ইয়াক মতান্ধ কুসংস্কাৰ নুবুলি উপায় আছেনে?

নব্য সমালোচক সকলে ইম্প্ৰেশ্যনিষ্টিক (impressionistic) সমালোচনাৰ খেলি-মেলিৰ পৰা সাহিত্য কৰ্মম উদ্ধাৰ কৰিবলৈ গৈ এই ধাৰণাৰ সপক্ষে ওকালতি আৰম্ভ কৰিলে যে সহৃদয় পাঠক সকলে এটা সাহিত্যকৰ্মৰ এটা বিশেষ ৰূপৰ প্ৰতিয়েই সঁহাৰি দিয়ে। কিন্তু নব্য সমালোচনাৰ কৰ্ণধাৰসকলে কিছুকাল ৰাজত্ব কৰাৰ পিছত ধৰা পৰিল যে তেওঁলোকৰ চেতনাত এটা সাহিত্যকৰ্মৰে বেলেগ বেলেগ ৰূপ ফুটি উঠিব পাৰে। শেহান্তৰত জীৱন দৰ্শন আৰু ইতিহাসবোধৰ আহুকলীয়া আলোচনাৰ ওচৰ নচপাকৈ থকা টান।

এনে খেলি-মেলিৰ পৰা সাহিত্য সমালোচনাই সকাহ বিচাৰিলে গঠনতন্ত্ৰবাদী (structuralist) সমালোচনাৰ জৰীয়তে। আধুনিক ভাষাতত্ত্বৰ প্ৰবৰ্ত্তক De Saussureৰ মতামত তেওঁলোকে সাহিত্য ক্ষেত্ৰলৈ আমদানি

কৰি কলে যে সাহিত্যকৰ্মৰ এটা অদৃশ্য, গভীৰ গাঁঠনি (deep strcture) থাকে। সাহিত্যকৰ্মৰ এটা অদৃশ্য বাহ্যিক ৰূপ এই গভীৰ নিহিত গাঁঠনিৰ বিচিত্ৰ প্ৰকাশ। আনকি বেলেগ বেলেগ সাহিত্যকৰ্মৰ গাঁঠনিৰ এটা অন্তৰ্নিহিত ঐক্য আছে। সমালোচনাৰ কাম হ'ব এই আভ্যন্তৰীণ, অন্তৰ্নিহিত অথচ বিশ্বজনীন গাঁঠনি উন্মোচন কৰা আৰু সি কেনেকৈ বাহ্যিক ৰূপ গ্ৰহণ কৰে তাৰ অনুসন্ধান কৰা। এইদৰে কিছুদিন চলাৰ পিছত ইয়াতো আহ্কালে লাগিলে।

যদি বেলেগ বেলেগ সাহিত্যকৰ্ম একেধৰণৰ deep structureৰে বিচিত্ৰ পৰিস্ফুটন, তেন্তে প্ৰতি সাহিত্য কৰ্মৰ একক আৰু অন্যান্য গুণবোৰ আওকাণ কৰিব লাগিব নেকি? তেন্তে সমালোচনাৰ ৰস থাকিব ক'ত? দ্বিতীয় আহ্কালটো হ'ল: deep structureটো আপুনি যিদৰে দেখিব মরো ঠিক একেদৰেই দেখিমনে? অৰ্থাৎ এই deep sturctureৰ উন্মোচনতো এক বিষয়ীগত (subjective), ব্যক্তিগত দিশ থাকিবলৈ বাধ্য। অৰ্থাৎ মানববিদ্যাৰ বিশিষ্ট ধৰ্ম আওকাণ কৰিবলৈ গৈ গঠনতন্ত্ৰবাদী সকলো বিপদত পৰিল।

প্ৰদীপ আচাৰ্য্যৰ প্ৰবন্ধত এই গঠনতন্ত্ৰবাদী সকলকে "সংস্থানবাদী" আখ্যা দিয়া হৈছে। কিন্তু মিশ্বে'ল ফুকোক সংস্থানবাদী বুলিলে তেওঁ আপত্তি কৰিব! কাৰণ তেওঁ নাইবা আন এজন দাৰ্শনিক জাক্ ডে'ৰিডাই (Jaques Derrida) আমাক সঁকিয়াই দিছে যে সংস্থান বা গঠনতন্ত্ৰৰ ধাৰণাটো শব্দ বা ভাষাৰ সৃষ্টি। শব্দৰ জালত বন্দী মানুহে শব্দৰ বায়ুমণ্ডলৰ পৰা মূৰ দাঙিব নোৱাৰে। পৰম্পৰাগত বহু ধাৰণাকে বিশ্লেষণ কৰি ফুকোই দেখুৱাইছে যে বিশ্বজগৎ নিয়ম, সামাজিক শৃংখলা, যৌনতা প্ৰভৃতিৰ আধাৰস্বৰূপ একোটা মৌল ধাৰণাই (episteme) আমাৰ একো একোটা যুগৰ জ্ঞানবিজ্ঞান নিয়ন্ত্ৰণ কৰে। আমি যেতিয়া "বস্তুনিষ্ঠ" গৱেষণা কৰোঁ তেতিয়াও এনে episteme বা মৌল ধাৰণাৰ বশৱৰ্ত্তী হৈয়েই আগবাঢ়ো। সেয়ে ফুকোৰ আলোচনা ইতিহাসবিৰোধী নহয়, বৰং মানুহৰ অচেতন ইতিহাসৰ ধাৰা তেওঁ নিৰ্ণয় কৰিছে; মাৰ্ক্সে কৰাৰ দৰে।

কিন্তু ফুকো নহলেও আন আন কোনো সংস্থানবাদীয়ে সাহিত্য সমালোচনাৰ পূৰ্ববৰ্ত্তী ধাৰণা কিছুমান বিসৰ্জন দিছে। লেখকৰ ব্যক্তিসত্তা, ৰচনাৰ সামাজিক পটভূমি ইত্যাদি ৰচনাৰ বিচাৰত প্ৰাসংগিক নহয় বুলি তেওঁলোকে ভাবে। কাৰণ তেওঁলোকৰ মতে ৰচনাৰ গভীৰ গাঁথনি হে সাহিত্য সমালোচনাৰ বিষয় (object of knowladge)। এইদৰে সমালোচনাৰ পৰা বিষয়ীগত দিশটো বহিষ্কাৰ কৰি তেওঁলোকে "বৈজ্ঞানিক বস্তুনিষ্ঠতা অৰ্জন কৰিবলৈ প্ৰয়াস কৰিছে। কিন্তু তাকে কৰিবলৈ গৈ "বৈজ্ঞানিক" মুখাৰ আঁৰত তেওঁলোকৰ বিষয়ীগত মুখবোৰ গুচাব পৰা নাই! সেয়ে ডে'ৰিডা প্ৰমুখ্যে deconstructionist

সকলৰ আবিৰ্ভাৱ— তেওঁলোকৰ প্ৰয়াস structure ৰ নামত চলা নানা গোঁজামিল আৰু অসংগতি উদঘাটন কৰি দেখুৱা। ডে'ৰিডাৰ মতে "সংস্থানবাদী" সকলে সৃষ্টিৰ প্ৰেৰণা স্বৰূপ শক্তিৰ চৰিত্ৰ বুজি নাপায় সেয়ে জড় আৰু মৃত ৰূপকল্পৰ (form) প্ৰতি তেওঁলোকৰ অত্যাধিক আসক্তি।

কোৱা বাহুল্য, "আদাক দেখি উঠিল গা, কেঁচুৰিয়ে বোলে মোকো খা" এই প্ৰবচন সাৰ্থক কৰি ইংলেণ্ডত একশ্ৰেণীৰ "সংস্থানবাদী"য়ে বঢ়ামলাৰ দৰে সমালোচনা ছাতি ধৰিছে। শব্দৰ ওপৰত দখল আৰু কেতবোৰ কিম্ভূত-কিমাকাৰ বিমূৰ্ত্ত ধাৰণাৰ প্ৰতি দুৰ্বলতা— এয়ে এওঁলোকৰ মূলধন। সাহিত্য সমালোচনাত এওঁলোকে নতুন অন্তৰ্দৃষ্টিৰ পৰিচয় দিব পৰা নাই। "বৈজ্ঞানিক" পদ্ধতি সাহিত্য-বিচাৰৰ অভ্ৰান্ত লাখুটি হোৱা টান— আগতে চকু গজাই ল'ব পাৰিলেহে তেওঁলোকে দহজনক বাট দেখুৱাব পাৰিব। আমাৰ মাজত যথাৰীতি তাৰ উতনুৱা অনুকৰণ আৰম্ভ হৈছে। আমি অৱশ্যে আশা কৰিম যে পতাণৰ মাজত অন্ততঃ খুদকণ এদিন মিলিব।

(বৰ্ত্তমান, ১৯৮৬)

# ইংৰাজী উপন্যাসৰ সমালোচনা : ষ্টীফন্ হেইজল্

সম্প্ৰতি ইংৰাজী ভাষাত উপন্যাসৰ সমালোচনা লৈ বিস্তাৰিত আৰু প্ৰবল আলোচনা চলি আছে। ইউৰোপৰ পৰা অহা নতুন চিন্তাধাৰাই সেইবোৰত প্ৰচুৰ ইন্ধন যোগাইছে। লগে লগে আৰম্ভ হৈছে ষাঠি-সত্তৰৰ দশকলৈকে প্ৰবল হৈ থকা "নতুন সমালোচনা"ৰ বিৰূপ মূল্যায়ন। কথা আৰু কাহিনীৰ বিশ্লেষণৰ বাবে ইউৰোপৰ পৰা— অৰ্থাৎ ফ্ৰান্স, জাৰ্মানি আদি দেশৰ পৰা নতুন নতুন সঁজুলি আহি "নতুন সমালোচনা"ৰ অৱদানৰ প্ৰায় নিৰাশ্ৰয় কৰিবলৈ উদীত হৈছে। কোনো কোনো অত্যুৎসাহী সমালোচকে কব খুজিছে যে নতুন সমালোচনাই উপন্যাসৰ সমালোচনাক বিপথে পৰিচালিত কৰিলে। মাৰ্ক্সীয় ইতিহাসবোধ আৰু গঠন-তান্ত্ৰিক (struxturalist) পদ্ধতিৰ মিলনে ভাষাৰ প্ৰতি প্ৰত্যক্ষ সঁহাৰিৰ ওপৰত গুৰুত্ব দিয়া নতুন সমালোচনাক যেন অবৈজ্ঞানিক আৰু মনোগতবাদী বিকাৰৰ জগৰত পেলাইছে। কিন্তু এনে মাৰ্গৰ অত্যুৎসাহী সকলক যে বিনাদ্বিধাই সকলোৱে মানি লৈছে তেনে নহয়। উদাহৰণ স্বৰূপে উপন্যাস সমালোচনা সম্পৰ্কে নতুন সংকলন এখনত (The English Novel: Development in Criticism since Henry James) সম্পাদক ষ্টীফন হেইজনে (Stephen Hazel) তেওঁৰ সুদীৰ্ঘ আৰু সুচিন্তিত ভূমিকাত নতুন সমালোচকসকলৰ অৱদানতে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা দেখা গৈছে। অসমীয়া পাঠকৰ অৱনতিৰ বাবে হেইজলৰ মতামতৰ এটি চমু বিৱৰণ ইয়াত দাঙি ধৰা হ'ল।

সমালোচক সকলে উপন্যাসৰ প্ৰতি বিভিন্ন ধৰণৰ মনোযোগ বিচাৰে। কাৰো কাৰো মতে পাঠকে জীৱনৰ তীব্ৰতম অভিজ্ঞতা আৰু উপলব্ধিৰ বাবে উপন্যাসত নিমগ্ন হোৱা উচিত। কাৰো কাৰো মতে উপন্যাসৰ পাঠ এক ধৰণৰ বাৰ্ত্তা বা Message— আৰু সেই বাৰ্ত্তা বিশ্লেষণ কৰিবৰ বাবে যিবোৰ Code (সংকেতবিধি) আৰু Convention (প্ৰচলিত ৰীতি) জনা দৰকাৰ, সেইখিনি আয়ত্ত কৰিলেহে উপন্যাসৰ প্ৰকৃত মৰ্ম বুজা সম্ভৱ হ'ব।

এই দুই চৰম মাৰ্গৰ মধ্যবিন্দুত আছে এফ আৰু লীভিছ্ আদিৰ সমালোচনা— যি উপন্যাসৰ ভাষাৰ প্ৰতি কঠোৰ, সজাগ অভিনিবেশৰ জৰীয়তে জীৱন সম্পৰ্কে তাৰ প্ৰাসংগিকতা অধ্যয়ন কৰে।

নৰ্থ্ৰপ ফ্ৰাইৰ দৰে সমালোচকে কাৰিকৰি বিশ্লেষণ আৰু ব্যাখ্যাৰ গুৰুত্ব দিয়ে— বিচাৰ বা মূল্যায়ন তেওঁৰ বাবে সমালোচনাত নিষিদ্ধ আচৰণ। ভাষাৰ যেনেকৈ ব্যাকৰণ, সাহিত্যৰ তেনেকৈ সমালোচনা। কিন্তু উপন্যাসৰ এনে কাৰিকৰি বিশ্লেষণৰ উপৰিও জীৱন বা বাস্তৱৰ ওপৰত সি কেনে ধৰণৰ আলোকপাত কৰে, সেই দিশত গুৰুত্ব দিয়া ধাৰাটোও সমানে শক্তিশালী।

প্ৰসিদ্ধ ঔপন্যাসিক হে'নৰি জে'ইমছে উপন্যাসৰ আধুনিক সমালোচনাৰ সূচনা কৰিলে বুলিব পাৰি। ভিক্টোৰিয়ান ভাবপ্ৰবনতা আৰু নীতিবাগীশতা বৰ্জন কৰি জীৱনৰ সূক্ষ্মতম অভিব্যক্তি বিলাক পৰিস্ফুট কৰি তোলাৰ ব্ৰত তেওঁ গ্ৰহণ কৰিছিল। সম্পূৰ্ণ বেলেগ দৃষ্টিকোণৰ পৰা ই, এম্, ফৰষ্টাৰ্ আৰু ডি, এইচ্ লৰেন্সেও এই কথাকে দাঙি ধৰিলে। সমালোচনা যে বৈজ্ঞানিক বিশ্লেষণ বা বৰ্গীকৰণ (Classification) হব নোৱাৰে, বৰং তাৰ দায়িত্ব যে ঐকান্তিক, সজীৱ আৰু প্ৰাজ্ঞ (Intelligent) সঁহাৰি— লৰেন্সৰ মূল বক্তব্য এয়ে। এওঁলোকৰ উত্তৰাধিকাৰৰ প্ৰধান বাহক হ'ল প্ৰখ্যাত সমালোচক এফ আৰু লীভিছ্।

লীভিছৰ উপন্যাস-সমালোচনাৰ গুৰুত্ব নুই কৰা টান। তেওঁৰ The Great Tradition নামৰ কিতাপখন আধুনিক ইংৰাজী সমালোচনাৰ এক কীৰ্ত্তিস্তম্ভ বুলি ইতিমধ্যে স্বীকৃত হৈছে। কিন্তু লীভিছৰ অৱদানৰ বিষয়ে লঘু মন্তব্যও শুনা যায়। এনে অজ্ঞতা প্ৰসূত বিচাৰৰ যথোচিত উত্তৰ হয়তো হেইজেলৰ ভূমিকাৰ পৰা পোৱা যাব।

হেইজলে কৈছে: "In developing their kind of concern he has become one of the most important and challenging of modern critics.... He has been deeply committed to intelligence in and about the novel... he sees evaluation of life as uniquely possible in the novel's density." (জে'মছ আৰু লৰেন্সে উপলব্ধি কৰা লক্ষ্য আৰু আগ্ৰহৰ বিকাশ ঘটাই লীভিছ আধুনিক সমালোচক সকলৰ ভিতৰত অন্যতম প্ৰধান আৰু ভাবোদ্দীপক সমালোচক হৈ পৰিছে। ... উপন্যাসৰ মৰ্মত আৰু উপন্যাসৰ বিষয়ে আলোচনাত সজাগ বুদ্ধিৰ প্ৰতি তেওঁ গভীৰভাবে দায়বদ্ধ। তেওঁৰ মতে উপন্যাসৰ গাঢ়তাৰ জৰীয়তে জীৱনৰ এনে মূল্যায়ন সম্ভৱ, যি অন্য মাধ্যমত দুৰ্লভ।)

লীভিছে তেওঁৰ তত্ত্বক সুস্পষ্ট উক্তিৰ ৰূপত প্ৰকাশ কৰা নাই। কিন্তু তেওঁৰ আগ্ৰহ বা মনোযোগৰ ক্ষেত্ৰ সম্পৰ্কে আভাস দিব পাৰি। যেনে

ধৰক "নৈতিকতা"— যদিও তাক কোনো নৈতিক উপদেশৰ ৰূপত চিন্তা কৰিব নোৱাৰি। সাৰ্থক উপন্যাসৰ আংগিকৰ উৎকৰ্ষৰ অন্তৰালতো আছে এই নৈতিকতা অন্বেষণ। লীৱিছৰ বিচাৰত সেয়ে সাহিত্যিক মানদণ্ডৰ লগত সাহিত্য বহির্ভূত অন্যান্য বিবেচনাও গভীৰভাবে জড়িত। সাহিত্যগুণৰ প্ৰতি সজীৱ অনুভূতিশীলতাৰ লগত সামাজিক-নৈতিক উপলব্ধিৰ ঘনিষ্টতাই লীৱিছৰ লগতে তেওঁৰ পাঠকৰ বুদ্ধিও জীৱন্ত কৰি ৰাখে। সাহিত্য পাঠক এনে এক আনন্দময় সংগ্ৰামৰ ৰূপ দিব পৰাটো তেওঁৰ অন্যতম কৃতিত্ব।

তেওঁৰ সমালোচনাক কেৱল খুটি-নাটি লৈ ব্যস্ত প্ৰায়োগিক (Practical) সমালোচনা বুলি ভাবিলে ভুল হব। এই পদ্ধতিৰ লগত গভীৰ আৰু ব্যাপক সামাজিক নৈতিকবোধ আৰু প্ৰজ্ঞা যুক্ত হৈহে তেওঁৰ বিশিষ্ট সাফল্যৰ জন্ম দিছে।

লীৱিছৰ সমালোচনাৰ যথাযথ অধ্যয়ন এক অভিনৱ অভিজ্ঞতা। প্ৰতি পৰ্য্যায়তে পাঠকৰ মনোযোগ জাগ্ৰত কৰি, মূল্যায়নৰ বাবে পাঠকক উৎসুক কৰি পাঠকক চিন্তা কৰিবলৈ, বিতৰ্কত নামিবলৈ তেওঁ বাধ্য কৰে। সেয়ে লীৱিছ উপন্যাস সমালোচনাত এক কেন্দ্ৰীয় প্ৰভাৱ— "a central influence on novel-criticism." সেয়ে তেওঁৰ অনুসৰণকাৰী ভক্তৰ দল, তেওঁৰ সহানুভূতিশীল প্ৰতিবাদীৰ দল আৰু তেওঁৰ ঘোৰতৰ শত্ৰু দলৰ সংখ্যা গধুৰ।

লায়'নেল্ ট্ৰিলিঙেও উপন্যাসৰ সাংস্কৃতিক গুৰুত্ব অপৰিসীম বুলি ভাবে। কিন্তু তেওঁ হয়তো লীৱিছৰ দৃষ্টিকোণক কিছু প্ৰাদেশিক বুলিয়েই ভাবিব। ট্ৰিলিঙৰ সমালোচনাত ideasৰ ভূমিকা গুৰুত্বপূৰ্ণ। দৰ্শন, ৰাজনীতি, মনস্তত্ত্ব প্ৰভৃতিৰ ধ্যান-ধাৰণাৰে সাহিত্যবিচাৰ তেওঁ আলোকিত কৰিছে। মেথ্যু আৰ্নল্ডৰ ঐতিহ্যতে তেওঁ সাহিত্যক "জীৱনক সমালোচনা" বুলি ভাবে। বিচাৰৰ ব্যাপ্তিৰ তুলনাত তেওঁৰ বিশ্লেষণৰ গাঢ়তা পাতল। তথাপি তেওঁ এক নৈতিক পৰম্পৰাতে অৱস্থান লৈছে....।

(বৰ্ত্তমান, বিশেষ সমালোচনা সংখ্যা ১৯৮৬ অক্টোবৰ)

# বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা
# (৩)

### আধুনিক চিন্তাধাৰাৰ পটভূমি : অস্তিত্ববাদ

য়ুৰোপীয় চিন্তাধাৰাৰ বিশ্লেষণ আৰু মূল্যায়নত আমাৰ জাতীয় প্ৰতিভাৰ সাঁচ কেনেকৈ বাখিব পৰা যায় সেই প্ৰশ্ন আজি বহুতে তুলিছে। কোনো কোনোৱে তাৰ এনে অৰ্থও কৰিছে যে গীতা-উপনিষদৰ অবিনশ্বৰ জগতৰপৰা য়ুৰোপীয় চিন্তাধাৰাৰ তুচ্ছতা আৰু অসাৰ্থকতা অবলোকন কৰাই ভাৰতীয় প্ৰতিভাৰ সমকালীন দায়িত্ব। বেচেৰাহঁতে দেখাই নাই যে আজিৰ ভাৰতীয় পণ্ডিতেই অতীতৰ মোহান্ধ আৰু গদগদ ভাব বৰ্জন কৰি গীতা-উপনিষদৰ নতুন মূল্যায়ন কৰিবলৈ আগবাঢ়িছে। দৰাচলতে ভাৰতীয় পণ্ডিতৰ মনোযোগ তেওঁৰ সমসাময়িক সমাজৰ গভীৰতম দ্বন্দ্বৰপৰা বিচ্ছিন্ন হ'ব নোৱাৰে। ৰাষ্ট্ৰনায়কসকলৰ মনৰ খেয়াল পূৰাবলৈ য়ুৰোপ আৰাধনা নাইবা য়ুৰোপ গঞ্জনাত নিযুক্ত যোৱাটো সত্যান্বেষীৰ কাম কেতিয়াও নহয়।

চিন্তাৰ আকাশ মাৰ্গত পাৰ্থিব গ্লানিৰ পৰশ যি সকলে দেখিব নোখোজে তেওঁলোকে ভাবে যে চিন্তা শ্ৰেণীসংগ্ৰামৰ গুৰুত্বপূৰ্ণ অস্ত্ৰ নহয়, কিছুমান বিমূৰ্ত ধ্যান-ধাৰণাৰ লীলা খেলা মাত্ৰ। আমি কিন্তু চিন্তাৰ যি ইতিহাস অনুসৰণ কৰিছোঁ তাক কেৱল কিছুমান মহান মনীষীৰ সৃজনী প্ৰতিভাৰ নিদৰ্শন হিচাপে নলৈ সামন্ত জগতৰ পৰা তুমুল সংগ্ৰামেৰে নিজক মুক্ত কৰি পুঁজিবাদ সৃষ্টি কৰা আৰু পুঁজিবাদৰ অনিবাৰ্য অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হোৱা এটা শ্ৰেণীৰ চেতনা আৰু কল্পনাৰ নিৰ্যাস বুলি লৈছো। আৰু আমাৰ এই ইতিহাসবুদ্ধি আমাৰ বৰ্তমান সামাজিক সংকটেই সৃষ্টি কৰিছে। সেয়ে উন্নাসিক য়ুৰোপবন্দনা বা নিৰ্বোধ য়ুৰোপনিন্দাৰ অঙ্কগলিত সোমোৱাৰ প্ৰয়োজন আমি দেখা নাই। আনহাতে এই কথাও আমি মুকলি মূৰীয়াকৈ স্বীকাৰ কৰিছোঁ যে আমাৰ অধ্যয়ন আৰু বিশ্লেষণৰ প্ৰধান প্ৰমূল্য সমূহ আমাৰ সমাজৰ দ্বন্দ্বসমূহেই গঢ়ি তুলিছে।

অৱশ্যে পৰাশ্ৰয়ী মধ্যবিত্ত বুদ্ধিজীৱীয়ে যেতিয়া নতুন যুগৰ অগ্ৰদূত হোৱাৰ বাসনা এৰি শাসকশ্ৰেণীৰ আঁচলত ধৰি সংকটৰপৰা পৰিত্ৰাণ পাবলৈ

বিচাৰে, তেতিয়া আৰু শ্ৰেণীগত কুসংস্কাৰবোৰ এৰি দিয়াৰ কোনো প্ৰয়োজন বোধ নকৰে। এনে স্থবিৰ পৰিবেশতেই ওপৰোক্ত ধৰণৰ উপাখ্যানবোৰ মামৰৰ দৰে মনৰ কোণত জমা হয়। সেয়ে আমি দেখোঁ যে সমগ্ৰ বিশ্বতে বহুবিশ্ৰুত বুৰ্জোৱা পণ্ডিতসকলে যেতিয়া দৰ্শন, অৰ্থনীতি, ইতিহাস, সমাজতত্ত্ব, সমালোচনা সকলো ক্ষেত্ৰতে মাৰ্ক্সবাদৰ বহু দাবী পলমকৈ হলেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে, তেতিয়া আমাৰ দুজনমান "নিৰ্ভীক" আৰু "গহীন" পণ্ডিতে পঞ্চাশৰ দশকৰ য়ুৰোপৰ কিছুমান ভেঁকুৰা তত্ত্বকথা ধাৰ কৰি মাৰ্ক্সবাদৰ আসন্ন মৃত্যু ঘোষণা কৰিছে! জাঁ পল ছাৰ্ত্ৰৰ দৰে দাৰ্শনিকে যেতিয়া অৱস্থিতিবাদৰ অপূৰ্ণতা আৰু বিকৃতি উপলব্ধি কৰি দ্বান্দ্বিক যুক্তিবাদৰ পিনে আকুল হাত আগবঢ়াই দিছে, তেতিয়া আমাৰ কোনো কোনো আলোচনীৰ আত্মপক্ষসমৰ্থনত অৱস্থিতিবাদেই জীৱনদৰ্শনৰ স্বৰূপাৰ্থ হিচাপে দেখা দিছে।

বিশেষকৈ সম্প্ৰতি প্ৰতীকবাদ সম্পৰ্কে কেতবোৰ প্ৰলাপ দেখি আমি আচৰিত হৈছোঁ। প্ৰতীক থাকিলেই যদি সাহিত্য প্ৰতীকবাদী হয় তেন্তে শংকৰদেৱৰপৰা বেজবৰুৱালৈকে বহুতকে সহজে প্ৰতীকবাদৰ টুপি পিন্ধাই দিব পৰা যাব। তদুপৰি প্ৰতীকবাদক সকলো সাৰ্থক সাহিত্যৰ মাপকাঠি হিচাপে আগবঢ়োৱা পণ্ডিতসকলে ভাষা আৰু বাস্তৱ সম্পৰ্কে আওকাণ কৰিছে। এই সম্পৰ্কে বহু বিদগ্ধ লোকৰ সাক্ষ্য উদ্ধৃত কৰিব পৰা যায়। কিন্তু সাধাৰণ তথ্যসংকলন হিচাপে গৃহীত Cassell's Encyclopaedia of Literature (Volume I) ত Geoffrey Brereton এ কৈছে: "They subscribed to a metaphysical conception of the universe existing in and through the poet, were idealists with a cult of beauty, and sometimes mystics with a belief in a transcendental reality beyound appearances." (তেওঁলোকে বৰ্তি থকা এটা আধিভৌতিক ধাৰণা পোষণ কৰিছিল, সৌন্দৰ্য সাধনাত মায়াবাদৰ আশ্ৰয় লৈছিল আৰু পৰিদৃশ্যমান জগতৰ অতীত এক অতীন্দ্ৰিয় বাস্তৱত বিশ্বাসী ৰহস্যবাদী আছিল।) আৰৌ কৈছে:

"The obscurity of much symbolist poetry results from the poet's subjective choice of symbols, ... it is related to the attempt to develop a new poetic language, resistant, like music, to logical analysis and having its own word-values and phrase-orders." (ভালেখিনি প্ৰতীকবাদী কবিতাৰ দুৰ্বোধ্যতাৰ কাৰণ হ'ল কবিৰ প্ৰতীক নিৰ্বাচনত নিতান্ত আত্মগত মনোভাব। ... তাৰ লগত এক নতুন কাব্যিক ভাষা সৃষ্টিৰ প্ৰচেষ্টা জড়িত। এই নতুন কাব্যিক ভাষাক সংগীতৰ দৰে লজিকেল বিচাৰৰ অগম্য কৰিবলৈ বিচৰা হৈছিল, আৰু তাৰ

শব্দবোৰত নিজস্ব অভিনৱ অৰ্থ আৰু তাৰ বাক্যাংশবোৰত নতুন অনুক্ৰম সংযোজন কৰা হৈছিল।)

অৰ্থাৎ প্ৰতীকবাদীসকলৰ ভাষা এক আধিভৌতিক বিশ্বদৰ্শনৰ বাহন আছিল। সেই দৰ্শনৰ প্ৰতি সন্দিহান পাঠকে প্ৰতীকবাদকো কবিতাৰ একমাত্ৰ সাৰ্থক ৰূপ বুলি নামানিবও পাৰে। এযুগ আগতেই Columbia Dictionary of Modern Literature নামৰ আন এখন সুপৰিচিত কোষগ্ৰন্থত (reference book) ফৰাচী সাহিত্যৰ ওপৰত বিশেষজ্ঞ Henri Peyre এ লেখিছিল: "Symbolism, in its flight away from reality.... was too easity content in doing without the earth, the flesh and its passions.... and appeared to sing only for the few initiates of a secret cult."

(বাস্তৱৰ পৰা উৰা মাতি আঁতৰি প্ৰতীকবাদে পৃথিৱীখন আৰু দৈহিক কামনা-বাসনা অতি সহজে পৰিত্যাগ কৰি সন্তুষ্টি লাভ কৰিছিল.... আৰু এক গুপুত সম্প্ৰদায়ৰ এমুষ্টি ভকতৰ বাবেই যেন তাৰ কবিতা ৰচনা কৰিছিল।) অৰ্থাৎ প্ৰতীকবাদৰ প্ৰবল প্ৰতাপৰ সময়তো সমালোচকসকলৰ মনত তাৰ বিষয়ে কিছুমান সংশয় আৰু সন্দেহ আছিল। ফ্ৰান্সত ২য় বিশ্বযুদ্ধৰ পিচতেই প্ৰতীকবাদৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হয়— যুদ্ধৰ বীভৎস মানবীয় সত্য আৰু ফেচিবাদ বিৰোধী সংগ্ৰামৰ অনুপ্ৰেৰণাই প্ৰতীকবাদী ৰহস্যবাদৰ প্ৰতি বহু কবিক বিৰূপ কৰি তুলিলে। যোৱা দশকত ইংলেণ্ড আৰু আমেৰিকাতো এই বিদ্ৰোহ প্ৰবল হৈ উঠিছে। এনে ক্ষেত্ৰত প্ৰতীকবাদৰ তত্ত্বসমূহক আৰু কবিতাৰ বিশ্বজনীন তথা সৰ্বকালীন সূত্ৰ মানি লব নোৱাৰি। য়ুৰোপৰ সাহিত্যিক ঐতিহ্য ই কোনো কোনো দিশত পৰিপুষ্ট কৰিলেও পৰিৱৰ্তনশীল ঐতিহাসিক বাস্তৱৰ অবিনাশী ৰূপদানত ক্ৰমে অক্ষম হৈ পৰিছে। শেষ বয়সত প্ৰতীকবাদী ভাবমণ্ডলৰপৰা বাস্তৱৰ মাটি চুবলৈ ইয়েৎছৰ আকুল প্ৰচেষ্টা এই ক্ষেত্ৰত স্মৰণীয়।

এই উদাহৰণ প্ৰমাণ কৰে যে য়ুৰোপৰ চিন্তা সমাজৰ নিজস্ব গতিৰ স্পন্দন আৰু সেয়ে সজীৱ আৰু আনহাতে অসমৰ বহু তাত্ত্বিকৰ চিন্তা সম্পূৰ্ণ পৰাশ্ৰয়ী আৰু সমাজ-জীৱনৰ ৰস ধাৰাৰপৰা বঞ্চিত। এই বাবেই আমাৰ সাম্প্ৰতিক চিন্তাত দিগদৰ্শী গভীৰতা আৰু প্ৰাণস্পৰ্শী সাধুতাৰ এনে অভাৱ।

পাহৰিলে নচলিব যে অৱস্থিতিবাদো আছিল এটা সংকটাপন্ন শ্ৰেণীৰ সত্যানুসন্ধানৰ সাধনা। অগণন ফিলিষ্টিন আৰু মতলবী গৰ্দভৰ আগত তুচ্ছ আৰু তাৎপৰ্যহীন কথাৰ শ্লোক গাই আত্মপ্ৰসাদ আৰু ৰাজানুগ্ৰহ বিচৰা প্ৰবৃত্তি তেওঁলোকৰ নাছিল। আনহাতে তেওঁলোকৰ সমাজৰ অলংঘনীয় অন্তৰ্দ্বন্দ্বই

তেওঁলোকৰ সাধনা কৰিছিল যন্ত্ৰণাক্লিষ্ট আৰু গভীৰ। আনহাতে একদেশদৰ্শিতাৰ অভিশাপৰপৰা তেওঁলোকে পৰিত্ৰাণ নাপালে।

Existence precedes essence— জীৱন প্ৰাথমিক, জ্ঞান পৰৱৰ্তী। বিমূৰ্তজ্ঞানতকৈ জীৱনৰ পোনপটীয়া উপলব্ধিহে অৱস্থিতিবাদৰ মতে সত্যৰ প্ৰতিফলক। অস্তিত্বতকৈ তাৎপৰ্যক গুৰুত্ব দিয়া বাবেই অৱস্থিতিবাদীসকলে পৰম্পৰাগত যুক্তিবাদী ঐতিহ্য বৰ্জন কৰিছে।

অৱস্থিতিবাদ যাইকৈ যুক্তিবাদৰ সুদীৰ্ঘ আধিপত্যৰ বিৰুদ্ধে বিদ্ৰোহ। বিশেষকৈ আধুনিক বিজ্ঞানৰ যুগ আৰম্ভ হোৱাৰ পিচৰে পৰা ঊনবিংশ শতাব্দীলৈ বিশ্বজগতৰ সত্য অনুধাবন কৰাত যুক্তিৰ ক্ষমতাত যি বিপুল আস্থা আৰু ভৰসা গঢ়ি উঠিছিল, সেই ভৰসা ভিত্তিহীন বুলি দলিয়াই দিলে অৱস্থিতিবাদীসকলে। যুক্তিবাদীসকলে ভাবে যে বিশ্বজগৎ যুক্তিৰ অনুসন্ধানৰ আগত সেও— অৰ্থাৎ বিশ্বজগতৰ স্বৰূপ মানুহৰ অনাত্মীয় নহয়। অৱস্থিতিবাদীসকলে কিন্তু বিশ্বজগৎখন মানুহৰ জীৱনৰ এটা আকস্মিক লীলাভূমি বুলিহে অনুভৱ কৰে— তেওঁলোকৰ মতে আমি যেন বিশ্বজগতত হঠাতে আহি পৰিলোঁহি (thrown into the world)। বিশ্বজগৎখন মানুহৰ সচেতন মনৰ বাবে এখন অপৰিচিত দেশ— পৰিচয়ৰ মোহৰ আঁৰত তাত লুকাই থাকে আতংক আৰু বিভ্ৰান্তিৰ বিচিত্ৰ জানোৱাৰ। তেওঁলোকৰ মতে জীয়াই থকাটো প্ৰথম আৰু প্ৰাথমিক কথা— কিন্তু যুক্তি আৰু জ্ঞানেৰে জীৱনক বুজাটো পিচৰ কথা। জীয়াই থকাৰ এনে কিছুমান দিশ হেনো আছে যুক্তিয়ে যাক ঢুকি নাপায়। বৈজ্ঞানিক যুক্তিবাদ তাৰ নিজৰ ক্ষেত্ৰত সফল হলেও জীৱনৰহস্যৰ মৰ্মভেদ কৰাত নিতান্ত অসমৰ্থ।

যোৱা মহাযুদ্ধৰ সময়ৰপৰাই অৱস্থিতিবাদ য়ুৰোপৰ জনপ্ৰিয় দাৰ্শনিক ধাৰা হৈ পৰে, কিন্তু তাৰ আগতে হায়ডে'গাৰৰ "অস্তিত্ব আৰু কাল" আদি গ্ৰন্থত তাৰ পূৰ্বাভাস পোৱা গৈছিল। তাৰ পূৰ্বসূৰীসকলৰ ভিতৰত প্ৰধান হ'ল ঊনবিংশ শতিকাৰ শেষাংশ জৰ্মন দাৰ্শনিক নীৎছে, ৰুছ ঔপন্যাসিক ডষ্টোয়েফ্স্কি আৰু ডেনমাৰ্কৰ দাৰ্শনিক-ধৰ্মতত্ত্ববিদ (Philosopher-theologian) কিয়ে'ৰ্কেগাৰ্ড। এইসকল মনীষীৰ চিন্তাধাৰা সকলোবিষয়ত একে নাছিল— ডষ্টোয়েফ্স্কিয়ে য'ত কৰুণা আৰু নম্ৰতাক (humility) উচ্চ প্ৰশংসা কৰিছে, তাত নীৎছেই কৰুণা আৰু নম্ৰতাক গৰিহণা দিছে। তেওঁলোক এটা বিশেষ মাৰ্গৰ সচেতন সদস্যও নাছিল। কিন্তু তেওঁলোকৰ কিছুমান চিন্তাই পৰৱৰ্ত্তী যুগৰ অস্তিত্ববাদৰ প্ৰধান অৱলম্বন হৈ পৰে।

জৰ্মন দাৰ্শনিক নীৎছেই আকুল উৎকণ্ঠা আৰু তীব্ৰ তাগিদৰে ঘোষণা কৰিলে— "ভগবানৰ মৃত্যু হ'ল" (God is dead)— কেউপিনে মূৰ আচন্দ্ৰাই কৰা মূল্যবোধৰ শূন্যতা। এতিয়াৰপৰা মানুহ নিজেই নিজৰ জীৱনৰ

নিয়ন্তা। ধৰ্মৰ দাসত্বৰপৰা মুকলি মানুহে এতিয়া অনিশ্চয়তাৰ যন্ত্ৰণাৰ মাজেৰে আবিষ্কাৰ কৰক স্বাধীনতা আৰু স্বতন্ত্ৰতাৰ আস্বাদ, পাৰমাৰ্থিক ভৰসাবৰ্হিত জীৱনৰ মৌলিক চৰিত্ৰ। জীৱনৰ এই স্বাধীনতা আৰু ই গৌৰৱ যেয়েই সবাতোকৈ বেছিকৈ উপলব্ধি কৰিছে সিয়েই প্ৰকৃত্ব মনুষ্যত্বৰ ওচৰ চাপিব পাৰিছে। প্ৰকৃত মনুষ্যত্ব এদল ওখখাপৰ "অভিজাত" মানুহৰ প্ৰাপ্য মৰ্যাদা। প্ৰাচীন গ্ৰীক সংস্কৃতিৰ ঐতিহ্য আলোচনা কৰিবলৈ গৈ নীৎছে'ই জীৱন সম্পৰ্কে দুই পৰিপূৰক অথচ বিৰোধী দৃষ্টিভংগী আৱিষ্কাৰ কৰিছে— "আপলনীয়" (Apollonian) আৰু "ডায়নিছিয়" (Dionysiac) আপলনীয় হ'ল বোধকেন্দ্ৰিক, সাত্ত্বিক আচৰণ আৰু চিন্তাধাৰা। তাৰ প্ৰধান গুণ হ'ল সংযম আৰু শৃংখলা, সুমিতি আৰু সুষমা। জীৱনৰপৰা কিছু আঁতৰত থাকি সৌম্য, সমাহিত দৃষ্টিৰে সি জীৱনৰ ৰূপ ধ্যান কৰে। ডায়নিছিয় চিন্তাধাৰা থাকে জীৱনৰ চাকনৈয়াৰ সোঁমাজত— শৰীৰৰ ৰক্তপ্ৰৱাহৰ মাজত জীৱনৰ, অভিজ্ঞতাৰ উদ্দাম ছন্দ সি অনুভৱ কৰিবলৈ বিচাৰে। তাৰ ধৰ্মই হ'ল উচ্ছলতা, উদ্দামতা, উচ্ছৃংখলতা। গ্ৰীক সভ্যতাৰ অন্যতম শ্ৰেষ্ঠ অৱদান হ'ল ট্ৰেজেডি— আৰু ট্ৰেজেডিৰ মূলতে আছে এই ভীষণ আৰু উদ্দাম জীৱনানন্দ। আদিম আৰু বন্য হ'লেও জীৱনৰহস্যৰ স্বৰূপ সিহে বুজে। ট্ৰেজেডি আচলতে দুখদুৰ্দশাৰ ওচৰত নতি স্বীকাৰ নহয়, দুখ-কষ্টৰ চৰম উপলব্ধিৰ মাজেদি জীৱন-তৃষাৰ অভিব্যক্তি।

ডষ্টোয়েফ্স্কিৰ চিন্তাধাৰা আধ্যাত্মিক ৰসত অভিষিক্ত হলেও তাৰ এক অভিনৱ নিশো আছে। সি ঊনবিংশ শতিকাৰ সহজ-সৰল যুক্তিবাদ আৰু উদাৰনৈতিক মানবতাবাদৰ বিৰুদ্ধে তিক্ত, তীব্ৰ আৰু প্ৰবল প্ৰতিবাদ। তেওঁৰ Notes from the Underground যেন বুৰ্জোৱা মানবতাবাদ আৰু যুক্তিবাদৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান। বুৰ্জোৱা দৃষ্টিৰ অন্তৰালত, বুৰ্জোৱা চেতনাৰ ভূগৰ্ভত থকা অতি অস্বস্তিকৰ অথচ অনস্বীকাৰ্য্য কিছুমান সত্যক পোহৰলৈ আনিবলৈ চেষ্টা কৰা হৈছে এই গ্ৰন্থত। কাহিনীৰ নায়কৰ প্ৰধান অনুভূতি আৰু প্ৰেৰণা হ'ল ঈৰ্ষা আৰু বিদ্বেষ। বুৰ্জোৱা মানৱতাবাদীয়ে এনে পংকিল আবেগৰ অস্তিত্ব নেদেখা ভাওজুৰি থাকে। কিন্তু কাহিনীৰ নায়ক আৰু লেখকে আঙুলীয়াই দিছে যে যুক্তিৰ হিচাপেৰে জীৱনক জুখিব নোৱাৰি, যে মানৱজীৱনৰ এক অনন্য অদ্ভুত, যুক্তিহীন নিজস্বতা আছে। কাহিনীৰ অদ্ভুত চৰিত্ৰৰ কিন্তু চিন্তাশীল নায়কৰ কিছুমান উক্তি তলত উদ্ধৃত কৰা হ'ল:

"Oh, tell me, who was it first announuced, who was it first proclaimed, that man only does nasty things because he does not know his own interests, and that if he were enlightened, if his eyes were poened to his real normal interests,

man would at once cease to o nasty things, would at once become good and noble? .... Oh, the babe! Oh, the pure, the innocent child!"

(হেৰা, কোৱাচোন, কোনে বাৰু প্ৰথমতে ঘোষণা কৰিছিল, কোনে প্ৰথমতে প্ৰচাৰ কৰিছিল, যে মানুহে নিজৰ স্বাৰ্থ নুবুজিহে কুকৰ্মত মজে! যেন মানুহৰ জ্ঞানচকু মুকলি হলেই, তাৰ প্ৰকৃত স্বাভাৱিক স্বাৰ্থ বুজি পালেই মানুহে অসৎ কাম কৰিবলৈ এৰিব, আৰু যেন তৎক্ষণাৎ পুনৰ সৎ আৰু মহান হৈ উঠিব! ... হায়, হায়! কোন কেচুৱাৰ মুখৰ পৰা এইষাৰ কথা ওলাইছিল! কোন সেই নিৰ্মল নিষ্পাপ শিশু!)

* * *

And what if it so happens that a man's advantage, sometimes, nor only may, but even must, consist in his desiring in certain cases what is harmful to himself and nor advantageous.

(আৰু যদি এনেটোহে হয় যে কেতিয়াবা নিজৰ উপকাৰতকৈ অনিষ্ট বিচৰাটোহে মানুহৰ স্বাৰ্থ হব পাৰে— হব পাৰে কি, হয়েই!)

* * *

One's own free unfettered choice, one's own caprice— however wild it may be, one's wn fancy worked up at times to frenzy— is that very "most advantageous advantage" which we have overlooked, which comes under no classification and against which all systems and theories are continually being shattered to atoms. And how do these wiseacres know that man wants a normal, a virtuous choice? What man wants is simply independent choice, whatever that independence may cost, wherever it may lead."

মানুহৰ স্বীধীন, বন্ধনহীন বাছনি, মানুহৰ নিজৰ খেয়াল-খুছি— সি যিমানেই অদ্ভুত বা উন্মাদপ্ৰায় নহওক লাগে— সেইটোৱেই হ'ল আমি পাছৰি থকা আটাইতকৈ ডাঙৰ সুবিধা। এই সুবিধাটো কোনোধৰণে তালিকাত ভৰাব নোৱাৰি, আৰু সকলো তত্ত্ব আৰু দৰ্শন তাক ব্যাখ্যা কৰিবলৈ অপাৰগ।

আৰু সেই জ্ঞানী-মূৰ্খহঁতে কেনেকৈ বা জানিলে যে মানুহৰ আকাংক্ষাই সদায় স্বাভাৱিক আৰু সৎ পথহে লব? সিহঁতে কেনেকৈ ভাবিব পাৰিলে যে মানুহে কেৱল যুক্তি সংগতভাৱে নিজৰ বাবে আটাইতকৈ সুবিধাজনক বাছনিয়ে কৰিব? মানুহে বিচাৰে কেৱল স্বাধীন বাছনি, সেই স্বাধীনতাৰ মূল্য যিয়েই নহওক লাগে আৰু য'লৈকে সেই স্বাধীনতাই লৈ নাযাওক লাগে।

ডষ্টোয়েফস্কিৰ মতে মানুহৰ ইতিহাসত যুক্তিৰ আৰ্বিভাব পলমকৈ হৈছে আৰু যুক্তি মানুহৰ স্বভাৱৰ এটা সামান্য অংশ মাত্ৰ। আনহাতে মানুহৰ প্ৰবৃত্তি আৰু আকাংক্ষা (Will) হ'ল সমগ্ৰ মানৱজীৱনৰ প্ৰকাশ। সেয়ে যুক্তিৰ বিচাৰত মানুহৰ ইচ্ছা আৰু আকাংক্ষাৰ কোনো অভিব্যক্তি অসাৰ বা মূল্যহীন যেন লাগিলেও সি মানুহৰ জীৱনৰেই অকৃত্ৰিম প্ৰকাশ। ডষ্টোয়েফস্কিৰ মনস্তাত্ত্বিক বিশ্লেষণৰ গভীৰতা আৰু সূক্ষ্মতা চমকপ্ৰদ। তেওঁৰ উপন্যাসবোৰতো চৰিত্ৰসমূহৰ মাজত থকা বিভিন্ন আকাংক্ষাৰ তীব্ৰ দ্বন্দ্ব, নাইবা আকাংক্ষা আৰু আদৰ্শৰ জ্বলন্ত সংঘাত সৰলৰৈখিক বুৰ্জোৱা যুক্তিবাদী মনস্তত্ত্বৰ তুলনাত বহুবেছি বাস্তৱবাদী। কিন্তু ডষ্টোয়েফস্কিয়ে এই তীব্ৰ মনস্তাত্ত্বিক অন্তৰ্দ্বন্দ্বক এখন বিশেষ সমাজৰ প্ৰতিক্ৰিয়া হিচাপে নলৈ ধৰি লৈছে চিৰন্তন মানৱমনৰ স্বৰূপ হিচাপে। ফ্ৰয়েডতকৈ আগতে অবদমিত মনৰ অভিব্যক্তি আৰু অবচেতন মনৰ অদ্ভুত প্ৰতিক্ৰিয়া তেওঁ লক্ষ্য কৰিছিল। আৰু এই মনস্তাত্ত্বিক পৰ্যবেক্ষণৰ ভিত্তিত তেওঁ এক নিজস্ব দৰ্শন প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে এই দৰ্শনৰ প্ৰকাশ আছিল উপন্যাসৰ চৰিত্ৰ আৰু ঘটনাৱলীৰ জৰিয়তে। "কাৰামাজভ ভ্ৰাতৃগণ" উপন্যাসত সন্নিৱিষ্ট "গ্ৰেণ্ড্ ইনকুইজিটৰ" শিতানৰ উপকথাত তেওঁ সমসাময়িক যুক্তিবাদী সমাজদৰ্শনৰ ওপৰত কটাক্ষ কৰিছে। উপকথাত দেখুৱা হৈছে যে মানুহৰ আত্মাৰ স্বাধীনতা উপেক্ষা কৰি যিসকলে ঐকান্তিকভাৱেও মানুহৰ সুখ আৰু কল্যাণ বিচাৰে, তেওঁলোকে কেনেকৈ মানব সমাজক কাৰাগাৰত পৰিণত কৰে আৰু মানুহক পৰিণত কৰে যত্নলালিত পশুত। ডষ্টোয়েফস্কিৰ মতে মানুহৰ শ্ৰেষ্ঠ উত্তৰাধিকাৰ হ'ল তাৰ আত্মাৰ স্বাধীনতা আৰু এই আত্মাৰ স্বাধীনতা ৰক্ষা কৰিবলৈ মানব সমাজৰ বহু দুখ কষ্ট, বহু অবিচাৰ, বহু যন্ত্ৰণা-লাঞ্ছনা সহ্য কৰিব লাগিব।

ডষ্টোয়েফস্কিৰ আত্মাৰ স্বাধীনতাৰ ধাৰণা নিম্ন মধ্যবিত্ত শ্ৰেণীৰ শ্ৰেণী-অৱস্থানৰ প্ৰতিফলন। এই শ্ৰেণীয়ে পুঁজিবাদৰ অগ্ৰগতিৰ সময়ত নিজৰ পতনমুখী জীৱনযাত্ৰাৰ মান আৰু নিজৰ বৃত্তিৰ স্বাধীনতা লক্ষ্য কৰিবলৈ তীব্ৰ আৰু তিক্ত সংগ্ৰাম কৰিবলগীয়া হয়, আৰু ক্ৰমে যুদ্ধত পৰাজয় বৰণ কৰে। আনহাতে ব্যক্তিস্বাধীনতাৰ মোহ এৰি সমাজবাদী সংগঠনৰ শৃংখলা মানি লবলৈকো এওঁলোকে টান পায়। ব্যক্তিস্বাধীনতাৰ এই মৰীচিকা তেওঁলোকৰ

স্বকীয় শ্রেণীসংগ্রামৰ দৰ্পণ মাত্র। কিন্তু সমাজবাদৰ প্রতি যি সকল নিম্নমধ্যবিত্ত অগ্ৰসৰ হ্বলৈ শেষ পৰ্যন্ত অনিচ্ছুক থাকে, তেওঁলোকে অনিবাৰ্যভাৱে প্ৰতিক্ৰিয়াৰ শিবিৰত যোগ দিয়ে। ১৯০৫ চনত যেতিয়া ৰাজধানীৰ ৰাজপথ সেনাবাহিনীৰ পাশবিক আক্ৰমণত নিহত কৃষকৰ তেজেৰে ৰাঙলী হৈছিল, ডষ্টোয়েফস্কিৰ শেষজীৱনৰ বন্ধু আৰু মন্ত্ৰণাদাতা পবে'— ডনংছে'ড আছিল তেতিয়া জাৰৰ সোঁহাত আৰু দমন নীতিৰ প্ৰধান পৃষ্ঠপোষক! "আত্মাৰ স্বাধীনতা"ৰ এই নগ্ন দিশটো আওকাণ কৰাটো উচিত নহ্ব।

অৱস্থিতিবাদৰ অবিসম্বাদী জনক হ'ল ঊনবিংশ শতিকাৰ ডেনমাৰ্কৰ দাৰ্শনিক জৰে'ন কিয়েৰ্কগাৰ্ড। আধুনিক যুক্তিবাদৰ সুদূৰপ্ৰসাৰী দাবী তেওঁ অৱজ্ঞাৰে নাকচ কৰিলে। আনকি হেগে'লৰ দৰে প্ৰতিভাৰ সম্পৰ্কেও তেওঁ ক'লে যে হেগে'লৰ দৰ্শন (system) বিৰাট প্ৰতিভাৰ পৰিচয় হ্লহেঁতেন যদিহে তেওঁ তাক এটা মানসিক খেমালি বুলিলেহেঁতেন, তেওঁ মস্কিল কৰিছে তাক বাস্তৱৰ চাবিকাঠি বুলিহে। ১৮৪৪ চনত প্ৰকাশিত Concluding Unscieptific Postcript গ্ৰন্থত তেওঁ কৈছে:

"The difficulty that inheres in existence, with which the existing indtvidual is confronted, is one that never really comes to expression in the language of abstract thought, much less receives an explanation. Because abstract thought is sub specie acterin, it ignores the concrete and the temporal, the existential process, the predicament of the existing individual arising from his being a synthesis of the temporal and the eteranl situated in existence. Now if we assume that abstract thought is the highest manifesation of human activity, it follows that philosophy and the philosophers proudly desert existence, leaving the rest of us to face the worst."

"অস্তিত্বত (বা জীয়াই থকাত) নিহিত সমস্যা জীয়াই থকা মানুহজন যি সমস্যাৰ সন্মুখীন হয়— বিমূৰ্ত চিন্তাৰ ভাষাত কেতিয়াও প্ৰকাশিত নহয়। বিমূৰ্ত চিন্তাৰ ভাষাত তাৰ ব্যাখ্যা প্ৰকাশ হোৱাতো দূৰৰে কথা। যেহেতু বিমূৰ্ত চিন্তা অনন্ত কালৰ দৃষ্টিভংগীৰ চিন্তা, ধাবমান কাল আৰু প্ৰত্যক্ষ (concrete) অভিজ্ঞতাৰ ৰূপত প্ৰতিভাত অস্তিত্বক সি চুকি নাপায়। অস্তিত্বৰ প্ৰক্ৰিয়া— জীয়াই থকা মানুহজনৰ অস্তিত্বত সমাবেশ ঘটা কাল আৰু কালাতীতৰ মিলনৰপৰা ঘটা সংকট— বিমূৰ্ত চিন্তাৰ অগোচৰ। আমি যদি ধৰি লওঁ যে বিমূৰ্ত চিন্তা মানবীয় কাৰ্যকলাপৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ, তেন্তে দৰ্শন আৰু দাৰ্শনিকদলে সগৰ্বে অস্তিত্বৰ পৰা ফালৰি কাটি অহাৰ পিচত আমি বাকী

মানুহখিনিয়ে ভয়ানক সংকটৰ সন্মুখীন হ'ব লগা হওঁ।'

* * *

"This questionable character of abstract thought becomes apparent especially in connection with all existential problems, where abstract thought gets rid of the difficulty by leaving it out, and then proceeds to boast of having explained everything. It explains immortality in general, and all goes quite smoothly, in that immortality is identified with eternity, with the eternity which is essentially the medium of all thought. But whether an existing individual human being is immortal, which is the difficulty, abstract thought does not trouble to inquire. It is disinterested; but the difficulty inherent in existence constitutes the interest of the existing individual, who is infinitely interested in existing...."

(বিমূৰ্ত চিন্তাৰ সন্দেহজনক চৰিত্ৰ বিশেষকৈ অস্তিত্বৰ সকলো সমস্যাৰ সম্পৰ্কত প্ৰকট হৈ পৰে: কিয়নো বিমূৰ্ত চিন্তাই সমস্যাটো বাদ দি তাক দূৰ কৰে আৰু তাৰ পিচত সকলো পৰিষ্কাৰ কৰি দিয়া বুলি বৰাই কৰে। অমৰত্বৰ সাধাৰণ ব্যাখ্যাতে ই সন্তুষ্ট থাকে আৰু তাৰপৰা কোনো অসুবিধা নহয়— কাৰণ অমৰত্বক সি অনন্ত কালৰ লগত একাকাৰ কৰে আৰু অনন্ত কাল হ'ল বিমূৰ্ত চিন্তাৰ প্ৰকৃত মাধ্যম। কিন্তু বিমূৰ্ত চিন্তাই অনুসন্ধান কৰি নাচায় এজন বিশেষ জীয়াই থকা মানুহ অমৰ হয়নে নহয়— আচল সমস্যা য'ত। সেই সম্পৰ্কে সি নিস্পৃহ। কিন্তু জীয়াই থকা মানুহৰ বাবে জীয়াই থকাৰ স্পৃহাতেই আছে অস্তিত্বৰ সমস্যা— আৰু জীয়াই থাকিবলৈ জীৱিত মানুহৰ স্পৃহা হ'ল অপৰিসীম।)

কিন্তু এই জীয়াই থকাৰ আচল স্বৰূপ যদি বিমূৰ্ত চিন্তাই উন্মোচন কৰিব নোৱাৰে, ক'ৰপৰা তাৰ আভাস পোৱা যাব? ১৮৪৪ চনত প্ৰকাশিত তেওঁৰ The Concept of Dread (আতংকৰ ধাৰণা) গ্ৰন্থত কিয়েৰ্কেগাৰ্ডে তাৰ উত্তৰত এক অভিনব আৰু আপাতদৃষ্টিত অদ্ভুত ধাৰণা দাঙি ধৰে। জীৱন যেহেতু বাস্তৱ আৰু সম্ভাৱনাৰ সমন্বয়, জীৱন হ'ল সম্ভাৱনাৰ চেতনা। কিন্তু সম্ভাৱনাৰ চেতনা আতংকৰ নামান্তৰ, কাৰণ সম্ভাৱনাৰ দায়িত্ব প্ৰতি জীৱিত ব্যক্তিয়ে নিজেই বহন কৰিব লাগিব।

("মানুহ যদি পশু নাইবা দেবদূত হ'লহেঁতেন, তেনেহ'লে সি 'আতংক'ৰ

সীমাৰ বাহিৰত হ'ব নোৱাৰে।' কিন্তু সি যেহেতু সমন্বয়, সি 'আতংক' অনুভৱ কৰিব পাৰে। এই 'আতংক'ৰ চেতনা যিমানেই ভীষণ হয়, মানুহজন হ'ব সিমানেই মহান। অৱশ্যে এই 'আতংক' সচৰাচৰ বুজা অৰ্থত মানুহৰ বাহিৰৰ কোনো বস্তুৰ প্ৰতি 'আতংক' নহয়— বৰং মানুহ নিজেই এই 'আতংক'ৰ জন্ম দিয়ে।)

* * *

"Dread is the possibility of freedom. Only this dread is by the aid of faith absolutely educative, laying bare as it does all finite aims and discovering all their deceptions..."

('আতংক' হ'ল স্বাধীনতাৰ প্ৰতিশ্ৰুতি। কেৱল ধৰ্মবিশ্বাসৰ সহায়ত এই 'আতংক'ই আমাক দিয়ে চূড়ান্ত শিক্ষা— সকলো সীমাবদ্ধ লক্ষ্য আৰু সিহঁতৰ সকলো প্ৰতাৰণা উদ্ঘাটন কৰি।)

কিয়ে'ৰ্কগাৰ্ডে সম্ভাৱনাৰ অৰ্থ সৌভাগ্যৰ সম্ভাৱনা বুলি ভবা নাই। তেনেদৰে ভবা মানুহে জীৱনৰ বাস্তৱৰূপৰ পলাবলৈ সম্ভাৱনাৰ সপোন দেখে। কিন্তু প্ৰকৃত সম্ভাৱনাৰ জ্ঞান থকা মানুহে বুজে যে "he can demand of life absolutely nothing, and that terror, perdition, annihilation, dwell next door to every man." (তেওঁ জীৱনৰূপৰ সমূলি একো দাবী কৰিব নোৱাৰে, যে শংকা, অধঃপতন, বিলুপ্তি প্ৰতিজন মানুহৰে ওচৰ-চুবুৰীয়া।)

কিয়ে'ৰ্কগাৰ্ড আছিল আধ্যাত্মিক সত্যৰ সন্ধানী। তেওঁ সেয়ে জীৱনৰ এই অন্তৰ্নিহিত আতংকৰূপৰা মানুহক মানৱজীৱনৰ সীমিত লক্ষ্যৰ অসাৰতাৰ শিক্ষা লবলৈ কৈছে আৰু ধৰ্মৰ "অনন্ত জীৱন"ত দীক্ষা লবলৈ আহ্বান জনাইছে। পৰৱৰ্তী যুগৰ সকলো অৱস্থিতিবাদীয়ে ধৰ্মৰ ওপৰত এই আস্থা একেবাক্যে মানি লোৱা নাই। ছাৰ্ত্ৰ আৰু কাম্যুক নাস্তিক বুলিব পৰা যায়। কিন্তু তেওঁলোক সকলোৱে মানুহৰ এই ভীষণ আৰু বিৰাট দায়িত্বৰ হেঁচা অনুভৱ কৰিছে আৰু ফলত গুৰুত্ব দিছে জীৱনৰ প্ৰধান সত্য নিৰ্বাচনৰ (choice) ওপৰত। নিৰ্বাচনৰ এই ধাৰণাও কিয়ে'ৰ্কগাৰ্ডৰ পৰাই গ্ৰহণ কৰা। মানুহৰ জীৱন দুই ধৰণে যাপন কৰিব পাৰি— আনুভূতিক ধৰণে (aesthetically) আৰু নৈতিক ধৰণে (ethically)।

(প্ৰকাশ, অক্টোবৰ, ১৯৭৫)

# বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা
# (৪)

## আধুনিক চিন্তাধাৰাৰ পটভূমি : অস্তিত্ববাদ

(যোৱা সংখ্যাৰ পিছৰপৰা)

কিয়ে'ৰ্কগাৰ্ডৰ মননৰ বৈশিষ্ট্য হ'ল তাৰ পুনৰাবৃত্তি আৰু উদাহৰণৰ প্ৰতি আসক্তি। তেওঁৰ কেন্দ্ৰীয় উপলব্ধি যাতে সমসাময়িক জগতে বুজিব পাৰে তাৰ বাবে তেওঁ বিভিন্ন উপায়ে, বিবিধ ভাষাৰে তাক ব্যক্ত কৰিছে। এই ফালৰপৰা তাহানিৰ বুদ্ধ বা যীশু খ্ৰীষ্টৰ দৰে তেওঁ ধৰ্মপ্ৰচাৰকৰ প্ৰকাশৰ আবেগ প্ৰদৰ্শন কৰিছে। সমসাময়িক সমাজৰ মোহ ভংগ কৰি জীৱনৰ 'প্ৰকৃত সত্য'ৰ স্বৰূপ উন্মোচন কৰিবলৈ তেওঁ যেন কৃতসংকল্প। আনহাতে যীশু আৰু বুদ্ধৰ প্ৰশান্তি আৰু কৰুণাৰ ঠাইত কিয়ে'ৰ্কগাৰ্ডৰ ভাষা আৰু প্ৰকাশভংগীত অনুভৱ কৰিব পাৰি গভীৰ স্নায়বিক উত্তেজনা— উৎকণ্ঠা, অস্থিৰতা আৰু হতাশা। যি জগতক তেওঁ মোহৰপৰা মুক্তি দিবলৈ বিচাৰে সেই জগতে সঁচাকৈ সেই মুক্তি বিচাৰে নে নাই, নাইবা সেই মুক্তিৰ যোগ্য হয় নে নহয়— সেই বিষয়ে যেন তেওঁৰ মনত দুৰতিক্ৰম্য সংশয়। সাধাৰণ মানুহৰ ওপৰত তেওঁৰ আস্থা নাই।

সমসাময়িক যুগ আৰু জগতৰ ওপৰত তেওঁৰ The Present Age কিতাপখন যেন এক প্ৰচণ্ড অভিসম্পাত। তেওঁৰ মতে ব্যক্তিহে মানবতাৰ প্ৰকৃত আধাৰ, সমষ্টি নহয়। কিন্তু উনবিংশ শতিকাই 'প্ৰগতি'ৰ পূজা কৰি কৰি ব্যক্তিৰ চৰম মূল্য পাহৰি গৈছে আৰু অবাস্তৱ, ব্যক্তিত্বহীন সমষ্টিৰ মনুষ্যত্ব বিসৰ্জন দিছে। সমষ্টিৰ কোনো বিবেক নাই, দায়িত্ববোধ নাই। "...no single person who belongs to the public makes a real commitment." তেওঁ আকৌ কৈছে: "Fundamentally Hegel makes men into heathens, **into a race of animals gifted with reason**.

For in the animal world 'the individual' is always less important than the race. But it is the peculiarity of the human race that just because the individual is created in the image of God 'the individual' is above the race." **(Journals)**

(মূলতঃ হে'গে'লে মানুহক ধৰ্মহীন্ বৰ্বৰৰ দলত পৰিণত কৰিছে— যুক্তিৰ ক্ষমতা থকা এটা জন্তুৰ জাতিত পৰিণত কৰিছে। কাৰণ জন্তুৰ মাজত সদায় ব্যক্তিতকৈ জাতি বেছি মূল্যবান। কিন্তু মানবজাতিৰ বৈশিষ্ট্য এয়ে যে ঈশ্বৰৰ আৰ্হিত গঢ়া বাবেই ব্যক্তিৰ মূল্য সদায় তাত জাতিতকৈ ওপৰত।)

কিয়ে'ৰ্কগাৰ্ডৰ মতে তেওঁৰ সমকালীন জগতত প্ৰকৃত কামনাৰ উন্মাদনা, প্ৰকৃত বিবেকৰ অলংঘনীয় নিৰ্দেশ, প্ৰকৃত ধৰ্মভাবৰ গভীৰতাৰ স্থান নাই। সকলোৱেই হিচাপত চলে আৰু সকলোৱেই সমষ্টিৰ নিয়ম মানি চলে। এই বাহ্যিক সমতা (levelling) গুণগতভাবে মনুষ্যত্বৰ বাবে ক্ষতিকৰ। এইবোৰ মানুহৰ মতামত ঠিক কৰি দিয়ে খবৰ কাগজে, আচৰণ ঠিক কৰি দিয়ে ৰাষ্ট্ৰই। সকলো ধৰণৰ গুণগত উৎকৰ্ষ এই পৰিবেশে বিনাশ কৰে। কিয়ে'ৰ্কগাৰ্ডৰ আস্থা কেৱল ব্যক্তিৰ ওপৰত। বাহ্যিক, সমষ্টিগত জীৱনে জীৱনক আচৰণসৰ্বস্ব কৰি তুলিছে, আৰু কেৱল ব্যক্তিয়েহে গভীৰ উপলব্ধি আৰু আত্মজিজ্ঞাসাৰ জৰিয়তে জীৱনৰ অন্তৰ্নিহিত, আধ্যাত্মিক সত্যক পুনঃপ্ৰতিষ্ঠা কৰিব পাৰিব।

এই অন্তৰ্নিহিত, আধ্যাত্মিক সত্যক তত্ত্বগত জ্ঞানেৰে জানিব নোৱাৰি। কাৰণ তত্ত্বগত জ্ঞান সদায় কেৱল এটা সম্ভাৱনাহে— তাক নিশ্চিত জ্ঞান বুলি কব নোৱাৰি। নিশ্চিত জ্ঞান হ'ল ব্যক্তিগত অস্তিত্বৰ গভীৰৰপৰা উপলব্ধি কৰা সত্য। "The real subject is not the cognitive subject, since in knowing he moves in the sphere of the possible; the real subject is the ethically existing subject." (প্ৰকৃত কৰ্তা কেতিয়াও জ্ঞানবাচক ক্ৰিয়াৰ কৰ্তা নহয়, কাৰণ জ্ঞান সদায় সম্ভাৱনাৰ পৰিসীমাৰ মাজত বিচৰণ কৰে; প্ৰকৃত কৰ্তা হ'ল নৈতিকভাবে সজীৱ আৰু সক্ৰিয় কৰ্তা।) ডে'কাৰ্টৰ ধাৰণা ভ্ৰান্ত।

কোৱা বাহুল্য, তত্ত্বগত নৈতিক জ্ঞানক কিয়ে'ৰ্কগাৰ্ডে মূল্য দিয়া নাই। তেওঁৰ মতে বিজ্ঞানৰ আৰ্হিত সজোৱা তত্ত্বগত আৰু 'নিৰসক্ত' (disinterested; dispassionate) জ্ঞানেই বাহ্যিক— জীৱনৰ কেন্দ্ৰীয় সত্য সি স্পৰ্শ কৰিব নোৱাৰে। মাথোন আসক্তিয়ে, আবেগময় অস্তিত্বই আৰু সক্ৰিয় অস্তিত্বৰ অনুভূতিয়ে সেই সত্যৰ লগত আমাৰ সংযোগ স্থাপন কৰে। "The way of objective reflection makes the subject accidental, and thereby transforms existence into something indefferent, something vanishing. Away from the subject the objective

way of reflection leads to the objective truth, and while the subjects and his subjectivity become indifferent, the truth also become, indifferent..." (বস্তুগত, নৈৰ্ব্যক্তিক মননে কৰ্তাক মূল্যহীন কৰি পেলায়, আৰু পৰিণামত অস্তিত্বকে এটা অলাগতিয়াল বা লুপ্তপ্ৰায় বস্তুত পৰিণত কৰে। কৰ্তাক বাদ দি কৰা বস্তুগত মননে বস্তুগত সত্যলৈ আমাক লৈ যায় কৰ্তা আৰু তাৰ বিষয়ীগত অস্তিত্বকে নিষ্ক্ৰিয় কৰি পেলায়। ফলত সত্যও নিষ্ক্ৰিয় হৈ পৰে)

বস্তুগত সত্যৰ পূজাৰীবৃন্দই কৰ্তাৰ ওপৰত, বিষয়ীগত উপলব্ধিৰ ওপৰত দিয়া গুৰুত্বক বাতুলতা বুলিব খোজে, কাৰণ তাৰ কোনো বাহ্যিক মানদণ্ড নাই। কিন্তু কিয়ে'ৰ্কগাৰ্ডৰ মতে বাহ্যিক, বস্তুগত মানদণ্ডৰ ওপৰত দিয়া গুৰুত্বও একধৰণৰ বলিয়ালি। আৰু তেওঁৰ মতে এই একদেশদৰ্শিতাৰ পৰিণাম মানুহৰ পক্ষে অধিক ভয়াবহ।

কিয়ে'ৰ্কগাৰ্ডৰ মতে মানুহ তাৰ ব্যক্তিগত, বিষয়ীগত, অস্তিত্বগত দিশত ভগবানৰ প্ৰতি উন্মুখ। ভগবানৰ প্ৰতি এই উন্মুখতাৰ কাৰণ কোনো বস্তুগত জ্ঞান নহয়। কাৰণ বস্তুগতভাবে সৃষ্টিত যেনেকৈ ভগবানৰ অস্তিত্বৰ প্ৰমাণ আছে। তেনেকৈ ভগবানৰ অস্তিত্ব নাকচ কৰা প্ৰমাণো বহুতো আছে। কিন্তু এই বস্তুগত অনিশ্চয়তাই বিষয়ীগত বিশ্বাস আৰু ভগবানৰ প্ৰতি আসক্তি টলাব নোৱাৰে।— বৰং তাক দান কৰে তাৰ তীব্ৰতা। বস্তুগত জ্ঞান কিন্তু এনে অন্তৰ্দ্বন্দ্বৰ পৰিপন্থী।

কিয়েৰ্কগাৰ্ডে কোৱা নাই যে "বিশ্বাসে মিলয় কৃষ্ণ, তৰ্কে বহুদূৰ।" তেওঁৰ মতে বিশ্বাসৰ এটা অপৰিহাৰ্য সোপান আৰু দিশ হ'ল অবিশ্বাস, বস্তুগত অনিশ্চয়তা। কিন্তু ব্যক্তি জীৱনৰ এই পৰ্য্যায়লৈ অহাৰ আগতে তাৰ অচেতন আৰু জড় অস্তিত্ব বৰ্জন কৰিব লাগিব। সচৰাচৰ মানুহ তাৰ সহজ আৰু প্ৰাকৃতিক কামনা-বাসনা আৰু অনুভূতিক লৈয়েই ব্যস্ত। এই পৰ্য্যায়ক কিয়ে'ৰ্কগাডে immediate বা aesthetic পৰ্য্যায় আখ্যা দিছে। কিন্তু এনে পৰ্য্যায়ৰ মানুহ জীৱনৰ অন্তৰ্নিহিত সত্যৰ বাহিৰত। তাৰ উৎসাহ সহজে নৈৰাশ্যত পৰিণত হব পাৰে, তাৰ সহজ আস্থা হ'ল সৌভাগ্য আৰু দুৰ্ভাগ্যৰ ওপৰত। বিচৰা বস্তুটো নাপালেই তাৰ বাবে দুৰ্ভাগ্য। কিন্তু ethical পৰ্য্যায়লৈ উঠা মানুহৰ মন ভাগ্যৰ পুতলা নহয়। তেনে মানুহে জানে যে কোনো মুহূৰ্তত দুখ বা দুৰ্ভাগ্যই তাক স্পৰ্শ নকৰিলেও দুখ বা ক্লেশ জীৱনৰ এটা অন্তৰ্নিহিত সত্য। এই সত্য উপলব্ধি কৰিলে সি অনিবাৰ্যভাবে বুজি পায় aesthetic জীৱনবোধৰ শূন্যতা। aesthetic জীৱনত নিৰ্বাচনৰ কোনো গুৰুত্ব নাই— মুহূৰ্তে মুহূৰ্তে খেয়াল বা বাসনা অনুযায়ী সি বিচাৰে বিভিন্ন ধৰণৰ পৰিতৃপ্তি। কিন্তু ethical বা নৈতিক পৰ্যায়ৰ মানুহৰ বাবে নিৰ্বাচনৰ বাবে

ইমান বিভিন্ন বস্তু নাই। সৎ আৰু অসতৰ মাজতেই তাৰ নিৰ্বাচন। বস্তুগতভাৱে এই নিৰ্বাচন নহয়। বস্তুগত আৰু ক্ষণিক বিষয় বাদ দি অন্তৰাত্মা (self) নিৰ্বাচন কৰাই হ'ল এই নিৰ্বাচন। এই নিৰ্বাচনে বাহ্যিক প্ৰলোভন, সমাজৰ মতামত, তত্ত্বগত জ্ঞান সকলো ক্ৰমে অতিক্ৰম কৰি অন্তৰাত্মাকে বৰণ কৰে। aesthetic পৰ্যায়ৰ ক্ষণস্থায়ী আৰু অস্থিৰ উন্মাদনা জয় কৰি সি থিতাপি লয় এক বলিষ্ঠ আৰু ভাবঘন কেন্দ্ৰিকতাত। অন্তৰাত্মাৰ প্ৰতি এই নিষ্ঠাই ব্যক্তিক বিচ্ছিন্ন কৰিব নোৱাৰে, কাৰণ অন্তৰাত্মাক জনাৰ পিছত সকলো মানবীয় সম্পৰ্কৰ দুখ-ক্লেশ ব্যক্তিয়ে হেলাৰঙে স্বীকাৰ কৰি লয়। কেৱল সেয়ে নহয়, মানুহৰ বাবে যি সম্পৰ্ক সবাতোকৈ মূল্যবান— সেই ভগবানৰ লগৰ সম্পৰ্কৰো সকলো দুখ-কষ্ট হেলাৰঙে মানি লব পৰা হয়।

ঊনবিংশ শতিকাৰ যি গৌৰৱ— বিজ্ঞান আৰু গণতন্ত্ৰ— তাক এনেকৈয়ে অৱজ্ঞাৰে প্ৰত্যাখ্যান কৰিলে কিয়ে'ৰ্কগাৰ্ডে। তেওঁ দেখুৱালে বৈজ্ঞানিক জ্ঞানৰ অনুশীলনে কেনেকৈ মানুহৰ জীৱনৰ সক্ৰিয় দিশটো স্তব্ধ কৰি পেলাইছে, তেওঁ দেখুৱালে গণতন্ত্ৰই কেনেকৈ ব্যক্তিগত উপলব্ধিৰ সত্যতাক এক উপৰুৱা বাস্তৱতাৰে হেঁচা মাৰি ধৰিছে। পুঁজিবাদৰ চৰম বিকাশৰ যুগত এনেকৈয়ে কিয়ে'ৰ্কগাৰ্ডে তাৰ মহত্তম কলা-কৃষ্টি সকলোৰে মাজত আবিষ্কাৰ কৰিলে চূড়ান্ত মানবীয় নিঃস্বতা। তেওঁৰ নিঃসঙ্গতাৰ মাজৰপৰা তেওঁ সকলোলৈকে আহ্বান কৰিলে নিজৰ জীৱনৰ শূন্যতা আৰু অভাৱৰ বিষয়ে সজাগ হ'বলৈ।

কিয়ে'ৰ্কগাৰ্ডৰ এই বিদ্ৰোহৰ পৰিণতি সদায় আমাৰ বাবে গ্ৰহণযোগ্য নহয়। তেওঁ গণতন্ত্ৰৰ বিৰুদ্ধে ৰাজতন্ত্ৰত আস্থা জ্ঞাপন কৰিলে। ঊনবিংশ শতিকা আত্মতৃপ্ত ধৰ্মৰ (church) আচাৰ সৰ্বস্বতাক উপলুঙা কৰি তেওঁ ব্যক্তিগত আধ্যাত্মিক জীৱনৰ উপলব্ধিৰ গুৰুত্ব আৰোপ কৰিলে। বিজ্ঞানৰ প্ৰতি আস্থাক তেওঁ বলিয়ালি বুলিলে। ঊনবিংশ শতিকাৰ মৰুভূমিৰ মাজত আধ্যাত্মি এষণাই আছিল তেওঁৰ বাবে মোহন মৰুদ্যান। অৱশ্যে আমাৰ ধাৰণাত ই আছিল মৰীচিকা। কিন্তু তৃষাতুৰ পথিকৰ বাবে মৰীচিকা যেনেকৈ প্ৰবল তৃষ্ণাৰ বাহ্যিক প্ৰকাশ, তেনেকৈ কিয়ে'ৰ্কগাৰ্ডৰ সমাধানো ঊনবিংশ শতিকাৰ এটা মৌলিক অভাৱ আৰু শূন্যতাৰ আওপকীয়া অভিব্যক্তি। "Philoshophers have so far interpreted the world, the point is to change it."

আচৰিত নহয় যে কিয়ে'ৰ্কগাৰ্ডৰ আধ্যাত্মিকতাত পৰিতৃপ্তিতকৈ দুখবোধৰ প্ৰাধান্য বেছি। তেওঁৰ স্বাধীনতা গভীৰ সংশয়ৰ লগৰীয়া। aesthetic পৰ্যায়ৰ মানুহৰ পাপবোধ নাই, বিবেক নাই। কিন্তু মনুষ্যত্বৰ ওপৰ সোপানলৈ উঠা মানুহৰ আধ্যাত্মিক চেতনা জীৱনৰ অসম্পূৰ্ণতা, ভংগুৰতা আৰু অন্ধকাৰ দিশৰ প্ৰতি সজাগ। এই আতংক আৰু পাপবোধ অবিহনে অন্তৰাত্মানৰ

প্ৰকৃত লক্ষ্যৰ প্ৰতি আমি নিষ্ঠাবান হ'ব নোৱাৰোঁ। আতংক কি? আমি যিটো বস্তু মনেপ্ৰাণে নিবিচাৰোঁ তাৰ প্ৰতি আমাৰ আতংক নাথাকে, কিন্তু মনে প্ৰাণে বিচৰা বস্তুৰ প্ৰতি আতংকহে আচল আতংক। ("for dread is a desire for what one fears, a Sympathetic antipathy") স্বাভাৱিক জীৱনৰ প্ৰতি এই আতংক অনুভৱ কৰা মানুহেহে মনুষ্যত্বৰ শ্ৰেষ্ঠ সাধনাত সফল হ'ব পাৰে। মনস্তাত্ত্বিক বিকাৰেই এনেকৈ কিয়ে'ৰ্কগাৰ্ডৰ মননত শ্ৰেষ্ঠ দাৰ্শনিক উপলব্ধিৰ ভাও দিছে। বিংশ শতিকাৰ বহু বিখ্যাত য়ুৰোপীয় সাহিত্যিকৰ (আৰু তেওঁলোকক অনুকৰণ কৰা বহু অসমীয়া সাহিত্যিকৰ) জীৱনবোধৰ বৈশিষ্ট্য এনে ধৰণৰে।

(প্ৰকাশ জানুৱাৰী, ১৯৭৬)

# বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা

## য়ুৰোপীয় ৰোমান্তিকতাৰ অবক্ষয় আৰু ৰকধাৰ্মিক ধ্ৰুপদীবাদ

বিংশ শতাব্দীৰ আৰম্ভণিত য়ুৰোপীয় সাহিত্য আৰু ভাবধাৰাৰ অন্যতম উল্লেখযোগ্য লক্ষণ আছিস ৰোমান্তিকমাৰ্গৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া। ঊনবিংশ শতিকাৰ শেষলৈকে যেনেকৈ ইংলেণ্ডৰ ভিক্টোৰিয় যুগৰ সাহিত্যৰ বিভিন্ন পৰ্যায়ত ফৰাচী বিপ্লৱৰ বুৰ্জোৱা গণতান্ত্ৰিক চেতনা আৰু তাৰ নানানটা প্ৰমূল্য (Values)ৰ অৱশেষ কোনোক্ৰমে টিকি আছিল, যদিও তাৰ বিপ্লৱী, ক্ৰান্তিকাৰী আৰু. ভৱিষ্যমুখী কল্পনা পংগু হৈ পৰিছিল। কিন্তু বুৰ্জোৱা সমাজ ব্যৱস্থাৰ অন্তৰ্দ্বন্দ তীব্ৰ হৈ অহাৰ লগে লগে, আৰু তাৰ হেঁচাত ব্যক্তিৰ বিপৰ্যয় বেছি প্ৰকট হৈ পৰাৰ লগে লগে, ব্যক্তি-মানৱৰ অধিকাৰক শীৰ্ষস্থান দিয়া ৰোমান্তিক চিন্তাধাৰায়ো য়ুৰোপীয় শিক্ষিত মনক আকৃষ্ট কৰিব নোৱাৰা হয়। ৰোমান্তিক মাৰ্গৰ বিৰুদ্ধে আৰম্ভ হয় বিচিত্ৰ প্ৰতিক্ৰিয়া।

উচ্চমান আৰু সুস্থ ৰুচিৰ ধ্বজা উৰাই আত্মপ্ৰচাৰত বিভোল হোৱা কোনো আলোচনীয়ে যদি আধাবয়সীয়া আবিয়ৈ তিক্ততাৰ বিকৃত কল্পনাৰ দৰে কলংকলিপ্সা বা পাৰচৰ্চাপ্ৰিয়তা প্ৰকাশ কৰে, তেতিয়া বুজিব লাগিব যে উচ্চমানৰ স্বামী মহাশয়ক নাকত ধৰি চাকত ঘুৰাই আছে নিতান্তই নিম্নৰুচিৰ নীচমনা স্ত্ৰীয়ে। ঠিক তেনেকৈ ৰোমান্তিকতাৰ বিৰুদ্ধে বিদ্ৰোহত যিমানেই মহান উদ্দেশ্য প্ৰকাশ নাপাওক, তাৰ পৰিণামত প্ৰকট হোৱা কেতবোৰ অসুস্থ আৰু অমানুষিক লক্ষণৰপৰা বুজা যায় যে এই প্ৰতিক্ৰিয়া কোনো স্বাভাৱিক আৰু সাৰ্থক বিকাশ নাছিল। এইসকল বিদ্ৰোহী আছিল মূলতঃ ৰোমান্তিকতাৰেই জাৰজ সন্তান আৰু তেওঁলোকৰ তিক্ততা আছিল বীৰ্যহীনতাৰেই প্ৰকাশ। মোহভংগৰ তিক্ততাক যেতিয়া সমাজে কোনো সাৰ্থক আৰু সুফলদায়ক নতুন দৃষ্টিকোণ বুলি মানি নললে, সৃষ্টিশীল মূল্যবোধ বুলি স্বীকৃতি নিদিলে—

এওঁলোকৰ কোনো কোনোৱে আধাপোৰা বৈৰাগ্যৰ ছদ্মবেশ এৰি সক ল'ৰাৰ দৰে জোপোহাৰ আঁৰৰপৰা মুখ ভেঙুচাই শিলগুটি মৰাত লাগিল, নাইবা উন্মাদৰ দৰে অভিশাপ বৰ্ষণ কৰিবলৈ ধৰিলে। অধিক কি, বিদ্ৰোহৰ শেষ পৰ্যায়ত কিছুমানে যেতিয়া গদ্‌গদ্ চিত্তে মান্ধাতাৰ আমোলৰ আচাৰ অনুষ্ঠান আৰু চিন্তাধাৰাত আত্মসমৰ্পণ কৰিলে, তেতিয়া তেওঁলোকক সাধুসন্ত বুলি মানি নোলোৱা সকালো লোককে সভ্যতা-সংস্কৃতিৰ মোল নুবুজা বাক্কস বুলি উৰাই দিবলৈ প্ৰয়াস কৰিলে। ভিতৰি ভিতৰি এইসকল আধাপোৰা সন্ন্যাসী আছিল ঠিহিৰামৰা ৰোমান্টিক মাত্ৰ।

সমসাময়িক সাহিত্যৰপৰা এই উৎকট মোহভংগৰ স্বৰূপ নিৰ্ণয় কৰাত সুবিধা হয়। মাৰ্ক্সবাদ গ্ৰহণ কৰাৰ আগতে বেৰ্টল্ট্ ব্ৰেখটৰ নাটকবোৰত এনে মনোভাবেই প্ৰকাশ পাইছিল। ইংলেণ্ডত অল্ডাছ্ হাক্সলীৰ 'Point Counter Point' প্ৰভৃতি উপন্যাস আছিল অনুৰূপ মনোভাবৰ দৰ্পণ। উপন্যাসখন পঢ়ি ডি এইচ্ লৰেন্সে হাক্সলীলৈ লেখিছিল যে উপন্যাসখন শেষ কৰাৰ পিছত তেওঁৰ এনে ভাব হৈছিল যেন তেওঁৰ কলিজা কোঁচ খাই ভৰিৰ তলুৱাত লুকাইছিলগৈ— ইমানেই তীব্ৰ আছিল তাৰ জীৱন বিৰাগ আৰু নৈৰাশ্য। ফৰাচী সাহিত্যত Celineৰ 'Journey To The End Of The Night' (ইংৰাজী অনুবাদ) প্ৰভৃতি উপন্যাসৰ বাৰ্তা আছিল তেনে ধৰণৰ। এলিয়টে তেওঁৰ 'Portrait Of a Lady' নামৰ সুদীৰ্ঘ নাটকধৰ্মী কবিতাত কাহানিবাই যৌৱন পাৰ কৰি দিয়া কিন্তু যৌৱনৰ ৰাগী এৰিব নোখোজা এক ভদ্ৰমহিলাৰ ভীৰু অথচ নেৰানেপেৰা আত্মনিবেদনৰ ইংগিতত দেখা পাইছে মানুহৰ হাস্যকৰ আৰু ভয়াবহ মূঢ়তা আৰু আত্মপ্ৰতাৰণাৰ বিস্বাস সাক্ষ্য। কিন্তু কবিৰ প্ৰতিক্ৰিয়াৰ তীব্ৰতাতে প্ৰমাণ হয় যে কবি নিজৰ অন্তৰত থকা ৰোমান্টিক ভাবানুভূতিৰ স্পন্দনত বিপন্ন আৰু সন্ত্ৰস্ত হোৱা বিধৰ মানুহ। হাস্যাস্পদ হোৱাৰ লোভত আৰু নিজকে পৰমজ্ঞানী বুলি যহোৱাৰ কৰুণ আকাংক্ষাতে নিজৰ স্বাভাৱিক ভাবানুভূতিক নেলুটিপা মাৰি এওঁলোকে দৃঢ়তা আৰু বলিষ্ঠতা প্ৰকাশ কৰা বুলি ভাবে। ই কিন্তু আচলতে চৰম মানবীয় দুৰ্বলতা আৰু নিঃস্বতাৰেই পৰিচায়ক। সৌভাগ্যক্ৰমে এলিয়টৰ ক্ষেত্ৰত এই বঞ্চনা আৰু ৰিক্ততাৰ অনুভূতি সমসাময়িক সমাজৰ মানবীয় বঞ্চনা আৰু নিঃস্বতাৰ প্ৰতীক হৈ উঠি তাক একধৰণৰ বিশ্বজনীনতা দান কৰিছে। কিন্তু বেছিভাগ ৰোমান্টিকতা বিৰোধী সাহিত্যিকেই গোপন আত্মকৰুণাৰ (Self-pity) বোকাত লেটি লৈছে।

আধুনিক য়ুৰোপীয় সমালোচনাৰ প্ৰস্তাৱনাত সেয়ে ৰোমান্টিক সৃষ্টিশীলতাৰ প্ৰতি গভীৰ সন্দেহ আৰু অবিশ্বাস প্ৰকাশ পায়। সমালোচকসকলে বৰং ৰোমান্টিক ঐতিহ্যৰ মূলতে থকা ব্যক্তিবিবেকৰ প্ৰতি আস্থাবান প্ৰটেষ্টাণ্টধৰ্মমাৰ্গ আৰু প্ৰাকৃতিক অনুভূতি আৰু বোধৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি সনাতন

শৃঙ্খলা, সংযম আৰু ঐতিহ্যগত আচাৰ-অনুষ্ঠানৰ প্ৰতি আকৰ্ষণ ঘোষণা কৰে। ৰোমাণ্টিক উচ্ছ্বাস প্ৰৱণতাৰ বিৰুদ্ধে গঢ়ি উঠিলে ধ্ৰুপদী শাসন আৰু সংযমৰ বিলাস। ফ্ৰান্সত চাৰ্ল ম'ৰা (এসময়ত এলিয়টৰ ওপৰত এওঁৰ প্ৰভাৱ আছিল) প্ৰভৃতি চিন্তাবিদে ৰাজনীতিলৈ মিলিটাৰি কায়দাৰে তেনে সংযম আৰু শাসন আমদানি কৰিবলৈ উঠি-পৰি লাগিল। পিছলৈ স্বাভাৱিকতে নিজকে শাসন কৰাতকৈ লোকক শাসন কৰাত এওঁলোকৰ উৎসাহ বৃদ্ধি পায়।) সাহিত্যতো কঠোৰ সংযম, আবেগহীনতা আৰু মানসিক ধৈৰ্যৰ ওপৰত গুৰুত্ব দিয়া হয়। আমেৰিকাত এই মাৰ্গৰ নেতা আছিল এলিয়টৰ শিক্ষাগুৰু আৰ্ভিং বেবিট্। তেওঁৰ Rousseau and Romanticism বিপুল অধ্যয়নৰ স্মৃতিস্তম্ভ— কিন্তু তেওঁ ৰোমান্টিচিজমত কেৱল দেখিলে আত্মৰতি, দায়িত্বহীনতা আৰু পলায়নপ্ৰিয়তা। তেওঁৰ মতে কামনা-বাসনাক যথেষ্ট প্ৰকাশ আৰু বিকাশৰ সুবিধা দিলে তাৰ ফল হয় ব্যক্তিত্ব বাবে বিষময়, সমাজৰ বাবে ক্ষয়ংকৰ। ব্যক্তি আৰু আবেগ সম্পৰ্কে সম্পূৰ্ণ নেতিবাচক এই মনোভাৱে জীৱনৰ নতুন দিগ্‌দৰ্শনত একো অৰিহণা নোযোগালে। বৰং সি একচেটিয়া পুঁজিৰ ব্যক্তিগত আশা-আকাংক্ষাৰ ওপৰত বিধ্বংসী আক্ৰমণকে সমৰ্থন জনালে ভাববাজত।

ঠিক তেনেকৈ T.E. Hulmeৰ ৰচনাত পোৱা গ'ল ৰোমান্টিচিজমৰ অসীমৰ আকাংক্ষাৰ ঠাইত সীমাৰ প্ৰতি শ্ৰদ্ধা আৰু আস্থা অস্পষ্টতাৰ ঠাইত স্পষ্ট আৰু সুনিৰ্দিষ্ট বক্তব্যৰ প্ৰতি আগ্ৰহ, বিষয়ীগত অনুভূতিৰ ঠাইত বিষয়গত উপলব্ধিৰ প্ৰতি আকৰ্ষণ। কিন্তু এই কথা মনকৰিবলগীয়া যে শেষত এই Hulme এই চূড়ান্ত ৰহস্যবাদী Bergsonৰ প্ৰভাৱত পৰি তেওঁৰ কিতাপ ইংৰাজীলৈ ভাঙিছিল!

অথচ বিংশ শতাব্দীৰ আৰম্ভণিত সনাতন সভ্যতা-সংস্কৃতিও নদন-বদন হৈ থকা নাছিল। আধুনিক যুগৰ বহু বুৰ্জোৱা মনীষীৰ সনাতনধৰ্মৰ প্ৰতি আকৰ্ষণ আমাৰ বহু সমসাময়িক ভাৰতীয় বিদ্বানৰ উপনিষদৰ যুগৰ প্ৰতি কঢ়া হাবৰাওৰ দৰেই বিড়ম্বনাময়। যোৱা শতাব্দীতে মেথ্যু আৰ্ণল্ডে উপলব্ধি কৰিছিল যে বিজ্ঞান, যন্ত্ৰবিদ্যা আৰু (পুঁজিবাদী) পুঞ্জসভ্যতাৰ (mass civilisation) সম্মিলিত আক্ৰমণত সনাতন সমাজব্যৱস্থাৰ ভেটিত খহনীয়া হৈছিল আৰু ধৰ্মীয় তথা ঐতিহ্যলব্ধ বিশ্বাসবোৰৰ ব্যাপক অবক্ষয় হৈছিল। শিক্ষিত আৰু ৰুচিবান লোকৰ মনোজগতত সেই প্ৰমূল্যসমূহ অৱশ্যে বাচি আছিল। নতুন সমাজ ব্যৱস্থাৰ পোহৰত সেই প্ৰমূল্যসমূহ পৰীক্ষা কৰাৰ সলনি এচাম বুদ্ধিজীৱীয়ে সেই প্ৰমূল্যসমূহৰ পোহৰত নতুন সমাজব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে। সামন্তবাদী দৃষ্টিকোণৰপৰা পুঁজিবাদৰ জয়যাত্ৰাক আক্ৰমণ কৰি তেওঁলোকে তাৰ সংস্কাৰ বিচাৰিলে। নেতিবাচক দৃষ্টিকোণৰপৰা পুঁজিবাদৰ

মানবীয় নিঃস্বতা উদঘাটন কৰাত এওঁলোকৰ অৱদান মূল্যবান। কিন্তু ভবিষ্যৎ সম্ভাৱনা সম্পৰ্কে এওঁলোকৰ জল্পনা-কল্পনা উদ্ভট আৰু প্ৰতিক্ৰিয়াশীল। সি যি নহওক এই মূল্যবোধৰ বিবাদৰ ফলত কলাসাহিত্যৰ চৰিত্ৰ আৰু ভূমিকা সম্পৰ্কেও নতুন বিতৰ্ক আৰম্ভ হয়। কলা আৰু সাহিত্যৰ বিশেষ ভূমিকা তথা function সম্পৰ্কে ঐকান্তিক জিজ্ঞাসা তেওঁলোকৰ মাজত উল্লেখযোগ্য।

এওঁলোকৰ মাজত সৰ্বাগ্ৰগণ্য টি, এছ, এলিয়ট, আই, এ, ৰিচাৰ্ড্চ, আৰু এফ, আৰ, লীৱিচ। বহু বিষয়ত মতানৈক্য থাকিলেও পৰিণত পুঁজিবাদ সৃষ্টি কৰা সংস্কৃতিৰ সংকটৰ প্ৰতি প্ৰতিক্ৰিয়া তেওঁলোকৰ সমূহীয়া লক্ষণ। সেয়ে আমি তিনিওকে একেলগে সমাৰি লৈছোঁ।

টি এছ এলিয়টে তেওঁৰ সমালোচক জীৱনৰ প্ৰথম কালছোৱাত যি সাহসিকতা আৰু প্ৰত্যয়ৰ পৰিচয় দিছিল, বহু পৰিমাণে তেওঁৰ সেই সময়ৰ উপলব্ধি আৰু বিশ্বাসৰ দৃঢ়তা আৰু তীব্ৰতা সি প্ৰকাশ কৰে। কিন্তু তাৰ অন্যতম কাৰণ আছিল দৃষ্টিভঙ্গীৰ সংকীৰ্ণতা। নৈতিক, ধৰ্মীয়, ঐতিহাসিক, সমাজতাত্ত্বিক— এনে ভিন ভিন পৰিপ্ৰেক্ষিতত কবিতা তথা সাহিত্যৰ ভিন ভিন ব্যাখ্যাত সাহিত্যৰ নিজস্ব ধৰ্ম ঢাক খাই গৈছিল। সেয়ে তেওঁ তাৰ বিৰুদ্ধে কবিতাৰ নিজস্ব ধৰ্মৰ (integrity) সপক্ষে মাত মাতিছিল। (পাতনি: The Sacred Wood) কিন্তু পৰবৰ্তী জীৱনত তেওঁৰ মানদণ্ডৰ পৰিৱৰ্তন হয়। তেওঁ উপলব্ধি কৰিলে যে সাহিত্যৰ মান বিচাৰত অনা-সাহিত্যিক বিবেচনাই ঠাই লোৱাটো অনিবাৰ্য। (Religion and Literature, 1935)

কবিতাৰ নিজস্ব ধৰ্ম বিলুপ্ত হোৱাৰ আন এটা আশংকা আছিল ক্ষয়িষ্ণু ৰোমান্তিক ভাববিলাসৰপৰা। ৰোমান্তিক কবিৰ দৰে আত্মপ্ৰকাশত আগ্ৰহী অথচ সৃষ্টিকাৰ্যৰ শৃঙ্খলাত বিমুখ কিছুমান লোকে ঊনবিংশ শতিকাৰ শেষ ভাগত সমালোচনাত প্ৰতিপত্তি লাভ কৰিছিল। তেওঁলোকে আলোচ্য কিতাপৰ প্ৰভাৱত নতুন কবিতা বা গল্প ৰচনা কৰিব পৰা নাছিল। নাইবা সেই কিতাপৰ বস্তুনিষ্ঠ আলোচনাও কৰিব পৰা নাছিল। তেওঁলোকে সেই কিতাপক উপলক্ষ কৰি তেওঁলোকৰ মনলৈ অহা নান বিধৰ অপ্ৰাসংগিক অনুভূতি আৰু অনুষংগৰ ধাৰা কাব্যিক ভাষাত প্ৰকাশ কৰি তৃপ্তি পাইছিল। এলিয়টে কিন্তু কঠোৰ অথচ নিৰাবেগ ভাষাত এই ধাৰাৰ সমালোচনা কৰিলে। তেওঁ ঘোষণা কৰিলে যে এই ধাৰা প্ৰকৃত সাহিত্যও নহয়, সমালোচনাও নহয়।

সমালোচকসকলৰপৰা তেওঁ দাবী কৰিলে নিৰাসক্ত, বস্তুনিষ্ঠ মনোভাব। ৰোমান্তিক যুগৰ ব্যক্তিপূজা আৰু আত্মৰতিৰ বিৰুদ্ধে তেওঁৰ এজন শিক্ষক আৰ্ভিং বেবিটে এসময়ত জেহাদ ঘোষণা কৰিছিল, আৰু ৰোমান্তিক আত্মৰতিৰ বিৰুদ্ধে এ'লিয়টে আছিল সদায় সজাগ, সদায় বিতৃষ্ণ। সেয়ে কোনো সাহিত্য কৰ্মৰ আলম লৈ কোনো সমালোচকে ব্যক্তিগত ভাববিলাসত উটি-ভাহি ফুৰাটো

তেওঁ সহ্য কৰিব নোৱাৰিছিল। তেওঁ সমালোচক সকলৰপৰা দাবী কৰিলে এক নৈৰ্ব্যক্তিক দৃষ্টিভংগী আৰু কবিতাৰ নিজস্ব, স্বাধীন অস্তিত্বৰ স্বীকৃতি। সাহিত্য কৰ্মৰ জগত সমালোচকৰ যোগাযোগ নিশ্চয় অনুভূতিহীন হ'ব নোৱাৰে, সমালোচকৰ মনত সাহিত্য কৰ্মই নিশ্চয় ৰেখাপাত কৰিব। কিন্তু কেৱল তেনে ধৰণৰ ব্যক্তিগত সংবেদন (impression) সমালোচনাৰ শেষ কথা নহয়। তেওঁৰ সেই কালৰ সাহিত্য গুৰু ৰে'মি ড' গুৰমঁৰ (Remy De Gourmont) ভাষাত তেওঁ দাবী কৰিলে যে সমালোচকে এই সংবেদনক এটা বিশ্বজনীন, বস্তুনিষ্ঠ, নীতিগত ৰূপ দিব পাৰিব লাগিব।

সমালোচনা যেনেকৈ ব্যক্তিগত ভাববিলাস নহয়, সাহিত্যও সেইদৰে ব্যক্তিগত ভাববিলাস নহয়। তেওঁৰ এক বিখ্যাত উক্তিৰ মতে "Poetry is not a turning loose of emotion, but an escape from emotion; it is not the expression of personality, but an escape from personality." (Tradition and the Individual Talent) কবিতা ভাবাবেগৰ স্ফুৰণ নহয়, ভাবাবেগৰপৰা পলায়নহে; সি ব্যক্তিত্বৰ প্ৰকাশ নহয়, ব্যক্তিত্বৰ পৰা পৰিত্ৰাণহে।) টি এছ এ'লিয়টৰ মতে সাহিত্য-কৰ্মৰ "আবেগ" আৰু ব্যক্তিগত আবেগ একে বস্তু নহয়। স্ৰষ্টামানৱ আৰু অনুভূতিশীল মানৱৰ (The man who creates and the man who suffers) মাজত দুস্তৰ ব্যৱধান। শিল্পীৰ বাবে তেওঁৰ ব্যক্তিগত আবেগ মাত্ৰ তেওঁৰ শিল্পসাধনাৰ ইন্ধন।

সাহিত্যকৰ্ম কবি সাহিত্যিকৰ ব্যক্তিগত ভাবাবেগৰ আধাৰ নহয়। তাৰ এটা বস্তুগত দিশ আছে আৰু সাহিত্যৰ অভিজ্ঞতাৰ মাধ্যম এই বস্তুগত দিশ। প্ৰত্যেক কবি সাহিত্যিকে তেওঁৰ সাহিত্যকৰ্মত অনুভূতি, উপলব্ধি বা চিন্তা ৰূপায়িত কৰে বহিৰ্জগতৰ কোনো বস্তু বা মানবীয় কাৰ্যকলাপৰ প্ৰতিকৃতিৰ জৰিয়তে। এই বস্তুগত ৰূপ প্ৰকাশ্য ভাব বা অনুভূতিৰ যথাৰ্থ আৰু সম্পূৰ্ণ প্ৰতিচ্ছবি হ'ব নোৱাৰিলে সেই সাহিত্যসৃষ্টি সফল নহয়। এই বস্তুগত ৰূপক এ'লিয়টে আখ্যা দিছে "Objective Correlative."

ব্যক্তিগত ভাবাবেগৰপৰা মুক্তিৰ উপায় কি? এ'লিয়টৰ মতে লেখকসকলৰ নিজা জীৱনৰ বাহিৰৰ কোনো বস্তুৰ প্ৰতি আনুগত্য ("allegiance to something outside themselves") এই আনুগত্যৰ তাত্ত্বিক ৰূপ হ'ল ঐতিহ্যৰ প্ৰতি নিষ্ঠা। এই ঐতিহ্যবোধ অতীতবিলাস নহয়, বৰ্তমান কালত অতীতৰ ধাৰাবাহিক অস্তিত্বৰ উপলব্ধি।

"... and the historical sense involves a perception, not only of the pastness of the past, but of its presence": (Tradition and the Individual Talent) কাল আৰু কালাতীতৰ যৌগিক

উপলব্ধি ঐতিহ্যবোধৰ প্ৰথম কথা।

কিন্তু যেহেতু ঐতিহ্য বহুদূৰ অচেতন সংস্কাৰ আৰু অভ্যাসৰ সমষ্টি, কালক্ৰমত সি জড়াগ্ৰস্ত আৰু অন্ধ হৈ পৰিব পাৰে। সেয়ে যুগে যুগে তাক সজীৱ কৰাৰ প্ৰয়োজন, তাক আবৰ্জনাৰ পৰা মুক্ত কৰাৰ প্ৰয়োজন। এই দায়িত্ব বহন কৰিব পাৰে কেৱল এদল নেতৃস্থানীয় ব্যক্তিয়ে (elite)। এ'লিয়টৰ মতে সমাজত শ্ৰেণীবিভাজন থাকিলেহে এনে ধৰণৰ নেতৃস্থানীয় ব্যক্তিৰ মণ্ডলী গঠন হোৱাৰ সুবিধা।

এ'লিয়টৰ মতে সমকালীন সাহিত্যৰ মান নিৰ্ণয় নতুনত্ব বা মৌলিকতাই নকৰে— কৰে ঐতিহ্যই। সমকালীন সাহিত্যৰ শ্ৰেষ্ঠ অংশসমূহ হ'ল নতুন সংবেদনৰ মাধ্যমত সুপ্ৰাচীনৰ পুনৰাবৃত্তি। কিন্তু এই বাবেই যাৰ অনুভূতি জগতত নতুনৰ প্ৰভাৱ নাই সি ঐতিহ্যগত সাহিত্যৰ অমৰ উপাদনসমূহো জীৱন্তভাৱে উপলব্ধি কৰিব নোৱাৰে। কিন্তু এই উপলব্ধি সৰ্বসাধাৰণৰ বাবে সহজলভ্য নহয়। প্ৰতিভাবান সাহিত্যিকেহে প্ৰথমে এই নতুন উপলব্ধিৰ ওচৰ চাপিব পাৰে আৰু তেওঁৰ জৰিয়তেহে ক্ৰমে ক্ৰমে শিক্ষিত সমাজৰ অন্যান্য অংশই যুগ পৰিবৰ্তনৰ ফলত মানুহৰ মনত আৰু অনুভূতিত ঘটা পৰিবৰ্তনৰ অংশীদাৰ হব পাৰে।

এই ধাৰণাৰ দুটা অনুসিদ্ধান্ত আছে। প্ৰথমে এ'লিয়টৰ মতে সৃষ্টিশীল সাহিত্য আৰু সমালোচনা সাহিত্যৰ মাজত চীনৰ প্ৰাচীৰৰ দৰে ব্যৱধান নাই। মহান সৃষ্টি প্ৰতিভাৰ লক্ষণেই হ'ল উচ্চতৰ বিচাৰ ক্ষমতা আৰু ভেদজ্ঞান। আৰু সেয়ে শ্ৰেষ্ঠ সমালোচকসকল সাধাৰণতে উচ্চস্তৰৰ সৃষ্টিধৰ্মী সাহিত্যিকো। আনহাতে সৃষ্টিপ্ৰতিভা অবিহনে জীৱন্ত ঐতিহ্যৰ উপলব্ধি— কাল আৰু কালাতীতৰ আত্মীয়তাৰ উপলব্ধি— অসম্ভৱ, অৰ্থাৎ সাৰ্থক সমালোচনাও দুৰূহ। দ্বিতীয়তে যুগে যুগে এনে ধৰণৰ শিল্পী-সমালোচকে ঐতিহ্যৰ মানচিত্ৰ নতুনকৈ অংকন কৰে। অতীতৰ মূল্যায়ন আৰু বৰ্তমানৰ সূক্ষ্ম চেতনা একেলগে তেওঁ জন্ম দিয়ে।

এ'লিয়টৰ অনুৰাগীসকলে শীঘ্ৰে তেওঁৰ মাজত আবিষ্কাৰ কৰিলে তেনেধৰণৰ এজন দ্ৰষ্টা সমালোচক। আৰু বক্ৰোক্তিত (irony) পাৰঙ্গম কবিৰ অনুগামী। লগে লগে তেওঁ ইংৰাজী 'মেটাফিজিকেল' কবিতা আৰু ডাণ্টে'ৰ বিশেষ ভক্ত। মধ্যযুগৰ আৰু ঊনবিংশ শতিকাৰ এইসকল কবিৰ মাজত তেওঁ আবিষ্কাৰ কৰিলে সেই একেই বৈশিষ্ট্য— বিভিন্ন, বিচিত্ৰ আনকি বিপৰীতমুখী অভিজ্ঞতাৰ কাব্যিক সমন্বয় ঘটোৱাৰ ক্ষমতা। লগতে এ'লিজাবেথান যুগৰ কবি আৰু নাট্যকাৰসকলৰ ভাষাত তেওঁ পালে ইন্দ্ৰিয়গ্ৰাহ্য চিন্তাৰ অথবা ইন্দ্ৰিয়ৰ জৰিয়তে চিন্তাৰ অথবা ইন্দ্ৰিয়বৰ্গই চিন্তা কৰাৰ এটা বৈশিষ্ট্য ("a quality of sensuous thought, or of thinking through the senses,

or of the senses thinking".) যেতিয়ালৈকে য়ুৰোপৰ কবিসকলৰ অনুভূতিমণ্ডলীয়ে (sensibility) এনে বিভিন্ন আৰু বিচিত্ৰ অভিজ্ঞতাৰ ঐক্য স্বাভাৱিকতে সমাধা কৰিব পাৰিছিল তেতিয়ালৈকে কবিতাৰ স্বাস্থ্য আছিল অটুট। কিন্তু সপ্তদশ শতিকাৰ পিছত মিল্টন, ড্ৰাইডেন প্ৰমুখ্যে কবিসকলৰ ৰচনাত চিন্তাৰ এই শাৰীৰিকতা বা ইন্দ্ৰিয়গ্ৰাহ্যতা লুপ্ত হয়— সংবেদন আৰু চিন্তা পৰস্পৰৰ পৰা বিচ্ছিন্ন হৈ পৰে। এ'লিয়টে নিজে নকলেও ধৰি লব পাৰি যে সেই বিচ্ছিন্ন শক্তি দুটাক পুনৰ সম্মিলিত কৰাই তেওঁৰ কাব্যজীৱন আৰু সমালোচনাৰ অন্যতম প্ৰধান লক্ষ্য আছিল।

The Sacred Wood গ্ৰন্থ প্ৰথম প্ৰকাশ হয় ১৯২০ চনত। তেতিয়া সাহিত্যৰ স্বকীয়তা প্ৰতিপন্ন কৰাই আছিল এ'লিয়টৰ মূল লক্ষ্য। অৱশ্যে তেতিয়াও তেওঁৰ সমালোচনাত সমাজ আৰু সভ্যতা সম্পৰ্কে এনে কিছুমান চিন্তাৰ আভাস পোৱা যায়, যি এক বহল চিন্তাপ্ৰবাহৰ ইংগিত দিয়ে। পৰৱৰ্তী যুগত এ'লিয়টে খ্ৰীষ্টধৰ্মত শৰণ লয় আৰু অত্যন্ত নিষ্ঠাৰে খ্ৰীষ্টধৰ্মৰ অনুশাসনসমূহ পালিবলৈ যত্ন কৰে। স্বাভাৱিকতে কবিৰ দৰ্শন তথা বিশ্বাসৰ (belief) সমস্যা তেওঁৰ বাবে গুৰুত্বপূৰ্ণ হৈ উঠে। উদাহৰণস্বৰূপে Use of Poetry and Use of Criticism (প্ৰথম প্ৰকাশ ১৯৩৩) গ্ৰন্থত তেওঁ কয় যে পাঠকে কোনো কবিৰ জীৱনদৰ্শনত নিজে বিশ্বাস নকৰিলেও তাত আপত্তি নকৰিব, যদিহে সি পৰিণত আৰু অভিজ্ঞতাপ্ৰসূত বুলি তেওঁ অনুভৱ কৰে। আনহাতে তেওঁ শ্বে'লিৰ জীৱনদৰ্শন সুসংহত, পৰিপক্ক নাইবা অভিজ্ঞতা ভিত্তিক বুলি মানি লব নোৱাৰে আৰু সি শ্বে'লিৰ কবিতাৰ ৰসাস্বাদনত তেওঁক বাধা দিয়ে।

এ'লিয়টৰ পৰৱৰ্তী জীৱনৰ সমালোচনা প্ৰথম কালছোৱাৰ সমালোচনাৰ দৰে অৰ্থঘন, অন্তৰ্দৃষ্টিসম্পন্ন কিংবা সুস্পষ্ট নহয়। তাত চিন্তাৰ আপেক্ষিক দৈন্য, অনুভূতিৰ অস্বচ্ছতা বা অসাধুতা আৰু সমাজৰ লগত সন্ধি কৰাৰ মনোভাৱ প্ৰকট। যি ভাববাদী ইতিহাস আৰু বিশ্ববীক্ষাক পাথেয় কৰি তেওঁ সমালোচনাত অগ্ৰণী হৈছিল, সেই ভাববাদী জীৱন-দৰ্শনে পৰৱৰ্তী যুগত তেওঁক বলিষ্ঠ আৰু দিগ্‌দৰ্শী চিন্তাৰপৰা বিৰত ৰাখিলে। কাব্যনাট্য সম্পৰ্কে তেওঁৰ বহু উক্তিৰ পৰা বুজিব পাৰি যে আধুনিক কবিতাৰ মুষ্টিমেয় পাঠকৰ সংখ্যাত তেওঁ পীড়িত হৈছিল আৰু এই নিয়তিৰপৰা হাত সাৰিবলৈ নানা উপায় চিন্তা কৰিছিল। কিন্তু আজিৰ কবি আৰু জনসাধাৰণৰ মাজৰ দুস্তৰ ব্যৱধান নাটক বা আন কোনো কৌশলে দূৰ কৰিব নোৱাৰে— তাৰ বাবে লাগিব সমাজৰ ৰূপান্তৰ। সেইদৰে বিভিন্ন যুগৰ বিভিন্ন সাহিত্যিকৰ মহৎ অৱদান সামৰি লব পৰা বিশ্বজনীন ঐতিহ্য শ্ৰেণীবিভক্ত সমাজৰ দুৰ্লভ হবলৈ বাধ্য। মিল্টন, শ্বে'লী প্ৰভৃতি সাহিত্যিকৰ প্ৰতি তেওঁৰ বিৰাগ আৰু বিতৃষ্ণা

পৰৱৰ্তী জীৱনত জয় কৰিবলৈ গৈ তেওঁৰ আগৰ বক্তৃতাশীল দৰ্শন প্ৰায় বৰ্জন কৰাৰ বাহিৰে তেওঁ আন একো সাৰ্থক কাম কৰিব নোৱাৰিলে। তেওঁৰ পৰৱৰ্তী জীৱনৰ চিন্তাৰ শ্লথ আৰু সংকুচিত গতিৰ প্ৰমাণ হ'ল তেওঁৰ পিছৰ জীৱনৰ সমালোচনা।

বিশ্বাসৰ সমস্যাটো আই, এ', ৰিচাৰ্ড্‌ৰ বাবেও গুৰুত্বপূৰ্ণ।

(ক্ৰমশঃ)

(প্ৰকাশ, মাৰ্চ, ১৯৭৮)

# বিংশ শতাব্দীৰ য়ুৰোপীয় সমালোচনা

## বে'নেডে'ট্টো ক্ৰ'চে'ৰ সংগ্ৰামী মানবতাবাদ

### (৫)

বুৰ্জোৱা মননশীলতাৰ অধঃপতনৰ নানান কদৰ্য লক্ষণেৰে আক্ৰান্ত সমাজত বে'নেডে'ট্টো ক্ৰ'চে'ৰ যুক্তিনিষ্ঠ মানবতাবাদী মনৰ অটল দৃঢ়তা আৰু সংগ্ৰামী বলিষ্ঠতা কল্পনা কৰিবলৈকো টান। দাসমনোভাবাপন্ন সুবিধাবাদী বুদ্ধিজীৱীৰ বিচিত্ৰ চয়তানী আৰু 'আদৰ্শ'ৰ নামত হুজুৰসকলৰ হুকুম তামিল কৰিবলৈ নিৰ্লজ্জ ব্যগ্ৰতাই স্বাভাৱিকতে বুদ্ধিজীৱী সম্পৰ্কেই আমাৰ সৰ্বসাৰণৰ মনোভাৱ বিৰূপ কৰি তুলিছে। ইটালিৰ মহান মনীষী বে'নে'ডে'ট্টো ক্ৰ'চে'ৰ (১৮৬৬-১৯৫২) জীৱন আৰু মননৰ যথোচিত বিচাৰ আৰু উপলব্ধি এনে পৰিবেশত সম্ভৱ নহয়। ক্ৰ'চে'ৰ মননৰ বৈশিষ্ট্য হ'ল চেতনাৰ প্ৰতি, স্পষ্ট আৰু স্বচ্ছ ধাৰণাৰ প্ৰতি তাৰ নিভাঁজ অনুৰক্তি আৰু স্বাধীন আৰু স্বাবলম্বী মানবসত্তাৰ গৌৰৱৰ প্ৰতি তাৰ অক্লান্ত আৰু একনিষ্ঠ ধাউতি। য়ুৰোপীয় নবযুগৰ পীঠস্থান ইটালিত জন্মগ্ৰহণ কৰি য়ুৰোপীয় মানবতাবাদী ঐতিহ্যৰেই সুমহান উত্তৰাধিকাৰী ৰূপে ক্ৰ'চে'ই তেওঁৰ জীৱনজোৰা সাধনাত আত্মনিয়োজ কৰিছিল। সকলো ধৰণৰ অস্পষ্টতা আৰু আত্মপ্ৰবঞ্চনাৰ বিৰুদ্ধে আজীৱন বৌদ্ধিক সংগ্ৰামত নেতৃত্ব দি আৰু মানবতাবাদী যুক্তিনিষ্ঠ মনোভাবক তেওঁৰ দাৰ্শনিক চিন্তাধাৰাৰে সঞ্জীৱিত কৰি তেওঁ এনে এক বৌদ্ধিক আলোক সৃষ্টি কৰি গ'ল যাৰ লগত তেওঁৰ সমসাময়িক আন বহু য়ুৰোপীয় বুদ্ধিজীৱীৰ সন্তীয়া ৰহস্যবাদৰ কোনো তুলনাই নহয়। গীয়গ লুকাচে তেওঁৰ 'Destruction of Reason' গ্ৰন্থত যিসকল য়ুৰোপীয় বুদ্ধিজীৱীক যুক্তিবাদৰ প্ৰতি বিশ্বাসঘাতকতা কৰাৰ অপৰাধত জগৰীয়া কৰিছে তেওঁলোকৰ ভিতৰত অন্ততঃ ক্ৰ'চে' নপৰিব। আচৰিত নহয় যে ইটালিৰেই নমস্য মাৰ্ক্সবাদী নেতা আ-টনিয়' গ্ৰামচি (Antonio Gramsci) য়ে ফেচিষ্ট কাৰাগাৰত তিলতিলকৈ মৃত্যু বৰণ কৰা সময়ত যিবোৰ প্ৰবন্ধ আৰু টোকা লেখি থৈ গৈছে তাৰ এক প্ৰধান বক্তব্য হ'ল এক নতুন চিন্তা আৰু এক নতুন সংস্কৃতিৰ (যি সংস্কৃতিৰ কথা যিকোনো নিষ্ঠাবান মাৰ্ক্সবাদীয়েই ভাবিব আৰু যি সংস্কৃতিৰ চৰিত্ৰ লৈ নিকোনো প্ৰতিষ্ঠিত অপগণ্ডই

সত্তীয়া উপহাস চলাব) ভিত্তি স্বৰূপে ক্ৰ'চে'ক গ্ৰহণ কৰাৰ সংকল্প। কমিউনিজম বিৰোধী ক্ৰ'চে'ই সাম্যবাদী নেতাৰ এই শ্ৰদ্ধা কেনেকৈ আকৰ্ষণ কৰিলে ভাবিলেই ক্ৰ'চে'ৰ মননৰ প্ৰগতিশীল চৰিত্ৰ বুজাত সহায় হয়।

ইটালিৰ বুৰ্জোৱা শ্ৰেণীয়ে ৰাজনৈতিক ক্ষমতা হস্তগত কৰাত য়ুৰোপৰ বাকী প্ৰধান দেশবোৰৰ বুৰ্জোৱা শ্ৰেণীৰ তুলনাত বহুত পলম হৈছিল। ইটালিত জাতীয় ঐক্য আৰু জাতীয় স্বাধীনতাৰ আন্দোলন তীব্ৰ হয় উনবিংশ শতাব্দীত— মেৎছিনি গেৰিবল্ডিৰ যুগত। আচৰিত নহয় যে ক্ৰ'চে'ই য়ুৰোপৰ আন বহু বুদ্ধিজীৱীতকৈ বুৰ্জোৱা মতাদৰ্শত অধিক নিষ্ঠা আৰু বলিষ্ঠভাৱে বিশ্বাস কৰিব পাৰিছিল। স্বাধীনতা (liberty), যুক্তি, ৰুচিবোধ আৰু সংস্কৃতিৰ প্ৰতি তেওঁ যেনে দ্বিধাহীন আৰু নিঃসংশয় আনুগত্য প্ৰদৰ্শন কৰিছিল সেই যুগত— ফেচিবাদৰ পয়োভৰৰ সময়ত— আন বহু বুৰ্জোৱা বুদ্ধিজীৱীৰ পক্ষে সি সম্ভৱ নাছিল।

কিন্তু ক্ৰ'চে'ৰ বিশ্বাসৰ নিৰুদ্বেগ দৃঢ়তা আৰু প্ৰশান্তিৰ উঁহ পোৱা যাব ইটালিৰ নৱযুগৰ সুপ্ৰাচীন ঐতিহ্যত। নৱযুগৰ মানৱতাবাদৰ ক্লান্তিহীন অনুসন্ধিৎসা, শ্ৰুতি (authority) আৰু ধৰ্মীয় ভাবাবেগৰ প্ৰতি সংশয়, সুস্পষ্ট চিন্তাৰ প্ৰতি আসক্তি, জীৱনক সম্পূৰ্ণৰূপে উপভোগ কৰাৰ সংকল্প, আৰু সৰ্বোপৰি মানৱীয় কৃতি আৰু সংস্কৃতিৰ ওপৰত আস্থা যেন ক্ৰ'চে'ৰ ৰচনাৱলীত পুনৰ প্ৰাণ পাই উঠিল। অৱশ্যে ইতিপূৰ্বে য়ুৰোপত বিকাশ লাভ কৰা নতুন চিন্তাধাৰাসমূহে— সি অৰ্থনীতি বা সমাজবিদ্যাই হওক, হে'গে'লৰ দৰ্শনেই হওক বা মাৰ্ক্সবাদেই হওক— নৱযুগৰ ঐতিহ্যৰ সম্প্ৰসাৰণ আৰু সংস্কাৰ সাধন কৰিলে ক্ৰ'চে'ৰ চেতনাত।

আধুনিক যুগৰ ভাৰতীয় তাত্ত্বিকসকলৰ ৰহস্যবাদৰ প্ৰতি দুৰ্বলতাৰ ফলত আজি কেইবা দশকো ধৰি ক্ৰ'চে'ৰ নন্দনতত্ত্বৰো ব্যাখ্যাত বিকৃতি ঘটিছে। কোৱা বাহুল্য যে মানৱীয় উদ্যোগৰ সকলো দিশতে ক্ৰ'চে' কৌতূহলী হলেও নন্দনতত্ত্বৰ বাবেই ক্ৰ'চে' বিদ্বান সমাজত বিশেষভাৱে পৰিচিত। দাৰ্শনিক অনুসন্ধানত ব্ৰতী হোৱাৰ পূৰ্বে সাহিত্য সমালোচনা আৰু ইতিহাসৰ কৃতী ছাত্ৰ আছিল ক্ৰ'চে'। তেওঁৰ দাৰ্শনিক চিন্তাৰ ওপৰত এই অধ্যয়নে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। তেওঁৰ চিন্তাৰ ভাববাদী প্ৰৱণতাৰ অন্যতম কাৰণ এয়ে বুলি ধাৰণা হয়। তেওঁৰ মতে দৰ্শনৰ কাম হ'ল মানৱসত্তাৰ (spirit) বিবিধ উদ্যম আৰু অভিব্যক্তি অধ্যয়ন কৰা। এই মানৱসত্তাৰ কোনো আধ্যাত্মিক বা ধৰ্মীয় ব্যাখ্যা তেওঁ গ্ৰহণ কৰা নাই। বৰং ইতিহাসত প্ৰকাশিত, পৰিবৰ্তনশীল, স্থান-কালৰ পৰিসীমাত আবদ্ধ মানৱ-সত্তাৰ কথাই তেওঁ কৈছে। দৰ্শন আৰু আন একো নহয়, ইতিহাসৰ পদ্ধতি— ইতিহাসত প্ৰকাশিত আৰু বিকশিত বিভিন্ন মানৱীয় কাৰ্যধাৰাৰ মাৰ্মিক অধ্যয়ন। ইতিহাসৰ নিজস্ব কোনো সূত্ৰ

বা নিয়ম নাই— মানব সত্তাৰ অভিব্যক্তি বিচিত্ৰ আৰু পৰিবৰ্তনশীল। কিন্তু দৰ্শন তাৰপৰা বিচ্ছিন্ন নহয়। কোনো অপৰিবৰ্তনীয় বা অলৌকিক সত্যৰ সন্ধানত দৰ্শন ব্যাকুল নহয়–– ইতিহাসৰ গতিত গঢ় লোৱা নানাতৰহৰ সাময়িক কিন্তু কঠিন সমস্যাসমূহৰ মাৰ্মিক অধ্যয়নেই দৰ্শনৰ চৰ্চা। দাৰ্শনিকো জীৱনৰপৰা, ইতিহাসৰ পৰা বিচ্ছিন্ন মন নহয়— তেনেধৰণৰ দৰ্শন অলীক কল্পনা মাত্ৰ।

ক্ৰ'চে'ই পূৰ্বসূৰীসকলৰ মাজৰ পৰা হে'গে'লৰ ইতিহাস বেদ গ্ৰহণ কৰিছিল। সকলো বস্তুকেই ঐতিহাসিক ক্ৰমবিকাশ তথা গতিশীলতাৰ মাধ্যমত বুজিবলৈ তেওঁ চেষ্টা কৰিছে। কিন্তু তেওঁ হে'গে'লৰ দৰে কোনো পৰম বস্তুক (Absolute) ইতিহাসৰ মাজত বিৰাজমান হিচাপে দেখা নাই। তদুপৰি হে'গে'লৰ দ্বন্দ্বাত্মক চিন্তাৰ গুৰুত্বও তেওঁ উপলব্ধি কৰা নাই। আনহাতে ঐতিহাসিক বস্তুবাদৰ প্ৰভাৱত পৰিলেও আৰু খ্যাতনামা মাৰ্ক্সবাদী অধ্যাপক লাব্ৰিয়'লাৰ পৃষ্ঠপোষকতা আৰু সমাদৰ পালেও শেষত তেওঁ একদেশদৰ্শী আৰু মতান্ধ বুলি ঐতিহাসিক বস্তুবাদ বৰ্জন কৰে। তেওঁৰ সাংস্কৃতিক অধ্যয়ন আৰু সংস্কৃতি প্ৰেমে পোষণ কৰা ভাববাদী চিন্তাত অৱশেষত তেওঁ সম্পূৰ্ণ নিমগ্ন হয়। তথাপি সকলো ৰহস্যবাদ আৰু ধৰ্মীয় মনোভাবৰপৰা তেওঁ সযত্নে দূৰত্ব আছিল।

জ্ঞানৰ অৰ্থ ঊনবিংশ শতিকাৰ প্ৰভাৱশালী চিন্তানায়কসকলে যিদৰে কৰিছে সেইমতে কলা সাহিত্যও জ্ঞানৰ অংগীভূত হৈ পৰে। কিন্তু দেখ দেখকৈ বিজ্ঞানলব্ধ জ্ঞান আৰু কলাসাহিত্যৰ পৰা পোৱা 'জ্ঞান' একে শ্ৰেণীৰ বস্তু নহয়। কিন্তু ঊনবিংশ শতিকাৰ দিক্‌পাল তাত্ত্বিকসকলৰ ৰচনাতো কলা-সাহিত্য একশ্ৰেণীৰ তত্ত্বত পৰিণত হৈছিল। ক্ৰ'চে'ই চেষ্টা কৰিলে যুক্তিবাদৰপৰা আঁতৰি নোযোৱাকৈ সংকীৰ্ণ যুক্তিবাদী চিন্তাৰ প্ৰভাৱৰপৰা নন্দনতত্ত্ব তথা সৌন্দৰ্য বোধক মুক্ত কৰিবলৈ। তাৰ অৰ্থ এনে নহয় যে ক্ৰ'চে'ই সৌন্দৰ্যক কোনো অলৌকিক অনুভূতি বা ষষ্ঠেন্দ্ৰিয়ৰ অভিজ্ঞতা বুলি ভাবিছিল। কিন্তু নীৰস তাত্ত্বিক জ্ঞানৰপৰা মানবীয় দৃষ্টিকোণৰ পৰাই কলাৰ উপলব্ধিক পৃথক কৰিবলৈ তেওঁ প্ৰয়াস কৰিছিল।

তেওঁৰ মতে জ্ঞান দুইপ্ৰকাৰৰ— সহজানুভূতি (intution) আৰু ধাৰণা (concept)। ধাৰণা আহে সাধাৰণীকৰণৰপৰা, আৰু তাৰ লগত প্ৰত্যক্ষ ইন্দ্ৰিয়যোগৰ সম্পৰ্ক নাই। আনহাতে সহজানুভূতি হ'ল বিশ্বচৰাচৰৰ প্ৰত্যক্ষ আৰু সাবয়ব (concrete) জ্ঞান। "এই নদীখন, এই সৰোবৰ, এই বৰষুণ, এই নিজৰা, এই পানী গিলাচ— এইবোৰ হ'ল সহজানুভূতি। আৰু সাধাৰণভাৱে যেতিয়া পানীৰ ধাৰণা কৰা হয় সি হ'ও (concept) বা ধাৰণা।" (Aesthetic) এই সহজানুভূতি (intution) প্ৰত্যক্ষ আৰু নিবিড় হ'লেও সি অস্পষ্ট

আৰু অৱয়ৱহীন নহয়। সহজানুভূতি কেতিয়াও ভাষা অবিহনে সৃষ্ট নহয়। কলাও হ'ল একধৰণৰ সহজানুভূতি। তাৰ সংগঠন যিমানেই জটিল নহওক, চেতনাত তাৰ ৰূপ সদায় প্ৰত্যক্ষ আৰু একক। এক অৰ্থত ভাষা হ'ল কলাৰ এটা পৰ্যায়, আৰু সকলো মানুহেই কলাকাৰ। সহজানুভূতি অবিহনে ধাৰণাৰ সৃষ্টি নহয়, কিন্তু ধাৰণা অবিহনে সহজানুভূতিৰ অস্তিত্ব সম্ভৱ।

দৰাচলতে ক্ৰ'চে'ৰ মতে বহু তাত্ত্বিকে কলাৰ সহজানুভূতিক ধাৰণাৰ শাৰীত পেলাই চিন্তাক ঘোলা কৰিছে— কলা ধাৰণাৰ শাৰীলৈ গ'লেই সি নিজ চৰিত্ৰৰপৰা ভ্ৰষ্ট হয়। কোনো সাহিত্য কৰ্মত জটিল ধাৰণা আৰু তাত্ত্বিক চিন্তাও সন্নিবিষ্ট হৈ থাকিব পাৰে, কিন্তু হয় সেই উপাদানে কলাৰ ৰস অপবিষ্কাৰ কৰে, নহলে তাৰ তাত্ত্বিক বা বৌদ্ধিক আবেদন হেৰুৱাই সি সহজানুভূতিৰ চৰিত্ৰ অৰ্জন কৰে। হে'গে'লৰ নন্দনতাত্ত্বিক চিন্তাত কলা সাহিত্য অৱশেষত এক নিম্নপৰ্যায়ৰ দৰ্শনত পৰিণত হৈছে— কলা সাহিত্যৰ প্ৰয়োজনেই ফলস্বৰূপে অস্বীকৃত হোৱাৰ আশংকা দেখা গৈছে। কিন্তু ক্ৰ'চে'ৰ সমাধানে ধাৰণাগত জ্ঞানৰপঁৰা কলাক পৃথক কৰি তাক তাৰ স্বীয় মহিমাত পুনঃপ্ৰতিষ্ঠিত কৰিবলৈ বিচাৰিছে।

কেৱল তাত্ত্বিক জ্ঞানৰপৰাই নহয়, ক্ৰ'চে'ৰ বিচাৰে কলা সাহিত্যক নৈতিকতা আৰু ধৰ্ম, বিজ্ঞান আৰু বিলাসৰপৰা পৃথক কৰি দেখুৱাইছে। এই কথা ঠিক যে কলাৰ ৰসাস্বাদন ৰসিকজনৰ বাবে উপভোগ্য সেই বুলি উপভোগেই কলাৰ মূল লক্ষণ নহয়। সেইদৰে সৎ-অসৎ, ন্যায়-অন্যায়ৰ বিচাৰো কলাৰ ক্ষেত্ৰত অবাস্তৱ। কলাৰ ৰূপক— কোনো চৰিত্ৰ বা ঘটনা বা ভাবাবেগক— নৈতিক দৃষ্টিকোণৰপৰা বিচাৰ কৰা আৰু ত্ৰিভুজ-বৰ্গক্ষেত্ৰক সৎ বা অসৎ বোলা একেই কথা। কলাকাৰ আৰু সাহিত্যিকে সৃষ্টি কৰা কল্পলোক ক্ৰ'চে'ৰ মতে স্বয়ংনিৰ্ভৰ, স্বয়ংসম্পূৰ্ণ। সেই কল্পলোক বাস্তৱ নে অবাস্তৱ সেই প্ৰশ্ন কলাৰ ক্ষেত্ৰত অৰ্থহীন। তৎসত্ত্বেও কলাৰ আবেদন বিশ্বজনীন। কাৰণ কলাই জাগ্ৰত কৰা সহজানুভূতিও বিশ্বজনীন— সকলো মানুহৰে জন্মগত উত্তৰাধিকাৰ। (A Breviary of Aesthetics)

তত্ত্বগত বা ধাৰণাগত অৰ্থত কলা-শিল্পৰ বক্তব্য কিমান গুৰুত্বহীন, তাকে বুজাবলৈ ক্ৰ'চে'ই এটা চৰম উক্তি কৰিছে:

"In this sene, when we take 'content' as equal to 'concept', it is most true, not only that art does not consist of content, but also that it has no content." (Aesthetic)

(এই অৰ্থত— অৰ্থাৎ যেতিয়া আমি 'বিষয়বস্তু'ৰ অৰ্থ 'ধাৰণা' বুলি লওঁ— কলাতো বিষয়বস্তুৰ সৃষ্টি নহয়েই, বৰং কলাৰ কোনো বিষয়বস্তুৱেই নাই।)

অৱশ্যে আমাৰ সমালোচকসকলে from বা আংগিক বুলিলে যি কাৰিকৰিৰ কথা বুজে ক্ৰ'চে'ই তাৰ কথাও কোৱা নাই। তেওঁৰ মতে কলা সাহিত্য এটা আপুৰুগীয়া বস্তু— দক্ষ কাৰিকৰিয়ে তাক সৃষ্টি কৰিব নোৱাৰে। এহাতে যেনেকৈ কোনো 'মহান' চিন্তা আমদানি কৰি কলা সৃষ্টি কৰা নাযায় তেনেকৈ কোনো সচেতন কাৰিকৰিয়েও তিলমানো হেৰফেৰ ঘটাব নোৱাৰে— যদিহে আদিম, মৌলিক সহজানুভূতিৰ অভাৱ ঘটে। আৰু এইবাবেই ট্ৰেজেডি আৰু কমেডি, প্লট, চৰিত্ৰ প্ৰভৃতি কেতবোৰ পুৰণি ফৰ্মুলাৰ পৰা কলাৰ উপলব্ধিত কোনো সহায় পোৱা নাযায়। প্ৰতিটো সহজানুভূতিয়েই অনন্য— অতএব প্ৰতিটো শিল্পকৰ্মই অনন্য। সেয়ে বিভিন্ন শিল্পকৰ্মৰ মাজত তুলনা কৰিও একো লাভ নাই।

সমালোচনাৰ সাৰ্থকতা মাত্ৰ শিল্পকৰ্মত পৰিস্ফুট সহজানুভূতি অন্তৰত জাগ্ৰত কৰিব পৰাত। কোনো বাহ্যিক দৃষ্টিকোণ বা বহ্যিক তথ্যৰ সহায়ত 'কলা-সাহিত্যৰ প্ৰাণস্পন্দন অনুভৱ কৰা নাযায়— কলাৰ নিজস্ব গুণ, তাৰ সহজানুভূতিক নিজৰ হৃদয়ত প্ৰতিধ্বনিত কৰাই সমালোচকৰ কাম। আন সকালোধৰণৰ পাণ্ডিত্যৰ প্ৰয়োজন কেৱল এই প্ৰাথমিক সহজানুভূতি সঞ্জীৱিত প্ৰয়োজন কেৱল এই প্ৰাথমিক সহজানুভূতি সঞ্জীৱিত কৰিবলৈ। কলা সাহিত্যৰ কোন অংশ প্ৰকৃতাৰ্থত কলা আৰু কোন অংশ প্ৰকৃততে কলাৰ বহিৰ্ভূত ৰসজ্ঞ সমালোচকে যাইকৈ তাৰেই বিচাৰ কৰিব।

কোৱা বাহুল্য যে কলাশিল্পৰ স্বধৰ্মৰ ওপৰত জোৰ দিবলৈ গৈ ক্ৰ'চে'ই যি সহজানুভূতিৰ কথা কৈছে তাত বহুপৰিমাণৰ সৰলীকৰণ ঘটিছে। এটা সূক্ষ্ম আৰু জটিল শিল্পকৰ্মৰ সৃষ্টিত যি পৰিমাণৰ সচেতন পৰিশ্ৰম আৰু কষ্টকৰ চিন্তা থাকে তাৰ লগত মানবমনৰ দৈনন্দিন সহজানুভূতিবোৰৰ সম্পৰ্ক বিচাৰি পোৱা টান। কলা শিল্পৰ সৌন্দৰ্য জানো যিকোনো সহজানুভূতিৰ লেখীয়া ?

এই প্ৰশ্নৰ সদুত্তৰ ক্ৰ'চে'ই দিব পৰা নাই। Breviary of Aestheticsত তেওঁ যি উত্তৰ দিছে সি Coleridgeৰ Primary আৰু Secondary Imagination ৰ বিভাজনৰ অনুকৰণ বুলিয়েই আমাৰ বিশ্বাস। শিল্পকলাৰ স্বকীয় বৈশিষ্ট্য তেওঁ বিচাৰি পাইছে বিভিন্ন কল্পচিত্ৰৰ মাজৰ অন্তৰ্নিহিত ঐক্যত। এই ঐক্যৰ প্ৰাণেই কলাৰ সংগঠনক স্বপ্নৰ খেলিমেলি গাঁঠনিৰপৰা পৃথক কৰিছে। (Fancy আৰু Imagination ৰ প্ৰতিধ্বনি!)

আমাৰ ধাৰণাত এই সমাধান সঁচা হলেও বিশেষ মূল্যবান নহয়। বহু ৰসজ্ঞ সমালোচকৰ শিল্প সাহিত্যৰ অভিজ্ঞতা এই তত্ত্বই নাকচ কৰিছে। কলা সাহিত্যৰ নিজস্ব গুণক উচিত মৰ্যাদা দিবলৈ গৈ, নীতিবাগিশ আৰু সৰ্বগ্ৰাসী দাৰ্শনিকৰ হস্তক্ষেপৰ পৰা শিল্পকলাৰ স্বাধীনতাক ৰক্ষা কৰিবলৈ

গৈ তেওঁ এনে এক ধৰণৰ তত্ত্ব থিয় কৰাইছে যি সাহিত্য সমালোচনাৰ বা শিল্পসমালোচনাৰ পৰিধি অসংগতভাৱে সংকুচিত কৰিছে।

নিজৰ সমালোচনাতো স্বভাৱসিদ্ধ স্পষ্টতা আৰু স্বচ্ছতাৰে ক্ৰ'চে'ই এই তত্ত্ব প্ৰয়োগ কৰিছে। বিভিন্ন লেখকৰ সাহিত্যকৰ্মৰ আলোচনাত তীক্ষ্ম বিশ্লেষণৰ সহায়েৰে অন্যান্য দৃষ্টিকোণৰ মতামতসমূহ অবাস্তৱ বা মূল্যহীন বুলি প্ৰতিপাদন কৰি তেওঁ নিজস্ব নন্দন তত্ত্বৰ পোহৰত তাৰ বিচাৰ আগবঢ়াইছে। ক্ৰ'চে'ৰ বিস্তৃত অধ্যয়ন, সজীৱ ৰসগ্ৰাহিতা, বিভিন্ন সমস্যাৰ মূলবস্তুত তৎক্ষণাৎ আঙুলি দিব পৰা ক্ষমতাই এইবোৰ সমালোচনাৰ পাঠকক মুগ্ধ নকৰাকৈ নাথাকে। সাহিত্যকৰ্মৰ 'সাহিত্যিক' ধৰ্মৰ প্ৰতি তেওঁৰ সজাগ দৃষ্টিৰ ফলত বহুক্ষেত্ৰত উপকৰা দৃষ্টিকোণৰ বিভ্ৰান্তি দূৰীভূত হৈছে। কিন্তু অৱশেষত পাঠকে অনুভৱ কৰে যে বিভিন্ন সাহিত্যিকৰ ৰচনাৰ অনিৰ্বচনীয় 'সুন্দৰ' (বা কলাসুলভ) মুহূৰ্তৰপৰা তাৰ অসাহিত্যিক বা বাহ্যিক ভেঁজালবোৰ আঁতৰাই দিয়াই যদি সমালোচকৰ ঘাই কাম হয় তেন্তে সমালোচনা এটা আমনি লগা আৰু টুলুঙা বস্তু হৈ পৰিব।

ক্ৰ'চে'ৰ হাতত এই পদ্ধতি আমনি লগা হৈ পৰা নাই, তাৰ কাৰণ বা বিবাদী কলাৰ মুহূৰ্তবোৰ আবিষ্কাৰ কৰিবলৈ যাওঁতে বা বিবাদী পক্ষবোৰৰ লগত বিতৰ্কসূত্ৰে তেওঁ এনে কেতবোৰ মন্তব্য কৰিছে যিবোৰে লেখকৰ জীৱন, বিশ্ববীক্ষা আৰু মতামত সম্পৰ্কে আমাক নতুন চিন্তাৰ খোৰাক যোগাইছে। অথচ এইবোৰ প্ৰসংগক্ৰমে কৰা মন্তব্য। বালজাক, শ্বিলাৰ, ফ্ল'বেয়াৰ, বডলায়াৰ প্ৰভৃতি সাহিত্যিকৰ ওপৰত তেওঁ কৰা আলোচনাত প্ৰসংগক্ৰমে কৰা এনেবোৰ উক্তিয়েই আলোচনাৰ আকৰ্ষণ বঢ়াইছে— যদিও তেওঁৰ পদ্ধতি আৰু তত্ত্বৰ ফালৰপৰা এনেবোৰ উক্তি নিৰৰ্থক।

পৃথিৱীৰ বহু মহান সাহিত্যিকেই তেওঁলোকৰ সাহিত্যকৰ্মৰ যোগেদি নিজস্ব ধ্যানধাৰণা আৰু জীৱনবোধ প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ বিচাৰিছে। সন্দেহ নাই যে তাৰ ফলত কেতিয়াবা সাহিত্যকলাৰ নিজস্ব গুণ হ্ৰাস পাইছে। কিন্তু এইকথাও কাৰো অবিদিত নহয় যে সেইসকল সাহিত্যিকৰ গভীৰ মানবীয় আবেদন আৰু স্থায়ী আকৰ্ষণৰ মূলতে আছে এইবোৰ ধ্যান ধাৰণা প্ৰকাশ কৰাৰ বাবে তেওঁলোকৰ প্ৰবল হাবিয়াস আৰু অধ্যৱসায়। শ্বেইক্সপীয়েৰৰ জীৱনবোধ সম্পৰ্কেও প্ৰখ্যাত সমালোচকসকলৰ কৌতূহল স্মৰণীয়।

ক্ৰ'চে'ৰ তত্ত্ব সেয়ে আমি তেওঁ ভবাদৰে নন্দন তত্ত্বৰ ক্ৰান্তিকাৰী ঘটনা বুলি নাভাবোঁ। কিন্তু পাহৰিলে নচলিব যে বহুতে ভবাদৰে অস্পষ্ট ৰহস্যবাদ বা ধুঁৱলীকুঁৱলী ব্যঞ্জনাৰ প্ৰতি তেওঁৰ কোনো দুৰ্বলতা নাছিল। শ্বিলাৰৰ ওপৰত ৰচনাত তেওঁ কৈছে যে শ্বিলাৰৰ সাহিত্যকৰ্মত আবিষ্কাৰৰ আনন্দ নাই— সি পূৰ্বপৰিকল্পিত ধাৰণাৰ প্ৰকাশ মাত্ৰ। কলাৰ এই নিজস্ব

ধৰ্ম তেওঁ কেতিয়াও পাহৰি যোৱা নাছিল। আনহাতে 'আধুনিকতা'ৰ নামত ধুঁৱলী ভাবাবেগ বা অৰ্ধচেতন ভাষাৰ বোকাত সোঁটি লৰবলৈ যোৱাসকলৰ ওপৰত তেওঁ আছিল খড়্গহস্ত।

(প্ৰকাশ, অক্টোবৰ ১৯৭৫, ফেব্ৰুৱাৰী ১৯৭৮)

# জনগণৰ চলচ্চিত্ৰ : বাস্তৱ সম্ভাৱনা নে ?

পৰম্পৰাগত যিবোৰ সামাজিক আৰু মানবীয় বিদ্যা আছে, সম্প্ৰতি সিঁহত তথ্য আৰু তত্ত্বৰ বিপুল ভাৰত এনে গধুৰ হৈ পৰিছে যে সিঁহতে মানুহকে হেঁচা মাৰি ধৰি নেদেখো কৰি পেলাইছে। অথচ সিঁহতৰ স্ৰষ্টা আৰু ভোক্তা মানুহেই। আনকি এজন বিদ্যানুৰাগী পণ্ডিতেও এতিয়া সিঁহতে গঢ়ি তোলা বিশাল প্ৰসাদৰ সমুখত শংকিত আৰু বিমূঢ় অনুভৱ কৰে। মাৰ্ক্সবাদে এই সকলো বিদ্যাক সমালোচনাৰ জৰীয়তে আত্মসাৎ কৰে আৰু সেইবোৰৰ মানবীয় ভিত্তি পোহৰলৈ আনে। বিশ্বৰ বুৰঞ্জীত প্ৰভাৱশালী দাৰ্শনিক মতবাদ অৱশ্যে বহুতো ওলাইছে। কিন্তু মাৰ্ক্সবাদৰ স্বকীয় বৈশিষ্ট্য হৈছে এনে জ্ঞান আৰু চিন্তাৰ উদ্ভাৱন তথা উৎপাদনত মানুহৰ ভূমিকাত আলোকপাত কৰি সি মানুহৰ বিচ্ছিন্নতা বা আত্মনিৰ্বাসনৰ অৱসান ঘটাব পাৰে।

অৱশ্যে বাস্তৱ জগতত “মানুহ” বুলি কোৱা বিমূৰ্ত জীৱ নাই। বিচাৰিলে আমি দেখা পাওঁ সমাজবদ্ধ মানুহকহে যি বিশেষ ঐতিহাসিক আৰু সাংস্কৃতিত পৰিস্থিতিত, নিৰ্দিষ্ট ধৰণৰ সমাজত সংগঠিত হৈ, জগতক আয়ত্তাধীন কৰিবলৈ অহৰহ সংগ্ৰাম কৰিছে আৰু তাৰেই অংশ হিচাপে জ্ঞান উৎপাদন কৰিছে। শ্ৰেণীবিভক্ত সমাজত জ্ঞানৰ উপাদনৰ ওপৰতো সেই সমাজৰ শ্ৰেণীবিভাজনৰ গভীৰ প্ৰভাৱ থাকে। তেনে সমাজৰ শিল্পী-সাহিত্যিকো কবলৈ গ’লে শাসক শ্ৰেণীৰে সদস্য। এওঁলোকে যে কেৱল শোষিত আৰু অবদমিত শ্ৰেণীৰ লোকসকলৰ প্ৰতি দায়িত্ব অস্বীকাৰ কৰে তেনে নহয়, শ্ৰেণীবিভক্ত সমাজৰ বিভিন্ন পৰিস্থিতিত পণ্ডিতসকলে উৎপাদন কৰা শিল্পকলা যে বিকলাংগ আৰু বিকৃত, মানি লবলৈ টান পায়। বৰং তেনে জ্ঞান আৰু কলাকে সম্পূৰ্ণ আৰু বিশ্বজনীন বুলি ঘোষণা কৰে।

প্ৰাচীন ভাৰতৰ জাতিভেদৰ কঠোৰতাৰ মাজতো উৎকৃষ্ট শিল্প-সাহিত্য সৃষ্টি হৈছিল নিশ্চয়। কিন্তু সাধাৰণ ভাবে তাৰ ভিত্তি আছিল মানুহৰ জন্মগত আৰু জাতিগত অসমতাসম্পৰ্কীয় কেতবোৰ অমানুষিক ধাৰণা। ভক্তি আন্দোলনেহে সেইবোৰ কবালমৰা সংস্কাৰত ফাঁট মেলাইছিল মানুহৰ সাম্য-মৈত্ৰীৰ ধাৰণাৰ বলিষ্ঠ স্পন্দনেৰে। শেষত ভক্তি আন্দোলনো মুজুৰা পৰিল। পাশ্চাত্যৰ পুঁজিবাদী

সমাজ প্রাচিন ভাৰতীয় সমাজতকৈ বেলেগ— কিন্তু তাৰো ভিত্তি শ্ৰেণী বৈষম্য তাৰ অগ্ৰনী চিন্তাবিদ সকল যি সামাজিক পৰিস্থিতিত থাকে, সেই পৰিস্থিতিয়েই নিৰ্ণয় কৰে তেওঁলোকৰ চিন্তাৰ পৰিসীমা। আনহাতে তৃতীয় বিশ্বৰ বেছিভাগ দেশতে এতিয়া চিন্তা হৈছে উন্নত পুঁজিবাদী দেশবোৰত উৎপাদিত চিন্তাৰ অনুকৰণ আৰু অনুসৰণ। এনেবোৰ ধ্যান-ধাৰণাই আমাৰ জীৱনৰ বাস্তৱ সত্য বুজাত সহায় নকৰে, বহুসময়ত সৃষ্টি কৰে বিভ্ৰান্তি। চিনেমা সম্পৰ্কীয় যিবোৰ আলোচনা আমাৰ দেশত হৈছে, সেইবোৰো বৌদ্ধিক পৰিবেশৰ এনেধৰণৰ বিকৃতিকাৰী প্ৰভাৱৰ পৰা মুক্ত নহয়।

যেনে ধৰক আমি অত্যন্ত স্বাভাৱিক আৰু অনিবাৰ্য্য বুলি ধৰি লোৱা "চাৰু চিত্ৰ" (Art Film) আৰু "লৌকিক চিত্ৰ" (Popular Film)ৰ প্ৰকাৰভেদটোকে। প্ৰথমটো কিছুমান বুদ্ধিদীপ্ত আৰু সূক্ষ্ম ৰসবোধসম্পন্ন পৰিচালকে দুঃসাহসী কলা কৌশল আৰু নিগূঢ় অৰ্থঘন ইংগিতৰ আলমলৈ সৃষ্টি কৰে এক উচ্চমানৰ জ্ঞান আৰু ৰসবোধ থকা শিক্ষিত দৰ্শকৰ বাবে। দ্বিতীয়বিধৰ চিত্ৰ ৰসবোধ আৰু ৰুচি নথকা আৰু স্থূল আমোদ-প্ৰমোদৰ প্ৰতি আসক্ত দৰ্শকৰ বাবে ব্যৱসায়ী ভিত্তিত তৈয়াৰ কৰা হয় বুলি আমাৰ ধাৰণা।

এই কথা আমাৰ মনত নেখেলায় যে পশ্চিমৰ শ্ৰমিক শ্ৰেণীৰ লগত তাৰ অগ্ৰণী বৌদ্ধিক আৰু ৰসিক চামৰ যি দুস্তৰ ব্যৱধান, তৃতীয় বিশ্বৰ সমাজত সৰ্বসাধাৰণ আৰু ৰসিক সকলৰ মাজত সিমানখিনি ব্যৱধ্যান নাথাকিবও পাৰে। আমাৰ দেশৰ কোনো এক আওহতীয়া অঞ্চলত— যেনে মণিপুৰত— বেছ সূক্ষ্মবিধৰ নৃত্য-কলাৰ ৰসগ্ৰহণ আপামৰ জনসাধাৰণেও কৰিব পাৰে আজিও। আৰু আমাৰ উচ্চশিক্ষিত চামৰ মানুহে চেষ্টা কৰিলে বিশেষ কষ্ট নোহোৱাকৈ শ্ৰমজীৱী সমাজৰ লগত আজিও মিলিব পাৰে। কিছুমান ধ্যান-ধাৰণা আৰু মূল্যবোধ আজিও তৃতীয় বিশ্বৰ এখন সমাজৰ সকলো স্তৰতে সক্ৰিয়।

পাহৰিলে নচলিব যে পশ্চিমতো আজি চলচ্চিত্ৰৰ "ক্লাছিক্" বুলি পৰিগণিত হোৱা কেতবোৰ ছবি জনসাধাৰণৰ বাবেই পোনতে তৈয়াৰ হৈছিল। চেপ্লিনৰ কিছুমান উল্লেখযোগ্য প্ৰথম ছবি সৰুসুৰা ষ্টুডিঅ'তে তৈয়াৰ হৈছিল শ্ৰমজীৱী দৰ্শকৰ মনোৰঞ্জনৰ বাবে ব্যৱসায়িক ভিত্তিত। আইজেনষ্টাইনৰ জগদ্বিখ্যাত "পটে'ম্‌কিন্ ৰণতৰী" (Battleship Potenkin) তৈয়াৰ হৈছিল সেইসময়ত চিনেমাত বিশেষ আগ্ৰহ দেখুৱা হেজাৰ-বিজাৰ বিপ্লৱী শ্ৰমিকৰ বাবেই যাৰ বহুতেই হয়তো স্কুল-কলেজৰ মুখেই দেখা নাছিল। ডে' ছিকা আৰু ফে'লিনিৰ প্ৰথম নব্যবাস্তৱবাদী চিনেমাবোৰ তৈয়াৰ হৈছিল যুদ্ধোত্তৰ ইটালিৰ অভাৱ আৰু দৰিদ্ৰ্যপীড়িত সমাজত, দুৰ্ভিক্ষ, নিবনুৱা সমস্যা আৰু সঘন জনবিক্ষোভে কালমূৰ্ত্তি ধৰা সময়ত— যিসময়ত ডে' ছিকাই আৰু ফে'লিনিয়ে তেওঁলোকৰ

চিনেমাৰ পৱিত্ৰ আৰু নিপীড়িত নায়ক সকলৰ লগত প্ৰায় একেলগেই একে ৰাস্তাতে বাস কৰিছিল। এইবোৰ চিনেমা নিশ্চয় পোনতে উচ্চ শিক্ষিত বোদ্ধা সকলৰ বাবে নিৰ্মিত হোৱা নাছিল।

অৰ্থাৎ চাৰুচিত্ৰ আৰু জনপ্ৰিয় চিত্ৰৰ এই প্ৰথাগত প্ৰভেদটো কোনো প্ৰতিৰোধ বা সংগ্ৰাম অবিহনে গ্ৰহণ কৰাৰ অৰ্থই হব বৃহৎ ব্যৱসায়ী আৰু ধনিক শ্ৰেণীক মনোৰঞ্জনৰ নামত জনসাধাৰণক শোষণ কৰি যাবলৈ অব্যাহত সুযোগ দিয়া, পৰিচিত পৃথিৱীখনকে বিনা প্ৰশ্নে গ্ৰহণ কৰিবলৈ ৰাইজক মোহগ্ৰস্ত কৰা, আৰু তেওঁলোকৰ জীৱনৰ নানা শূন্যতা সত্তীয়া আৰু ৰাগীয়াল দিবাস্বপ্নেৰে ভৰপূৰ কৰি ৰাখিবলৈ প্ৰৰোচনা দিয়া। আমাৰ যুৱক সকলৰ কেইবাটাও প্ৰজন্ম এনেদৰে প্ৰভাৱিত হৈছে। এনেদৰেই আমি শিক্ষা আৰু সংস্কৃতিৰ এক শক্তিশালী অস্ত্ৰক কোটিপতি ঠগ-ডকাইতৰ হাতত এৰি দিছোঁ।

তথাকথিত আঞ্চলিক চিনেমাৰ জগতত ৰুচিৰ এই বিকাৰ ইতিমধ্যে প্ৰকট হৈ পৰিছে। অসমীয়া চিনেমাত সম্প্ৰতি নায়ক আৰু দুৰ্বৃত্তৰ মাজত চমকপ্ৰদ মাৰামাৰিৰ দৃশ্য সুঁলভ, আৰু প্ৰেমৰ প্ৰকাশ ঘটে এজোপা গছৰ চাৰিওপিনে নায়ক-নায়িকাই ৰবলে কামোৰা বান্দৰৰ দৰে জপিয়াই-জপিয়াই নাচি ফুৰাত। বঙালী ভদ্ৰলোকী চিনেমাৰ নিৰ্মাতা সকলে যিমানদিন পাৰি দৰ্শকৰ পৰা চকুপানী আৰু পইচা দুঁটি অনাৰ ব্যৱস্থা কৰিলে। সেই কৌশল অৱশেষত ব্যৰ্থ হোৱাত বোম্বেই চিনেমাৰ সকলো মছলা প্ৰয়োগ কৰি "অমানুষ" নামৰ এখন ছবি উলিয়াই বাজী মাৎ কৰিলে। "মাতংগি মণিপুৰ" নামৰ প্ৰথম মণিপুৰী চিনেমাখনতেই বোম্বেইৰ ব্যৱসায়ী ফৰ্মুলা সুপৰিস্ফুট আছিল। আজিকালি বেছিভাগ আঞ্চললিক ছবিতে দৈহিক উত্তেজনা আৰু স্থূল আমোদে সময় পাৰ কৰাত সহায় কৰে, কিন্তু মনৰ অনুসন্ধিৎসা আৰু পৰীক্ষামূলক (Critical) ক্ষমতাসমূহ বিকশিত নকৰে।

কিছুদূৰ অতীতৰ পিনে উজাই গ'লে আমি দেখিম যে তেতিয়াৰ পৰিস্থিতি ইমান অমংগলীয়া নাছিল। অসমৰ প্ৰথম কথা ছবিসমূহ আছিল স্বাধীনতা সংগ্ৰামৰ লগৰীয়া সাংস্কৃতিক নৱজাগৰণৰ অংগ। এই শতিকাৰ পঞ্চম দশকৰ শেষলৈকে অসমীয়া কথা ছবিৰ বিষয় আছিল স্থানীয় সমাজৰ সমস্যাবিলাক— জাতিভেদ, গাওঁ অঞ্চলত মহাজন— বৰমানুহৰ শোষন, যৌৱনৰ আদৰ্শবাদ আৰু জগতৰ সুবিধাবাদৰ দ্বন্দ্ব, ইত্যাদি। জনসাধাৰণৰ মাজত পৰিচালনা, অভিনয়কৌশল, চিত্ৰনাট্য ইত্যাদি বিষয়ে কিছু কিছু আলোচনা হৈছিল, কিন্তু তাৰকা প্ৰথাৰ জাকজমক নাছিল, কোনগৰাকী অভিনেত্ৰীয়ে কি চাবন ব্যৱহাৰ কৰে সেই বিষয়ে কোনো কৌতূহল নাছিল। ষাঠিৰ দশকৰ শেষৰ পিনে বোম্বে চিনেমাৰ সকলো মছলাৰে এখন ছবি নিৰ্মিত হয়, য'ত আনকি আজিকালি অপৰিহাৰ্য্য ধৰ্ষন বা ধৰ্ষণৰ চেষ্টাও এটা মছলা আছিল। কম

খৰচতে আৰু চিনেমাৰ সাধাৰণ কৌশলবোৰৰ সদ্ব্যৱহাৰেৰে ছবিখন কৰা হৈছিল, যাৰ ফলত সচৰাচৰ অসমীয়া ছবিত থকা মঞ্চনাটকৰ প্ৰভাৱৰ পৰা সি মুক্ত আছিল। কিন্তু ছবিখন নিঃসন্দেহে আছিল আগৰ হীৰিয়াছ ছবিৰ পৰা ব্যৱসায়িক মনোৰঞ্জনলৈ এক দুভাৰ্গ্যজনক পদক্ষেপ। গণনাট্য সংঘৰ এজন বিশিষ্ট প্ৰাক্তন সদস্যাই কৰা এই ছবিখন সৰ্বভাৰতীয় ধনতান্ত্ৰিক শক্তিসমূহে থলুৱা সংস্কৃতিৰ ওপৰত পেলোৱা অশুভ প্ৰভাৱৰ প্ৰতীক স্বৰূপ আছিল। ইতিমধ্যে অসমীয়া সমাজ দুভাগত বিভক্ত হৈ পৰিছিল— এক উচ্চশিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে জনগণৰ পিনে পিঠি দি উচ্চ সংস্কৃতিৰ চৰ্চা কৰিবলৈ ওলাইছিল, আৰু অবহেলিত জনসাধাৰণ ব্যৱসায়িক মনোৰঞ্জনৰ জংঘলত সোমাই গৈছিল। সেয়ে স্থানীয় বা আঞ্চলিক সমাজক গভীৰভাবে আলোড়িত কৰা সমস্যাৰাজি আওকান কৰি ক্ৰমে কৃত্ৰিম, ভাবপ্ৰৱণ বা দিবাস্বপ্নসুলভ ফৰ্মুলাত পৰিচালক সকল আসক্ত হৈ পৰিল— সমস্যাবোৰ বৌদ্ধিক ভাবে আৰু কলাৰ মাজেদি অনুসন্ধান বা পৰীক্ষা নকৰা হ'ল। অৱশ্যে আমাৰ শিক্ষিত সম্প্ৰদায় স্থানীয় চাৰুচিত্ৰৰ পৃষ্ঠপোষকতা পৰিৰ পৰাকৈ সৰহীয়া নাছিল, সেয়ে সংস্কৃতিৰ আনবোৰ দিশতে মনোনিবেশ কৰিলে তেওঁলোকে।

ৰাজীৱ গান্ধীৰ চৰকাৰৰ নেতা সকলে ৰাজহুৱা বক্তৃতাত কৃষ্টি-সংস্কৃতি সম্পৰ্কে ফোঁপোলা শ্ৰদ্ধাৰ ফুলজাৰি উৰুৱায়। কিন্তু টেলিভিচনত সপ্তাহত দুই তিনিবাৰকৈ যিবোৰ চিনেমা তেওঁলোকে দেখুৱাই আছে, তাৰ পৰাই বুজা যায় তেওঁলোকৰ কোনো দ্বিধা-সংকোচ নাই। আমাৰ উঠি অহা চামক কুমলীয়া বয়সতে এইবোৰ চিনেমাই বশীভূত কৰি পেলায়, তেওঁলোকৰ মনবোৰ লোভনীয় দৃশ্য, কৃত্ৰিম ভাবাবেগ আৰু অসত্য মূল্যবোধেৰে ভৰাই পেলায়। এই কামত ব্যৱসায়ী ছবিৰ নিৰ্মাতাবিলাক বেছ পাকৈত। আমাৰ তৰুণসমাজত বিশৃংখলা, অশান্তি আৰু বিক্ষোভ যেতিয়া বিয়পি পৰে, তেতিয়া ওলায় "সমাজকো বদল ডালো" বা তেনেধৰণৰ নামৰ ছবি— য'ত দেখা যায় বিদ্ৰোহী যুৱকে মাজে সময়ে গছৰ চাৰিওপিনে প্ৰেয়সীৰ সৈতে জাপ মাৰি মাৰি নাচি উঠি হঠাতে বন্দুক লৈ স্থানীয় কোনো নেতা বা পদস্থ বিষয়াক সিপুৰীয়া কৰে আৰু সমাজ তেনেকৈয়ে তুৰন্তে বদলি হয়। ব্যৱসায়ী ছবিয়ে অৱশ্যে সমাজৰ মনঃপুত সকলো আদৰ্শ বা গতানুতিক সততাৰ ধাৰণা দাঙি ধৰিবলৈ নাপাহৰে। নায়ক সাধাৰণতে অতিশয় সাধু আৰু দেশপ্ৰেমিক হয়। নায়িকাৰ লগত সাময়িক বিচ্ছেদ ঘটা নায়কে মদৰ জালত হোটেল বা বাৰত উৎকট যৌন প্ৰদৰ্শনত অভ্যস্ত খলনায়িকাৰ (Vamp) জালত পৰে। লগে লগে বাতৰি কাকত নাইবা আলোচনীৰ পাতত প্ৰচাৰ কৰা হয় যে উক্ত খলনায়িকাৰ অভিনয় কৰা অভিনেত্ৰী গৰাকী নিষ্কলংক চৰিত্ৰৰ আৰু ধৰ্মপৰায়না, তেওঁ দিনটোৰ ভিতৰত কমেও তিনিবাৰ লক্ষ্মীনাৰায়ণৰ পূজাত বহে। এনে

পবিত্র চিনেমা চলোৱাত পৰিবেশকৰ চক্ৰবোৰ অতি উৎসাহী, কিন্তু সিমান পবিত্র বা পুন্যৱন্ত হব নোৱাৰাবাবে সিঁহতে থলুৱা ছবিক হেলাৰঙে অৱহেলা কৰে।

আজি সমগ্র বিশ্বতে স্বীকৃতি পোৱা এজন তৰুণ পৰিচালকৰ নিচেই ওচৰতে মই কেইবছৰমান আগতে এসপ্তাহমান আছিলো। পৰিচালক জনে সদায় ৰাতি ঘৈনীয়েকৰ লগত হিংস্র ভাষাত কাজিয়া কৰিছিল, সামান্য কথাতে ঘৰৰ বস্ত-বেহানি ভাঙি গুৰি কৰিছিল। তেওঁৰ সহনশীলা ঘৈণীয়েকে পিছত কথাই-কথাই মোক জনাইছিল যে তেওঁৰ স্বামীয়ে পাঁচ বছৰমান আগতে দুখন মান অতি সম্ভাৱনাপূর্ণ কথাছবি কৰিছিল, সেইবোৰ ছবি কৰিবলৈ গৈ তেওঁ ধাৰত পোত গৈছিল— কিন্তু পৰিবেশক মহলৰ ষড়যন্ত্রত চিনেমা দুখন ৰাজহুৱাভাবে প্রদর্শন হোৱা নাছিল বহুদিন ধৰি। তেতিয়াহে তৰুণ পৰিচালক জনৰ মনৰ যন্ত্রণা আৰু ক্ষোভৰ কাৰণ মই বুজি পাইছিলোঁ আৰু ব্যৱসায়ী চক্রৰ অশুভ প্রভাৱৰ মাত্রা অনুভৱ কৰিছিলোঁ।

ভাৰতত আজিকালি প্রতিবছৰে কেইবাখনো "চাৰুচিত্র" (art film) ওলায়। সামাজিক প্রতিবাদেই সেইবোৰৰ বিষয়বস্তু। তাৰে কিছুমানে যথেষ্ট দর্শক আকর্ষণ কৰে। তথাপি সমাজৰ ওপৰত সেইবিলাকৰ প্রভাৱ হয় সীমিত। তাৰে এটা কাৰণ এয়ে যে চৰকাৰী বা অর্দ্ধচৰকাৰী বিত্তীয় প্রতিস্থানবোৰে ঋণৰ লগেলগে সেইবোৰ চিনেমাৰ পৰিচালকক চিনেমাখনৰ গতি পথৰ ইংগিত এটাও দিয়ে। সেয়ে দেখা যায় যে অভাৱ, দাৰিদ্র্য, বঞ্চনা আৰু জনগণৰ পুঞ্জীভুত ক্ষোভ আৰু ঘৃনাৰ অবিস্মৰণীয় উন্মোচনৰ পিছত চি,বি, আইৰ (C.B.I) বীৰপুৰুষ সকলে শোষক বিলাকক গ্রেপ্তাৰ কৰি জনসাধাৰণক মুক্ত কৰিছে। কেতিয়াবা আকৌ দেখা যায় যে সেই জনজণে নিজেই আত্মবলত বলীয়ান হৈ গোবৰ-গেছ প্রকল্প স্থাপন কৰি উজ্জ্বল ভবিষ্যতৰ পিনে খোজ দিছে।

এনে বিপ্লবী ছবিৰ আন এটা দুর্বলতা হৈছে সিহঁতৰ সামাজিক প্রবাসস্পৃহা (exoticism)। চহৰ-নগৰৰ দর্শকমণ্ডলীক স্পর্শ নকৰা কোনো দূৰৱৰ্ত্তী অঞ্চলৰ হৰিজন সংগ্রাম বা আদিবাসী জাগৰণ সেইবোৰ চিনেমাৰ বিষয়ববস্তু আৰু পটভূমি। এনে চিনেমাৰ অভিঘাত (impact) সেইবোৰ চিনেমাৰ দৰে হব নোৱাৰে যিবোৰে দর্শকক তেওঁলোকৰ নিজা মৌলিক সমস্যাবোৰৰ বিষয়ে সচেতন আৰু চিন্তিত কৰে— যেনে ধৰক সত্যজিৎ ৰায়ৰ জন-অৰণ্যই বা মৃণাল সেনৰ খাৰিজে। বামপন্থী পৰিচালকে যেতিয়া নিজৰ পটভূমিৰ পৰা আঁতৰি গৈ আন কোনো অঞ্চল বা সমাজৰ শ্রেণীসংগ্রাম পর্দাত ফুটাই তোলে, অত্যধিক সৰলীকৰণৰ বিপদ লগে লগে উপস্থিত হয়, কাৰণ নিজৰ সত্তাৰ লগত শিপাৰ সম্পর্ক নথকা পটভূমিত তেওঁৰ কোনো risk নাই।

এইটো পাহৰিলে নচলিব যে শ্ৰেণীসংগ্ৰাম সমাজৰ সকলো স্তৰতে পৰিব্যাপ্ত আৰু সক্ৰিয়।

আঞ্চলিক চিনেমাৰ পৰিচালকে যদি তুৰন্তে লাখটকা উপাৰ্জন কৰিবলৈ বা "বিপ্লৱী" চিনেমা কৰি বটা-বাহন লাভ কৰিবলৈ নিবিচাৰে, তেনেহলে সৰ্বসাধাৰণ দৰ্শকৰ প্ৰতি মন দিব লাগিব। অৰ্থাৎ বোম্বেৰ অথবা থলুৱা বোম্বে-মাৰ্কা ছবিৰ লগত তেওঁ প্ৰতিযোগিতাত নামিব লাগিব। তেওঁৰ ভৰসা কেৱল এইটোহে যে সমাজৰ জ্বলন্ত ভৰসা কেৱল এইটোহে যে সমাজৰ জ্বলন্ত সামাজিক বা সাংস্কৃতিক সমস্যাবোৰ সাধুতাৰে আৰু গভীৰ অনুভূতিৰ ৰূপায়ণ কৰিব পাৰিলে তেওঁ বোম্বেৰ মছলা নোহোৱাকৈ দৰ্শকক মুগ্ধ কৰিব পাৰিব। অসম অৰ্থনৈতিক উন্নয়ণ, শিক্ষিত নিবনুৱা সমস্যা, প্ৰবল চৰকাৰী দুৰ্নীতি, আৰু সন্ত্ৰাসবাদী হিংসাৰ প্ৰতি যুৱকসমাজৰ মোহ, জনপ্ৰব্ৰজনৰ (immigration) বিভিন্ন সদৰ্থক আৰু নেতিবাচক দিশ— এইবোৰে কেৱল বিশেষ বিশেষ সমস্যা নহয়, আমাৰ সমগ্ৰ সমাজৰ প্ৰকৃত চৰিত্ৰ আৰু গাঁঠনিৰ বিষয়ে সেইবোৰ সমস্যাৰ ৰূপায়নেও ইংগিত দিব পাৰে। সাম্প্ৰদায়িক বা জাতিগত বিদ্বেষকৈ অশান্তিও আঁতৰত ৰাখিবলগীয়া বস্তু নহয়। গৰম হাৱাৰ দৰে চিনেমাৰ কোনো প্ৰকাশ্য বিপ্লৱী বক্তব্য নাই। কিন্তু আমাৰ সমাজত সংখ্যালঘুসকলৰ দৈহিক আৰু মানসিক নিৰাপত্তাহীনতা তথা সংকটৰ সি এক মৰ্মস্পৰ্শী চিত্ৰৰূপ।

পঞ্চম দশকত আনকি বোম্বেত কিছুমান সমাজ সচেতন আৰু সুনিপুণ ছবি নিৰ্মিত হৈছিল। যেনে দো বিঘা জমিন (পৰিচালক: বিমল ৰয়)। আনকি নিপুণ ঐন্দ্ৰজালিক ৰাজ কাপুৰেও দুখনমান তেনে ছবি কৰিছিল। যি কাৰণেতেই নহওক, দৰ্শকে সেইবোৰ ছবিৰ কথা পাহৰি গৈছে। কিন্তু সত্যজিৎ ৰায়ৰ তিনিখণ্ডত সমাপ্ত অপু-কাহিনী ("Apu" Trilogy) ভাৰত বা পৃথিৱীৰ কোনো নহয় কোনো অংশত প্ৰায় প্ৰতিমাহে আজিও প্ৰদৰ্শিত হৈ আছে আৰু দৰ্শকৰ অভিভূত কৰিছে। "সমাজ-সচেতন" ছবিবোৰে প্ৰত্যক্ষভাৱে দৰিদ্ৰ বা দলিত সকলৰ জীৱনৰ ওপৰত আলোকপাত কৰিছিল, কিন্তু সত্যজিৎ ৰায়ে এনে এজন লোকৰ জীৱন লৈ সেই তিনিখন ছবি কৰিছিল যি গাৱঁৰ কৰুণ দাৰিদ্ৰ্য এৰি থৈ আহি চহৰীয়া মধ্যবিত্তশ্ৰেণীৰ সদস্য হৈছিল লেখক হিচাপে। অথচ সত্যজিৎ ৰায়ৰ প্ৰথম চিনেমাবোৰ আজিও সজীৱ হৈ আছে আৰু "সমাজ-সচেতন" ছবিবোৰ উঁৱলি যাব ধৰিছে।

এই ৰহস্যৰ সমাধান ক'ত? এই ক্ষেত্ৰতো মাৰ্ক্সীয় totality (সম্পূৰ্ণতা)ৰ ধাৰণা প্ৰয়োগ কৰিব পৰা যায়। সমাজসচেতন ছবিবোৰে তথ্যচিত্ৰৰ দৰে বাস্তৱৰ একাংশৰ ওপৰত চকু দিছিল, বাহিৰৰ পৰা সমাজৰ এটা স্তৰৰ

লোকৰ জীৱন ৰূপায়িত কৰিছিল। সেয়ে তাৰ সকলো সযত্ন বাস্তৱতা আৰু নিৰ্মাণ-কৌশল সত্ত্বেও সমগ্ৰ সমাজৰ আশা আকাংক্ষা, ভয়-শংকা, বাধা-বিঘিনি, সংগ্ৰাম-সাফল্য-বিফলতাৰ যথাৰ্থ প্ৰতীক হ'ব পৰা নাছিল। চৰিত্ৰসমূহৰ তাৎপৰ্য্য আছিল সংকীৰ্ণ আৰু সিহঁত আছিল পুতৌৰ পাত্ৰ। কিন্তু সত্যজিৎ ৰায়ে গাৱঁৰ সেই উঠি অহা ল'ৰাটিৰ লগত একাত্ম হৈ তাক ভাৰতৰ সমগ্ৰ জনগণৰ সংগ্ৰাম, আশা, ভয়, সপোনৰ জীৱন্ত প্ৰতীকত পৰিণত কৰিছিল।

ইতিহাসৰ এক বিৰাট আৰু আলোড়নমুখৰ কালান্তৰত সামন্তীয় (feudal) পৰ্যায়ৰ দৈন্যদশা, হতাশা আৰু কাৰুণ্যৰ নিস্তৰংগ সপোনৰ পৰা ভাৰতৰ জনগণ আগুৱাই আহিছিল। আধুনিক যুগৰ দ্বন্দ্ব-সংঘাতমুখৰ জীৱনৰ পিনে। অপুৰ জীৱন আছিল তাৰেই ক্ষুদ্ৰ সংস্কৰণ।

অপুৰ ৰাজনীতিত কোনো আগ্ৰহ নাই। ভাৰতীয় জনগণৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সুদীৰ্ঘ সংগ্ৰামত হোৱা বিপুল সামাজিক আৰু ৰাজনৈতিক আলোড়নৰ কোনো সাঁচ যেন তিনিওখন চিনেমাত নাই। এইটো তিনিওখনৰে প্ৰধান ত্ৰুটি। কিন্তু তৎসত্ত্বেও তিনিওখনে সাধাৰণ মানুহৰ জীৱন আৰু সুখ দুখত সত্যজিৎ ৰায়ৰ নিভাঁজ অথচ তত্ত্বগন্ধহীন সহানুভূতি ব্যক্ত কৰিছে। এই কথাও উল্লেখ কৰিব পাৰি যে প্ৰথম ছবিখন আৰম্ভ কৰা সময়লৈকে সত্যজিৎ ৰায় গণনাট্য সংঘ আৰু Calcutta Film Society ৰ লগত জড়িত আছিল, আৰু দুয়োটা অনুষ্ঠান বামপন্থী ভাবধাৰাৰ আছিল। সেই বিশেষক্ষণ এতিয়া পাহৰণিৰ গৰ্ভত, কিন্তু সি জন্ম দিছিল এজন সত্যজিৎ ৰায়ৰ। এই কথাও তাৎপৰ্য্যপূৰ্ণ যে তাৰ পিছত তেওঁ নিৰ্মাণ কৰা প্ৰায় সকলোবোৰ চিনেমাতে পৰিস্ফুট হৈছে সেই অনিশ্চয়তা, উদ্বেগ আৰু হতাশা, যিবোৰ অনুভূতি তাহানিখনৰ জনভিত্তিক মানবতাবাদ (popular humanism) হেৰুৱাই দেউলীয়া হোৱা আজিৰ মধ্যবিত্তৰ পাথেয়।

মৃণাল সেন আৰু আন দুজনমানে সেই পৰিচিত মধ্যবিত্তৰ জীৱনবৃত্ত অতিক্ৰম কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁৰ ভুবন সোমে মধ্যবিত্ত মোহ মূল্যবোধৰ ওপৰত মৃদু, দৰদী পৰিহাসৰ পোহৰ পেলাইছিল। সত্তৰৰ দশকত তেওঁলোকে সন্ত্ৰাসবাদী আন্দোলনৰ অভ্যুত্থানৰ লগে লগে ক্ৰুদ্ধ আৰু সশব্দ প্ৰতিবাদত আত্মনিয়োগ কৰিলে। কিন্তু প্ৰতিবাদ-চিত্ৰৰ নিৰ্মাতা সকল অতিশীঘ্ৰে এক দুৰ্জয় বাধাৰ সন্মুখীন হ'ল: তেওঁলোকক তলৰ পৰা ধৰি ৰাখিবলৈ কোনো অধস্তন ভিত্তি (infra-structure) নাই! তেওঁলোকৰ নাই কোনো বিত্ত-যোগানৰ উৎস, নাই নিয়মিত দৰ্শকসমাজ, নাই কোনো পৰিবেশকমহল। ফলস্বৰূপে কেইদিনমান নিস্ফল ক্ষোভ প্ৰকাশ কৰি কুশলী শিল্পী সকলেও নিজকে কেৱল দক্ষ কাৰিকৰ বুলি ভাবিবলৈ ললে। স্মিতাপাটিল আৰু নাছিৰুদ্দিন শ্বাহৰ দৰে প্ৰতিভাশালী শিল্পীও অৱশেষত চামিল হ'ল ব্যৱসায়ী চিনেমাৰ সমাজত,

আৰু ওম পুৰীয়ে চহৰীয়া মধ্যবিত্তৰ গাত সুৰসুৰাই দি হুঁহুৱাবলৈ চেষ্টা কৰিলে টিভিৰ পৰ্দাত।

আঞ্চলিক ছবিৰ নিৰ্মাতা সকলে এইবোৰ উদাহৰণৰ পৰা এক নেতিবাচক শিক্ষা ল'ব পাৰে। আমাৰ যুৱক-যুৱতী সকলৰ সমুখত এক কঠোৰ নিৰ্বাচনৰ সংকট— টুলুঙা আশাবাদ আৰু স্বচ্ছল প্ৰতিষ্ঠাৰ অনুসৰণ এহাতে, আৰু আত্মিক স্বাধীনতা, সততা আৰু অৰ্থপূৰ্ণ ভবিষ্যতৰ সম্ভাৱনা আনহাতে। তেওঁলোকৰ ভিতৰত চিত্ৰ-নিৰ্মাতা হ'ব খোজা সকলেও নিজৰ জীৱন অৰ্থপূৰ্ণ কৰিবলৈ আৰু মন বলিষ্ঠ আৰু কঠিন কৰিবলৈ সংগ্ৰামৰ বাবে সাজু হ'ব লাগিব।

মণিপুৰৰ ইমাগি নিংঠেমৰ দৰে এখন ছবিৰ কথাকে ভাবক। যদিও ছবিখন সম্পূৰ্ণৰূপে স্থানীয় সমাজৰ গৰ্ভত প্ৰোথিত, বিশ্বৰ বিভিন্ন ঠাইৰ দৰ্শকমণ্ডলীৰ হৃদয় সি স্পৰ্শ কৰিছে। কেনেকৈ? স্থানীয় সমাজৰ অভ্যন্তৰতে উত্থিত সমস্যাক গভীৰ সহানুভূতি, মনোনিবেশ আৰু আবেগময় সংবেদনৰে অথচ কৃষ্টিবান সংযমেৰে ফুটাই তুলি। ইয়াৰ সংঘাত হৈছে এহাতে মানবসম্পৰ্কৰ ওপৰত ধন আৰু ক্ষমতাৰ সংক্ৰামক দুৰ্যোগপূৰ্ণ প্ৰভাব আৰু আনহাতে তাৰ বিপৰীতে এক অকলুষ আৰু সহৃদয় স্বতঃস্ফূৰ্ত্ত মানবীয় সঁহাৰিৰ সম্ভাৱনাৰ মাজত। আংগিক আৰু মতাদৰ্শৰ পিনৰ পৰা চিনেমাখনৰ বহুত ত্ৰুটি দৰ্শোৱা হৈছে। মাতৃহীন ল'ৰাটিৰ আকুল আহ্বানত মাহীমাকে দিয়া সঁহাৰিটো নিশ্চয় সমস্যাটোৰ যথাৰ্থ সমাধান বুলিব নোৱাৰি। কিন্তু এই দৃশ্যৰ তথাকথিত অতিনাটকীয়তাই (melodrama) সমাজব্যৱস্থাৰ অমানুষিকতাকে অপ্ৰতিৰোধ্য বলিষ্ঠতাৰে আঙুলিয়াই দিছে। ধনতান্ত্ৰিক প্ৰমূল্যৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছে এনে এগৰাকী নাৰীয়ে, যি এজন পদস্থ বিষয়াৰ পত্নী হৈও নিজৰ মানবীয় মূল্যবোধ বিসৰ্জন দিয়া নাই। কাৰণ তেওঁ নিজে তেওঁৰ স্বামীৰ নীতিভ্ৰষ্ট ক্ষমতাসৌধৰ অংশীদাৰ নহয়। ("তুমি ডাঙৰ বিষয়া হ'ব পাৰা, মই কিন্তু এজনী সাধাৰণ তিৰোতাহে।") মই উল্লেখ কৰা ভাল হ'ব ছবিখন সম্পূৰ্ণ কৰোতে আৰু বিশ্বৰ দৰবাৰত উপস্থিত কৰোঁতে কলিকতাৰ এজন চিত্ৰানুৰাগীয়ে অকুণ্ঠ সহায় কৰিছিল।

উত্তৰপূব ভাৰতৰ সকলো কেইখন ৰাজ্যতে এনেধৰণৰ চিনেমা কৰিব পাৰি। এনেধৰণৰ চিনেমাৰ জৰীয়তে থলুৱা চিত্ৰনিৰ্মাতা সকলে কেৱল যে বোম্বেৰ অশুভ মোহজাল প্ৰতিৰোধ কৰিব পাৰে সেয়ে নহয়, নিজৰ সমাজতো স্বকীয় ঐতিহ্যৰ বিলুপ্তি আৰু অৱশেষত ৰাজনৈতিক দাসত্বৰ পৰা ৰক্ষা কৰিব পাৰে। উত্তৰপূব ভাৰতৰ সংস্কৃতিবোৰ যাদুঘৰৰ সামগ্ৰীত পৰিণত হ'ব যদি আমি উঠি অহা ল'ৰা-ছোৱালীবিলাকক কেৱল স্বচ্ছল ভবিষ্যৎজীৱন আৰু অৱশেষত আমেৰিকালৈ প্ৰব্ৰজনৰ বাবেহে উদগনি দিওঁ। দেশপ্ৰেমে যদি নিজা সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাৰ শিক্ষা নিদিয়ে, তেনেহলে সেই দেশপ্ৰেম হ'ব কৃত্ৰিম।

কিন্তু তাৰ মূল্য হ'ব এক কঠিন, কঠোৰ, দৃঢ়মনা, সুদীৰ্ঘ সংগ্ৰাম।

থলুৱা সম্ভ্ৰান্ত চামৰ (elite) সমুখত আজি জ্বলন্ত হৈ থিয় হৈছে এই পৰীক্ষা: তেওঁলোকে বোম্বেৰ চিনেমাৰ লোভনীয়া আকৰ্ষণ সমূহৰ বিপৰীতে (T.V. ৰ বিজ্ঞাপনে যাৰ বল বৃদ্ধি কৰিছে) থলুৱা জনগণৰ সংস্কৃতি আকোঁৱালি লব নে নলয়? নে তেওঁলোকে বৃহৎ ব্যৱসায়ৰ দালাল হিচাপে প্ৰসাদৰ এৰেহা গোটোৱাত ব্যস্ত হৈ পৰিব? ই অৱশ্যে ঠিক যে প্ৰথমটো সিদ্ধান্তৰ ফল হ'ব পাৰে অভাৱ আৰু দাৰিদ্ৰ্য। কিন্তু তেওঁলোকৰ আত্মাৰ অপমৃত্যু নঘটে। আৰু তেওঁলোকৰ বাবে থলুৱা সংস্কৃতি হ'ব আনন্দ, শক্তি আৰু সামাজিক প্ৰেৰণাৰ, গভীৰ যোগাযোগৰ আধাৰ।

আমাৰ চিত্ৰ নিৰ্মাতাসকলে এই আদৰ্শ গ্ৰহণ কৰিব নে নকৰে মই নাজানো। কিন্তু গ্ৰহণ কৰিলে নিজ নিজ সমাজ বা জাতি অৰ্থনৈতিক ভাবে সবল, সামাজিকভাবে প্ৰগতিশীল, বৌদ্ধিকভাবে সচেতন আৰু সাংস্কৃতিভাবে সৃষ্টিশীল হোৱাৰ সংগ্ৰামত তেওঁলোকেও অৱদান দিব পাৰিব। কিন্তু তাৰ বাবে লাগিব তেওঁলোকৰ নিজা আদৰ্শনিষ্ঠা আৰু তেওঁলোকৰ আপোন-আপোন সমাজৰ দেশ প্ৰেমিক শক্তিসমূহৰ অকুণ্ঠ সহায়। অৱশ্যে দেশপ্ৰেম আৰু উগ্ৰজাতীয়তাবাদৰ মাজত এটা স্পষ্ট সীমাৰেখা থকা উচিত হ'ব। কাৰণ উগ্ৰজাতীয়বাদে সদায় জনসাধাৰণক বিভ্ৰান্ত কৰে, শত্ৰু-মিত্ৰ চিনাত বাধা দিয়ে, আৰু অৱশেষত চূড়ান্ত বিশ্বাসঘাতকতা কৰে। আচৰিত নহয় যে উগ্ৰজাতীয়তাবাদক বৃহৎ ব্যৱসায়ে গোপনে সহায় কৰাৰ বহু প্ৰমাণ ভাৰতৰ চকুকোণৰ পৰা সময়ে সময়ে ওলাই থাকে।

এনে চিনেমা হ'ব লাগিব কম খৰচতে কৰিব পৰা (small budget) চিনেমা, তাৰ প্ৰযোজন কৰিব লাগিব ওপৰত উল্লেখ কৰা আদৰ্শত ব্ৰতী চিত্ৰনিৰ্মাতাৰ সমবায়-সংঘই। বিত্ত আৰু ক্ষমতাৰ উচ্চ-নীচ ভেদাভেদ আমি বৰ্জন কৰিব লাগিব। জনসাধাৰণৰ বাবে চিনেমাবোৰ আকৰ্ষণীয় আৰু কৌতুহলোদ্দীপ কৰিব লাগিব— মোহজাল (glamour)ৰ সহায়েৰে নহয়, জনসাধাৰণে উপভোগ কৰিব পৰা কলাকৌশলৰ সহায়েৰে। সম্ভৱতঃ থলুৱা লোককৃষ্টিৰ নানা সমল কল্পনাৰ দৃষ্টিৰে ব্যৱহাৰ কৰি এহাতে ৰুচিৰ পৰিপুষ্টি আৰু আনহাতে আপোন সংস্কৃতিৰ বিষয়ে গৌৰৱবোধ উদ্ৰেক কৰিব পাৰি। তাৰ পৰিণামত বোম্বেৰ মিছা মোহ খণ্ডন কৰাও সম্ভৱ হ'ব পাৰে। আমাৰ পৰিবেশৰ বিনাশ সম্পৰ্কে সম্প্ৰতি এটা কোলাহল হৈছে, কিন্তু তাক আধাৰ কৰি কোনো সাৰ্থক তথ্যচিত্ৰ বা কাহিনীচিত্ৰ ওলোৱা নাই। (কুলদা কুমাৰ ভট্টাচাৰ্য্য এই ক্ষেত্ৰত এজন বাটকটীয়া।) বিচাৰিলে এনে বিষয়বস্তুৰ অভাৱ নহ'ব। আন এটা বিষয় হৈছে থলুৱা আৰু বহিৰাগতৰ যোগাযোগ। এই ক্ষেত্ৰত থলুৱাৰ অন্ধক্ষোভ আৰু বহিৰাগতৰ আহত অভিমান আমাৰ চিনাকি

প্ৰতিক্ৰিয়া। কিন্তু আচল পৰিস্থিতিৰ কেইজনে কৰিছে? কেমেৰাৰ ব্যৱহাৰতো হোৱাই নাই। এনে আৰু বহুত সজীৱ বিষয় আমাৰ আগ্ৰহ আৰু অনুসন্ধানৰ অপেক্ষাত ৰৈ আছে।

কিন্তু ইয়াৰ বাবে সমল যোগাব হ'ব কেনেকৈ? তাকৰীয়া বাজেটৰ চিনেমাও ব্যয়সাধ্য। চিত্ৰানুৰাগী সকলে জনমত সৃষ্টি কৰিব লাগিব যাতে অৰ্থনৈতিক চাপৰ পৰা চিত্ৰনিৰ্মাতা সকল মুক্ত হয় আৰু অৰ্থনৈতিক উদ্‌গনি (incentive) তেওঁলোকৰ বাবে সুলভ হয়। থলুৱা চিনেমাৰ প্ৰদৰ্শন সকলো ছবিঘৰতে বাধ্যতামূলক কৰিব পাৰি। তেনেকৈ কণ্ঠ আৰোপ কৰি (dubbing) উত্তৰপূব খণ্ডৰ বিভিন্ন ৰাজ্যৰ মাজত কথাছবি বিনিময় কৰিব পাৰি। কৰ-ৰেহাই, পৰিবেশক মহলৰ ওপৰত নিয়ন্ত্ৰণ ইত্যাদিৰ কথাও ভাবিব পাৰি। থলুৱাভাবে বোম্বে'মাৰ্কা চিনেমা কৰাত বাধা দিয়া ভাল হ'ব। এনে ধৰণৰ চিনেমাৰ ৰাজনৈতিক মতাদৰ্শ কি হ'ব? মই ভাবোঁ যে বহল দেশপ্ৰেমিক মনোভাৱ থকা চিনেমা হ'লে আৰু জিঘাংসু উগ্ৰ জাতীয়বাদ বৰ্জন কৰিলে যি কোনো ৰাজনৈতিক দৃষ্টিভংগীয়েই সহ্য কৰিব পাৰি। আৰু "এনেবোৰ ব্যৱস্থাৰ বাবে উত্তৰপূব ভাৰতৰ চিত্ৰনিৰ্মাতাসকল একগোট হৈ জনমত গঢ়িব লাগিব, যথোপযুক্ত প্ৰচাৰ চলাব লাগিব।

শেষত অৱশ্যে চৰকাৰৰ ভূমিকাৰ প্ৰশ্নটো এৰাব নোৱাৰি। চৰকাৰৰ পৰা এক সুচিন্তিত, সুনিৰ্দিষ্ট নীতি (policy) দাবী কৰিব লাগিব চিত্ৰনিৰ্মাতা সকলে। পুৰাতত্ত্ব বা প্ৰাচীন কীৰ্তি সংৰক্ষণত চৰকাৰে যেনেকৈ কোনো ৰাজনৈতিক নিৰ্দেশনা অবিহনেই অনুদান দিয়ে, তেনেকৈ সাংস্কৃতিক উন্নয়ণৰ বাবেও লেকাম নৰখাকৈ চৰকাৰে ধন যোগান দিব পাৰে। তেওঁলোকে কোনো ৰাজনৈতিক লাভৰ আশা কৰিব নোৱাৰে। কিন্তু ঐকান্তিকতা, সহানুভূতি, উদৰতা দেখুৱা চৰকাৰে ৰাইজৰ প্ৰশংসা নোপোৱাকৈ নাথাকে। চৰকাৰৰ এই নীতিৰ অংগ হিচাপে কৰিব লাগিব থলুৱা চিত্ৰনিৰ্মাতা সকলক শিক্ষা দিয়াৰ ব্যৱস্থা। সমগ্ৰ উত্তৰপূব ভাৰততে ছয়-সাতটা চিনেমাৰ সংগ্ৰহালয় (Film Archives) গঢ়ি তোলা উচিত। বিশ্বৰ ক্লাছিক চিনেমাসমূহ তাৰ অন্তৰ্ভূক্ত কৰিব লাগে। চিত্ৰনিৰ্মাতাসকলে যাতে সহজে এনেবোৰ ছবি চাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। উত্তৰপূব ভাৰতৰ বাবে এজন প্ৰাণৱন্ত কাৰ্য্যক্ৰম সঞ্চালকৰ নিয়ন্ত্ৰণত এটা কথাছবি শিক্ষনালয় (Film Academy) গঢ়িব পাৰি। বেংক আদি বিত্তীয় অনুষ্ঠানক বহুৰি অন্ততঃ এখন চিনেমাৰ বাবে ঋণ দিবলৈ দিহা দিব পাৰি। চিত্ৰনিৰ্মাতা সকলৰ প্ৰতিনিধি Film Finance Corporation, ত থাকিব লাগে আৰু চিত্ৰনিৰ্মাতা সকলৰ সমবায় সংঘই তাৰ কাৰ্য্যকলাপৰ ওপৰত চকু ৰাখিব পাৰে।

এইবোৰ মই দিবাস্বপ্নহে দেখিছো নিকি? বম্বেৰ চিনেমাই মোৰ মগজু

নষ্ট কৰিলে নেকি? উত্তৰ আপোনালোকেই দিয়ক।
(উত্তৰ-পূৰ্ব পাৰ্বত্য বিশ্ববিদ্যালয়ত অক্টোবৰ ১৯৮৯ত দিয়া ভাষণ।)
(অধিনায়ক, জানুৱাৰী, ১৯১০)

# জীৱনাদৰ্শ আৰু সাহিত্য

অলপতে এখন আলোচনীৰ পাত লুটিয়াই এজন ডেকা বামপন্থী লেখকে কৰা কবিতাৰ পুথি এখনৰ সমালোচনা এটাত চকু দিলোঁ। অলপ পিছত বৰ অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলোঁ। এনে ভাব হ'ল যেন কোনোবাই মোকেই সিঞাৰিছে। কিয় তেনে ভাব হ'ল ভাবিবলৈ বাধ্য হলোঁ। অলপ গমি চাই দেখিলোঁ যে উক্ত বামপন্থী ডেকা লেখকজনে কেইবছৰমান আগৰ আমাৰ কিছুমান মতামত বা তেনেবিধৰ মতামতৰে পুনৰুক্তি কৰিছে। সেই মতামতবোৰ সাহিত্যৰ সমালোচনাত বিশেষ কাৰ্যকৰী যেন আৰু নালাগে। সেয়ে ডেকা লেখক গৰাকীৰ আত্মপ্ৰত্যয় আৰু দৃঢ়তাত নিজে বিব্ৰত অনুভৱ কৰিলোঁ।

অৱশ্যে বুঢ়া বয়সত ডেকা বয়সৰ কুকৰ্মৰ অনুতাপ কৰিবলৈ বামপন্থী মতাদৰ্শ এৰি হৰিনাম জপ কৰাত মজি যোৱা নাই এতিয়াও। মই এতিয়াও ভাবোঁ যে বামপন্থী ভাবধাৰাৰে মহৎ সাহিত্য পুষ্ট আৰু সৃষ্ট হ'ব পাৰে। মধ্যবিত্ত ভাৱধাৰাৰ ৰক্ষণশীলতা আৰু ভীৰুতা মহৎ সাহিত্য সৃষ্টিৰ অন্তৰায় বুলি মোৰ এতিয়াও বিশ্বাস।

সাহিত্য সৃষ্টিৰ অন্তৰতম লক্ষ্য হ'ল সত্যৰ প্ৰকাশ। সত্যৰ অৱলোকন আৰু প্ৰকাশৰ বাবে লেখকৰ কল্পদৃষ্টি হ'ব লাগিব দুঃসাহসী। কোনো ধৰণৰ বাহ্যিক বাধা নিষেধ জীৱনধাৰা আৰু ব্যক্তিগত সংকোচ তথা আপোচ এই সৎসাহসৰ অনুকূল নহয়। অথচ মধ্যবিত্ত জীৱনৰধাৰা আৰু মধ্যবিত্ত সমাজৰ নানা লিখিত-অলিখিত নিয়ম কানুনৰ মাজত লেখকৰ কল্পদৃষ্টি সংকুচিত আৰু সীমাবদ্ধ হৈ পৰে। উদাহৰণস্বৰূপে আজিৰ অভিজ্ঞতালৈ চাই কব পাৰি যে মধ্যবিত্ত যিমানেই ৰাজনীতিৰ পৰা দূৰত থাকিবলৈ নিবিচাৰক, ৰাজনীতিয়ে নিজে খেদা মাৰি আহি মধ্যবিত্তৰ কলিজাত হেঁচা দিয়েহি। কেৱল ব্যক্তিগত নিৰাপত্তা, ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত উন্নতিৰ চিন্তাত মগ্ন হৈ থকা মধ্যবিত্তই দেখে যে বহু বিষয়ে তেওঁ কাণ মুদি নভবা-নিচিন্তাকৈ থাকিব লগীয়া হয়। আকলুৱা অথচ ঠেকনোহোৱা ক্ষমতাই সমাজৰ ন্যায়-অন্যায় বোধ ভৰিৰে গছকি পেলাবলৈ বিচাৰে। দানবীয় বা আসুৰিক ৰূপ ধৰি ভয় আৰু বলপ্ৰয়োগেৰে নিজৰ আসন সুৰক্ষিত কৰিবলৈ বিচাৰে। এইবোৰ

চকু মেলি চালে সেই সম্পৰ্কে লেখিব লগাও হ'ব পাৰে। সেয়ে সেইবোৰ নেদেখা হ'বলৈ মধ্যবিত্ত লেখকে চকু বান্ধি থয়। আকৌ, এনেবোৰ দৃশ্য বা ঘটনা আলাসতে নঘটে। এনে বহু মধ্যবিত্তই বিষয়া, কৰ্মচাৰী বা পুলিচ হিচাবে সেইবোৰত অংশগ্ৰহণ কৰে যি সকল মধ্যবিত্ত লেখকৰ আত্মীয় বা বন্ধু। এনে কেতবোৰ মধ্যবিত্ত সাংবাদিকে সেইবোৰ ঘটনা বেলেগ ধৰণে সজাই-পৰাই উলিয়ায় যিবোৰ হয়তো মধ্যবিত্ত লেখকৰ তাছৰ আড্ডাৰ বন্ধু। সেয়ে মধ্যবিত্ত লেখকে তেনেবোৰ অমানুষিক বা নিলৰ্জ ঘটনা নেদেখা-নশুনাকৈ থাকিবলৈ বাধ্য হয়। এনে সামাজিক পৰিস্থিতিত অন্যান্য মানবীয় গুণসমূহো উত্তমৰূপে বিকশিত হ'ব নোৱাৰে। অথচ সমাজ আৰু মানবতাৰ এই বিপন্ন আৰু বিভৎস মুখচ্ছবি মধ্যবিত্ত লেখকৰ কল্পনাত ফুটি নুঠে। তেওঁৰ চেতনাত সেইবোৰ বস্তু আগেভাগেই censor হয়। অৰ্থাৎ সমসাময়িক জীৱনৰ সত্যৰ প্ৰতি মধ্যবিত্ত লেখকৰ সহঁাৰি সামগ্ৰিক আৰু গভীৰ হ'ব নোৱাৰে। আজি-কালিতো নানাতৰহৰ পুৰস্কাৰ বা খিতাপ আদিৰ ফান্দত পৰি মধ্যবিত্ত লেখকৰ চেতনা আৰু ভোঁটা হৈ পৰিছে। সেয়ে তেওঁলোকে জৰুৰী অৱস্থাৰ সময়চোৱাত ইন্দিৰা গান্ধীৰ পৰা তৰহে তৰহে উদ্ধৃতি দি পিছত আকৌ নিজকে "স্বাধীনতা" আৰু "ব্যক্তিৰ মৰ্যদা"ৰ ঘোৰতৰ প্ৰবক্তা হিচাবে প্ৰমাণ কৰিবলৈ উঠিপৰি লাগিব খোজে। এনেবোৰ "বজৰুৱা"কাৰ্য্যকলাপেৰে নিজৰ বিবেকক ফুটছাঁইৰে ঢাকোন দি, নিজৰ স্বাভাৱিক হৃদয়বৃত্তিক পংগু কৰি মধ্যবিত্ত লেখকে মহৎ সাহিত্য সৃষ্টি কৰিবই বা কেনেকৈ?

সকলো মধ্যবিত্ত লেখকেই সকলো সময়তে এনে ধৰণে চলা হ'লে সেই শ্ৰেণীৰ লেখকে কোনো কালজয়ী সাৰ্থক সৃষ্টি ৰচনা কৰি যাব নোৱাৰিলেহেতেন। কিন্তু ৰাজৰোষ বা সমাজপতিৰ ভ্ৰূকুটি মহান সাহিত্যিক সকলে সদায় অৱজ্ঞা কৰি আহিছে। মধ্যযুগীয় সমাজব্যৱস্থাত খ্ৰীষ্ট ধৰ্মসংঘৰ (Church) কুলপতি Pope ৰ আছিল অপৰিসীম ক্ষমতা। সেই যুগতো নিৰ্বাসিত ডান্টে'ৰ কলমত পোপৰ বিৰুদ্ধে জুইৰ শিখাৰ দৰে ছিটিকি পৰিছে শ্লেষ আৰু ধিক্কাৰ। শ্বে'ইক্সপিয়াৰৰ নাটকত পগলা বা বহুৰূৱাৰ কণ্ঠত নিনাদিত হৈছে সম্পদশালী আৰু ক্ষমতাশালী প্ৰভুসকলৰ বিৰুদ্ধে নাট্যকাৰৰ তিক্ত অভিসম্পাত। ডিকেন্সৰ, টলষ্টয়ৰ, ডষ্টোয়ে'ভস্কিৰ উপন্যাসত প্ৰচলিত সমাজব্যৱস্থাত মথিত মানবাত্মাৰ আৰ্তৰৱ ধ্বনিত হৈছে ক্ৰোধ আৰু কৰুণাৰ সুৰত। এই লেখক সকলে নিজৰ মধ্যবিত্ত চিন্তাৰ গণ্ডী অতিক্ৰম কৰিব পৰা নাছিল, ভবিষ্যত সমাজৰ ৰূপো স্পষ্টভাবে দেখা নাছিল। কিন্তু সমকালীন জীৱনৰ মৰ্মন্তুদ সত্য অস্বীকাৰ নকৰা বাবেই তেওঁলোকৰ অনুভূতি আৰু কল্পনাই আমাৰ আদৰ পাইছে আজিও।

বামপন্থী লেখকসকলৰ মতাদৰ্শ এনে যে তেওঁলোক সমকালীন সমাজ

আৰু জীৱনৰ তীব্ৰ সমালোচক হ'বলৈ বাধ্য। বাহ্যিক বাধা-নিষেধৰ ভয়ত তেওঁলোকে সত্যক ঢাকোন দিবলৈ নাযায়। অথচ বামপন্থী লেখকসকলৰ মাজত এমুঠিমান লেখকেহে আমাৰ অন্তৰৰ সুখ-দুখৰ গভীৰতম মুহূৰ্ত্তবোৰ শিল্পসাহিত্যত জীৱন্ত কৰি তুলিব পাৰে। বেছিভাগ বামপন্থী লেখকৰ আন্তৰিকতাৰ প্ৰতি আমাৰ আস্থা আছে, অথচ কিয় তেওঁলোকৰ বহুতৰে ৰচনা বহুৰৰ ভিতৰতে মলণ্ডি যায়? কিয় তেওঁলোকৰ ৰচনাৰ বিষয়বস্তু অতীতত বিলীন হৈ যোৱাৰ পিছত তেওঁলোকৰ ৰচনায়ো আমাৰ অন্তৰত ঢৌ তুলিব নোৱাৰা হয়?

কিছুমানে কয়, "শ্লোগান বাজী" বা "ধ্বনিসৰ্বস্বতাই" তেওঁলোকৰ চূড়ান্ত বিফলতাৰ প্ৰধান কাৰণ। শ্লোগান যেনেকৈ স্বয়ংক্ৰিয়ভাবে বিশ্বাসী জনৰ চেতনা উদ্দীপিত কৰি যায় তেনেকৈ এইবিলাক লেখকে আশা কৰে, শ্লোগানেই তেওঁলোকৰ সাহিত্যক তাৰ সাহিত্যৰস আৰু সাহিত্যগুণ প্ৰদান কৰিব। এই কামটো তেওঁলোকে সজ্ঞানে নকৰিবও পাৰে। কিন্তু অবচেতনভাবে তেওঁলোকে নিজেই শ্লোগানৰ ধ্বনি-প্ৰতিধ্বনিত এনেদৰে নিমগ্ন হৈ পৰে যে সাহিত্যৰ বিশেষ গুণাৱলীৰ প্ৰয়োজনীয় চৰ্চা আৰু কৰ্ষণ কৰিবলৈ তেওঁলোকে পাহৰি যায়। সাহিত্যৰ বিশেষ গুণাৱলীৰ অস্তিত্ব আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। মেথিউ আৰ্ণল্ডে কাব্যৰ জৰীয়তে মানৱজীৱনৰ নৈতিক উপলব্ধি সমূহ প্ৰকাশিত হোৱাটো বিচাৰিছিল— কিন্তু "কাব্যিক সৌন্দৰ্য্যৰ নিয়মাণুসাৰে" ("Under the laws of poetic beauty")। আমাৰ বামপন্থী লেখকসকলেও মতাদৰ্শ অনুসৰণৰ সময়ত এই কথা পাহৰিলে নচলিব।

কাব্যগুণৰ অনুশীলন, সাহিত্যিক প্ৰতিভাৰ উন্মোচন— এই কাম শ্লোগানেৰে, মতাদৰ্শৰ প্ৰত্যক্ষ আৰু ব্যৱহাৰিক সংস্কৰণেৰে নিসিজে। ভাষা আৰু ৰীতিৰ বিভিন্ন, বিচিত্ৰ, পৰীক্ষা-নিৰীক্ষাৰ জৰীয়তে এই Laws of poetic truth আৰু laws of poetic beauty অনুধাবন কৰিব পাৰি। সেয়ে আংগিকৰ সাধনা অত্যন্ত প্ৰয়োজনীয়। এই বিষয়ে যাৰ আগ্ৰহ আৰু অধ্যৱসায় নাই, তেওঁ হ'ল পানী ভাল নোপোৱা সন্তৰণবিশাৰদ— নাইবা অংগচালনা কৰিব নোখোজা নৃত্যশিল্পী। আংগিক সৰ্বস্ব (formalist) বুলি গালি খোৱাৰ ভয়ত বহুলেখকে এইপিনে আগ্ৰহ থাকিলেও মনোযোগ দিবলৈ সংকোচ কৰে। অথচ আংগিক বাদ দি সাহিত্যৰ বক্তব্য থাকিব নোৱাৰে।

সেয়ে আমাৰ লেখকসকলক সুধিবলৈ মন যায়— কাৰ কাৰ কবিতা তোমালোকে ভাল পোৱা, কাৰ কাৰ কবিতা মন দি পঢ়িছা? কেৱল সুকান্তৰ কবিতাই যথেষ্ট নহয়— জীৱনানন্দ পঢ়িছানে নাই? মায়াকফস্কি ভাল কিন্তু পাস্তেৰ্‌নাকো বেয়া নহয়। মতাদৰ্শ যাৰ যিয়েই নহওক, প্ৰত্যেকৰ পৰাই শিকিবলগীয়া আছে। কিছুমান অনুভূতি, সত্যৰ কিছুমান বিৰল বিজুলিচমক,

অনুভূতি আৰু চিন্তাৰ কিছুমান বিশেষ সমন্বয় একো একোজন কবিৰ আবিষ্কাৰ বা উদ্ভাৱনা। তেওঁলোকৰ আংগিকৰ পৰা সেইবোৰ শিকি ল'ব পাৰি। আৰু নিজেও আংগিকৰ চৰ্চা কৰিব লাগে এনে মৌলিক অনুভূতি-উপলব্ধি ব্যক্ত কৰিবলৈ। কিন্তু মৌলিকতাৰ ফুলৰ বাবে লাগে ঐতিহ্যৰ শিপা আৰু গা-গছ। কালিদাসেই ৰঘুবংশৰ আদিতে কৈছে "বজ্ৰই বিদীৰ্ণ কৰা মণিৰ মাজেদি সহজে সূতা সৰকি যোৱাৰ দৰে মোৰ কবিতাই পূৰ্বসূৰী সকলে গঢ়ি যোৱা বাটেদি সহজে গতি কৰিছে।" শংকৰদেৱে তেওঁৰ বিস্ময়কৰ কাব্য প্ৰতিভাৰ অপূৰ্ব বিস্ফোৰণত আত্মবিভোৰ নহৈ কৃতজ্ঞতাৰে স্মৰণ কৰিছে "পূৰ্বকবি অপ্ৰমাদী মাধৱকন্দলী আদি।"

অৱশ্যে পণ্ডিতসকলে কাব্যিক ঐতিহ্যৰ এনে ব্যাখ্যা কৰে যে সি মৌলিকতাৰ উন্মেষ নঘটাই, বিভিন্ন অনাত্মীয় প্ৰভাবৰ হেঁচাত তাৰ আধ্যা পেলায়। কাব্যিক ঐতিহ্যৰ শিক্ষামূলক (academic) অধ্যায়নে ৰুচিগঠনত কিছু সহায় কৰে, ঠিকেই। কিন্তু কবি বা লেখকৰ মৌলিক অনুভূতি বা অন্তৰ্দৃষ্টি কাৰ প্ৰভাৱে সমৃদ্ধ আৰু সবল কৰে, আগতীয়াকৈ কোৱা টান। ফৰাচী কবি বড্‌লায়াৰৰ কবিতাৰ গাঢ়তা আৰু গভীৰতাৰ তুলনা সতকাই পাবলৈ টান। অথচ, তেওঁ এড্‌গাৰ্ এলান পোৰ দৰে মজলীয়া বিধৰ মাৰ্কিন লেখকৰ দ্বাৰা গভীৰভাবে প্ৰভাৱিত হৈছিল। ৰুচিবান আৰু ধীমান সমালোচক এফ আৰ লীৱিছ এলীয়টৰ কবিতাৰ গুণমুগ্ধ পাঠক আৰু টেʼনিছনৰ কবিতাৰ কঠোৰ সমালোচক। অথচ এই সম্পৰ্কে সন্দেহ নাই যে টেনিছনৰ কবিতাৰ পৰা এলিয়টে বহুকথা শিকিছিল। মাক্সবাদী লুকাচেছ বিদ্ৰুপেৰে উৰাই দিয়া বহু formalist (আংগিক পূজক) আধুনিক লেখকৰ পৰা সফলতাৰে ঋণ লৈছে মহান মাৰ্ক্সবাদী লেখক ব্ৰেখ্‌টে! অৰ্থাৎ ঐতিহ্যক কোনো সংকীৰ্ণ পাঠ্যক্ৰমত পৰিণত কৰিবলৈ গলেই তাৰ সঞ্জীৱনীশক্তি খৰ্ব হয়। কোনো কোনো ৰুচিবান অসমীয়া সমালোচকেও সেই ভুল কৰিছে।

কিন্তু আংগিক যদিও লেখকৰ মনৰ লীলাৰ (Playfulness) প্ৰকাশ, তথাপি এই লীলা কোনো দায়িত্বহীন জুৱাখেল নহয়। সত্যৰ যি বিচিত্ৰ আৰু বৰ্ণাঢ্য ৰূপ কবি বা লেখকে অন্তৰজগতত উমানতে ধৰিছে তাৰ নিৰ্ভুল, জীৱন্ত প্ৰত্যক্ষ ৰূপ প্ৰকাশ কৰিবৰ বাবেই আংগিকৰ পৰীক্ষাৰ প্ৰয়োজন। কণ্ঠশিল্পীয়ে স্বৰসাধনাৰ জৰীয়তে বিচিত্ৰ ভাব অনুভূতি আৰু উপলব্ধিৰ সূক্ষ্ম আৰু শক্তিমান প্ৰকাশৰ বাবে নিজৰ কণ্ঠক শিক্ষিত কৰি তোলে। সাহিত্যত আংগিকৰ চৰ্চাৰ উদ্দেশ্যও তেনে ধৰণৰে।

শ্লোগানৰ স্থূলতা ঢাকিবৰ বাবে আংগিকৰ প্ৰয়োজন বুলি কোনেও নাভাবে যেন। আচলতে শ্লোগানৰ স্থূলতা আৰু শূন্যতাৰ উৰ্দ্ধত উঠিবলৈহে আংগিকৰ প্ৰয়োজন। বহুত তথাকথিত বামপন্থী লেখকৰ আংষিকৰ নিঃস্বতা

তেওঁলোকৰ মানসিক নিঃস্বতা আৰু আনুভূতিক বৰ্বৰতাৰ দৰ্পণ মাত্ৰ। মধ্যবিত্ত লেখকৰ আংগিক চাতুৰি ভণ্ডৰ কৌশল— নথকা বা নোহোৱা বস্তু থকা বুলি মোহ সৃষ্টি কৰিবৰ বাবেই তেওঁলোকৰ আংগিকৰ অভিনয়। কিন্তু বামপন্থী লেখকৰ সৰলতা বহু সময়ত তেওঁলোকৰ অজ্ঞতাৰ করুণ সাক্ষী মাত্ৰ।

অৱশ্যে কথাবো প্ৰমাণ নথকা নহয় যে পাৰ্টিৰ কোনো নেতাৰ নিৰ্দেশ বা প্ৰভাৱতো শিল্পী সাহিত্যিকে কেতিয়াবা এই মূৰ্খামিৰ শৰণ লয়। অৰ্থাৎ শৃংখলা গৈ শৃংখলত পৰিণত হয় আৰু ব্যক্তিগত সৃষ্টিপ্ৰতিভা শিকলিৰ ভাৰত আগবাঢ়িব নোৱাৰা হয়। অতিমাত্ৰাই ব্যক্তিস্বাতন্ত্ৰ্য বিচৰা আৰু ব্যক্তিগত সৃষ্টিশক্তিৰ স্বাধীনতা বিচৰা একে কথা নহয়। দ্বিতীয় বস্তুটো পুঁজিবাদী সমাজতো দুৰ্বল আৰু ব্যাধিগ্ৰস্ত হয়। সেয়ে সমাজবাদৰ কিছুমান পাণ্ডাৰ মতে এনে ব্যক্তিত্বৰো প্ৰয়োজন নাই। বৰং শৃংখলাৰ নামত (অৰ্থাৎ তেওঁলোকৰ ওচৰত দাসত্বৰ স্বাৰ্থত) নিজৰ ব্যক্তিত্ব নিজে হত্যা কৰি যন্ত্ৰত পৰিণত হোৱাই সাৰ্থক জীৱন। এনেদৰেই মাৰ্ক্স-এংগেলছে দেখা সমাজবদ্ধ ব্যক্তিজীৱনৰ সফলতাৰ ঠাইত জন্তু-জানোৱাৰ সদৃশ বা দাস-সমাজৰ সদৃশ ব্যক্তিহীনতাৰে পূজা কৰি ৰাজনৈতিক নেতাসকলে নতুন দাসত্বৰ ভিত্তি ৰচনা কৰিবলৈ বিচাৰিছে। শিল্প সাহিত্যৰ ফুলফল সেয়ে সেৰেঙা আৰু ম্লান হ'বলৈ বাধ্য।

(বৰ্ত্তমান, ১৯৮৪)

# উচ্চশিক্ষা সম্পৰ্কে নতুন দৃষ্টিকোণ

শিক্ষক হিচাবে ক্ৰমে-ক্ৰমে মই মোৰ কাম অতি ক্লান্তিকৰ আৰু বিৰক্তিকৰ অনুভৱ কৰিবলৈ ধৰিছোঁ। অৱসাদ আৰু হতাশা, আৰু প্ৰায় নিয়মিতভাৱে অনুভৱ কৰা ক্ষোভ আৰু তিক্ততাৰ বাবে মেজাজ ভাল নথকাই হৈছে।

হয়তো মোৰ ব্যক্তিগত ক্ৰুটী-বিচ্যুতিৰ ফলতে এনে হ'বলৈ কিছুমান কাৰণ আছে যিবোৰৰ ওপৰত মোৰ কোনো হাত নাই। সমগ্ৰ পৰিস্থিতিটো নতুনকৈ বিবেচনা নকৰালৈকে তাৰ কোনো উন্নতিৰ আশাও আমি কৰিব নোৱাৰোঁ। একালত আন চাকৰি বাদ দি আমি শিক্ষকতা গ্ৰহণ কৰিছিলোঁ। সেয়ে সমগ্ৰ পৰিস্থিতিৰ পুনৰ্বিবেচনা অতি জৰুৰী।

মোৰ বিষয়টো মোটা-মুটি বিশদভাৱে মই অধ্যয়ন কৰিছোঁ। শ্ৰেণীত কেনেকৈ বিষয় এটা প্ৰাঞ্জল কৰি বুজাব লাগে, মই সেই কৌশল কিছু জানোঁ। অথচ মোৰ শিক্ষকতা ছাত্ৰ সকলৰ বিশেষ কামত আহিছে বুলি মই নাভাবোঁ।

শ্ৰেণীত মোৰ সমুখত শাৰী-শাৰী তৰুণ-তৰুণীৰ উৎসুক মুখ। সিহঁতে মোৰ পৰা কি শিকিবলৈ বিচাৰে? এনে জ্ঞান, যাৰ সহায়ত কৃতিত্বৰে পৰীক্ষা পাছ কৰিব পৰা যায় আৰু এটা ভাল চাকৰি বৰশীত গাঁঠিব পৰা যায়। মোৰ প্ৰধান লক্ষ্য আৰু উৎকণ্ঠাৰ লগত সিহঁতৰ উদ্দেশ্যৰ কোনো যোগাযোগ বা সংগতি নাই। আমাৰ বিষয়টোত শেহতীয়া যিবোৰ গৱেষণা হৈছে সেই বিষয়ে মোৰ ধ্যান ধাৰণাৰ সঠিকতা বা ভ্ৰান্তি সম্পৰ্কে মোৰ সংশয় আৰু উদ্বেগ সিহঁতে অলপ হাস্যকৰ বুলিও ভাবিব পাৰে। বিদ্যা আৰু জ্ঞানৰ দুৰ্গম পাহাৰত ফোঁপাই-জোপাই বগাই ফুৰা দেখি সিহঁতৰ হাঁহিও উঠিব পাৰে। এনে এক মৰুভূমিৰ মাজত ৰসৰ সন্ধান ক'ত পোৱা যাব?

সেয়ে সকলোতকৈ জৰুৰী প্ৰয়োজন হৈছে নিৰ্বিকাৰ বিশেষজ্ঞ হিচাবে শিক্ষক আৰু বিৰক্ত মক্কেল হিচাবে ছাত্ৰৰ মাজত থকা যান্ত্ৰিক ব্যৱধান দূৰ কৰা। দুয়োবিধ মানুহক লৈ পুনৰ এক বিদ্বৎসমাজ (Community of Scholars) গঠন কৰা। আমি এই কথাটো পুনৰ চিন্তা কৰিব লাগে যে শিক্ষক

আৰু ছাত্ৰ উভয়েই প্ৰকৃততে জ্ঞানপিপাসু আৰু জনব্ৰতী। যুগ যুগ ধৰি অসংখ্য গৱেষক আৰু অনুসন্ধিৎসুলোকে গঢ়ি তোলা পদ্ধতি, সঁজুলি আৰু তথ্যৰাজি ব্যৱহাৰ কৰি বিশ্ব-চৰাচৰ সম্পৰ্কে জ্ঞান অৰ্জন কৰাই উভয়ৰ যুটীয়া লক্ষ্য। শ্ৰেণীত যদিও শিক্ষকে পথ প্ৰদৰ্শক তথা অভিভাৱকৰ স্থান লয়, তথাপি দুয়োৰে মাজত লক্ষ্যৰ প্ৰভেদ নাই। শিক্ষক যদি বিশেষজ্ঞ, ছাত্ৰ হ'ল এপ্ৰেণ্টিছ বা শিক্ষানবীচ।

পাঠ্যবিষয়ৰ প্ৰাসংগিকতা আমাৰ সকলোৰে জীৱনত তাৰ বিশেষ গুৰুত্ব, ছাত্ৰৰ মনত ৰেখাপাত কৰিব পৰাকৈ দাঙি ধৰা প্ৰয়োজন। সাহিত্যৰ ক্ষেত্ৰত এই কামযেৰা সহজ, কাৰণ সাহিত্যত মানৱীয় সমস্যা আৰু সংকট সমূহৰ সদায় এক প্ৰত্যক্ষ স্থান থাকে। কিন্তু বুৰঞ্জীৰ শিক্ষকেও অতীতৰ ৰাজনীতিবিদ সকলৰ নানা সিদ্ধান্ত আৰু নীতি সিহঁতৰ কাৰ্য্যকৰী পৰিবেশৰ লগত বুকিয়াই এনেদৰে দেখুৱাব পাৰে যে সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ কোনো কোনো দিশৰ লগত সাদৃশ্য পৰিস্ফুট হয়। তেনেকৈ জনসাধাৰণৰ সংগ্ৰাম আৰু দুখ-কষ্টক তেওঁলোকৰ আৰ্থসামাজিক সমস্যাৰ লগত মিলাই দেখুৱাব পাৰিলে সেইবোৰ দুৰ্বোধ্য হৈ নাথাকে। ৰাজনীতি-বিজ্ঞানৰ অধ্যাপকে দৰ্শাব পাৰে যে ৰাজনৈতিক অধিকাৰৰ ধাৰণাটো কোনো বিমূৰ্ত্ত সূত্ৰ নহয়, বৰং সি জনসাধাৰণৰ বাবে জীৱন-মৰণ প্ৰশ্ন। অনুমান কৰিব পাৰি যে বুৰঞ্জীৰ গভীৰতৰ বোধৰ সহায়েৰে আমি বৰ্ত্তমানক অতীতৰ লগত ভালদৰে বুকিয়াব পাৰিম। অৱশ্যে তাৰ ফলত অতীত আৰু বৰ্তমানক সহজে একাকাৰ কৰাও বন্ধ হ'ব।

ছাত্ৰই যেতিয়া বুজি পাব যে জ্ঞান জীৱনক বুজাব আৰু জীৱনক পৰিৱৰ্তন কৰাৰ এটা সঁজুলি, তেতিয়া তেওঁলোকে পাঠ্যবিষয় সম্পৰ্কে নিজৰ অজ্ঞাতেই কৌতুহলী হৈ উঠিব। তেওঁলোকৰ ঔদাসিন্য, নিৰাসক্তি আৰু বিৰক্তিৰ খোলাৰ পৰা ওলাই আহিব আৰু কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ এটা উপায় হিচাবে জ্ঞানক বাহ্যিকভাবে লবলৈ এৰিব।

তেতিয়া যদিহে এই কাৰ্য্যপন্থা সফল হয়— ব্যক্তিকেন্দ্ৰীক স্বাৰ্থপৰতাৰ পৰা মুকলি হৈ তেওঁলোকে নিজকে এনে এখন সমাজৰ অংগ হিচাবে দেখা পাব য'ত ক্ষুধা, অভাৱ, দাৰিদ্ৰ আৰু স্থবিৰতা এক প্ৰাত্যহিক অভিজ্ঞতা। তেওঁলোকে দেখিব যে সেই সমাজক তাৰ নানা গ্লানিৰ পৰা মুক্ত কৰি আগুৱাই লৈ যোৱাৰ দায়িত্বও তেওঁলোকৰে। আমাৰ সাম্প্ৰতিক চামৰ ৰাজনৈতিক নেতাসকলে কথাটো ভাল নাপাব। তেওঁলোকে বিচাৰে যে ভাল ভাল ছাত্ৰসকলে সমাজৰ পৰা নিজকে বিচ্ছিন্ন কৰি দক্ষ আৰু বাধ্যবিষয়া বা বিশেষজ্ঞ হিচাবে ৰাষ্ট্ৰযন্ত্ৰৰ পৰিচালনাত তেওঁলোকক সহায় কৰক। আৰু নতুন জাতীয় শিক্ষানীতি অনুসৰি বাকীসকল ছাত্ৰ-ছাত্ৰীৰতো শ্ৰেণীত সোমোৱাৰ অধিকাৰেই নাই। কিন্তু শিক্ষক যদি নিষ্ঠাবান হয় প্ৰকৃততে বহু সময়ত অনগ্ৰসৰ আৰু মজলীয়া

ধৰণৰ ছাত্ৰৰ পৰাহে তথাকথিত চোকা ছাত্ৰ-ছাত্ৰীতকৈ ভাল সঁহাৰি পাব পাৰে। কাৰণ চোকা ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান বা বিদ্যাৰ সামাজিক প্ৰয়োজন সম্পৰ্কে কোনো দায়িত্ব অনুভৱ নকৰে, আনহাতে পিছপৰা আৰু জীৱনৰ নানা সমস্যাত নিস্পেষিত ছাত্ৰ-ছাত্ৰীয়ে জ্ঞান বা বিদ্যাৰ ক্ৰান্তিকাৰী তথা মুক্তিদায়ী ভূমিকা অধিক গভীৰ ভাবে উপলব্ধি কৰিব। খাটি শিক্ষকে সেয়ে সমাজ আৰু মতামত পৰিচালনা কৰা শক্তিসমূহৰ সম্পৰ্কে সজাগ আৰু সন্দিহান হোৱাই উচিত হব। তাহানিখনতে দাৰ্শনিক আৰু শিক্ষাবিদ প্লেটোই এহাতে সংস্কাৰ আৰু মত (opinion) আৰু আন হাতে জ্ঞানৰ প্ৰভেদলৈ আঙুলিয়াই দিছিল। সংস্কাৰ আৰু মতে ন্যস্ত স্বাৰ্থৰ সেৱা কৰে, জ্ঞানে কিন্তু মনক মুক্ত কৰে। ছাত্ৰসকলক এই প্ৰভেদ সম্পৰ্কে সঁকিয়াই দিয়াৰ প্ৰয়োজন আজি বেছি হৈছে।

অৱশ্যে কামটো সিমান উজু নহয়। পঢ়াকোঠালিৰ মাজত পাঠ্যবিষয়ৰ প্ৰাসংগিকতা আৰু সামাজিক তাৎপৰ্য্য ফুটাই হয়তো তোলা হ'ল। কিন্তু পঢ়া কোঠালিৰ বাহিৰ ওলালেই ছাত্ৰসকলে কেউপিনে দেখিব ব্যাপক নৈৰাশ্যকৰ ঔদাসিন্য দুৰ্নীতি আৰু ঘোৰতৰ স্বাৰ্থান্ধতা। জ্ঞানৰ সামাজিক ভূমিকা তেনে পৰিবেশত ক্ষীণ যেনেই লাগিব পাৰে।

এটা ঘটনাৰ পৰা জ্ঞানৰ প্ৰকৃত ভূমিকা নস্যাৎ কৰিবলৈ ওলোৱা শক্তি বিলাকৰ বিষয়ে উমান পাব পাৰি। মই কিছুকালৰ আগতে দিল্লীত নতুন শিক্ষানীতিৰ বিৰুদ্ধে প্ৰাক্তন বিচাৰপতি ৱি, কৃষ্ণ আয়াৰৰ সভাপতিত্বত হোৱা এখন আলোচনাচক্ৰত যোগ দিছিলোঁ। মোৰ দৰে আন কেইবাজনো শিক্ষক আৰু পণ্ডিতে আলোচনাত অংশ গ্ৰহণ কৰিছিল। বাতৰি কাকতত সেই মৰ্মে খবৰ ওলালত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষাবিভাগৰ ক্ষমতাশালী সচিব অনিল বৰ্ডিয়াই খবৰ কাগজতে বিবৃতি দিলে যে প্ৰাক্তন বিচাৰপতি কৃষ্ণ আয়াৰৰ বাহিৰে বাকীবোৰ বক্তা "অত্যন্ত নগণ্য ব্যক্তি"! এই বিবৃতিয়ে কেৱল এজন চৰকাৰী বিষয়াৰ দম্ভ আৰু ক্ষমতা বিলাসেই নহয়, এক অদ্ভুত স্বৈৰতন্ত্ৰী মনোভাৱ আৰু স্থূলৰুচি প্ৰকাশ কৰিলে। বক্তাসকলৰ মান-মৰ্যাদা সম্পৰ্কে অনিল বৰ্ডিয়াৰ মতামত কোনেও বিচৰা নাছিল। কিন্তু চৰকাৰী শিক্ষানীতিৰ বিৰুদ্ধে তেওঁলোকে আগবঢ়োৱা যুক্তিযুক্ত সমালোচনাৰ প্ৰতি চৰকাৰৰ সুচিন্তিত সঁহাৰিহে আশা কৰা হৈছিল। এনেকৈয়ে দেখা যায় যে আমাৰ গণতন্ত্ৰৰ ভাগ্য নিৰ্দ্ধাৰণ কৰিছে গণতন্ত্ৰৰ গুপ্তশত্ৰু কিছুমানে। সেয়ে গণতান্ত্ৰিক বিকাশৰ প্ৰক্ৰিয়াত শিক্ষাক পুনৰ সংস্থাপিত কৰাটো বৰ সহজ নহব। শিক্ষকে এক বিশেষ মতাদৰ্শগত অৱস্থান ল'লেহে সেই কাম কৰিব পাৰিব। শোষণকাৰী আৰু শাসক যিবিলাকে সিহঁতৰ সংকীৰ্ণ আৰু নীচ স্বাৰ্থত শিক্ষা আৰু জ্ঞানক ব্যৱহাৰ কৰিব খোজে সিহঁতৰ বিপৰীতে আৰু যি জনসাধাৰণে শিক্ষা আৰু জ্ঞানৰ আলমত নিজৰ জীৱনৰ ৰূপান্তৰ বিচাৰে তেওঁলোকৰ

সপক্ষেও শিক্ষকে অৱস্থান লবই লাগিব।

এই সাধাৰণ পটভূমি সম্পৰ্কে আমি পৰিষ্কাৰ ধাৰণা এটা লোৱাৰ পিছত শিক্ষাদানৰ পৰিস্থিতিৰ বিশেষ বিশেষ প্ৰয়োজনবোৰলৈ মন দিওঁহক। শিক্ষক হিচাবে পোনপ্ৰথমে মই ছাত্ৰ সকলক কিছুমান তথ্য (information) যোগান ধৰিব লাগিব। পাঠ্যপুথিতকৈ বিস্তাৰিতভাবে আৰু পাঠ্যপুথিত নথকা নতুন বস্তু যোগদি এই কাম কৰিব পাৰিলে ভাল হয়। তাৰ বাবে মই এটা ভাল লাইব্ৰেৰীত কেইঘণ্টামান মনপুতি পঢ়াশুনা কৰিব লাগিব।

দুখৰ বিষয় যে মফচল কলেজবিলাকৰ সৰহভাগৰে ভাল পুথিভঁড়াল নাই। অনিল বৰ্মিয়াৰ লেখীয়া মানুহৰ বাবেই চৰকাৰী সাহায্যৰে ভাল পুথিভঁড়াল একোটা গঢ়াৰ আশাও তেওঁলোকে কৰিব নোৱাৰে। সমস্যাটো কেনেদৰে সমাধান কৰা হব পাৰে মই নাজানো। হয়তো সদৌ অসম কলেজ শিক্ষক সংস্থাই পুথিভঁড়াল সেৱাৰ গুৰুত্ব উপলব্ধি কৰি চৰকাৰৰ ওপৰত হেঁচা দি কলেজ বিলাকত একোটা টেনকিয়াল পুথিভঁড়াল গঢ়ি তোলাত সহায় কৰিব।

পাঠ্যপুথি বিলাকৰ গুণাগুণো এই ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ। সম্ভৱ হলে শিক্ষকে নিজৰ জ্ঞানেৰে ছাত্ৰই ব্যৱহাৰ কৰা অনুমোদিত পাঠ্যপুথি পৰীক্ষা কৰি চাব বিচাৰিব লাগে। কিছুকাল আগতে বাতৰি কাকতত কলেজৰ পাঠ্যপুথি হিচাবে অনুমোদিত ৰাজনীতিবিজ্ঞান বিষয়ৰ এখন পাঠ্যপুথিৰ সমালোচনা প্ৰকাশ পাইছিল। পাঠ্যপুথিখনত বহু মাৰাত্মক তথ্যগত ভুলভ্ৰান্তি আছিল বুলি কেইবাজনো পত্ৰলেখকে আপত্তি কৰিছিল। কেতিয়াবা দেখা যায় পাঠ্যপুথিখনৰ পৰিকল্পনাতে আসোঁৱাহ আছে— ঢাপে ঢাপে বিষয়টোৰ জ্ঞান আগবঢ়াই নিয়া হোৱা নাই, অধ্যায়বোৰ খেলিমেলিকৈ সজোৱা হৈছে। কেতিয়াবা দেখা যায় ভাষাই অনুপযোগী। দুৰ্বোধ্য, নীৰস ভাষা আৰু কষ্টকৰ বাক্য গাঁঠনিৰ বাবে ছাত্ৰই পাঠ্যপুথিখনৰ কাষ চাঁপিব নোখোজে।

এনেক্ষেত্ৰত সংশ্লিষ্ট বিষয়টোৰ শিক্ষকসকলে একগোট হৈ প্ৰতিবাদ কৰা উচিত। তেওঁলোকে ছাত্ৰৰ উপযোগী আৰু উৎকৃষ্ট পাঠ্যপুথিৰ শলাগ লোৱাতো বাধা নাই। আজি সমগ্ৰ শিক্ষা ব্যৱস্থাটোৱেই এটা প্ৰকাণ্ড যন্ত্ৰৰ দৰে অসহায় ছাত্ৰ আৰু শিক্ষকৰ ওপৰেদি বাগৰি গৈ আছে। শিক্ষকসকলে পাঠ্যপুথি আদিৰ ক্ষেত্ৰত এটা স্বাধীন অৱস্থান লব পাৰিলে পৰিস্থিতিৰ কিছু উন্নতি হব পাৰে। শিক্ষাব্যৱস্থাৰ মুৰব্বী সকলেও উপলব্ধি কৰিবলৈ বাধ্য হব যে ব্যৱস্থাটোৰ বলি হৈছে কিছুমান মানুহ।

তথ্যৰ উপৰিও দ্বিতীয়তে মই ছাত্ৰবিলাকক পঢ়োৱা পাঠটোৰ বা অধ্যায়টোৰ ভিতৰত থকা মূল ধাৰণা (concept) বোৰ পৰিস্কাৰ কৈ জনাই দিব লাগিব। শিক্ষাদানৰ ক্ষেত্ৰত ই এক অপৰিহাৰ্য্য-দায়িত্ব। কাৰণ এনেবোৰ মূল ধাৰণাইহে অসংলগ্ন তথ্যক প্ৰণালীবদ্ধ জ্ঞানৰ ৰূপ দিয়ে। আমি যেতিয়া বুৰঞ্জী পঢ়াওঁ,

তেতিয়া ছাত্ৰসকলক জনাই দিয়া দৰকাৰ যে বৈদিক যুগ, সামন্তযুগ, নবযুগ (Renaissance) আৰু ধ্ৰুপদী যুগ (classical Age) প্ৰভৃতি যুগবিভাগৰ (periodization) অতীতৰ তথ্যৰাজিৰ লগতে একেলগে আবিষ্কৃত হোৱা বস্তু নহয়। বৰং এইবোৰ যুগৰ ধাৰণা হৈছে অতীতৰ বিশৃংখল তথ্যৰাজিক যুকিয়াই লৈ তাক সুশৃংখল আৰু বোধগম্য কৰিবলৈ মানুহে ব্যৱহাৰ কৰা এবিধ সঁজুলি। অনুৰূপভাবে সংবিধানৰ বিষয়ে পাঠদান কৰাৰ সময়ত আমি দেখুৱাব পাৰোঁ যে গণতান্ত্ৰিক বিপ্লৱৰ ফলশ্ৰুতি হিচাবেই লিখিত সংবিধানৰ জন্ম হৈছে, আৰু অৱশেষত সংবিধানৰ ধাৰণাটো এনে জনপ্ৰিয় হৈ উঠিল যে "অলিখিত সংবিধানৰ" ধাৰণা এটাৰো জন্ম হ'ল।

এই সময়তে ছাত্ৰসমূহক জনাই দিব লাগিব যে যিমানেই ফলদায়ক আৰু গুৰুত্বপূৰ্ণ নহওক, এই মূল ধাৰণা সমূহো পৰিৱৰ্তনৰ অতীত কিবা সনাতন পদাৰ্থ নহয়। বিজ্ঞানৰ ক্ষেত্ৰত কথাটো সহজে বুজা যায়, কাৰণ বিজ্ঞানৰ সকলো ধাৰণাই প্ৰতি যুগতে নতুন পৰীক্ষা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু হয় ধাৰণাবোৰ সংশোধিত হয়, নহয় সেইবোৰৰ ঠাইত নতুন ধাৰণাৰ সৃষ্টি হয়। কিন্তু মানৱবিদ্যাবোৰৰ ক্ষেত্ৰতো মূল ধাৰণাবোৰ অনুৰূপভাবে সংশয় আৰু সমালোচনাৰ অগ্নিপৰীক্ষাৰ সন্মুখীন হয়। উদাহৰণ স্বৰূপে ইউৰোপৰ নৱযুগৰ (Renaissance) কথাটোক ধৰা যাওক। সেই ধাৰণাটোৰ জন্ম হৈছিল কেনেকৈ? কোনেই বা তাৰ জন্ম দিছিল? এসময়ত তাৰ অৰ্থ আছিল "বিদ্যাচৰ্চাৰ পুনজাগৰণ" (Revival of Learning)। কিন্তু উনবিংশ শতাব্দীত বুৰ্খাৰ্ট্ প্ৰমুখ্যে পণ্ডিতৰ হাতত ধাৰণাটোৰ সম্প্ৰসাৰণ ঘটি নতুন কেতবোৰ বৈশিষ্ট্য তাৰ অন্তৰ্ভুক্ত হ'ল— যেনে সৃষ্টিশীল মৌলিকতা, ব্যক্তিস্বাতন্ত্ৰ্যবাদ, পাৰ্থিব ক্ষমতা আৰু গৌৰৱৰ প্ৰতি আগ্ৰহ, সমগ্ৰ জগৎখনকে বীৰোচিত কামকাজ কৰাৰ মঞ্চ হিচাবে চাবলৈ ধাউতি ইত্যাদি। লগে লগে দেখা গ'ল ব্যক্তিগত লক্ষ্য পূৰণ আৰু সামাজিক প্ৰমূল্যবোধৰ মাজত বিৰোধৰ ভাব এটায়ো মানুহৰ চেতনাত ঠাই পালে। অধ্যয়নশীল শিক্ষকে ছাত্ৰসকলক এই কথাও আঙুলিয়াই দিব পাৰিব লাগিব যে মধ্যযুগতো এনে এক নৱযুগৰ সূচনা হৈছিল ১২শ শতাব্দীত। সেইটো নৱযুগৰ কেতবোৰ কৃতিত্ব স্বীকৃতিপ্ৰাপ্ত নৱযুগতকৈ মৌলিক আৰু "আধুনিক" আছিল।

ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ ধাৰণাৰ লগত অংগাংগীভাবে জড়িত হৈ আছে ৰাজনৈতিক ক্ষমতাৰ বৈধতাৰ (Legitimacy) ধাৰণাটো। আজিৰ যুগত ৰাজনৈতিক ক্ষমতা উচ্চবংশ বা ৰাজকীয় ব্যক্তিত্বৰ মহিমা বুলি কোনেও নাভাবে। আমাৰ ধাৰণাত ৰাষ্ট্ৰ এক অবিচ্ছেদ্য (indivisible) আৰু সাৰ্বভৌম শক্তিৰ অধিকাৰী প্ৰতিষ্ঠান। ৰাষ্ট্ৰ যেহেতু কোনো এক বিশেষ ব্যক্তিৰ ইচ্ছা আৰু বিষয় বাব নহয়, বৰং বহু কৰ্মচাৰী তথা বিষয়াৰ জৰীয়তে সক্ৰিয়

হৈ থকা এটা যন্ত্ৰ, (যিবোৰ কৰ্মচাৰীৰ মৃত্যু বা অৱসৰ হ'লে যন্ত্ৰটোৰ কোনো হানি-বিঘিনি নহয়), তাত্ত্বিক বিচাৰ বিবেচনা প্ৰভৃতিত সি এক ৰহস্যময় জীৱনী শক্তিৰ অধিকাৰী হৈ পৰে। উনবিংশ শতিকাত কেতবোৰ মোহগ্ৰস্ত পণ্ডিতে এক অসন্দিগ্ধ জনসাধাৰণৰ ওপৰত "ৰাষ্ট্ৰৰ সকাম" (Reason lof State)ৰ ধাৰণা এটা জাপি দিবলৈ সক্ষম হৈছিল এই বাবেই। (ধাৰণাটো অৱশ্যে সপ্তদশ শতিকাতে উদ্ভূত হৈছিল)। "ৰাষ্ট্ৰৰ সকামৰ" এই ধাৰণাটোৱে শাসক শ্ৰেণীৰ শ্ৰেণীস্বাৰ্থত বঢ়িয়াকৈ ঢাকোন দিলে আৰু সকলো পৰম্পৰাগত নৈতিক মূল্যবোধ একাষৰীয়াকৈ থোৱাত সহায় কৰিলে।

তদুপৰি অবাধ স্বাধীন তথা সাৰ্বভৌম ক্ষমতাৰ ধাৰণাটো সম্প্ৰতি বিস্তৰ সমালোচনাৰ সম্মুখীন হৈছে। জাতিৰাষ্ট্ৰৰ (nation-state) অবাধ সাৰ্বভৌমত্ব সম্প্ৰতি আধুনিক জীৱনৰ এক ডাঙৰ বিচাৰ হিচাবে দেখা দিছে। মহাকাশ আৰু মহাসাগৰৰ নিয়ন্ত্ৰণ, জৈৱমণ্ডলৰ (biosphere) স্বাস্থ্যৰক্ষা প্ৰভৃতি ক্ষেত্ৰত জাতিৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব খৰ্ব কৰি এক আন্তৰ্জাতিক, কৰ্তৃত্বৰ প্ৰতিষ্ঠা কৰাটো জৰুৰী হৈ উঠিছে। বিষুব মণ্ডল আৰু গ্ৰীষ্ম মণ্ডলৰ অৰণ্যৰাজি (rain-forester) ধ্বংস কৰাত তৃতীয় বিশ্বৰ কেতবোৰ জাতিৰাষ্ট্ৰ আগৰণুৱা হৈ উঠিছে— অভাৱ, দাৰিদ্ৰ্য ক্ষুধাৰ প্ৰকোপত সেইবোৰ দেশে আগপাছ নুগুনি এনে সৰ্বনশীয়া উদ্যোগ হাতত লবলৈ ধৰিছে। কিন্তু তাৰ ফলত বিশ্বব্যাপি জলবায়ুৰ অভাৱনীয় আৰু অপত্যাশিত পৰিবৰ্ত্তন ঘটিব ধৰিছে, হয়তো এদিন বিশ্বৰ খাদ্য উৎপাদনতো তাৰ বিষম প্ৰভাৱ পৰিব। সেয়ে এনেবোৰ জাতি ৰাষ্ট্ৰক নিবৃত্ত কৰি তেওঁলোকক উন্নয়ণৰ বাবে বিকল্প সমল যোগান ধৰিব লাগিব। কিন্তু জাতিৰাষ্ট্ৰৰ মাজতে কথাটো ফয়ছলা কৰা টান। আফগানিস্থান, লে'বানন, পেলে'স্তাইন— আদিৰ ক্ষেত্ৰত দেখা গৈছে জাতিৰাষ্ট্ৰৰ বা জাতীয় আত্মনিয়ন্ত্ৰণৰ পৰিসীমাৰ মাজত সমস্যাবোৰৰ সমাধান কৰা টান।

প্ৰকৃত শিক্ষকতাই ছাত্ৰক প্ৰথমৰে পৰা সতৰ্ক কৰি দিব লাগিব যে প্ৰতিটো পাঠ্যবিষয়ৰে ভিত্তিত যিবোৰ মূল ধাৰণা থাকে, সেইবোৰ সমস্যা বা সন্দেহৰ উৰ্দ্ধত নহয়। ধাৰণাবোৰৰ প্ৰতিও আমাৰ সমালোচনামূলক মনোভাৱ থাকিব লাগিব। তেহে ছাত্ৰই বুজিব যে জ্ঞানাৰ্জনৰ অৰ্থ অগ্ৰজ সকলে মূৰৰ ওপৰত জাপি দিয়া কেতবোৰ শব্দ আৰু চিন্তা যান্ত্ৰিকভাৱে হজম কৰা নহয়— তাৰ অৰ্থ মানৱজাতিৰ বিশ্ব অন্বেষণ আৰু বিশ্ব অনুসন্ধানত অংশ গ্ৰহণ কৰা।

আদৰ্শ পৰিস্থিতিটো এনে হ'ব য'ত ছাত্ৰই উপলব্ধি কৰিব যে ধাৰণাবোৰৰ কোনোটোৱেই ধ্ৰুৱসত্য নহয়, সকলো ধাৰণাই পৰিৱৰ্ত্তনশীল। এদিন হয়তো তেওঁ নিজেই সেই পৰিৱৰ্ত্তনত অংশগ্ৰহণ কৰিব। প্ৰথমতে হয়তো এই পৰিস্থিতিত ছাত্ৰজন বিভ্ৰান্ত আৰু বিচলিতই হ'ব। কিন্তু এই উপলব্ধি হ'লেহে ছাত্ৰজনে

প্ৰকৃত জ্ঞানাৰ্জনৰ পথত খোজ দিব পাৰিব।

দুৰ্ভাগ্যবশতঃ আমাৰ দেশত শিক্ষাদানৰ প্ৰভাৱশালী আৰ্হিটো হ'ল পুনৰাবৃত্তিৰ আৰ্হি। পাঠ্যপুথিত কোনো কোনো পণ্ডিতে যিহকে কয় তাক শিক্ষকে পুনৰাবৃত্তি কৰে। তাকে আকৌ পৰীক্ষাত ছাত্ৰই পুনৰাবৃত্তি কৰে। অৰ্থাৎ জ্ঞান-সৃষ্টিৰ প্ৰক্ৰিয়াৰ পৰা ছাত্ৰ-শিক্ষক দুয়ো নিৰ্বাসিত। পৰিণামত পৰিবৰ্ত্তন আৰু প্ৰগতিৰ ঠাইত জ্ঞানাৰ্জনত স্থবিৰতাই প্ৰাধান্য লাভ কৰে। মধ্যযুগতে আমাৰ দেশৰ এই স্থবিৰতা আহি পৰিছিল। ঔপনিবেশিক যুগত তাৰ বিশেষ ৰূপান্তৰ নহ'ল। এই আৰ্হিটো এতিয়া ভাঙি পেলাব লাগিব।

শিক্ষকে সেয়ে তেওঁৰ ভূমিকা (আৰু তেওঁৰ ভূমিকাৰ ভাৱমূৰ্ত্তি) সলোৱাৰ সময় আহি পৰিছে। তেওঁ নিজকে কেতবোৰ অপৰিৱৰ্ত্তনীয় ধাৰণাৰ, আন মানুহে উদ্ভাৱন তথা আবিষ্কাৰ কৰা কেতবোৰ চিৰন্তন সত্যৰ পৰিবেশক বুলি নভবাই ভাল হ'ব। সেয়ে জ্ঞানান্বেষণ আৰু জ্ঞানাৰ্জনৰ প্ৰক্ৰিয়াত (অৰ্থাৎ গৱেষণাত) তেওঁৰ কিছু অভিজ্ঞতা হ'ব লাগিব। অৱশ্যে আমেৰিকাতো একনিষ্ঠ গৱেষক (যি শিক্ষক পায়)— এই দুধৰিধ বিদ্বানৰ মাজত বিবাদ আজিও লাগি থাকে। বাস্তৱিকতে জ্ঞানান্বেষণ আৰু জ্ঞানাৰ্জনৰ অভিজ্ঞতা নোহোৱাকৈ কেৱল বাক্‌পটুতা বা প্ৰাঞ্জল ভাষাত বুজাব পৰা ক্ষমতা থকাটো বিপজ্জনক বস্তু। আনহাতে যি গৱেষক কেৱল গৱেষণাত নিমগ্ন হৈ থাকে, বাজহুৱাভাবে সেই গৱেষণাৰ তাৎপৰ্য্য আৰু পৰিণাম বিচাৰ নকৰে, তেওঁৰ অৱস্থাও বৰ সুবিধাজনক নহয়। শিক্ষাদানত জড়িত হলেহে গৱেষকে তেওঁৰ গৱেষণাৰ ক্ষেত্ৰ বিদ্যা বা জ্ঞানৰ বৃহত্তৰ পটভূমিৰ লগত যুক্ত কৰিবলৈ আৰু বৃহত্তৰ পৰিধিত তেওঁৰ গৱেষণাৰ তাৎপৰ্য্য বিচাৰ কৰি চাবলৈ বাধ্য হয়। আনকি ছাত্ৰক পাঠদান কৰাৰ সময়তে তেওঁৰ মনলৈ নতুন নতুন প্ৰশ্ন বা পুৰণি প্ৰশ্নৰ নতুন উত্তৰ আহিব পাৰে।

সেয়ে আমি কব খোজোঁ যে উচ্চশিক্ষাৰ ক্ষেত্ৰত অধ্যয়ন আৰু গৱেষণাৰ বাবে শিক্ষকে নিম্নতম প্ৰাথমিক সা-সুবিধাখিনি অন্ততঃ পোৱা উচিত। দ্বিতীয়তে উচ্চ শিক্ষাৰ নেতৃত্ব দিয়া প্ৰশাসক সকলে এই পিনে নজৰ দিয়া উচিত যাতে পাঠদান কৰা শিক্ষক সকলৰ গৱেষণাৰ কিছু অভিজ্ঞতা থাকে। তাৰ বাবে প্ৰয়োজন হ'লে এবছৰ-দুবছৰৰ বেতন-সহ ছুটী মঞ্জুৰ হব লাগে— দিল্লী বিশ্ববিদ্যালয়ত যেনেদৰে প্ৰতিজন শিক্ষকে কৰ্মজীৱনত দুবাৰ দীঘলীয়া বেতনসহ ছুটী উপভোগ কৰে। তদুপৰি গৱেষণাৰ ফল প্ৰকাশ আৰু আলোচনা কৰিবলৈ যথেষ্ট সংখ্যক স্থানীয় আলোচনী আৰু মঞ্চ (Platform) থাকিব লাগিব। এই ক্ষেত্ৰত কৰ্ত্তৃপক্ষৰ মনোভাৱ নৈৰাশ্যকৰ। মই আজি বহুবছৰ ধৰি এখন গৱেষণা পত্ৰিকাৰ বাবে চৰকাৰ আৰু U.G.C.ৰ সাহায্য বিচাৰি আছোঁ। মোৰ উদ্দেশ্য আমাৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ

মাজত গৱেষণাৰ বাতাৱৰণ সৃষ্টি কৰা, তেওঁলোকক মৌলিক গৱেষণা আৰু চিন্তা-চৰ্চা প্ৰকাশৰ সুযোগ দিয়া। সাহায্যৰ বাবে অসম চৰকাৰ আৰু U.G.C.ৰ ধন হেনো নাই। অথচ দুয়োটা দৰবাৰেই দৰাজ হাতেৰে বহু ধন অবাবত ব্যয় কৰা প্ৰতি সপ্তাহত দেখিয়েই আছোঁ। অৱশ্যে আমোলাতন্ত্ৰৰ এই ঔদাসিন্যত আমি নিৰুৎসাহ হোৱাৰ থল নাই। বহুসময়ত চৰকাৰী সাহায্য আৰু চৰকাৰী হস্তক্ষেপ একেলগে আহে। তাতকৈ কেবাখনো কলেজ মিলি আঞ্চলিক ভিত্তিত গৱেষণা পত্ৰিকা আৰু আলোচনাচক্ৰ গঢ়ি তুলিব পাৰিলে ভাল কাম হব বুলি মই ভাবোঁ। ২০/২৫ টা ক্লাছ লবলগীয়া হলে, পিছপৰা আৰু অনুৎসুক ছাত্ৰ-ছাত্ৰী পঢ়াবলগীয়া হলে, শিক্ষকসকলে উদ্যম সজীৱকৈ ৰাখিবলৈ টান পাব— এই যুক্তিটো আমি অগ্ৰাহ্য কৰা নাই। কিন্তু এটা বলিষ্ঠ আৰু গঠনমূলক মনোভাব থাকিলে নৈৰাশ্যকৰ পৰিবেশ সলনি কৰাত শিক্ষক সকল বহুপৰিমাণে সফল হব— সিও ধ্ৰুৰূপ।

সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল প্ৰতিখন কলেজক এটা প্ৰাণহীন কাৰখানাৰ পৰা এখন সজীৱ সমাজত পৰিণত কৰা। তাৰ বাবে শিক্ষক আৰু ছাত্ৰৰ যোগাযোগ (তথা তাৰ সুযোগ) বঢ়াব লাগিব। কলেজৰ প্ৰশাসনত শিক্ষক সকলক অধিক জড়িত কৰিব লাগিব। শিক্ষক আৰু ছাত্ৰৰ অনুপাত উন্নত কৰিলে পৰিবেশ বহুত ভাল হব। কলেজ-পৰিচালনা আমোলোসুলভ নহৈ এনে ধৰণে সজাগ আৰু সমাজ-ভিত্তিক হ'লে এই উদ্দেশ্য সাধন অসম্ভৱ নহ'ব।

---

* এপ্ৰিল, ১৯৮৯ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক ষ্টাফ কলেজত দিয়া ভাষণ।

# শিক্ষাসংকট আৰু ৰাজনীতি

**(মালিগাওঁ ৰেলৱে' হাইস্কুলত ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত বটাবিতৰণী সভাখনত দিয়া ভাষণৰ প্ৰতিলিপি)**

**সভাপতি মহাশয়, উপস্থিত সুধীবৃন্দ**
**মালিগাওঁ ৰেল'ৱে হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকল;**

আপনালোকৰ এই বটাবিতৰণী সভাত দুআষাৰ কবলৈ মোক নিমন্ত্ৰন কৰি অনা বাবে প্ৰথমেই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আজিৰ সভাত নিমন্ত্ৰিত অতিথিসকলৰ ভিতৰত সৰহভাগেই হয় ৰাজনীতিবিদ, নহয় শিক্ষাবিদ। যোৱা তিনিটা বছৰত অসমত ক্ষমতাশালী ৰাজনীতিবিদ আৰু শিক্ষাবিদ সকলৰ মাজত সম্পৰ্ক মধুৰ আছিল। সি আছিল একভ্ৰান্ত আৰু ভ্ৰষ্ট ৰাজনীতিৰ ফল। ছাত্ৰশিক্ষক সমাজৰ অংগ। সেই সমাজখন যি ৰাজনীতিয়ে পৰিচালনা কৰে, সেই ৰাজনীতিত কেৰোণ থাকিলে ছাত্ৰশিক্ষকো বিপদত পৰে, শিক্ষাজীৱনতো নানা সমস্যাই দেখা দিয়ে। অসমত এতিয়া নতুন ৰাজনীতিৰ সূচনা হৈছে। আমি আশা কৰিছোঁ যে এই নতুন ৰাজনীতিৰ নেতা সকলে আগৰ ভ্ৰষ্ট ৰাজনীতিবিদ বিলাকৰ ভূলভ্ৰান্তিৰ পুনৰাবৃত্তি নকৰিব আৰু নতুন পথেৰে আমাৰ সমস্যা জৰ্জৰিত সমাজখনক আগুৱাই লৈ যাব। আমি শিক্ষাব্ৰতী সকলে আৰু আশা কৰিছোঁ যে আন আন বিষয়ৰ লগতে আমাৰ শিক্ষাজীৱনো আগৰ হতাশা আৰু সংশয়, অভাৱ আৰু সংকোচৰ পৰা মুক্ত হৈ নতুন পোহৰেৰে উদ্ভাসিত হৈ উঠিব। এনে এটা সময় আছিল যেতিয়া আমিও স্কুলৰ বটাবিতৰণী উৎসৱত উৎসাহেৰে যোগ দিছিলোঁ। স্কুলত বছৰেকীয়া বটাবিতৰণী সভাখন সাধাৰণ অনুষ্ঠান নাছিল। সেইদিনা আমি অনুভৱ কৰিছিলোঁ আমাৰ উন্নতি আৰু কৃতিত্বৰ বাবে আমাৰ শিক্ষা গুৰুসকল কিমান উৎসাহী আৰু আগ্ৰহী আছিল। তাৰোপৰি আমাৰ নিজৰে মনত ভাৱ হৈছিল, এই বটাৰ যোগেদি আমি যেন ভবিষ্যত জীৱনৰ সফলতাৰ এটা আভাস পাইছোঁ, যেন ভবিষ্যত জীৱনত যি প্ৰতিযোগিতাত আমি নামিব

লাগিব তাৰ আখড়া আমি ইতিমধ্যে আৰম্ভ কৰিছোঁ। ছাত্র-ছাত্রীৰ মুখমণ্ডলত উৎসাহৰ জিলিঙণি, চকুত আশাৰ তিৰ্-বিৰণি। আজিও আমাৰ সমুখৰ চেমনীয়াহঁতৰ উৎসাহ-উদ্দীপনা দেখা পাই সেইবোৰ ছবি মোৰ মনলৈ আহিছে।

আজি আমি যেনেকৈ বুজন বয়সত পৰাই নোৱাৰাই সমাজৰ বিভিন্ন দায়িত্ব কান্ধ পাতি লৈছোঁ, এদিন এওঁলোকেও ল'ব লাগিব। লগে লগে মনত ভাব হয় শিক্ষাৰ গুৰুত্ব কেনে অপৰিসীম। আমি বা আমাৰ অগ্ৰজ সকলে সমাজখনৰ পৰিচালনা আৰু উন্নয়ণত যি সাফল্য বা বিফলতা দেখুৱাইছোঁ, সি বহু পৰিমাণে আমাৰ শিক্ষাৰ ফল। এই শিক্ষা জীৱনত ব্যাঘাত ঘটিলে, কিবা ত্ৰুটি দেখা দিলে, আমাৰ সমগ্ৰ ভবিষ্যতেই পঙ্গু হব। উঠি অহা বয়সত পুষ্টিকৰ খাদ্যৰ অভাৱত দেহে যেনেকৈ অন্ধতা পঙ্গুতা অভাৱত আমাৰ মনটোও তেনেকৈ পঙ্গু হব। আমাৰ ভাৰতৰদৰে অনুন্নত দেশ এখনক উন্নতিৰ পথেৰে আগুৱাই নিবলৈ যেনে মানসিক ক্ষমতাৰ দৰকাৰ আমাৰ ভবিষ্যত নাগৰিক সকলক তেনে মানসিক ক্ষমতাৰ অধিকাৰী কৰিবই লাগিব।

আঁন দেশত শিক্ষাৰ কি ব্যৱস্থা হৈছে মই. বেছি নাজানোঁ। বহুবছৰ আগতে বিলাতত কেইবছৰমান কটাইছিলোঁ। তাৰ পিছত এটা সৰ্জাতিদলৰ সদস্য হিচাপে চীনলৈ যোৱাৰ সুযোগ পাইছিলোঁ— তেতিয়াৰ ৰাজ্যিক গৃহমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ অনুগ্ৰহত যোৱাতো বন্ধ হ'ল। আদবাটৰ পৰা উভতিবলৈ বাধ্য হলো। গতিকে চীনৰ শিক্ষাৰ কি ব্যৱস্থা হৈছে গম নেপালোঁ। কিন্তু বিলাতত থকা সময়ত এটা প্ৰাইমেৰি স্কুল দৈবক্ৰমে দেখা পাইছিলোঁ। অতি মনোৰম বাগানৰ মাজত আটোমটোকাৰি ঘৰ প্ৰতিজন ছাত্ৰৰ বাবে সুকীয়া চকী মেজ, খেলা-ধূলা আৰু শিক্ষাৰ নানা ধৰণৰ সামগ্ৰী আনকি Swiming pool পৰ্য্যন্ত। আমাৰ দেশৰ তুলনাত তাৰ উঠি অহা শিশুৱে কিমান বেছি সা-সুবিধা পায়, কথাটো লগে লগে হৃদয়ঙ্গম কৰিছিলোঁ। আৰু এদিন লণ্ডনৰ Museum of Natural History চাবলৈ গৈছিলোঁ। তাত অতীজৰ প্ৰাগৈতিহাসিক যুগৰ বিৰাট বিৰাট লুপ্ত জন্তুৰ কংকালবোৰ চাইছিলোঁ। এনেতে দেখিলোঁ চাৰি পাঁচ বছৰীয়া কণ কণ মইনা কেতবোৰে জুম বান্ধি সেই জীৱ-জন্তুৰ কংকালবোৰৰ কেউপিনে ঘূৰি ঘূৰি চাইছে। প্ৰত্যেকৰে হাতত সৰু ন'টবুক আৰু পেন্সিল। প্ৰত্যেকেই বৰ গহীনভাৱেৰে কিবা কিবি কথা ন'ট্ কৰিছে। অলপ দূৰত শিক্ষয়িত্ৰী গৰাকী থিয় হৈ আছে। আচৰিত নহয় যে মেধাত ভাৰতীয় ছাত্ৰ ইউৰোপৰ ছাত্ৰৰ সমকক্ষ হ'লেও পৰিবেশ আৰু প্ৰশিক্ষণৰ গুণত উইৰোপৰ ছাত্ৰ আমাতকৈ বহুত আগবাঢ়ি যায়। বিলাতৰ আৰু এটা ঘটনা আপোনালোকক জনাব খোজোঁ। বিলাততো অ'ক্সফৰ্ড বা কে'ম্ব্ৰিজত পঢ়াৰ সুযোগ সকলোৱে নাপায়। আমাৰ দেশততো কথাই নাই, ডাঙৰ ডাঙৰ বিষয়া বা সমাজৰ নেতাই অ'ক্সফৰ্ড বা কেম্ব্ৰিজত পঢ়া-শুনা কৰা বুলি

গৌৰৱ কৰা আমি দেখিছোঁ। কিন্তু কেম্ব্ৰিজত থকা সময়ত লগপোৱা এজন সেই দেশৰ ছাত্ৰক যেতিয়া সুধিছিলোঁ তেওঁ ভৱিষ্যতে কি কৰিব, তেওঁ অকনো নোৱোৱাকৈ উত্তৰ দিছিল যে তেওঁ স্কুলৰ শিক্ষক হ'ব। অথচ আমি কেম্ব্ৰিজৰ ডিগ্ৰী এটা সমাজৰ উচ্চতম পদ-মৰ্য্যদাৰ জখলা বুলি ধৰি লওঁ। পিছত অৱশ্যে গম পাইছিলোঁ যে বিলাতত শিক্ষকসকলৰ দৰমহা বেছি, আনকি কোনো কোনো ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ শিক্ষকতকৈও বেছি। আৰু আমাৰ দেশৰ তুলনাত সমাজত শিক্ষকৰ মৰ্য্যদাও সেই অনুপাতে বেছি। এনে এটা পৰিবেশত শিক্ষকে কিমান উৎসাহেৰে কাম কৰিব আৰু ছাত্ৰই শিক্ষকৰ পৰা কিমান প্ৰেৰণা পাব নকলেও চলে।

আমাৰ দেশৰ বিদ্যালয় আৰু শিক্ষকৰ দুৰৱস্থা বেছি বহলাই কোৱাৰ সকাম নাই। শিক্ষক সকলৰ বেতন যৎসামান্য— তাকো আকৌ এনে আমোলাতান্ত্ৰিক বিধি নিয়মেৰে বান্ধি ৰখা হৈছে যে M.A. পাছ শিক্ষকেও Graduate Scale পাওঁতে বহুত বছৰ লাগে। দিনৌ বাঢ়ি অহা বস্তু বাহানিৰ দাম চম্ভালিবলৈ তেওঁ প্ৰাইভে'ট টিউশ্যনত লাগে বা কোচিং ক্লাছ। ফলত শ্ৰেণীৰ পাঠদানত সম্পূৰ্ণ মনোযোগ দিব নোৱাৰে। এই ধনতান্ত্ৰিক সমাজত ধনেৰেই মানুহৰ মূল্য জোখা হয়। ফলত যৎসামান্য বেতনেৰে পেটত গামোছা বান্ধি চলিবলৈ তেওঁ প্ৰেৰণা পায় ক'ত? চৰকাৰী নেতা-নেত্ৰীসকলৰ বক্তৃতাটো প্ৰেৰণা হব নোৱাৰে? তাৰ উপৰিও শিক্ষকৰ চাকৰি পাবলৈ যেনে দুৰ্নীতিৰ আশ্ৰয় লব লাগে যে তাৰ পিছত ধৰ্ম যুধিষ্ঠিৰ হৈ থকাটো টানেই হয়। প্ৰাইমেৰি স্কুলত পণ্ডিত হবলৈ এজন যুৱকে এম-এল-এ আৰু আমোলাক ১০,০০০ টকা দক্ষিণা দিব লাগে, তেওঁ এজন আদৰ্শ শিক্ষক হৈ চলা টান। তদুপৰি ধনতান্ত্ৰিক আৰু ৰাজনৈতিক প্ৰভাৱত যি সকল শিক্ষক নিযুক্ত হয় তেওঁলোক ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতকৈ নিজৰ ভৱিষ্যত লৈয়েই বেছি ব্যাকুল হব। এনে দুৰৱস্থা হৈছে কিয়? তাৰ কাৰণ দেশত অৰ্থনৈতিক উন্নয়ণ হৈছে সামান্য। চৰকাৰী চাকৰি বুলিলে সাধাৰণতে হয় মাষ্টৰৰ চাকৰি, নহয় কেৰাণীৰ চাকৰি। দুৰ্নীতি প্ৰায় অনিবাৰ্য। আৰু এই দুৰ্নীতিৰ ফলত অসমৰ বহু ঠাইৰ বহু স্কুলত শিক্ষাৰ নামত ভেকোভাওনা চলিব ধৰিছে। আৰু যিসকল নিষ্ঠাৱান আৰু আন্তৰিকতাসম্পন্ন শিক্ষক, তেওঁলোক বিপদত পৰিছে, নিৰুৎসাহ হৈছে।

বিদ্যালয়ৰ কথাকে চাওক। কামৰূপৰ এখন সুপ্ৰাচিন বিদ্যালয়ৰ প্ৰধান শিক্ষকে মোক ক'লে যে স্কুল চৰকাৰীকৰণ কৰাৰ পিছত তেওঁৰ স্কুললৈ শিক্ষকৰ দৰমহাৰ বাহিৰে মাত্ৰ ৩০০০ টকা আহে। তাৰে তেওঁ স্কুলঘৰ মেৰামতি কৰাৰ পৰা চক ব্লেকবোৰ্ড কিনালৈ, ল'ৰাৰ খেলাৰ সা-সৰঞ্জাম কিনাৰ পৰা চকী মেজ কিনালৈ ব্যৱহাৰ কৰিব লাগে। টকাখিনি উলিয়াবলৈ

অহা-যোৱা কৰোটেই ৫০০ মান টকা খৰছ হয়। গতিকে স্কুলৰ চেহেৰাৰ উন্নতি আৰু হয় কেনেকৈ? আনকি ছাত্ৰ-ছাত্ৰী বাঢ়িলেও সততকাই নতুন কোঠা এটা তেওঁ সজাব নোৱাৰে।

কেন্দ্ৰীয় শিক্ষামন্ত্ৰণালয়ে শিক্ষানীতি সম্পৰ্কে অলপতে যিখন পুস্তিকা প্ৰকাশ কৰি সকলোৰে মতামত লৈ ফুৰিছে সেইখনৰ মতেই আমাৰ দেশত শতকৰা ৫০ খনত কৈ বেছি প্ৰাইমেৰি স্কুলত মাত্ৰ এজন শিক্ষক। আচৰিত নহয় যে প্ৰাইমেৰি স্কুলতে শতকৰা ষাঠিজন ছাত্ৰে শিক্ষা সমাপ্ত কৰে। আমাৰ দেশৰ জনসাধাৰণৰ মানসিক উন্নতি আৰু প্ৰস্তুতিৰ বাবে বাজেটৰ মাত্ৰ শতকৰা ২ ভাগক ধন ধাৰ্য্য কৰা হয়। পুলিচৰ শিতানত তাতকৈ বেছি যকা ধাৰ্য্য কৰা হয়। হয়তো আমাৰ মহামান্য চৰকাৰে ভাৱে যে স্কুল কলেজত আমাৰ জনগণক শিক্ষাদান কৰাতকৈ পুলিচৰ টাঙোণৰ কোবেৰে শিক্ষা দিয়াই ভাল। সেইধৰণৰ শিক্ষা সহজে পাহৰিব নোৱাৰি। এইবোৰ চৰকাৰে দুৰৱস্থা হোৱাৰ পৰাই স্পষ্ট হৈ উঠিছে। এনেকৈ কায়ক্লেশে যিবোৰ ছাত্ৰ-ছাত্ৰী ওপৰলৈ উঠে তাৰো শতকৰা সত্তৰ আশীজন মেট্ৰিক পৰীক্ষাতে ঘাইল হয়।

অথচ সেইখন পুস্তিকাতে চৰকাৰে নতুন শিক্ষা নীতিৰ যি ৰেহ-ৰূপ দাঙি ধৰিছে, আমাৰ চিন্তা কমক ছাৰি বাঢ়িছেহে। প্ৰথমে কৈছে যে মাধ্যমিক শিক্ষাত Vocationalised কৰা হ'ব। যাতে ছাত্ৰ-ছাত্ৰীয়ে জীৱিকা উপাৰ্জনত স্বনিৰ্ভৰ হ'ব পাৰে। কথাটো শুনাত ভাল। পিছে আমাৰ গাঁৱৰ স্কুলবোৰত Vocational training ৰ কি সুযোগ সুবিধা থাকিব? Workshop চলাবলৈ কেচাঁমাল, বিদ্যুত সৰবৰাহ, যন্ত্ৰপাতি থাকিবনে কেৱল পাচি খৰাহী সজাকে Vocational training বোলা হয়? তাৰ বাবেতো স্কুললৈ অহাৰ দৰকাৰ নাই! আকৌ কোৱা হৈছে যে জিলাই প্ৰতি একোখন model school পতা হ'ব। সেইখনৰ সা-সুবিধা নিশ্চয় উন্নত হ'বই। পিছে যিবোৰ স্কুলত সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশুনা কৰে, সেইবোৰৰ কি অৱস্থা হ'ব? সেইবোৰৰ Model Schoolৰ শাৰীলৈ আহিবলৈ বিচাৰিলে চৰকাৰে সুবিধা দিবনে?

শেষত আমোলামন্ত্ৰীয়ে এষাৰ কথাই কব, সি হ'ল: Fund নাই, অৰ্থৰ অভাৱ। আমাৰ ইচ্ছা থাকিলেও আমি একো কৰিব নোৱাৰোঁ। আমাৰ এই অসমৰ পৰা বিদেশী-দেশী পুঁজিপতিয়ে বছৰি-বছৰি শ-শ কোটি টকাৰ মুনাফা চুঁচি আছে চাহবাগানৰ পৰা। আমাৰ পাহাৰ জংঘল তহিলং কৰি আমাৰ ভৱিষ্যত পুৰুষৰ জীৱন বিপন্ন কৰি, Plywood কাৰখানাৰ মালিকবোৰে শ-শ কোটি টকাৰ ব্যৱসায় কৰি আছে। অৰ্থৰ অভাৱ বুলিলে আমি মানিম কিয়?

চাৰিওফালে চালে দেখা যাব যে সমাজত শ্ৰেণীবিভাজন প্ৰবল হৈ

অহাৰ লগে লগে সকলো ক্ষেত্ৰতে দুতৰপীয়া ব্যৱস্থা চালু হৈছে। ৰে'ল মটৰত যেনেকৈ First class, Second class, তেনেকৈ চিকিৎসা আৰু শিক্ষাতো দুতৰপীয়া ব্যৱস্থা। পইচা থাকিলে আপুনি দামী Nursing Home ৰ দামী চিকিৎসাৰ সুযোগ পাব, পইচা নাথাকিলে Medical College Hospitalৰ চৌহদতে স্বৰ্গযাত্ৰা কৰিব লাগিব। তেনেকৈ স্কুল কলেজবোৰো দুতৰপীয়া হৈ উঠিছে। তথাকথিত English Medium স্কুলবোৰৰ পৰিবেশ বেলেগ। তাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মনোযোগ দিয়া হয়, খেলা-ধূলাৰ বাবে ঠাই আছে, লাইব্ৰেৰী, শিক্ষামূলক চিনেমাৰ সুবন্দোবস্ত আছে। আৰু অসমীয়া মাধ্যমৰ স্কুলবোৰত বহিবলৈ ঠাই নোজোৰে, জাৰৰ দিনতো খিড়কীত আয়না নাই, খেলা-ধূলাৰ ব্যৱস্থা নাই, ফলত এচাম ছাত্ৰ-ছাত্ৰীয়ে এনে এটা ভাৱ লৈ ডাঙৰ হয় যেন সমাজত ভৱিষ্যত ডা-ডাঙৰীয়া তেওঁলোকেই হ'ব। আন এচামে এনে ভাবি ডাঙৰ হয় যেন তেওঁলোক বাটৰ বছেৰা গৰু। অলপ ডাঙৰ হৈ অহাৰ লগে লগে স্কুলৰ শিক্ষাতকৈ আলিবাটৰ শিক্ষাতহে তেওঁলোকে বেছি ৰস পাবলৈ ধৰে। মদ ভাং খোৱাৰপৰা মানুহ জোকোৱালৈ সকলো ধৰণৰ নৈতিক শিক্ষা (Value education) আয়ত্ত কৰে। যিসকলে আদৰ-যত্ন নোপোৱাকৈ আলৈ-অথানিৰ মাজত ডাঙৰ হৈছে, তেওঁলোকে সমাজৰ প্ৰতি দায়িত্ববোধেই বা অনুভৱ কৰিব কেনেকৈ? আনহাতে যিসকলে এটা সৌভাগ্য (Privilege)ত অভ্যস্ত হৈ ডাঙৰ হৈছে, তেওঁলোকে ডাঙৰ হলে সমাজৰ আন মানুহক স্বাৰ্থসিদ্ধিৰ অস্ত্ৰ বুলি ভবাৰ বাহিৰে আন কি বুলি ভাবিব পাৰে? এনে পৰিবেশৰ মাজত যদি শিক্ষকে Value oriented educationৰ নামত নীতি শিক্ষা দিবলৈ যায়, কথাটো অসহনীয় ভণ্ডামি যেন নালাগিব নে?

অসমৰ দৰে অনগ্ৰসৰ অঞ্চলবোৰত অৱস্থা আৰু বিষম। আমাৰ ইয়াত খেতিয়েই জীৱিকাৰ সৰ্বপ্ৰধান উপায় অথচ খেতিয়কৰ ভাগত জনমুৰী পৰা মাটিৰ পৰিমাণ সৰ্বভাৰতীয় পৰিমাণতকৈ কম। World Agricultural Survey. মধ্যবিত্ত ঘৰৰ ল'ৰা-ছোৱালীয়ে অ'ত ত'ত চাকৰিত মূৰ গুজিলেও আজিও আমাৰ শিক্ষাত নিবনুৱাৰ সংখ্যা লাখৰ ঘৰত। বি, এ পাছ ল'ৰাই পিয়নৰ চাকৰি কৰা, মাটিকটা অতি সাধাৰণ ঘটনা হৈ পৰিছে। অৰ্থাৎ শিক্ষাৰ যোগেদি জীৱনৰ মান উন্নত কৰাৰ যি সুযোগ এসময়ত আছিল, আজি সেই সুযোগ সংকুচিত হৈ পৰিছে। উন্নত কৃষিৰে জীৱনৰ মান উন্নত কৰিবলৈ হলেও সামান্য মূলধন লাগিব, সেই মূলধন আমাৰ দুখীয়াৰ ঘৰত ক'ত?

এই কথা সকলোৱে জানে যে দুখীয়া শ্ৰেণীৰ অসমীয়াই যোৱা ছয় সাত বছৰে অসম আন্দোলনৰ মেৰুদণ্ড হৈ আছিল। এওঁলোকেই আটাইতকৈ গভীৰভাৱে, হাড়ে হাড়ে অনুভৱ কৰিছিল যে অসমৰ অস্তিত্ব বিদেশীৰ হাতত

বিপন্ন। এওঁলোকেই অকাতৰে ৰাজপথ নিজৰ তেজৰে ৰাঙলী কৰি অসমক ৰক্ষা কৰিবলৈ আগুৱান হৈছিল। এই অমূল্য যুৱ শক্তিৰ সম্পদ ৰক্ষা কৰিব নোৱাৰিলে অসমক ৰক্ষা কৰিব পৰা আৰু নাযাব। এইসকল ডেকাৰ শ্ৰম আৰু ত্যাগৰ ফলত যিসকল নেতাই প্ৰশাসনৰ দায়িত্ব পাইছে, তেওঁলোকে যেন কথাটো পাহৰি নাযায়। এনে অভাৱ পীড়িতত আৰু দুৰ্দ্দশাগ্ৰস্ত ঘৰত শিক্ষাৰ সুযোগ প্ৰসাৰিত কৰিবলৈ, মানুহবদৰে জীয়াই থকাৰ কৰ্মসংস্থান কৰিবলৈ নেতাসকলে চেষ্টাৰ ত্ৰুটি নকৰে যেন। কোৱা বাহুল্য যে গণতন্ত্ৰ আৰু সমাজবাদৰ আদৰ্শ সমুখত ৰাখি আগ নাবাঢ়িলে, শোষক শ্ৰেণী সমূহৰ প্ৰভাৱ প্ৰতিপত্তি বোধ কৰি সাধাৰণ মানুহৰ অভাৱ অভিযোগ দূৰ নকৰিলে, অসমৰ এই উঠি অহা যুৱশক্তি নিঢালে মৰহি যাব।

এইক্ষেত্ৰত আমাৰ সমস্যা বহুত। প্ৰথমে উল্লেখ কৰিব লাগিব উন্নয়ণৰ সমস্যা। কৃষি শিল্প সকলোতে অসমে আগবাঢ়ি নগলে অভাৱ, দাৰিদ্ৰ্য দূৰ নহ্ব, আমাৰ জাতীয় অনগ্ৰসৰতাও দূৰ নহ'ব। বহুতে নেতাসকলক উপদেশ দিছে, ডাঙৰ ডাঙৰ আচনিৰ কথা ভাবি লাভ নাই, সৰু-সুৰা কথালৈ মন দিয়া। গাঁৱে-গাঁৱে খোৱাপানীৰ ব্যৱস্থা কৰা, ৰাস্তাঘাট বান্ধি দিয়া ঠিকেই। কিন্তু জীৱিকা আৰ্জনৰ প্ৰধান সমস্যা কেৱল তাৰেই সমাধান নহ্ব। যদি অসমত বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ বাবে বৃহত্তৰ প্ৰয়োজন হয়, তাৰ বাবে অসমৰ তৰুণ নেতাসকলে দাবী জনাব পাৰিব লাগিব। গুৱাহাটীৰ মাজেৰে broad gauge ৰেল'পথ নিয়াৰ ফলত চহৰত অশান্তি, সমস্যা বাঢ়িছে— বেলেগ ৰাস্তাৰে নিবলৈ ৯ কোটি টকাৰ প্ৰয়োজন, তাকো ৰে'লদপ্তৰে নিদিলে। সেয়ে বৃহত্তৰ উন্নয়ণৰ প্ৰকল্পৰ টকা সহজে যোগাৰ নহ্ব নিশ্চয়। কিন্তু তাৰ বাবে আপোচহীন সংগ্ৰাম আমি চলাব লাগিব। নেতাসকলে যদি নোৱাৰে ৰাইজে এদিন আকৌ চলাব।

উন্নয়ণৰ এই দাবীৰ পৰা জনসাধাৰণৰ মন আঁতৰাই ৰখাৰ প্ৰধান পৰীক্ষিত উপায় হৈছে বিভেদ। হিন্দু-মুছলমান, অসমীয়া, বঙালী, বামুণ-শূদিৰ, জনজাতীয়-অজনজাতীয় সকলো গোষ্ঠীৰ মানুহেই জীৱনধাৰণৰ বাবে পৰস্পৰৰ লগত সংগ্ৰাম আৰু প্ৰতিযোগীতাত অভ্যস্ত। বৃটিছ আমোলত বৃটিছে এনেবোৰ ভেদাভেদ দূৰ কৰাত কোনো গুৰুত্ব নিদিলে, বৰং আক ব্যৱহাৰ কৰিলে। স্বাধীনতা সংগ্ৰামৰ নেতাসকলেও সমস্যাটোৰ সু-সমাধান কৰিব নোৱাৰিলে। আমাৰ গোড়া হিন্দু ঐতিহ্যৰ কেতবোৰ অন্যায় আৰু অশুভ প্ৰথা আৰু মনোভাৱ তেওঁলোকে লোপ কৰিব নোৱাৰিলে। ফলত প্ৰথমে দেশ বিভাজন ঘটিল। দ্বিতীয়তে সমাজত আৰু বহুলকৈ ফাঁট মেলিব ধৰিলে। জাত-পাতৰ ৰাজনীতি কেউপিনে কুষ্ঠৰোগৰ দৰে বিয়পি গ'ল। ফলত গুজৰাটত আজি বহুবছৰ ধৰি সংৰক্ষণ সমৰ্থক আৰু সংৰক্ষণ বিৰোধী সকলৰ মাজত ৰক্তাক্ত

সংঘৰ্ষ হৈ আছে। বিহাৰ আৰু উত্তৰ প্ৰদেশত হৰিজন কৃষিশ্ৰমিকক জীয়াই জীয়াই পুৰি মৰাটো সাধাৰণ কথা হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে এইবোৰ ঘটনাৰ ন্যায়নিষ্ঠ শান্তিপূৰ্ণ সমাধান নিবিচাৰি দুই পক্ষকে উচতাই দি আছে। এবাৰ কয় সংৰক্ষণ উঠাই দিয়া হ'ব, এবাৰ কয় সংৰক্ষণৰ মাত্ৰা বৃদ্ধি কৰা হ'ব। অসমত জনসংখ্যাৰ অধিকাংশ মানুহেই জনজাতীয় বা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ। তেওঁলোকে গোড়া হিন্দু সমাজ ব্যৱস্থাৰ নানা অন্যায়-অবিচাৰ যুগ যুগ ধৰি সহি আহিছে। যিবোৰ সা-সুবিধা চৰকাৰী প্ৰশাসনে দিয়ে, সংৰক্ষণ অবিহনে পোনপতীয়া প্ৰতিযোগীতাৰে সেইবোৰ দখল কৰিব পৰা শিক্ষা বা চেতনা তেওঁলোকৰ এতিয়াও হোৱা নাই। সেয়ে স্বাভাৱিকভাৱে সংৰক্ষণৰ নীতিৰ প্ৰতি তেওঁলোকে আকৃষ্ট। আনহাতে আকৌ উচ্চ হিন্দুসকলে ভাৱে যে প্ৰতিযোগীতাৰ বাহিৰত সংৰক্ষণৰ জৰিয়তে সা-সুবিধা দিয়াটো অন্যায়। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সম্প্ৰদায়ৰ কেতবোৰ দালাল যোগাৰ কৰি বিভেদ আৰু বিচ্ছেদৰ মনোভাৱ বিয়পাই আছে, যাতে সম্প্ৰদায়বোৰে সমাজৰ সমূহীয়া স্বাৰ্থৰ কথা ভাবিব নোৱাৰে। তেতিয়া সেই সুযোগতে কেন্দ্ৰ তথা কেন্দ্ৰৰ আশ্ৰিত পুঁজিপতিবোৰে নিজৰ খেল চলাই থাকিব পাৰে, অসমক শোষণ কৰিব পাৰে। সেয়ে আমাৰ তৰুণ নেতাসকলে কাম-কাজৰ জৰিয়তে এক উদাৰ সহষ্ণু মনোভাৱ অসমবাসী বিভিন্ন জনগোষ্ঠীৰ মাজত বিয়পাই দিব লাগিব। সকলোৱে সকলোৰে পৰা শিকা, সকলোৱে সকলোকে সহায় কৰা, সকলোৱে সকলোকে শ্ৰদ্ধা কৰা— আমাৰ ছাত্ৰজীৱনতে এনে মনোভাৱ আয়ত্ত্ব কৰিব লাগিব। আনহাতে উগ্ৰ হিন্দু, উগ্ৰ মুছলমান, উগ্ৰ জনজাতীয়, উগ্ৰ আহোম মনোভাৱ প্ৰচাৰ কৰা বিলাকৰ আচল মতলব বুজি সিহঁতক সমাজত এঘৰীয়া কৰিব লাগিব। এনে মনোভাৱ হে প্ৰকৃত দেশপ্ৰেমৰ লক্ষণ। C.R.P. মিলিটাৰিৰ আক্ৰমণৰ আগত থিয় দিয়াতকৈ এনে মনোভাৱ গঠন কৰা টান। কিন্তু তাৰ অবিহনে অসমৰ পৰিত্ৰাণ নাই।

মালিগাওঁ এই পিনৰপৰা এখন বৈচিত্ৰপূৰ্ণ ঠাই। ওচৰা-ওচৰিকৈ অসমীয়া-বঙালী, হিন্দু-মুছলমান জনজাতীয় ইয়াত বাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে মাজত দালালৰ সংখ্যা বা প্ৰভাৱো কম নহয়। সেয়ে ভুল বুজাবুজিও বেছি। কিন্তু দূৰদৰ্শিতাৰে আগবাঢ়ি; দালাল বিলাকক নিৰস্ত্ৰ কৰি, নানা যৌথ অনুষ্ঠান কৰ্মকাণ্ডৰে আগবাঢ়িলে এই বৈচিত্ৰৰ মাজত ঐক্য গঢ়ি আমি অসম তথা ভাৰতকে আদৰ্শ দেখুৱাব পাৰিম। আশা কৰোঁ মালিগাওঁ ৰে'লৱে হাইস্কুলৰ শিক্ষক আৰু ছাত্ৰ সকলে তাত নেতৃত্ব দিব পাৰিব। স্থানীয় বঙালী সকলেও যেন সমস্যাৰ গুৰুত্ব বুজি অসমীয়া ভাষা সংস্কৃতিৰ চৰ্চাত অনুৰাগ দেখুৱায়। অসমীয়া সকলেও যেন জোৰকৈ বঙালী ছোৱালীক শাড়ী পিন্ধোৱাৰ দৰে কুকৰ্ম নকৰাকৈ তেওঁলোকক অসমপ্ৰেমত উদ্বুদ্ধ কৰিব পাৰে। সদৌ

শেষত এই কামনা কৰিলোঁ যে যি শ্ৰমজীৱি বাইজ দেশৰ সকলো সম্পদৰ স্ৰষ্টা আৰু প্ৰকৃত মালিক, তেওঁলোকে নিজৰ মানবীয় মৰ্য্যদাৰ যোগ্য জীৱন যাপন কৰাত আমাৰ উঠি অহা ছাত্ৰ সকলে যেন অৱদান দিব পাৰে।

(অগ্নিশাল, মাৰ্চ-এপ্ৰিল, ১৯৮৬)

# অনুবাদৰ দৰ্শন

## (ক)

সাহিত্যত যিমানেই অলৌকিক ৰসৰ স্ফুৰণ নঘটক, নিতান্ত জাগতিক কিছুমান শক্তিয়েও তাৰ গতিপথ বহু পৰিমাণে নিৰ্ণয় কৰে।

এসময়ত ইংৰাজী ভাষা-সাহিত্যই যে আমাক অৰ্থাৎ ভাৰতীয়সকলক ইমান প্ৰভাৱান্বিত কৰিছিল, তাৰ কাৰণ সি আছিল পৰাধীন ভাৰতৰ ৰাজভাষা তথা ৰাজকাৰ্যৰ ভাষা।

আৰু আজি যি বিশেষ উদ্দেশ্যৰে এই কৰ্মশালা পতা হৈছে, সি হ'ল ভাৰতৰ বিভিন্ন আঞ্চলিক জাতি আৰু ভাষাৰ মাজত অন্তৰঙ্গ সংযোগ স্থাপন। ৰাষ্ট্ৰীয় সংহতিৰ বাবে শাসক শ্ৰেণীয়ে তাত গুৰুত্ব দিছে। এই উদ্দেশ্যেই বিভিন্ন ভাষাৰ মাজত যোগাযোগ, ভাব বিনিময়, ভাষান্তৰৰ প্ৰচেষ্টাত বিশেষ উৎসাহ দিয়াৰ সম্ভাৱনা আছে।

কিন্তু এনে কাম আমোলাতান্ত্ৰিক ধৰণে, চৰকাৰী কাৰ্যালয়ৰ চিৰাচৰিত পদ্ধতিৰে কৰা নাযায়। সেয়ে কৰ্মশালা। স্বতঃস্ফুৰ্ত্ত সাংস্কৃতিক কামৰ স্বচ্ছন্দ প্ৰাণস্পন্দন অনুবাদ সাহিত্যত কেনেকৈ ফুটাই তোলা যাব পাৰে, সেই সমস্যাৰে সমাধান আমি বিচাৰিছোঁ। এজ্ৰা পাউণ্ডৰ চীনা কবিতাৰ অনুবাদ, যতীন দুৱৰাৰ ওমৰ খৈয়াম বা ফিজ্জেৰাল্ডৰ অনুবাদ, লৰন্স্ বিনিয়নৰ ডাণ্টেৰ অনুবাদ, যোড়শ শতিকাত জন ফ্ল'ৰিয়ই মঁতাইনৰ ৰচনাৰ ইংৰাজীলৈ কৰা অনুবাদ— এইবোৰ কামৰ দৰে সৰস, সজীৱ অনুবাদ আনুষ্ঠানিক উদ্যোগত সম্ভৱ হ'বনে ?

আগৰ কালত বেছিভাগ অনুবাদৰ প্ৰেৰণা আহিছিল অসংগঠিত সামাজিক তথা সাংস্কৃতিক প্ৰবাহ কেতবোৰৰ পৰা। ইউৰোপৰ নৱযুগৰ সময়ত ইটালীৰ আধুনিক সংস্কৃতি আৰু গ্ৰীক্-লাতিন ক্লাছিক সাহিত্য ইউৰোপৰ কেউপিনে নতুন মানসিকতা আৰু অনুভূতিৰ প্ৰতিনিধি হৈ পৰিছিল। ইংৰাজী, ফৰাচী প্ৰভৃতি ভাষা-ভাষী লেখকসকলো এইবোৰ ভাষাৰ সাহিত্য মনোযোগেৰে অধ্যয়ন কৰিছিল আৰু সেইবোৰ সাহিত্যৰ নানান আৰ্হি আৰু নমুনা নিজা নিজা ভাষাত অনুকৰণ কৰিছিল। এনেকৈয়ে পেট্ৰাৰ্কৰ "ছ'নেট" নামৰ গীতি কবিতাৰ

আৰ্হিত ইংৰাজী ভাষাত প্ৰচুৰ ছনেট-মালা ৰচিত হৈছিল। উনবিংশ শতাব্দীতো ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে সংস্কৃত সাহিত্যৰ অনুবাদেৰে আধুনিক বঙলা গদ্যৰ পাতনি মেলিছিল। একেবোৰ কাৰণতে প্ৰাচ্যৰ জাপানী ভাষাৰ "হাইকু" নামৰ অতি চুম্বক তিনিশাৰীৰ কবিতা ইংৰাজী ভাষাত বহুতে প্ৰথম মহাযুদ্ধৰ পিছত কেইবছৰ মান ধৰি অনুশীলন কৰিছিল। এনে ধৰণৰ সাংস্কৃতিৰ প্ৰভাৱৰ পৰিণাম স্বৰূপে সেই সময়তে তেনেবোৰ মূলৰ পৰা প্ৰত্যক্ষ আৰু মূলানুগ অনুবাদৰ আশাসুধীয়া চেষ্টাও চলিছিল।

## সাংস্কৃতিক পৰ্বান্তৰ

এনেবোৰ উদ্যোগৰ ভিত্তি হৈছে একোটা অৰ্দ্ধচেতন আৰু গভীৰ সাংস্কৃতিক পৰ্বান্তৰ। অৰ্থাৎ এনে অনুবাদ কেৱল অন্ধ অনুকৰণ নহয়, প্ৰভাৱৰ যান্ত্ৰিক প্ৰতিধ্বনি নহয়, কিছুমান গভীৰ, অন্তৰ্নিহিত প্ৰয়োজন পূৰণ কৰিবলৈ বিশেষ পৰিস্থিতি আৰু সময়ত সেইবোৰৰ আৱিৰ্ভাৱ হয়। এই ক্ষেত্ৰত দুটা ভাষা সাহিত্যৰ মাজত অনুবাদ একমাত্ৰ সেতু সেঁতু নহয় তাৰ লগতে থাকে অনুকৰণ, সগোত্ৰীকৰণ (adatation), সাৰ-সংকলন আদি নানা ধৰণৰ সম্পৰ্কৰ এক জটিল বিন্যাস।

ব্যক্তিগতভাৱেও লেখকসকলৰ মাজত এনে প্ৰবৃত্তি স্বাভাৱিকভাৱেই লক্ষ্য কৰিব পাৰি। ৰত্নকান্ত বৰকাকতি ৰবীন্দ্ৰনাথৰ দ্বাৰা ইমান গভীৰভাৱে প্ৰভাৱিত হৈছিল যে ৰাবীন্দ্ৰিক ছন্দ, বচনভঙ্গী, ভাবৰ নানা প্ৰকাৰৰ প্ৰতিধ্বনি তেওঁৰ ৰচনাত সুলভ। বেজবৰুৱাৰ কিছুমান গল্পত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ (যেনে 'মুক্তি'ৰ ওপৰত 'ছুটি'ৰ) অতি সুস্পষ্ট যদিও তাৰ পৰিবেশ সম্পূৰ্ণ অসমীয়া হৈ পৰিছে। লেখকৰ ব্যক্তিগত অভিৰুচি আৰু মানসিক তাগিদাৰ লগত তাৰ সম্পৰ্ক থাকে। হোমেন বৰগোহাঞিৰ "সুবালা", এলবাৰ্টো মৰাভিয়াৰ The Woman of Loveৰ (ইং অনুবাদ) দ্বাৰা গভীৰভাৱে প্ৰভাৱিত কোনো কোনো ঠাইত সুস্পষ্ট প্ৰতিধ্বনিও হেনো লক্ষ্য কৰা যায়। (এই সম্পৰ্কে বহুদিন আগতে বীৰেশ্বৰ বৰুৱাই "আৱাহন"ত লেখিছিল)। বাহিৰৰ পৰা পোৱা কোনো জুমুঠি আশ্ৰয় কৰিহে এনে লেখকসকলৰ উক্ত ৰচনাবোৰত কিছুমান বিশেষ ব্যক্তিগত ভাব-অনুভূতি মূৰ্ত হ'ব পাৰিছিল। অতীতৰ সাহিত্যত মাধৱ কন্দলিৰ ৰামায়ণ, কাশীৰাম দাসৰ মহাভাৰতত এনে ব্যক্তিগত তাগিদা আৰু যুগৰ সাংস্কৃতিক প্ৰভাৱ যৌথভাৱে সক্ৰিয় হৈছিল।

কোনোবা কোনো কোনো সৃষ্টিশীল লেখক কোনো বিদেশী ৰচনাৰ দ্বাৰা ইমান গভীৰভাৱে প্ৰভাৱিত হয় যে তেওঁ অনুবাদৰ জৰিয়তে নিজৰ এই অনুৰাগ বা আসক্তি প্ৰকাশ কৰে। তেওঁৰ সেই মোহৰ কাৰণ অনুবাদ

কৰা কিতাপখনৰ স্বকীয় মহত্ত্ব নহ'বও পাৰে। সহজ কথা হ'ল, সেই বিশেষ বিদেশী ৰচনাখনে বা লেখকজনে অনুবাদ কৰা লেখকজনে অনুবাদ কৰা লেখকজনৰ মন প্ৰবলভাৱে আকৃষ্ট আৰু আলোড়িত কৰিছে আৰু তেওঁৰ মনোজগতৰ কিছুমান বিশেষ ভাব, অনুভূতি আৰু উপলব্ধি জাগ্ৰত কৰাত ইন্ধন যোগাইছে। যেনে, বডলায়াৰে মাৰ্কিন কবি এডগাৰ এলেন পোৰ কবিতাত, ৰাইনাৰ মাৰিয়া ৰিলকাই ভিক্টোৰিয়ান যুগৰ অবিখ্যাত মহিলা কবি এলিগাবেথ বেৰেট্ ব্ৰাউনিঙৰ কবিতাত ইংৰাজ বা মাৰ্কিন পাঠকে নেদেখা-নুশুনা মহিমাময় ব্যঞ্জনা আবিষ্কাৰ কৰিছিল। ফিজ্জেৰাল্ডে ওমৰ খৈয়ামৰ যি ৰূপ ইংৰাজ পাঠকৰ আগত দাঙি ধৰি দুটামান পুৰুষ আচ্ছন্ন কৰি ৰাখিলে, তাৰ লগত চুফি ৰহস্যবাদী কবি ওমৰ খৈয়ামৰ বিশেষ সম্পৰ্ক নাই। সেই ওমৰ খৈয়াম ফিজ্জেৰাল্ডৰ মনোজগতৰহে সৃষ্টি— অথচ মূল ওমৰ খৈয়াম অবিহনে যি কোনোদিন পোহৰলৈ নাহিলহেঁতেন। স্পেইনৰ আধুনিক কবিতাৰ ওপৰত তেনে ধৰণে ৰবীন্দ্ৰনাথৰ গভীৰ প্ৰভাৱ পৰিছিল যদিও ৰবীন্দ্ৰনাথক কবিসকলে ভিক্টোৰিয়া ওকাম্পোৰ অনুবাদৰ পৰাহে জানিছিল।

**ব্যক্তিগত অভিৰুচি**

অৰ্থাৎ আগৰ বহু বিখ্যাত অনুবাদৰ মূলতে আছিল ব্যক্তিগত অভিৰুচি বা সামাজিক প্ৰৱণতা। অৱশ্যে তাৰ বিপৰীতে বিশেষ যুগন্ধৰ মৌলিক প্ৰতিভা নোহোৱাকৈও অনুবাদত হাত দি যশ আৰু জনপ্ৰিয়তা লাভ কৰা লেখকো সংখ্যাত তাকৰ নহয়। চীনা-জাপানী সাহিত্যৰ অনুবাদত হাত পকোৱা আৰ্থাৰ ৱলে (Arthur Waley), গ্ৰীক সাহিত্যৰ অনুবাদত গিলবাৰ্ট্ মাৰে (Gilbert Murray), ডষ্টভেস্কিৰ ক্ষেত্ৰত কনষ্টান্স্ গাৰ্ণে'ট (Contance Garnett), টমাচ মানৰ ক্ষেত্ৰত এইচ্ ল' প'ৰ্টাৰ (H. Lowe Porter) এনে উদাহৰণ। এইসকল কুশলী অনুবাদক তেওঁলোকৰ ব্যক্তিগত ৰুচি আৰু ৰসবোধ অনুসৰণ কৰি তেওঁলোকৰ প্ৰিয় গ্ৰন্থকাৰ বা সাহিত্যৰ অনুবাদেৰে নিজ নিজ ভাষাৰ পাঠকক উপকৃত কৰিছে। হয়তো পৰোক্ষভাৱে নিজ ভাষাৰ সাহিত্যৰ গতি-প্ৰকৃতিৰ ওপৰতো কিঞ্চিৎ প্ৰভাৱ পেলাইছে। আমাৰ অসমতো নীলমণি ফুকনৰ জাপানী কবিতাৰ অনুবাদ, অজিত বৰুৱাৰ এলিয়টৰ অনুবাদ, নৱকান্ত বৰুৱাৰ পুস্কিনৰ অনুবাদ ব্যক্তিগত ৰুচি আৰু ৰসবোধৰ পৰিণতি যেনেই লাগে— যদিও তিনিওজনৰে মৌলিক সৃষ্টি ক্ষমতাৰ বাবে তেওঁলোকক মৌলিক সৃষ্টি ক্ষমতাৰ বাবে তেওঁলোকক ঠিক আগতে উল্লেখ কৰা সকলৰ লগত থব নোৱাৰি।

তাহানিখনতে কৃষ্ণকান্ত সন্দিকৈয়ে "অনুবাদৰ কথা" নামৰ আলচ এটিত আঙুলিয়াই দিছিল, স্বদেশ প্ৰেম তথা জাতীয় গৌৰব বৃদ্ধিৰ আকাংক্ষাৰে

চেকোশ্লোভাক্ লেখক আৰু পণ্ডিতসকলে কেনেকৈ অতি কম সময়ৰ ভিতৰতে বিশ্ব সাহিত্যৰ বাছকবনিয়া গ্ৰন্থবোৰ চেক ভাষালৈ অনুবাদ কৰি চেক সাহিত্যৰ ভঁৰাল চহকী কৰিছিল আৰু চেক সাহিত্যৰ মানো বহুত ওপৰলৈ তুলিবলৈ সক্ষম হৈছিল।

এইবোৰ উদাহৰণে প্ৰমাণ কৰে যে যান্ত্ৰিকভাৱে, গতানুগতিকভাৱে কৰা অনুবাদৰ মূল্য নথকা বুলি ক'ব নোৱাৰিলেও, সৃষ্টিশীল অনুবাদৰ তাগিদা, প্ৰেৰণা আৰু চৰিত্ৰ বেলেগ। সেইবোৰৰ লগত অনুবাদক তথা তেওঁৰ পাঠক সমাজৰ গভীৰতৰ প্ৰয়োজন, আকাংক্ষা আৰু প্ৰবৃত্তি কেতবোৰ জড়িত। আজি অসম প্ৰকাশন পৰিষদে মেকিয়াভেলিৰ Il Principe (The Prince) আৰু সাহিত্য অকাডেমিয়ে Lady Murasakiৰ Tales of Genji (ইং অনুবাদ) কৰাইছে। অনুবাদ হয়তো ভালেই হৈছে। কিন্তু অনুবাদ হোৱাৰ প্ৰায় পিছদিনাৰে পৰা পঢ়া মেজত ধূলি ধূসৰিত হৈ পৰি আছে: পাঠক সমাজৰ কোনো হেঁপাহ বা প্ৰয়োজন পূৰণ কৰা নাই, মানুহৰ অন্তৰতো সোমাই যোৱা নাই।

### দৰ্শনৰ প্ৰয়োজন

অৰ্থাৎ অনুবাদৰ বিষয়ে গভীৰভাৱে বুজিবলৈ আৰু ভাবিবলৈ হ'লে সম্প্ৰতি চৰকাৰী আৰু আনুষ্ঠানিক পৃষ্ঠপোষকতা তথা নিয়ন্ত্ৰণত প্ৰচাৰিত হোৱা অনুবাদ সম্পৰ্কে ধাৰণাটো নাকচ কৰিব লাগিব। অনুবাদৰো এটা দৰ্শনৰ প্ৰয়োজন। এই দৰ্শনৰ মূল সূত্ৰ হ'ব এয়ে যে অনুবাদ কেৱল এটা কাৰিকৰী বিদ্যা নহয়। কেৱল ভাষিক প্ৰযুক্তিবিদ্যা সাৰ্থক আৰু কাৰ্যকৰী অনুবাদৰ বাবে যথেষ্ট নহয়। কম্পিউটাৰ আদিৰ সহায়েৰে Machine Translationৰ অত্যাধুনিক প্ৰয়াসো ভ্ৰান্ত আৰু বিভ্ৰান্তিকৰ। অনুবাদত ব্যক্তি আৰু সমাজৰ গভীৰ মানসিক আৰু আবেগিক তাগিদা, প্ৰেৰণা তথা সঁহাৰিৰ ভূমিকা নুই কৰা টান। তাক সম্পূৰ্ণভাৱে আনুষ্ঠানিক বা ৰাষ্ট্ৰীয় নিৰ্দেশ তথা পৰিচালনাত সাৰ্থক কৰি তোলা অসম্ভৱ যদিহে জীৱনৰ গভীৰতৰ প্ৰদেশৰ পৰা সি ৰস আহৰণ কৰিব নোৱাৰে। জাতীয় সংহতিৰ বাবে বিভিন্ন অঞ্চল তথা ভাষাৰ মাজত ভাব-বিনিময় আৰু যোগাযোগৰ প্ৰয়োজন। অথচ দেশৰ সমগ্ৰ সমাজ জুৰি এই উদ্দেশ্যে গভীৰ তাগিদা উপলব্ধি কৰা নহ'লে কেৱল ওপৰৰ পৰা চৰকাৰী নিৰ্দেশত সেই কাম সাৰ্থকভাৱে সম্পন্ন হ'ব নোৱাৰে। কিন্তু সেই ভাব কেনেকৈ সমাজৰ মনে-প্ৰাণে প্ৰৱেশ কৰাব পাৰি? দূৰদৰ্শনত নাইবা ফটুৱা সাংবাদিকৰ ফেনিল ভাষাত সেই "জাগৰণ" আনিব পাৰিলেও, সি সমাজৰ অন্তৰৰ সঞ্জীৱনী হ'ব নোৱাৰে।

আমি অৱশ্যে ক'ব খোজা নাই যে ভাষাৰ সূক্ষ্ম জ্ঞান, ভাব প্ৰকাশৰ নানা কৌশল, ব্যঞ্জনাৰ নানা ৰেহ্-ৰূপ এইবোৰ শিক্ষাৰ পৰা অনুবাদৰ লাভবান নহয়। কাৰণ এনে প্ৰশিক্ষণ অবিহনে যেনেকৈ এহাতে অনুবাদকে মূলক দক্ষতা আৰু জটিলতা অনুভৱ কৰিব নোৱাৰিব, ঠিক তেনেকৈয়ে নিজ ভাষাত তাৰ অনুৰূপ চানেকি নিজ ভাষাত ৰচিবলৈ যাঁওতে স্থূলতাৰ কবলত পৰিব পাৰে। ৰবীন্দ্ৰনাথৰ "ফাগুন লেগেথে বনে বনে" গীতফাঁকিৰ অসমীয়া ভাঙনি কৰা হৈছে "ফাগুন লাগিছে বনে বনে" বুলি। কিন্তু মূলতঃ 'ফাগুন'ৰ মাজত যি "আগুন"ৰ ৰক্তিম আভা প্ৰচ্ছন্ন হৈ আছে, "লেগেছে" ক্ৰিয়াপদে যি ইঙ্গিত স্পষ্ট কৰিছে, অসমীয়া ভাষাৰ 'ফাগুন'ৰ পৰা সেই অৰ্থবৈভৱ আহৰণ কৰিব নোৱাৰি। কিন্তু অসমীয়া অনুবাদত সেই বিষয়ে কোনো চেতনাই নাই। শেষ বিচাৰত এইবোৰ অৱশ্যে সজুলি মাথোন। তাৰ আগতে আহিব লাগিব অনুবাদৰ প্ৰেৰণা, অনুবাদ কৰিবলগীয়া মূল ৰচনাৰ আকৰ্ষণৰ গভীৰ উপলব্ধি, তাৰ অন্তৰ্নিহিত ভাব আৰু ব্যক্ত ৰূপৰ প্ৰবল সম্মোহন।

এই বস্তুটো ফৰমাছ দি সৃষ্টি কৰিব নোৱাৰি। তথাপি আনুষ্ঠানিকভাৱে যে একোকে কৰিব নোৱাৰি, তেনে নহয়। আমাৰ মাজতে ভাষাৰ ওপৰত ভাল দখল থকা এনে বহু লোক আছে যিসকলৰ মৌলিক বক্তব্য তেনে বিশেষ একো নাই, প্ৰকাশৰ কিবা গভীৰ তাড়নাও নাই। খ্যাতিৰ মৰীচিকাৰ পিছে পিছে ঘূৰি তেওঁলোকে মিছাতে মৌলিক ৰচনাৰ বাবে বহুত সময় নষ্ট কৰে। অথচ এওঁলোকৰ বহুতে অনুবাদৰ কামত ঐকান্তিক মনোযোগেৰে লাগি থকা হ'লে স্মৰণীয় অনুবাদ কৰিব পাৰিলেহেঁতেন আৰু সাহিত্যৰ জগততো সন্মানৰ আসন পালেহেঁতেন। কিন্তু অনুবাদ এটা দ্বিতীয় শ্ৰেণীৰ বস্তু বুলি ভবা দোষত তেওঁলোকে সাৰ্থক সাধনাৰ বাট বিচাৰি নাপায়। আমি সেয়ে সচেতনভাৱে অনুবাদত গুৰুত্ব দিয়া উচিত। প্ৰতিখন আলোচনীৰ এটা অনুবাদ শিতান থকা উচিত। পূৰ্ণাঙ্গ অনুবাদ সম্পৰ্কে সমালোচকসকলে নিষ্ঠাৰে পৰ্যালোচনা আগবঢ়োৱা উচিত। অনুবাদত সাফল্যৰ বাবে বাৰ্ষিক বঁটাও থাকিব লাগে। বিশ্ববিদ্যালয়ত বিদেশী ভাষা শিক্ষাৰ পাঠ্যক্ৰমত অনুবাদত গুৰুত্ব দিব পাৰি ইত্যাদি।

### ধাউতিৰ লগত সংগতি

দ্বিতীয়তে, ওপৰৰ পৰা অনুবাদৰ কাৰ্যসূচী সম্পূৰ্ণ জাপি নিদি লেখক তথা জাতিৰ গভীৰতৰ মানসিক প্ৰয়োজন তথা ধাউতিৰ লগত সংগতি ৰাখি তাক নিৰ্ধাৰণ কৰিলেই বোধহয় ভাল। যেনে ধৰক অসমীয়া সাহিত্যৰ কথা। নাট্য সাহিত্যত আমি তুলনামূলকভাৱে পিছপৰা, গতিকে নাটক অনুবাদত

আমি অধিক গুৰুত্ব দিব পাৰোঁহক। নাট্য গোষ্ঠীবোৰৰ পৰা এনে অনূদিত নাট মঞ্চস্থ কৰাৰ উদ্যোগ আহিলে ভাল হয়। তদুপৰি আধুনিক সাহিত্যৰ বহু নমস্য লেখক কাফ্‌কা হওক, বুলগাকফ্‌ হওক, ছালবাটৰে কোৱাছিমভো হওক, আমাৰ বহু শিক্ষিত আৰু ৰসিক পাঠকৰ অপৰিচিত। এনে লেখকৰ ৰচনাৰ উপযুক্ত অনুবাদে নিশ্চয় তেওঁলোকৰ মনৰ খোৰাক যোগাব পাৰিব। তাৰ অবিহনে আজি তেওঁলোকে তুচ্ছ ৰাজনৈতিক বিষয় লৈ— ভৃগু ফুকনে ৰাতি কাৰ লগত খানা খালে, কাক কাক সেই ভোজলৈ মতা নহ'ল ইত্যাদি গুৰুগম্ভীৰ টিপ্পনী পঢ়ি সময় কটাবলগীয়া হৈছে।

ইয়াৰ বাহিৰেও অনুবাদৰ কাৰ্যক্ৰম নিৰ্ণয়ত আন বিবেচনাও আহিব পাৰে। আজি উত্তৰ-পূৰ্বৰ বিভিন্ন গোষ্ঠীৰ মাজত ব্যৱধানৰ দেৱাল ওখ হৈ আহিছে, সাতামপুৰুষীয়া বান্ধোন সুলকি পৰিছে। অথচ আমি পৰস্পৰে পৰস্পৰৰ মনৰ ভাষা নুবুজা হৈছোঁ এই সময়তে। হিন্দী ব্যৱসায়ী সংস্কৃতিয়ে দূৰদৰ্শন আৰু চিনেমাক আশ্ৰয় কৰি আমাৰ থলুৱা সংস্কৃতিৰ শিপাতে কামোৰ মাৰিছে। ইয়াৰ পৰা আত্মৰক্ষা কৰিবলৈ চেষ্টা কৰাৰ গৰজ আমাৰেই। অনুবাদে এই কামত বিশেষভাৱে সহায় কৰিব পাৰে।

কৰ্মশালাৰ সঞ্চালক মহাশয়ে বিভিন্ন ভাৰতীয় ভাষাৰ পৰা ইংৰাজীৰ জৰিয়তে অনুবাদ কৰাৰ কথা কৈছে। বৰ্তমান পৰিস্থিতিত ই এটা অপৰিহাৰ্য পদ্ধতি। কিন্তু শেষ পৰ্যন্ত ইয়াৰ দ্বাৰা কাম হ'ব নে নহয় নাজানোঁ। ৰবীন্দ্ৰনাথৰ মহাপ্ৰতিভাৰ প্ৰতি কোনো ইংৰাজী অনুবাদেই সুবিচাৰ কৰিব পৰা নাই— তাৰ এক নিষ্প্ৰভ, দুৰ্বল, কয় ৰূপহে ইংৰাজীত ফুটি ওলাইছে। সেয়ে ভাৰতীয় ভাষাসমূহ নিষ্ঠাৰে আয়ত্ত কৰাৰ বাবে এতিয়াৰ পৰাই ব্যৱস্থা লোৱা যুগুত হ'ব। এটা ভাৰতীয় ভাষা আন এজন ভাৰতীয়ই শিকা টান নহয়। ভূগোল আৰু ইতিহাসে তাৰ সুবিধাখিনি দিছে। তাহানিখনতে ব্ৰজবুলী পূৰ্ব আৰু উত্তৰ ভাৰতৰ বিৰাট অঞ্চল এটাৰ সাহিত্যৰ ভাষা হৈ পৰিছিল। অষ্টাদশ শতাব্দীতে "ৰাম চৰিত মানস"ৰ অংশ-বিশেষ অসমীয়ালৈ অনুবাদ কৰা হৈছিল। আজিও ইংৰাজীৰ মধ্যস্থতাই কিছু খেলিমেলি লগাবহে পাৰে। কবীৰ বা মীৰাবাঈৰ ভজন ইংৰাজীৰ জৰিয়তে অসমীয়ালৈ ভাঙিলে তাৰ ৰেহ-ৰূপ কেনে হ'ব, অনুমান কৰিব পাৰি।

(নতুন দৈনিক ২৪ নৱেম্বৰ ১৯৮৯)

# অনুবাদৰ দৰ্শন

(খ)

(দুই)

(গুৱাহাটীত ১৮ নৱেম্বৰত অনুবাদ কৰ্মশালাত দিয়া ভাষণ)

অনুবাদ কৰোঁতে আমি এটা মূল পাঠ (Text) সন্মুখত ৰাখোঁ। এই পাঠ বা Textৰ এটা নিৰ্দিষ্ট আক্ষৰিক ৰূপ থাকিব পাৰৰ— যিটো কম-বেছি পৰিমাণে অপৰিৱৰ্তনীয়। পাঠ সমীক্ষাৰ সহায়েৰে এনে আক্ষৰিক পাঠৰ সঠিক বৈজ্ঞানিক ৰূপ উলিয়াব পাৰি। কিন্তু Textবা পাঠ মানে আখৰৰ সমষ্টি নহয়, তাৰ এক মানসিক স্বৰূপহে। অৰ্থাৎ নিৰ্দিষ্ট আক্ষৰিক পাঠৰ ভিত্তিত পাঠকৰ মনে গঢ়ি লোৱা ভাব-অনুভূতি-বোধৰ এটা সমন্বয়। পাঠকভেদে এই মানসিক আৰ্হিটো কিছু বেলেগ বেলেগ হ'ব পাৰে। আনকি বেলেগ বেলেগ সমাজত, বেলেগ বেলেগ যুগত এই পাঠৰ গতি প্ৰকৃতিৰো সালসলনি হ'ব পাৰে। তেন্তে অনুবাদ কিহৰ পৰা হ'ব? আক্ষৰিক অনুবাদ সঠিক হ'ব নে কোনো সামগ্ৰিক ব্যাখ্যাৰ ওপৰত নিৰ্ভৰ কৰা অনুবাদ সঠিক হ'ব?

ওমৰ খৈয়াম আছিল পাৰস্যৰ ৰহস্যবাদী কবি। ফিজ্জেৰাল্ডৰ অনুবাদত তেওঁ হৈ পৰিল ঊনবিংশ শতাব্দীৰ শেষ ভাগৰ সন্দেহবাদী, ইন্দ্ৰিয়বিলাসী (Sceptical, hedonist) কবি, ধৰ্মৰ মোহ যাৰ বাবে শেষ হৈ গৈছে। যতীন দুৱৰাৰ অনুবাদত আকৌ অদৃষ্টবাদ দুখবাদৰ সুৰ অধিক প্ৰবল। মূলৰ উপাদান দুয়ো গ্ৰহণ কৰিছে। কিন্তু দুয়োৰে মনৰ ৰসায়ণত সেই উপাদানে বেলেগ বেলেগ ৰূপ ধাৰণ কৰিছে।

ইংলণ্ডত ইলিয়াডৰ অনুবাদ বহুতবাৰ পোপৰ ইলিয়াডতকৈ বেলেগ; এন্দ্ৰু লাঙৰ (Andrew Lang) অনুবাদ ই বি ৰিউৰ (E.V. Rieu) অনুবাদতকৈ বেলেগ। এলিয়টে ঐতিহাসিকভাৱে পৰিৱৰ্তনশীল যি ৰুচি তথা সংবেদনৰ (Sensibility) কথা কৈছে, আমি বিভিন্ন যুগত একোটা পাঠৰ বেলেগ বেলেগ অনুবাদত তাৰেই নিদৰ্শন পাওঁহক।

সাহিত্যকৰ্মৰ আচল পাঠ কি হ'ব, সেই প্ৰশ্নৰ উত্তৰ উক্ত সাহিত্যকৰ্মৰ লেখকে দিব পাৰেনে? এই বিষয়ে আজিৰ সমালোচকসকল সন্দিহান। অৱশ্যে কোনো কোনো আত্মকেন্দ্ৰিক লেখকে ভাবে যে তেওঁৰ ৰচনাৰ নিজে কৰা অৰ্থ বা ব্যাখ্যা তেওঁ ছীল-মোহৰ মাৰি চন্দুকত থৈ দিব পাৰে। আচলতে শব্দৰ (আৰু ভাষাৰ) অনিবাৰ্য সামাজিক চৰিত্ৰৰ ফলত এনে আত্মদ্ৰোহী কৌশল অৰ্থহীন হৈ পৰিবলৈ বাধ্য। তাহানিখনতে The Wasteland কবিতাৰ ব্যাখ্যা কৰিবলৈ গৈ যশস্বী সমালোচক আই এ ৰিচাৰ্ডছে (I.A. Richards) তাৰ মাজত এটা প্ৰজন্মৰ গভীৰ মোহভংগৰ (Disillusionment of a Generation) সুৰ শুনিছিল। তেতিয়া কবিতাটোৰ ৰচয়িতা টি এছ এলিয়টে (T.S. Eliot) বিৰক্তি আৰু উষ্মা প্ৰকাশ কৰি কৈছিল, ৰিচাৰ্ডছৰ ব্যাখ্যা "মোহভংগৰ মোহ" হে (Illusion of Disillusionment)!

ৰোমাণ্টিকতাৰ ভয়ত সদাসন্ত্ৰস্ত এলিয়টে স্বাভাৱিকতে কবিতাটোত নিহিত নৈৰাশ্য বোধ আৰু বিষাদক স্বীকাৰ কৰি ল'ব খোজা নাছিল। সেয়ে কবিতাটোৰ সেই দিশটো তেওঁ অগ্ৰাহ্য কৰিবলৈ বিচাৰিছিল। সুখৰ বিষয়, এলিয়টৰ উক্তি কবিতাটোৰ অৰ্থৰ বিষয়ে শেষ সিদ্ধান্ত (Last World) বুলি কোনেও ভবা নাই। এই বাবেই বোধহয় ডি এইচ লৰেন্সে কৈছিল: "কাহিনীকহে বিশ্বাস কৰিবা, কাহিনীকাৰক নহয়।" (Trust the tale, not the teller!)

এনেবোৰ কাৰণতে আজিৰ অনুবাদকৰ বাবে অনুবাদৰ সমস্যা আৰু জটিল হৈ পৰিছে। আমি ধৰি লোৱা পাঠটো বাস্তৱ নে অলীক? মনে গঢ়া নে স্বয়ংসম্পূৰ্ণ? "বিশুদ্ধ" বুলি ছীল মোহৰ মোৰ নে জন্মৰে পৰা পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত "ভেজাল"? আজিৰ সমালোচকসকলে সেয়ে একোটা পাঠৰ (Text) গঠন বা নিৰ্মাণৰ (Construction) ওপৰত গুৰুত্ব দিছে। এখন সমাজত কেতবোৰ পাঠ গঠিত বা নিৰ্মিত হয় সি এক প্ৰক্ৰিয়া। অৰ্থাৎ পাঠবোৰ কোনো পূৰ্ব নিৰ্দিষ্ট ধৰা-বন্ধা পদাৰ্থ নহয়। আকৌ পাঠৰ এই গঠন বা নিৰ্মাণ নিৰ্ভৰ কৰে উক্ত সমাজৰ বিশেষ সাংস্কৃতিক ব্যৱস্থা (Cultural system) আৰু সাংস্কৃতিক পৰিমণ্ডলৰ ওপৰত। অনুবাদো এই গঠন প্ৰক্ৰিয়াৰ বহিভূত নহয়।

### সমৃদ্ধ-ভাৱঘন

কবিতাত শব্দৰ অৰ্থ বিশেষভাৱে সমৃদ্ধ আৰু ভাৱঘন। সেয়ে কবিতাৰ পৰা পাঠৰ গঠনত সাংস্কৃতিক ব্যৱস্থাৰ প্ৰভাৱৰ উদাহৰণ প্ৰচুৰ দিব পাৰি। তেনে দুটামান কথা সদ্যহতে আঙুলিয়াই দিওঁ:

That time of your thou mayst in me behold.

When yellow leaves, or none— or few, do hang.
Upon these boughs which shake against the cold.
Bare ruin'd choirs, where late the sweet birds sang....

শেষৰ পংক্তিটো বঙলা ভাষাৰ খ্যাতিনামা কবি বিষ্ণু সেই অনুবাদ কৰিছে বঙলা সমাজ-সংস্কৃতিৰ অনুষংগৰে বিজড়িত এটি উপমাৰ সহায়েৰে: "কীৰ্তন-আঙিনা শূন্য" কিন্তু যদিও তাৰ ফলত এক অনাত্মীয় কল্পচিত্ৰ পাঠকৰ কাষ চাপি আহিল, মূলৰ কেতবোৰ গুৰুত্বপূৰ্ণ উপাদান অনুবাদে ৰক্ষা কৰিব নোৱাৰিলে।

Choir (কোয়াৰ) হৈছে গীৰ্জাঘৰৰ সেই অংশ য'ত বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত গায়কৰ দলে, ধৰ্ম সংগীত গায়। এই দলটোকো "কোয়াৰ" বোলা হয়। ইংলণ্ডত আজি বহুকাল ধৰি এনে সমবেত ধৰ্মসংগীত কোমল বয়সৰ ল'ৰাৰ দলৰ হতুৱাই গোওৱা হয়। সেয়ে শীতৰ পত্ৰপুষ্পহীন গছৰ ডালবোৰৰ লগত কোয়াৰৰ তুলনা আৰু সেই প্ৰসঙ্গতে Sweet birdsৰ গানৰ উল্লেখ মৰ্মস্পৰ্শী। মনত ৰাখিব লাগিব যে Choirটো কেৱল bare এই নহয়, ruin'd ও। কিন্তু "কীৰ্তন আঙিনা শূন্য" বোলোঁতে পৰিত্যক্ত, ধ্বংসপ্ৰাপ্ত গীৰ্জাঘৰ এটাৰ কথা মনলৈ আহে।

এলিয়টৰ ইষ্ট ক'কাৰ (East Coker) অনুবাদ কৰোঁতে ঠিক তেনেকৈ অজিত বৰুৱাই এটা অতি গুৰুত্বপূৰ্ণ theme লঘু কৰি পেলাইছে বুলি ধাৰণা হয়। In my beginning is my end"— এই প্ৰথম পংক্তিৰ পৰা যিটো theme আৰম্ভ হৈছে, তাৰ বিচিত্ৰ পুনৰাবৃত্তি (reptition) আৰু ৰূপভেদ (variation) সমগ্ৰ কোৱাৰ্টেটটোৰ মাজত শাখা-প্ৰশাখা বিস্তাৰ কৰি বিয়পি আছে। সংগতভাৱেই কৰিতাটো শেষ হৈছে:

"In my end is my beginning বুলি। অজিত বৰুৱাই তাৰ অনুবাদ কৰিছে:

"মোৰ আৰম্ভণিতে মোৰ শেষ" (প্ৰথম পংক্তি)

আৰু

"মোৰ শেষতেই মোৰ আৰম্ভ" (শেষ পংক্তি)। এতিয়া প্ৰশ্ন হ'ল, শেষ শব্দটো end শব্দৰ সমাৰ্থকনে? "শেষ" বুলিলে কোনো ঘটনা, প্ৰক্ৰিয়া, বস্তু আদিৰ অৱসান হোৱা, ক্ষয় হৈ ঢুকাই যোৱা, অন্ত পৰা আদি বুজায়। "End" শব্দত তেনে এক ইঙ্গিত আছে। বাৰ্দ্ধক্য, জীৱনৰ অৱসান হোৱা, মৃত্যু প্ৰভৃতি ভাবৰ ধ্যান কবিতাটোত আছে নিশ্চয়। কিন্তু তাৰ বাহিৰেও আন কিছুমান অৰ্থ আছে যিবোৰ "শেষ" শব্দটোৱে সঠিকভাৱে প্ৰকাশ নকৰে। যেনে, এটা অৰ্থপূৰ্ণ কাহিনী বা বৃত্তান্ত (narrative) সামৰণি বা সমাপ্তিলৈ অহা। "সামৰণি" বুলিলে নাট সামৰা সাধু সামৰা ইত্যাদি ব্যঞ্জনাবোৰো

আহি যায়। ফলত এটা অৰ্থপূৰ্ণ বৃত্তান্তৰ অৰ্থপূৰ্ণ সমাপ্তিৰ ভাবটো "সামৰণ" শব্দই বেছি বলিষ্ঠতাৰে বহন কৰে। কিন্তু endৰ আন এক তাৎপৰ্য আছে যাক হয়তো "সামৰণে" ও ঢুকি নাপায়। endৰ সেই বিশেষ অৰ্থটো হ'ল লক্ষ্য বা উদ্দেশ্য। কোনো এক প্ৰক্ৰিয়াৰ সামৰণিতহে সেই প্ৰক্ৰিয়াৰ উদ্দেশ্য বা তাৎপৰ্য পৰিস্ফুট হ'ব পাৰে। এই ধাৰণাটো আৰিস্ততলৰ দৰ্শনৰ পৰা খ্ৰীষ্টিয় ধৰ্মতত্ত্বৰ জৰিয়তে ইউৰোপৰ ভাষাবিলাকৰ অংগীভূত হৈছে। "Final cause"ৰ সেই ৰহস্যৰ অজিত বৰুৱাৰ নিৰ্বাচিত শব্দটোৱে ইঙ্গিত নিদিয়ে। যথাযথ শব্দটো কি হ'ব পাৰে, কোৱা টান। কিন্তু, endকেনেকৈ beginning হ'ব পাৰে তাৰ ৰহস্য end শব্দৰ এই অৰ্থতে বোধহয় ভালেখিনি নিহিত হৈ আছে।

অজিত বৰুৱাই "ইষ্ট ক'কাৰ"ৰ অনুবাদত মূলভাব অনুসৰণ কৰিছে। কবি হিচাপে তেওঁ দক্ষ কাৰিকৰ। কিন্তু ছন্দ আৰু লয়ৰ অপূৰ্ব সূক্ষ্ম পৰিচালনাৰে 'কোৱাৰ্টেট'টোৰ বিভিন্ন অংশত এলিয়টে সেই theme বোৰৰ কি বেলেগ বেলেগ variation (ৰূপভেদ) ৰচিছে অসমীয়াত অজিত বৰুৱাই ফুটাই তুলিব পৰা নাই। বৰং কবিতাটোৰ অনুবাদৰ অধিকাংশ ঠাইতে লক্ষ্য কৰা যায় চুটি-দীঘল বিভিন্ন পংক্তিৰ মাজতো একঘেঁয়ে গদ্যছন্দৰ শিথিল, পেশীহীন অনুক্ৰম। ইয়াৰে কিছুমান ব্যক্তিগত ব্যৰ্থতা হ'ব পাৰে, কিন্তু প্ৰধান কাৰণ হৈছে দুটা সংস্কৃতিক ব্যৱস্থাৰ মাজত থকা দুৰ্লঙ্ঘ্য ব্যৱধান।

## সাংগীতিক কৌশল

ইষ্ট ক'কাৰৰ অনুবাদৰ শেষৰ পিনে অজিত বৰুৱাই পশ্চিমীয়া সংগীত আৰু কোৱাৰ্টেট সম্পৰ্কে পাঠকক বিস্তৰ জ্ঞান বিতৰণ কৰিছে। কিন্তু দুখৰ বিষয় যে কি কাৰণেনো এলিয়ট কবিতাটোৰ গঠনত সাংগীতিক (বা সংগীতসদৃশ) কৌশলৰ আশ্ৰয় লৈছে সেই বিষয়ে কোনো আলোচনা নাই। প্ৰকৃততে "Music of ideas" (ধাৰণাৰ বা ভাবৰ সংগীত) বুলি যিটো বৈশিষ্ট্যৰ পিনে এলিয়টে আঙুলিয়াই দিছে অজিত বৰুৱাৰ পদ্যভাষাত তাৰ কোনো ইঙ্গিতেই নাই। মই পশ্চিমীয়া সংগীতৰ বিষয়ে বেছি ভাগ নাজানোঁ। কিন্তু এলিয়টৰ "ফ'ৰ কোৱাৰ্টেটছ্" কাব্যৰ আংগিকত যি সাংগীতিক বৈশিষ্ট্য ফুটি উঠিছে, বহুদিন 'পঢ়াৰ পিছত তাৰ উপস্থিতি ধৰিব পৰা হৈছোঁ। অজিত বৰুৱাৰ অনুবাদ আৰু ভাষ্য দুয়োটাতে সেই গুণটো নেদেখোঁ।

অৰ্থাৎ এখন সমাজ আৰু এটা বিশেষ সংস্কৃতিত পুষ্ট আৰু গঠিত পাঠ এটা আন এক সমাজ-সংস্কৃতিৰ লগত সংগতি থকা পাঠ এটালৈ ভাষান্তৰিত কৰা অতি দুৰূহ কাম। প্ৰতিটো ভাষাৰে শব্দ আৰু বাক্যবোৰ যেনেকৈ

কেতবোৰ নিৰ্দ্ধাৰিত ধ্বনিৰ আলমত গঢ় লৈ উঠে, তেনেদৰে সেই ভাষাত ব্যক্ত হোৱা ধ্যান-ধাৰণাবোৰো কেতবোৰ বিশেষ মৌলিক পূৰ্বধাৰণাক আশ্ৰয় কৰি প্ৰকাশিত হয় যেন লাগে। এনে ধৰণৰ পূৰ্বধাৰণাৰ ছাকনিখন (ইংৰাজীত grid বুলি কৈছে পণ্ডিতসকলে) যিহেতু ভিন্ন ভিন্ন ইতিহাসৰ সৃষ্টি— সিহঁতৰ মাজত প্ৰভেদ বা পাৰ্থক্য স্বাভাৱিক। অনুবাদ কেৱল শব্দৰ, বাক্যৰ বা বিশেষ বিশেষ ভাবৰ নহয় ক'বলৈ গ'লে অনুবাদত এক সমাজ-সংস্কৃতিৰ grid বা ছাকনিখনো অনুবাদকে আন এক সমাজ-সংস্কৃতিৰ gridৰ লগত খাপ খুৱাই ল'বলগীয়া হয়।

কিছুমানে সেয়ে ক'ব খোজে যে কবিতা বা সাহিত্যৰ অনুবাদত অনুবাদকে "সঠিক" অনুবাদৰ মোহ এৰিব লাগে। তেওঁলোকৰ মতে অনুবাদ হৈছে কোনো বিদেশী বস্তুৰ প্ৰতি অনুবাদকৰ মনৰ প্ৰতিক্ৰিয়া। আমি এই কথাটো মানি ল'ব নোৱাৰোঁ। কোনো এক ঐতিহাসিক মুহূৰ্তত অনুবাদকে তেওঁৰ সমাজ-সংস্কৃতিৰ প্ৰভাৱত বিদেশী ৰচনাত যিটো গুণ প্ৰত্যক্ষ কৰে, সেই গুণটো সম্পূৰ্ণ তেওঁৰ উদ্ভাৱন নহয়। সেইবাবেই তেওঁৰ যুগ আৰু সমাজৰ আন ৰসিক পাঠকেও তেওঁ আৱিষ্কাৰ কৰা গুণ বা বৈশিষ্ট্য উক্ত বিদেশী ৰচনাত বিচাৰি পাব পাৰে।

ৰোমাণ্টিক আৰু ভিক্টোৰিয়ান যুগৰ ৰুচিৰ প্ৰভাৱত এণ্ড্ৰু লাং আৰু গিলবাৰ্ট মাৰে'ই গ্ৰীক সাহিত্যত যিবোৰ গুণ প্ৰত্যক্ষ কৰিছিল, যুগ আৰু চেতনাৰ পৰিৱৰ্তনৰ পিছত হিল্ডা ডুলিটল্ (Hilda Doolittle) আদি অনুবাদকে তাৰ ঠাইত আৱিষ্কাৰ কৰিলে বাক্ সংযম আৰু কঠিন মিতব্যয়িতা। সমসাময়িকসকলেও নিজৰ অভিজ্ঞতা আৰু উপলব্ধিত তাৰ প্ৰমাণ পালে।

এই উপলব্ধি মোহগ্ৰস্ত বুলি আমি নকওঁ। বৰং কম যে বাস্তৱ সত্যৰ (reality) অন্যান্য দিশৰ অনুভৱৰ দৰে সাহিত্যৰ অনুভৱো পৰিৱৰ্তনশীল।

আনহাতে, এই পৰিৱৰ্তনশীলতাই মুকলি কৰি দিছে সৃষ্টিশীলতাৰ পথ। প্ৰতিজন দায়িত্বশীল অনুবাদকেই মূল পাঠৰ বিশেষ পৰিসীমাৰ মাজত স্ৰষ্টাৰ ভূমিকা ল'ব পাৰে আৰু এই সৃষ্টিশীলতাইহে অনুবাদৰ মূল্য নিৰ্দ্ধাৰণ কৰে।

অত্যাধুনিক সমালোচনাৰ তত্ত্বই সৃষ্টিশীলতাৰ এই ধাৰণা নাকচ কৰি তাৰ ঠাইত অৰ্থৰ (meaning) ব্যাপক নৈৰাজ্য আহ্বান কৰিছে। অৰ্থাৎ মানুহ আৰু যন্ত্ৰৰ তফাৎ নোহোৱা কৰিছে। আমি কিন্তু ভাবোঁ যে সৃষ্টিশীলতাই মানুহৰ পৰিচয়। নিৰ্দ্ধাৰিত সীমাৰ মাজত, নিৰ্দিষ্ট উপাসনাৰ আলমত এই সৃষ্টিকাৰ্য সম্পন্ন হয়। অনুবাদ হৈছে অধিক সুস্পষ্ট, অধিক কঠোৰ পৰিসীমাৰ মাজত কৰা সৃষ্টি যি আৱিষ্কাৰৰ পৰা অভিন্ন।

(নতুন দৈনিক ২৫ নবেম্বৰ ১৯৮৯)

# কবিতা আৰু সংগীত

যোৱা ২৫ নবেম্বৰৰ "নতুন দৈনিক"ত অনুবাদৰ দর্শন (২য় খণ্ড) শীর্ষক মোৰ যি ভাষণ প্ৰকাশ পাইছে, তাত সূচনাৰ (reference) এটা ভুল এজন ছাত্ৰ বন্ধুৱে আঙুলিয়াই দিছে। তেওঁ কৈছে যে এলিয়টে "Music of Ideas" বুলি কোনো বাক্যাংশ ক'তো ব্যৱহাৰ কৰা নাই। উক্তিটো প্ৰকৃততে এলিয়টৰ সমালোচক আই এ' ৰিচার্ডছৰহে। ময়ো দেখিলোঁ যে ৰিচার্ডছৰ Principles of Literary Criticism (১৯৬৭ সংস্কৰণ)ৰ ২৩৩ নং পৃষ্ঠাত এলিয়টৰ কবিতাৰ আলোচনাৰ প্ৰসংগত এই উক্তিটো কৰা হৈছে।

এই ত্ৰুটিটো লৈ বেছি উচ্চ বাক্য নকৰিলোহেঁতেন। কিন্তু দুর্ভাগ্যবশতঃ অসমৰ বিদ্বৎ সমাজত তেনে ধৰণৰ ভুল-ত্ৰুটি লৈ বিস্তৰ হুলস্থূল লগাই মূল বক্তব্য আওকাণ কৰাৰ ভুৱা পাণ্ডিত্য অতি সুলভ। সেয়ে কথাটো আৰু অলপ বহলাই ব্যাখ্যা কৰাৰ প্ৰয়োজন অনুভৱ কৰিলোঁ। অলপ পানীতে পুঠিমাছ ফৰফৰোৱাৰ দৰে যাতে কিছুমান দুষ্ট বুদ্ধিপ্ৰণোদিত মানুহে হুলস্থূল লগাব নোৱাৰে, সেয়ে এই ব্যৱস্থা।

আধুনিক কবিতাৰ গঠন (Structure) কেনে ধৰণৰ হ'ব তাকে লৈ আধুনিক কবিতাৰ জন্মদাতাসকলৰ যথেষ্ট চিন্তা-ভাবনা আছিল। কাহিনী, কোনো প্ৰাকৃতিক দৃশ্য, কবিৰ এক বিশেষ উপলব্ধি, কোনো ব্যক্তিৰ বাহ্যিক ঘটনা ইত্যাদি বিষয়ৰ ওপৰত নিৰ্ভৰ কৰি লেখা কবিতা তেওঁলোকৰ এচামৰ বাবে দেউলীয়া আৰু আমনি লগা হৈ পৰিছিল। ব্যৱহাৰিক জগতৰ যান্ত্ৰিক স্পৰ্শত মৃতপ্ৰায় হৈপৰা ভাষাই কবিতাৰ জগতত সোমাই কবিতাৰ চৰিত্ৰ ভ্ৰষ্ট কৰিব পাৰে: এয়েই আছিল তেওঁলোকৰ ভয়। তাৰ বিৰুদ্ধে তেওঁলোকে দুটা ব্যৱস্থা ল'লে। কবিতাত শব্দৰ প্ৰত্যক্ষ অৰ্থতকৈ তাৰ ব্যঞ্জনা বা ইংগিতময়তাৰ ওপৰত গুৰুত্ব দিছিল তেওঁলোকে। দ্বিতীয়তে কবিতাৰ সংগঠনত তেওঁলোকে নিৰ্দ্ধাৰিত গদ্যাৰ্থৰ (Paraphrase) ঠাইত পুনৰাবৃত্তি, ভাবানুষংগ, বৈপৰিত্য আদি কেতবোৰ বিমূৰ্ত কিটিপৰ সহায় ল'লে। দুয়োটাই প্ৰকৃততে কবিতাক সংগীতৰ ওচৰ চপাই আনিলে।

আধুনিক কবিতাৰ পূৰ্বসূৰী প্ৰতীকবাদী (Symbolist) সকলৰ মাজত

সংগীতৰ লগত কবিতাৰ আত্মীয়তাৰ ধাৰণা আছিল সুলভ। মালাৰ্মেৰ কবিতাত শব্দবিলাক সংগীতৰ স্বৰৰ (notes)দৰে সংগঠিত আৰু সংস্থাপিত হৈছিল। ১৯২৬ চনত ৱালে'ৰিয়ে স্পষ্টকৈ এই আৰ্হিটো দাঙি ধৰিছিল। (Literary Criticism: A Short History, by Wimsatt & Brooks, 1970, P. 593; P. 668)

টি এছ্ এলিয়টে প্ৰতীকবাদীসকলৰ পৰা বহু বস্তু ধাৰ কৰিছে। আচৰিত নহয় যে তেওঁ কবিতা আৰু সংগীতৰ এই ঘনিষ্টতাৰ ধাৰণাটোও গ্ৰহণ কৰিছে। কিন্তু এই ধাৰণাটো বুজাত ভাৰতীয় ৰাগভিত্তিক সংগীতত অভ্যস্ত মানুহে ভুল কৰিব পাৰে। সেয়ে এই ধাৰণাটোৰ অলপ ব্যাখ্যাৰ প্ৰয়োজন আছে। এটা বিশেষ সুৰৰ প্ৰকাশ তথা বিস্তাৰণ পশ্চিমীয়া সংগীতৰ বৈশিষ্ট্য নহয়। নানা সুৰৰ বিন্যাস আৰু সংঘাত তাত সুলভ। বিশেষকৈ তাৰ বাদ্য সংগীতৰ বৈশিষ্ট্য হৈছে কোনো স্বৰ-মালাৰ (theme) বিচিত্ৰ পুনৰাবৃত্তি আৰু ৰূপান্তৰ (variation)। কবিতাৰ গঠনৰীতি এই ধৰণে সাংগীতিক কৰি তোলাটো এলিয়টৰো এটা সচেতন উদ্দেশ্য আছিল। এই কথাটোকে আমি অনুবাদৰ দৰ্শন' (২য় খণ্ড)ত চমুকৈ অথচ স্পষ্টভাৱে কৈছিলোঁ।

এই কথাৰ প্ৰমাণ কি? এলিয়টে তেওঁৰ The Music of Poetry নামৰ ভাষণত কৈছে: "The use of recurrent themes is as natural to poetry as to music There are possibilities fo verse which bear some analogy to the development of a theme by different groups of instruments; there are possibilities of transtitions in a poem comparable to the different movements of a symphony as a quartet; there are possibilities of contrapuntal arrangement of subject-matter."

সংগীতৰ দৰে কবিতাতো পুনৰাবৃত্ত স্বৰমালা বা কলিৰ ব্যৱহাৰ স্বাভাৱিক। এটা কলি বা স্বৰমালাক যিদৰে বিভিন্ন বাদ্যবৃন্দত বিকশিত কৰি তোলা হয়, সেইদৰে কবিতাৰ আংগিকৰ ৰূপ দিয়াৰো সম্ভাৱনা আছে। এটা ছিম্ফনি বা কোৱাৰ্টেটৰ বিভিন্ন বিভাগৰ (movements) মাজত যিদৰে উত্তৰণ ঘটে, সেইদৰে কবিতাৰো বেলেগ বেলেগ অংশৰ মাজত উত্তৰণ ঘটোৱা সম্ভৱ। সেইদৰে বিষয়ৰ বা স্বৰমালাৰ বিপৰীতধৰ্মী বিন্যাসৰ আয়োজনো কৰা যায়।

এলিয়টৰ 'ফ'ৰ কোৱাৰ্টেটছ্' নামৰ কাব্যৰ চাৰিওটা খণ্ডৰে প্ৰতিটো খণ্ডত কেৱল কোৱাৰ্টেটৰ দৰে বেলেগ বেলেগ movement থকাই তাৰ সাংগীতিক চৰিত্ৰৰ মূল বৈশিষ্ট্য নহয়। বৰং তাৰ মাজেদি পৰিস্ফুট হৈ উঠা কিছুমান নিৰ্দিষ্ট ভাবৰ অবিশ্ৰাম বিচিত্ৰ পুনৰাবৃত্তি, ৰূপান্তৰ গ্ৰহণ আৰু সংঘাতপূৰ্ণ উপস্থাপনেহে তাৰ সাংগীতিক গঠনৰ প্ৰমাণ দিয়ে।

উল্লেখ কৰা ভাল হ'ব যে আই, এ', ৰিচাৰ্ড্ছেও তেওঁৰ আলোচনাত (উল্লিখিত গ্ৰন্থ, পৃঃ ২৩৫) এই ৰীতি বা শৈলীৰ কথাকে স্পষ্টকৈ উল্লেখ কৰিছে।

সেয়ে আমাৰ সূচনাৰ ত্ৰুটি কিছু গোলমলীয়া হ'লেও মূলতঃ বিভ্ৰান্তিকৰ নহয়। বৰং এলিয়টৰ কাব্যৰ বিশেষকৈ 'ফ'ৰ কোৱাটেট্'ৰ গঠন আৰু শৈলী বুজাত সি আমাক সহায় কৰে।

(নতুন দৈনিক ৫ ডিচেম্বৰ, ১৯৮৯)

# অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ সমস্যা

## (গ)

**খিলঙৰ "ফৰিয়াদী" গোষ্ঠীৰ আলোচনাচক্ৰত ১৫/৪/৮৩ তাৰিখে দিয়া ভাষণ**

সাম্প্ৰতিক অসম আন্দোলনৰ সমস্যা এনে জটিল আৰু বহুমুখী যে তাৰ বিষয়ে সম্যক ধাৰণা কৰাটো সহজ নহয়। এনে বহুমুখী সমস্যাক সহজ ফৰ্মুলাত পেলাই উৰাই দিয়াটো সহজ— সহজ নহয় তাক ভালদৰে আয়ত্ত কৰি সমাধানৰ সিহা দিয়া। বিশেষকৈ ইয়াৰ ইতিবাচক আৰু নেতিবাচক বৈশিষ্ট্যবোৰ এনেদৰে মিহলি হৈ আছে যে আমাৰ মনত বিভ্ৰান্তি ওপজা স্বাভাৱিক।

এনে জটিলতাৰ কিছুমান উদাহৰণ দিয়া যাওক। বহুতে আঙুলীয়াই দিছে যে এই আন্দোলনৰ মাজত এক উগ্ৰ হিন্দু মনোভাব আৰু উগ্ৰ মুছলমান বিদ্বেষে কাম কৰিছে। কিছুমান হত্যাকাণ্ডৰ মাজত নিঃসন্দেহে তাৰ নিদৰ্শন পোৱা যায়। সেইদৰে আন্দোলনৰ সমৰ্থনত প্ৰকাশিত কিছুমান প্ৰচাৰত এই ধাৰণা নিশ্চয় ধৰা পৰে। কিন্তু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰচাৰত এইবোৰ ধ্যান-ধাৰণা অতি স্পষ্ট আৰু পৰিষ্কাৰ। এনে স্পষ্ট মুছলমান বিৰোধী প্ৰচাৰৰ পৰাই R.S.S. এ তাৰ শক্তি আহৰণ কৰে। কিন্তু অসম আন্দোলনৰ প্ৰচাৰত এনে মুছলমানবিদ্বেষ কেতিয়াও পৰিস্কাৰ নহয়। বৰং অতি সযতনে আন্দোলনৰ প্ৰভাৱশালী নেতৃত্বই এনে ধৰ্মবিদ্বেষ নেওচা দিছে। লগে লগে অসমীয়া মুছলমান সমাজক আন্দোলনত গভীৰ ভাৱে জড়িত কৰিবলৈ তেওঁলোকে চেষ্টাৰ ত্ৰুটি কৰা নাই। মুছলমান বিদ্বেষ ব্যৱহাৰ কৰিব বিচৰা হলে তেওঁলোকে এই চেষ্টা নকৰিলেহেতেন।

অৱশ্যে ই প্ৰায় প্ৰমাণিত সত্য যে আন্দোলনৰ নামত হোৱা কেতবোৰ ঘটনাৰ মাজত মুছলমানবিদ্বেষী ধৰ্মীয় সাম্প্ৰদায়িক শক্তিৰ কাৰ্য্যকলাপৰ আভাস আছে। অসম আন্দোলনৰ নেতৃবৃন্দ এই ধৰ্মীয় সাম্প্ৰদায়িকতাৰ গোপন কাৰ্য্যকলাপ ৰোধ কৰাত ব্যৰ্থ হৈছে। অৰ্থাৎ আন্দোলনৰ মাজত শক্তিশালী ধৰ্মনিৰপেক্ষ তথা প্ৰগতিশীল ভাবধাৰা সক্ৰিয় নহয়। আনহাতে আন্দোলনৰ বিৰোধিতা

কৰিবলৈ কৰা চেষ্টাৰ মাজতো বিপদৰ আশংকা আছে। কাৰণ সীমাৰ ভিতৰত নাথাকিলে দেশৰ ঐক্যৰ বা জাতিৰ ঐক্যতকৈ বিশ্বৰ সকলো মুছলমানৰ ঐক্যতহে সি গুৰুত্ব দিব আৰু তাৰ ফলত দেশীয় সমাজত বিভেদ-বিদ্বেষ বাঢ়িব। হিন্দু উগ্ৰ সাম্প্ৰদায়িকতাৰ উত্তৰ উগ্ৰ মুছলমান সাম্প্ৰদায়িকতা কেতিয়াও হ'ব নোৱাৰে। বলিষ্ঠ ধৰ্মনিৰপেক্ষতাই তাৰ যথাৰ্থ উত্তৰ।

আচলতে হিন্দু মুছলমান সমস্যা সমগ্ৰ ভাৰতৰে অসম্পূৰ্ণ আৰু বিকলাংগ জাতীয় বিপ্লৱৰ লক্ষণ। সাম্ৰাজ্যবাদৰ কবলৰ পৰা জনগণে যি সংগ্ৰাম কৰিছিল সেই সংগ্ৰামৰ নেতাসকলে ভাৰতৰ দুই প্ৰধান ধৰ্মাৱলম্বী জনজণক ঐক্যবদ্ধ কৰিব নোৱাৰিলে। ইংৰাজৰ প্ৰৰোচনাত তেওঁলোকে ভাৰত বিভাজনৰ দৰে মাৰাত্মক আৰু চৰম ব্যৱস্থাও মানি লৈছিল— কিন্তু তাৰ দ্বাৰা সাম্প্ৰদায়িক সমস্যাৰ মীমাংসা নহ'ল। আজি অসম আন্দোলনৰ খুন্দাত সেই প্ৰাচীন সমস্যা পুনৰ মূৰ দাঙি উঠিছে। কেৱল অসম আন্দোলনে এই সমস্যা সৃষ্টি কৰা বুলি ভাবিলে ডাঙৰ ভুল হ'ব নিশ্চয়।

অসম আন্দোলনৰ নেতৃত্বই নিশ্চয় ফেচিষ্ট আৰু উগ্ৰজাতীয়তাবাদী পথ অনুসৰণ কৰিছে। বহুঠাইত তেওঁলোকে বিকৃত মানসিকতাৰ বশৱৰ্তী হৈ ভয়াবহ হত্যাকাণ্ড আৰু অগ্নিসংযোগত হয় ইন্ধন যোগাইছে, নহয় ঔদাসিন্য দেখুৱাইছে। বিশেষকৈ সংখ্যালঘু আৰু ক্ষমতাৰ আসনত নথকা গোষ্ঠীবোৰৰ ওপৰত এই আন্দোলনৰ সময়ত শাৰীৰিক নিৰ্য্যাতন আৰু মানসিক অৱমাননা এনে ব্যাপক হাৰত ঘটিছে, যে তাক অস্বীকাৰ কৰা মানুহক অন্ধ বুলিব লাগিব। আন্দোলনৰ সমালোচনা কৰা সকলৰ কথাই নাই, আন্দোলন সম্পৰ্কে মতভেদ থকা লোক সকলক হত্যা পৰ্য্যন্ত কৰা হৈছে। গণতন্ত্ৰ আৰু মানৱতা বাৰে বাৰে পদদলিত হৈছে এই আন্দোলনৰ সময়ত।

কিন্তু এনে কথা কলেও ঠিক নহব যে এই আন্দোলন জনগণৰ কোনো স্বতঃস্ফুৰ্ত্ত ভূমিকাই নাই। তেওঁলোকক এমুঠি দুষ্ট প্ৰকৃতিৰ নেতাই ফুচুলাই নৰৰক্তলোলুপ দস্যুত পৰিণত কৰিছে বুলিলে অপলাপ হব। এই কথাত সন্দেহ নাই যে অসমীয়া জনগণৰ সৰহভাগেই ভাবিবলৈ গৈছে যে তেওঁলোকৰ জাতীয় অস্তিত্ব আৰু জাতীয় জীৱন বিপন্ন। তাক ৰক্ষা কৰিবৰ বাবে তেওঁলোকে যি কোনো ত্যাগ কৰিবলৈ, যি কোনো মূল্য দিবলৈ প্ৰস্তুত। নিৰপেক্ষ দৰ্শকে স্বীকাৰ নকৰি নোৱাৰে যে যোৱা চাৰিবছৰে অসমীয়া ভাষী জনগণে ঐক্যবদ্ধ ভাবে বহু কষ্ট সহ্য কৰিছে বহু ত্যাগ স্বীকাৰ কৰিছে, আনকি হেলাৰঙে পুলিচৰ গুলি বুকু পাতি লৈ মৃত্যুবৰণ কৰিছে। সাময়িক বিকাৰ বুলি এইখিনি প্ৰোজ্বল দেশ প্ৰেমিকক আওকান কৰিব নোৱাৰি। যোৱা চাৰিবছৰৰ আন্দোলন পৰ্য্যবেক্ষণ কৰা লোকসকলে লক্ষ্য নকৰি নোৱাৰে যে আন্দোলন সদায় সংখ্যালঘুৰ বিৰুদ্ধে যোৱা নাই, অথবা তাৰ প্ৰকাশো

সকলো সময়তে মাৰমুখি বা হিংস্ৰ হোৱা নাই। সময়ে সময়ে সংখ্যালঘু সকলৰ লগত কন্দল এবি সি কেন্দ্ৰৰ বিৰুদ্ধে তীব্ৰ উত্তেজনাত ফাটি পৰিছে। কেন্দ্ৰৰ "আইন শৃংখলা" ৰক্ষা কৰা সশস্ত্ৰ বাহিনীৰ লগত নিৰস্ত্ৰভাৱে প্ৰত্যক্ষ সংঘাতত নামি বহু আন্দোলনকাৰী নিহত হৈছে। এইবোৰ লক্ষণক প্ৰতিক্ৰিয়াশীল বা ফেচিষ্ট বোলাটো সম্যক বিচাৰ নহব। বিশেষকৈ একচেতিয়া পুঁজিৰ মিত্ৰ কেন্দ্ৰীয় চৰকাৰক ভাৰতৰ জনগণৰ বন্ধু হিচাবে ভাবিবলৈ টান। সেয়ে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অসমীয়া জনগণৰ ক্ষোভ যিমানেই অন্ধ নহওক, তাক প্ৰতিক্ৰিয়াশীল বুলি ঘপহকৈ ৰায় দিয়া অনুচিত।

বহুতে কৈছে যে অসমৰ এমুঠি অত্যন্ত আৰু সৌভাগ্যবান বৰ্ণহিন্দু পৰিয়ালে আন্দোলনৰ গুৰি ধৰিছে। তেওঁলোকে অসমৰ প্ৰকৃত দলিত আৰু বঞ্চিত জনগোষ্ঠীবোৰৰ ওপৰত তেওঁলোকৰ প্ৰভুত্ব দীৰ্ঘস্থায়ী কৰিবলৈকে এনে আন্দোলন চলাইছে। এই কথা সঁচা যে বাহিৰাগত সকলৰ বাহিৰেও বহু স্থানীয় জনগোষ্ঠীয়ে আন্দোলনৰ প্ৰতি সন্দেহ আৰু অবিশ্বাসৰ ভাব পোষণ কৰিছে। কিন্তু আন্দোলনৰ বিষয় লৈ অৰ্থাৎ প্ৰব্ৰজনৰ সমস্যা লৈ— এইবোৰ গোষ্ঠীও কম বেছি পৰিমাণে চিন্তিত। আৰু নিম্ন বৰ্ণৰ অসমীয়া জনগণ বৰ্ণহিন্দুৰ বিৰুদ্ধে যিমানেই ক্ষুব্ধ নহওক, আন্দোলনত তেওঁলোক চামিল হৈছে। অৰ্থাৎ বৰ্ণহিন্দু নেতৃত্বই যদি নিজৰ সামাজিক প্ৰতিপত্তি অক্ষুন্ন ৰাখিবলৈ বিচাৰিছে, তেওঁলোকে নিশ্চয় নিম্নবৰ্ণৰ অসমীয়া সকলৰ প্ৰাণৰ বতৰাও কেনেবাকৈ পাইছে— আৰু তাকো প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ আন্দোলনটোৰ বহু অশুভ লক্ষণ আৰু পৰিণাম সত্বেও তাৰ এক অকৃত্ৰিম জাতীয় চৰিত্ৰ নথকা নহয়।

ভাৰত এক অখণ্ড জাতিৰ বাসভূমি নহয়। ভাৰতীয় জনগণ অসমীয়া, বঙালী, তামিল প্ৰভৃতি বিভিন্ন জাতিত বিভক্ত। ভাৰতীয় সমাজৰ ই এক অলংঘণীয় সত্য। ব্ৰিটিছ আমোলতে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ লগে লগে এইবোৰ জাতিৰ সচেতন বিকাশ ঘটে। সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত ভাৰতীয় জনগণৰ প্ৰেৰণা আৰু উদ্যম তথা সৃষ্টিশক্তিক পৰিপূৰ্ণভাবে কামত লগাবলৈ তাহানি কংগ্ৰেছ মহাসভাৰ নেতৃবৃন্দই বিভিন্ন প্ৰাদেশিক কমিটি সংগঠিত কৰিছিল। তাৰেই পৰিণতি স্বৰূপে স্বাধীনতাৰ পিছত ভাষাভিত্তিক ৰাজ্যগঠনৰ ব্যৱস্থা কৰা হৈছিল। সেয়ে অসমত অসমীয়া জাতীয় চেতনাৰ বিকাশ সম্পূৰ্ণ স্বাভাৱিক আৰু অনিবাৰ্য্য ঘটনা। কিন্তু এই জাতীয় জীৱন জাতীয় চেতনাৰ বিকাশ বাৰে বাৰে বাধাপ্ৰাপ্ত হৈ আহিছে। ফলত অসমীয়া জাতিৰ মাজত আত্মৰক্ষা মূলক মনোভাব সদায় প্ৰবল। ঔপনিবেশিক আমোলত প্ৰথমেই ব্ৰিটিছ চৰকাৰে এটা বিজাতীয় ভাষা অসমীয়া জনগণৰ ওপৰত জাপি দিছিল (অৱশ্যে অসমীয়া সমাজত চলতি হৈ থকা বঙালীৰ প্ৰৰোচনাৰ ধাৰণা এই ক্ষেত্ৰত সঁচা নহয়

বুলি সদ্য আবিষ্কৃত চৰকাৰী নথিপত্ৰই প্ৰমাণ কৰিছে।) ১৯০৬ চনত বংগভংগৰ অন্যতম ফল হ'ল পূৰ্ব বংগৰ লগত অসমৰ চামিলকৰণ, ফলত অসম তথা অসমীয়া জাতিৰ স্বতন্ত্ৰ অস্তিত্বৰ সম্ভাৱনাই নস্যাৎ হ'ব ধৰিছিল বংগবিভাজন ৰদ হোৱাৰ পিছতো অসমীয়া আৰু বঙালী উভয় জাতিয়ে ভাবাবেগ ভৰিৰে গছকি চিলেট জিলাক অসমৰ লগত সাঙুৰি দিয়া হৈছিল। উন্নততৰ বঙালী শিক্ষিত মধ্যবিত্তৰ লগত অসমীয়া শিক্ষিত মধ্যবিত্তৰ বিবাদ আৰু বিৰোধে তেনে সময়ৰ পৰাই তীব্ৰ ৰূপ ধাৰণ কৰিছিল। এয়ে নহয়, অসমীয়া জনগণৰ আশা-আকাংক্ষা আৰু ভাবাবেগ সম্পূৰ্ণ অবজ্ঞা কৰি পূৰ্ববংগৰ দৰিদ্ৰ কৃষকক দলে দলে অসমলৈ আনি পতিত মাটিত বহুৱাই ব্ৰিটিছ চৰকাৰী আয় বৃদ্ধি কৰাৰ আঁচনি লৈছিল। ত্ৰিশৰ দশকৰ পৰা অসমত এই প্ৰব্ৰজনৰ বিৰুদ্ধে তীব্ৰ অসন্তোষ আৰু প্ৰবল জনমত গঢ়ি উঠে। ব্ৰিটিছ চৰকাৰে সেই জনমত অগ্ৰাহ্য কৰি এটা live systemৰ প্ৰবৰ্ত্তন কৰে। কিন্তু live-system ৰ ফলত সমস্যাৰ সমাধান নহ'ল। বৰং পূৰ্ববংগৰ পৰা অহা কৃষকসকলৰ অসমীয়া সমাজৰ লগত ঘনিষ্ঠ যোগাযোগ স্থাপিত নহ'ল। চল্লিশৰ দশকত ব্ৰিটিছৰ প্ৰৰোচনাত মুশ্লিম লীগে পৰিস্থিতিক একসাম্প্ৰদায়িক ৰূপ দিলে। ভাৰত স্বাধীন হ'বৰ উপক্ৰম হোৱা "গ্ৰুপিং" আঁচনি অনুযায়ী অসম এক মুছলমানপ্ৰধান মণ্ডলত (zone) অন্তৰ্ভূৰ্ক্ত হোৱাৰ ব্যৱস্থা হ'ল। অসমত তাকে লৈ এনে প্ৰচণ্ড বিক্ষোভ হ'ল যে গ্ৰুপিং আঁচনি নাকচ হ'ল। উল্লেখযোগ্য যে সেই সময়ত C.P.I. য়েও পূৰ্ববংগৰ পৰা হোৱা প্ৰব্ৰজনৰ বিৰুদ্ধে প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

এই কথা ঠিক যে এনেবোৰ ঘটনাৰ বাবে প্ৰধানকৈ দায়ী আছিল ব্ৰিটিছ চৰকাৰৰ ষড়যন্ত্ৰমূলক আৰু জনবিৰোধী নীতি। বঙালী হিন্দু বা বঙালী মুছলমানৰ লগত এনেবোৰ ঘটনাত প্ৰত্যক্ষ বিবাদ হোৱাত অসমীয়া জনগণে ব্ৰিটিছৰ প্ৰধান ভূমিকা পাহৰি যাইকৈ বঙালী হিন্দু আৰু বঙালী মুছলমানকে জগৰীয়া কৰিছিল। আজিও সেই ভ্ৰান্ত ধাৰণা চলি আছে। আনকি তাহানিৰ ঘটনাৰ বাবে কিছুমান হঠকাৰী অসমীয়াই আজিৰ অসমবাসীক বঙালী হিন্দু বা পমুৱা মুছলমানৰ ওপৰত অত্যাচাৰ কৰিবলৈ বিচাৰে। ই সঁচাকৈ এক বিপজ্জনক ভ্ৰান্তি।

কিন্তু ঐতিহাসিক অভিজ্ঞতাৰ ফলত অসমীয়া জাতিৰ মনত যিবোৰ ধাৰণা থিতাপি ল'লে, আমি সেইবোৰ সহানুভূতিৰ চকুৰে চাই বুজিবলৈ চেষ্টা কৰিব লাগিব। ওপৰত দিয়া তথ্যপাতিৰ পৰা বুজা যায় যে অসমীয়া জাতিৰ জাতীয় আশা-আকাংক্ষা আৰু ভয় শংকাক ভাৰতৰ তৎকালীন চৰকাৰে কোনো গুৰুত্ব দিয়া নাছিল। জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে চৰকাৰী ব্যৱস্থা আৰু নীতিৰ বিৰুদ্ধে অসমীয়া জনগণে বাৰে বাৰে সংগ্ৰাম কৰিবলগীয়া

হৈছে। এনেবোৰ অভিজ্ঞতাৰ ফলত কেন্দ্ৰীয় চৰকাৰ আৰু শক্তিশালী ন্যস্ত স্বাৰ্থই অসমীয়াৰ ন্যায্য জাতীয় অধিকাৰ খৰ্ব কৰিব পাৰে বুলি অসমীয়াই ভাবিবলৈ লৈছে। আৰু তাৰ প্ৰতিকাৰ বিচাৰি অসমীয়া জনসাধাৰণে কেতিয়াবা আইনবিৰুদ্ধ ব্যৱস্থাও গ্ৰহণ কৰিছে।

স্বাধীনতাৰ পিছতো এই অৱস্থাৰ উন্নতি নহ'ল। অসমৰ জনগণে পুনৰ পদে পদে বাধা পালে। সৰ্বাংগীণ জাতীয় বিকাশৰ সুযোগ স্বাধীন ভাৰতভো পোৱা নগ'ল। অসমত বিশ্ববিদ্যালয় উচ্চ ন্যায়ালয়, সুকীয়া ৰে'ল সংমণ্ডল গঠন হ'বৰ সময়ত কলিকতাৰ কিছুমান 'হলেও বাধা দিলে। অসমৰ ৰে'লপথ ব্ৰডগজলৈ ৰূপান্তৰিত নহ'ল আজিলৈ.ক। শিল্পায়নত অগ্ৰসৰ হোৱা দূৰৰে কথা তেলশোধনাগাৰ স্থাপন কৰিবৰ বাবেও অসমৰ জনগণে আন্দোলন কৰিবলগীয়া হ'ল। গ্ৰাম্য উন্নয়ণৰ কথা আৰু বহলাই ক'ব নালাগে। এটা তথ্যই যথেষ্ট— পাঞ্জাবৰ ১০০% গাৱঁত বৈদ্যুতিকৰণ হৈছে, অসমৰ মাত্ৰ ৬% গাৱঁত সেই সুবিধা হৈছে।

পুঁজিবাদৰ অসম বিকাশৰ কথা এই প্ৰসংগত কোৱা হয়। কিন্তু অসম অনগ্ৰসৰ হৈ পৰাটো এক স্বাভাবিক বা স্বতঃস্ফূৰ্ত্ত প্ৰক্ৰিয়া নহয়। তাৰ পিছত এক সচেতন নীতিয়েও কাম কৰিছে। পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ যুগত এনে "স্বতঃস্ফূৰ্ত্ত" অসম বিকাশ অভাৱনীয়। ভাৰতৰ পুঁজিবাদী বিকাশৰ গুৰি ধৰোঁতা কেন্দ্ৰীয় চৰকাৰে একচেতীয়া পুঁজিৰ স্বাৰ্থ অনুসৰিয়েই অসম তথা অসমীয়া জনগণৰ প্ৰয়োজন অৱহেলা কৰিছে।

কেন্দ্ৰীয় চৰকাৰে এই কামত সহায় পাইছে অসমৰ অমসীয়া উচ্চবিত্ত শ্ৰেণীটোৰ পৰা। এই উচ্চবিত্ত শ্ৰেণীটোক কেন্দ্ৰীয় চৰকাৰে তুলনামূলকভাৱে বেছি সা-সুবিধা দি হাত কৰি ল'লে পঞ্চাশৰ দশকত। অসমৰ প্ৰকৃত আৰু সৰ্বাংগীণ উন্নতিৰ ব্যৱস্থা নকৰি কেন্দ্ৰ আৰু অসমীয়া উচ্চবিত্ত শ্ৰেণীটোৱে উগ্ৰজাতীয়তাবাদী মতাদৰ্শ অসমত প্ৰচাৰ কৰিলে যুটীয়াভাৱে। এই মিত্ৰতাৰ কাৰণ আছিল দুটা। পঞ্চাশৰ দশকত অসমৰ জনজাতীয় বাইজৰ মাজত যি বৈপ্লৱিক জাগৰণ আহিছিল সি এপিনে যেনেকৈ ভূসম্পত্তিৰ মালিক অসমীয়া উচ্চবিত্তৰ শ্ৰেণীক আতংকিত কৰিলে। সেইদৰে দেশৰ সামৰিক নিৰাপত্তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক চিন্তিত কৰিলে। এই জাগৰণমুখী জনজাতীয় গোষ্ঠীসমূহক দমন কৰিবলৈ অসমত অসমীয়া উগ্ৰজাতীয়তাবাদক প্ৰশ্ৰয় দিলে কেন্দ্ৰীয় চৰকাৰে। উগ্ৰজাতীয়তাবাদ অসমীয়া শ্ৰমজীৱী জনগণৰ মাজত প্ৰচাৰ হোৱাৰ ফলত পঞ্চাশৰ দশকৰ দৰে অসমীয়া আৰু জনজাতীয় শ্ৰমজীৱী ৰাইজৰ সম্মিলিত বৈপ্লৱিক জাগৰণৰ ভয় নোহোৱা হ'ল। জনজাতীয় আৰু অন্যান্য অনা-অসমীয়া গোষ্ঠীক বঞ্চিত কৰি অসমীয়া মানুহৰ মাজত মাটি বৃত্তিৰ পৰা চৰকাৰী সাহায্যলৈকে সকলোখিনি আবদ্ধ ৰখাৰ নীতিয়েই হ'ল অসমীয়া

উগ্ৰজাতীয়তাবাদৰ অৰ্থনৈতিক ৰূপ। তাৰ সাংস্কৃতিক ৰূপ হ'ল অনা অসমীয়াৰ আৰু জনজাতীয় গোষ্ঠীসমূহৰ স্বতন্ত্ৰ সাংস্কৃতিক ঐতিহ্য দমন কৰি তেওঁলোকৰ ওপৰত অসমীয়া সংস্কৃতি জাপি দিয়া।

কেন্দ্ৰীয় চৰকাৰে সামৰিক নীতিৰ উপৰিও আন এটা কাৰণত অসমীয়া উগ্ৰজাতীয়তাবাদক প্ৰশ্ৰয় দিছিল। উগ্ৰজাতীয়তাবাদৰ প্ৰধান প্ৰবক্তা আৰু প্ৰচাৰক কোনো জাতিৰ উচ্চবিত্ত শ্ৰেণী। অৰ্থনৈতিক সা-সুবিধাৰ সিংহভাগ নিজৰ বাবে কৰায়ত্ত কৰা আৰু নিজৰ অৰ্থনৈতিক ক্ষমতা অটুট ৰখাই তেওঁলোকৰ ঘাই উদ্দেশ্য। ভূমি সংস্কাৰেই হওক বা প্ৰবল অৰ্থনৈতিক বিকাশেই হওক (যেনে বলিষ্ঠ শিল্পায়ন) তেওঁলোকে আন্তৰিকতাৰে নিবিচাৰে। কাৰণ তেনে ক্ষেত্ৰত তেওঁলোকৰ অৰ্থনৈতিক প্ৰতিপত্তি আৰু সামাজিক তথা ৰাজনৈতিক ক্ষমতা ক্ষতিগ্ৰস্ত হব পাৰে। এই মনোভাব কেন্দ্ৰীয় চৰকাৰৰো মনঃপুত। কাৰণ তেতিয়া হ'লে সমগ্ৰ অঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বাবে ধন ভগন নকৰিব। কেটামান আঁচনিৰ নামত এমুঠি অসমীয়া উচ্চবিত্তৰ মাজত কেইলাখ বা কেইকোটিমান টকা ভগাই দিলেই কাম চলি যায়। সৰ্বসাধাৰণ অসমীয়া শ্ৰমজীৱী ৰাইজেও এই বঞ্চনা বুজি নাপায় অনা অসমীয়া শ্ৰমজীৱী ৰাইজৰ লগত বিবাদত অনবৰত ব্যস্ত হৈ থাকে। কেন্দ্ৰীয় চৰকাৰে এনেদৰে ৰাহি হোৱা ধন একচেতীয়া পুঁজিৰ স্বাৰ্থত দেশৰ অন্যান্য অঞ্চলত নিয়োগ কৰে।

এই উগ্ৰজাতীয়তাবাদে অন্ধৰ দৰে অসমৰ ভিতৰত কেউপিনে মহতিয়াই ফুৰাৰ ফলতে অসমৰ জাতীয় ঐক্য অধিক ক্ষতিগ্ৰস্ত আৰু সংকটাপন্ন হৈ পৰিছে। অসমীয়া সংস্কৃতি গ্ৰহণ নকৰাৰ নামত যদিও ই অনা অসমীয়া গোষ্ঠীবোৰক সুযোগ সুবিধাৰ পৰা বঞ্চিত কৰে তথাপি সেই দৰে অসমীয়া সংস্কৃতি গ্ৰহণ কৰা সকলৰ প্ৰতিও উদাৰ হ'ব পৰা ক্ষমতা তাৰ নাই। আনকি 'অসমীয়া' জাতিৰ উদাহৰণো তাৰ চকুত সংকীৰ্ণ হৈ পৰে। আমি অসমতে দেখিছোঁ যে অসমীয়া বামুন কলিতাহে যেন প্ৰকৃত, বিশুদ্ধ, প্ৰথম শ্ৰেণীৰ অসমীয়া— অসমীয়া আহোম, মুছলমান, প্ৰভৃতি যেন অলপ তল খাপৰ, দ্বিতীয় শ্ৰেণীৰ অসমীয়া: এনে ভাব উগ্ৰজাতীয়তাবাদী সকলৰ মাজত প্ৰবল অৱশেষত যোৱা কেইদশকৰ উন্নয়নৰ সুযোগ্য সাম্ৰাজ্য পৰিমানেও লাভ কৰা জনজাতীয় উচ্চবিত্ত সকলৰ নেতৃত্বত জনজাতীয় শ্ৰমজীৱী ৰাইজে উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ কৰিলে। তলখাপৰ অসমীয়া সকলৰ মাজতো সন্দেহ, অসন্তোষ, ক্ষোভ ধূমায়িত হবলৈ ধৰিলে।

# অসম আন্দোলনৰ সময়ৰ বক্তব্য

## উগ্ৰ জাতীয়তাবাদৰ পৰা সাৱধান!

### (ক)

অসমৰ সকলো ভাষা, সকলো ধৰ্ম, সকলো জাতিৰ মানুহে শান্তিৰে জীৱিকা নিৰ্বাহ কৰিবলৈ বিচাৰে। সকলো বস্তুৰে দাম হু-হুকৈ বাঢ়িছে, সেই অনুপাতে আয় বঢ়া নাই। ল'ৰা-ছোৱালীৰ মুখত দুবেলা দুসাজি আহাৰ দিবলৈকো অসুবিধা। সকলোৰে বাবে প্ৰধান চিন্তা এয়ে। অথচ প্ৰতি পাঁচ কি দহবছৰৰ মূৰে মূৰে এই ভয়ংকৰ সমস্যাকো তল পেলাই অসমবাসী বিভিন্ন জাতি আৰু গোষ্ঠীৰ মাজত পৰস্পৰৰ বিৰুদ্ধে সন্দেহ, বিদ্বেষ আৰু হিংসা এনে প্ৰবল হৈ উঠে— যে জীৱিকাৰ কঠোৰ সংগ্ৰাম স্তব্ধ হৈ যায়, জীৱনৰ সংশয় হয় প্ৰতি মুহূৰ্ত্তে। সৌ সিদিনাখন মাত্ৰ হেজাৰ বিজাৰ নৰনাৰী, শিশু আৰু বৃদ্ধই ভয়াবহ আতংক আৰু যন্ত্ৰণাৰ মাজত প্ৰাণ হেৰুৱাইছে। দিনটোৰ ভিতৰতে স্বচ্ছল গৃহস্থ বাটৰ ভিখাৰী হৈছে। আজিও আমি নাজানোঁ এই সৰ্বনশীয়া খেলৰ কেতিয়া সামৰণি পৰিব।

মনেপ্ৰাণে সকলোৱে বিচাৰিছোঁ, স্বাভাৱিক অৱস্থা যাতে ঘূৰি আহে। যি সমস্যাৰ পৰা এই বিশৃংখলাৰ সৃষ্টি হৈছে, সেই সমস্যাৰ সমাধান আমি সকলোৱে বিচাৰিছোঁ। অথচ সমস্যাৰ সমাধান মৰীচিকাৰ দৰে দূৰণিত বাগী দি ফুৰিছে।

কিয়? আন্দোলন যি বিলাকে কৰিছে, তেওঁলোকে নিশ্চয় সমাধান বিচাৰিয়েই আন্দোলন কৰিছে। আন্দোলনৰ বিৰোধিতা কৰিলেও চৰকাৰো নিশ্চয় অশান্ত অৱস্থা চিৰকাল চলি থকাৰ পক্ষপাতী নহয়। তেন্তে কিয় সমাধান নহয়? নিশ্চয় দুই পক্ষতে সমাধানৰ অন্তৰায় হৈ পৰা কিছুমান ধাৰণা বা মনোভাবো আছে। এনে অন্ধতা আৰু গোৰাঁমিৰ বাবেই নিশ্চয় এক ঐক্যমত আৰু সমাধানত উপনীত হ'বলৈ দুই পক্ষৰ অসুবিধা হৈছে।

সেই ভ্ৰান্ত বা অসুস্থ মনোভাব বিলাক শূন্যত ওপঙি থকা নাই। সিহঁতৰ শিপা আছে কিছুমান মানুহৰ মাজত। সেই মানুহবোৰ আকৌ বিভিন্ন ন্যস্ত স্বাৰ্থই নিয়ন্ত্ৰণ কৰি আছে। বিভিন্ন গোষ্ঠিৰ মাজত থকা উগ্ৰজাতীয়তাবাদ

এনে ন্যস্ত স্বাৰ্থৰ অস্ত্ৰ। কিছুমান ৰাজনীতিবিদ, সাংবাদিক, বিষয়া আৰু অৰ্থনৈতিক শক্তিৰ মালিক এনে উগ্ৰজাতীয়তাবাদৰ পুৰোহিত আৰু নায়ক। উগ্ৰজাতীয়বাদৰ সংগঠন থাকিব পাৰে। কিন্তু মাৰ্কা মৰা সংগঠনৰ বাহিৰতো উগ্ৰজাতীয়তাবাদে কাম কৰি থাকে। আনকি অতি প্ৰগতিশীল বা মানৱতাবাদী বুলি পৰিচয় থকা মানুহৰ মাজতো উগ্ৰজাতীয়তাবাদৰ বীজাণু থাকিব পাৰে। সেয়ে কেতবোৰ সংগঠনৰ ওপৰত আক্ৰমণ চলায়েই অসম তথা ভাৰতৰ জনগণৰ জীৱন জীৱিকা ক্ষতিগ্ৰস্ত কৰা উগ্ৰজাতীয়তাবাদক কবৰ দিব নোৱাৰি। বৰং এনে চিন্তাধাৰা, এনে মনোভাব চিনাক্ত কৰি অনবৰত তাৰ বিৰুদ্ধে সংগ্ৰাম চলাব লাগিব।

অসমীয়া উগ্ৰজাতীয়বাদৰ এটা লক্ষণ হ'ল এয়ে যে অসমত বাস কৰা অনা-অসমীয়া মানুহৰ জীৱনৰ কোনো মূল্য আছে বুলি সি নাভাবে। বৰং যি কোনো চেলুতে অসমৰ অনা-অসমীয়া সকলৰ ওপৰত সন্ত্ৰাস চলাই, তেওঁলোকক ধনে-প্ৰাণে আক্ৰমণ কৰি সি অসমীয়া জাতিৰ "স্বাৰ্থ ৰক্ষা" কৰিবলৈ বিচাৰে। যদিও ভাৰতৰ অংগৰাজ্য হিচাপে অসমৰ অধিকাৰ অসীম হ'ব নোৱাৰে, যদিও ভাৰতৰ নাগৰিক হিচাবে অসমীয়া আৰু অনা-অসমীয়াৰ মাজত কোনো পাৰ্থক্য থাকিব নোৱাৰে— উগ্ৰজাতীয়তাবাদৰ ধাৰণামতে অসমত অসমীয়াহে প্ৰকৃত নাগৰিক, বাকীসকলৰ নাগৰিকত্ব যেন সংকুচিত, সীমাবদ্ধ। অসমত শিক্ষা দীক্ষা, চাকৰি বাকৰি, ব্যৱসায় বাণিজ্য যেন কেৱল অসমীয়াৰহে প্ৰাপ্য— বাকীবোৰ যেন অবাঞ্ছিত আলহী— এইবোৰেই উগ্ৰজাতীয়তাবাদৰ প্ৰিয় ধাৰণা। অসমত অসমীয়া জাতিৰ কেতবোৰ অসুবিধা নিশ্চয় আছে। সেইবোৰ অসুবিধাৰ বাবে কিছুমান ৰেহাই (concession) বা বিশেষ সুবিধা দিবলৈ অন্যান্য জাতিৰ মানুহ অসন্মত নহ'বও পাৰে। কিন্তু তেওঁলোকৰ সন্মতিলৈ অপেক্ষা নকৰি, চেষ্টা নকৰি, জোৰজবৰদস্তিৰে লক্ষ্য পূৰণ কৰিবলৈ বিচাৰে উগ্ৰজাতীয়বাদে। প্ৰথমৰ পৰাই হিংসা, ভয়, বিদ্বেষ আৰু সন্ত্ৰাসৰ পৰিবেশ সৃষ্টি কৰে উগ্ৰজাতীয়তাবাদে। গণতান্ত্ৰিক আলোচনা, আন মানুহৰ মতৰ প্ৰতি সহিষ্ণুতা— এইবোৰ উগ্ৰজাতীয়তাবাদৰ ধাতুত নাই। সেয়ে উগ্ৰজাতীয়তাবাদে ধৰ্মান্ধতা আৰু সাম্প্ৰদায়িকতাৰ দৰে ভয়াবহ ৰক্তাক্ত সংঘৰ্ষৰ জন্ম দিব পাৰে।

অসমৰ সাম্প্ৰতিক আন্দোলনত নিশ্চয় এনে বহু লোক জড়িত যিসকলে সমস্যা সমাধানৰ গণতান্ত্ৰিক পদ্ধতিত বিশ্বাস কৰে, যিসকলে মানুহৰ জীৱনৰ মূল্য দিব জানে, যিসকলে ভাৰতৰ নাগৰিক হিচাবে সকলো গোষ্ঠীৰ অধিকাৰ মানিবলৈ দ্বিধা বা শংকাবোধ নকৰে। কিন্তু অত্যন্ত দুখৰ বিষয় যে অসম আন্দোলনৰ কেতবোৰ শ্ৰদ্ধেয় আৰু প্ৰশংসনীয় দিশ থকা সত্বেও তাৰ মাজত উগ্ৰজাতীয়তাবাদে দকৈ খোপনি পুতিছে। তাৰ বিকৃত বিশ্লেষণ মাজে মাজে

অতি অন্ধ জনৰো চকুত নপৰাকৈ থকা নাই। কিন্তু সেইবিষয়ে প্ৰতিবাদ জনোৱাৰ পৰিবেশ আৰু আন্দোলনৰ মাজত নাই। সেইবাবেই আন্দোলনৰ নেতৃবৃন্দৰ ওপৰত এনেধৰণৰ চাপ পৰিছে যে তেওঁলোকৰ দাবীসমূহৰ সামান্য লৰচৰ কৰিবলৈকো তেওঁলোকৰ ক্ষমতা নোহোৱা হৈ পৰিছে। অথচ সেই দাবীবোৰ অবিকল মানি লবলৈ যি কোনো দলৰ চৰকাৰেই দ্বিধা বোধ কৰিব।

কিন্তু চৰকাৰৰ মাজতো আন্দোলনৰ যথাযথ সমাধানৰ বাবে উৎসাহ, উদ্যোগ, আৰু আগ্ৰহ যেন পৰিলক্ষিত হোৱা নাই। তাৰ এটা কাৰণ যে সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ— কথাটো কাকো বুজাই দিব নালাগে। মন্ত্ৰত সংখ্যালঘু সকলৰ সমৰ্থনেৰে অসমত চৰকাৰ গঠন কৰাৰ অদূৰদৰ্শী আঁচনিৰে কেন্দ্ৰীয় চৰকাৰৰ নেতৃত্ব অগ্ৰসৰ হৈছিল। সেই আঁচনি সফল হৈছে। কিন্তু বিনিময়ত কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে অসমীয়াভাষী জনগণৰ মাজত তিক্ত অবিশ্বাস আৰু ক্ষোভৰ উদ্ৰেক হৈছে। এই তিক্ততা আৰু ক্ষোভৰ পৰিণাম কেনে ভয়ানক হব পাৰে, কেন্দ্ৰীয় চৰকাৰেও দেখাকৈ বুজা যেন লাগে। তথাপিও সমস্যা সমাধানৰ ক্ষিপ্ৰ আৰু পোনপতীয়া বাট কেন্দ্ৰই লোৱা নাই। তাৰ কাৰণ কি? তাৰ কাৰণ আৰু একো নহয়— উগ্ৰ বঙালী জাতীয়তাবাদ আৰু উগ্ৰ মুছলমান গোষ্ঠিবাদৰ প্ৰভাৱ আৰু চাপ। চৰকাৰৰ এই হেহো-নেহো, হোহকা-পিছলা মনোভাব যে আন্দোলন চলি থকাৰ অন্যতম কাৰণ, তাকে বুজা মানুহ মাত্ৰেই এই কথাও বুজিব যে উগ্ৰ বঙালী জাতীয়তাবাদ আৰু উগ্ৰ মুছলমান গোষ্ঠিবাদ অসমৰ শান্তি আৰু ৰাজনৈতিক সুস্থতাৰ বাবে গুৰুতৰ বিঘিনি। উগ্ৰ অসমীয়া জাতীয়তাবাদৰ দৰে এই দুই ব্যাধিৰ বিৰুদ্ধে যুঁজ নিদিলে অসমৰ হত্যালীলা আৰু অগ্নিকাণ্ডৰ মিয়াদ সহজে শেষ নহ'ব।

এই যুঁজ দিব লাগিব কোনে? নিশ্চয় শুভবুদ্ধিসম্পন্ন বঙালী আৰু মুছলমান নাগৰিকে। কাৰণ অসমীয়াই এই শক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈ গ'লে তাক অসমীয়া উগ্ৰজাতীয়তাবাদৰ লক্ষণ বুলি অপপ্ৰচাৰ কৰাৰ সুবিধা ওলায়। এই ক্ষেত্ৰত যিকোনো অসমীয়াৰে নিৰপেক্ষতা সম্পৰ্কে সন্দেহ সৃষ্টি কৰাৰ ক্ষমতা উগ্ৰজাতীয়তাবাদৰ নেপথ্যনায়ক সকলৰ আছে।

মোৰ নিজৰ অভিজ্ঞতা এই ক্ষেত্ৰত অতি মৰ্মান্তিক আৰু আশংকাজনক। অসম আন্দোলনৰ অন্ধকাৰ আৰু অমানুষিক দিশবিলাকৰ বিৰুদ্ধে অসমত জনমত গঠন কৰাত প্ৰথম উদ্যোগ লৈছিলোঁ মই। [illegible] আন্দোলনকাৰী বিলাকে সতৰ্কবাণী শুনোৱা সত্বেও দুঃসাহস কৰি কলিকতাত মই আন্দোলনৰ কদৰ্য্য দিশবোৰ দাঙি ধৰিছিলোঁ। আজিও সেইবোৰ দিশ ঢাকিবলৈ বা অৱজ্ঞা কৰিবলৈ আন্দোলনৰ সমৰ্থক বুদ্ধিজীৱীসকলৰ প্ৰচেষ্টাৰ বিৰুদ্ধে মই যুদ্ধ দি আছোঁ। বহু বুদ্ধি খটাই ভাৰতবৰ্ষৰ বৃহৎ তেল কৰি Cudgel of Chauvinism

নামৰ প্ৰবন্ধৰ বাহিৰত *(Economic and Political Weekly)* প্ৰকাশ কৰি ভাৰতৰ বহু সংবাদপত্ৰৰ একপক্ষীয় প্ৰচাৰৰ বিৰুদ্ধে মই মাত মাতিছিলোঁ। সেয়ে মই নিশ্চয় আশা কৰিব পাৰোঁ যে সচেতন ভাবে মোক অসমীয়া উগ্ৰজাতীয়তাবাদৰ অংশীদাৰ বুলি কোনেও নাভাবিব। কিন্তু এই আশা অলীক বুলি প্ৰমাণিত হৈছে। অসম আৰু কলিকতাৰ উগ্ৰজাতীয়তাবাদে আজি মোৰ বিৰুদ্ধে সেইধৰণৰ প্ৰচাৰেই চলাইছে— অসমীয়া উগ্ৰজাতীয়তাবাদে যি প্ৰচাৰত মোক সদায় ডুবাই ৰাখিছে।

জনাবুজা মানুহৰ মতামত কাকতে-পত্ৰই পঢ়ি সৰ্বসাধাৰণ অসমীয়া ৰাইজে কেনে কালান্তক মূৰ্ত্তি ধৰিছে, ভুক্তভোগী বঙালী ৰাইজে জানে। এতিয়া তেওঁলোক নিজেও তেওঁলোকৰ "জনাবুজা" মানুহৰ পৰা সতৰ্ক হবৰ সময় হৈছে। এমুঠি প্ৰতিপত্তিশালী বঙালী মানুহৰ ক্ষুদ্ৰ স্বাৰ্থ ৰক্ষাৰ বাবে কলিকতা আৰু অসমত সিহঁতৰ দালালবোৰে বিচিত্ৰ প্ৰচাৰ আৰম্ভ কৰিছে। সিহঁতৰ বুধি শুনিব লাগিলে অসমীয়া মানুহৰ লগত বঙালী মানুহৰ বিৰোধ আৰু সংঘাতৰ ওঁৰ নপৰিব। মৰামৰি, কটাকটি, হিংসা,, ভয়ৰ পৰিবেশ অসমৰ স্থায়ী হৈ থাকিব। সেয়ে এই ধূৰ্ত্ত, তলেপুতল, ভদ্ৰ দগাবাজ বিলাকক চিনি লৈ সিহঁতৰ ফুচফুচিয়া উচটনিৰ পৰা নিজকে ৰচাবলৈ অভ্যাস কৰিব লাগিব শান্তিপ্ৰিয় বঙালী ৰাইজে।

এই কথা ঠিক যে যোৱা চাৰিবছৰে আন্দোলনৰ নামত চলা ধ্বংসলীলাত সাধাৰণ বঙালী কৰ্মচাৰী, দোকানী বা ব্যৱসায়ী এনে আতংকিত হৈ পৰিছে যে আন্দোলনৰ বিৰোধিতা কৰা যিকোনো মানুহ, সংগঠন বা শক্তিক তেওঁলোকে বন্ধু বুলি ভাবিবলৈ ধৰিছে। তেওঁলোকে ভাবি চোৱা নাই যে তেনেবোৰ মানুহ বা শক্তিবো জঘন্য ৰাজনৈতিক উদ্দেশ্য থাকিব পাৰে— সাধাৰণ বঙালী মানুহৰ জীৱন-জীৱিকা ৰক্ষা কৰাতকৈ অসমত সিহঁতৰ অৰ্থনৈতিক বা ৰাজনৈতিক ক্ষমতা প্ৰতিষ্ঠা বা ৰক্ষা কৰাতহে সিহঁতৰ আগ্ৰহ বেছি। আজি ক্ষতিগ্ৰস্ত বঙালী মানুহেও এটা কথা পুনৰ চিন্তা কৰিব লাগিব: যোৱা চাৰিবছৰে আন্দোলনৰ নামত গাৱেঁ-ভূঞে চহৰে-নগৰে বহু অত্যাচাৰ আৰু বৰ্বৰতা চলিছে, সন্দেহ নাই। কিন্তু এই কথাও অস্বীকাৰ কৰিব নোৱাৰি চি আৰ পিৰ গুলিত দলে দলে প্ৰাণ দিয়া এই মানুহ বিলাকে কিবা গভীৰ আশংকা বা দীৰ্ঘস্থায়ী উদ্বেগৰ বাবেহে এনে ধৈৰ্য্য আৰু ত্যাগৰ পৰিচয় দিব পাৰিছে। দেশৰ বাবে এই আশংকাৰ প্ৰকাশ যিমানেই বিকৃত বা বিভৎস নহওক, তাক অস্বীকাৰ কৰাটো সংগত নহব। এই আন্দোলনৰ প্ৰকাশ যেতিয়া বৰ্বৰোচিত বা হিংস্ৰ হয় তাৰ বিৰুদ্ধে প্ৰতিবাদ জনাব লাগিব। কিন্তু আন্দোলনৰ দাবী সমূহৰ কিবা এটা সমাধান হোৱা যে প্ৰয়োজন, কথাটো সকলোৱে মানি ললেহে অসমত শান্তিৰ পৰিৱেশ ঘূৰি আহিব।

অৱশ্যে কেন্দ্রীয় চৰকাৰ আৰু কিছুমান ৰাজনৈতিক দলে কৰবলৈ বিচাৰে যেন আন্দোলনটোৱেই এক বিৰাট ষড়যন্ত্র মাত্র। সেইবোৰ দলে প্রচাৰ কৰিছে যে পুলিচ মিলিটাৰি লগাই টঙনিয়াই-গুলিয়াই শেষ নকৰিলে আন্দোলন শেষ নহ'ব। কথাটো কিমান ভ্রান্ত, চাৰিবছৰৰ অভিজ্ঞতাই প্রমাণ কৰে। অসমীয়া ৰাইজৰ ভাবাবেগ অস্বীকাৰ কৰি নির্বাচন পতাৰ ফলত কেনে নাৰকীয় হত্যাকাণ্ড সংঘটিত হ'ল, নির্বাচন কেনে প্রহসনত পৰিণত হ'ল, তাক সকলোৱে দেখিছে। অথচ সিহঁতৰ মনোভাবৰ পৰিৱর্তন হোৱা নাই।

এইবোৰ ধূর্ত্ত আৰু স্বার্থান্বেষী মহলৰ দখলত আছে বিভিন্ন ক্ষমতাশালী সংবাদপত্র। অসম আন্দোলনৰ বিৰোধ অন্ধ আৰু হঠকাৰী মতামত আছে সিহঁতে সেইবোৰ অবিকল প্রকাশ কৰি নিৰপেক্ষতাৰ ভাও জোৰে। অথচ অসমীয়া মানুহৰ সপক্ষে যিবোৰ ন্যায়সংগত তথ্য বা যুক্তি আছে সিহঁতে তাক প্রকাশ নকৰে। ইহঁত আৰু এচাম তথাকথিত বামপন্থীয়ে অসমৰ বাহিৰত প্রচাৰ কৰি আছে যে অসমৰ জনজাতীয় ৰাইজৰ আন্দোলনৰ প্রতি কোনো সহানুভূতি নাই। অথচ চিলাপথাৰ আৰু নেলিৰ ঘটনাৰ মূলতে আছে জনজাতীয় মানুহৰ ক্ষোভ। অসমৰ আন্দোলনৰ এমুঠি চহৰীয়া বাবুৰ আন্দোলন, খেতিয়ক ৰাইজৰ তাত হেনো সমর্থন নাই— এইটোও ইহঁতৰ এটা প্রচাৰ। অথচ নির্বাচনৰ বিৰুদ্ধে উত্তেজনাৰ বিপুল বিস্ফোৰণ হ'ল গাৱঁত। নির্বাচনৰ বহু আগতেই এইবোৰ কথা বিতংকৈ লেখি কলিকতালৈ এটা প্রবন্ধ পঠিয়াইছিলোঁ। যথাসময়ত প্রকাশ হোৱা হলে নিশ্চয় নির্বাচন সম্পর্কে যথোচিত মনোভাব লবলৈ কলিকতা তথা বঙালী সমাজক সি সহায় কৰিলেহেতেন। কিন্তু কাগজৰ মালিক সকলৰ মর্জিমতে সেই প্রবন্ধ যথাসময়ত প্রকাশ নহল। আজি সেইবোৰ কাকতৰে শিক্ষিত আৰু ৰুচিবান সাংবাদিকেই বজৰুৱা "ৰকবাজ" ল'ৰাক চেৰ পেলাই মোক কদর্য্যভাবে পেংলাই কৰিছে। সেই দালালবোৰৰ মতলব বুজা টান নহয়। আগলৈ প্রবন্ধ পঠাইছিলোঁ। যথাসময়ত প্রকাশ হোৱা হলে আন্দোলন আৰু নির্বাচন সম্পর্কে বাস্তৱসম্মত আৰু সঠিক ধাৰণা গ্রহণ কৰাত প্রবন্ধটোৱে অসমৰ বাহিৰৰ ৰাইজক সহায় কৰিলেহেতেন। কাৰোবাৰ অদৃশ্য অঙুলি সংকেতত প্রবন্ধটো নির্বাচনৰ বহু পিছতহে প্রকাশিত হ'ল। "দর্পণ" প্রভৃতি সৰুসুৰা বঙলা কাকতত মোৰ প্রবন্ধ লগে লগে ছপা হয়। কিন্তু প্রতিষ্ঠিত কাকত বা পত্রিকাত সি বহু হেঙাৰৰ মাজেৰে যাবলগীয়া হয়। ছপা হলেও সম্পাদকীয় মহলৰ কোনো ৰুচিবান ভদ্রলোকে লগতে কায়দা কৰি জনাই দিয়ে যে মই এজন অতি ফাল্টু, ধুৰন্ধৰ, মতলববাজ মানুহ। উচ্চ সংস্কৃতিৰ জনাজাত পীঠস্থান কলিকতাত এইধৰণৰ "ৰক্‌বাজী" সংস্কৃতিৰ ভেজাঁল চলে কেনেকৈ? তেনেহলেনো উগ্র অসমীয়া জাতীয়তাবাদৰ তুলনাত সি কেনেকৈ অধিক শ্রদ্ধেয় বস্তু হব? দুখনমান নামকৰা কাকতত মোৰ

চিঠি এখনো ছপা নহয়— অথচ এক অভ্যন্ত বেনামী কাকতৰ মোৰ বিৰুদ্ধে জানোৱাৰ সুলভ হিংস্ৰ বিদ্ৰুপ আৰু কদৰ্য্য গুজব ছপাই থাকে। বিবেকানন্দ— ৰবীন্দ্ৰনাথৰ উত্তৰাধিকাৰীৰ এইঁ মনোভাবত আমাৰ দৰে ৰুচিহীন লোক স্তম্ভিত হওঁ।

মোৰ টকাপয়চা নাই, সময়ো নাই, যে সেইবোৰ বজৰুৱা গুজবৰ উত্তৰ দিবলৈ এখন কাগজ উলিয়াওঁ! ক্ষমতাশালী জমিদাৰৰ পোষ্য ভাঁড় বা ইয়াৰ বন্ধীৰ দলৰ উৎপাতৰ পৰা আমাৰ দৰে ক্ষমতাশালী মানুহে ৰেহাই পোৱাৰ আশা ক্ষীণ। কিন্তু অসমৰ সৰ্বসাধাৰণ বঙালী বাইজে বুজিব লাগিব, আমাক এনেদৰে হেয় প্ৰতিপন্ন কৰিবলৈ কলিকতাৰ এচাম সাংবাদিকৰ অক্ষয় উৎসাহৰ কাৰণ কি? কাৰণ আৰু একো নহয়, অসমত অসমীয়া-বঙালী বা হিন্দু-মুছলমানৰ কুৰুক্ষেত্ৰ অন্তহীনভাবে চলি থাকক, সেয়ে সেইসকল মহাত্মাৰ পবিত্ৰ উদ্দেশ্য। আমাৰ দৰে যি দুই এজন অসমীয়াই নিৰপেক্ষ দৃষ্টিৰে কথাটো বুজিবলৈ চেষ্টা কৰে তেনে লোকক ধূৰ্ত্ত, মতলবী, বা মূৰ্খ বুলি প্ৰমাণ নকৰিলে যে সিহঁতৰ উদ্দেশ্য সিদ্ধি নহয়! আমি বিচাৰিছোঁ অসমীয়া আৰু বঙালীৰ মাজৰ ভুল বুজাবুজি দূৰ কৰি মিলনৰ সেতু গঢ়ি তোলোঁ। কামটো সহজ নহয়। ডেৰশ বছৰৰ ভুল বাটৰ পৰা মানুহক ওভটাই নিয়া জানো সহজ? কিন্তু সেই কাম দুঃসাধ্য কৰি তোলে উক্ত সাংবাদিক মহলৰ দৰে লোকে— যি বিচাৰে অসমীয়া আৰু বাঙালীৰ মাজত দুৰ্ভেদ্য প্ৰাচীৰ গঢ়িবলৈ। (১৯৮৩)

# অসমবাসী ৰাইজৰ ওচৰত এটি শেষ আবেদন

**"Politics is the art of the possible."**

**(খ)**

অসম আন্দোলন এতিয়া যে পৰ্যায়ত উপনীত হৈছে, সেই পৰ্যায়ত অসমৰ সমূহ ৰাইজে পুনৰ কেতবোৰ কথা বিবেচনা কৰি নাচালে তাৰ পৰিণাম অপ্ৰত্যাশিত আৰু শোকাবহ হবলৈ বাধ্য। "অস্তিত্বৰক্ষা" শব্দদুটাৰ অৰ্থ তেতিয়া মৰ্মান্তিকভাবে বেলেগ হৈ যাব।

এহাতে অসমৰ বিভিন্ন জাতি আৰু উপজাতিৰ মাজত ঠায়ে ঠায়ে ভয়ংকৰ সংঘৰ্ষ হৈছে। বহুসংখ্যক লোকে প্ৰাণ হেৰুৱাইছে, ঘৰবাৰী হেৰুৱাই হেজাৰ বিজাৰ মানুহ নিৰাশ্ৰয় হৈছে— অসংখ্য মানুহ খন্তেকৰ ভিতৰতে পথৰ ভিখাৰীত পৰিণত হৈছে। আনহাতে ভাৰতৰ চৰকাৰী সৈন্যবাহিনী আৰু অৰ্দ্ধসামৰিক বাহিনীৰ লগতো অসমৰ বিশেষকৈ অসমীয়াভাষী জনগণৰ প্ৰত্যক্ষ সংঘাতৰ বিপদ দিনকদিনে বাঢ়ি গৈছে। বহু ঠাইৰ পৰা বন্দুক চুৰি হোৱাৰ বাতৰি আহিছে। বোমা বাৰুদ বনোৱাতো এচাম লোক সিদ্ধ হস্ত হৈ উঠিছে। ডেকাচামৰ ভিতৰত এনে প্ৰত্যক্ষ সংঘাতৰ বাবে কিছু সংখ্যক তৰুণে উত্ৰাৱল হৈ আগবাঢ়িছে।

এনে পৰিস্থিতি অধিক অগ্ৰসৰ হবলৈ দিলে তাক আৰু সহজে বা শীঘ্ৰে শাসনলৈ আনিব পৰা নাযাব। সেই পৰিণতি আমি বিচাৰিছোঁনে বাৰু?

এনে তৰহৰ সামৰিক বা অৰ্দ্ধসামৰিক পৰিস্থিতিত প্ৰথমেই সৰ্বসাধাৰণ ৰাইজৰ জীৱিকাৰ ওপৰত সাংঘাতিক আঘাত পৰিব। আনকি সুকলমে খেতি বাতি চলোৱাও দুঃসাধ্য হৈ পৰিব। আমাৰ খেতিয়ক ৰাইজে হাট বজাৰত বিকা কিনা কৰি যি বহুমূলীয়া দুই-চাৰি পয়চা পায় বা লোণতেল, ঔষধ-কাপোৰ আদি যোগাৰ কৰাৰ যি সুযোগ পায়, তাৰো মুদা মৰিব। নতুন শিল্প-উদ্যোগ বা উন্নয়ণমূলক কাম-কাজ বন্ধ হব আৰু তাৰ ফলত নিবনুৱাৰ সংখ্যা অতিপাত বৃদ্ধি পাব— অসংখ্য যুৱকে চকুৱে এন্ধাৰ দেখিব। বাট-পথ, চিকিৎসা আদি ক্ষেত্ৰত যি সামান্য চৰকাৰী সাহায্য ৰাইজে পাইছে তাৰ পৰাও বঞ্চিত হব। অসমৰ অগনণ শিশু, কিশোৰ আৰু তৰুণৰ শিক্ষাজীৱন পংগু হৈ

পৰিব। অসমীয়া দুই চাৰি অগ্ৰণী যুৱকে শিল্প ব্যৱসায়ত যি দুই এখোজ আগ বাঢ়িছে— সেইৰূপ অগ্ৰগতিও স্তব্ধ হৈ যাব— সামান্য প্ৰতিষ্ঠা অৰ্জন কৰা সকলবো ভাগ্যত বিপৰ্য্যয় ঘটিব। অসমীয়া সকলো শ্ৰেণীৰ লোকেই এই দুৰ্ভাগ্যৰ কৱলত পৰিব। এটা জাতি কেৱল সংখ্যাৰ জোৰত আগ নাবাঢ়ে। লাখ লাখ কাঙালী-ভিখাৰী সৃষ্টি কৰি জাতিৰ উন্নতিত বৰঙণি দিব যে নোৱাৰি, সন্দেহ নাই।

কেৱল অৰ্থনৈতিক ৰাজহাঁড় ভাঙেই নহয়, অসমীয়া জাতিৰ অন্যান্য সম্পদো ভীষণভাবে ক্ষতিগ্ৰস্ত হ'ব। শিল্প-সাহিত্যৰ কথা বাৰু বাদেই দিলোঁ। কিন্তু অসমৰ জাতীয় বিকাশো চূড়ান্তভাবে বাধাগ্ৰস্ত হ'ব। আজিৰ ৰাজনীতি বিদ্যালয়ৰ ছাত্ৰসংঘই পতা বিতৰ্কৰ দৰে নিষ্পাপ নহয়। ভয়ানকভাবে কুটিল আৰু চক্ৰান্তমূলক। তেনেস্থলত অসম আন্দোলন নিয়ন্ত্ৰণাধীন কৰিবলৈ চৰকাৰে অসমীয়া সমাজৰ পৰিসীমাৰ মাজত থকা বিভিন্ন সম্প্ৰদায়ৰ মাজতে অসূয়া, বিদ্বেষ আৰু সংঘৰ্ষ লগাবলৈ বিচাৰিব। জাতীয় স্বাধীনতা বিচাৰি ঐক্যবদ্ধ হোৱা, চূড়ান্ত ত্যাগৰ বাবে প্ৰস্তুত হোৱা, নাগা জাতিৰ ভিতৰতে আও-ছে'মা-আংগামী আদি ঠালৰ মাজত চৰকাৰে সন্দেহ আৰু সংঘাত সৃষ্টি কৰিবলৈ সক্ষম হ'ল। অসমীয়া জাতিৰ পৰিসীমাৰ মাজলৈ অহা বহু সম্প্ৰদায়ৰ অসমীয়া জাতিৰ লগত একাত্মবোধ এতিয়াও প্ৰবল আৰু অবিচ্ছেদ্য হৈ উঠা নাই। আনকি খিলঞ্জীয়া অসমীয়াৰ মাজতো সাম্প্ৰদায়িক ব্যৱধানবোৰ লুপ্ত হোৱা নাই। এনে পৰিস্থিতি অসমীয়া জাতিৰ এক মৌলিক দুৰ্বলতা তাৰ পূৰ্ণ সুযোগ চৰকাৰে নিশ্চয় গ্ৰহণ কৰিব। সামৰিক বা অৰ্দ্ধসামৰিক সংঘাতে এই চক্ৰান্ত তীব্ৰ কৰি তুলিব।

এই পৰিকল্পনাৰে অংশ হিচাবে অসম পুনৰ খণ্ড-বিখণ্ড কৰাৰ আশংকাও পুৰামাত্ৰাই আছে। ভাৰতৰ এজন শীৰ্ষস্থানীয় বামপন্থী নেতাই তিনিমাহমান আগতে ব্যক্তিগত আলাপত জনাইছিল যে অসমখন এনেদৰে কেবাটাও টুকুৰাত ভাগ কৰাৰ আঁচনি এখন হেনো প্ৰধানমন্ত্ৰীয়ে তেওঁৰ আগত দাঙি ধৰিছিল। তেওঁ হেনো সমৰ্থন বা প্ৰতিবাদ নকৰাকৈ আঁচনিখন ওভোটাই পঠালে। তেনে এক আঁচনি থকাৰ কথা আমি নিজেও ১৯৮০ চনতে গম পাইছিলোঁ আৰু আন্দোলনৰ কোনো কোনো নেতাক খবৰটো দি সতৰ্ক কৰি দিছিলোঁ। অলপতে প্ৰধানমন্ত্ৰীয়ে নিজেই উদয়াচল গঠনৰ আভাস দি সেই খবৰৰ সত্যতা প্ৰমাণ কৰিছে।

কিন্তু এনেদৰে এখন দেশ সহজে খণ্ড-বিখণ্ড কৰা নাযায়। তাৰ পূৰ্বচৰ্ত্ত হিচাবে সেই দেশৰ সমূহ জনগণৰ মাজত নাৰকীয় বিবাদ আৰু সংঘৰ্ষ সৃষ্টি কৰিব লাগিব। সাম্ৰাজ্যবাদী আৰু আধিপত্যকামী শক্তি সমূহেও এই কৌশল সততে প্ৰয়োগ কৰে। ভাৰত-বিভাজনৰ আগে আগে ব্ৰিটিছ চক্ৰান্তত ভাৰতৰ

সমাজ কঁপাই তোলা সাম্প্ৰদায়িক সংঘৰ্ষৰ কথা কোনে পাহৰিব পাৰে? অসমতো যে সেই পৰিবেশ ধীৰে ধীৰে গঢ় লৈছে আমি লক্ষ্য কৰিছোঁনে নাই?

অসম এনেদৰে খণ্ড-বিখণ্ড হ'বলৈ পালে অসমীয়া জাতিৰ ভৱিষ্যত বিকাশ বা প্ৰসাৰণ বন্ধতো হ'বই— ৰাজ্যিক ক্ষমতা পোৱা বাকীবোৰ গোটৰ হেঁচাত অসমীয়াভাষী গোটটো যে সম্পূৰ্ণ পংগু হৈ নাযাব, তাৰে বা ভৰসা ক'ত?

অসমীয়া মানুহৰ বন্দুক বা বোমা দেখিলেই ভাৰত চৰকাৰ পিছ হুঁহকি যাব— তেনে ধাৰণাও সংগত নহয়। অসমৰ তেল, চাহ আৰু অন্যান্য সম্পদৰ উপৰিও সমগ্ৰ এছিয়াতে অসমৰ ভৌগলিক অৱস্থানৰ যি বিশেষ গুৰুত্ব— ভাৰত চৰকাৰৰ বাবে সি সদায় তাৎপৰ্য্যপূৰ্ণ হৈ থাকিব। সেয়ে প্ৰয়োজন হ'লে চূড়ান্ত সামৰিক ব্যৱস্থা গ্ৰহণ কৰি হ'লেও চৰকাৰে অসমক শাসনত ৰাখিবলৈ বিচাৰিব। কামটো নিশ্চয় সহজ নহ'ব। কিন্তু দুখীয়া শ্ৰেণীৰ পৰা অহা জৱানৰ জীৱনৰ বাবে ভাৰত চৰকাৰ বিশেষ উদ্বিগ্ন নহয়— জৱানৰ অভাৱ কেতিয়াও নহ'ব। আনহাতে সামৰিক শাসনৰ তলত সামৰিক কায়দা কানুন মানি চলিব লগীয়া হ'লে সৰ্বসাধাৰণ অসমীয়া মানুহৰ জীৱন অস্থিৰ, অশান্ত আৰু বিশৃংখল হৈ পৰিব।

এনে ধৰণৰ দুৰ্ভাগ্যজনক ঘটনাও চকুমুদি সহিব পৰা গ'লহেতেন যদি চূড়ান্ত সংঘৰ্ষত অসমীয়া মানুহ জয়ী হোৱাৰ সম্ভাৱনা আছিল। চি আৰ পিক অৱশ্যে কোনো কোনো ঠাইত গাৱঁৰ ডেকাবিলাকে বিহু দেখুৱাইছে। কিন্তু টেংক বিমানসজ্জিত সশস্ত্ৰ সৈন্যবাহিনীৰ লগত সংঘৰ্ষ সিমান সহজ নহ'ব। এই কথা ঠিক যে সৈন্যবাহিনীৰে ঠাইহে দখল কৰিব পাৰিব— মানুহৰ মন জয় কৰিব নোৱাৰিব। কিন্তু অস্ত্ৰশস্ত্ৰৰ সেই তাণ্ডবো নিশ্চয় দুৰ্ভাবনাৰ কাৰণেই হ'ব। বাংলাদেশৰ মুক্তিযুদ্ধ সফল হৈছিল ঘাইকৈ ভাৰতীয় সৈন্যবাহিনীৰ হস্তক্ষেপৰ ফলত। অসমত তেনে কোনো বৃহৎ সামৰিক শক্তিয়ে হস্তক্ষেপ কৰিবনে? আমি জনাত সাংস্কৃতিক বিপ্লৱৰ দহবছৰীয়া দুৰ্যোগৰ পিছত চীন এতিয়া অৰ্থনৈতিক পুনৰ্গঠনৰ কামত নিমগ্ন। পৰাপক্ষত অন্য দেশত সশস্ত্ৰ অভিযান চলাবলৈ চীনৰ এতিয়া সময় নাই। চীনৰ বাহিৰে অসমৰ সীমান্তত এনে কোনো শক্তি নাই যি অসমত এনে এক ভূমিকা পালন কৰিব পাৰে। অসমৰ আন্দোলনকাৰীয়ে নিশ্চয় বাংলাদেশৰ পৰা তেনে সাহায্য বিচৰা নাই?

সৰ্বসাধাৰণ ৰাইজৰ হাতত যাতে অস্ত্ৰশস্ত্ৰ নপৰে, তাৰ বাবে তাহানিৰ পৰাই ৰাষ্ট্ৰশক্তি উদ্বিগ্ন। সেয়ে অসমত অনা অসমীয়া গোষ্ঠীবোৰৰ হাতত অস্ত্ৰশস্ত্ৰ দিবলৈ চৰকাৰ ব্যগ্ৰ নহয়। কিন্তু অসমীয়া ৰাইজৰ হাতত যদি অস্ত্ৰশস্ত্ৰ

যথেষ্ট গোট খোৱাৰ প্ৰমাণ ওলায়, আত্মৰক্ষাৰ খাটিৰত চৰকাৰে অনা অসমীয়া গোষ্ঠীবিলাকৰ হাততো অস্ত্ৰশস্ত্ৰ অৰ্পণ কৰিব পাৰে। তেতিয়া সামৰিক উপায়ে অসম সমস্যাৰ সমাধান কৰাটো আৰু অসম্ভৱ হৈ পৰিব।

সেয়ে আমি ভাবোঁ যে এই অৱস্থাত এই মুহূৰ্ত্তত এটা বুজা পৰাটো অহাটোৱেই হব অসমীয়া জাতিৰ বাবে একমাত্ৰ যুক্তি সংগত আৰু বাস্তৱসন্মত পথ। এই এৰাধৰা আৰু বুজাপৰা কোনখিনিত কেনেকৈ হব? সেই প্ৰশ্নৰ উত্তৰ দিয়াৰ দায়িত্ব আমি নলওঁ— কাৰণ আন্দোলন আমি আৰম্ভও কৰা নাই, পৰিচালনাও কৰা নাই।

কোৱা বাহুল্য যে আন্দোলনৰ মীমাংসাৰ বাবে কেন্দ্ৰীয় চৰকাৰ বিশেষ ব্যাকুল নহয়। আন্দোলন যিমানেই দীঘলীয়া হৈ গৈ আছে সিমানেই অসমীয়া মানুহৰ সমস্যাই জটিল হৈছে। আন্দোলনৰ বিৰুদ্ধে অসমৰ অন্যান্য গোষ্ঠীসমূহক সংগঠিত কৰিবলৈকো চৰকাৰে সময় পাইছে। শ্ৰীমতী গান্ধীয়ে দুই এঠাইত এনে উক্তিও কৰিছে যেন এজনো বিদেশীক তেওঁ অসম এৰিবলৈ কব নোৱাৰে। "বঙালী প্ৰাদেশিকতাবাদী মনোভাবকো কেন্দ্ৰীয় চৰকাৰে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। ধৰ্মৰ ভিত্তি মুছলমান সকলক কেন্দ্ৰীয় চৰকাৰৰ শৰণাগত কৰিবলৈকো চেষ্টা চলি আছে। জনজাতীয় সকলকো এফলীয়া কৰিব খোজা হৈছে।

সেয়ে মীমাংসা বিচৰাৰ গৰজ আন্দোলনকাৰী অসমীয়া ৰাইজৰ। সৈন্যবাহিনীৰ হাতত আমাৰ কঁকাল ভাঙিলে অৱশ্যে মীমাংসা সম্পূৰ্ণ অসমীয়া ৰাইজৰ বিৰুদ্ধেই যাব। তেনে অথন্তৰ ঘটাৰ আগতে মীমাংসালৈ অহাই ভাল হব। কাৰণ চি আৰ পিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ শক্তিসমূহৰ অসমীয়াৰ প্ৰতি এতিয়া শ্ৰদ্ধা গভীৰ।

কেন্দ্ৰীয় চৰকাৰৰ লগত মীমাংসা হোৱাৰ পিছত অকনো পলম নকৰাকৈ আমি আমাৰ ভিতৰৰ সমস্যাবোৰ সমাধান কৰিব লাগিব। সেইবোৰ হ'ল প্ৰথমে অসমীয়া আৰু অনা-অসমীয়া গোষ্ঠীবোৰৰ মাজত বাস্তৱবাদী দৃষ্টিভংগীৰে সম্প্ৰীতি আৰু সহযোগিতা গঢ়ি তোলাৰ প্ৰয়োজন— আৰু দ্বিতীয়তে বিভিন্ন শ্ৰেণীৰ অৰ্থনৈতিক উন্নয়ণৰ বাবে অৰ্থবিনিয়োগ আৰু আনুষ্ঠানিক (institutional) সংস্কাৰৰ আশাশুধীয়া প্ৰচেষ্টা।

(১৯৮৩ চনত "দৈনিক জনমভূমি"ত প্ৰকাশিত)

# দেশগঠনত সাংবাদিকৰ ভূমিকা

দুটামান ঐতিহাসিক ঘটনাৰ বৰ্ণনাৰে আৰম্ভ কৰা যাওক। ফৰাচী সেনানায়ক আৰু সম্ৰাট নেপ'লীয়ন ৰুছিয়া অভিযানত ব্যৰ্থকাম হৈ ঘূৰি অহাত তেওঁৰ শত্ৰুদলে সাহ পাই তেওঁক পদচ্যুত কৰে আৰু নিৰ্বাসন দিয়ে। কেইমাহমান টলকা মাৰি থাকি নেপলীয়নে তলে তলে সৈন্যসামন্ত গোটাই পুনৰ ফ্ৰান্স অভিমুখে যাওনা হ'ল। খবৰটো জয় জয়তে ফ্ৰান্সৰ বাতৰিকাকতত প্ৰকাশ হ'ল এই বুলি— The Corsican Dog Escapes. (অৰ্থাৎ কৰ্চিকাবাসী সেই কুকুৰটো পলাল)। তাৰ এমাহ পিছত নানা বাধা-বিঘিনি জয় কৰি নেপ'লীয়ন সসৈন্য ফ্ৰান্সৰ সীমান্তত উপস্থিত হ'লহি— এইবাৰ বাতৰি কাকাতত শিৰোণামা উঠিল Napolen Returns (অৰ্থাৎ নেপ'লীয়ন ঘূৰি আহিল।) আৰু এমাহ পিছত ফ্ৰান্সৰ ৰাজধানী পেৰিছ নেপ'লীয়নে দখল কৰিলে। এইবেলি বাতৰিকাকতবোৰে শিৰোণামা দিলে— His Majesty the Emperor is here. (মহামান্য সম্ৰাট পেৰিছ পালেহি।)

মানুহজন একেজনেই। কামো একেটা। অথচ অৱস্থা আৰু পৰিস্থিতিভেদে বাতৰি কাকতত তেওঁৰ বিষয়ে লেখা বিভিন্ন বাতৰিৰ মাজত আকাশ-পাতাল প্ৰভেদ। ইও সাংবাদিকৰ একধৰণৰ স্বাধীনতাই।

আৰু দুটামান উদাহৰণ দিয়া যাওক। ১৯৮১ নে ৮২ চনত এখন বহু প্ৰচাৰিত অসমীয়া দৈনিকৰ বিৰুদ্ধে ভাৰতৰ প্ৰেছ কাউন্সিলে কঠোৰ গৰিহণা দিলে— সত্যৰ অপলাপ কৰা, তথ্য বিকৃত কৰা, আনৰ মতামত গোপন কৰা, উদ্দেশ্য প্ৰণোদিতভাৱে উত্তেজনা সৃষ্টি কৰা ইত্যাদি মাৰাত্মক অভিযোগ সেই মন্তব্যত তোলা হ'ল। পিছে সেই একেবোৰ কীৰ্তিৰ বাবেই উক্ত কাকতৰ সম্পাদকে ১৯৮৫ চনত শকত অংকৰ পুৰস্কাৰ সহ এক ৰাষ্ট্ৰীয় সন্মান লাভ কৰিলে। এতিয়া আমি কোনটো মূল্যায়ন শুদ্ধ বুলি কম? কাৰ কথা বিশ্বাস কৰিম?

"দেশ গঠন" আৰু "সাংবাদিকৰ ভূমিকা" দুয়োটাই বিতৰ্কিত আৰু বিবদমান বাক্যাংশ। দুয়োটাৰে অৰ্থ বেলেগ বেলেগ মহলত বেলেগ বেলেগ হ'ব পাৰে। সেয়ে আমি প্ৰথমতে পৰা সজাগ, সতৰ্ক হৈ আগবঢ়া ভাল

হ'ব।

ইংলেণ্ড, আমেৰিকা বা জাৰ্মানিত দেশগঠনত সাংবাদিকৰ ভূমিকা লৈ কোনেও মূৰ নঘমায়। সেইবোৰ দেশ বহুকাল আগতে গঠিত হৈছে, নতুনকৈ গঠন কৰিবলৈ একো নাই। কেৱল দেশৰ প্ৰগতি আৰু পৰিচালনা নিৰংকুশ কৰি ৰাখিবলৈহে বেছিভাগ সাংবাদিকে দায়িত্ব অনুভৱ কৰে। কিন্তু ভাৰত, চীন, মিছৰ বা আফ্ৰিকাৰ আন আন দেশ সমূহত দেশগঠনৰ প্ৰশ্নটো সংগত আৰু গুৰুত্বপূৰ্ণ। কাৰণ ঔপোনিবেশিক শাসনে জুৰুলা কৰি এৰি থৈ যোৱা এইবোৰ দেশক পুনৰুজ্জীৱিত কৰি বিশ্বৰ অগ্ৰসৰ দেশবোৰৰ শাৰীলৈ নৈ যোৱাৰ কাম এইবোৰ দেশত এতিয়াও অসমাপ্ত হৈ আছে, তাৰ ৰাইজক স্বাধীন, স্বনিৰ্ভৰ আৰু উন্নত কৰি তোলাৰ দায়িত্ব এতিয়াও অপূৰ্ণ হৈ আছে। দেশ মানে কেৱল দেশখনৰ অৰ্থনীতিয়েই নহয়, তাৰ জনসাধাৰণকো সুস্থ, সবল, সজাগ কৈ গঢ়াৰ লক্ষ্য এই শব্দ কেইটাত নিহিত হৈ আছে।

মুঠতে ইয়াৰ অৰ্থ এইধৰণে বুজ যে দেশৰ অৰ্থনীতি আৰু প্ৰশাসনত ক'ত কি বেমেজালি লাগিল, দুৰ্নীতি কিমানদূৰ বিয়পি গ'ল, জনসাধাৰণ কিমান হতবুদ্ধি হ'ল— সেইবোৰ প্ৰসংগ দেশগঠনৰ ক্ষেত্ৰত অবাস্তৰ। ক'ত ক'ত কি ভাল কাম হৈছে, আৰু কি কি ভাল কাম কৰিব পৰা যাব, এই মহলৰ মতে সাংবাদিকে কেৱল সেইপিনেহে চকু দিব লাগে। বিশেষকৈ মহামান্য প্ৰধানমন্ত্ৰী আৰু তেওঁৰ গণ্যমান্য লেমটো সকলৰ এয়ে ধাৰণা। সম্প্ৰতি বফৰ্চৰ বৰটোপ ক্ৰয়ত বহুকোটি টকা হাত চাফাই হোৱা বাবে দেশ জুৰি ব্যাপক ধিক্কাৰ উঠিছে। কিন্তু ভাৰতৰ গণ্যমান্য কাকত Times of India ত তিনিটাকৈ সুদীৰ্ঘ আৰু চিন্তাশীল প্ৰবন্ধ ওলাল যে দুৰ্নীতি লৈ বেছি হৈ-চৈ কৰাটো বুৰ্বকৰ লক্ষণ, অনগ্ৰসৰ দেশত উন্নয়নৰ বাবে দুৰ্নীতিক প্ৰশ্ৰয় দিবই লাগিব। ই হেনো আধুনিক সমাজতত্ত্বৰ সিদ্ধান্ত। অসমৰ গাঁৱলীয়া মানুহে সেই সুশিক্ষিত, বিদগ্ধ সাংবাদিকসকলৰ দৃষ্টিকোণ বহু আগতেই বুজি পাইছিল। তেওঁলোকে কৈছিল:

ডাঙৰে কৰিলে লীলা,
সৰুৱে কৰিলে তাক ধৰি বান্ধি কিলা।

আমাৰ অসমৰ আধুনিক সাংবাদিক কেতথিনিয়ে হিতেশ্বৰ শইকীয়া সম্পৰ্কে, আৰু অত্যাধুনিক এচামে মহন্ত মন্ত্ৰীসভা সম্পৰ্কে, এনে ধৰণৰ বিদগ্ধ আৰু সূক্ষ্ম মতামত গ্ৰহণ কৰা আমাৰ চকুত নপৰাকৈ থকা নাই। চহৰৰ ভাল ভাল ঠাইত মাটি লৈ ডাঙৰ ডাঙৰ দালান সাজি এনে সাংবাদিকসকলে দেশগঠন কাৰ কয় হাতে কামে বুজাই দিছে।

কিন্তু এনে দেশগঠনে সৰ্বসাধাৰণ ৰাইজৰ দুবেলা দুমুঠিৰ চিন্তা দূৰ কৰিব পৰা নাই, স্কুল কলেজৰ পৰা ওলোৱা লাখ লাখ ডেকা-গাভৰুৰ

জীৱিকা নিৰ্বাহৰ উপায় উলিয়াই দিয়া নাই, বেমাৰ-আজাৰত লবেজান ৰাইজৰ মনলৈ চিকিৎসা আৰু স্বাস্থ্যৰ কোনো ভৰসা আনি দিব পৰা নাই। "দেশ বুলিলে আদেশ নালাগে"— কবিৰ উক্তি। পিছে ঘটনাৰ গতি যেনে ধৰণৰ হৈছে, জনসাধাৰণৰ মানত দেশ কেৱল আদেশত পৰিণত হৈছে। যেন লঘোণীয়া পেটেৰে ওপৰৰ আদেশ মানি চলাই একমাত্ৰ দেশপ্ৰেম।

শোৱালকুছি অসমীয়া জাতিৰ ঐতিহ্য আৰু গৌৰৱৰ থল। অৰ্থাৎ দেশৰ আত্মপৰিচয় আৰু মহিমাৰ এক উপাদান। শোৱালকুছিৰ শিপিনীয়ে তাঁতশালত সপোন ৰচিব পাৰে— বহুতে মহাত্মা গান্ধীৰ এইষাৰ কথা দোহাৰে। কিন্তু শোৱালকুছিৰ সাধাৰণ শিপিনীৰ জীৱনত ৰূঢ় বাস্তৱৰ আঘাতেই বেছি। তেওঁলোকে যোৱা চাৰিটা দশকত আৰ্থিক ভাবে বিশেষ উন্নতি কৰিব পৰা নাই। বৰং দাৰিদ্ৰ্য, অভাৱ, ধাৰ-ঋণৰ বোজাত দিনক দিনে দকৈ পোতহে গৈছে। কিন্তু শোৱালকুছিতো মহাজনসকলৰ এচামৰ অৱস্থা উন্নত হৈছে। তেন্তে দেশগঠন প্ৰকৃততে হৈছে নে নাই?

দেশগঠন বেলেগ বেলেগ শ্ৰেণীৰ মাজত বেলেগ বেলেগ ৰূপত হৈছে। কথাটো নামানি উপায় নাই। দেশৰ সৰ্বসাধাৰণ ৰাইজ যে আজিও শোষিত, নিপীড়িত আৰু অভাৱগ্ৰস্ত, সেই সম্পৰ্কেও বোধহয় দ্বিমত নাই। সেই অভাৱ আৰু দাৰিদ্ৰ্য কেনেকৈ দূৰ কৰা হ'ব পাৰে, সেই প্ৰশ্নও দেশগঠনৰ ক্ষেত্ৰত অত্যন্ত প্ৰাসংগিক। অসম গণ পৰিষদৰ শিক্ষা-মন্ত্ৰীয়ে অলপতে গুৱাহাটীত কৈছে যে বিজ্ঞানৰ ব্যাপক ব্যৱহাৰৰ সহায়ত এই দাৰিদ্ৰ্য আৰু অভাৱ দূৰ কৰিব পৰা যাব। উল্লেখযোগ্য যে কম্পিউটাৰ আৰু আণবিক শক্তিত বিশ্বাসী ৰাজীৱ গান্ধীৰো মত এনে ধৰণৰে। পিছে বিজ্ঞান বস্তুটো কেৱল পাঠ্যপুথি বা গৱেষণাগাৰতে নাথাকে। সা-সৰঞ্জামৰ পৰা কাৰিকৰি কৌশললৈকে বিজ্ঞানৰ বিভিন্ন সমল এতিয়া পুঁজিপতিৰ, বিশেষকৈ বিদেশী পুঁজিপতিৰ দখলত। সেয়ে প্ৰচুৰ অৰ্থ ব্যয় নকৰাকৈ বিজ্ঞানৰ প্ৰয়োগ সম্ভৱ নহয়। বৈজ্ঞানিক উপায়েৰে অভাৱ দূৰ কৰিবলৈ গৈ আৰু গভীৰ অভাৱৰ পংকত আমি নিমজ্জিত হ'ব পাৰোঁ। বৈজ্ঞানিক কৃষি দেশত প্ৰৱৰ্তন কৰি ইন্দিৰা গান্ধীয়ে খাদ্যশস্যৰ উৎপাদন যে বঢ়ালে সন্দেহ নাই। কিন্তু তাৰ লগে লগে দেখা গ'ল যে বিদেশৰ সমল (যেনে ৰাসায়নিক সাৰ, কীটনাশক, উচ্চ উৎপাদনক্ষম গঁচ বা বিধান) আদিৰ ওপৰত নিৰ্ভৰ কৰা বাবে বৈজ্ঞানিক কৃষিৰ উৎপাদন বঢ়া সত্ত্বেও খাদ্যাভাৱ দূৰ হোৱা নাই।

আৰু এটা কথা। অসমৰ গাৱেঁ ভূঞে যিবোৰ ডিজেল পাম্পছেট বহুৱা হ'ল তাৰে ভালেখিনি অকামিলা হৈ পৰি আছে। কাৰণ এবাৰ বেয়া হ'লে চহৰৰ পৰা ধৰি বান্ধি মেকানিক নিনিয়ালৈকে সেই পাম্পছেটবোৰ ভাল কৰাৰ সম্ভাৱনা গাঁৱত নাই। অৰ্থাৎ বিজ্ঞানৰ ফলাফল ওপৰৰ পৰা

জাপি দিলেই নহয়। তাৰ প্ৰকৃত ভিত্তি বা base গাঁৱত থাকিব লাগিব। কিন্তু গাঁৱত শিক্ষা-দীক্ষাৰ এনে প্ৰসাৰ সহজে নঘটিব। খেতিয়ক ৰাইজৰ হাতত যথেষ্ট মাটি নাথাকিলে তেওঁলোক ধাৰ-ঋণৰ পৰা মুক্ত নহলে, তেওঁলোকৰ প্ৰয়োজনীয় সামগ্ৰীৰ চাহিদা নাবাঢ়িলে গাঁৱত ডিজেল পাম্প ভাল কৰা মেকনিক নোলাব। ভালকৈ যন্ত্ৰৰ ব্যৱহাৰ কৰা অভ্যাসো নহ'ব। কিন্তু শিক্ষামন্ত্ৰীৰ উপদেষ্টা সকলে তেওঁক এনে ধাৰণা দিছে যে বিজ্ঞান আল্লাউদ্দিনৰ চাকিৰ নিচিনা বস্তু লাগ বুলিলেই সকলো সম্পদ থিতাতে আনি দিব পাৰে।

আচলতে বিজ্ঞানৰ প্ৰয়োগ বা উন্নয়নৰ উপায় সমাজৰ পৰিচালনা বা ৰাজনীতিৰ পৰা বিচ্ছিন্ন ঘটনা নহয়। ৰাজনীতিৰ লগত তাৰ ওতঃপ্ৰোতঃ সম্পৰ্ক। সেয়ে দেশগঠনত ভূমিকা লব খোজা সাংবাদিকে ৰাজনীতি আওকাণ কৰিব নোৱাৰে। তেওঁ জ্ঞাতসাৰে ৰাজনৈতিক অৱস্থান নল'লেও ৰাজনীতিৰ পৰা আঁতৰি থাকিব নোৱাৰে। দেশগঠনৰ ফলত সমাজ বা জনসাধাৰণৰ সমূহীয়া উন্নতি হ'ব নে এমুঠি ভাগ্যবানৰ ধন-দৌলত আকাশচুম্বি হ'ব সেই বিবেচনা বাদ দি আলাসতে দেশগঠনৰ কথা ভাবিব নোৱাৰি। সাংবাদিকেও নোৱাৰে। কিন্তু ইও ঠিক যে সংবাদপত্ৰৰ অধিকাংশ মালিকৰ শ্ৰেণীগত অৱস্থান পুঁজিপতি উন্নয়ন বা দেশগঠনৰ প্ৰতিয়েই তেওঁৰ দুৰ্বলতা থাকিব আৰু তেওঁৰ কাকতত পুঁজিবাদৰ বিৰুদ্ধে জেহাদ আশা কৰা টান হ'ব। আমাৰ অধিকাংশ সাংবাদিক আনকি আটাইতকৈ নামজ্বলা আৰু প্ৰভাৱশালী সাংবাদিকো, এই ব্যৱস্থাৰ মাজতে লালিত-পালিত। গতিকে অধিকাংশ সাংবাদিকেই দেশগঠনৰ ক্ষেত্ৰত পুঁজিবাদক ৰক্ষণা-বেক্ষণ দিয়া আৰু পুঁজিবাদৰ উন্নয়ন প্ৰশস্ত কৰাকেই প্ৰকাৰান্তৰে গুৰুত্ব দিয়ে। হয়তো এমুঠি সংবাদপত্ৰ আৰু সাংবাদিক বিপৰীতমুখী। কিন্তু ধনৰ অভাৱ, বিজ্ঞানৰ নাটনি, চৰকাৰী সাহায্য বা পৃষ্ঠপোষকতাৰ অভাৱ-এনেবোৰ কাৰণত সিবিলাক বিশেষ আগবাঢ়িব নোৱাৰে।

তথাপি উল্লেখ কৰা ভাল হ'ব, আজিকালি এচাম আদৰ্শবাদী তৰুণ সাংবাদিকে এনেধৰণৰ পেছাদাৰ পুঁজিবাদী সাংবাদিকতাৰ চিনাকি বাটেদি খোজ নিদি সংসাহস প্ৰদৰ্শন কৰিছে। তেওঁলোকে চৰকাৰ তথা পুঁজিবাদী শ্ৰেণীৰ অনুসৃত নীতিৰ নানা জনবিৰোধী অশুভ পৰিণাম ৰাইজৰ সমুখত দাঙি ধৰি জনমুখী সাংবাদিকতা চৰ্চা কৰিবলৈ ওলাইছে। আমি এওঁলোকৰ প্ৰয়াসক অভিনন্দন জনাওঁ— কিন্তু এওঁলোকৰ সাফল্যৰ সীমা আছে বুলিও ভাবোঁ।

তদুপৰি পুঁজিবাদৰ সৰ্বব্যাপি প্ৰসাৰৰ মাজতো যথেষ্ট মতভেদ আৰু বিবাদ লক্ষ্য কৰিব পাৰি। এচাম পুঁজিবাদৰ লগত ঘনিষ্ঠভাৱে জড়িত। তেওঁলোকে দেশৰ আভ্যন্তৰীণ আৰু বৈদেশিক উভয় নীতি পছিমীয়া সমাজৰ ওচৰ চপা হোৱাটো বিচাৰে আন এটা চামৰ লেনদেন ৰুছিয়া আৰু পূৰ্ব ইউৰোপৰ লগত বেছি। এওঁলোক ভাবে, সমাজবাদ ৰুছিয়াত ভাল কিন্তু ভাৰতত বিপজ্জনক।

সেয়ে এই দুটা গোষ্ঠীৰ লগতে জড়িত সাংবাদিকসকলৰ দৃষ্টিকোণৰ মাজতো পাৰ্থক্য থাকিব। তেনেকৈ আঞ্চলিক পুঁজিপতিবিলাকৰ লগতো বৃহৎ সৰ্বভাৰতীয় পুঁজিৰ মতভেদ থাকিব। বৃহৎ পুঁজিয়ে আঞ্চলিক বিভিন্নতা নিবিচাৰে— সকলো একাকাৰ হোৱাটোকে বিচাৰে। কিন্তু আঞ্চলিক বিভিন্নতাৰ ওপৰত নিৰ্ভৰ কৰে, তেওঁলোকে বৈচিত্র্যৰ পক্ষপাতী।

বৃটিছৰ দিনত চাহশিল্প আৰু কাঠৰ কাৰবাৰত অসমীয়া পুঁজিপতিৰ কিছু ঠাই আছিল। এতিয়া অসমীয়া চাহ-খেতিয়ক বেছিভাগৰে অৱস্থা শোচনীয়। কবলৈ গ'লে অসমত এতিয়া থলুৱা উদ্যোগ তিনিবিধ— ভাড়াঘৰ, ভে'ঞ্চাৰ স্কুল আৰু পাৰ্মিটৰ ব্যৱসায়। কোৱা বাহুল্য, তিনিওবিধ উদ্যোগতে আয় তেনে উল্লেখযোগ্য ধৰণৰ নহয়। কিন্তু এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰত অসমীয়া ব্যৱসায়ী সকলে অসমত খোপনি লৈছে— সি হ'ল সংবাদপত্ৰ আৰু ছপাখানা। জনমত গঠনত এই উদ্যোগৰ স্থান অতুলনীয়। ইয়াৰ জৰীয়তেই অসমীয়া পুঁজিপতি ব্যৱসায়ী সকলে মধ্যবিত্তক নেতৃত্ব দি ভাৰতীয় বৃহৎ পুঁজিৰ ওপৰত আৰু ভাৰত চৰকাৰৰ ওপৰত সামান হ'লেও হেঁচা দিছে আৰু কিঞ্চিৎ সা-সুবিধা যোগাৰ কৰিব পাৰিছে। কিন্তু এওঁলোকো শাসক শ্ৰেণীৰেই নুমলীয়া অংশীদাৰ। এওঁলোকৰ স্বাৰ্থপূৰণ হ'লেই অসমীয়া জনসাধাৰণৰ সকলো লক্ষ্য পূৰণ হোৱা বুলি ধৰিব নিশ্চয় নোৱাৰি। দেশগঠনৰ আলোচনাত এইবোৰ দিশো চকু দিবলগীয়া।

সাংবাদিকতাৰ প্ৰধান অংগ হ'ল খবৰসংগ্ৰহ আৰু ৰাজহুৱা ঘটনাৱলীৰ (Public affirs )ওপৰত মন্তব্য তথা বিশ্লেষণ। দুয়োটাৰে নাইবা অগতানুগতিক ঘটনাৰ প্ৰতি মানুহৰ কৌতুহল বহুদিনীয়া। ইউৰোপত মধ্যযুগৰ অৱসানৰ পিছত যেতিয়া বেহাবেপাৰ কেউপিনে বিয়পি যায় আৰু যাতায়তৰ সুবিধা বাঢ়ে তেতিয়া Venice আদি কোনো কোনো ব্যৱসায়ী ঠাইত নিয়মিত কেতবোৰ News Sheet বা বাতৰিৰ প্ৰকাশ হৈছিল। কিন্তু ইংলেণ্ডত ষোড়শ শতিকা মানৰ পৰা দেশ শাসনত অভিজাত সামন্তবাদী শ্ৰেণীৰ ঠাইত সাধাৰণ মানুহৰ প্ৰভাৱ ক্ৰমে বাঢ়ি আহে। ভোটাধিকাৰ সম্প্ৰসাৰিত হয়, ৰাজনৈতিক দলৰ উদ্ভৱ হয়, আৰু প্ৰতিনিধিমূলক চৰকাৰ (Representaive Government) প্ৰতিষ্ঠিত হয়। কোৱা বাহুল্য এইবোৰ প্ৰৱণতাৰ লগৰীয়া স্বৰূপে সৰ্বসাধাৰণ মানুহৰ মনত ৰাজনীতি তথা ৰাজহুৱা ঘটনাৱলী সম্পৰ্কে আগ্ৰহ আৰু কৌতুহল বাঢ়ে। বিভিন্ন দল বা শিবিৰৰ সমৰ্থন আৰু বিৰোধিতা কৰি হেজাৰ-বিজাৰ প্ৰচাৰপত্ৰ (leaflet) আৰু প্ৰচাৰপত্ৰ ওলাবলৈ ধৰে। সপ্তদশ শতাব্দীৰ শেষপিনে সাময়িক পত্ৰিকাৰ জন্ম হয়। লেখনীৰ দ্বাৰা জীৱন নিৰ্বাহ কৰা এচাম লেখক ওলাল। আজিৰ সাংবাদিকৰ পূৰ্বপুৰুষ এওঁলোকেই। এনে অসংখ্যলোকৰ মাজত জনসাধাৰণৰ মংগলৰ বাবে চৰকাৰী স্বৈৰতন্ত্ৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে সাহসেৰে

থিয়দি আমৃত্যু সংগ্ৰাম কৰি যোৱা নমস্য লোকো আছিল— যেনে জনাথান ছুইফ্‌ট্, পলিতিকল্ ৰে'জিষ্টাৰৰ সম্পাদক উইলিয়ম কবে'ট। জনপ্ৰিয় ঔপন্যাসিক চাৰ্লচ্‌ ডিকেন্সেও HOUSEHOLD WORDS সাময়িকী উলিয়াই জনসাধাৰণৰ অভাৱ অভিযোগ ব্যক্ত কৰিছিল। এনেকৈয়ে দুটা বিভিন্ন ধাৰাৰ সংগমত আধুনিক সংবাদপত্ৰ-উদ্যোগৰ জন্ম হয়।

উল্লেখ কৰা ভাল যে উপবিংশ শতিকাৰ সংবাদপত্ৰ সমূহৰ পুঁজিবাদী উদ্যোগ হোৱা সত্ত্বেও তাৰ মাজত কেতবোৰ আকৰ্ষণীয় আৰু আদৰণীয় গুণৰ বিকাশ ঘটিছিল। তথ্য সংগ্ৰহ আৰু প্ৰকাশত বস্তুনিষ্ঠা, মতামত প্ৰকাশত সংযম আৰু নিৰপেক্ষ হ'বৰ প্ৰয়াস, শক্তিশালী মহলকো কঠোৰ সমালোচনা কৰাৰ সাহস আৰু দৃঢ়তা— এনেবোৰ গুণেই আছিল আধুনিক সাংবাদিকতাৰ দিগদৰ্শী আদৰ্শ। স্বয়ং লে'নিনেও বিলাতৰ Times কাকতৰ বিস্তাৰিত অনুসন্ধান আৰু তথ্য সংগ্ৰহৰ ক্ষমতাক প্ৰশংসা কৰিছিল। কোৱা বাহুল্য যে ক্ষমতাশালী পুঁজিবাদী শ্ৰেণীৰ দৃষ্টিভংগীকে সাধাৰণভাবে এইবোৰ কাকতে প্ৰকাশ কৰিছিল। কিন্তু যিবোৰ ক্ষেত্ৰত পুঁজিবাদী ব্যৱসায়ী আৰু ৰাজনীতিবিদ ব্যক্তিগতভাৱে জড়িত, সেইবোৰ ঘটনাত এনে প্ৰত্যক্ষভাবে জড়িত নোহোৱা বাবে সেইবোৰ ঘটনাৰ বিষয়ে সাংবাদিকে কিছুদূৰ নিঃস্বাৰ্থ আৰু নিৰপেক্ষ মন্তব্য কৰিছিল। অৱশ্যে পুঁজিবাদী শ্ৰেণী বা তাৰ কোনো শিবিৰ সংকটাপন্ন হ'লে সাংবাদিকৰ নিৰপেক্ষতাও দ্ৰুতগতিত লোপ পায়। আজিৰ ভাৰততো বৃহৎ সংবাদপত্ৰ সমূহৰ মাজত এনে ধৰণৰ সীমিত নিৰপেক্ষতাৰো অভাৱ। এচাম কাকতে ৰাজীৱ গান্ধীৰ সমালোচনাত ক্ষান্ত নহৈ কেনেকৈ তেওঁক বগৰাব পাৰি তাৰ আয়োজনত লাগি গৈছে। আন এচামে আকৌ নিলৰ্জভাৱে ৰাজীৱগান্ধীক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ লাগি গৈছে। ভাৰতীয় শাসক শ্ৰেণীৰ মাজত অন্তৰ্দ্বন্দ্ব বাঢ়ি অহাৰ ই এটা লক্ষণ মাত্ৰ। আমাৰ দুই এক কৰিৎকৰ্মা অসমীয়া সাংবাদিকো ৰাজীৱৰ সপক্ষে বা বিপক্ষে হৈ ধনি দিবলৈ পাছ পৰা নাই।

অষ্টাদশ শতাব্দীতে উইলিয়াম হিকিৰ বেঙ্গল গেজেট কলিকতাৰ পৰা প্ৰকাশ হয়। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসন আৰু তাৰ অধিনায়ক ৱাৰেন হেষ্টিংছৰ সকলো অবৈধ আৰু অন্যায় কাৰ্যকলাপৰ বিৰুদ্ধে হিকিৰ কলমে শাণিত খড়্গৰ দৰে আঘাত হানিছিল। কিন্তু সেই সময়ত হিকিক সমৰ্থন জনাবলৈ শক্তিশালী আৰু সচেতন সমাজ এখন কলিকতাত নাছিল। বেছিভাগ শিক্ষিত মানুহ আছিল নিজেই দুৰ্নীতিপৰায়ণ নাইবা সামন্তবাদী তোষামোদ আৰু লেমটোৰ বৃত্তিৰ অনুসৰণকাৰী। সেয়ে দুখ-যাতনাৰ মাজতে উইলিয়াম হিকিৰ জীৱন ওৰ পৰে।

ভাৰতীয় সমাজত ইংৰাজী শিক্ষা আৰু স্বাধীনতা প্ৰেম বিয়পি যোৱাৰ পিছত অৱশ্যে সংবাদপত্ৰৰ ভূমিকা অধিক সবল হয়। চৰকাৰেও ন্যায়সঙ্গত

উপায়েৰে সংবাদপত্ৰৰ কণ্ঠৰোধ কৰিব নোৱাৰি নানা অৱদমনমূলক বিধিনিষেধেৰে সংবাদপত্ৰৰ স্বাধীনতা হৰণ কৰিবলৈ বিচাৰে। ৰাজা ৰামমোহন ৰায়ৰ পৰা কেশৰীৰ সম্পাদক বালগঙ্গাধৰ তিলকলৈ ভাৰতীয় দেশপ্ৰেমিকসকলে বাৰে বাৰে ঔপনিবেশিক চৰকাৰৰ সংবাদপত্ৰ বিৰোধী দমন-পীড়নৰ বিৰুদ্ধে বলিষ্ঠ প্ৰতিবাদ জনাই আহে। ঔপনিবেশিক যুগৰ ভাৰতীয় সংবাদপত্ৰৰ প্ৰেৰণা ধনলোভ নহয়, দেশপ্ৰেম অথবা স্বাধীনতা সংগ্ৰাম আছিল। ইংৰাজ নীল খেতিয়ক বিলাকৰ অত্যাচাৰৰ বিৰুদ্ধে Hindoo Patriot কাকতৰ সম্পাদক হৰিশ কুমাৰ মুখাৰ্জীৰ আজীৱন সংগ্ৰাম উল্লেখনীয়। সেইবাবে সেইবোৰ সংবাদপত্ৰ দুখীয়া কৃষকৰ পৰা ধনবান ব্যৱসায়ীলৈকে, ঔপনিবেশিক শাসনে নিপীড়ন কৰা সকলো শ্ৰেণীৰ ভাৰতীয়ৰ অভাৱ-অভিযোগ প্ৰকাশৰ মাধ্যম আছিল। অসমতো চন্দ্ৰ কুমাৰ আগৰৱালাৰ দৰে স্বাধীনচেতীয়া ব্যৱসায়ীয়ে স্বাধীনতা সংগ্ৰামৰ প্ৰেৰণাতে অসমীয়া জনসাধাৰণৰ সাৰথী হিচাপে অসমীয়া কাকত আৰু অম্বিকাগিৰী ৰায়চৌধুৰীয়ে চেতনা কাকত প্ৰতিষ্ঠা কৰিছিল। এনেকৈয়ে দেশৰ এমুঠি শিক্ষিত মানুহৰ মনত সংবাদপত্ৰৰ ভূমিকা সম্পৰ্কে মৰ্য্যাদাপূৰ্ণ আৰু গৌৰৱময় ধাৰণা শিপাই যায়। মত প্ৰকাশৰ স্বাধীনতাক স্বাধীন ভাৰতৰ সংবিধানৰ মৌলিক অধিকাৰ হিচাপে স্বীকাৰ কৰা হৈছে। কিন্তু এই কথাও লক্ষ্য কৰিবলগীয়া যে, এই অধিকাৰ খৰ্ব কৰিবলৈকো স্বাধীনতাৰ সময়ৰ পৰা নানা প্ৰচেষ্টা চলি আহিছে তাৰ সবাতোকৈ লোমহৰ্ষক নিদৰ্শন আছিল জৰুৰী অৱস্থাৰ সময়ৰ সৰ্বগ্ৰাসী Censorship আৰু শেহতীয়া নিদৰ্শন হৈছে অলপতে জনমতৰ হেঁচাত প্ৰত্যাহাৰ কৰা Defamation Bill এহাতে সংবিধানে ঘোষণা কৰা স্বাধীনতা, আনহাতে সেই সংবিধানৰ আলমত ক্ষমতালাভ কৰা চৰকাৰৰ সেই স্বাধীনতাৰ প্ৰতি বিৰাগ আৰু ভয়। এই গভীৰ অন্তৰ্দ্বন্দৰ উৎস স্বাধীনতাৰ পৰৱৰ্তী কালত গঢ় লোৱা ভাৰতৰ অৰ্থনীতি, সমাজ আৰু ৰাষ্ট্ৰব্যৱস্থাৰ স্বৰূপ। আমি সেইপিনে দৃষ্টিপাত কৰা দৰকাৰ। কিন্তু দৃষ্টিপাতহে কৰিম, বহলাই বিবেচনা কৰিবলৈ সময় নাপাম।

দেশ গঠনৰ প্ৰশ্নটো ইমান গুৰুত্বপূৰ্ণ হ'ল কেনেকৈ? বৃটিছে ভাৰত দখল কৰাৰ পূৰ্বে ভাৰতত এক অনগ্ৰসৰ সামন্তবাদী সমাজব্যৱস্থা চলি আছিল। ভাৰতীয় সভ্যতাৰ স্বৰ্ণযুগ কেতিয়াবাই পাৰ হৈ গৈছিল। বেহা-বেপাৰ আছিল সীমিত।

ক্ষুদ্ৰ ক্ষুদ্ৰ গ্ৰামীণ সমাজত মানুহৰ জীৱন আবদ্ধ আছিল। উৎপাদন ব্যৱস্থা আছিল শ্ৰমসাধ্য, অনুৎপাদনশীল আৰু প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। তথাপি তেতিয়া দুৰ্ভিক্ষৰ সময়ৰ বাহিৰে অভাৱ-অনাটন নাছিল, অনাহাৰ-অপুষ্টি নাছিল, মানুহে সুখ সন্তুষ্টিৰ মুখ দেখিছিল, সাংস্কৃতিক কাৰ্যকলাপৰ মাজেদি আনন্দ লাভ কৰিছিল। কিন্তু দুশ বছৰীয়া ব্ৰিটিছ ঔপনিবেশিক লুণ্ঠনে ভাৰতৰ

মানুহৰ জীৱনত অনাহাৰ, অভাৱ, দাৰিদ্র্য, হতাশা পৰিচিত ঘটনা কৰি পেলালে। সামন্তবাদী অনগ্রসৰতাও দূৰ নহ'ল। দেশ এৰি থৈ যাবৰ সময়ত উত্তৰাধিকাৰ হিচাবে আন বস্তুৰ লগতে ব্ৰিটিছে এৰি থৈ গ'ল এই পুঞ্জীভূত দাৰিদ্র্য আৰু অভাৱ, অনগ্রসৰতা আৰু নিৰক্ষৰতা, দুখ আৰু বেদনা। বিশেষকৈ গাওঁ অঞ্চল মৰুভূমিত পৰিণত হৈছিল।

সেইবাবেই দেশৰ অৰ্থনীতি আৰু সমাজ পূৰ্ণগঠন ইমান জৰুৰী বিষয় হৈ পৰিছিল। সুভাষ বসু কংগ্রেছৰ সভাপতি হৈ থকা কালতে পৰিকল্পনাৰ জৰিয়তে দেশৰ উন্নয়নৰ কথা নেতা সকলে ভাবিছিল। স্বাধীনতাৰ পিছত বিৰাট জলসিঞ্চন প্ৰকল্পৰে কৃষিৰ আৰু বৃহদায়তন কাৰখানাৰে শিল্পৰ দুৰ্বলতা দূৰ কৰিবলৈ প্ৰয়াস কৰা হ'ল। গ্ৰামীণ সমাজৰ পুনৰুজ্জীৱনৰ বাবে Community Developmentৰ ব্যৱস্থা হাতত লোৱা হ'ল। বিপুল উদ্যমেৰে পণ্ডিত নেহৰুৱে এই কামবোৰত আত্মনিয়োগ কৰিলে। স্বাধীনতা সংগ্ৰামৰ সময়ৰ দৰে দেশৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ঘূৰি বিৰাট বিৰাট জনসভাত বক্তৃতা দি দেশগঠনৰ ব্ৰতত ৰাইজক অনুপ্ৰাণিত কৰিবলৈ চেষ্টা কৰিলে।

মনত ৰখা ভাল হ'ব সেই সময়ত গুৱাহাটীত মটৰ গাড়ীৰ সংখ্যা আছিল আঙুলীমূৰত লেখিব পৰা। প্ৰথম তিনিতলা ঘৰ এটা সজা হ'লত তাকে চাবলৈ চাৰিওপিনৰ পৰা জাকেজাকে মানুহ আহিছিল। কিন্তু বৈষয়িক দৈন্য আৰু অনগ্রসৰতা সত্ত্বেও দেশত আদৰ্শৰ, প্ৰেৰণাৰ, ত্যাগৰ অভাৱ হোৱা নাছিল। ৰাইজে নিজেই উন্নতিৰ হেঁপাহত গাঁৱে ভূঞে স্কুল কলেজ খুলিছিল। আৰু আজি? কেউপিনে হতাশা, তিক্ততা আৰু ব্যৰ্থতাবোধ— ব্যাপক ঔদাসিন্য আৰু শূন্যবাদ। অসহায় নাৰী আৰু বৃদ্ধ, নিষ্পাপ শিশু, নিৰ্বিচাৰে হত্যা কৰিব পৰা সন্ত্ৰাসবাদতে দেশ তথা সমাজৰ এই অবক্ষয় প্ৰকট হৈছে।

স্বাধীনতাৰ পিছৰ দেশৰ পুনৰ্নিৰ্মাণৰ বিপুল কৰ্মযজ্ঞই জন্ম দিলে দুটা অপ্ৰত্যাশিত দানবীয় ধাৰা— ওপৰ গধুৰ অৰ্থনীতি আৰু ওপৰ গধুৰ ৰাষ্ট্ৰ। তাৰ বিড়ম্বনাই সৰ্বসাধাৰণ ৰাইজক দুঃস্বপ্নৰ দৰে আচ্ছন্ন কৰিলে।

ৰাষ্ট্ৰীয়খণ্ডত ভাৰতৰ শ্ৰমজীৱী মানুহৰ কষ্টোপাৰ্জিত ধন চান কাঢ়ি বিৰাট বিৰাট কলকাৰখানা গঢ়ি তোলা হ'ল। সিয়ে যথেষ্ট নোহোৱাত বিদেশৰ পৰা বিপুল পৰিমাণৰ ঋণ লোৱা হ'ল। উদ্দেশ্য আছিল এইবোৰ বুনিয়াদী শিল্পৰ সহায়েৰে নিত্যপ্ৰয়োজনীয় সা-সজুলি গঢ়া উপাদানবোৰ— যেনে লো-তীখা, যন্ত্ৰ গঢ়া যন্ত্ৰ (machine tools) আদি সহজে, সস্তাতে যোগান ধৰিব পাৰি। কিন্তু কাৰ্যক্ষেত্ৰত হ'লগৈ কি? গধুৰ শিল্পৰ প্ৰযুক্তিবিদ্যাৰ বাবে, যন্ত্ৰপাতিৰ বাবে, বিদেশৰ ওচৰত হাত পতাৰ ফলত Royalty, ঋণ পৰিশোধ, নক্সা (design) যোগান, spare parts, প্ৰযুক্তিগত পৰামৰ্শ আদি নানান

চেনুত বিদেশী পুঁজিয়ে হেজাৰ হেজাৰ কোটি টকা ভাৰতৰ পৰা চুঁচিবলৈ ধৰিলে। আজি শিল্প উৎপাদনত ভাৰতৰ স্থান পৃথিবীত অষ্টম। কিন্তু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত ভাৰত আত্মনিৰ্ভৰশীল নহয়। বিদেশৰ মুখ্যাপেক্ষী হোৱা বাবে নুতন নতুন কৌশল আয়ত্ত কৰাত ভাৰতীয় শিল্প পিছ পৰি গৈছে। বৃহদায়তন কাৰখানাবোৰৰ উৎপাদন শক্তিৰ শতকৰা ৫০ ভাগ অব্যৱহৃত হৈ ৰ'ল। কাৰণ দেশত তাৰ যথেষ্ট বজাৰ নাই। বিদেশত পশ্চিমীয়া শিল্পৰ লগত যেৰ মাৰি বজাৰ দখল কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে ভাৰতৰ ৰাষ্ট্ৰায়ত্ত লো-তীখা কাৰখানাবোৰৰ বহু উৎপন্ন সামগ্ৰী আন্তৰ্জাতিক বজাৰদামতকৈ বহু সস্তাতে প্ৰায় পানীৰ দামত, জাপান আদি দেশক বিক্ৰী কৰিব লগীয়া হৈছে বাৰে বাৰে। এই বিপুল ক্ষতি পৰোক্ষভাৱে নতুন-নতুন কৰ আদিৰ ৰূপত জনসাধাৰণৰ মূৰৰ ওপৰত পৰিছে।

অৱশ্যে ভাৰতৰসকলো মানুহে বাবে ধৰফৰাব লগীয়া হোৱা নাই। স্বদেশীয় উদ্যোগপতিসকলৰ লাভ হৈছে বিপুল। ৫০ কোটি টকাৰ সাম্ৰাজ্যৰে আৰম্ভ কৰা টাটা-বিড়লা আদি একচেতিয়া পুঁজিপতিৰ সাম্ৰাজ্য আজি গাইপতি বহু হেজাৰ কোটি টকাৰ। এওঁলোকে নিজা নিজা কলকাৰখানাৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম ৰাষ্ট্ৰীয়খণ্ডৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম ৰাষ্ট্ৰীয়খণ্ডৰ পৰা অতি সস্তাতে পালে। কিন্তু বিনিময়ত জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী ৰাইজে সস্থাতে নাপালে। কাৰণ দেশীয় উদ্যোগ ৰক্ষা কৰাৰ নামত সামগ্ৰীৰ চ'ৰাদাম নিয়ন্ত্ৰণ কৰা ন'হল। আনহাতে চৰকাৰে কিন্তু এই শিল্পপতিসকলকে নানা বিধৰ কৰ ৰেহাই দি আছে। অৰ্থাৎ বৃহৎ উদ্যোগপতিসকলৰ লগত ভাৰতীয় ৰাষ্ট্ৰৰ ঘণিষ্ঠ সম্পৰ্ক স্থাপিত হৈছে। ৰাষ্ট্ৰীয়কৃত বেংক, এল আই চি, আদি বিত্তীয় অনুষ্ঠানবোৰৰ নীতিৰ পৰাও এওঁলোকৰ লাভেই বেছি হৈছে।

কৃষিৰ ক্ষেত্ৰতো সেই একেই অৱস্থা চলি থাকিল। ভূমি কৃষকৰ কাগজে-কলমে হ'লেও নিঃস্ব, ভূমিহীন কৃষকৰ হাতত মাটি নপৰিল। ক্ষুদ্ৰ কৃষক আধি, খুন্দৱা চুকানি আদি ব্যৱস্থাৰ বলি হৈ থাকিল। তেওঁলোকে আধাপেটিকৈ খোৱা খেতিৰ ধান উৎপাদন কৰি থাকিল অতি পুৰণিকলীয়া, অনগ্ৰসৰ নিয়মেৰে। ১৯৭০ চনত কৃষিক্ষেত্ৰত গতিশীলতা আনিবলৈ ইন্দিৰা গান্ধীয়ে সেউজবিপ্লৱৰ ধ্বনি দিলে— যাতে ভূমিসংস্কাৰ নকৰাকৈ গ্ৰামীণ ধনিক শ্ৰেণীৰ জৰীয়তে বৈজ্ঞানিক কৃষি প্ৰবৰ্ত্তন কৰিব পৰা যায়। এই কৃষিপদ্ধতি হ'ল অতি ব্যয়বহুল বিদেশী শিল্প বা পুঁজিৰ ওপৰত নিৰ্ভৰশীল। ফলত খাদ্যশস্যৰ উৎপাদন বৃদ্ধি পালেও খাদ্যশস্যৰ দাম নকমিল। আনহাতে পশ্চিমীয়া পুঁজিৰ গৰাহত পৰিল ভাৰতীয় কৃষি। গ্ৰামাঞ্চলত ক্ষুদ্ৰ কৃষক হেজাৰে-বিজাৰে ভূমিহীন শ্ৰমিকত পৰিণত হ'ল ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে। মজলীয়া কৃষকৰ মাজত অসন্তোষ আৰু বিদ্ৰোহৰভাৱে বিস্ফোৰক ৰূপ ললে।

এনেকৈয়ে গাওঁ আৰু চহৰত বিপুল পৰিমানে নিবনুৱাৰ সংখ্যা বৃদ্ধি পালে। সক্ষমলোক সকলৰ প্ৰায় ১/৪ ভাগেই হয় নিবনুৱা, নহয় tender employed.

অৰ্থনীতিৰ এই বেমেজালিয়ে বাৰে বাৰে সমাজৰ উপৰিভাগত ভুঁইকঁপ তুলিছে। শ্ৰমজীৱী কৃষক, শ্ৰমিক আদি লোকসকলৰ মাজত অসন্তোষ, বিক্ষোভৰ মাত্ৰা বাঢ়িছে দিনক দিনে। আঞ্চলিক জনসাধাৰণৰ এচাম আকৃষ্টগ হৈছে। আনহাতে নিজকে বিকল্প বুলি দাবী কৰা বিৰোধী ৰাজনৈতিক দলবোৰৰ কাৰ্যকলাপ বৃদ্ধি পাইছে। বামপন্থী চাম এটাই সশস্ত্ৰ বিপ্লৱৰ পথ অনুসৰণ কৰিছে। এই সকলোবোৰ চম্ভালি বৰ্তমানৰ পুঁজিবাদী অৰ্থনীতি সবল কৰি ৰাখিবলৈ ক্ৰমে গঢ় লৈ উঠিছে এক বৃহৎ দানবীয় ৰাষ্ট্ৰ যন্ত্ৰ। কল্যানমূলক ৰাষ্ট্ৰৰ আঁৰকাপোৰৰ পিছপিনে দমনমূলক ৰাষ্ট্ৰৰ প্ৰতাপ। উন্নয়ণৰ নামত জীপ পাইছে ৰযুমলাৰ দৰে পৰজীৱী এক বিশাল আমোলাতন্ত্ৰ। এই আমোলাতন্ত্ৰৰ লাখ লাখ বিষয়া আৰু কৰ্মচাৰীয়ে চৰকাৰী কোষাগাৰ নিয়মিত লুণ্ঠন কৰিয়েই ক্ষান্ত হোৱা নাই, উন্নয়ণৰ সকলো সুযোগ ব্যৱসায়ী আৰু পুঁজিপতি মহলৰ হাতত দুপয়চৰে বিনিময়ত তুলি দিছে। দুনীতি বৃদ্ধি পোৱাৰ লগে লগে জনসাধাৰণৰ জীৱন সংগ্ৰাম তীব্ৰতৰ হৈছে। আজি স্কুল মাষ্টাৰৰ চাকৰিৰ বাবে, পীয়নৰ চাকৰিৰ বাবে হেজাৰ হেজাৰ টকাৰ ঘোচ লাগে। উন্নয়ণৰ আশা লোপ পোৱাত জনসাধাৰণৰ ক্ষোভে-বিৰাগে অন্ধ আক্ৰোশৰ ৰূপ লৈছে আৰু ধুৰন্ধৰ মহলৰ উচটনিত ভয়াবহ সাম্প্ৰদায়িক দাংগা হাংগামাত চৰিতাৰ্থ হৈছে।

এই ধৰণৰ পৰিবেশে ৰাষ্ট্ৰৰ স্বৈৰতন্ত্ৰী, ফেছিবাদী প্ৰৱণতা বৃদ্ধি কৰিছে। নানা ধৰণৰ দমন মূলক আইন কানুন প্ৰণয়ণ কৰা হৈছে। সন্ত্ৰাসবাদৰোধ কৰাৰ নামত যিখন আইন হৈছে সি দেশৰ যি কোনো অঞ্চলৰ জনসাধাৰণৰ নাগৰিক আধিকাৰ খৰ্ব কৰিব পাৰে। Hospitals and Educational Institutions Bill এ শিক্ষক আৰু ডাক্তৰ সকলৰ আন্দোলন বিক্ষোভৰ পথ বন্ধ কৰিব খুজিছে।

পুলিচ আৰু নানানটা দমন যন্ত্ৰৰ প্ৰভাৱ প্ৰতিপত্তি বৃদ্ধি পাইছে। যি ৰাষ্ট্ৰই শিক্ষাৰ শিতানত খৰচ বেছি হৈছে বুলি দেশৰ শিক্ষা ব্যৱস্থা ব্যক্তিগত ব্যৱসায়ীৰ হাতত তুলি দিব বিচাৰিছে সেই ৰাষ্ট্ৰই বছৰি পুলিচৰ শিতানত অবাধে খৰচ বঢ়াই আছে। প্ৰকাশ্য পুলিচৰ উপৰিও তেৰ-চৌদ্ধটাকৈ গোপন চৰকাৰী চোৰাংচোৱা দলৰ কাৰ্যকলাপে গণতন্ত্ৰ আৰু নাগৰিক অধিকাৰক প্ৰহসনতত পৰিণত কৰিছে। আজি দেশৰ কোনো এজন বিৰোধী নেতা আনকি কোনো এজন স্বাধীন চিন্তীয়া নাগৰিক এই চোৰাংচোৱা দলবোৰৰ উপদ্ৰৱৰ পৰা হাত সাৰিব নোৱাৰে। তেওঁলোকৰ চিঠিপত্ৰ খোলা, টেলিফোনৰ

কথা বতৰা জোপ লৈ শুনা, ব্যক্তিগত জীৱনত হস্তক্ষেপ কৰা আদি নিয়মিত হৈ প্ৰতিবাদ কৰিলে ফল নহয়। কাৰণ RAW/ IB SSB আদি চোৰাংচোৱা সংস্থাবোৰ কোনো আইনৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়। ভাৰতীয় সংসদে সিহঁতৰ অবৈধ ষড়যন্ত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। নাগৰিক অধিকাৰৰ বিশিষ্ট প্ৰবক্তা A.G. Noorami য়ে Economic and Political Weekly ৰ ৭ জানুৱাৰী সংখ্যাত লেখিছে।

"They do not fight their battles in the open unlike the armed forces but necessity operate in the subterranean sphere. They function ..... the elected government which they are supposed to serve."

কোৱা বাহুল্য যে প্ৰণালিবদ্ধ ভাবুকি আৰু সন্ত্ৰাসৰ উপৰিও এইবোৰ গোপন বাহিনীয়ে বহুসংখ্যক নাগৰিকক দালাল আৰু যোগালীত পৰিণত কৰিছে। হয়তো আৰ্থিক সাহায্যৰ বিনিময়ত এইবোৰ অলপ ধতুৰা মানুহে ওচৰ চুবুৰীয়াৰ ওপৰত নজৰ ৰখাৰ পৰা বিশিষ্ট বিৰোধী নাগৰিকৰ বিৰুদ্ধে কুৎসাৰটনা কৰালৈ নানানটা জঘন্য কাৰ্যকলাপত লিপ্ত হৈছে। বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰ, ডাক্তৰ, উকিল আৰু সাংবাদিকৰ এটা চাম এনেদৰে ৰাষ্ট্ৰৰ সেৱা আৰু জনগণৰ বিৰোধিতাত নিমগ্ন হৈছে। দেশৰ গণতান্ত্ৰিক পৰিবেশ এনে দুৰ্বল যে এনে মানুহৰ কাম-কাজ কিমান কুৎসিত, বুজাৰ ক্ষমতাও আমি হেৰুৱাই পেলাইছোঁ।

আজি সংবাদপত্ৰ জগতৰ বাতাৱৰণ এনে ৰাজনীতি আৰু অৰ্থনীতিয়ে প্ৰভাৱিত কৰিছে। এহাতে বৃহৎ পুঁজিপতি মহলৰ দখলত আছে কেইবাখনো বহু প্ৰচাৰিত কাকত, বিশেষকৈ উত্তৰ ভাৰতত। আনহাতে কাকতবোৰৰ মতামত, তাত প্ৰকাশিত খবৰ, চিঠিপত্ৰ, প্ৰবন্ধ আদি শাসনত ৰাখিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ আপ্ৰাণ চেষ্টা। বেঁতাৰ আৰু দূৰদৰ্শনত শাসনাধিষ্ঠিত দলৰ চৰকাৰৰ ভাবমূৰ্তি উজ্জ্বল কৰিবলৈ নিলৰ্জ অভিযান চলোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ সকলো তুচ্ছ উক্তিক বেদৰ বাণীৰ মহিমা দিয়া হৈছে। তেওঁ হাঁচি এটা মাৰিলেও বেঁতাৰ আৰু দূৰদৰ্শনত তাক প্ৰায় আণবিক বোমাৰ বিস্ফোৰণৰ সমান গুৰুত্ব দিয়া হয়। অলপতে তামিলনাডুৰ নিৰ্বাচনৰ খবৰ প্ৰচাৰ কৰা সময়ত দূৰদৰ্শনৰ খবৰ পঢ়োতা সকলৰ মাত থোকাথুকি চকু ছলছলীয়া, মুখ ম্লান হৈ পৰিছিল। বেঁতাৰৰ ক্ষেত্ৰতো সাংবাদিক অধঃপতিত হৈছে চৰকাৰৰ গোলামলৈ। সেয়ে অন্তঃসাৰশূন্য প্ৰচাৰৰ বাহিৰে এই দুই প্ৰচাৰ মাধ্যমৰ পৰা আন একো আশা কৰিব নোৱাৰি।

পুঁজিপতি মহলৰ দখলত থকা কাকতবোৰত বৃহৎ পুঁজিপতিসকলে প্ৰচুৰ ধন বিনিয়োগ কৰিছে। প্ৰযুক্তিগত উন্নতি বেছ লক্ষ্য কৰিবলগীয়া।

চৰকাৰী-বেচৰকাৰী মহলৰ পৰা বহুপৰিমাণৰ বিজ্ঞাপন মাননী আহৰণ কৰে। চৰকাৰৰ অবৈধ বা অগণতান্ত্রিক কার্যকলাপৰ সমালোচনা এইবোৰ কাকতত হয়। যেনে বফৰ্ছ বৰটোপ ক্রয়ৰ ক্ষেত্রত হোৱা দুর্নীতিৰ অভিযোগ এইবোৰ বাতৰি কাকততে সর্বাধিক প্রচাৰ হয়। কিন্তু পুঁজিপতি মহলৰ স্বাৰ্থত আঘাত কৰিব পৰা খবৰ-বাতৰি আৰু মতামত ইয়াত বেছি প্রকাশ নহয়। সাংবাদিকৰ মতামতৰ ওপৰত চৰকাৰী হস্তক্ষেপ সম্পর্কে সাংবাদিক মহল সজাগ। কিন্তু পাহৰি যোৱা উচিত নহ'ব যে আন আন উদ্যোগত ন্যস্ত স্বার্থ থকা পুঁজিপতি মহলবোৰৰ অধীনত এনেবোৰ বাতৰি কাকত চলি আছে। প্রকৃতপক্ষে এইবোৰৰ স্বাধীন শিল্প হিচাবে কোনো অস্বিত্ব নাই।

সাংবাদিকসকলে কথাটো ভাল নাপাব পাৰে। সেয়ে এটা উদাহৰণ দিয়া ভাল হ'ব। Statesman কাকতখন বৈধ গণতান্ত্রিক শাসন আৰু নাগৰিক অধিকাৰৰ প্ৰভাৱশালী মুখপাত্র। কিন্তু এই কাকাতখনত সম্পাদকৰ ক্ষমতা বেছ সীমাবদ্ধ। ১৯৬৮ চনত এজন Managing Director মালিকসকলৰ প্রতিনিধি হিচাবে Statesman ৰ কার্য্যালয়ত নিযুক্ত কৰা হয়। তেওঁক সম্পাদকীয় কার্যকলাপৰ ওপৰতো হস্তক্ষেপ কৰাৰ কর্তৃত্ব দিয়া হয়। এই কথাও অজ্ঞাত নহয় যে বৃহৎ সংবাদপত্রবোৰত বিশেষ প্রসিদ্ধ আৰু প্রতিষ্ঠিত সম্পাদকো মালিকৰ ইচ্ছাৰ বিৰুদ্ধে টিকিব নোৱাৰে।

সেয়ে দেশ গঠনত সাংবাদিকসকলে স্বাধীন বৰঙণি যোগাব নোৱাৰে যদিহে চৰকাৰী হেঁচা আৰু মালিক পক্ষৰ কর্তৃত্বৰ পৰা তেওঁলোকে নিজৰ বৃত্তিটো উদ্ধাৰ আৰু ৰক্ষা কৰিব নোৱাৰে। কেৱল প্রতপক্ষ দমন নিপীড়নেই নহয়, প্ৰভাৱশালী মহলৰ পৰা অহা বিচিত্র প্রলোভনো সাংবাদিকৰ সততাৰ বৈৰী। নানা ধৰণৰ সা-সুবিধা— যেনে সস্তীয়া হাৰত ধাৰ-ঋণ, চহৰত চৰকাৰে দিয়া মাটি বা ঘৰ বন্ধাৰ সুযোগ, বিদেশযাত্রাৰ সুযোগ আদিও এনেবোৰ মহলে দিব পাৰে। সেইবোৰ সুৰুঙাৰে সাংবাদিকৰ বিবেক আৰু বিচাৰবুদ্ধি অন্তৰ্হিত হ'ব নোৱাৰে বুলি কব কোনে? আজি সাংবাদিকে সকলোৰে জীৱনৰ দুৰ্নীতিৰ তদন্ত কৰি ফুৰিছে— সাংবাদিকৰ জীৱনৰ দুৰ্নীতি তদন্ত কৰে কোনে? Philip Agee য়ে লেখা CIA DIARY. Victor Marchetto ৰ The Cult of Intellgience আদি গ্রন্থত সাংবাদিকক কেনেকৈ চোৰাংচোৱা মহলে ব্যৱহাৰ কৰে তাৰ চাঞ্চল্যকৰ বিৱৰণ প্রকাশ পাইছে। ভাৰতত RAW, IB আদিয়ে এনেধৰণে কিছুমান সাংবাদিকক হাতত ৰাখিছে বুলি নিঃসংশয়ে কব পাৰি।

আঞ্চলিক মাধ্যমবোৰ অৱশ্যে বৃহৎ উদ্যোগৰ অধীনত নাই। এক অৰ্থত সেইবোৰ স্বাধীন উদ্যোগ। কিন্তু ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞাপন, সেইবোৰ বিজ্ঞাপনৰ বাবদ তুৰন্তে বৰঙণি লাভ কৰাৰ প্রয়োজন, লাখ লাখ

কপি পাঠ্যপুথি ছপা কৰাৰ ঠিকা, সস্তীয়া দামৰ চৰকাৰী কাগজ পোৱাৰ সুযোগ, নিউজপ্ৰিণ্ট আৰু আয়কৰৰ ক্ষেত্ৰত চৰকাৰৰ পৰা পাব পৰা নানাধৰণৰ সুবিধা— এইবোৰে আঞ্চলিক মাধ্যকৰ ওপৰত হেঁচা দিব পাৰে। যেতিয়া ৰাজ্যত ক্ষমতাহীন শক্তিৰ লগত কেন্দ্ৰত ক্ষমতাহীন শক্তিৰ বিবাদ বিৰোধ থাকে, সেই সুযোগতে আঞ্চলিক মাধ্যমে কিছু স্বাধীন মত পোষণ কৰাৰ সুযোগ পায়। কিন্তু যেতিয়া আঞ্চলিক আৰু কেন্দ্ৰীয় শক্তিৰ মাজত মিত্ৰতা হয়, তেতিয়া আঞ্চলিক মাধ্যমো কেন্দ্ৰীয় চৰকাৰৰ বহুতীয়াত পৰিণত হোৱাৰ আশংকা থাকে। অসম গণ পৰিষদ চৰকাৰ সম্প্ৰতি অসমৰ ন্যায্য আঞ্চলিক স্বাৰ্থ ৰক্ষাৰ বাবে দৃঢ় অৱস্থান ললে সেই অনুযায়ী আঞ্চলিক সংবাদপত্ৰৰ মৰ্যদা বাঢ়িব পাৰে। কিন্তু অসম গণ পৰিষদ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত গোপনে আত্ম সমৰ্পন কৰিলে অসমৰ সাংবাদিকতাৰ জগতো বহুপৰিমাণে অৱসাদ গ্ৰস্ত আৰু নীচাশয় হৈ পৰাৰ আশংকা আছে।

এই কথা নকৈ নোৱাৰি যে অসন্তুষ্ট আৰু বিক্ষুব্ধ জনগণক বিভক্ত আৰু পৰস্পৰৰ প্ৰতি বিদ্বেষমত কৰি ৰাখিবলৈ সাম্প্ৰদায়িক হাংগামাৰ দৰে ভয়ানক শক্তিশালী অস্ত্ৰ নাই। দেশগঠনৰ বাবে ভাৰতীয় সমাজৰ (আৰু অসমীয়া সমাজৰ) ঐক্য-সংহতি সবল কৰা অত্যন্ত প্ৰয়োজনীয়। কিন্তু এই ক্ষেত্ৰত আমাৰ বাতৰি কাকতৰ ভূমিকা বিশেষ প্ৰশংসনীয় বুলি ভাবিব নোৱাৰি। সাম্প্ৰদায়িক হাংগামা হোৱাৰ পিছত অৱশ্যে কাকতত গৰিহণা দিয়া হয়। কিন্তু তাৰ আগতে সাম্প্ৰদায়িক সন্দেহ, অসূয়া, অপপ্ৰচাৰ দূৰ কৰিবলৈ প্ৰভাৱশালী কাকতবোৰত কোনো উল্লেখযোগ্য চেষ্টা কৰা দেখা নাযায়। বৰং ভাৰতৰ বিভিন্ন অঞ্চলত আঞ্চলিক বিদ্বেষ আৰু অপপ্ৰচাৰ বিয়পাই দিয়াত আঞ্চলিক মাধ্যমবোৰে দুৰ্ভাগ্যজনক ভূমিকা পালন কৰাৰ প্ৰমাণ আছে। অলপতে মহাৰাষ্ট্ৰৰ তেনে এখন কাকতৰ সম্পাদক এজনক "সাহসী সাংবাদিকতাৰ বাবে" পুৰস্কাৰেৰে অলংকৃত কৰাও হৈছে। দেখা গৈছে বঁটা বাহনে সাংবাদিকক পৰভ্ৰষ্ট কৰাৰ অস্ত্ৰত পৰিণত হ'ব পাৰে।

১৯৮৮ চনত প্ৰেছ কাউন্সিলৰ অধ্যক্ষ A.N. Sen এ এটা তাৎপৰ্যপূৰ্ণ আক্ষেপ প্ৰকাশ কৰে। তেওঁ কয় সংবাদপত্ৰবোৰ সুস্থভাবে চলি থকা হলে চৰকাৰী হস্তক্ষেপৰ বিৰুদ্ধে সংবাদপত্ৰৰ অভিযোগ বেছি হ'লহেঁতেন। কিন্তু তেওঁ দুখ কৰে যে তাৰ ঠাইত সংবাদপত্ৰৰ বিৰুদ্ধে ৰাইজৰ অভিযোগৰ (Public complaints) সংখ্যা বহুত বেছি। তেওঁ সেয়ে সাংবাদিকসকলক কঠোৰ আত্মবিশ্লেষণ কৰিবলৈ আহ্বান জনাইছিল।

সাংবাদিকসকলে নিজৰ বৃত্তিৰ মৰ্যদা আৰু মহান ঐতিহ্য ৰক্ষা কৰিবলৈ নিজৰ মাজতে একধৰণৰ স্বেচ্ছামূলক অনুশাসন (Code of conduct) মানি চলা ভাল বুলি বহুতে মন্তব্য কৰা শুনা যায়। কিন্তু আন্তৰিকতা

আৰু নিষ্ঠা অবিহনে এনে বিধিৰ কোনো মূল্য নাই। বাহ্যিক ভাবে এনে বিধি প্ৰয়োগ কৰিও ভিতৰি স্বেচ্ছাচাৰ চলোৱা ভণ্ডামি ইমান অভাৱনীয় নহয়। কিন্তু ন্যস্ত স্বাৰ্থৰ বহুতীয়া মানুহে এনে কৰ্তব্য নিষ্ঠা বা দায়িত্ববোধ আয়ত্ত কৰিব কেনেকৈ? পুঁজিবাদী আৰু ফেচিবাদী পৰিবেশত সকলো ধৰণৰ সমাজ সেৱাই কলুষিত, ভ্ৰষ্ট। সাংবাদিকতাৰ দৰে পবিত্ৰ বৃত্তিও এই পৰিবেশত বিপন্ন। এই অপসংস্কৃতিৰ বিৰুদ্ধে সাহস আ দৃঢ়তাৰে থিয় দি জনসাধাৰণৰ মংগল আ গণতন্ত্ৰৰ লক্ষ্যৰ প্ৰতি সেৱা জনাবলৈ আগবাঢ়ি আহিব লাগিব সংগঠিত সাংবাদিক সকলেই। তেহে তেওঁলোকে জনসাধাৰণৰ অভাৱ আৰু দাৰিদ্ৰ্যৰ অভিজ্ঞাতৰ অংশীদাৰ হৈ নানা বাধা বিঘিনিৰ মাজতো শেহান্তৰত জনসাধাৰণৰ শ্ৰদ্ধা আৰু আস্থা অৰ্জন কৰিব পাৰিব। Bible ৰ সেই যুগমীয়া বাণী পুনৰ সোঁৱৰা ভাল।

What boots it to a man to win the whole would and lose his soul?

ভাৰতৰ সংবাদপত্ৰই যদিও এদিন পশ্চিমৰ অনুকৰণত বা প্ৰভাৱত জন্মলাভ কৰিছিল, ভাৰতৰ বিশেষ সমাজ, সভ্যতা, ইতিহাস অনুযায়ী ভাৰতীয় সংবাদপত্ৰৰ ৰূপ বা চৰিত্ৰ বেলেগ হোৱা নিতান্ত প্ৰয়োজনীয়। ভাৰতীয় সমাজৰ অগ্ৰগতিৰ যিবোৰ বাধা আৰু দেশগঠনৰ যিবোৰ অন্তৰায় সেইবোৰ দূৰ কৰিবলৈ জনমানসত যেনেধৰণৰ প্ৰভাৱ পেলাব লাগে বাতৰি কাকত, চিনেমা আদি জনমাধ্যমৰ যোগেদি তেনে প্ৰভাৱ সঞ্চাৰ কৰা উচিত। কিন্তু তেনেধৰণৰ কোনো দৃষ্টি ভংগী কাকতবোৰত নাই। এক বিশেষ শ্ৰেণীৰ শ্ৰেণীগত স্বাৰ্থৰক্ষা কৰাৰ বাহিৰে আন কোনো ধৰণৰ সামাজিক দায়িত্ব কাকতবোৰে উপলব্ধি কৰা যেন নালাগে।

বাতৰি কাকতৰ প্ৰভাৱ কেনে বিপুল হ'ব পাৰে অসম আন্দোলনৰ সূত্ৰপাতৰ পৰাই বুজা যায়। কেইখন কাকতে একে লেঠাৰিয়ে কিছুমান বিষয়ৰ ওপৰত লেখি থকা বাবে সদৌ অসম জুৰি এক অভূতপূৰ্ব গণজাগৰণ সৃষ্টি হৈছিল। ছয় বছৰ কাল ধৰি এই গণজাগৰণৰ প্ৰেৰণা অক্ষয় হৈ আছিল।

বিদেশীৰ প্ৰব্ৰজনেই অসম তথা অসমীয়াৰ একমাত্ৰ প্ৰধান সমস্যা নে? অন্যান্য গুৰুতৰ সমস্যাবোৰৰ বিষয়ে এনেদৰে ৰাইজক সজাগ আৰু সক্ৰিয় কৰা নহয় কিয়?

দুটামান উদাহৰণ দিয়া যাওক। অশৰণীয়া জনজাতীয় লোক আৰু মুছলমান সকলৰ লগত হিন্দু অসমীয়াৰ মনৰ মিল আজি কিছুকাল ধৰি দুৰ্বল হৈ আহিছে। কিন্তু সেই সন্দেহ আৰু অবিশ্বাস দূৰ কৰিবলৈ অসমৰ বাতৰি কাকতবোৰে কি উদ্যোগ লৈছে? জনজাতীয় আৰু মুছলমান সকল কি কি সমস্যাৰ সন্মুখীন হৈছে কেনে অসুবিধাত পৰিছে, সেইবোৰ চৰকাৰ আৰু

সৰ্বসাধাৰণ ৰাইজৰ দৃষ্টিগোচৰ কৰিছেনে? তেনেহ'লে অসমৰ সামূহিক ঐক্য ৰক্ষা পৰিব কেনেকৈ?

অসমীয়া যুৱসকলৰ এচামৰ মাজত শিল্প ব্যৱসায়ক জীৱিকা হিচাবে লবলৈ এটা ধাউতি দেখা গৈছে। কিন্তু এই ধাউতি সম্ভৱতঃ বেছি ভাগ ক্ষেত্ৰতে বাস্তৱত ৰূপায়িত হোৱা নাই। কেৱল মূলধনৰ অভাৱেই ইয়াৰ কাৰণ নহয়। মনোভাৱ আৰু প্ৰবৃত্তিৰ কেতবোৰ ত্ৰুটিও তাৰ কাৰণ। উৎপাদন প্ৰক্ৰিয়াৰ প্ৰতি মনোযোগ আৰু উৎসাহৰ অভাৱ, শিল্প ব্যৱসাৰ কৌশল আয়ত্ত কৰাত হেনো, তুৰন্তে প্ৰচুৰ লাভ অৰ্জন কৰাৰ হাবিয়াস আৰু সেইবাবেৰ 'দুনম্বৰী' কাৰ্যপন্থাত উৎসাহ, ভৱিষ্যত আয়ৰ বাবে বৰ্তমানত কষ্ট সহ্য কৰিবলৈ অনিচ্ছা— এইবোৰ কাৰণতো অসমীয়া যুৱসকলে শিল্পব্যৱসায়ত বিশেষ উন্নতি কৰিব পৰা নাই। বেংকৰ মেনেজাৰসকলে আপত্তি কৰে যে যুৱক ব্যৱসায়ীসকলে ঋণ পৰিশোধ নকৰে। এইবোৰ গুৰুতৰ প্ৰশ্ন লৈ অসমীয়া বাতৰি কাকতত কোনো অনুসন্ধান প্ৰকাশ হোৱা দেখা নাই। নাইবা মানসিকভাৱে যুৱসমাজত উৎসাহিত আৰু প্ৰস্তুত কৰিবলৈকো কোনো চেষ্টা দেখা নাযায়।

তেন্তে অসমীয়া বাতৰি কাকতে দেশৰ প্ৰতি দায়িত্ববোধ প্ৰদৰ্শন কৰিছে নে মালিক শ্ৰেণীৰ স্বাৰ্থৰক্ষা কৰিছে?

(ৰচনা কাল, জানুৱাৰী ১৯৮৯)

# অসমীয়া জাতি আৰু শিক্ষা

অসম আন্দোলনৰ সময়ত এজন দুঃসাহসী যুৱকে কটাৰিৰে বুকুত ৰেপ দি তাৰ তেজেৰে বাটত "জয় আই অসম" বুলি লেখিছিল। ধূপ-ধূনা দি হেজাৰ-বিজাৰ মানুহে সেই ঠাইটুকুৰাক তীৰ্থস্থান জ্ঞান কৰি পূজা কৰিছিল।

কেতিয়াবা ভাবোঁ, গভীৰ আৰু দীৰ্ঘস্থায়ী আৱেগৰ অভাৱ আমি এনে চমকপ্ৰদ অথচ ক্ষণস্থায়ী প্ৰদৰ্শনেৰে পূৰাব খুজিছিলোঁ। জাতীয় চেতনা, জাতীয় প্ৰেৰণা, আমাৰ বাবে দীৰ্ঘকালীন, ফলপ্ৰসূ, নিষ্ঠাবান কাৰ্য্যাৱলীত ৰূপায়িত নহয়। সেয়ে আমাৰ জাতীয় জীৱনৰ বিভিন্ন দিশত পীড়াদায়ক শূন্যতা প্ৰকট। কাৰণ আমাৰ মানুহখিনিৰ গুণৰ অভাৱ নহয়। অলপ-আচৰণ প্ৰশিক্ষণ পোৱাৰ পিছতেই আমাৰ খেলুৱৈসকলে জাতীয় মঞ্চত কৃতিত্ব অৰ্জন কৰা সকলোৰে চকুত পৰিছে। তেনেকৈ আজিকালি বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদিতো অসমীয়া তৰুণে যথেষ্ট সাফল্য অৰ্জন কৰিছে বাহিৰত প্ৰশিক্ষণ পোৱাৰ পিছত।

কিন্তু প্ৰশিক্ষণেই শেষ কথা নহয়। এনে উচ্চ প্ৰশিক্ষণ পোৱাৰ পিছত অসমীয়া বৈজ্ঞানিকসকলে যদি বিদেশৰ বিশ্ববিদ্যালয়ত মূৰ গুঁজি থাকে, অসমীয়া খেলুৱৈসকলে বিদেশত পেছাদাৰী খেলতে মজি থাকে, অসমীয়া লেখকসকলে বিদেশৰ বাতৰি কাকতত নিজৰ মূৰ বিক্ৰী কৰে— তাৰ পৰা অসমীয়া সমাজৰ কি লাভ হ'ব? অসমীয়া মানুহৰ জীৱনৰ বিভিন্ন দিশ সতেজ আৰু সুন্দৰ হ'বনে?

তাৰ উত্তৰত কোনো কোনো লোকে কয় যে, অসমীয়া মানুহে সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰতিষ্ঠা আৰু প্ৰসিদ্ধি অৰ্জন কৰিব লাগে। অসমত তাৰ বাবে অৱকাশ বা ক্ষেত্ৰ নাই। যুক্তিটো একেবাৰে দলিয়াই দিব নোৱাৰি। কোনো অসমীয়া মানুহে সৰ্বভাৰতীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত খ্যাতি অৰ্জন কৰিলে বাকীসকলে অসমীয়াৰ আত্মবিশ্বাস নিশ্চয় কিছু বাঢ়ে। কিন্তু সেয়াই যথেষ্ট নহয়। উক্ত অসমীয়াজনক বাহিৰৰ মানুহে জানো অসমৰ প্ৰতিনিধি বুলি চিনি পালে? ন'বেল বঁটা বিজয়ী হৰগোবিন্দ খোৰানা ভাৰতীয়, লী

আৰু য়াং দুয়ো চীনা। কিন্তু তেওঁলোকৰ বিজ্ঞান-সাধনা যথাক্রমে ভাৰতীয় আৰু চীনা গৱেষণাৰ অৱদান বুলি কোনেও নাভাবে। তিনিওজনৰ গৱেষণা প্রকৃততে আমেৰিকান বিজ্ঞান চর্চাৰ অংগ বুলিহে সকলোৱে বুজে। সেয়ে অসমৰ বাহিৰত অর্জন কৰা প্রতিষ্ঠাৰ মূল্য সীমাবদ্ধ, যদিহে অসমৰ পাৰিপার্শ্বিকতাত তেওঁলোকে তেওঁলোকৰ অৱদান ৰচনা নকৰে। গুৱাহাটী বা ডিব্রুগড় বিশ্ববিদ্যালয়ত গৱেষণা কৰি কোনো লোক F.R.S. বা ফ্রেংকলিন্ মে'ডেল বিজয়ী হ'লে অৱশ্যে কথা বেলেগ। এনে লোকে অসমীয়া সমাজৰ আত্মবিশ্বাস বহু বেছিপৰিমাণে বঢ়াব। তদুপৰি এনে গৱেষণা যিদিনা হ'ব, সেইদিনা অসমীয়া সমাজৰ বৈষয়িক উন্নতিৰ বাবে বিজ্ঞানৰ বহুল ব্যৱহাৰ হ'ব বুলি ধৰি ল'ব পাৰি।

শিল্প, বিজ্ঞান, কলা, অর্থনীতি সকলো ক্ষেত্রতে অসম তথা অসমীয়াৰ দৈন্যৰ কাৰণ কি?

প্রথমতে ক'ব লাগিব যে অর্থাভাবেই তাৰ এক প্রধান কাৰণ। এনে এটা সময় আছিল যেতিয়া কটন কলেজৰ নাম ভাৰতৰ দূৰদূৰণিৰ মানুহে শুনিছিল, তেতিয়া কটন কলেজৰ গ্রন্থাগাৰ আৰু গৱেষণাগাৰ ভাৰতৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰতে উল্লেখযোগ্য আছিল। কিন্তু এতিয়া দিল্লী বা চণ্ডীগড়ৰ একোখন অর্বাচীন কলেজে যেতিয়া গ্রন্থাগাৰত ৮/১০ লাখ টকা হেলাৰঙে খৰচ কৰে সেই সময়ত কটন কলেজত হয়তো গ্রন্থাগাৰৰ বাবে ধার্য কৰা হৈছে মাত্র চল্লিশ হেজাৰ বা পঞ্চাশ হেজাৰ টকা। কটন কলেজৰ ছাত্র-ছাত্রী বা অধ্যাপকে বাহিৰৰ লগত ফেৰ মাৰে কেনেকৈ? (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু সাংঘাটিক। য'ত দিল্লী বিশ্ববিদ্যালয়ৰ বছেৰেকীয়া বাজেট ৮৫ (পঁচাশী) কোটি টকাৰ, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ বছেৰেকীয়া বাজেট ৪৭ (সাতচল্লিশ) কোটি টকাৰ, সেই ক্ষেত্রত গুৱাহাটী বিশ্ববিদ্যালয়ে বছৰি পায় মাত্র আঢ়ৈ কোটি বা তিনি কোটি টকা!)

অর্থাৎ স্বাধীনতাৰ পিছত ভাৰতৰ আর্থ-সামাজিক ব্যৱস্থাই ক্রমে যে ৰূপ ল'লে, দেশৰ সকলো সম্পদ কেন্দ্রীভূত হ'বলৈ ধৰিলে উত্তৰ আৰু পশ্চিম ভাৰতৰ কেতবোৰ অগ্রসৰ অঞ্চলত। সেইবোৰ ঠাইৰ বাসিন্দাসকলৰ চিকিৎসা, শিক্ষা, সংস্কৃতি আদিৰ বাবেও অনগ্রসৰ অঞ্চলতকৈ বহু বেছি পৰিমাণৰ ধন খৰচ কৰা হ'বলৈ ধৰিলে। তাৰ ফলত সেইবোৰ অঞ্চলৰ মানুহে নানা দিশত উন্নতিও কৰিবলৈ ধৰিলে। আনহাতে তুলনামূলকভাৱে অসমে দেশৰ সমগ্র উপার্জনৰ নগণ্য অংশ এটাহে পালে, উন্নয়নৰ বাবে অসমত জনমূৰি খৰচ কম হ'ল, আৰু বৈষয়িক-সাংস্কৃতিক সকলো দিশতে অসমীয়া মানুহ পিছ পৰি আহিবলৈ ধৰিলে। অর্থাৎ পুঁজিবাদী উন্নয়নৰ ফলত হোৱা আঞ্চলিক বৈষম্য অসমৰ পৰিবেশৰ দুর্ভাগ্যজনক আৰু বিকদম্য অৱস্থাৰ

বাবে বহুপৰিমাণে দায়ী।

কিন্তু এনে পৰিস্থিতিত অসমৰ নেতৃত্বৰ ভূমিকায়ো আশা-উদ্দীপনাৰ সঞ্চাৰ কৰিব নোৱাৰিলে। কটন কলেজৰ উদাহৰণলৈ ঘূৰি অহা যাওক। কটন কলেজ কেৱল গুৱাহাটী কামৰূপ জিলাৰ কলেজ নহয়। তাহানিৰে পৰা কটন কলেজ সমগ্ৰ অসমৰ আশা-ভৰসাৰ থল, সকলো অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সপোনৰ শিক্ষানুষ্ঠান বুলিলেও ভুল কৰা নহয়। কিন্তু এই অনুষ্ঠানৰ গুৰুত্ব আৰু তাৎপৰ্য এতিয়ালৈকে কেইজন শিক্ষামন্ত্ৰীয়ে বা মুখ্যমন্ত্ৰীয়ে বুজি পালে? গোপীনাথ বৰদলৈ বা দেৱকান্ত বৰুৱাৰ যাৰ ক্ষমতাগৰ্বৰ লগতে এক নিভাঁজ বিদ্যানুৰাগ আছিল) দৰে মন্ত্ৰী অসমত কেইজন ওলাল? ফলত কটন কলেজৰ আগৰ ঐতিহ্য ম্লান হ'বলৈ ধৰিলে।

অৰ্থাৎ আমাৰ ৰাজনৈতিক আৰু বৌদ্ধিক নেতৃত্বয়ো উচিত বিচাৰ, সঠিক মূল্যায়ন আৰু সময়োপযোগী সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা দেখুৱাব নোৱাৰিলে। অসমৰ শিক্ষা-সংস্কৃতিৰ মান তললৈ যোৱা বাবে অসমীয়া নেতাসকলৰ অদূৰদৰ্শিতাও বহুদূৰ দায়ী।

অসম গণ পৰিষদৰ দলৰ ভিত্তি আছিল ঐতিহাসিক অসম আন্দোলন। সম্ভৱতঃ সস্তীয়া উত্তেজনা আৰু জনপ্ৰিয়তাৰ লোভত সেই আন্দোলনৰ ৰাজনৈতিক আৰু বৌদ্ধিক নেতৃত্বয়ো বাংলা দেশীয় সংখ্যাধিক্যকে অসমৰ অনগ্ৰসৰতাৰ একমাত্ৰ কাৰণ বুলি দোহাৰি থাকিল। অন্যান্য গুৰুত্বপূৰ্ণ কাৰণসমূহৰ যথাযথ বিশ্লেষণ নোহোৱা বাবে সেইবোৰৰ প্ৰতিকাৰৰ উপযুক্ত ব্যৱস্থাও আন্দোলনৰ সময়ছোৱাত আৱিষ্কৃত আৰু বিধিৱদ্ধ নহ'ল। অসম গণ পৰিষদ দলৰ চৰকাৰে সেয়ে ঢাল-তৰোৱাল নোলোৱাকৈ যুদ্ধক্ষেত্ৰত নামি আগুৱাই গ'ল।

আমি ইতিপূৰ্বে আন বহু ঠাইত কৈছোঁ যে অৰ্থনীতি, সমাজ ব্যৱস্থা, শিক্ষা-সংস্কৃতি, কৃষি-শিল্প সকলো ক্ষেত্ৰতে যোৱা চাৰিটা দশকৰ গতানগতিক চিন্তা বৰ্জন কৰি নতুন চৰকাৰে নতুন পথ নিৰ্দেশ তথা নীতি নিৰ্দ্ধাৰণ কৰিব লাগিছিল। কাৰ্যক্ষেত্ৰত কিন্তু তেনে সাহসী আৰু কল্পনা প্ৰৱণ (imaginative) পদক্ষেপ চকুত নপৰিল। বৰং এই চৰকাৰটোৱেও চৰকাৰী বিষয়াৰ বন্ধা-ধৰা, গতানুগতিক আঁচনিকে সিদ্ধি লাভৰ মোক্ষম উপায় বুলি ধৰি ল'লে। অথচ যোৱা চাৰিটা দশকত এই বিষয়াসকলে গণ্ডীৰ বাহিৰ হৈ নতুন নীতি বা পথৰ কথা চিন্তা কৰিব লগা হোৱা নাছিল।

আপাততঃ আমি শিক্ষাৰ বিষয়টোকে ধৰিম। মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ গুৰুত্ব কোনেও অস্বীকাৰ নকৰিব। জীৱন আৰু জগৎ সম্পৰ্কে প্ৰাথমিক জ্ঞান দিয়াৰ উপৰিও এই পৰ্যায়ৰ শিক্ষাই জীৱন নিৰ্বাহৰ বাবে অতি গুৰুত্বপূৰ্ণ দৃষ্টিভংগী আৰু মূল্যবোধৰ উন্মেষ ঘটায়। অসমত অসমীয়া সমাজৰ ভৱিষ্যতৰ

বাবে তলত দিয়া উপাদানবোৰ এই পৰ্যায়ৰ শিক্ষাত অতি গুৰুত্বপূৰ্ণ:

(১) উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ।

(২) ধৰ্ম-সম্প্ৰদায়-নিৰপেক্ষ সহনশীল দৃষ্টিকোণৰ বিকাশ।

(৩) জাতীয় চেতনা আৰু জাতিগঠনৰ প্ৰেৰণা সঞ্চাৰ।

(৪) ছাত্ৰ-ছাত্ৰীৰ কুশলতা আৰু চৰিত্ৰবল বৃদ্ধিৰ বাবে মনোযোগ।

এইবোৰ উপাদান কেৱল পাঠ্যপুথিত সন্নিবিষ্ট কৰিলেই নহ'ব, শিক্ষকসকলৰ মনতো এনে উপাদানবোৰৰ সম্পৰ্কে উৎসাহ সঞ্চাৰ কৰিব লাগিব। তাৰ অবিহনে জাতীয় সংহতি আৰু জাতীয় উন্নতি, দুয়োটাই অসম্ভৱ হৈ থাকিব।

কিন্তু পাঠ্যপুথিতে হওক, শিক্ষকসকলৰ প্ৰশিক্ষণ তথা বিদ্যালয় পৰিচালনাতে হওক তেনেবোৰ উপাদানৰ গুৰুত্ব অনুভৱ কৰাৰ লক্ষণ দেখা নগ'ল। পাঠ্য-পুথিবোৰত গতানুগতিক ৰচনাৰ প্ৰাধান্য বেছি। অসমত যে বিভিন্ন জনগোষ্ঠীৰ লোক বাস কৰে, তেওঁলোকৰ প্ৰত্যেকৰে যে অসমৰ জাতি-গঠন আৰু সংস্কৃতিত অৱদান আছে, পাঠ্য-পুথিসমূহ সেই সম্পৰ্কে নীৰৱ। অসমীয়া মানুহে আত্মপ্ৰতিষ্ঠাৰ বাবে কিমান কষ্ট আৰু সংগ্ৰাম কৰিবলগীয়া হৈছে, দেশৰ স্বাধীনতা ৰণত কিমান বৰঙণি দিছে, সেই বিষয়ে উদাসীন। অসমৰ উন্নয়নৰ বাধা সমূহৰ বিষয়ে এইবোৰ পাঠ্যপুথিয়ে সৰুতে ছাত্ৰ-ছাত্ৰীক সজাগ কৰি নিদিয়ে বা বাধাবোৰ দূৰ কৰিবলৈ মনত সংকল্পও জন্ম নিদিয়ে। অসমৰ ঐতিহ্য আৰু বৈশিষ্ট্য সম্পৰ্কে গৌৰৱ বোধ কৰিবলৈ পাঠ্যপুথিবোৰে বিশেষ প্ৰেৰণা যোগায় বুলি ক'ব নোৱাৰি।

বিজ্ঞানৰ পাঠ্যপুথি বা সাহিত্যত জগদীশ বসু, চি-ভি ৰমন, সত্যেন বসু, মেঘনাদ সাহা, বীৰবল সাহানি আদি মহান ভাৰতীয় বৈজ্ঞানিক জীৱনী নাথাকে, যিবোৰ থকা হ'লে ডাঙৰ হৈ সেইসকল বৈজ্ঞানিকৰ পদাংক অনুসৰণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ পালেহেঁতেন। অসমীয়া বৈজ্ঞানিকৰ বিষয়েও তেওঁলোকক জনোৱা বেয়া নহয়। অসমৰ বানপানী আৰু অসমৰ জীৱনত ব্ৰহ্মপুত্ৰৰ অৱদান দুয়োটা বিষয়েই ল'ৰা-ছোৱালীয়ে মাধ্যমিক স্তৰত অলপ জ্ঞান আহৰণ কৰা দৰকাৰ। মুঠৰ ওপৰত পৰিকল্পিতভাৱে পাঠ্যপুথি ৰচনা কৰা উচিত যাতে কেৱল যান্ত্ৰিক শিক্ষাৰ আহিলা নহৈ সেইবোৰ জাতি গঠনৰ সঁজুলি হ'ব পাৰে।

বিদ্যালয়ৰ ভিতৰখনৰ অৱস্থা আৰু শোকাবহ। উদ্দেশ্যহীন, প্ৰেৰণাহীন, যান্ত্ৰিক শিক্ষাদান ইয়াত অতি পৰিচিত ঘটনা। অত্যন্ত আমোলতান্ত্ৰিক পৰিচালনা ইয়াৰ বৈশিষ্ট্য। ডেকা বয়সত হয়তো শিক্ষক-শিক্ষয়িত্ৰীৰ মনত অলপ উৎসাহ থাকে। তেতিয়া কষ্টকৈ ছাত্ৰ-ছাত্ৰীক বুজাবলৈ চেষ্টাও কৰে। বয়স বঢ়াৰ লগে লগে গতানুগতিকতা, আলস্য আৰু মানসিক স্থবিৰতাই হেঁচা মাৰি

ধৰে। সমাজত শিক্ষকৰ চাকৰিৰ সন্মান নাই বুলি বহুতৰ মনত আক্ষেপ হয়। এচামে আকৌ টিউশ্যন বা ব্যৱসায়ৰ জৰীয়তে ধন ঘটি সমাজত প্ৰতিষ্ঠা বিচাৰে।

ইংৰাজী মাধ্যমৰ ভাল স্কুলবিলাকৰ লগত অসমীয়া মাধ্যমৰ স্কুলৰ পৰিবেশৰ এটা তফাৎ এইখিনিতে উল্লেখ কৰিব পাৰি। ইংৰাজী মাধ্যমৰ স্কুলত শিক্ষক-শিক্ষয়িত্ৰীৰ অৰ্হতা বহুক্ষেত্ৰত অসমীয়া মাধ্যমৰ স্কুলতকৈ তলখাপৰ। তাত যে কিবা বেলেগ কথা শিকোৱা হয় তেনে নহয়, যদিও তাৰ পাঠ্যপুথিবোৰ বহুসময়ত অসমীয়া পাঠ্য পুথিতকৈ ওখ খাপৰ। কিন্তু ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ এটা আত্মগৌৰৱৰ ভাব থাকে। বিদ্যালয়ৰ সমুখৰ প্ৰাংগণ বা চোতাল লেতেৰা হৈ থাকিলে তেওঁলোক সচেতন হৈ পৰে, ব্যৱস্থা লয়। লক্ষ্য কৰিছোঁ যে অসমীয়া মাধ্যমৰ স্কুলৰ সমুখত আবৰ্জনাৰ স্তূপ থাকিলেও বা গেৰেবণিত পৰিণত হ'লেও কোনেও কাণসাৰ নকৰে। হয়তো অতিশয় আমোলাতান্ত্ৰিক পৰিবেশ হোৱা বাবে স্কুলৰ ভাল-বেয়া সকলোৰে দায়িত্ব চৰকাৰৰ ওপৰত দিয়েই শিক্ষক-শিক্ষয়িত্ৰী নিশ্চিত হয়। স্কুলৰ পৰিবেশ উন্নত কৰিবলৈ সচেতনভাৱে তেওঁলোকে ব্যৱস্থা নলয়। আন উন্নত স্কুলৰ লগত ফেৰ মাৰি নিজৰ স্কুলৰ পৰিবেশ উন্নত কৰিবলৈ চেষ্টা নকৰে। সকলোতে যেন এক নিস্তেজ, মৰামুজাভাব। তেওঁলোকৰ মনোভাবৰ এই প্ৰচ্ছন্ন হতাশা আৰু নিষ্প্ৰাণতাই ছাত্ৰ-ছাত্ৰীয়ে স্কুলৰ লগত আত্মীয়তা অনুভৱ নকৰে, তাৰ প্ৰতি আনুগত্য অনুভৱ নকৰে।

ইংৰাজী মাধ্যমৰ ভাল স্কুলবোৰত প্ৰতিজন ছাত্ৰকে এজন গুৰুত্ব থকা ব্যক্তিহিচাপে নিজকে ভাবিবলৈ শিকোৱা হয়। প্ৰত্যেকৰে আত্ম সন্মানবোধ সেই স্কুলৰ শৃংখলাৰ ভিত্তি। তদুপৰি শ্ৰেণীত পাঠদান কৰাৰ বাহিৰেও শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰৰ লগত আন বহু কাৰ্যকলাপত জড়িত থাকে। মাহে অন্ততঃ এবাৰ সাংস্কৃতিক অনুষ্ঠান হয়। এনেকৈ শিক্ষক-শিক্ষয়িত্ৰীৰ লগত ছাত্ৰবিলাকৰ ঘনিষ্ঠতা বাঢ়ে— দুয়ো চামে উভয়ে উভয়ক মানুহ বুলি ভাবিবলৈ শিকে। "শিক্ষক দিৱস"ৰ দিনা ছাত্ৰ বিলাকে শিক্ষকসকলক উপহাৰ দিয়ে, তেওঁলোকৰ প্ৰীতিৰ বাবে বিচিত্ৰানুষ্ঠান পাতে। আকৌ "শিশু দিৱস"ৰ দিনা শিক্ষকসকলে আগভাগ লৈ ছাত্ৰসকলক উপহাৰ দিয়ে, তেওঁলোকৰ আমোদ-আনন্দৰ বাবে নিজে বিচিত্ৰানুষ্ঠান পাতে। স্কুলীয়া জীৱনৰ এই বৈচিত্ৰ্যৰ বাবে ইংৰাজী মাধ্যমৰ ভাল স্কুলবোৰে ছাত্ৰৰ মনত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। অসমীয়া মাধ্যমৰ স্কুলত বন্ধ বা ছুটি হ'লেই শিক্ষক-ছাত্ৰ উভয়ৰে মনত সন্তোষ! অথচ ইও ঠিক যে, শেহান্তৰত ইংৰাজী মাধ্যমৰ স্কুলত জাতিগঠন বা দেশগঠনৰ উপযুক্ত শিক্ষা দিয় নহয়। তাৰ উন্নাসিকতা আৰু শ্ৰেণীদম্ভ প্ৰকৃত শিক্ষাৰ অন্তৰায়। অসমীয়া মাধ্যমৰ স্কুলবোৰতেই আমাৰ

ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা দিয়াৰ অৱকাশ আছে।

সেই অৱকাশৰ ব্যৱহাৰ নহয় কিয়? কাৰণ, আমাৰ শিক্ষাবিভাগ এক আমোলা সুলভ মানসিকতাৰ চিকাৰ হৈ পৰিছে। শিক্ষা মানে এই বিভাগৰ মতে গ্ৰেণ্ট, ৰিকগ্নিছন, প্ৰমোছন ইত্যাদি। শিক্ষাৰ উদ্দেশ্য বা আদৰ্শলৈ কোনেও মূৰ নঘমায়। সেয়ে স্কুলপৰিদৰ্শনৰ ওপৰত আজিকালি কোনো গুৰুত্ব দিয়া নহয়। বছৰৰ পিছত বছৰ ধৰি পৰিদৰ্শন নোহোৱা বাবে আৰু পৰিদৰ্শনৰ কোনো গুৰুত্ব নথকা বাবে স্কুলৰ পৰিচালনা আৰু শৃংখলাত গুৰুতৰ অৱনতি ঘটে। দক্ষ শিক্ষকৰ স্বীকৃতি আৰু কৰ্তব্যত হেলা কৰা শিক্ষকৰ শাস্তি দুয়োটাই এনে ব্যৱস্থাত দুৰ্লভ। এখন স্কুলৰ ভাগ্য স্কুলখনৰ হে'ডমাষ্টৰৰ ওপৰত। কিন্তু হে'ডমাষ্টৰ নিযুক্তিত কেৱল বয়স চাই বা ৰাজনৈতিক প্ৰভাৱলৈ লক্ষ্য ৰাখি নিযুক্তি দিয়া হয়। উৎসাহী, বিচক্ষণ আৰু কৰ্মঠ লোকে বহুসময়ত হে'ডমাষ্টৰ হিচাপে নিযুক্তি নাপায়। ফলত পৰিবেশ কেঁউপিনৰ পৰা জীৰ্ণ হয়।

শিক্ষা বিভাগে যে বৈষয়িক দিশটোৰো তত্ত্বাৱধান ভালদৰে লৈছে, তেনে নহয়। বহুত স্কুলত খেলা-ধূলাৰ কোনো উপায় নাই। খোৱাপানীৰ ভাল ব্যৱস্থা নাই, গ্ৰন্থাগাৰ নাই। (মই গুৱাহাটীৰ স্কুলৰ কথাই কৈছোঁ।) স্কুলৰ কিবা প্ৰয়োজনৰ কথা হে'ডমাষ্টৰে জনালেও তেওঁ অন্ততঃ এবছৰ সঘনে দৌৰা-দৌৰি কৰি নাথাকিলে সামান্য কাম এটাও নহয়। আনকি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো হেমাহিৰ অন্ত নাই।

বিত্তীয় দিশটো নিশ্চয় গুৰুতৰ। কিন্তু আমি ভবাৰ দৰে তাৰ বাধা অলংঘনীয় নহয়। অসমৰ স্কুলবিলাকৰ কৰ্তৃপক্ষই অলপ কষ্ট কৰিলেই ওচৰৰ চাহবাগান, ৰাষ্ট্ৰীয়কৃত উদ্যোগ (Public Sector Undertaking), স্বচ্ছল ব্যৱসায়ী আদিৰ পৰা সৰুসুৰা উন্নয়নৰ বাবে ১০/২০,০০০ টকা যোগাৰ কৰিব পাৰে। স্কুলৰ সা-সঁজুলি, মঞ্চাভিনয়ৰ বাবে মাইক, ভি,চি, আৰ যন্ত্ৰ, গ্ৰন্থাগাৰৰ গ্ৰন্থ এনেকৈয়ে যোগাৰ কৰি ল'ব পাৰি। লাগে কেৱল কৰ্তৃপক্ষৰ উৎসাহ। অসমত চলি থকা সকলো বৃহৎ ব্যৱসায়ী প্ৰতিষ্ঠানে তেওঁলোকৰ ভালৰ এটা অংশ স্থানীয় জনসাধাৰণৰ কল্যাণৰ বাবে (শিক্ষা, চিকিৎসা, সংস্কৃতি আদি ক্ষেত্ৰত) ব্যয় কৰা উচিত। সদৌ অসম ছাত্ৰ সন্থাই সেই সিদ্ধান্ত ল'বলৈ তেওঁলোকক অনুৰোধ কৰিব পাৰে।

কিন্তু বিত্তীয় সংকটতকৈ গুৰুত্বপূৰ্ণ উদ্দেশ্য আৰু প্ৰেৰণাৰ অভাব। এই দুটা গুৰুত্বপূৰ্ণৰ উপাদানৰ যোগান ধৰিব পাৰে ৰাজনৈতিক নেতৃত্বই, আৰু যি ৰাজনৈতিক নেতৃত্বই অসমীয়া জাতিৰ উন্নতিত শিক্ষাৰ স্থান বুজি নাপায়, তাক পূৰঠ নেতৃত্ব বুলিব নোৱাৰি। আঞ্চলিক দলসমূহে কেতিয়াবা অৰ্থনৈতিক ব্যৱস্থাৰ কথা কয়— উন্নয়ণৰ উপায় হিচাপে। কিন্তু এনে সকলো

ব্যৱস্থা তেতিয়ালৈকে সফল নহ'ব, যেতিয়ালৈকে সমগ্ৰ অসমতে এক প্ৰাণৱন্ত মতাদৰ্শগত পৰিবেশ সৃষ্টি কৰা নহ'ব। এনে মতাদৰ্শগত প্ৰেৰণাইহে দেশগঠনৰ প্ৰকৃত ইন্ধন যোগাব পাৰে। শিক্ষানুষ্ঠান সমূহেই এনে মতাদৰ্শগত পৰিবেশ ৰচনাৰ প্ৰধান ভিত্তি হ'ব পাৰে। কিন্তু গতানুগতিকতা, যান্ত্ৰিকতা, স্থবিৰতাৰ পংকৰ কৰা শিক্ষানুষ্ঠানসমূহক উদ্ধাৰ কৰিবলৈ ৰাজনৈতিক নেতৃত্বই সুকীয়া আৰু বলিষ্ঠ উদ্যোগ ল'ব লাগিব। নহ'লে আঞ্চলিক ৰাজনীতি এটা বিৰাট ফাঁকি বুলি আমি বুজিম।

(সমকাল, জুন ১৯৮৯)

# অসমত নিবনুৱা সমস্যা

**দুআষাৰ দুৰাচাৰী কথা**

আজিকালি আৰু অনগ্ৰসৰ দেশবোৰক অনুন্নত (underdeveloped) বোলা নহয়। সেইবোৰক এতিয়া "উন্নয়নশীল" (developing) নামেৰে মান ধৰা হয়। যেন স্বাৰ্থসিদ্ধিৰ বাবে ভয়-ভয়কৈ ওৰে জীৱন কটোৱা নিধক এটাক মৃত্যুৰ পিছত কোনো চালাক সাংবাদিকে "মৃদু-স্ব-ভাৱৰ" বা "অমায়িক" বা "মাৰ্জিতৰুচি" আদি বিশেষণেৰে সজাই-পৰাই সুশোভন ৰূপহে দিলে। দৰকাৰ হ'লে আৰু এখোজ আগুৱাই গৈ ক'ব পাৰি যে তেখেত অতি সংযমী আছিল। তেখেত কেতিয়াও loud (লাউড) নাছিল, ইত্যাদি ইত্যাদি। কিন্তু জনাই জানিব যে সেই বিশিষ্ট ভদ্ৰলোক আছিল আত্মসন্মানহীন কাপুৰুষ। তেনেকৈ অসমকো এতিয়া "উন্নয়নশীল" ৰাজ্য বুলি সান্ত্বনা দিয়া হয়। বহুতে হয়তো এই বিশেষণতে আপ্লুত হৈ চিৰকালেই "উন্নয়নশীল" হৈ থাকিবলৈ বিচাৰিব। কিন্তু দুষ্ট লোকৰ মিঠা কথাত যি ভোল নাযায়, তেওঁ এনে বিশেষণত কেতিয়াও সুখী হ'ব নোৱাৰে। অসমৰ নিবনুৱা সমস্যাও অসমৰ অনগ্ৰসৰতাৰে অন্যতম লক্ষণ। অৰ্থনৈতিক উন্নয়ন আৰু শিল্পায়ন যথোপযুক্তভাৱে নোহোৱা বাবেই এই নিবনুৱা সমস্যা হৈছে। অৱশ্যে কম্পিউটাৰ আদি প্ৰযুক্তিগত উন্নতিয়েও পৰিস্থিতি সংকটময় কৰি তুলিছে। কৰ্মসংস্থানৰ প্ৰসাৰণ হোৱা দূৰৰ কথা, ইতিপূৰ্বে হোৱা কৰ্মসংস্থানতো সি বিপৰ্যয়ৰ সৃষ্টি কৰিছে।

সেয়ে অসমৰ নিবনুৱা সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে আমি সতৰ্ক হোৱা ভাল। গাৰ বলেৰে অথবা চমকপ্ৰদ বুদ্ধি খটুৱাই আমি এই সমস্যা সমাধান কৰিব নোৱাৰোঁ। সমস্যাটো একেদিনতে হোৱা নাই, তাৰ পম খেদি দূৰলৈ যাব লাগিব, তাৰ সমাধানো একেদিনতে নহয়। সমস্যাটো কোনো বিচ্ছিন্ন ঘটনা নহয়। সি এক সম্পূৰ্ণ systemৰ এক বিশেষ আৰ্থসামাজিক ব্যৱস্থাৰ পৰিণতি। ব্যৱস্থাটোৰ পৰিৱৰ্তন নহ'লে অসমৰ অৰ্থনৈতিক উন্নয়ন তথা নিবনুৱা সমস্যাৰ সমাধান সম্ভৱ নহ'ব।

এখন আলোচনা চক্রত শ্ৰোতা হিচাবে উপস্থিত আছিলোঁ। তাতে এনে ধৰণৰ বহু ধাৰণা আৰু অনুমান বক্তাসকলৰ বক্তৃতাৰ মাজত আবিষ্কাৰ কৰিলোঁ। এজনে ক'লে, অসমীয়া মানুহ কৰ্মবিমুখ বাবে বহিৰাগত লোকে অসমত যেতিয়া সোণ বেটিলে তেতিয়াও তেওঁলোকে একো কৰিব নোৱাৰে। আন এজনে ক'লে যে অসমৰ নিবনুৱা সমস্যা কোনো আৰ্থসামাজিক ব্যৱস্থাৰ পৰিণতি নহয়, তেনে কথা কোৱাটো হেনো ৰাজনৈতিক অপপ্ৰচাৰ মাত্ৰ। আৰু এজনে মন্তব্য কৰিলে যে আগৰ দিনতকি আছিল নাছিল সেই বিষয়ে বিতং বিৱৰণৰ সকাম নাই, এই মুহূৰ্ত্তত আমি কি কৰিব পাৰোঁ সিহে বিচাৰ্য বিষয়।

কোৱা বাহুল্য এনে এটাইবোৰ পূৰ্বধাৰণাই ভ্ৰান্ত। নিবনুৱা সমস্যা হঠাতে আকাশৰ পৰা পৰা নাই। সি অসম তথা ভাৰতৰ অৰ্থনীতিৰ এক বিশেষ ধৰণৰ ইতিহাসৰ পৰিণতি। সেয়ে অসম তথা ভাৰতৰ সমগ্ৰ অৰ্থনীতিৰ ৰূপ আগতে কেনে আছিল, এতিয়া কি ৰূপ লৈছে, সেই কথা নুবুজিলে সমস্যাৰ আতিগুৰি আমি ধৰিব নোৱাৰিম। অসমীয়া মানুহৰ "কৰ্মবিমুখতা"ও কোনো ৰহস্যজনক জাতিগত চৰিত্ৰ নহয়, তাৰ এক ঐতিহাসিক আৰ্থসামাজিক শিপা আছে। কথাটো নুবুজাকৈ কেৱল উপদেশ বৰ্ষণ কৰি আমি কৰ্মবিমুখতাৰ ঠাইত উদ্যোগী চৰিত্ৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিম।

আৰ্থসামাজিক গাঠনিৰ কি ইতিহাসৰ কথা আমি ক'ব খুজিছোঁ? এইটো সকলোৰে জনা কথা যে ভাৰত অধিকাৰ কৰি সাম্ৰাজ্যবাদী ব্ৰিটিছে আমাৰ দেশৰ অৰ্থনীতিক বিকৃত আৰু পংগু কৰিলে। ভাৰতক সাম্ৰাজ্যবাদী পুঁজিৰ বাবে কেঁচামালৰ যোগনীয়াৰ আৰু সাম্ৰাজ্যবাদী শিল্পৰ বস্তুৰ বৃহৎ বজাৰত পৰিণত কৰা হ'ল। বেজীটোৰ পৰা কটাৰিখনলৈ, চুৰিয়াখানাৰ ওচৰত প্ৰয়োজনীয় সকলো সামগ্ৰীৰ বাবে আমি ধৰুৱা হলোঁ। দেশীয় কুটিৰ শিল্প বিধ্বস্ত কৰি, লাখ লাখ শিল্পী তথা শ্ৰমিকৰ জীৱিকা বিধ্বস্ত কৰি, ব্ৰিটিছে খেতিৰ মাটিৰ ওপৰত হেঁচা বঢ়ালে, গ্ৰামাঞ্চলৰ ওপৰলৈ নমাই আনিলে দাৰিদ্ৰ্য আৰু দুৰ্ভিক্ষৰ অপচ্ছায়া। অসমত লাখ লাখ বিঘা মাটি খেতিয়কৰ হাতৰ পৰা কাঢ়ি চাহখেতিত লগাই দিয়া হ'ল, যি চাহখেতিত থলুৱা মানুহৰ ভাগ আছিল সামন্য আধুনিক যাতায়তৰ প্ৰধান পদ্ধতি ৰেলপথৰ গতিপথো চাইবাগানৰ সুবিধা মতেহে নিৰ্দ্ধাৰণ কৰা হ'ল— নগাঁও, যোৰহাটৰ দৰে গুৰুত্বপূৰ্ণ চহৰো তাৰ পৰা এফলীয়া হৈ ৰ'ওল।

এই সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে দেশজুৰি যি সংগ্ৰাম চলিল তাত নিছলা অসমেও চহকী মনেৰে যোগ দিলে। ত্যাগ আৰু কষ্টৰ ক্ষেত্ৰত অসমৰ ৰাইজে কোনো কাৰ্পণ্য নকৰিলে। কিন্তু স্বাধীনতাৰ পিছত অসমৰ ৰাইজৰ আশা আকাংক্ষা চৰিতাৰ্থ হ'লনে? নহ'ল। কিয় নহ'ল তাৰ উত্তৰো

ইতিহাসৰ মাজতে আছে।

যাইকৈ সাম্ৰাজ্যবাদী পুঁজিৰ সহযোগী হিচাবেই ভাৰতীয় শিল্পব্যৱসায়ৰ পুঁজি গঢ়ি উঠে। বিশেষকৈ দুখন মহাযুদ্ধৰ সময়ত যুদ্ধৰ তাগিদাতে ভাৰতীয় শিল্পবাণিজ্যৰ পুঁজি শকত হয়। সমগ্ৰভাৱে ব্ৰিটিছৰ শোষণৰ বিৰুদ্ধে ভাৰতীয় জনগণে যি যুদ্ধ চলাই আছিল, ছেগ আৰু সময় বুজি ভাৰতীয় পুঁজিপতি চামেও যোগ দিলে। বিড়লা, বাজাজ আদি পুঁজিপতি আছিল গান্ধীজীৰ ঘনিষ্ঠ সহযোগী। স্বাধীনতাৰ পিছত ব্ৰিটিছ পুঁজিপতিৰ ঠাইত এইচাম লোক দেশৰ অৰ্থনীতিৰ নিয়ামক হৈ পৰিল। অৰ্থনীতিৰ উন্নয়ন, প্ৰসাৰণ, সংস্কাৰ তেওঁলোকৰ স্বাৰ্থতে হ'ল যাইকৈ। ৰাইজৰ কষ্টোপাৰ্জিত ধনেৰে যি ৰাষ্ট্ৰীয় খণ্ড (Public Sector) গঢ়া হ'ল, তাৰ পৰা এওঁলোকে নিজৰ কোনো বিপদ (risk) নোহোৱাকৈ সস্তাতে গধুৰ শিল্পৰ উৎপন্ন তীখা আদি প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিলে। ৰাষ্ট্ৰকেই তেওঁলোকে প্ৰধান ক্ৰেতা হিচাপে পালে বিভিন্ন জনকল্যাণমূলক আঁচনিৰ জৰিয়তে। নিজে বিশেষ প্ৰযুক্তিগত পৰীক্ষা নিৰীক্ষা নচলাই প্ৰচুৰ ধনৰ বিনিময়ত এওঁলোকে বিদেশী প্ৰযুক্তিৰ ব্যৱহাৰ ধাৰলৈ ল'লে আৰু উৎপন্ন সামগ্ৰীসমূহ প্ৰচুৰ লাভত সৰ্বসাধাৰণ ভাৰতীয় লোকক বিক্ৰী কৰিলে। এওঁলোকৰ বাবে বজাৰ বঢ়াবলৈ অল্প-বিস্তৰ ভূমিসংস্কাৰ কৰা হ'ল, গাৱঁৰ উন্নয়নৰ বাবে অলপ ধন ভঙা হ'ল। কিন্তু এওঁলোকেও ঔপনিবেশিক অৰ্থনীতিৰ মূল ধাৰাৰ পৰিৱৰ্ত্তন নঘটালে।

ফলত ভাৰতৰ যি পুঁজিবাদী অৰ্থনৈতিক বিকাশ হ'ল তাৰ পৰা অসমৰ বিশেষ লাভ নহ'ল। অসমৰ প্ৰাকৃতিক সম্পদৰ লুণ্ঠন অবাধ গতিত চলি থাকিল, তাৰ মাত্ৰা প্ৰবল আৰু বিপুল হ'ল। অথচ অসমৰ শিল্পায়ন হ'ল নামমাত্ৰ। চাহ শিল্পত থলুৱা অসমীয়াৰ যৎসামান্য প্ৰভাৱ টুটি আহিল। খনিজ শিল্পত অসমীয়া মানুহৰ প্ৰভাৱ নগণ্য হৈ ৰ'ল। থলুৱা যুৱকসকলে আগৰ তুলনাত কিছু পৰিমাণে কাৰিকৰী শিক্ষা পালেও তাক প্ৰয়োগ কৰাৰ সুযোগ বেছি নাপালে। ইঞ্জিনিয়াৰসকল লাভখোৰ ঠিকাদাৰৰ হাতৰ পুতলা হ'ল। থলুৱা কুটিৰ শিল্পীসকলৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। খেতিয়কৰ সৰহখিনি দৰিদ্ৰ কৃষক বা ভূমিহীন কৃষকত পৰিণত হ'ল। ৰেলপথৰ সামান্য বিস্তাৰ হ'লেও তাৰ বিকল্প স্বৰূপে আলিবাটৰ যি সামন্তৰাল প্ৰসাৰণ ঘটিল, তাৰ যোগেদি অসমৰ যোগান ব্যৱস্থাৰ ওপৰত বহিৰাগত ট্ৰাক মালিকসকলৰ প্ৰতিপত্তিহে বাঢ়িল।

শিক্ষিত মধ্যবিত্তই এনে পৰিস্থিতিত কৰ্মসংস্থানৰ প্ৰসাৰণ আৰু উন্নতিৰ বাবে আন্দোলন কৰিবলৈ বাধ্য হ'ল। অসমৰ শিল্পায়নৰ লক্ষ্য সমুখত ৰাখি কেইবাটাও গণ আন্দোলন হ'ল। তাৰে ফলস্বৰূপে অনুন্নত দুটামান মজলীয়া আকৃতিৰ তেল শোধানাগাৰ স্থাপিত হ'ল। কিন্তু যথাযোগ্য পৰিকল্পনা আৰু

কাৰ্যব্যৱস্থাৰ অভাৱত কি চাকৰি-বাকৰি, কি অন্যান্য অৰ্থনৈতিক সুযোগ-সুবিধা, অসমীয়াৰ ভাগত বেছিকৈ নপৰিল। অসমত যিবোৰ বৃহৎ শিল্প প্ৰতিষ্ঠান গঢ়ি উঠিল তাৰ বিশেষ কুশলী (skilled) শ্ৰমৰ চাকৰিবোৰৰ বাবে যথেষ্ট পৰিমাণে অসমীয়া যুৱকক প্ৰশিক্ষণ দিয়া নহ'ল। নতুন নতুন শিল্প নগৰীৰ প্ৰয়োজন মিটাবলৈ যিবোৰ সৰু-বৰ ব্যৱসায়ে গঢ় ল'লে সেইবোৰৰ সৰহভাগ অসমীয়াৰ হাতত নাথাকিল। তদুপৰি বৃহৎ শিল্প প্ৰতিষ্ঠানে আমাৰ প্ৰয়োজন অনুসাৰে চাকৰি-বাকৰি সৃষ্টি নকৰিলে। লাখ লাখ নিবনুৱাৰ মাজত কেই হাজাৰ মানেহে এনেদৰে আশ্ৰয় পালে।

এতিয়া তাৰ প্ৰতিকাৰ হিচাবে অসমীয়া ডেকা-গাভৰুক স্বনিয়োজিত (self-employed) হ'বলৈ পৰামৰ্শ দিয়া হৈছে, অৰ্থাৎ ব্যৱসায়-বাণিজ্যত লাগিবলৈ সঁকিয়াই দিয়া হৈছে। কোৱা হৈছে যে অসমৰ বাহিৰৰ মানুহ দলে দলে আহি দ্ৰুতগতিত ব্যৱসায়ত সাফল্য অৰ্জন কৰিছে, অথচ অসমীয়া ডেকাসকলে পৰিশ্ৰম আৰু কষ্টৰ বাট নললৈ সহজে ধনী হোৱাৰ উপায় বিচাৰিছে। ইয়াৰ কাৰণ হিচাবে কোৱা হৈছে যে অসমীয়া ডেকাসকলে শ্ৰমবিমুখ। তেওঁলোকে শ্ৰমজীৱী জীৱনৰ সংস্কৃতি (work culture) অৱলম্বন কৰি বহিৰাগত লোকসকলৰ লগত প্ৰতিযোগিতাত নামি যাব লাগে। কিন্তু শ্ৰম সংস্কৃতি আন যি কোনো সংস্কৃতিৰ মূলধনৰ অভাৱৰ বাবেই শক্তি, পৰিবহন আদি ক্ষেত্ৰত অসমৰ শিল্প-উদ্যোগ গভীৰ সমস্যাৰ সন্মুখীন হৈছে। স্বাস্থ্যবান অৰ্থনীতিৰ অংগ হিচাপে গঢ়ি নুঠা বাবে অশোক পেপাৰ মিল চন্দ্ৰপুৰৰ গ্লাছ ফেক্টৰী আদিত উৎপাদন বন্ধ, আৰু শেহতীয়া খবৰ মতে নামৰূপত সাৰ কাৰখানাৰ উৎপাদনো বন্ধ হৈ যোৱাৰ আশংকা আছে। এনে কথাও শুনা যায় যে ব্যক্তিগত খণ্ডৰ সাৰকাৰখানা বিলাকৰ দুৰ্নীতিপূৰ্ণ প্ৰতিযোগিতাৰ ফলত নামৰূপত উৎপন্ন সাৰৰ বিক্ৰী দ্ৰুতগতিত হ্ৰাস পাইছে। দৰে কেৱল উপদেশ আৰু পৰামৰ্শৰে ৰচিব পৰা নাযায়। তাৰ বাবে অন্ততঃ ৩/৪ পুৰুষ ধৰি উপযুক্ত পৰিবেশত ল'ৰা-ছোৱালী ডাঙৰ কৰিব লাগিব। ঘৰত, স্কুলত, সমাজৰ অন্যান্য ক্ষেত্ৰত তেওঁলোকক পৰিশ্ৰম কৰিবলৈ সুশৃংখল আৰু নিয়মানুৱৰ্তী হ'বলৈ প্ৰভাৱিত কৰিব লাগিব, শিক্ষা দিব লাগিব। এই work culture বা শ্ৰমসংস্কৃতি পশ্চিমতো একেদিনে গঢ়ি উঠা নাছিল। পুঁজিবাদৰ বিকাশৰ লগে লগে প্ৰটেষ্টান্ট্ মতবাদৰ প্ৰভাৱত দুই-তিন শতিকা ধৰি ধীৰে ধীৰে এই মনোবৃত্তি তথা সংস্কৃতি গঢ়ি উঠিছিল। দুই-তিনিশ বছৰৰ কাম দহ বা বিশ বছৰৰ ভিতৰতে কৰাবলৈ হ'লে অসমৰ আগৰণুৱা সমাজকৰ্মীসকলে সংগঠিতভাৱে আৰু চৰকাৰে যুদ্ধোদ্যমে পৰিবেশ সলনি কৰাৰ কামত লাগিব লাগিব। ঘৰে-পথাৰে, স্কুলে-কলেজে তাৰ ভিত্তি ৰচনা কৰিব লাগিব। অসমীয়া ডেকাক বয়ঃপ্ৰাপ্ত হোৱাৰ পিছত উদ্যোগী আৰু কষ্ট সহিষ্ণু হ'বলৈ উপদেশ

দিলেই সেই পৰিৱৰ্ত্তন নাহে। পঞ্জাব বা আন অগ্ৰসৰ অঞ্চলত work culture আমাতকৈ আগৰ্ধৰি প্ৰতিষ্ঠা হৈছে। এনেয়ে হোৱা নাই। তাতো চৰকাৰৰ ভূমিকা আছে। ব্ৰিটিছ চৰকাৰেই পঞ্জাবৰ দুৰ্দমনীয় মানুহখিনিক বৰাট বাখিবৰ বাবে খেতিবাতিক লাভজনক জীৱিকাত পৰিণত কৰিছিল। তাহানিখনৰ বৃহত্তম জলসিঞ্চন প্ৰকল্প ছুক্কুৰ বান্ধ (Sukkur Barrage) বন্ধাই দি খেতিবাতিৰ সুবিধা কৰি দিছিল। গাঁৱে-ভূঁএে বজাৰ আৰু বেংকৰ ব্যৱস্থা কৰি দি খেতিয়কৰ আয় বৃদ্ধিৰ বন্দোবস্ত কৰিছিল। তাৰ পৰিণাম স্বৰূপে তাহানিখনৰ গাৱঁলীয়া জীৱনৰ অভ্যস্ত শ্ৰমৰ তুলনাত আধুনিক জীৱনযাত্ৰাৰ উপযোগী নিয়মিত আৰু সময়ানুৱৰ্ত্তী শ্ৰমৰ প্ৰৱৰ্ত্তন হৈছিল পঞ্জাৱৰ গ্ৰামাঞ্চলত। পঞ্জাবৰ খেতিয়ক সমাজ শ্ৰমৰ প্ৰতি এনেকৈয়ে আসক্ত হৈছিল। তেওঁলোকৰ সতি-সন্ততি সেই ধৰণৰ শ্ৰমত অভ্যস্ত হৈছিল। তেওঁলোকৰ জীৱনলৈ ১৯৪৬-৪৭ চনৰ পৰা দেশ বিভাজনে আনি দিছিল আৰু এক ভয়ানক দুৰ্যোগ। সৰ্বস্বান্ত হৈ লাখ লাখ মানুহ পাকিস্তানৰ পৰা ভাৰতলৈ আহিছিল। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰ সহায়ত নিজৰ পূৰ্বৰ অৱস্থা ঘূৰাই পাবলৈ মূলধন আৰু সঁজুলি পাইছিল আৰু কঠোৰ শ্ৰম কৰিছিল। এনেকৈয়ে এওঁলোকৰ মাজত আলস্যহীন আৰু বিৰতিহীন কঠোৰ শ্ৰমৰ অভ্যাস, ক্ষমতা আৰু প্ৰবৃত্তিয়ে ভালদৰে খোপনি লয়। আনহাতে গৃহযুদ্ধ, মানৰ আক্ৰমণত ছেদেলি-ভেদেলি অসমীয়া সমাজ ব্ৰিটিছৰ আমোলত মহামাৰী আৰু হতাশাত অধিক পংগু হৈ পৰে। জীৱন সংগ্ৰামৰ পৰা পলাবলৈ বহুতে কানিত ধৰে— ব্ৰিটিছেই অসমত কানিৰ বেপাৰ চলাই হেজাৰ বিজাৰ মানুহক কানিয়া কৰি তোলে। ব্ৰিটিছেই অসমৰ গ্ৰামাঞ্চলত অনগ্ৰসৰতা আৰু অৱহেলাৰ পংকত পেলাই থৈ চাহ বাগানৰ মাজেদি আধুনিক উৎপাদন আৰু পুঁজিবাদী অৰ্থনীতিৰ ধাৰা অসমলৈ বোৱাই আনে। আনকি চাহ বাগানৰ মজদুৰসকলৰ বাবে প্ৰয়োজনীয় বচদপাতি পাৰ্যমানে অসমৰ বাহিৰৰ পৰা অনাৰ নিয়ম কৰে। তেনেস্থলত অসমীয়া জনসাধাৰণৰ মাজত নিয়মিত কঠোৰ শ্ৰম আৰু বজাৰমুখী উদ্যোগ গঢ়ি উঠেই বা কেনেকৈ? বৰং বাহিৰৰ উদ্যোগী আৰু প্ৰতিযোগিতাত অভ্যস্ত বেপাৰী, শ্ৰমিক আৰু চাকৰিয়ালৰ হাতত সাধাৰণ অসমীয়া বিপৰ্যস্ত হ'বলৈ ধৰে ক্ৰমাগতভাৱে। "শ্ৰমবিমুখতা"ৰ পৰা শ্ৰমমুখিতালৈ যোৱাৰ উপযুক্ত পৰিবেশ অসমে পালে কেতিয়া?

সম্প্ৰতি ভাৰতীয় অৰ্থনীতি আৰু শিল্প গভীৰ সংকটৰ গৰাহত। "সেউজ বিপ্লৱে" দেশক খাদ্য শস্যৰ ক্ষেত্ৰত স্বনিৰ্ভৰ কৰিলে হয়, কিন্তু খেতিবাতি খেতিয়কৰ বাবে ক্ৰমাৎ ব্যয়বহুল আৰু ক্ষতিকৰ ব্যৱসায়ত পৰিণত কৰিলে। (যি বাবে উত্তৰ ভাৰতত স্বচ্ছল খেতিয়কসকলে বাবে বাবে আন্দোলনৰ পথ লৈছে।) সেয়ে শিল্প উৎপাদনৰ বজাৰ গাঁৱে-ভূঁএে আজিও যথেষ্ট

পৰিমাণে বাঢ়ি নগ'ল। দেশত বজাৰ নাই বুলি ধৰি লৈ চৰকাৰ আৰু শিল্পপতিসকলে বিদেশী বজাৰৰ ওপৰত গুৰুত্ব দিছে। দেশীয় শিল্পজাত সামগ্ৰী পানীৰ দামত বিদেশত বিক্ৰি কৰিবলৈ সাজু হৈছে। তৎসত্বেও ১৯৮৪ চনৰ প্ৰথম ভাগত ৰপ্তানি সামগ্ৰীৰ পৰিমাণ আৰু মূল্য আগৰ বছৰৰ তুলনাত বাঢ়িছে মাত্ৰ ০.৪ % ভাগ, কিন্তু আমদানি বাঢ়িছে৩০ %। দেশৰ বাণিজ্যঘাটি সেই সময়ত বাঢ়িছে মাত্ৰ ৮০ %। লোকচান ভৰা (sick) উদ্যোগ প্ৰতিষ্ঠানৰ সংখ্যা ৮৩০০০ লৈ বাঢ়িছে। এনে অৱস্থাত অসমত থলুৱা লোকৰ শিল্প বা ব্যৱসায়ীয়ে কি আশা কৰিব পাৰে? ১৯৫৬ৰ পৰা ১৯৭৫ৰ ভিতৰত সৰুসুৰা কোম্পানীবোৰৰ লাভৰ ভাগ মাত্ৰ। এনে তাকৰ আয়েৰে স্বচ্ছল আৰু নিৰাপদ জীৱন নিৰ্বাহ অসম্ভৱ। অসমত অসমীয়া ব্যৱসায়ীয়ে এনে পৰিস্থিতিত চমকপ্ৰদ সাফল্য অৰ্জন কৰিব নোৱাৰে। হয়তো চৰকাৰী বিষয়াৰ লগ লাগি দুৰ্নীতি কৰি দুনম্বৰী উপায়েৰে ব্যৱসায় বঢ়াব পাৰিব। কিন্তু বিনিময়ত সৰ্বসাধাৰণ অসমীয়াৰ উন্নয়ন পংগু কৰিব লাগিব।

অসমৰ বুনিয়াদী শ্ৰমজীৱী জনসাধাৰণৰ উন্নয়নৰ বাবে, থলুৱা শিল্প-ব্যৱসায়ৰ সুস্থ বিকাশৰ বাবে, প্ৰয়োজন পুঁজিৰ। এই পুঁজি বা মূলধন যথেষ্ট পৰিমাণে অসমত থলুৱা মানুহে ওপৰত দিয়া কাৰণবোৰত গঢ়ি তুলিব নোৱাৰে। চৰকাৰেই তেনে মূলধন যোগানৰ দায়িত্ব ল'ব লাগিব। কিন্তু কেনেকৈ? অষ্টম বিত্তীয় নিগমৰ কালছোৱাত (১৯৮৪ৰ পৰা ১৯৮৯লৈকে) অসমৰ বাজেট ঘাটি হয় জনমূৰি ১২০.২৩টকা। কেন্দ্ৰীয় বিত্তীয় সাহাৰ্য আহে জনমূৰি ১৩৩.৮০টকা। ফলত সেইসময়ত ৰাহি হয় জনমূৰি ১৩.৫৭ টকা। ১৯৮৯-৯০ চনত সেই ৰাহি আৰু কমি গৈ ৭.০৮ টকাত পৰে গৈ। (এই সময়ত মহাৰাষ্ট্ৰৰ জনমূৰি ৰাহি ২৮৫.৬৪ টকা।) সেই সামান্য ধনেৰে অসমত বিস্তৃত শিল্পায়নৰ ভেটি জানো গঢ়িব পৰা যাব? অথচ একে সময়তে অসমৰ চাহ শিল্প আৰু তেলৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰচুৰ আয় হৈ আছে।

এনে মূলধনৰ অভাৱৰ বাবেই শক্তি, পৰিবহন আদি ক্ষেত্ৰত অসমৰ শিল্প-উদ্যোগ গভীৰ সমস্যাৰ সন্মুখীন হৈছে। স্বাস্থ্যবান অৰ্থনীতিৰ অংগ হিচাপে গঢ়ি নুঠা বাবে অশোক পেপাৰ মিল চন্দ্ৰপুৰৰ গ্লাছ ফেক্টৰী আদিত উৎপাদন বন্ধ; আৰু শেহতীয়া খবৰ মতে নামৰূপত সাৰ কাৰখানাৰ উৎপাদনো বন্ধ হৈ যোৱাৰ আশংকা আছে। এনে কথাও শুনা যায় যে ব্যক্তিগত খণ্ডৰ সাৰকাৰখানা বিলাকৰ দুৰ্নীতিপূৰ্ণ প্ৰতিযোগিতাৰ ফলত নামৰূপত উৎপন্ন সাৰৰ বিক্ৰী দ্ৰুতগতিত হ্ৰাস পাইছে।

অৰ্থাৎ অসমৰ শিল্পায়ন, ব্যৱসায়-পৰিস্থিতি আৰু কৰ্মসংস্থানে আৰ্থসামাজিক কাৰণতে অনিবাৰ্যভাৱে এনে ৰূপ পাইছে যে তাৰ প্ৰতিকাৰৰ বাবে অসমৰ ৰাইজ আৰু চৰকাৰে যৌথভাৱে আৰু পৰিকল্পিত প্ৰণালীৰে

ব্যাপক প্রচেষ্টা চলাব লাগিব ৰাজ্যিক চৰকাৰে ব্যাপক হস্তক্ষেপৰ জৰিয়তে বহিৰাগত পুঁজিৰ প্ৰতিপত্তি হ্ৰাস কৰিব লাগিব, বেংক আদিৰ পৰা ফলপ্ৰসূ ঋণদানৰ ব্যৱস্থা কৰিব লাগিব, সুলভ হাৰত শক্তিৰ যোগান ধৰিব লাগিব। উৎপন্ন দ্ৰব্যৰ বাবে যথেষ্ট চাহিদা সৃষ্টি কৰিব লাগিব। চৰকাৰ আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সম্মিলিতভাৱে শিক্ষাব্যৱস্থাৰ মাজেৰে দেশপ্ৰেম, কৰ্তব্যনিষ্ঠা, আৰু শ্ৰমৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিবলৈ আন্তৰিক চেষ্টা চলাব লাগিব। কৃষিৰ উন্নতিৰ বাবে যথোপযুক্ত আঁচনি লৈ, তাক কাৰ্যকৰী কৰিব লাগিব।

বৰ্তমান পৰিবেশত ই জানো সম্ভৱ? অসমত মধ্যবিত্ত শ্ৰেণীৰ লোকসকল ছলে-বলে-কৌশলে নিজৰ নিজৰ অৱস্থা উন্নত কৰাত মত্ত। তেওঁলোকে অসমীয়া সংস্কৃতি সংৰক্ষন বা বিকাশৰ বাবে কোনো কষ্ট স্বীকাৰ কৰিব নোখোজে। তেওঁলোকৰ সতি সন্ততি ক্ৰমাৎ থলুৱা সংস্কৃতিৰ পৰা আঁতৰি গৈছে। অসমৰ ৰাজ্যিক চৰকাৰৰ ওপৰত এওঁলোকৰ প্ৰভাৱেই সৰ্বাধিক। সেয়ে ওপৰোক্ত ব্যৱস্থাবোৰ এই দুই শক্তিয়ে নলব।

অসমৰ কৃষক, শ্ৰমিক, নিম্নমধ্যবিত্ত জনসাধাৰণে নিজৰ স্বাৰ্থ তথা দেশৰ উন্নয়নৰ লক্ষ্য পূৰণৰ বাবে চৰকাৰ দখল কৰিব পাৰিলেহে সি হয়তো সম্ভৱ হ'ব।

(ৰূপান্তৰ, ১৯৮৯)

# মানুহৰ ভৱিষ্যত আৰু এক লুপ্তপ্ৰায় জীৱ

স্থানান্তৰত এই সংখ্যা "সাম্প্ৰতিক সাময়িকী"তে মোৰ বিৰুদ্ধে এখন প্ৰতিবাদমূলক চিঠি প্ৰকাশিত হৈছে। তাৰ ভাষা আৰু ভংগী আক্ৰমণাত্মক। লেখকৰ অভিযোগ যে বামপন্থী শিবিৰৰ পৰা "নিৰাপত্তা আৰু প্ৰতিষ্ঠা"ৰ আশাত অন্য শিবিৰলৈ গতি কৰাৰ আগজাননী হিচাবেই মই মোৰ যোৱা সংখ্যাৰ প্ৰবন্ধটো প্ৰকাশ কৰিছোঁ। তেওঁ মোক সাৱধান কৰি দিছে যে এনে ধৰণৰ দলত্যাগী বুদ্ধিজীৱীৰ সাধাৰণ পৰিণতিয়ে মোলৈকো অপেক্ষা কৰি আছে।

লেখকে দম্ভ, সমালোচনাৰ প্ৰতি অসহিষ্ণুতা, আত্মশ্লাঘা প্ৰভৃতিৰ অভিযোগেৰে মোক ডুবাই দিবলৈ প্ৰচণ্ড প্ৰয়াস কৰিছে। আমি নিজকে দোষ-ক্ৰুটিৰ উৰ্দ্ধত থকা মহাপুৰুষ বুলি নিজৰ সমৰ্থনত কেতিয়াও যুক্তিজাল বিস্তাৰ কৰা নাই। সেয়ে সদ্যহতে তেনেবোৰ অভিযোগৰ ৰসাস্বাদন পুথুৱীপাৰৰ বাইসকললৈ এৰি পত্ৰলেখকৰ কেতবোৰ অন্যান্য ধাৰণাৰ ওপৰতে মনোনিবেশ কৰিব খোজোঁ। অৱশ্যে পত্ৰলেখকক জনাই দিয়া ভাল যে কোনো সংগঠনৰ মাজতো সমূহীয়া দাম্ভিকতা, আত্মসন্তুষ্টি আৰু সমালোচনাৰ প্ৰতি অসহিষ্ণুতা গা কৰি উঠিব পাৰে। ব্যক্তিগত দুৰ্বলতাতকৈ তাৰ পৰিণাম হয় অধিক মাৰাত্মক।

বামপন্থী শিবিৰৰ সাময়িক ক্ৰুটি-বিচ্যুতি এৰি দিলেও এটা কথা অতি স্পষ্ট যে বামপন্থী তথা সমাজতান্ত্ৰিক চিন্তা আজি এক গভীৰ ঐতিহাসিক সংকটত পৰিছে। পোলেণ্ড আৰু হলিডাৰিটি আন্দোলন এই সংকটৰে লক্ষণ। এই পৰিস্থিতিত আমি চকুকাণ মুদি মন্ত্ৰৰ দৰে পুৰণা সূত্ৰবোৰ আওৰাব পাৰো নাইবা পৰিস্থিতিৰ অভিনৱত্ব স্বীকাৰ কৰি তাক বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিব পাৰোঁ। আমাৰ কেতবোৰ "নিষ্ঠাবান" বামপন্থীয়ে প্ৰথমটো পথকে গ্ৰহণ কৰে গতানুগতিকভাবে, শৃংখলাৰ স্বাৰ্থত। কিন্তু আমাৰ দৰে "অব্যৱস্থিত চিত্ত" ব্যক্তিয়ে দ্বিতীয় বিকল্পটোকো টিলিকিতে উৰাই নিদিয়ে।

পুঁজিবাদী বিলাকক জবাই কৰাই সমাজতন্ত্ৰৰ একমাত্ৰ লক্ষ্য নহয় নিশ্চয়। সেই ঘটনাৰ সামৰণিৰ পিছত মুক্ত আৰু পূৰ্ণাংগ, অবিকৃত মানৱজীৱনৰ

পিনে সমাজ কেনেকৈ আগবাঢ়িব পাৰে, সমাজতান্ত্রিক বুদ্ধিজীৱীৰ বাবে সেই চিন্তাও এক পবিত্র কর্তব্য। এই পিনৰ পৰাই ৰুছ আৰু পূর্ব-ইউৰোপীয় সমাজব্যৱস্থাৰ নানা ত্রুটি আৰু অসম্পূর্ণতা সম্পর্কে সচেতন হোৱা, তাৰ উদঘাটন আৰু বিশ্লেষণ কৰাটো পত্রলেখকৰ দৰে লোকৰ চকুত "কালাপাহাৰী" কাৰবাৰ হলেও আমাৰ ধাৰণাত এক অপৰিহার্য আৰু বাঞ্ছনীয় লক্ষ্য।

এনে আলোচনা সমালোচনা যিমানেই আদর্শবাদী নহওক, বাস্তৱৰ মূল্যায়নত তাৰ প্রয়োজন নুই কৰিব নোৱাৰি। লেনিনৰ দিনৰে পৰা সমাজতান্ত্রিক ৰুছিয়াৰ প্রতিষ্ঠাতা সকলৰ মনত এটা বিশেষ দুশ্চিন্তা আছিল। সি হ'ল আমোলাতন্ত্রৰ নাগপাশ। পশ্চাৎপদ ৰুছিয়াৰ পৰিবেশত কিছুদূৰ আমোলাতন্ত্রৰ বিকাশ আছিল প্রায় অনিবার্য। কিন্তু পৰৱর্তী যুগত আমোলাতন্ত্র ৰুছ সমাজৰ যথাযথ বিকাশৰ অনুকূলতো নহয়েই, বৰং তাৰ পথত অন্তৰায় হোৱাৰহে সম্ভাৱনা। অধিকন্তু, শোষকশ্রেণীৰ দৰে আমোলাৰ সম্প্রদায়েও সমাজৰ সম্পদৰ ওপৰত নিজৰ কর্তৃত্ব চিৰস্থায়ী কৰিবলৈ বিচাৰে। আজি ৰুছিয়াৰ পার্টিৰ উচ্চতৰ পর্যায়ৰ নেতা আৰু বিষয়ববীয়া সকল, ডাঙৰ বিশেষজ্ঞ সকল, প্রশাসনৰ পদস্থ ব্যক্তিসকল বিশেষ সা-সুবিধা ভোগত অভ্যস্ত। তেওঁলোকৰ বাবে সুকীয়া দোকানত উচ্চমানৰ দ্রব্যসামগ্রী সুলভ মূল্যত যোগান ধৰা হয়। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে আগশাৰীৰ শিক্ষানুষ্ঠানত আসন পায়, ভালৰ ভাল চাকৰি পায়। সর্বসাধাৰণ নাগৰিকৰ বাবে তেনে সা-সুবিধা সপোনৰো অগোচৰ। এই কথাবোৰ এনে জনাজাত যে ৰুছিয়াৰ সমর্থক সকলে এইবোৰ "কুৎসাৰটনা" বুলি উৰাই নিদি এইবোৰৰ উৎপত্তিৰ কাৰণ আৰু সেইবোৰ নির্মূল কৰাৰ উপায়তহে মনোনিবেশ কৰা ভাল।

ৰুছ ৰাষ্ট্রৰ অন্য এক দিশ হ'ল সর্বহাৰাৰ একনায়কত্বৰ নামত ভয়াবহ সন্ত্রাস ৰচনা। How the steel was Tempered নামৰ উপন্যাসখনৰ পৰা জনা যায় যে ৰুছিয়াৰ গুপ্ত পুলিচ প্রথমে বিপ্লৱী আদর্শবাদেৰে অনুপ্রাণিত আছিল। পিছলৈ কিন্তু সুযোগ সন্ধানী আৰু ক্ষমতালোভী লোকেৰে এই সংগঠন ভৰি পৰে। লাখ লাখ নিৰপৰাধ, নির্দোষলোকক হয় বিনা কাৰণতে নাইবা নাইবা সামান্য দোষত ছাইবেৰিয়ালৈ নির্বাসন দি শ্রমশিবিৰত (labour camp) কঠোৰ নির্যাতনৰ মাজত অন্তৰীণ কৰি ৰখা হয়। এইসকলৰ মাজত আছিল ৰুছ কমিউনিষ্ট পার্টিৰ কেন্দ্রীয় কমিটিৰ আগশাৰীৰ নেতা নিষ্কলুষ নিষ্ঠাবান কমিউনিষ্ট, ভাখটানখভ্, মাণ্ডে'লস্তাম আদিৰ দৰে প্রতিভাবান শিল্পী আৰু অলেখ অখ্যাতলোক। ছল্জেনিংছিনৰ পৰৱর্তী বিকাশ যেনেই নহওক, তেওঁৰ One Day In the Life of Ivan Denisovitch খনত কুখ্যাত শ্রম শিবিৰৰ সত্য পৰিচয় পোৱা যায় বুলি ৰুছিয়াতে স্বীকৃত।

ৰাষ্ট্রবিৰোধী অপৰাধেই প্রথমে আছিল এইবোৰ গুৰুদণ্ডৰ কাৰণ। পিছলৈ

কিন্তু ৰাষ্ট্ৰৰ স্বীকৃত নীতি সম্পৰ্কে ভিন্নমত পোষণ কৰা লোকমাত্ৰকে ৰাষ্ট্ৰ বিৰোধী বুলি ধৰিবলৈ শাস্তি বিহা হৈছিল। আনকি অৰ্থনীতি, দৰ্শন, বিজ্ঞান, শিল্পীসাহিত্যত ৰাষ্ট্ৰৰ অনুমোদিত পথৰ পৰা সামান্য আঁতৰি আহিলেই গুপ্ত পুলিচৰ নজৰ পৰিছিল। আমোলাতন্ত্ৰৰে এটা দিশ হ'ল চিন্তাৰ স্বাধীনতা, সৃষ্টিৰ স্বাধীনতাত হস্তক্ষেপ। লে'নিনৰ জীৱনকালত এনে ঘটনাৰ মাত্ৰাধিক্য ঘটা নাছিল। কিন্তু স্তালিনৰ আমোলত এনেবোৰ ঘটনাৰ প্ৰাদুৰ্ভাব অস্বীকাৰ কৰাৰ অৰ্থ অসংখ্য সাক্ষ্য-প্ৰমাণৰ সমুখত চকু মুদি বৈ থকা। আনকি বিখ্যাত বা কুখ্যাত "মস্কাউ বিচাৰ"সমূহ (Moscow Trials) যে বহুদূৰ সজোৱা বিচাৰ তথা বিচাৰৰ প্ৰহসন আছিল সন্দেহ নাই। বুখাৰিন প্ৰমুখ্য নেতা যদি নাৎছি জাৰ্মানিৰ গুপ্তচৰেই আছিল, নাৎছি জাৰ্মানিৰ পতনৰ পিছত নাৎছি চৰকাৰী কাগজপত্ৰৰ পৰা তাৰ প্ৰমাণ পোৱা নগ'ল কিয়? সমাজতন্ত্ৰৰ নামত এনে বীভৎস ঘটনা মানি লোৱাৰ প্ৰয়োজন আছে জানো? অৱশ্যে "মস্কাউ বিচাৰ" সমূহ চলি থকাৰ সময়ত ৰুছিয়াৰ বাহিৰৰ বেছিভাগ কমিউনিষ্টেই বিচাৰবোৰ সত্য আৰু ন্যায়সংগত বুলি ভাবিছিল আৰু সেই সম্পৰ্কে প্ৰকাশ কৰা লোকক "কুৎসাৰটনাকাৰী" আখ্যা দিছিল।

কেনেকৈ ৰুছিয়াত সেই মাৰাত্মক ঘটনাবোৰ ঘটিবলৈ পালে, সেই সম্পৰ্কেও গবেষণাৰ স্থল আছে। কেতবোৰ মানুহৰ দৰে cult of personality" বা "ব্যক্তিপূজা" নামৰ লক্ষণ এটাকৈ প্ৰধান কাৰণ হিচাবে দাঙি ধৰাৰ প্ৰবৃত্তি আমাৰ নাই। ব্যক্তি পূজাৰ এই অসুস্থতা স্তালিনৰ ব্যক্তিগত খামখেয়ালি নাছিল নিশ্চয়। বিপ্লবোত্তৰ ৰুছিয়াৰ কেতবোৰ পৰিস্থিতিত গৃহীত কেতবোৰ পথৰ শেষ পৰিণতি আছিল এইবোৰ বিকাৰ আৰু বিকৃতি। তেনে ধৰণৰ মাৰাত্মক ভুল কৰাৰ প্ৰবণতা যে ৰুছিয়াতো শেষ হৈ যোৱা নাই, বিপ্লবোত্তৰ চীনতো তাৰ ভুৰি ভুৰি প্ৰমাণ ওলাইছে। হিংস্ৰ পুঁজিবাদী শক্তিৰে পৰিবেষ্টিত ৰুছিয়াত স্তালিনে "সমাজতন্ত্ৰৰ দুৰ্গ" ৰুছিয়াক শাৰীৰিক ভাবে ৰক্ষা কৰাতে সৰ্বাধিক গুৰুত্ব দিছিল। এই লক্ষ্যৰ বাবেই তেওঁ অকাতৰে বিসৰ্জন দিছিল আন কেতবোৰ মূল্যবান নীতি তথা আদৰ্শ। সেয়েই নিশ্চয় নাৎছি জাৰ্মানিৰ অজেয় সমৰ যন্ত্ৰ ৰুছিয়াত বিকল হৈ পৰিছিল আৰু ফেছিবাদী অধঃপতনৰ পৰা সমগ্ৰ বিশ্ব ৰক্ষা পৰিছিল। কিন্তু প্ৰশ্ন উঠে, স্তালিনৰ প্ৰদৰ্শিত পথৰ বাহিৰে ৰুছিয়াক ৰক্ষা কৰাৰ আন পথ নাছিলনে? ফেছিবাদৰ লগত মোকাবিলা কৰিবলৈ সমাজতন্ত্ৰয়ো ফেছিবাদৰ কেতবোৰ গুণ আয়ত্ত্ব কৰিব লাগিবই নে?

এইবোৰ পুৰণা কথা খোঁৱাচাওৰ পৰা বাহিৰলৈ উলিওৱাৰ কাৰণ আছে। স্তালিনক বুজি নাপালে স্তালিনৰ পৰৱৰ্তী ৰুছিয়াকো বুজা নাযায়। স্তালিনৰ ভুল ত্ৰুটিৰ কাৰণ বিচাৰি, সেইবোৰৰ বীজ নিৰ্মূল কৰাৰ উপায় বিচাৰি প্ৰকৃত সমাজতন্ত্ৰবাদীয়ে চেষ্টা কৰিবই লাগিব। নহলে সকলো দেশতে—

চীনত ঘটাৰ দৰে কছিয়াৰ দুৰ্যোগৰ পুনৰাবৃত্তি ঘটিব। সমাজতন্ত্ৰই মানৱতাক উন্নততৰ পৰ্যায়লৈ নিব নোৱাৰিব। আমোলাতান্ত্ৰিক ৰাষ্ট্ৰতে সেই সপোনৰ সমাধি ৰচনা হ'ব।

পত্ৰলেখকে প্ৰশ্ন তুলিছে, শ্ৰেণীবিভক্ত সমাজত বুদ্ধিজীৱী নিৰালম্বভাবে স্বাধীন হ'ব পাৰে জানো? হয় বুদ্ধিজীৱী পুঁজিবাদী শ্ৰেণীৰ অনুগত হ'ব লাগিব, নহয় সমাজবাদী শক্তিৰ সহযাত্ৰী হ'ব লাগিব। আৰু গত্যন্তৰ নাই ঠিকেই। কিন্তু সমাজবাদী শক্তিৰ লগৰীয়া সকলে যে কোনো এক পাৰ্টি প্ৰদৰ্শিত পথতে খোজ দিব লাগিব, তেনে দাবীৰেই বা ভিত্তি কি? পাৰ্টি হিচাবে সমাজতান্ত্ৰিক শিবিৰত যেনেকৈ মতভেদ আছে, তেনেকৈ বামপন্থী ব্যক্তিৰ মতামতৰ লগতো কোনো পাৰ্টিৰ মতভেদ সম্ভৱ। কিন্তু সংগ্ৰামৰ সময়ত উক্ত পাৰ্টিবহিৰ্ভূত বুদ্ধিজীৱীয়ে কাৰ পক্ষ লয়, সিহে বিবেচ্য। বিবাদমূলক বিষয়বোৰত অৱশ্যে তেওঁলোকৰ পাৰ্থক্য থকাই স্বাভাবিক। পোলেণ্ডৰ বিষয়ে পতা তিনিখন প্ৰতিবাদ সভাৰ এখনত মই উপস্থিত আছিলোঁ। পেলেষ্টাইনীয় সকলৰ সমৰ্থনত কিবা সভা-সমিতি হোৱাৰ কথা মই গম নাপাওঁ— কিন্তু "জনজীৱন"ত এই বিষয়ে তথ্য সমৃদ্ধ প্ৰবন্ধ লেখি জনমত গঠন কৰিবলৈ ত্ৰুটি কৰা নাই। বহুতো মেল মিছিলৰ খবৰ আমাক দিয়াই নহয় বা হয়তো শেষ মুহূৰ্তত দিয়া হয়। সি যি কি নহওক, মেল-মিছিলত যোগ দিয়াৰ বাহিৰে নিজ নিজ কৰ্তব্য পালন কৰিবলৈ বামপন্থী বুদ্ধিজীৱীৰ আন উপায় নাই— এনে সস্তীয়া কথা-বতৰা দোহাৰি নুফুৰাই ভাল। এনে কৰ্তব্য কৰাৰ অপৰাধত শাসকশ্ৰেণীয়ে আমাক বিপদত পেলোৱা নাই কিয়, পত্ৰলেখকে সেই প্ৰশ্ন তুলিছে। (আশাকৰোঁ তেওঁ "কুৎসা" শব্দৰ অৰ্থ বুজি পায়!)। শাসক শ্ৰেণীয়ে আমাক যে "গণ্যমান্য" সকলৰ শাৰীত থোৱা নাই, তেওঁ চকু মেলি চালেই দেখিব। অধিক কি, অলপতে অতি তুচ্ছ কাৰণতে আমাক চাকৰিৰ পৰা নিলম্বিত কৰিব লাগে বুলি এচাম ছাত্ৰ আৰু শিক্ষকে বিশ্ববিদ্যালয়ত তুমুল আন্দোলন চলাই আছে। সম্প্ৰতি এই আন্দোলনৰ পৰা নিজকে বচাবলৈ মই ব্যতিব্যস্ত হৈ আছোঁ। ইয়াৰ পিছত শাসকশ্ৰেণী যে নাই, কোনে কব? প্ৰতিষ্ঠাই যদি বিচাৰিলোঁহেতেন, বহুকাল আগতেই জখলাৰ আগ পালোঁগৈহেঁতেন। কিন্তু তাৰ অৰ্থ এনে নহয়, হে কোনোবাই দুৰ্ণাম ৰটনা কৰাৰ ভয়ত সমাজতন্ত্ৰৰ বিকৃতিবোৰৰ বিষয়ে ৰাজহুৱা আলোচনা নকৰিম। পত্ৰলেখকৰ অভিযোগ পোলেণ্ড সম্পৰ্কে প্ৰশ্নৰ মই হেনো উত্তৰ দিয়া নাই। মই জনাত প্ৰশ্নবোৰ উঠিছিল "জনক্ৰান্তি"ৰ পাতত। সাধ্যানুসাৰে উত্তৰ দিছিলোঁ প্ৰতিবাৰেই। অৱশ্যে এচাম পাঠকে সেইবোৰ উত্তৰ কেতিয়াও ভাল নাপাব।

প্ৰকৃতপক্ষে যি বিবেকৰ তাড়নাত সংখ্যালঘুৰ ওপৰত অসম আন্দোলনে কৰা নিৰ্যাতনৰ বিৰোধিতা কৰিছিলোঁ সেই বিবেকৰ তাগিদাতে সমাজতন্ত্ৰৰ

বিকাৰ আৰু বিকৃতিৰ আলোচনা কৰিছোঁ। আমাৰ অৱস্থানৰ মূলভিত্তি এয়ে। কেৱল বৌদ্ধিক অনুসন্ধানৰে যথাসাধ্য তাক অভ্ৰান্ত কৰাৰ চেষ্টা কৰিছোঁ। এই কামত কেতিয়াবা অনিবাৰ্য্যভাবে অন্যান্য বামপন্থী সকলক লগত পাইছোঁ কিন্তু তেওঁলোকৰ পৰামৰ্শ বা নিৰ্দেশ মতে কাম কৰি ফুৰা নাই।

আকৌ ঠিক এই বাবেই অসম আন্দোলনৰ বিকৃতি আৰু বীভৎসতাৰ অন্তৰালত যিকণ সুস্থ জাতীয় আশা আকাংক্ষা আছে আকৌ স্বীকৃতি দিয়াৰ কথা চিন্তা কৰিছোঁ। অসম আন্দোলন চলা সময়ত আন্দোলনে যি মূৰ্তি ধৰিছিল সেই সময়ত এনে কথা কোৱাৰ অৱকাশ নাছিল। এতিয়া কিন্তু আন্দোলন সম্পৰ্কে আন্দোলনকাৰী সকলেও নতুনকৈ ভাবিছে (মই নেতৃত্বৰ কথা কোৱা নাই, সৰ্বসাধাৰণ আন্দোলনকাৰী ৰাইজৰ কথাহে কৈছোঁ।)। তেন্তে বামপন্থী মহলতো এইসম্পৰ্কত নতুন চিন্তা চৰ্চা হোৱাত বাধা কি? "আমি সদায় সঠিক" বুলি গোঁজপুতি বহি থাকিলেই হ'বনে? পত্ৰলেখকৰ লগত ময়ো একমত যে এই দুঃসময়ত ধৰ্মনিৰপেক্ষতা গণতান্ত্ৰিক মূল্যবোধ, মানবতাৰ নিছান উৰাই আছে ঘাইকৈ বামপন্থীসকলে। কিন্তু সকলো আন্দোলনকাৰীয়েই ফেছিবাদ আৰু সাম্প্ৰদায়িকতা আঁকোৱালি লৈছে বুলি ভবাটোও অত্যন্ত অবাস্তৱ। আৰু ক্ষেত্ৰবিশেষে বামপন্থী মহলতো অগণতান্ত্ৰিক মনোভাবৰ উগ্ৰ মূৰ্তি মোৰ চকুত নপৰাকৈ থকা নাই— আনকি প্ৰশাসনৰ নিৰ্বিচাৰ সন্ত্ৰাসো তেওঁলোকে কেতিয়াবা নীৰবে মানি লৈছে।

এইদৰেই দুয়োটা শিবিৰতে আমি বিশ্বাস ভংগকাৰী বা "অব্যবস্থিত চিত্ত" বুলি চিহ্নিত হৈছোঁ। তাকে পৰোৱাই কৰা নাই। বিবেক আৰু জ্ঞানৰ পথেই মানুহৰ শ্ৰেষ্ঠ পথ বুলি আমি ভাবো। মাৰ্ক্সবাদে এই বিবেক আলোকিত কৰিছে। আমি যদি নিজে কেতিয়াবা সেই পথৰ আঁতৰি আছোঁ তথাপি সেই পথৰ মহত্ত্ব ম্লান হৈ নাযায়।

বামপন্থী বুদ্ধিজীৱী সকলে মান-মৰ্য্যাদা, খ্যাতি, প্ৰতিপত্তি, সম্পত্তি সুবিধাৰ লালচ একেবাৰে এৰি পেলাইছে, তেনে অভিজ্ঞতা আমাৰ নাই। মুখাফুটা সকলে যে প্ৰতিপক্ষৰ বহু আক্ৰমণ সহিব লগা হৈছে সন্দেহ নাই। কিন্তু নিৰপত্তা বা প্ৰতিষ্ঠাৰ লোভ তেওঁলোকে সম্পূৰ্ণ বৰ্জন কৰিছে বোলাটোও ঠিক নহয়। কলিকতাত মোক 'পাত্তা' নিদিয়া বামপন্থীজনে কেইমাহমান আগলৈকে "পূজা"হে কৰি আছিল। হঠাতে কিহৰ যাদুত তেওঁ "পাত্তা" নিদিয়া হ'ল, বুজাই নক'লেও চলে। প্ৰতিষ্ঠা আৰু নিৰাপত্তাৰ যাদু! বামপন্থী বুদ্ধিজীৱী সকলে কোনো সা-সুবিধাই পোৱা নাইনে? তেওঁলোকক তেনে সা-সুবিধা দিয়া হোৱা নাইনে? দিয়াৰ উপায় নাইনে? পত্ৰলেখকে খণ্ডতে উচাট মাৰি নগৈ বিবেচনা কৰি চাওক। এই সম্পৰ্কে বেছি বহলাই ক'লে আমাকো কুৎসাৰটনা কৰা বুলিয়েই ক'ব তেওঁলোকে।

অৱশ্যে বিবেকবান আৰু সত্যনিষ্ঠ বামপন্থী বুদ্ধিজীৱীৰ ভাগ্যত তেনে সুবিধা আৰু সন্মান নাই। সেইবোৰৰ প্ৰতি তেওঁৰ লোভো নাই। মই নিজে তেনে মানুহ নহওঁ। কিন্তু তেনে মানুহৰ প্ৰতি মোৰ আকৃত্ৰিম শ্ৰদ্ধা আছে। (সাম্প্ৰতিক সাময়িকী, ১৯৮২)

# বঙালী আমোলাৰ ষড়যন্ত্ৰ

'আজিৰ সময়'ত স্বৰ্গীয় অতুল চন্দ্ৰ হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি যাচোঁতে আমি মন্তব্য কৰিছিলোঁ যে এটা বামপন্থী মহলে উগ্ৰজাতীয়বাদী অসমীয়াৰ প্ৰভাৱ খণ্ডন কৰিবলৈ গৈ এনে প্ৰচাৰ আৰম্ভ কৰিছে যেন বঙালী আমোলাৰ দলে কেতিয়াও অসমীয়াৰ বিৰুদ্ধে ক্ষতিকৰ কাম কৰাই নাছিল। ক'ৰবাত কোনোবাই কিবা কৰাৰ প্ৰমাণ থাকিলেও সি যেন ব্যক্তিগত বিকাৰ আৰু ব্যতিক্ৰমহে আছিল।

এই মন্তব্য কৰাৰ পিছত তিনি ধৰণৰ প্ৰতিক্ৰিয়া মোৰ চকুত পৰিছে। উগ্ৰজাতীয়তাবাদী অসমীয়াই ভাৱিছে, 'হুঁ:! বেটাই এতিয়াহে জ্ঞান পালে।' বঙালীসকলে ভাবিছে, 'হায় হায়! হীৰেন গোহাঁইৰ অধঃপতন সম্পূৰ্ণ হ'ল। তেওঁ আজি বঙালী বিদ্বেষী। আগতে উল্লেখ কৰা বামপন্থী মহলৰ প্ৰচাৰজীৱীসকলে মহা পৰাক্ৰমে ঘোষণা কৰিছে, 'বুদ্ধিজীৱীমাত্ৰৰে বিভ্ৰম হয়। হীৰেন গোহাঁইলৈ চাওক। তেওঁ এতিয়া সকলো প্ৰামাণ্য তথ্য আৰু যুক্তি অবজ্ঞা কৰি ক'ব ধৰিছে যে বঙালী আমোলাসকলে অসমত বাংলা ভাষা প্ৰৱৰ্তন কৰিছিল— যদিও এই ক্ষেত্ৰত ইংৰাজ শাসকবৃন্দৰ ভূমিকাহে প্ৰধান আছিল বুলি প্ৰমাণ হৈ গৈছে।'

প্ৰতিক্ৰিয়াবোৰ অতিৰঞ্জিত আৰু মনে সজা ধাৰণাৰ ওপৰত নিৰ্ভৰশীল। ১৯৭৬ চনত ডিগবৈত দিয়া এটা ভাষণত (পাছত 'কালভ্ৰমৰ' সংকলনত সন্নিবিষ্ট) মই আঙুলিয়াই দিছিলোঁ যে অসমত বামপন্থীসকলে উগ্ৰজাতীয়তাবাদী আৰু প্ৰতিক্ৰিয়াশীল বঙালী মহলৰ ভূমিকা অগ্ৰাহ্য কৰি ভুল কৰিছে। আচলতে সাম্ৰাজ্যবাদ বিৰোধী বঙালীসকলে যেনেকৈ অসমীয়াৰ প্ৰতি শুভেচ্ছা পোষণ কৰিছিল, তেনেকৈ সাম্ৰাজ্যবাদৰ লিগিৰা সদৃশ বঙালীবিলাকে অসমীয়াৰ বিৰুদ্ধে সদায় চক্ৰান্ত কৰিছিল। অৰ্থাৎ এই ধাৰণাটো মোৰ হঠাতে হোৱা নাই। অৱশ্যে এই উক্তিত কিছু সৰলীকৰণো আছে, পিছত উনুকিয়াম। তদুপৰি আগতে কিছুমান বঙালীয়ে ষড়যন্ত্ৰ কৰা বাবে আজি সকলো বঙালীকে ধৰি কঁচুকটা দিব লাগিব, এই উগ্ৰজাতীয়তাবাদী ধাৰণা মই কদাপি সমৰ্থন কৰিব নোৱাৰোঁ। আমাৰ বামপন্থী 'মেহনতী বুদ্ধিজীৱী' সকলৰ বিষয়ে মোৰ মতামত সলনি কৰাৰ প্ৰয়োজন দেখা নাই। তেওঁলোকক সোঁৱৰাই দিয়া প্ৰয়োজন

যে খুব সম্ভৱ অসমত প্ৰথমে (১৯৭০ চনত) ময়েই এই প্ৰশ্নটো স্পষ্টভাৱে তুলিছিলোঁ: অসমত বঙালীভাষা বঙালীবিলাকে যে প্ৰবৰ্তন কৰালে, তাৰ প্ৰমাণ কি? যথাসম্ভৱ তাৰ উত্তৰ দিবলৈ ময়েই প্ৰথমে চেষ্টা কৰিছিলোঁ। উদাহৰণ স্বৰূপে আঙুলিয়াই দিয়া হৈছিল যে ১৮৭৩ চনলৈকে অসমক বৃটিছবিলাকে বংগীয় প্ৰশাসনৰ অধীন কৰি ৰাখিছিল, তাৰ পাছতহে অসমৰ প্ৰশাসন বংগৰ প্ৰশাসনৰপৰা আঁতৰাই অনা হৈছিল। তেতিয়াহে বৃটিছবিলাকে অসমীয়া ভাষাক স্বাধীন হিচাপে প্ৰশাসনীয় মৰ্যাদা দিছিল। এই প্ৰশ্নটোৰ অখণ্ডনীয় প্ৰমাণ ওলাল তেতিয়াৰ অসম বৃটিছ শাসকবিলাকৰ লগত মাৰ্কিন বেপ্টিষ্ট মিছনাৰীবিলাকৰ পত্ৰ বিনিময় প্ৰকাশ হলত। তাৰপৰা স্পষ্ট হ'ল যে বৃটিছ শাসক মহলেই নিজস্ব সিদ্ধান্তৰ জৰিয়তে অসমীয়া ভাষাক তাৰ মাতৃভূমিতে নিঠৰুৱা কৰিছিল। এই কথা এতিয়া ঐতিহাসিকভাৱে স্বীকৃতিপ্ৰাপ্ত। কিন্তু বামপন্থী মহলে কৰা দৰে অসমবাসী বঙালীৰ মাজত অসমীয়া বিদ্বেষী মনোভাব নাছিল বা অসমীয়া বিৰোধী চক্ৰান্ত নাছিল বুলি ডবা বজোৱাটোও মূৰ্খামি। বৰং সেই মনোভাব আৰু চক্ৰান্তৰ গুৰি খানি উলিয়াব পাৰিলেহে কামত আহিলেহেঁতেন।

বঙালীসকলে হয়তো ভাবিছে যে তেওঁলোকৰ অতীত ভূমিকা কলংকিত কৰিব পৰা কিবা তথ্য উন্মোচিত কৰা মানেই তেওঁলোকৰ বিৰুদ্ধে নৃশংস অসমীয়া গুণ্ডাবোৰক উত্তেজিত কৰা। এনে মতলব মোৰ নাই। কিন্তু এনে আহুকলীয়া তথ্য উন্মোচন কৰাৰ এটা আন কাৰণহে আছে। অসমত ইমান বঙালী মানুহ আছে, যে নৃশংসতম নৰমেধেও মাৰিকাটি শেষ কৰিব নোৱাৰে। অসমীয়াই যিমান শীঘ্ৰে কথাটো বুজে, সিমানেই মংগল। দুয়োটা সম্প্ৰদায়েই অসমত মিলিজুলি থাকিব লাগিব। আৰু সেয়ে দুয়ো সম্প্ৰদায়ৰ মাজত থকা ভুল বুজাবুজি দূৰ কৰিব লাগিব। বঙালীসকলেও এখন সুকীয়া জগত সাজি লৈ তাৰ ভিতৰত সোমাই চিৰকাল কটাব নোৱাৰে— সদায় দেখি থকা অসমীয়া মানুহবোৰক অমানুহ বুলি ভাবি থাকিব নোৱাৰে। অসমীয়া সমাজৰ লগত তেওঁলোকৰ ব্যৱধান কেনেকৈ গঢ়ি উঠিল, তাৰ অন্তৰালত কেনে ধৰণৰ ধাৰণা আৰু প্ৰচাৰ আছে তেওঁলোকে নিজেও বুজিব লাগিব। অসমীয়াৰ গাতে সকলো দোষ জাপি আৰামত বহি থাকিব পাৰি, কিন্তু তেনে আৰাম কেনে ক্ষণভংগুৰ তেওঁলোকৰ সাম্প্ৰতিক ইতিহাসেই সোঁৱৰাই দিব।

সকলোতকৈ ডাঙৰ কথা হ'ল এয়ে যে, এইবোৰ মনোভাৱ বা ধ্যান-ধাৰণা বঙালী মাত্ৰেই তেজত কঢ়িয়াই ফুৰা নাই। এটা বিশেষ পৰিবেশত সেইবোৰ উৎপন্ন আৰু পৰিপুষ্ট হৈছে। সেই পৰিবেশৰ শিক্ষাই এনে দুৰ্ভাগ্যজনক ব্যৱধান সৃষ্টি কৰিছে। পৰিবেশটো হ'ল মধ্যবিত্ত শ্ৰেণীৰ পৰিবেশ আৰু তাত গঢ় লৈ উঠা সংস্কৃতিৰ কেতবোৰ স্বাভাৱিক বিকাৰ। এই মধ্যবিত্ত

শ্ৰেণী যিমানেই দুৰ্বল আৰু ক্ষয়প্ৰাপ্ত হ'ব, সিমানেই তেনে মনোভাব আৰু ধাৰণাও জহি-খাই যাব। ই কোনো জাতিগত বৈশিষ্ট্য নহয়। তেনেকৈ অসমীয়া উগ্ৰজাতীয়তাবাদো অসমীয়া মধ্যবিত্ত কৃষ্টিৰ এক অপসৃষ্টি। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ক্ষমতা আৰু প্ৰভাৱ হ্ৰাস পালে তাৰ প্ৰকোপ কমিব।

কিন্তু মধ্যবিত্ত শিক্ষা-সংস্কৃতিয়ে জন্ম দিয়া জাতীয় উগ্ৰতা আপোনা-আপুনি শেষ নহয়। বৌদ্ধিক জগতত তথা প্ৰচাৰ মাধ্যমত তাৰ বিৰুদ্ধে যুক্তিতৰ্ক সহ অনবৰত প্ৰচাৰ চলাবও লাগিব।

বঙালী উগ্ৰজাতীয়তাবাদ অসমীয়া ভাষাক স্থানচ্যুত কৰাত সক্ৰিয় নাছিল। অথচ অসমীয়া মানুহে ইমান অন্ধভাৱে কথাটো মানি ল'লে কিয় ? সাম্ৰাজ্যবাদৰ লেমটোবিলাকৰ প্ৰচাৰ ? কিন্তু সেই প্ৰচাৰ হজম কৰিবলৈ অসমীয়া ইমান ব্যগ্ৰ কিয় ? অৰ্থাৎ অসমীয়া মানুহে তেওঁলোকৰ জীৱনৰ বিভিন্ন ক্ষেত্ৰত বঙালী আমোলাৰ ষড়যন্ত্ৰৰ সন্মুখীন হোৱা বাবেই এই কথাটো মানিবলৈ টান পোৱা নাছিল। কেনে ধৰণৰ ষড়যন্ত্ৰ।

(ক) এটা হ'ল চাকৰি-বাকৰিৰ ক্ষেত্ৰত ভাষিক সংহতিৰ জৰিয়তে অ-বঙালী (ঘাইকৈ অসমীয়া) প্ৰাৰ্থীক বঞ্চিত কৰা। (খ) সামাজিকভাৱে অসমীয়া সকলক নেতৃত্বৰপৰা দূৰত ৰখা।

প্ৰথমটো অভিযোগৰ প্ৰত্যক্ষ প্ৰমাণ A.J. Moffat Mills ৰ Report খনতে আছে। Mills এ নিজেও কৈছে যে যোগ্য স্থানীয় অসমীয়া প্ৰাৰ্থী থকাত বঙালী প্ৰাৰ্থীক ইমান বেছি হাৰত চাকৰি দিয়াটো উচিত হোৱা নাই। হৰকান্ত সদৰামীনৰ আত্মজীৱনীতো তাৰ উল্লেখ আছে। এই দুয়োটা অভিযোগৰপৰা দেখা যায় যে বৃটিছ শাসকগোষ্ঠীও দায়িত্বৰপৰা সাৰি নাযায়। অথচ তেতিয়াৰ দিনৰ কেৰাণী-মহৰী মাষ্টৰৰ চাকৰিত নিয়োগৰ বেলিকা শীৰ্ষ স্থানীয় শাসক বৃন্দতকৈ কিছু তলৰ মহলৰ আমোলাসকলৰ ভূমিকা আছিল বেছি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ শতকৰা নিৰানব্বৈ জনেই আছিল বঙালী।

দ্বিতীয় অভিযোগৰ ক্ষেত্ৰত ক'ব পাৰি যে অসমৰ চহৰবোৰ যিহেতু প্ৰথমতে প্ৰশাসনীয় প্ৰয়োজনতে গঢ় লৈ উঠিছিল, তাৰ সমাজৰ নেতৃত্বত স্বাভাৱিকতে বাবু শ্ৰেণী— অৰ্থাৎ আমোলা, উকিল আৰু ডাক্তৰ, মাষ্টৰ আদি চাকৰিয়াল। পোন প্ৰথমতে এইবোৰ ক্ষেত্ৰত অসমত বঙালী মানুহৰে প্ৰাধান্য আছিল। সেয়ে চহৰৰ সামাজিক জীৱনত নেতৃত্ব তেওঁলোকৰ এদনীয়া আছিল। আধুনিক জীৱনযাত্ৰা, আদৱ-কায়দাৰ লগতে বঙালী বাবুসকলে এক আধুনিক সংস্কৃতিও লৈ আহিছিল। তাৰ প্ৰভাৱেৰে বহুকাল চহৰীয়া জীৱনত তেওঁলোকে নেতৃত্ব দিছিল। শিক্ষিত অসমীয়া এচাম ওলাই অহাৰ ফলত সীমিত সংখ্যক চাকৰি বা অন্যান্য সা-সুবিধাৰ বাবে আগৰে পৰা সেইবোৰ দখল কৰি থকা বঙালী সকলৰ লগত তেওঁলোকৰ প্ৰতিযোগিতা আৰম্ভ

হ'ল। তেওঁলোকে প্ৰশ্ন তুলিলে: চাকৰি-বাকৰি কিয় বঙালীসকলৰ এক চেতিয়া সম্পত্তি হ'ব লাগে?

তাৰ উত্তৰত শ্ৰেণী স্বাৰ্থতে শিক্ষিত বঙালীসকলে এটা নতুন মোহৰ (false consciousness) জন্ম দিলে। তেওঁলোকে ক'বলৈ আৰু ভাবিবলৈ ধৰিলে যে বঙালীসকল এক উচ্চতৰ আৰু মহত্তৰ সংস্কৃতিৰ অধিকাৰী। সেয়ে তেওঁলোক যোগ্যতৰ। প্ৰশাসন আৰু সমাজৰ নেতৃত্ব সেয়ে তেওঁলোকৰ ন্যায্য অধিকাৰ। এনে মোহ ইতিহাসত নতুন ঘটনা নহয়। ইউৰোপীয় ঔপনিবেশিক দেশবোৰেও এসময়ত আফ্ৰিকা আৰু এছিয়াত 'সভ্যতা' বিস্তাৰ কৰিবলৈ তেওঁলোকৰ 'ন্যায় অধিকাৰ' আছে বুলি ভাবিছিল— যাৰ শ্লোগান কিপ্লিং প্ৰভৃতি সাম্ৰাজ্যবাদৰ বৈতালিকে দিছিল 'White Man's Burden' ৰূপে। সেয়ে অগ্ৰণী বঙালী চিন্তাবিদসকলেও এসময়ত ভাবিছিল যে অসমীয়া বঙলা ভাষাৰে এটি অমাৰ্জিত ৰূপ। অধিক কি ৰবীন্দ্ৰনাথৰ দৰে উদাৰ হৃদয়, দূৰদৰ্শী চিন্তানায়কে অসমত বঙলা ভাষা অসমীয়াই গ্ৰহণ নকৰা বাবে খেদ কৰিছিল।

এই সামাজিক আৰু সাংস্কৃতিক উচ্চাত্মিকাৰ প্ৰকাশ বিভিন্ন ধৰণে ঘটিছিল। বঙালী শিক্ষিতলোকে আধুনিকতাৰ সাঁচ দকৈ নবহা জাতি মাত্ৰকে অমাৰ্জিত আৰু অসংস্কৃত বুলি ভাবিছিল আৰু সেইবোৰ জাতিৰ নামকৰণ তেনেকৈ কৰিছিল— যেনে 'উড়ে' (উড়িয়া) 'খোট্টা' (বিহাৰ-উত্তৰ প্ৰদেশৰ হিন্দী ভাষী লোক), 'আসামী' (অসমীয়া)। এইবোৰত কিছু প্ৰচ্ছন্ন পৰিহাস আছিল। অসমত চহৰবোৰত এই দ্বন্দ্বই কেতিয়াবা উত্তেজনাও সৃষ্টি কৰিছিল। পূৰ্বে গুৱাহাটীৰ শিক্ষিত অসমীয়া বঙালী সকলো মিলি পাণ বজাৰৰ 'সনাতন ধৰ্মসভা' বা হৰিসভাৰ মণ্ডপত ধৰ্মাচৰণ বা ৰাজহুৱা অনুষ্ঠান উপলক্ষে একগোট হৈছিল। বঙালী উচ্চাত্মিকাৰ তীব্ৰ প্ৰকাশত ক্ষুণ্ণ হৈ অসমীয়া শিক্ষিত লোকসকল ওলাই আহি উজানবজাৰত বেলেগে 'বাৰোবাড়ী' নামঘৰ স্থাপন কৰিছিল। এনে সৰুসুৰা কিন্তু তাৎপৰ্যপূৰ্ণ ঘটনাৰ সোঁৱৰণ অসমীয়া সমাজত প্ৰচুৰ আছে।

এনে ঘটনাবোৰে যে কেৱল এক মানসিক দৃষ্টিকোণ প্ৰকাশ কৰিছিল তেনে নহয়। তাৰ জৰিয়তে একধৰণৰ সামাজিক আৰু ৰাজনৈতিক অৱদমনো চলোৱা হৈছিল। আজি স্পষ্টকৈ অসমত বঙালীসকলৰ সেই ক্ষমতা নাই— কোনো কোনো ক্ষেত্ৰত তেওঁলোক আজি নিজেই বৈষম্যৰ বলি। অথচ তেওঁলোকৰ আগৰ মানসিকতা সম্পূৰ্ণ দূৰ হোৱা নাই। পাৰিলে 'হৃত গৌৰৱ' উদ্ধাৰ কৰিবৰ বাসনা এৰি দিয়া নাই। ছলে বলে কৌশলে কোনো কোনো ক্ষেত্ৰত বঙালী প্ৰাধান্য প্ৰতিষ্ঠা কৰিবলৈ মাজে মাজে চেষ্টা চলায় এতিয়াও।

সেয়ে তেওঁলোকে নিজকে সম্পূৰ্ণ 'নিৰপৰাধী নিৰ্যাতিত' বুলি ভবাটো

সঠিক নহয়। ঐকান্তিক প্ৰচেষ্টাৰে এই ঔপনিবেশিক আৰু মধ্যবিত্ত চিন্তা মনৰপৰা বাদ দিবলৈ অভ্যাস নকৰিলে তেওঁলোকৰ কেতবোৰ কদাচাৰ বা কূটনীতি নিমূৰ্ল নহ'ব। সেইবোৰ চলি থাকিলে অসমীয়া সৰ্বসাধাৰণো উগ্ৰজাতীয়াতাবাদৰ কবলৰ পৰা মুক্ত নহ'ব। সেয়ে বামপন্থী বহলে বঙালী উগ্ৰজাতীয়তাবাদ এটা উপাখ্যান বুলি নাভাবি মুকলিভাৱে তাৰ অস্তিত্ব স্বীকাৰ কৰি তাৰ প্ৰতিকাৰ চিন্তা কৰাহে যুগুত।

· বঙালীসকলৰ আত্ম-জিজ্ঞাসা জগাই তুলিবলৈ প্ৰখ্যাত উড়িয়া সাহিত্যিক ফকিৰ মোহন সেনাপতিৰ আত্মচৰিতৰ (বংগানুবাদ, সাহিত্য অকাডেমি, নয়া দিল্লী,) পৰা দুটামান উদ্ধৃতি দিলোঁ:

(১) 'উৎকল ভাষাৰ বিষয় উল্লেখৰ সময়ত বঙালী শিক্ষক আৰু অন্যান্য বঙালী বাবুবিলাকে যেনে তুচ্ছ তাচ্ছিল্য কৰি মন্তব্য কৰিছিল, মোৰ মনত মোৰ আইৰ প্ৰতি অপমানৰ তুল্য আছিল সেইবোৰ। নিন্দুকইঁতৰ প্ৰতি মোৰ বিষম ক্ৰোধ হৈছিল আৰু প্ৰাণত আঘাত লাগিছিল।' (পৃঃ ৬১)

(২) 'ওডিয়া স্বতন্ত্ৰ ভাষা নহয়' বুলি মুখেৰে কলেতো নহ'ব। প্ৰমাণ কৰিব লাগিব.... ছপাৰ আখৰত কিতাপ ওলাল। বঙালী হেডমাষ্টৰজনে এখন কিতাপৰ সৈতে ইন্সপেক্টৰ চাহাবৰ ওচৰলৈ এটা ৰিপৰ্ট পঠালে। সেই সময়ত স্কুল ইন্সপেক্টৰ আছিল আৰ, এল, মাৰ্টিন। তেওঁৰ হেড অফিচ আছিল মেদিনীপুৰ। অফিচৰ সকলো কৰ্মচাৰী আছিল বঙালী। .... তাৰপৰা অতি শীঘ্ৰে আদেশ ওলাই বালেশ্বৰৰ হেডমাষ্টৰৰ সমুখত উপস্থিত হ'ল। আদেশৰ সাৰমৰ্ম—

'বালেশ্বৰ গভৰ্ণমেণ্ট স্কুলত কেৱল সংস্কৃত আৰু বঙলা পঢোৱা হ'ব।' সেইসময়ত কেৱল স্কুলত নহয় চৰকাৰী সকলো বিভাগতে এজনো উচ্চপদস্থ উড়িয়া কৰ্মচাৰী নাছিল। সকলো বঙালী একমত। সকলোৱেই সমানে উড়িয়া বিদ্বেষী আৰু বিদ্ৰুপকাৰী।.....

কেৱল বালেশ্বৰত নহয়, উৎকল দেশবাসী সকলো বঙালী ৰাজকৰ্মচাৰীৰ এক মত, এক পৰামৰ্শ— উৎকল ভাষা তুলি দিয়াই সকলোৰে মত আৰু চেষ্টা হৈ পৰিল। (পৃঃ ৭৮-৭৯)

এনে উদ্ধৃতিয়ে সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে উনবিংশ শতাব্দীত বঙালী আমোলাই এখন প্ৰতিবেশী ৰাজ্যৰ স্বতন্ত্ৰ ভাষা লোপ কৰি তাতে বঙলাভাষা চলাব বিচাৰিছিল। অসমত অৱশ্যে সেই অপকৰ্ম কৰিছিল বুটিছে। কিন্তু প্ৰবাসী শিক্ষিত বঙালীৰ এই উগ্ৰজাতীয়তাবাদী মানসিকতাও পাছৰ যুগৰ হিংস্ৰ প্ৰতিক্ৰিয়াৰ বাবে কিছুদূৰ দায়ী। বস্তুটো তথাকথিত বামপন্থী চশমা পিন্ধিলেই অদৃশ্য হৈ নাযায়।

আনহাতে অসমীয়াৰ প্ৰতিক্ৰিয়াও সদায় স্বাস্থ্যবান হোৱা নাই। কেতিয়াবা

তাৰ ৰূপ স্থূল আৰু কদাকাৰ। বেজবৰুৱা আদি অসমীয়া সাহিত্যিকসকলৰ ৰচনাত মহামহোপাধ্যায় পদ্মনাথ বিদ্যা বিনোদ অসম বিদ্বেষী বঙালী ৰূপেই প্ৰতিভাত হৈছে। কাৰণ বিদ্যাবিনোদেও অসমীয়া ভাষাৰ স্বতন্ত্ৰতা মানি লোৱা নাছিল। কিন্তু তেওঁৰ 'কামৰূপ শাসনাৱলী' অসম ইতিহাসৰ অমূল্য নিধি— বহু বছৰৰ ঐকান্তিক শ্ৰম আৰু বিপুল মেধাৰ নিদৰ্শন। অসমক ভাল নাপালে এই কিতাপখন তেওঁ নুলিয়ালেহেঁতেন। এনে ধৰণৰ জটিলতা অগ্ৰাহ্য কৰি বঙালী মাত্ৰকে অসম বিদ্বেষী ধুৰন্ধৰ বুলি ভৱাটো ভুল। অৱশেষত পুনৰ কওঁ অসমীয়া বঙালী সদায় ওচৰ চুবুৰীয়া হৈ থাকিব লাগিব। তাৰ বাবে পৰিৱেশ ৰচনাৰ দায়িত্ব সকলোৰে।

(আজিৰ সময়, জানুৱাৰী, ১৯৮৭)

# জ্যোতিপ্ৰসাদৰ জাতীয়তাবাদী চিন্তাৰ প্ৰাসংগিকতা

'নতুন দৈনিক'ৰ সম্পাদকৰ অনুৰোধত দুদিনৰ ভিতৰতে এই বিশেষ প্ৰবন্ধ তৰিবলগীয়া হ'ল। কথাবোৰ বহলাই ক'ব পৰা নাযাব, নাইবা সেইবোৰৰ সপক্ষে বিতংকৈ সাক্ষ্যপ্ৰমাণ দাঙি ধৰাও সম্ভৱ নহ'ব। কিন্তু কেইটামান দিশত আলোকপাত কৰি পাঠকসকলৰ মনত নতুন প্ৰশ্ন জগাই তুলিব পৰা যাব। সেয়ে সময় তাকৰ হোৱা সত্ত্বেও দায়িত্বটো গ্ৰহণ কৰিলো।

জ্যোতিপ্ৰসাদৰ জাতীয়বাদ ঔপনিবেশিক যুগত উন্মীলিত হৈছিল ঔপনিবেশিক শাসনৰ বিৰুদ্ধে জাতীয় সংগ্ৰামে চূড়ান্ত ৰূপ ধাৰণ কৰা কালছোৱাত। অৰ্থাৎ সেই জাতীয়তাবাদ আছিল এক সংগ্ৰামী জনচেতনাৰ অংগ। আজিৰ চৰকাৰী উৎসৱৰ পৰিবেশত জাতীয়তাবাদৰ সেই স্বৰূপ প্ৰত্যক্ষ কৰা টান— যেহেতু সংগ্ৰাম বা জনগণ, দুয়োটাই উৎসৱৰ মঞ্চৰ পৰা বহিষ্কৃত। জ্যোতিপ্ৰসাদক শাসকশ্ৰেণীৰ সাংস্কৃতিক অভিপ্ৰায়ৰ অন্তৰ্ভুক্ত কৰি শাসন-শোষণৰ সাংস্কৃতিক বুনিয়াদ ৰচনা কৰাই আজিৰ 'জ্যোতিদিবস'ৰ তাৎপৰ্য। কিন্তু জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ কেতবোৰ উপাদান কেনেকৈ এই অভিপ্ৰায়ৰ অন্তৰ্ভুক্ত কৰা হৈছে সেইটো বুজিবলৈ হ'লে আমি জ্যোতিপ্ৰসাদৰ প্ৰতি ঐতিহাসিক দৃষ্টিপাত কৰিব লাগিব। অৰ্থাৎ তেওঁৰ যুগৰ পটভূমিত তেওঁক পুনৰ স্থাপন কৰি তেওঁৰ চিন্তাধাৰা তথা বৌদ্ধিক ভূমিকাৰ পৰা শিক্ষা ল'ব লাগিব।

শাসক শ্ৰেণীয়ে জ্যোতিপ্ৰসাদৰ চিন্তাক এক বিমূৰ্ত দাৰ্শনিক ৰূপত দাঙি ধৰে, সেই ৰূপটোৰ ঐতিহাসিক পটভূমি সম্পৰ্কে জনগণৰ কৌতূহল বা জিজ্ঞাসা নিৰস্ত কৰে। কিন্তু জ্যোতিপ্ৰসাদে স্বাধীনতাৰ প্ৰথম খোজতে ভাৰতীয় শাসক শ্ৰেণীৰ বিশেষ শাসকীয় বিচ্ছিন্নতা আৰু শোষণধৰ্মী চৰিত্ৰ উপলব্ধি কৰি পূৰ্বৰ সহযোগী এগৰাকীক কৈছিল, "আমি কাপেটৰ পৰা ঘাঁহনিলৈ নামিলো আৰু তোমালোকে ঘাঁহনিৰ পৰা কাপেটলৈ উঠিলা।"

আজিৰ শাসক শ্ৰেণীয়ে জ্যোতিপ্ৰসাদক ঘাঁহনিৰ পৰা কাপেটলৈ নিব

খুজিছে নেকি সেই প্ৰশ্ন সেয়ে সংগত আৰু প্ৰাসংগিক। সেই কৌশলৰ অংশ হৈছে জ্যোতিপ্ৰসাদৰ ঐতিহাসিকতা সম্পূৰ্ণ নিশ্চিহ্ন কৰা। এক অনৈতিহাসিক আৰু প্ৰাণহীন "সুন্দৰ"ৰ আপোনভোলা উপাসক ৰূপে তেওঁক প্ৰতিষ্ঠা কৰি জনগণক সেই আৰতিৰ মূক স্তব্ধ দৰ্শকত পৰিণত কৰাই শাসক শ্ৰেণীৰ জ্যোতিবিচাৰৰ প্ৰধান লক্ষ্য। তাৰ বিপৰীতে সংগ্ৰামী গণতান্ত্ৰিক বিচাৰৰ লক্ষ্য হ'ব আজিৰ ঐতিহাসিক সংগ্ৰামত জ্যোতিপ্ৰসাদৰ প্ৰেৰণাৰে প্ৰতিজন সৈনিকক অনুপ্ৰাণিত কৰা।

আজিৰ গণতান্ত্ৰিক সংগ্ৰামত জনগণৰ শত্ৰু কোন, এই প্ৰশ্নৰ সম্যক উত্তৰ নোপোৱাকৈ জ্যোতিপ্ৰসাদৰ "সুন্দৰ"ৰ ধাৰণাৰ সঠিক নিৰ্ণয় অসম্ভৱ। জাতীয়তাবাদ এক বিমূৰ্ত, অবিনশ্বৰ সত্য নহয়। এসময়ত তাৰ কোনো অস্তিত্ব নাছিল, সুদূৰ ভৱিষ্যতে হয়তো এদিন ইতিহাসৰ মঞ্চৰ এচুকতহে তাৰ ঠাই হ'ব। কিন্তু আজিৰ যুগত জনসাধাৰণক সংগঠিত আৰু ঐক্যবদ্ধ কৰাত, জনচেতনাক উদ্বুদ্ধ কৰাত, তাৰ অৱদান অতি গুৰুত্বপূৰ্ণ। কিন্তু শাসক শ্ৰেণীয়েও এই জাতীয়তাবাদক জনসংগ্ৰামৰ অস্ত্ৰৰ পৰা কুটিল শ্ৰেণীস্বাৰ্থ ৰক্ষাৰ অস্ত্ৰলৈ অধঃপতিত কৰিব পাৰে। ফে'ছিবাদী উৎপীড়ন, নাৎছি বৰ্বৰতাৰ প্ৰধান উপাদানো এক ধৰণৰ জাতীয়তাবাদ। বিপুল গণ-উন্মাদনাক এক ভয়াবহ, ৰক্তাক্ত নৰমেধত পৰিণত কৰি, জনগণক বিভ্ৰান্ত, বিমূঢ় আৰু হতাশ কৰি, গণতান্ত্ৰিক সংগ্ৰামত অবাঞ্ছনীয় যতি নমাই আনিব পাৰে শাসক শ্ৰেণীয়ে। "মুকুতা বিচাৰি শোকোতা পালো" বুলি জনগণে ন্যায্য আশা-আকাংক্ষাও জলাঞ্জলি দিবলৈ সাজু হ'ব পাৰে। সেয়ে জাতীয়তাবাদৰ ঐতিহাসিক, আৰ্থ-সামাজিক আধাৰ সম্পৰ্কে আমি সততে সজাগ থাকিব লাগিব।

এচাম বুদ্ধিজীৱীয়ে সম্প্ৰতি সূক্ষ্ম তাত্ত্বিক ভাষাত এনে এক তত্ত্ব প্ৰচাৰ কৰিছে যে, ত্ৰিশৰ দশকৰ পূৰ্বে অসমীয়া জাতীয়তাবাদে যি বিশেষ ৰূপ লৈছিল, সেয়ে অসমীয়া জাতিৰ স্বৰ্ণযুগ, তাৰ পিছৰ পৰা আৰম্ভ হৈছে কেৱল অধঃপতন আৰু ক্ষয়। এই তাত্ত্বিক ধাৰণা মতে অসমীয়া মধ্যশ্ৰেণী আৰু সাম্ৰাজ্যবাদী বৃটিছ শাসকশ্ৰেণীৰ মাজত সহযোগিতা আৰু মৈত্ৰীৰ সুফলপ্ৰসূ সময়ছোৱাই অসমীয়া জীৱনৰ পৰমপ্ৰাপ্তিৰ সময়। কিন্তু সাম্ৰাজ্যবাদে জাতীয় বিকাশত কেনে দুৰ্লঙ্ঘ্য বাধা আৰোপ কৰিছিল, সীমাৰেখাৰ মাজত আবদ্ধ ৰাখিছিল, জাতীয় বিকাশৰ পৰা বিপুল সংখ্যক জনগণ কেনেকৈ বঞ্চিত হৈ আছিল, সেইবোৰ কথালৈ কাণ নকৰি জাতীয়তাবাদৰ সংজ্ঞা নিৰূপণ কৰাও আজিৰ মধ্য শ্ৰেণীৰ মোহ আৰু বিভ্ৰান্তিৰ লক্ষণ। শাসকশ্ৰেণীয়ে তাৰ সুযোগ ল'বলৈ হেলা নকৰিব। আচলতে সেই "স্বৰ্ণযুগ"ৰ মৰ্মতো আছিল ঔপনিবেশিক কেৰোণ।

প্ৰকৃততে সাম্ৰাজ্যবাদী কাৰাগাৰৰ মাজত জাতীয় বিকাশৰ বস্তুগত আৰু

আনুষ্ঠানিক ভিত্তিসমূহ দুৰ্বল হৈ থাকিবলৈ বাধ্য। তাৰ বিৰুদ্ধে জনসাধাৰণে জাতীয় চেতনাৰ জৰিয়তে সংগঠিত আৰু ঐক্যবদ্ধ হৈ অহৰহ সংগ্ৰাম কৰিছিল। পোন প্ৰথমে স্বতস্ফূৰ্তভাৱে গণতান্ত্ৰিক সংগ্ৰামৰ আৰম্ভণি কৰিছিল কৃষক সমাজে। কিন্তু ঊনবিংশ শতিকাব অসমৰ কৃষক বিদ্ৰোহে জাতীয় মুক্তি তথা উন্নয়নৰ কোনো সুনিশ্চিত আধুনিক ধাৰণা অৱলম্বন কৰিব পৰা নাছিল, আৰু দুৰ্বল, ভীৰু অসমীয়া মধ্যশ্ৰেণীয়েও তেওঁলোকক বাট দেখুওৱা নাছিল। নতুন মধ্য শ্ৰেণীৰ মনত অৱশ্যে জাতীয় উন্নয়নৰ ধাৰণা আছিল, কিন্তু ঔপনিবেশিক শাসক শ্ৰেণীৰ লগত সহযোগিতা অবিহনে সেই উন্নয়ন সম্ভৱ বুলি তেওঁলোকে ভাবিব পৰা নাছিল। ঔপনিবেশিক শাসক গোষ্ঠীয়েও নিজৰ স্বাৰ্থ ক্ষুণ্ণ নকৰাকৈ অসমীয়াৰ যৎকিঞ্চিত বিকাশত সন্মতি দিছিল।

**এক ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক সংস্কৃতিহে ভাৰত তথা অসমৰ জাতীয় জীৱনৰ উপযুক্ত সংস্কৃতি হ'ব বুলি দ্বিধাহীন ভাষাত জ্যোতিপ্ৰসাদে কৈ গৈছে। আজিৰ ভাৰতত সেই দ্বিধাহীন ভাব-ভাষা আৰু নাই। নিঃসন্দেহে জনগণতান্ত্ৰিক বিপ্লৱী শক্তিৰ দুৰ্বলতাৰ বাবেই এই অধঃপতন।**

বিংশ শতাব্দীৰ আদি কালছোৱাত বিশেষকৈ প্ৰথম মহাযুদ্ধৰ পিছত সমগ্ৰ ভাৰতৰে মধ্যশ্ৰেণীয়ে মহাত্মা গান্ধীৰ নেতৃত্বত ঔপনিবেশিক শাসক শ্ৰেণীৰ লগত সংগ্ৰামৰ সৈনিক হিচাপে তেওঁলোকে গাওঁ-ভূঁইৰ লাখ লাখ কৃষক আৰু শ্ৰমজীৱী জনসাধাৰণক দেশপ্ৰেমৰ তথা জাতীয় মুক্তিৰ মন্ত্ৰ দিলে। অথচ তেওঁলোকৰ প্ৰভাৱশালী অংশটোৰ মাজত ঔপনিবেশিক শাসক শ্ৰেণীৰ লগত আপোচ আৰু সহযোগিতাৰ ভাব ভিতৰি-ভিতৰি প্ৰবল হৈ আছিল। আন এটা চামেহে কৃষক শ্ৰমিকৰ লগত একাত্ম হৈ তেওঁলোকৰ মুক্তিৰ জৰিয়তে জাতিৰ মুক্তি আৰু বিকাশৰ সপোন দেখিছিল। এই বিভাজন আজিও আছে, আৰু পৰিৱৰ্তিত পৰিস্থিতিত অসমীয়া মধ্যশ্ৰেণীৰ মাজতো তাৰ প্ৰকাৰভেদ লক্ষ্য কৰা যায়।

জ্যোতিপ্ৰসাদ আছিল দ্বিতীয় চামটোৰ প্ৰতিনিধি। প্ৰথম চামটোৱে ভাবে যে সংস্কৃতিৰ উৎকৰ্ষ তেওঁলোকৰ স্বকীয় সৃষ্টি আৰু জাতীয় বিকাশৰ অন্যতম চৰ্ত হৈছে জনসাধাৰণক এই উৎকৃষ্ট সংস্কৃতিৰ সমৰ্থক হিচাপে লগত লোৱা। কিন্তু জ্যোতিপ্ৰসাদে সংস্কৃতিৰ সৃষ্টি আৰু সংৰক্ষণত জনগণৰ বাবে বেলেগ ভূমিকা নিৰ্দ্ধাৰণ কৰিলে। জাতীয় বিকাশৰ চূড়ান্ত পৰ্য্যায়ত সকলো মানুহ স্ৰষ্টা, সকলো মানুহ শিল্পী। এনে এক ভূমিকা ল'বলৈ হ'লে শ্ৰমজীৱী মানুহ সকলো ধৰণৰ শোষণ-নিপীড়নৰ পৰা মুক্ত হ'ব লাগিব। অৰ্থাৎ মধ্যশ্ৰেণীৰ তলতীয়া আৰু নিয়ন্ত্ৰণাধীন শ্ৰেণী হৈ নাথাকি তেওঁলোক নিজেই শাসকত পৰিণত হ'ব লাগিব। এনে এক উত্তৰণৰ কথা মধ্যশ্ৰেণীৰ বুদ্ধিজীৱীয়ে কেতিয়াও ভাবিব নোৱাৰে। সেয়ে সংস্কৃতিৰ ক্ষেত্ৰতো মধ্য শ্ৰেণীৰ বুদ্ধিজীৱীয়ে জনগণক

স্রষ্টাৰ ৰূপত কল্পনা কৰিব নোৱাৰে মধ্যশ্রেণীৰ চিন্তাত জনগণৰ ভূমিকা কেৱল অনুকৰণ আৰু অনুসৰণৰ। কিন্তু জ্যোতিপ্রসাদৰ চিন্তাত জনগণে নিজৰ বুকুৰ উমেৰে নুনুমুৱা বেলিৰ দৰে সংস্কৃতিক ৰক্ষা কৰে— আনকি ঔপনিবেশিক শাসনৰ গ্লানিয়ে কুঁৱলীৰ দৰে জাতীয় সংস্কৃতিৰ বেলিটো ঢাকি ধৰা সময়তো জনগণেই তাক জ্বলাই ৰাখে। সেয়ে গণনাট্য সংঘৰ মূলমন্ত্র তেওঁ নিৰূপণ কৰিছিল এক বিখ্যাত উক্তিত "দেশেই আমাৰ নাটঘৰ, ৰাইজেই আমাৰ ভাৱৰীয়া।" (উক্তিটোৰ মূল যেয়েই নহওক, ভাষা স্পষ্টকৈ জ্যোতিপ্রসাদৰ)।

এই ধাৰণাটো কাৰো কাৰো মতে সম্পূর্ণ অবাস্তৱ আৰু কল্পনাশ্রয়ী (Utopia)। কিন্তু জ্যোতিপ্রসাদে এনে এক সাংস্কৃতিক সাধনাৰ বা আন্দোলনৰ ৰূপ কল্পনা কৰিছিল, যি সেই সম্ভাৱনাক বাস্তৱত মূর্ত কৰিলেহেঁতেন। অতীতৰ কৃষ্টিৰ মূল্যায়নতো তেওঁৰ এই চিন্তাধাৰা আছিল সক্রিয়। শংকৰদেৱ জনতাৰ শিল্পী—

"জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত
শিল্পী যে মই
লুকাই লুকাই আছো,
তোৰ সপোনৰ ক'ত ছবিত
ক'ত যে ফুল বাছো,
লুকাই লুকাই আছো,
তই নাজান
মই জানো
তোৰ গোপনৰ আশা,
মইহে জানো তই নজনা
তোৰ নিজৰেই ভাষা।" (শিল্পীৰ পৃথিৱী)

"শংকৰদেৱে উচ্চ সংস্কৃতিক জনতাৰ মাজলৈ নিবলৈ তেওঁৰ শক্তি প্ৰয়োগ কৰিছিল আৰু তেওঁৰ কৃতকাৰ্যতাৰ বাবেই আজি অসমীয়া জনসাধাৰণ উচ্চ সংস্কৃতিসম্পন্ন। আজিৰ দিনত মহাপুৰুষৰ এই কথাটোলৈকো আমি ভালকৈয়ে মন কৰি নতুন সংস্কৃতি গঢ়ি জনতাকো সেই সংস্কৃতি দি জনতাৰ জীৱনকো উচ্চ সাংস্কৃতিক স্তৰলৈ তুলি আনিব লাগিব। জনতাক লগত নল'লে আজিৰ সংস্কৃতি হ'বই নোৱাৰে।" (নতুনৰ পূজা)

ঔপনিবেশিক শাসনৰ লগত সংগ্ৰামৰ এটা সাংস্কৃতিক দিশো আছে। ঔপনিবেশিক সংস্কৃতিৰ অভিযানে এটা জাতিক আত্মবিস্মৃত কৰে। তাৰ মনত গঢ়ি তোলে প্রচণ্ড হীনাত্মিকা ভাব:

"বৃটিছ যুগৰ অসমত অসমীয়া স্থাপত্য বুলি একো এটা বস্তু নথকাৰ

নৰেই। বৃটিছৰ যুগত আমাৰ যিবোৰ ৰাজহুৱা ঘৰ-বাৰী হ'ল সেইবোৰ আটাইবোৰেই এলিজাবেথীয়, ভিক্টৰিয়ান যুগৰ ইংৰাজী স্থাপত্যৰ নিদৰ্শন। ভাৰতৰ কিছুমান ঠাইত বৃটিছৰ আমোলত আধুনিক ভাৰতীয় স্থাপত্য এটা গঢ়াৰ চেষ্টা চলিছিল। ইয়াত আমাৰ ভাৰতীয় শিল্পীতকৈ ইংৰাজ শিল্পীয়েহে বেছিকৈ ভাগ লৈছিল। দিল্লীৰ বৰলাটৰ ভৱনকে এইবিধ স্থাপত্যৰ ডাঙৰ নিদৰ্শন বুলিব পাৰি। কিন্তু ইয়াত ভাৰতীয় মনৰ একোটো নাই।" (অসমীয়া স্থাপত্যৰ নৱৰূপ)।

এনে এক ঔপনিবেশিক আৰ্হিৰ প্ৰতিপত্তিৰ বিপৰীতে জ্যোতিপ্ৰসাদে অসমীয়া নামঘৰ, অসমীয়া গহনা-গাঠৰি, অসমীয়া কাঁহী-বাটি, অসমীয়া-নগা-মণিপুৰী, কেঁচা বহা চানেকিবোৰৰ পৰা নতুন যুগৰ উপযোগী, স্বাধীন দেশৰ উপযোগী আৰ্হি গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে ওপৰোক্ত প্ৰবন্ধটোত। শংকৰী কৃষ্টিৰ এই প্ৰাণৱন্ত জাতীয় ৰূপ সম্পৰ্কে জ্যোতিপ্ৰসাদে বাৰে বাৰে আবেগপ্ৰৱণ ভাষাত গৌৰৱ প্ৰকাশ কৰিছে।

কিন্তু জাতীয় ৰূপটো তেওঁৰ বাবে সংকুচিত সংকীৰ্ণ আৰু শুচিবায়ুগ্ৰস্ত নহয়। তেওঁৰ ভাষাত অসমীয়া জাতি এন্ধাৰত সাঁতৰি থাকিব নোৱাৰে, "বিশ্বৰ বৰসবাহত" স্থান ল'ব লাগিব। বিশ্বসংস্কৃতিৰ "বিশ্ব বৈচিত্ৰ্যৰ" অংগ ৰূপেই অসমীয়া সংস্কৃতিয়ে গঢ় ল'ব লাগিব। সেইবাবেই সমসাময়িক বিশ্বৰ শিল্পকলাৰ মূল নীতিবোৰ আয়ত্ত কৰি নিজা জাতীয় সংস্কৃতিক তাৰ আধাৰত গঢ় দিব লাগিব। তাৰ লগত সংগতি থকা আমাৰ পুৰণি সাংস্কৃতিক সম্পদবোৰকো নতুন দৃষ্টিৰে আদৰি ল'ব লাগিব।

"মানুহ জাতিটো যেন এটা নতুন আলোকৰ যুগলৈ ওলাইছে। ই আমাক নতুন দিনলৈ আঙুলিয়াই দিছে। আজি যি বিশ্ব স্থাপত্য গঢ়ি উঠিছে এই বিশ্ব স্থাপত্যৰ মূল কথাখিনি ঠিক ৰাখি আমেৰিকানে, ইংৰাজে, জাৰ্মানে, ৰুছিয়ানে তেওঁলোকৰ নিজৰ জাতীয় স্থাপত্যৰ যি বৈশিষ্ট্য তেনে বিশ্বস্থাপত্যৰ গঢ়ত নিৰহনিপানীকৈ জীৰ্ণ যাব তেনে গঢ় সাঁচত আৰু ঠাঁচ নিজৰ জাতীয় পুৰণি স্থাপত্যৰ পৰা বাছি উলিয়াই সেই বিশ্ব স্থাপত্যত জাতীয় বিচিত্ৰতাৰ ৰহণ খুৱাইছে। (অসমীয়া স্থাপত্যৰ নৱৰূপ)

ইয়াত দেখা গৈছে বিশ্বমুখী আধুনিকতাক জাতীয় গঢ় দিয়াই জাতীয় কলা-সাধনাৰ লক্ষ্য। অৰ্থাৎ আধুনিকতাৰ নামত উন্নত পশ্চিমীয়া দেশবোৰৰ অন্ধ অনুকৰণ কৰিলে নচলিব। তাৰ ফল কি হ'ব পাৰে সেই বিষয়ে জ্যোতিপ্ৰসাদৰ মন্তব্য স্পষ্ট আৰু শীতল:

"যদি তাকে কৰিব নোৱাৰো, মহাকালৰ বৰ নাপালে আমাৰ নতুন পৃথিৱীত ঠাই নাপাম। মাত্ৰ নতুন পৃথিৱী গঢ়া নতুন মানুহৰ আমি খৰিভাৰী আৰু পানীযোগনীয়াৰ হৈ থাকিব লাগিব, ই ধ্ৰুৱ।" (অসমীয়া স্থাপত্যৰ নৱৰূপ)

কিন্তু এই জাতীয় বিকাশৰ মূৰ্ত ৰূপ কি হ'ব? ভাৰতীয় চেতনা নে অসমীয়া জাতীয় চেতনা? দেখা যায় যে নতুন ৰূপত ঔপনিবেশিকতাই আমাক গ্ৰাস কৰিব পাৰে বুলি জ্যোতিপ্ৰসাদে আশংকা কৰি জাতীয় চেতনাৰ ওপৰত শোষণ কৰাৰ প্ৰশ্ন তেতিয়া (১৯৪৭-১৯৫০ চনৰ ভিতৰত) উঠা নাছিল, সেয়ে তেনে বিৰোধৰ সম্ভাৱনাও জ্যোতিপ্ৰসাদৰ মনলৈ অহা নাছিল। কিন্তু সমাজবাদী ৰাষ্ট্ৰ আৰু অৰ্থনীতিৰ অবিহনে এনে জাতীয় নিপীড়ন বা শোষণ অনিবাৰ্য। সেই কথাটো সম্প্ৰতি আৰু স্পষ্ট হৈ পৰিছে। আজি ভাৰতত এটা বিশেষ জাতিয়ে হয়তো আনবোৰ জাতিক শোষণ কৰা নাই, কিন্তু "হিন্দী-হিন্দু" ভাৱধাৰাৰ জৰিয়তে দুৰ্বল জাতিবোৰক দমাই ৰখাৰ এক কেন্দ্ৰীভূত চেষ্টা চলা নাই বুলি ক'ব নোৱাৰি। সেয়ে কেউপিনৰ পৰা সংঘীয় বা যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ দাবী উঠিছে।

যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ দাবীটো নিশ্চয় জ্যোতিপ্ৰসাদেও মানিলেহেঁতেন। কিন্তু তাৰ পৰা যাতে দেশৰ ঐক্য বিঘ্নিত নহয়, সেই বিষয়ে তেওঁ সচেতন আছিল। "পৃথিৱীত আমি এটা জাতি হৈ নানা যুঁজবাগৰ, স্বাৰ্থৰ প্ৰচণ্ড সংঘৰ্ষৰ মাজত তিষ্ঠি থাকিবলৈ— সৰ্বভাৰতীয় ৰাজনৈতিক ঐক্য আমাৰ নহ'লে আমাৰ যে কাৰো পৰিত্ৰাণ নাই সেই কথাটো সদায় মনত ৰাখিয়েই সাংস্কৃতিক ঐক্যৰ বাটলৈ প্ৰদেশবোৰে নিজৰ বিশিষ্টতা একেবাৰে নেৰাকৈ যিমান দূৰ আহিব পাৰে তাৰ প্ৰয়োগো অৱশ্যে কৰিবই লাগিব।" (ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সংগীত সন্মিলনৰ সভাপতিৰ অভিভাষণ) কিন্তু কেৱল বাহিৰৰ হেঁচা বা ত্ৰাসতহে যে ভাৰতৰ জাতীয় ঐক্য সাধন হ'ব তেনে নহয়। "সৰ্বভাৰতীয় ক্ষেত্ৰত যি ধ্বনি উত্থিত হয় ভাৰতৰ বিভিন্ন প্ৰদেশবোৰত তাৰ মাথোন প্ৰতিধ্বনিহে হয়। বেলেগ বেলেগ প্ৰদেশবোৰৰ বেলেগ বেলেগ ভৌগলিক, প্ৰাণীতাত্ত্বিক আৰু পাৰিপাৰ্শ্বিক বিভিন্নতা থকাৰ বাবেহে সেই প্ৰতিধ্বনিবোৰৰ এটা বিভিন্নতা ওপজে।" (নতুন দিনৰ কৃষ্টি)। অৰ্থাৎ অসমীয়া জাতীয় বিকাশে ভাৰতীয় মূল ধ্বনিটো অস্বীকাৰ কৰিব খুজিলে সি তাৰ জীৱনী শক্তিকে হেৰুৱাব পাৰে। ভাববাদী ভাষাত ব্যক্ত হ'লেও আৰ্থসামাজিক দিশৰ পৰাও কথাটো যে সত্য সন্দেহ নাই।

কিন্তু নতুন, স্বাধীন ভাৰতৰ "ধ্বনি" কেনেবিধৰ হ'ব? এইখিনিতে জ্যোতিপ্ৰসাদৰ প্ৰগতিশীল গণতান্ত্ৰিক মানসিকতা আন বহু সমসাময়িক চিন্তাবিদতকৈ স্পষ্ট আৰু বলিষ্ঠ ৰূপত প্ৰতিভাত হৈছে। নতুন ভাৰতৰ "ধ্বনি", সংকীৰ্ণ, সাম্প্ৰদায়িক হ'ব নোৱাৰে:

"আজি আমি প্ৰগতিবাদী ভাৰতীয়ই অসমীয়াই থিৰ কৰিছো যে আমাৰ ৰাষ্ট্ৰ কোনো ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নালাগে, হ'ব লাগিব ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ, আমাৰ সকলো ৰাজহুৱা বা জাতীয় বস্তুও হ'ব লাগিব সেয়েই। আমাৰ

জাতীয় স্থাপত্য নিশ্চয় ধৰ্মনিৰপেক্ষ হ'বই লাগিব।" (অসমীয়া স্থাপত্যৰ নৱৰূপ) অৰ্থাৎ এক ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক সংস্কৃতিহে ভাৰত তথা অসমৰ জাতীয় জীৱনৰ উপযুক্ত সংস্কৃতি হ'ব বুলি দ্বিধাহীন ভাষাত জ্যোতিপ্ৰসাদে কৈ গৈছে। আজিৰ ভাৰতত সেই দ্বিধাহীন ভাব-ভাষা আৰু নাই। নিঃসন্দেহে জনগণতান্ত্ৰিক বিপ্লৱী শক্তিৰ দুৰ্বলতাৰ বাবেই এই অধঃপতন।

ইতিপূৰ্বেই আমি কৈছো, শিল্পবিপ্লৱ সম্পূৰ্ণ নোহোৱা পৰ্যন্ত জাতীয়তাবাদৰ এক প্ৰগতিশীল গঠনমূলক ভূমিকা থাকে। কিন্তু শিল্পবিপ্লৱ লেহেম বা বাধাগ্ৰস্ত হ'লে জাতীয়তাবাদে এক উগ্ৰ, আগ্ৰাসী ৰূপ ল'ব পাৰে। পুঁজিবাদী ভূমিকা ল'ব খোজা অথচ সেই ভূমিকা লোৱাত অনগ্ৰসৰতা আৰু ঔপনিবেশিক বাধাৰ বাবে সফল নোহোৱা মধ্যশ্ৰেণীয়ে আগ্ৰাসী বলপ্ৰয়োগৰ ৰূপ লয়। অসমতো পুঁজিবাদী আকাংক্ষা থকা অথচ অৰ্ধসামন্তবাদী শোষণত নিমজ্জিত অসমীয়া মধ্যশ্ৰেণীয়ে এনে উগ্ৰজাতীয়তাবাদৰ আশ্ৰয় ল'ব খোজে। বিভিন্ন দুৰ্বল জনজাতি, উপজাতিক দমন কৰি, বহিৰাগতক সন্ত্ৰস্ত কৰি ৰাজ্যিক ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত নিজৰ দখল বজাই ৰাখিবলৈ বিচাৰে। এনেকৈয়ে শংকৰদেৱৰ দিনৰ পৰা চলি অহা সমন্বয়ধৰ্মী, সহিষ্ণু, প্ৰগতিশীল জাতীয় চিন্তাধাৰা বৰ্জন কৰি অসমীয়া মধ্যশ্ৰেণীয়ে জাতিৰ দেহত উগ্ৰজাতীয়তাবাদৰ বিষ ঢালে। বিভিন্ন জনগোষ্ঠীৰ মাজত দেখা দিয়ে তুমুল বিক্ষোভ আৰু বিদ্ৰোহ। অসমীয়া ভাষা সাহিত্য সবল-সমৃদ্ধ নহৈ সংকীৰ্ণ আৰু নিস্তেজ হৈ পৰে।

জ্যোতিপ্ৰসাদে অসমৰ জাতীয় সমস্যাৰ জটিল, কদাকাৰ ৰূপটো দেখা নাপালে। কিন্তু তেওঁৰ শেষ বয়সত মুখা ফুটা কংগ্ৰেছী নেতাসকলেও ৰাজ্য প্ৰশাসনত থকা ক্ষমতাৰ বলত উগ্ৰজাতীয়বাদী দাম্ভিকতা প্ৰকাশ কৰা নিশ্চয় দেখিবলৈ পাইছিল। সেই পৰিৱেশতে অসমত কেইবাটাও চুটুৰিয়া উগ্ৰজাতীয়তাবাদী সংঘৰ্ষ হৈছিল। তেনে উগ্ৰজাতীয়তাবাদত সুৰসুৰণি দিছিল কেন্দ্ৰৰ নেতা এচামে। সেই পৰিস্থিতিতে জ্যোতিপ্ৰসাদে সহনশীলতা আৰু সমন্বয়ৰ আদৰ্শ দাঙি ধৰিছিল, বল প্ৰয়োগৰ বিৰুদ্ধে সতৰ্কবাণী শুনাইছিল : "এই সকলোকে অসমীয়া কৰিবলৈ হ'লে— উপায় হৈছে সামাজিক সম্বন্ধ স্থাপন, ললিত কলা, শিল্প, সাহিত্য, স্থাপত্য আৰু সঙ্গীতৰ পোহৰেৰে তেওঁলোকক আমাৰ ভাষা কৃষ্টিলৈ আকৰ্ষণ কৰি অনাটো। এই অভ্যাগতসকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন কাৰ্যকৰী উপায় নাই।" (নতুন দিনৰ কৃষ্টি)। "আজি অসমত যি যি সুকীয়া সংস্কৃতি আহি উপস্থিত হৈছেহি সেই সকলোৰে এটা সমন্বয় কৰি এটা নতুন পূৰ্বভাৰতীয় সংস্কৃতি গঢ়ি তুলিবলৈ আমাৰ নব বৰষৰ উৎসৱৰ মাৰ্জোদ চেষ্টা হ'ব লাগে।" (নতুনৰ পূজা)

সেই সময়ত বিভিন্ন কৃষ্টিক প্ৰশাসনীয় ব্যৱস্থা বা আন হেঁচাৰে বিলীন কৰি অসমীয়া জনসংখ্যা বৃদ্ধিৰ এক দায়িত্বহীন আৰু অবিবেকী কৌশল

অসমীয়া শাসক শ্ৰেণীয়ে (মধ্য শ্ৰেণীয়ে অৱলম্বন কৰিছিল। তাৰ বিৰুদ্ধে অসহায় জনজাতীয় গোষ্ঠীৰ মাজত অসন্তোষ আৰু ক্ষোভ পুঞ্জীভূত হৈছিল। জ্যোতিপ্ৰসাদে ভাবিছিল যে জনজাতীয় গোষ্ঠীবোৰ বিচ্ছিন্ন দ্বীপৰ দৰে বাচি থাকিব নোৱাৰিব— ভৱিষ্যৎ অসম এক সমন্বয়ধৰ্মী সংস্কৃতিৰ লীলাভূমি হ'ব। কিন্তু এই সমন্বয় অসমীয়া মধ্যশ্ৰেণীয়ে ওপৰৰ পৰা জাপি দিয়া সমন্বয় হ'ব নোৱাৰে। এই সমন্বয়ত জনজাতীয়সকলেও সমানে সক্ৰিয় অংশ ল'ব পাৰিব লাগিব। এই ক্ষেত্ৰতো দেখা যায় সংস্কৃতি সৃষ্টিত জনগণৰ সক্ৰিয় ভূমিকাত গুৰুত্ব দিয়া হৈছে। সেয়ে বিভিন্ন ভাষণত তেওঁ কৈছে যে সমন্বয়ৰ মানে অসমীয়া কৃষ্টি আনৰ ওপৰত জাপি দিয়া নহয়, তাৰ মাজত জনজাতীয় কৃষ্টিসমূহে নিজৰ স্বকীয়তা ৰক্ষা কৰিব পাৰিব লাগিব। আনকি তেওঁ জনজাতীয় কৃষ্টি সংৰক্ষণত অসমীয়াক আগভাগ ল'বলৈকো পৰামৰ্শ দিছে।

অসমীয়া মধ্যশ্ৰেণীয়ে সেই পৰামৰ্শ তেতিয়া নামানিলে। ন্যস্ত স্বাৰ্থৰক্ষাত নিমগ্ন হৈ শাসন ক্ষমতাৰ জৰিয়তে মহাকালৰ ৰথৰ চকৰীক ভেটা দিয়াৰ বুধি পাঙিলে। সেই মোহৰ মূল্য আজিৰ অসমীয়াই দিবলগীয়া হৈছে।

অসমীয়া মধ্যশ্ৰেণীয়ে সেই বিপজ্জনক ভ্ৰান্তিৰ পথ কিয় অনুসৰণ কৰিছিল ? কাৰণ তেওঁলোকে কোনো যুগোপযোগী "সাৰ্বভৌম প্ৰগতিবাদী আদৰ্শ" গ্ৰহণ কৰি জনতাক মুক্তি আৰু প্ৰগতিৰ উপায় দিয়া নাছিল। নিজৰ সংকীৰ্ণ শ্ৰেণীগত স্বাৰ্থকে সাৰোগত কৰিছিল। আজিও কেৱল ত্ৰিশৰ দশকৰ সংস্কৃতিৰ পুনৰুজ্জীৱনৰ মৰীচিকা খেদি নুফুৰি সুন্দৰৰ নতুন আৰ্হি সমুখত ৰাখি তাৰ পোহৰেৰে জনসাধাৰণৰ জীৱন শোষণ দমনৰ গ্লানিৰ পৰা মুক্ত কৰিব লাগিব। তেহে জাতীয় বিকাশ সম্ভৱ হ'ব।

(নতুন দৈনিক ১৭ জানুৱাৰী, ১৯৯২)

# শংকৰাচাৰ্য্য আৰু শংকৰদেৱ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য আৰু এইবাৰৰ গুৱাহাটীৰ কেন্দ্ৰীয় শংকৰ জন্মোৎসৱ অনুষ্ঠানৰ সভাপতি শ্ৰদ্ধেয় জিতেন্দ্ৰনাথ দাস ডাঙৰীয়াই ১৭ আহিন (৪ অক্টোবৰ) তাৰিখে "আজিৰ বাতৰি"ত প্ৰকাশিত এটা প্ৰবন্ধত মতপ্ৰকাশ কৰিছে যে "শ্ৰীমন্ত শংকৰে ভগৱানৰ যি ধাৰণা কৰিছিল, সেই ধাৰণা ৰামাণুজাচাৰ্যৰ লগতহে বেছিকৈ মিলে।" কাৰণ এয়ে যে (১) "অসংখ্য পদ-কীৰ্ত্তন-বৰগীতত তেখেতে জগদীশ্বৰৰ লগতে জগত আৰু জীৱকো বাস্তৱ বুলি বৰ্ণাইছেঁ", আৰু (২) "তেখেতৰ ভজনীয় দেৱতা করুণা ভগৱানৰ ধাৰণা শংকৰাচাৰ্য্যৰ নিগুৰ্ণ, নিষ্কৰ্ম, চৰম অদ্বৈত ব্ৰহ্মৰ ধাৰণাৰ লগত খাপ নাখায়।"

এই ধাৰণাটো তেখেতে প্ৰাঞ্জল ভাষা আৰু পৰিষ্কাৰ যুক্তিৰে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে। আমাৰ কিন্তু মনৰ সন্দেহ মাৰ নগ'ল। "ভাগৱত পুৰাণ"ৰ দৰ্শন যে ৰামানুজৰ দৰ্শনৰ প্ৰতিধ্বনি, প্ৰমাণ কৰা বৰ কঠিন। কাৰণ পিছত দিছোঁ। এনে ধাৰণা কৰাহে বোধহয় সমীচিন হ'ব যে ভাৰতীয় চিন্তাৰ অন্যতম ধৰ্ম সমন্বয় ভাগৱত পুৰাণৰ দৰ্শনতো পৰিস্ফুট হৈছে। শংকৰাচাৰ্য্যৰ অদ্বৈতবাদৰ লগত ৰামানুজৰ চিন্তাৰ কিছু সান-মিহলি ঘটি ভাগৱত পুৰাণৰ পৰমতত্ত্বৰ উৎপত্তি হৈছে। এনে ঘটনা সম্ভৱনে? ভাৰতীয় দৰ্শনৰ ইতিহাসত এনে ঘটনা আচললতে সুলভ। বিশেষকৈ ভাগৱত পুৰাণ যেহেতু কাব্যৰূপী শাস্ত্ৰ, তাত এনে ঘটনা অপ্ৰত্যাশিত নহয়।

সেই কথা বাদ দিলেও ভাগৱত পুৰাণৰ তাত্ত্বিক মতবোৰৰ ব্যাখ্যা সিমান পোনপটীয়া হ'ব নোৱাৰে। তাৰ অদ্বৈতবাদী, বিশিষ্টাদ্বৈতবাদী আৰু দ্বৈতবাদী ব্যাখ্যা তথা ভাষা ৰচিত হৈছে। শংকৰদেৱে ব্যৱহাৰ কৰা ভাষা হৈছে অদ্বৈতবাদী শ্ৰীধৰ স্বামীৰ দ্বাৰা ৰচিত। আনকি তেওঁ শ্ৰদ্ধা কৰা "ভক্তিৰত্নাৱলী" হৈছে অদ্বৈতবাদী সন্যাসী বিষ্ণুপুৰীয়ে ভাগৱত পুৰাণৰ শ্লোক সংগ্ৰহ কৰি সংকলিত কৰা পুথি। এনে ধৰণৰ অদ্বৈতবাদী ভক্ত আৰু আছে।

ভাৰতীয় দৰ্শনৰ পণ্ডিত ঐতিহাসিক সুৰেন্দ্ৰনাথ দাশগুপ্তই তেখেতৰ A history of Indian Philosophy ৰ ২য় খণ্ডত (Cambridge University Press. 1932) উল্লেখ কৰিছে যে ষোড়শ শতাব্দীৰ বিদগ্ধ অদ্বৈতবাদী পণ্ডিত

মধুসূদন সৰস্বতী অদ্বৈত মতত দৃঢ় হৈও ভক্তিমাৰ্গৰ অনুগামী আছিল উপাসনাৰ ক্ষেত্ৰত। তেওঁৰ ভক্তি ৰসায়ন, গীতা নিবন্ধন প্ৰভৃতি গ্ৰন্থই ভক্তিবাদহে প্ৰচাৰ কৰিছে। (op. cit. p 226)। তেনেকৈ আন এজন অদ্বৈতবাদী তান্ত্ৰিক আপ্পায়া দীক্ষিতৰ জয়োল্লাসনিধি ভাগৱতৰ টীকা। (op. cit. p 220)। সেয়ে শংকৰদেৱৰ চিন্তাত অদ্বৈতবাদৰ সাঁচ থকাটো একো অসম্ভৱ নহয়।

শংকৰদেৱৰ ধৰ্মমতৰ দাৰ্শনিক ভিত্তি কি, সেই বিষয়ে সম্প্ৰতি যথেষ্ট বাদানুবাদ হৈছে। আধুনিক অসমত শংকৰদেৱৰ দৰ্শন সম্পৰ্কে বিতৰ্ক ছেগাচোৰোকাকৈ বেজবৰুৱাৰ জীৱন কালতে আৰম্ভ হয়। বেজবৰুৱাই বিশেষ মূল্য দিয়া কলকলাল বৰুৱাৰ প্ৰবন্ধত কোৱা হৈছিল যে শংকৰ-মাধৱৰ দাৰ্শনিক মতামত ঘাইকৈ বিশিষ্টা দ্বৈতবাদী হলেও তাৰ ওপৰত শংকৰাচাৰ্য্যৰ প্ৰভাৱ নথকা নহয়। পিছলৈ বেজবৰুৱা আৰু বাণীকান্ত কাকতিয়ে শংকৰদেৱৰ দাৰ্শনিক মাৰ্গ ৰামাণুজৰ অনুসৰণত বিশিষ্ট্যদ্বৈতবাদী বুলি প্ৰতিষ্ঠা কৰিবলৈ উঠিপৰি লাগি যায়। হৰমোহন দাসেও সেই মতবাদ সমৰ্থন কৰিছিল। আনহাতে কালিৰাম মেধি, ডিম্বেশ্বৰ নেওগ প্ৰভৃতি কৃতবিদ্য পণ্ডিতে শংকৰদেৱৰ দৰ্শন শংকৰাচাৰ্য্যৰ অদ্বৈতবাদৰ অনুগামী বুলি দৃঢ়মত পোষণ কৰে। (কোনো কোনো অন্তৰ্যামী লোকে ক'ব খোজে যে এখেতসকলৰ প্ৰকাশ্য আৰু লিখিত মতামত যিয়েই নহওক, 'আচল' মতটো তাৰ ওলোটা আছিল। কিন্তু কলিযুগত এনে অন্তৰ্যামিতাক আমি প্ৰবঞ্চনা বুলিয়েই গণ্য কৰোঁ।)

পৰৱৰ্ত্তী যুগত ড° মহেশ্বৰ নেওগ আৰু ড° সত্যেন্দ্ৰনাথৰ শৰ্মা, এই দুয়োগৰাকী বিদ্বান আৰু বিচক্ষণ পণ্ডিতে সিদ্ধান্ত কৰে যে শংকৰদেৱৰ দাৰ্শনিক মত শংকৰাচাৰ্যৰহে অনুৱৰ্ত্তী। আমিও আমাৰ সামান্য বিদ্যাবুদ্ধিৰে তেখেতসকলৰ সিদ্ধান্তকে গ্ৰহণ কৰিছিলোঁ। কিন্তু সম্প্ৰতি তাৰ বিৰুদ্ধে এটা প্ৰতিবাদ সোচ্চাৰ হৈছে। এজন লোকে য'তে ত'তে বাৰে বাৰে কুতৰ্ক অৱতাৰণা কৰি প্ৰমাণ কৰিবলৈ বিচাৰি আছে যে বাণী কাকতিয়েই এই ক্ষেত্ৰত প্ৰকৃত সত্য উদঘাটন কৰিছিল। ড° নেওগৰ বাণী কাকতিৰ প্ৰতি অনাস্থা বা অশ্ৰদ্ধা থকাৰ প্ৰশ্নই নুঠে। কিন্তু তেখেতেও নিশ্চয় ড° কাকতিৰ মত শুদ্ধ বুলি মানি ল'ব পৰা নাই। সেয়ে ড° কাকতিৰ মতৰ লগত অমিল হোৱা বাবেই আমাৰ ধাৰণা ভ্ৰান্ত বুলি মানি ল'বলৈ আমি অপাৰগ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° অনিমা দত্তয়ো বিস্তৰ যুক্তি-তথ্য সহ এই ধাৰণাৰ বিৰোধিতা কৰিছে। তথাপি নুমাই অহা খৰিৰ জুইৰ পৰাও দুই এটা ফট্‌ফটকৈ আৱাজ হোৱাৰ দৰে এই মতৰ সমৰ্থনত দুই এটা প্ৰবন্ধপাতি ওলাই আছে।

পূৰ্বোক্ত অন্তৰ্যামী পণ্ডিত গৰাকীৰ অন্তহীন প্ৰগল্‌ভতাৰ উত্তৰত

আমি আমাৰ শেষ বক্তব্য ইতিমধ্যে প্ৰকাশ কৰিছোঁ। তাৰ পিছত তেখেতে কৰা বিচিত্ৰ তাণ্ডৱনৃত্যৰ সমুখত আমি নীৰৱতাকে অৱলম্বন কৰি আছোঁ। কিন্তু অলপতে দেখিছোঁ শ্ৰীযুত জিতেন্দ্ৰনাথ দাসৰ দৰে আৰু দুই এজনে এই ধৰণৰ কথা ক'বলৈ আৰম্ভ কৰিছে। উদাহৰণ স্বৰূপে গুৱাহাটী ফটাশিলৰ 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন সমিতি'ৰ ১৯৯২ চনৰ স্মৃতিগ্ৰন্থত টিহু এছ, ডি কলেজৰ অধ্যক্ষ প্ৰসন্ন কুমাৰ ডেকাদেৱে এটা প্ৰবন্ধ লিখিছে। তাতো শংকৰদেৱক বিশিষ্টাদ্বৈতবাদী বুলি যুক্তি দৰ্শোৱা হৈছে। তেখেতে লিখিছে: 'শংকৰদেৱ ভক্ত। ভক্তই জীৱ ঈশ্বৰৰ ভেদ স্বীকাৰ কৰিবই লাগিব; নহলে জীৱই ঈশ্বৰক ভক্তি কৰিবই বা কিয়? কেনেকৈ? শংকৰদেৱেও এই ভেদ স্বীকাৰ কৰে...' (পৃঃ ৬)

তাৰ পিছত তেখেতে কৈছে: 'তথাপিও এওঁ (শংকৰদেৱ) দ্বৈতবাদী নহয়। এওঁৰ মতে ব্ৰহ্মময় হলেও জীৱ ব্ৰহ্মতকৈ বেলেগ, বিশিষ্ট; বিচাৰতহে ব্ৰহ্ম, বিকাৰত ভিন্ন। সোণ আৰু সোণৰ অলংকাৰ স্বৰূপাৰ্থত একে; কিন্তু বিকাৰত ভিন্ন— বিভিন্ন ৰূপৰ বিভিন্ন নামৰ অলংকাৰবোৰ সোণৰেই বিকৃত ৰূপ মাথোন!' (ঐ)

তেনেদৰে জগৎখনো ডেকা ডাঙৰীয়াৰ মতে আচলতে অসত্য নহয়।

'শংকৰ'দেৱৰ মতে জগৎ মিথ্যা নহয়, জীৱো মিথ্যা নহয়; কিন্তু এই কথা জানিলেই নহয়, জানিবলৈ ভগৱানক ভজনা কৰিব লাগিব:

'তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে
জগত ইটো অসন্ত।
জগতত সদা তুমিও প্ৰকাশা
অন্তৰ্যামী ভগৱন্ত॥
এতেকেসে জ্ঞানী গণে অৱশেষে
জগতকে বোলে হৰি।
আৱে জগজীৱ তোমাৰ চৰণ
ভজো হৃদয়ত ধৰি। (কীৰ্ত্তন ঘোষা)

জগৎ অসন্ত (মিছা) বুলি ধৰিলেও অন্তৰ্যামী ভগৱন্তৰে প্ৰকাশ স্বৰূপে ই মিছা নহয়; বৰং ইও হৰিৰে স্বৰূপ। এইখিনিতে পৰিণামবাদী দৰ্শনৰ লগত শংকৰদেৱৰ পাৰ্থক্য যেন লাগে।' (ঐ)

ডেকাদেৱৰ কথাখিনি শংকৰাচাৰ্য্যৰ বিষয়ে সবিশেষ অধ্যয়ন নকৰাকৈ কোৱা হৈছে যেন লাগে। প্ৰকৃততে ৰামাণুজ বা শংকৰাচাৰ্য্য এজনেও ব্ৰহ্ম আৰু জগৎ প্ৰপঞ্চৰ সম্পৰ্কৰ বিষয়ে পৰিণামবাদী ধাৰণা আশ্ৰয় নকৰাকৈ থকা নাই। ৰামাণুজে স্পষ্টকৈ কাৰ্য্য-কাৰণ এনে সত্তাৰে বিবিধ

বা ভিন্ন ৰূপ বুলি কৈছে। শংকৰাচাৰ্য্যয়ো সগুণ ব্ৰহ্ম আৰু জগতৰ সম্পৰ্কত এনে ধাৰণা অৱলম্বন কৰিছে। (S. Radhakrishnan, Indian Philoscphy, Oxford University Press, 1989, Vol II p p 548-50. 552) অৱশ্যে নিৰ্গুণ ব্ৰহ্ম সম্পৰ্কে তেওঁৰ মত কিছু বেলেগ। তাত তেওঁ বিৱৰ্ত্তবাদৰ আশ্ৰয় লৈছে— অৰ্থাৎ ব্ৰহ্ম আৰু জগতৰ গুণ বা চৰিত্ৰ পৃথক বুলি কৈছে। এই ক্ষেত্ৰতো কিন্তু দেখা যায় যে মায়াময় জগতক বহুল অৰ্থত ব্ৰহ্মৰ 'অৱস্থান্তৰ' বুলিবলৈ তেওঁ দ্বিধাবোধ কৰা নাই। (Radhakrishnan, Op cit p 551, p 556)। ব্ৰহ্ম অবিহনে মায়াৰ অস্তিত্ব নাই।

আনহাতে শংকৰাচাৰ্য্যৰ দৰ্শনত মানুহৰ বোধ আৰু আৰাধনাৰ বাবে সগুণ ব্ৰহ্মৰ ধাৰণাৰ এক বিশেষ গুৰুত্ব আছে। এই সগুণ ব্ৰহ্মৰ ধাৰণাটো অলীক নহয়, তাৰ এক আপেক্ষিক সত্যতা আছে। (Op cit p 572) 'সগুণ ব্ৰহ্ম'ৰ সম্পৰ্কে শংকৰাচাৰ্য্যৰ ধাৰণা ৰামানুজৰ ঈশ্বৰ সম্পৰ্কে ধাৰণাৰ লগত বহুলাংশে মিলে। ভক্তি আৰু ভক্তৰ বাবে এই সগুণ ব্ৰহ্মৰহে প্ৰয়োজন। গতিকে এই বিশেষ বিষয়ওঁ শংকৰদেৱক শংকৰাচাৰ্য্যৰ বিৰোধী বুলিব নোৱাৰি।

শংকৰদেৱে আৰু শ্ৰীমদ্ভাগৱতে এই ক্ষেত্ৰত দুটা উপমা বাৰে বাৰে ব্যৱহাৰ কৰিছে— সুৱৰ্ণ আৰু কুণ্ডল, ৰছি আৰু সাপ।

মুকুট কুণ্ডল যেন সুৱৰ্ণৰ ভিন্ন নুহি
মিছা মাত্ৰ নাম-ৰূপ যত।
অহংকাৰ পঞ্চভূত তোমাত পৃথক নোহে
প্ৰভু পৰমাৰ্থ বিচাৰত॥ (বেদস্তুতি)

* * *

তুমিসে সত্যতে সত্য যেন মনে
প্ৰকাশে মিছা সংসাৰ।
মালাতে সৰ্পৰ ভ্ৰম যেন মিলৈ
নকৰে যাৰে বিচাৰ॥ (দশম স্কন্ধ, ভাগৱত)

প্ৰথম উপমাৰ তৎপৰ্য্য এয়ে যে কুণ্ডল আদি বস্তুৰ বিভিন্ন নামৰূপ প্ৰকৃততে অলীক। পাৰমাৰ্থিক অৰ্থত আচল সত্য সুৱৰ্ণহে। শংকৰাচাৰ্য্যয়ো এই উপমা ব্যৱহাৰ কৰিছে দ্বৈতবাদী সাংখ্যৰ বিৰোধিতা কৰি। (S. Radhakrishnan, Op cit p 548) দ্বিতীয় উপমায়ো স্পষ্টকৈ ইংগিত দিছে যে সৃষ্টিত প্ৰকাশ পোৱা জগৎ প্ৰপঞ্চৰ ভিন্নতা চূড়ান্ত সত্য নহয়— শেষ সত্য ব্ৰহ্মৰ লগত তাৰ অভেদ। ইচ্ছা কৰা হ'লে ইয়াতেই ব্ৰহ্মৰ অংশ বা গুণ হিচাপে জীৱসমূহ বা জগতৰ ব্ৰহ্মৰ পৰা পৃথকতা সম্পৰ্কে ভাগৱতত স্পষ্টকৈ ক'ব পাৰিলেহেঁতেন। বিশেষকৈ দ্বিতীয় উপমাত জগৎ প্ৰপঞ্চৰ অলীকতা সম্পৰ্কে সুস্পষ্ট ইংগিত আছে।

আনহাতে সুবৰ্ণ-কুণ্ডলৰ উপমাৰ মাজত জীৱ আৰু জগতৰ সুকীয়া অস্তিত্বৰ (ব্ৰহ্মৰ অংশ বা গুণ হিচাপে হ'লেও) কোনো ইংগিত পোৱা নাযায়। সেয়ে জীৱ আৰু জগৎ মায়াৰ সৃষ্টি, ভগৱানৰ বিকাৰ নহয়। অৱশ্যে তাৰ মাজতো ভগৱানৰ উপস্থিতি বা প্ৰভাৱ আছে। এনে কথা শংকৰাচাৰ্য্যই নোকোৱাকৈ থকা নাই। (Radhakrishnan, op cit pp 546-547)

শ্ৰীযুত ডেকাৰ মতে এইহাতে জগৎখন অসত্ত্ব হলেও 'অন্তৰ্যামী ভগৱন্তৰ প্ৰকাশ স্বৰূপে ই মিছা নহয়; ইও হবিবে স্বৰূপ'। এই ক্ষেত্ৰত শিথিল ব্যাখ্যাৰ পৰা বিপদ হ'ব পাৰে। উদ্ধৃত পদফাকিত প্ৰথমে কোৱা হৈছে যে অসত্ত্ব (মিছা) জগৎখন সত্য ব্ৰহ্মাতে প্ৰকাশি আছে। ইয়াত জগৎখনক 'অসত্ত্ব' বুলি কিয় কোৱা হ'ল?

# শংকৰাচাৰ্য্য আৰু শংকৰদেৱ (২)

পাৰমাৰ্থিক দৃষ্টিকোণৰ পৰা ব্ৰহ্ম একমাত্ৰ আৰু অদ্বৈত সত্য, ফলত জগৎ প্ৰপঞ্চ অসত্য বা অসত্ত্ব। কিন্তু ব্যৱহাৰিক দৃষ্টিত সগুণ ব্ৰহ্ম বা ঈশ্বৰ হৈছে জগতৰ জনক। মায়াৰ সহায়েৰে তেওঁ এই জগৎ প্ৰপঞ্চ সৃষ্টি কৰে। এই জগৎ প্ৰপঞ্চ এপিনৰ পৰা ব্ৰহ্মৰেই প্ৰকাশ, কিন্তু সি ব্ৰহ্ম নহয়। (Radhakrishnan op cit. pp 565-574) ৰজ্জুত সৰ্পভ্ৰম হোৱাৰ দৰে ব্ৰহ্মক মায়াৰ বাবে জগৎপ্ৰপঞ্চ বুলি বোধ হয়। কিন্তু ব্ৰহ্মজ্ঞান সিদ্ধ হ'লে জগৎপ্ৰপঞ্চৰ অস্তিত্বও লোপ পায়। (p. 575)

কিন্তু হৰিক যে কীৰ্তন ঘোষাত "জগজীৱ" বুলি ভজনা কৰা হৈছে সি জানো শংকৰাচাৰ্য্যৰ ধাৰণা? ৰামাণুজৰ মতে জীৱ সমূহ ব্ৰহ্মৰ অংশ আৰু ব্ৰহ্মৰ লগত অভিন্ন। (Radhakrishnan, p 692) জীৱ সমূহে নিজৰ এই স্বৰূপ পাহৰি নিজকে জড় প্ৰকৃতিৰ সৃষ্টি বুলি ভবাটোৱেই অবিদ্যা। (op. cit p 682, p 684, p 702-3) জগতো জীৱৰ দৰেই ব্ৰহ্মৰ অংশ। (I bid) কিন্তু শংকৰাচাৰ্য্যৰ ব্ৰহ্মৰ কোনো অংশ নাই, বা বিশুদ্ধ চৈতন্যৰূপ সত্তাৰ বাহিৰে জীৱ বা জগৎ আদি প্ৰকাৰত তাৰ আন কোনো অস্তিত্ব থাকিব নোৱাৰে।

পাৰমাৰ্থিক অৰ্থত সি সত্য হ'লেও ব্যৱহাৰিক অৰ্থত শংকৰাচাৰ্য্যই যি ঈশ্বৰ বা সগুণ ব্ৰহ্মৰ কথা কৈছে সি হ'ল মায়াৰ দৃষ্টিত দেখা ব্ৰহ্ম। সগুণ অৱস্থাত ব্ৰহ্ম বা ঈশ্বৰ ৰামাণুজৰ ব্ৰহ্মৰ দৰেই। সকলো জীৱ আৰু বস্তুৰ মাজত 'অন্তৰ্যামী' ৰূপে এই ব্ৰহ্মই অৱস্থান কৰে। (Radhakrishnan, op cit. pp 545-546 শংকৰাচাৰ্য্য, শাৰীৰক ভাষ্য ১/১/২০, ১/১/২২; ১/১/৩৯) জীৱসমূহ আৰু জগৎ সৃষ্টিৰ অন্তত প্ৰলয় কালত ঈশ্বৰৰ মাজলৈ ঘূৰি আহে, সোণৰ অলংকাৰ পুনৰ সোণ হৈ পৰাৰ দৰে। (Radhakrishnan, op cit p. 548, শাৰীৰক ভাষ্য, ২/১/৯) জগৎ প্ৰপঞ্চও ঈশ্বৰৰ প্ৰভাৱত আৰু প্ৰেৰণাত অনুপ্ৰাণিত। (Op cit p 551) আনকি ৰামাণুজে ধাৰণা কৰাৰ দৰে জীৱ সমূহ ঈশ্বৰৰ অংশ— ঈশ্বৰৰ সৈতে এক হৈও পৃথক।

(Op. cit p 554) গতিকে ঈশ্বৰৰ এইবোৰ ধৰ্ম শংকৰদেৱে ৰামাণুজৰ পৰা যেনেকৈ আহৰণ কৰিব পাৰে তেনেকৈ শংকৰাচাৰ্য্যৰ পৰাও কৰিব পাৰে। আনকি যি লীলাবাদ ভাগৱত পুৰাণৰ লাইখুটা, সি ৰামাণুজৰ দৰে শংকৰাচাৰ্য্যৰ সগুণ ব্ৰহ্মৰ ধাৰণাতো সুলভ। (Op. cit p 550)

"ভাগৱত পুৰাণ" সম্পৰ্কে ৰামাণুজ নীৰৱ। তেওঁৰ অন্যতম প্ৰধান আশ্ৰয় "বিষ্ণু পুৰাণ'হে। শংকৰ-মাধৱৰ ধৰ্মদৰ্শনৰ প্ৰধান ভিত্তি হৈছে "পুৰাণ সূৰ্য্য" ভাগৱত পুৰাণ। আৰু তেওঁলোকে অদ্বৈতবাদী শ্ৰীধৰস্বামীয়ে কৰা ভাগৱতৰ ভাষ্যৰ ওপৰত (যাৰ নাম হৈছে "ভাগৱত ভাৱাৰ্থ দীপিকা") নিৰ্ভৰ কৰা কথাটো সকলোৰে বিদিত।

শ্ৰীধৰ স্বামীৰ ভাষ্য সম্পৰ্কে ভাৰতীয় দৰ্শনৰ বিশ্ববিশ্ৰুত পণ্ডিত ঐতিহাসিক সুৰেন্দ্ৰনাথ দাশগুপ্তৰ বিৱৰণ সকলোৰে গ্ৰহণযোগ্য হ'ব। ব্ৰহ্ম আৰু জগৎ প্ৰপঞ্চ সম্পৰ্কে শ্ৰীধৰস্বামীয়ে আগবঢ়োৱা ভাগৱতৰ ব্যাখ্যাৰ সাৰাংশ দাশগুপ্তই এনেদৰে চমুকৈ লিখিছে:

"The essential definitive nature of God is said to be truth. Truth is used here in the sense of reality; and it is held that by virtue of this supreme reality even the false creation appears as real, and that on account of this abiding reality the entire world of appearance attains character of reality. Just as illusory appearances. (e.g. silver) appear as real through partaking of the real character of the real object (e.g. the conch-shell) or the substratum of the illusion, so in this would-appearance all appears as real on account of the underlying reality of God. The fact that the world is produced from God, is sustained in Him and is ultimately dissolved in Him, is but an inessential description of an accidential phenomenon which does not reveal the real nature of God" (S.N. Dasgupta, *A History of Indian philosophy,* Vol, IV, pp 11-12)

(ঈশ্বৰৰ যথাৰ্থ স্বৰূপক সত্য বুলি কোৱা হৈছে। ইয়াত সত্যৰ অৰ্থ বাস্তৱতা বা প্ৰকৃত অস্তিত্ব। এই পৰম বাস্তৱতাৰ গুণত অলীক সংসাৰো বাস্তৱ বা সৎ যেন লাগে আৰু এই নিত্য বাস্তৱ সত্যৰ বলত মায়াময় জগৎ খনেও বাস্তৱতা বা সত্যৰ চৰিত্ৰ অৰ্জন কৰে। যেনেকৈ শংখ আদি প্ৰকৃত বস্তুৰ প্ৰকৃত গুণৰ অংশীদাৰ হৈ ৰূপ আদি অলীক পদাৰ্থও বাস্তৱৰূপত প্ৰতিভাত হয়, তেনেকৈ ভিত্তি হিচাপে ঈশ্বৰৰ বাস্তৱতা থকাত জগৎ প্ৰপঞ্চও

সত্যৰূপে প্ৰতিভাত হয়। জগৎ যে ঈশ্বৰৰ পৰা উদ্ভূত, ঈশ্বৰৰ দ্বাৰা পালিত, আৰু ঈশ্বৰৰ দ্বাৰা বিনাশ হয়— সেইটো হৈছে ঈশ্বৰ (ব্ৰহ্মৰ) স্বৰূপ প্ৰকাশ নকৰা এক অপ্ৰাসংগিক ঘটনাৰ এক উপকৰা বিৱৰণ।)

শ্ৰীধৰস্বামীৰ এই ব্যাখ্যাত প্ৰথমতে সৃষ্টি তথা জগৎ প্ৰপঞ্চক অলীক বুলি কোৱা হৈছে। কিন্তু সিও যেহেতু ঈশ্বৰ তথা ব্ৰহ্মক আশ্ৰয় কৰিছে, সেয়ে সি সত্যৰূপেই প্ৰতিভাত হৈছে। তাকেই আমাৰ মহাপুৰুষে এনেদৰে অসমীয়াত প্ৰকাশ কৰিছে:

অসন্ত জগতখন তোমাত উদ্ভৱ ভৈল
সন্তহেন প্ৰকাশে সদায়।
কৰ্ম-জড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায়॥ (বেদস্তুতি)

ৰামাণুজৰ সৎকাৰ্য্যবাদী বিচাৰমতে জগৎপ্ৰপঞ্চ এনে অলীক আৰু মায়াময় নহয়। সি ব্ৰহ্মৰেই পৰিণাম বা ৰূপান্তৰ। (S Radhakrishnan, Indian philosophy 1989, vol, II, p 678, p 693)

'ৰামাণুজৰ মতে জীৱ আৰু জগৎ অসত্য নহয়, বৰং ভগৱানৰ অংশৰূপে সিহঁতৰ স্বতন্ত্ৰ অস্তিত্ব আছে। ভাগৱতৰ কোনো কোনো উক্তি এনে মতৰ সমৰ্থন বুলি ভুল হ'ব পাৰে। কিন্তু শংকৰদেৱে অনুসৰণ কৰা শ্ৰীধৰস্বামীয়ে ঈশ্বৰৰ অংশ থকা কথাটো সম্পূৰ্ণ অস্বীকাৰ কৰিছে। মায়াৰ অধীন হৈ থকা পৰ্য্যন্ত জীৱসকলে ঈশ্বৰৰ পৰা নিজকে ভিন্ন বুলি ভাবে। জীৱসকলৰ সৃষ্টি কৰে ঈশ্বৰৰ শক্তি মায়াই— মহাপুৰুষে যাৰ নাম দিছে "বিষ্ণু মায়া"। কিন্তু ঈশ্বৰ স্বয়ং এক, অদ্বিতীয় আৰু অদ্বৈত।

শ্ৰীধৰস্বামীৰ ভাষ্যৰ সাৰাংশত দাশগুপ্তই লিখিছে:

"God in His own nature as pure consciusness transcends the units of maya and prakrti and exists in and for Himself in absolute loneliness. That God in His own true nature is pure consciousness and absolutely devoid of all duality and all distinctions is emphasized again and again in numerous passages in the Bhagavata (op cit. pp 12-13)

ঈশ্বৰে বিশুদ্ধ চৈতন্য ৰূপ নিজ স্বভাৱগুণত মায়া আৰু প্ৰকৃতিৰ সীমাসমূহ অতিক্ৰম কৰে আৰু নিজতে নিজৰ বাবে পৰম নিঃসংগতাত অৱস্থান কৰে.... ঈশ্বৰ যে তেওঁৰ স্বকীয় প্ৰকৃত স্বৰূপত বিশুদ্ধ চৈতন্য আৰু সকলো ধৰণৰ ভেদ আৰু বিভাজনৰ পৰা মুক্ত, কথাটো ভাগৱতৰ বহু শ্লোকত বাৰে বাৰে কোৱা হৈছে।"

অৱশ্যে ভাগৱতত প্ৰকাশিত জীৱৰ লগত ঈশ্বৰৰ সম্পৰ্কে ব্যাখ্যা কৰিবলৈ

গৈ শ্ৰীধৰস্বামীৰ পৰা আঁতৰি সুৰেন্দ্ৰনাথ দাশগুপ্তই ৰামাণুজ প্ৰভৃতি বিশিষ্টা দ্বৈতবাদী, আৰু মাধব, শ্ৰী জীৱ গোস্বামী প্ৰভৃতি দ্বৈতবাদীৰ পিনে হালিছে। তেওঁ জীৱ সমূহ আৰু জগতক ঈশ্বৰৰ অংশ আৰু ঈশ্বৰৰ শক্তিৰ প্ৰকাশ বুলি কৈছে। (op. cit. pp 12-16)। তথাপি এই ব্যাখ্যাতো ৰামাণুজৰ ব্যাখ্যাৰ লগত এক গুৰুতৰ অমিল বিদ্যমান। ভাগৱতত ক'তো জীৱ আৰু জগতক "ঈশ্বৰৰ শৰীৰ" বুলি কোৱা হোৱা নাই। ভাগৱতত থকা "ঈশ্বৰৰ অখণ্ড সত্তাৰ ধাৰণাত ঈশ্বৰৰ শক্তিৰ ধাৰণাও যুক্ত হৈছে। জীৱ আৰু জগৎ ঈশ্বৰৰ শক্তিৰ প্ৰকাশ বুলিলে ভুল নহ'ব। কিন্তু দাশগুপ্তই জোৰেৰে কোৱা দৰে জীৱ আৰু জগৎ পৰম সত্তাৰ অবিচ্ছেদ্য অংগ নহয়। (op. cit p 14) দশম স্কন্ধ ভাগৱতৰ ৮৭তম অধ্যায়ত অতি স্পষ্ট ভাষাত ৰামাণুজৰ দৰে বিশিষ্টা দ্বৈতবাদী ধাৰণাক নস্যাৎ কৰি দিয়া হৈছে:

"হে নিত্য, যদি জীৱসমূহ প্ৰকৃত পক্ষে অনন্ত, আৰু সেই জীৱস্বৰূপ নিত্য, তেনেহ'লে জীৱসমূহ আপোনাৰ সমান হ'ব লাগিব। তেনেস্থলত আপোনাৰ লগত তেওঁলোকৰ শাসক-শাসিত সম্পৰ্ক হ'ব নোৱাৰে আৰু আপুনিও তেওঁলোকৰ নিয়ন্তা হ'ব নোৱাৰে। কিন্তু এনে অৱস্থা নহ'লে আপুনিয়েই নিয়ন্তা হ'ব পাৰে। কাৰণ য'ৰ পৰা জীৱৰ জন্ম, তেৱেঁই জীৱৰ অপৰিহাৰ্য কাৰণ, তেৱেঁই জীৱৰ নিয়ন্তা।" (২৭-২৯ শ্লোক)

* * *

'হে পৰম, নানা গছৰ ফুলৰ ৰস যেনেকৈ মৌজোলত মিহলি হৈ গ'লে সিহঁতৰ সুকীয়া অস্তিত্ব আৰু নাথাকে, সুষুপ্তি আৰু প্ৰলয়কালত আপোনাৰ মাজত জীৱৰ যি লয়প্ৰাপ্তি ঘটে, সেই ক্ষেত্ৰতো তেনেকৈ বিবিধ নাম আৰু গুণ লয় হৈ তাৰ স্বকীয়তা নাথাকে। আৰু আত্মজ্ঞান হ'লে আপোনাৰ মাজত জীৱনৰ যি লয় হয়, সি সমুদ্ৰত নদীৰ মিলনৰ দৰে।" (৩১-৩৩ শ্লোক)

* * *

নামমাত্ৰতহে ঘট-কুণ্ডল প্ৰভৃতিৰ সত্তা। জগতৰ সত্তাও নামতহে মাত্ৰ। মনৰ মাজত কল্পিত অসত্য এই বিশ্বক যিসকলে সত্য বুলি ভাবে তেওঁলোকক মূঢ় বুলি ক'বই লাগিব।" (দশম স্কন্ধ, ভাগৱতৰ ৮৭তম অধ্যায়ৰ পৰা)

আকৌ তৃতীয় স্কন্ধৰ ৩২শ অধ্যায়ত এনে তত্ত্বৰ logical পূৰ্বচৰ্ত্ত সমূহ সংক্ষেপে প্ৰকাশ কৰা হৈছে। এই পূৰ্বচৰ্ত্ত অনুযায়ী জগতৰ নিত্য সত্তা নাই:" জ্ঞানস্বৰূপ ভগৱান হৈছে পৰমব্ৰহ্ম। তেৱেঁই পৰমাত্মা, পৰমেশ্বৰ প্ৰভৃতি নামেৰে লোক সমাজত জনাজাত। দ্ৰষ্টা-দৃশ্যৰূপে পৃথক হ'লেও জ্ঞানৰূপে তেওঁ এক আৰু অদ্বিতীয়.... জগৎ প্ৰপঞ্চৰ চেতনা এক ভ্ৰান্তি। নিৰ্গুণ

ব্ৰহ্ম জ্ঞান স্বৰূপ, কিন্তু বহিৰ্মুখী ইন্দ্ৰিয়বোৰে তেওঁক শব্দাদি ধৰ্মবিশিষ্ট বস্তুৰূপে প্ৰকাশ কৰে— সেইটো এক ভ্ৰম। প্ৰকৃতপক্ষে সংসাৰত পৃথকত্ব বুলি একোৱেই নাই।" (২০-৩০ শ্লোক)

অৰ্থাৎ ভাগৱতপুৰাণ যেহেতু ভক্তিমাৰ্গৰ শাস্ত্ৰ, তাত ঈশ্বৰ আৰু জীৱৰ ভেদ অন্ততঃ ব্যৱহাৰিক অৰ্থত গৃহীত হ'ব লাগিব। কিন্তু দাশগুপ্তই ভাগৱত সম্পৰ্কে কৰা আন এটা উক্তি গভীৰভাৱে বিবেচনাৰ যোগ্য:

"The maya which is the manifestation of the external power of God is defined in the Bhagavata as that which cannot manifest itself except through the ultimate reality, and which yet does not appear in it, i.e. maya is that which has no existence without Brahman and which, nevertheless has no existence in Brahman. This maya has two functions, viz. that with which it blinds the individual souls, called jiva-maya, and the other by which the world transformations take place, called the guna-mayà (Dasupta, on, cit. p. 16)

এই জীৱমায়াৰ ফলতে জীৱই নিজকে ব্ৰহ্মতকৈ ভিন্ন বুলি ভাবে। কিন্তু তাতোকৈ লক্ষণীয় কথা এয়ে যে এনে কথা কোৱা বাবেই ৰামাণুজে শংকৰাচাৰ্য্যক তীব্ৰভাষাত আক্ৰমণ কৰিছে। সত্যৰ পৰা উদ্ভূত অথচ নিজে সত্য নহয়— এনে এক মায়া ৰামাণুজে স্বীকাৰ নকৰে।

# শংকৰাচাৰ্য্য আৰু শংকৰদেৱ (৩)

এইখিনিতে শংকৰাচাৰ্য্যৰ ধাৰণাৰ লগত শংকৰদেৱৰ তথা ভাগৱতৰ এক অতি তাৎপৰ্য্যপূৰ্ণ মিল দেখা যায়। ৰামাণুজৰ দৰ্শনত মায়াবাদৰ কোনো গুৰুত্ব নাই। শাস্ত্ৰ আৰু যুক্তিৰ ভিত্তিত ৰামাণুজে সৰ্বশক্তি প্ৰয়োগ কৰি মায়াবাদ খণ্ডন কৰিছে। (Radhakrishnan, op cit. pp 698-701) তেওঁৰ মতে সকলো জ্ঞানেই সত্যবস্তুৰ জ্ঞান। মায়াৰ দ্বাৰা সত্যবস্তুতকৈ বেলেগ ধৰণৰ কিবা জ্ঞান উৎপাদন হোৱাও তেওঁৰ মতে এক ভিত্তিহীন ধাৰণা। অৱশ্যে জীৱই অবিদ্যাজনিত মোহত পৰি কৰ্মবন্ধ এৰাব নোৱাৰা হয়। কিন্তু জীৱ আৰু জগতৰ অন্তৰ্যামী পৰমাত্মাৰ জ্ঞান হ'লে সেই অবিদ্যা দূৰ হয়। অবিদ্যা জীৱৰ ব্যক্তিগত দোষ বা দুৰ্বলতাৰ লগতহে জড়িত। যিমানেই ক্ষতিকৰ নহওঁক সি মায়াৰ দৰে বিশাল আৰু ভীষণ ধাৰণা নহয়। (ৰামাণুজৰ শ্ৰীভাষ্য, ১/১/১ চাওক)।

কিন্তু ভাগৱতত মায়া এক সঘনে উল্লিখিত আৰু গুৰুত্বপূৰ্ণ ধাৰণা। মায়া ঈশ্বৰৰ শক্তি আৰু সৃষ্টি। কীৰ্ত্তনতো আছে:

তেহেন্তে পৰম ঈশ্বৰ দেৱ।
বিষ্ণুত পৰে আন নাহি কেৱ॥
আপুনি মায়াৰ বলে অনন্তে।
সৃজন্ত পালন্ত সংহৰে অন্তে। (প্ৰহ্লাদ চৰিত্ৰ)
যত দেখা যত শুনা যতেক মনত গুণা
সৱে মায়াময় স্বপ্নসম।
সমস্তে জগতে হৰি জানিবা নিশ্চয় কৰি
গুচায়ো বুদ্ধিৰ ইটো ভ্ৰম॥ (শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ)
ভাগৱতৰ অসমীয়া ভাঙনিত কোৱা হৈছে:
সকলে জগত আছে শৰীৰত
বিস্তৰ নাম যাহাৰে।
তথাপি বিশ্বৰ সৃষ্টি স্থিতি অন্ত
কৰন্ত মায়াৰ দ্বাৰে॥

অনন্ত কন্দলিৰ দশম স্কন্ধৰ শেষ খণ্ডৰ অনুবাদত মায়াৰ শংকৰাচাৰ্য্যকৃত ব্যাখ্যা বিশেষ লক্ষণীয়:

তুমিসে সত্যতে সত্য যেন মনে
প্ৰকাশে মিছা সংসাৰ।
মালাতে সৰ্পৰ ভ্ৰম যেন মিলৈ
নকৰে যাৱে বিচাৰ॥

অনন্ত কন্দলিৰ এই অনুবাদ শংকৰদেৱৰ আগত উছৰ্গা কৰা হৈছিল— মহাপুৰুষেও তাক গ্ৰহণ কৰিছিল।

কিন্তু ভাগৱতৰ বহু ঠাইত শংকৰাচাৰ্য্যৰ অদ্বৈতবাদৰ লগত নিমিলা উক্তিও আছে। সেইবোৰক প্ৰকৃততে শংকৰাচাৰ্য্যৰ বিপৰীত মত বুলিব পাৰিনে? এইখিনিতে মনত ৰখা ভাল যে ভাগৱত শংকৰাচাৰ্য্যৰ মাৰ্গৰ দাৰ্শনিক গ্ৰন্থ নহয়, সি ঘাইকৈ এক ধৰ্মশাস্ত্ৰ। তাৰ ওপৰত ৰামাণুজ আদি অন্যান্য দাৰ্শনিকৰ প্ৰভাৱো পৰা সম্ভৱ— যেনেকৈ ভগৱদ্গীতাৰ ওপৰত সাংখ্য, যোগ, বেদান্ত সকলোৰে প্ৰভাৱ আছে। কিন্তু শংকৰাচাৰ্য্যৰ দৰ্শনো ৰামাণুজৰ তুলনাত প্ৰশস্ত। তাত পাৰমাৰ্থিক, ব্যৱহাৰিক দুয়োটা দৃষ্টিকোণৰ স্থান আছে। সেয়ে ৰামাণুজৰ বাবে গুৰুত্বপূৰ্ণ কেতবোৰ ধৰ্মীয় বিশ্বাসৰ বাবেও শংকৰাচাৰ্য্যৰ প্ৰশস্ত অদ্বৈতবাদত স্থান নথকা নহয়।

শংকৰাচাৰ্য্যৰ "সগুণ ব্ৰহ্ম"ৰ ধাৰণাত ৰামাণুজৰ ব্ৰহ্মৰ ধাৰণাৰ সৰহভাগেই অন্তৰ্ভুক্ত। সগুণ ব্ৰহ্ম বা ঈশ্বৰ নামৰূপধাৰী জীৱ আৰু জগতৰ স্ৰষ্টা আৰু নিয়ন্তা। সৃষ্টিৰ সময়ত ঈশ্বৰে মায়াৰ বলত সমূহ জীৱ আৰু আৰু জগতক প্ৰকাশ কৰে। প্ৰলয় কালত ঈশ্বৰৰ অংশৰূপে সিহঁত বিৰাজ কৰে অব্যক্তভাৱে। অৰ্থাৎ ৰামাণুজৰ ব্ৰহ্মত থকা বহুত ধাৰণা আগতে বহলাই কোৱা দৰে শংকৰাচাৰ্য্যইহে প্ৰথমে উদ্ভাৱন কৰিছিল। ১৯৮৪ চনত অধুনালুপ্ত "নৱদূত" আলোচনীত (সম্পাদক শ্ৰীযুত উমাকান্ত শৰ্মা) মই এই বিষয়ে আলোচনা আৰম্ভ কৰিছিলো। আলোচনীখন বন্ধ হৈ যোৱাত সেই আলোচনা সম্পূৰ্ণ কৰাটো সম্ভৱ নহ'ল। সাংখ্যৰ দ্বৈতবাদৰ বিৰোধিতা কৰিবলৈ গৈ তাৰ সগুণ ব্ৰহ্মৰ ধাৰণাটো দাঙি ধৰিবলৈ লৈ শংকৰাচাৰ্য্যই উদ্ভাৱন কৰা বহু যুক্তি আৰু ধাৰণা ৰামাণুজে পিছত শংকৰাচাৰ্য্যক গৰিহণা দিয়াৰ লগতে আত্মসাৎ কৰিছিল॥

শংকৰাচাৰ্য্যই জীৱক ঈশ্বৰৰ অংশ বুলি সিমান স্পষ্টকৈ নক'লেও "অংশৰ দৰে" (অংশ হ'ব") বুলি কৈছে। অসমীয়া ভাগৱততো কবিয়ে সযত্নে, সাৱধানে অনুৰূপ ভাষা ব্যৱহাৰ কৰিছে:

সেহি তব অংশ প্ৰায় জীৱ বুলি নিৰূপয়
তুমি সৰ্ব্বশক্তিৰ ঈশ্বৰ॥ (দশমস্কন্ধ, শেষ খণ্ড)

ৰাধাকৃষ্ণণে সগুণ ব্ৰহ্মৰ বৰ্ণনাত কৈছে:

The individual souls, which are different from one another are regarded as parts of Is'vara, which are, however, not confused." (op. cit. p. 551)। সেয়ে জীৱক পূজা কৰা বা ভক্তি কৰা শংকৰাচাৰ্য্যৰ অনুমোদিত পন্থাতো কিছুমানে ভবা দৰে অসম্ভৱ বা স্ববিৰোধী নহয়।

শ্ৰদ্ধাস্পদ জিতেন্দ্ৰনাথ দাস আৰু প্ৰসন্নকুমাৰ ডেকা ডাঙৰীয়াই ঠিকেই কৈছে যে জীৱ আৰু ঈশ্বৰৰ ভেদ নাথাকিলে ভক্তিৰ সকামেই নাথাকে। কিন্তু আমি দেখিছোঁ যে সগুণ ব্ৰহ্ম তথা ঈশ্বৰৰ প্ৰতিভক্তি শংকৰাচাৰ্য্যই অস্বীকাৰ কৰা নাই। তেওঁ আৰু কৈছে:

"মোক্ষকাৰণ সামগ্ৰ্যাং ভক্তিৰেব গৰিয়সী।"

(মোক্ষৰ উপায় সমূহৰ ভিতৰত শ্ৰেষ্ঠ হৈছে ভক্তি।)

শংকৰদেৱেও কলিকালত ভক্তিকেই মোক্ষলাভৰ সৰ্বোত্তম (আৰু কেতিয়াবা একমাত্ৰ) পথ বুলি কৈছে। কিন্তু আজিৰ বহু গোঁড়া ভক্তিবাদীৰ দৰে তেওঁ জ্ঞানমাৰ্গক একেবাৰে নস্যাৎ কৰি দিয়া নাই। তেওঁৰ মতে জ্ঞান সত্যযুগৰ উপযুক্ত পথ আৰু কলিকালত কষ্টকৰ:

জ্ঞানেসে জানিবা মুখ্য প্ৰায়শ্চিত্ত
দুষ্কৰ জ্ঞানৰ পথ।

* * *

জ্ঞানৰ পথত নাহিকে সহায়
কৰ্মত বিঘিনি ভয়।
ভকতি পথত ঈশ্বৰ ৰক্ষক
জানিবা ৰাজা নিশ্চয়॥ (৬ষ্ঠ স্কন্ধ ভাগৱত)

শংকৰাচাৰ্য্যৰ মতে ভক্তি হৈছে জ্ঞানৰ— ব্ৰহ্মৰ লগত জীৱৰ একাত্মবুদ্ধিৰ— দুৱাৰ। (Radhakrishnan, pp 649-650) শংকৰদেৱৰ ৰচনাত এনে ধৰণৰ উক্তি প্ৰচুৰ। যথা:

ভকতিৰ বলে জ্ঞান লভিলা নিৰ্গুণ।
জীৱন্তে মুকুত হুই ৰহিলা অৰ্জুন॥
(শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ: কীৰ্ত্তন ঘোষা।)
কৃষ্ণ সেৱা বিনে আন ধৰ্ম নাহিকয়।
কৃষ্ণ ভকতিত মাত্ৰ জ্ঞান উপজয়॥
কৃষ্ণৰেসে কৃপাত ব্ৰহ্মাৰ ভৈল জ্ঞান।
কৃষ্ণকৃপা বিনে কাৰ্য্য সাধিবাক টান॥ (২য় স্কন্ধ, ভাগৱত)

বহু ঠাইত আকৌ জ্ঞান আৰু ভক্তিক মোক্ষৰ দুই বিকল্প পথ ৰূপেও

উল্লেখ কৰা হৈছে। যেনে:

যোগীজনে শ্ৰম কৰি প্ৰবন্ধে সমাধি ধৰি
সৱে কৰ্মবন্ধ কৰি ক্ষীণ।
তেজিয়া সংসাৰনয় দেখে সবে ব্ৰহ্মময়
তেৱেসে তোমাত যায় লীন॥ (শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ)

অৱশ্যে আমি আগতে কোৱাৰ দৰে জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ, যোগীতকৈ ভক্ত ডাঙৰ সাধক বুলিও শংকৰদেৱে সময়ে সময়ে তীব্ৰ মত প্ৰকাশ কৰিছে।

শংকৰাচাৰ্য্যৰ মতে "জীৱন্মুক্ত" পুৰুষৰ লক্ষণ 'সৰ্বাত্মভাৱ'। ৰামাণুজে "জীৱন্মুক্ত" অৱস্থাটো সম্ভৱ বুলি নাভাবে। কিন্তু মহাপুৰুষে উদ্ধৱৰ মুখেদি কীৰ্ত্তনঘোষাত কোৱাইছে:

বিষ্ণুময় দেখে যিটো সমস্তে জগতে।
জীৱন্তে মুকুত হোৱে অচিৰকালতে॥
সকল পাণীক দেখিবেক আত্মসম।
উপায়মধ্যত ইটো অতি মুখ্যতম॥ (শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ)

আৰু প্ৰমাণ দাঙি ধৰাৰ প্ৰয়োজন বোধহয় নাই।

শংকৰাচাৰ্য্যৰ সামাজিক দৃষ্টিভংগী উদাৰ হলেও বৈপ্লৱিক নাছিল। কিন্তু এটা বিষয়ত শংকৰদেৱৰ তেওঁৰ লগত মিল আছে: চিন্তাধাৰা তথা দৰ্শন যিমানদূৰ সম্ভৱ প্ৰশস্ত আৰু সমন্বয়ধৰ্মী কৰি এক বহল সমাজক সাৱটি ল'বলৈ তেওঁ আহোপুৰুষাৰ্থ কৰিছিল। সেয়ে সকলো শ্ৰেণীৰ, গোষ্ঠীৰ, অসমীয়া তেওঁৰ মহিমাত আকৃষ্ট হৈছিল। ভক্তি ধৰ্মৰ মূল নীতি সমূহ বিসৰ্জন নিদিয়াকৈ সমাজৰ সকলো অংশকে আঁকোৱালি ল'বলৈ তেওঁৰ সহিষ্ণু, উদাৰ আগ্ৰহে তেওঁক আজিলৈকে বৃহৎ অসমীয়া জাতিৰ পিতা কৰি ৰাখিছে।

কিন্তু আজি দেখা গৈছে, তেওঁৰ নীতিসমূহ প্ৰতিষ্ঠা কৰাৰ নামত তুচ্ছ কথাত কাজিয়া লগাই এচাম লোকে সমাজত প্ৰবল বিভাজন আনিছে, কন্দল সৃষ্টি কৰিছে। তাৰ মূলত জনকল্যাণতকৈ এচাম উচ্চাকাংক্ষী, স্বাৰ্থপৰ লোকৰ ক্ষমতা আৰু প্ৰতিপত্তিৰ লোভহে থকা যেন লাগে। সময়ে তাক প্ৰমাণ কৰিব।

(আজিৰ অসম, ১৬-১৮ অক্টোবৰ, ১৯৯২)